শিৱসাগৰ / ১

দীপালী ভট্টাচাৰ্য বৰুৱাৰদ্বাৰা সম্পাদিত

কৃতজ্ঞতা

'শিল্প শিবসাগৰ'ৰদ্বাৰা প্ৰকাশিত **শিৱসাগৰক** তথ্য-পাতি আৰু লেখাৰে সমৃদ্ধ কৰা সদাশয় ব্যক্তিসকল,

জিলা উপায়ুক্ত মহোদয়,
শিবসাগৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ,
বিজ্ঞাপন-দাতা তথা
সংশ্লিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীসকল,
শুভাকাংক্ষীসকল,
উপায়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী প্ৰণৱ বৰা,
ময়ূৰ গগৈ, সুমন্ত বৰুৱা আৰু অমৰজ্যোতিলৈ
জনাইছোঁ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

— সম্পাদক, **শিৱসাগৰ**

শিৱসাগৰ / ১

গুৰুৰ শ্ৰীচৰণত প্ৰণিপাত জনাই

অসমবাসীৰ হাতত উছৰ্গা কৰিলোঁ **শিৱসাগৰ**

শিৱসাগৰ /১

শিৱসাগৰৰ ইতিহাস, সাহিত্য-সংস্কৃতি, সমাজ-জীৱন ইত্যাদি বিষয়ক
ভিন্নসুৰী লেখাৰ এক সংকলন
শিল্প শিৱসাগৰৰদ্বাৰা প্ৰকাশিত, গুৱাহাটী, ডিচেম্বৰ, ২০০৯

শিল্প শিৱসাগৰ, মাৰফৎ দীপালী ভট্টাচাৰ্য বৰুৱা,
শঙ্কৰ মন্দিৰ পথ, শিৱসাগৰ ৭৮৫৬৪০। টেলিফোন ঃ ৯৮৫৪৩ ৬০৬০৭

দাম ঃ ২৫০ টকা

ফটোসমূহৰ বাবে বিশেষভাৱে কৃতজ্ঞ ময়ূৰ কুমাৰ গগৈৰ ওচৰত।
ফটো নিৰ্বাচন ঃ ডাঃ দীপ্তিমন্ত বৰুৱা।

শিৱসাগৰ প্ৰস্তাৱনা সংখ্যা

সম্পাদক	দীপালী ভট্টাচাৰ্য বৰুৱা
সম্পাদনা সহযোগী	অপূৰ্ব ভূঞা
প্ৰকাশক	'শিল্প শিৱসাগৰ' গোষ্ঠী
সদস্যবৃন্দ	সোণাৰাম বৰুৱা
	ড° কৃষ্ণকুমাৰ মিশ্ৰ
	যোগেশ বৰুৱা
	শিৰীষকুমাৰ ভট্টাচাৰ্য
	ড° প্ৰকাশ কটকী
	ড° নিৰুপমা মহন্ত
	মণিকা শইকীয়া
	প্ৰেম গগৈ

সূচী

সম্পাদকীয় । ৯

ৰংপুৰৰপৰা শিৱসাগৰলৈ ঠাই আৰু মানুহ ঃ পৰানন কোঁৱৰ । ১১
ঐতিহ্যমণ্ডিত শিৱসাগৰ ঃ খগেন্দ্ৰনাথ ভূঞা । ১৫
সাগৰৰ সন্ধানত এখন নগৰ — শিৱসাগৰ ঃ যোগেশ বৰুৱা । ২২
শিৱসাগৰ ২০০৯ ঃ দীপালী ভট্টাচাৰ্য বৰুৱা । ২৯

স্বৰাজোত্তৰ শিৱসাগৰৰ সাহিত্য-জগতত এভুমুকি ঃ ড° কৃষ্ণকুমাৰ মিশ্ৰ । ৩৭
শিৱসাগৰত সাহিত্য-চৰ্চা ঃ ড° জয়ন্ত কুমাৰ বৰা । ৪০
স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ নাট্য-জগতত এভুমুকি ঃ প্ৰশান্ত কুমাৰ চুতীয়া । ৪৭
শিৱসাগৰত সংগীতৰ পৰিৱেশ ঃ অতীত আৰু বৰ্তমান ঃ অমৰজ্যোতি দত্ত । ৫২
যোৱা তিনিটা শতিকাত ৰংপুৰত সংগীত-চৰ্চাৰ পৰম্পৰা ঃ মাখন ভূঞা । ৫৫

ৰংপুৰৰ তিনিশ বছৰ উদযাপন ঃ এক অৱলোকন ঃ সোণাৰাম বৰুৱা । ৬৭
শিৱসাগৰ জিলাৰ পুৰণি কীৰ্তিচিহ্ন ঃ দিলীপ কুমাৰ বুঢ়াগোহাঞি । ৭৬
আপুৰুগীয়া সম্পদৰ আলপৈচান ঃ পুষ্পনাথ ভূঞা । ১০০
অসম সাহিত্য সভাৰ পোন প্ৰথম অধিবেশনৰ জিলিঙনি ঃ দক্ষিণাকান্ত বৰুৱা । ১০১
সাহিত্য সভাৰ ৫৯তম শিৱসাগৰ অধিবেশনৰ ৰেঙণি ঃ গুণ বৰুৱা । ১০৭
শিৱসাগৰৰপৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ (১৯৭৪-২০০৫) ঃ প্ৰেম গগৈ । ১১১
ঊনবিংশ শতিকাত স্থাপন হোৱা শিৱসাগৰৰ দুখন বিদ্যালয় ঃ ধীৰেন্দ্ৰনাথ ভূঞা । ১১৯
সেউজীয়া সমাজ সংগীত মহাবিদ্যালয় ঃ হিৰণময়ী দত্ত । ১২৫
শিৱসাগৰৰ কেইটামান ঐতিহ্যবহনকাৰী ঘৰ ঃ শিৰীষ কুমাৰ ভট্টাচাৰ্য । ১২৮
ৰংপুৰ তথা শিৱসাগৰ প্ৰশাসনৰ প্ৰশাসকসকল ঃ পুষ্পনাথ ভূঞা । ১৩৪

গমধৰ কোঁৱৰ ঃ যমুনা বৰগোহাঁই । ১৪০

শিৱসাগৰ/১

পিয়লি ফুকন ঃ যমুনা বৰগোহাঁই । ১৪৫
শিৱসাগৰৰ কেইটামান সংগঠন আৰু অনুষ্ঠান ঃ অমলচন্দ্ৰ দত্ত । ১৫০
মোৰ স্মৃতিত অম্লান হৈ থকা চহৰ শিৱসাগৰ ঃ গীতা উপাধ্যায় । ১৫৪
শিৱসগাৰৰ কেইগৰাকীমান সমাজহিতৈষী ব্যক্তি ঃ স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা । ১৫৮
শিৱসগাৰৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তি ঃ বিভূতিভূষণ বৰুৱা, সোণাৰাম বৰুৱা, দলিলুদ্দিন খান, অনামিকা বৰগোহাঁই । ১৭০
শিৱসাগৰৰ সাহিত্য-চৰ্চা ঃ ১৯৬০-২০০৯ ঃ অপূৰ্ব ভূঞা । ১৭৬
সেউজ কোঁৱৰ পৰাগ চলিহাৰ জীৱনৰ উল্লেখযোগ্য ঘটনাসমূহ । ১৮৫

শিৱসাগৰ ঃ মোৰ নষ্টালজিয়াৰ নগৰখন ঃ পৰশমণি বৰদলৈ । ১৮৭
শৈশৱৰ শিৱসাগৰ ঃ মলয় নাৰায়ণ দাস । ১৯০
আমাৰ শিৱসাগৰখন ঃ প্ৰফুল্ল মহন্ত । ১৯২
দুটি অভিজ্ঞতা ঃ মানিকচন্দ্ৰ দত্ত । ১৯৩
মোৰ কৈশোৰ আৰু যৌৱনৰ শিৱসাগৰ ঃ মহানন্দ শৰ্মা । ১৯৪
শিৱসাগৰ ঃ মোৰ নষ্টালজিয়াৰ চহৰখন ঃ পূৰবী দত্ত চৌধুৰী । ১৯৬
অসমত খাৰুৱা তেলৰ অন্বেষণ আৰু শিৱসাগৰৰ প্ৰেক্ষাপটত অ.এন.জি.চি আৰু গেইল ঃ অপূৰ্ব ভূঞা । ১৯৮
ডিঅ'জলি আংগামীৰ স্মৃতিৰ মণিকোঠাত ৰক্তাক্ত কাৰ্গিল ঃ কিছু ইতিহাস আৰু মানৱীয়তাৰ সৌধত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ ঃ ময়ূৰ কুমাৰ গগৈ । ২০২

কবিতা ঃ তোমালোক আকৌ আহিবা ঃ বীৰেন বৰকটকী । ২১১
কবিতা ঃ বৰজহা গাঁৱলৈ কিমান দূৰ ঃ বীৰেন বৰকটকী । ২১৬
কবিতা ঃ ভগা লাওখোলাটি ঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য । ২১৫
কবিতা ঃ নতুন মানুহ ঃ জগত চেতিয়া । ২১৯
কবিতা ঃ প্ৰকৃতি ঃ শশীকান্ত গগৈ । ২২০
কবিতা ঃ এখন মুখৰ সন্ধানত ঃ ঈশান দত্ত । ২২২
কবিতা ঃ অৰুণোদয়ৰ চোতালত গধূলি ককাৰ লগত ঃ ঈশান দত্ত । ২২৩
কবিতা ঃ হীৰাৰ দৰে কঠিন ঃ নাহেন্দ্ৰ পাদুন । ২২৬

সম্পাদকীয়

ৰংপুৰৰ কৃতী সন্তান বুৰঞ্জীবিদ ড লীলা গগৈদেৱে তাহানিতে লিখিছিল ঃ

'এইখনেই আমাৰ জীৱন মৰণৰ ঠাই, বৰষুণৰ পানী পৰি টকলা পথাৰখন কলপটীয়া হয় বন গজে মেটেকা ফুলে, লেহেতি গজে, পানীখুতৰা বগায়। পানীপৰুৱাবোৰে পানীৰ ওপৰে ওপৰে নাচি ফুৰে।"

গ্রাম্য সৰলতা আৰু নৈসৰ্গিক শোভাৰে পুষ্ট শিৱসাগৰৰ আছে নিজস্ব এক ভাষা আৰু চৰিত্ৰ জীৱনৰ বিশালতাৰ কথা সামান্যভাৱে বুজিবলৈ আৰম্ভ কৰোঁতেই প্ৰথমেই সন্মুখত থিয় হৈছিল নিজৰ ঠাইখন শৈশৱৰপৰা যি এতিয়ালৈকে যি মোক দি আহিছে স্নেহ আৰু সততাৰ সাহচৰ্য। এই ঋণ পৰিশোধ কৰিবৰ কাৰণে বাবে মোৰ সামৰ্থ্যৰ ভিতৰত কেৱল গ্ৰন্থ ৰচনাৰ কথাই মনলৈ আহিছিল। কিন্তু কাৰ্যক্ষেত্ৰত আগবাঢ়োতে অনুভৱ কৰিলোঁ, ই এক কষ্টসাধ্য যাত্ৰা। কাক বাদ দিম, কাক গ্ৰহণ কৰিম? ৰংঘৰৰ বাকৰিৰপৰা শইকীয়া ফাষ্ট ফুড কৰ্ণাৰলৈকে এক দীঘলীয়া যাত্ৰা। কোনো-কোনো মুহূৰ্তত আচম্বিতে হতাশা আৰু বিভ্ৰান্তিয়ে বাট ভেটি ধৰিলেও আশ্চৰ্য আৰু আনন্দৰ সীমা নাছিল, যেতিয়া মোৰ পৰিকল্পনাৰ কথা শুনি সত্তৰোৰ্দ্ধ কেইবাজনো ব্যক্তিৰ চকুত দেখিছিলোঁ বিজুলিৰ চমকনি। কঁপা কঁপা হাতেৰে কোনোজনে আগবঢ়াই দিছে পুৰণি শিৱসাগৰখনৰ সম্পৰ্কে কিছু কথা, যিখিনি তেওঁ ব্যক্তিগত পুথিভঁৰালত দীৰ্ঘ দিন ধৰি সাঁচি ৰাখিছে কৃপণৰ ধনৰ নিচিনাকৈ। কোনোজনে অপ্ৰত্যাশিতভাৱে আহি দুৱাৰত টোকৰ দিছে, এইখিনি লেখা চোৱাচোন, যদি তোমাৰ কিবা কামত আহে। এটাৰ পাছত আনটো অভিজ্ঞতা। চিত্ৰমালাৰ শোভাযাত্ৰা। উদীয়মান আলোকচিত্ৰশিল্পী ময়ূৰ গগৈক লগত লৈ যেতিয়া পুৰণা জুডিচিয়েল কৰ্টৰ চাৰিবেৰৰ বাহিৰ হ'ব খুজিছিলোঁ, সেই মুহূৰ্তত পাছফালৰপৰা ক্ষোভ আৰু উষ্মাৰে ভৰা এটা অচিনাকি কণ্ঠই কাঁড় নিক্ষেপ কৰিছিল - 'এইবোৰতো বহু বছৰ আগতেই হ'ব লাগিছিল'। কথাষাৰ আংশিকভাৱে নহয়, সম্পূৰ্ণ সত্য বুলিয়ে মানিছোঁ। ৰংপুৰৰ মজিয়াত থিয় হৈ শত সহস্ৰ অসম আৰু অসমীয়াপ্ৰেমী জনতাৰ আদালতত ময়ো অন্যতম আচামী ৰূপে থিয় হ'লোঁ।

— দীপালী ভট্টাচাৰ্য বৰুৱা

পৰানন কোঁৱৰ

ৰংপুৰৰপৰা শিৱসাগৰলৈ — ঠাই আৰু মানুহ

১

মধ্যযুগীয় অসমৰ আহোম ৰাজত্বকালৰ ৩০তম ৰজা ৰুদ্ৰসিংহ(১৬৯৬ ১৭১৪ খ্ৰীঃ)ই পুৰণি মেটেকা নামৰ এলেকাটোৰ টেঙাবাৰী নামৰ অঞ্চলটোত 'চে মুন' (টাই ভাষাত চে' - নগৰ, মুন = ৰং বা আনন্দ অৰ্থাৎ ৰং বা আনন্দৰ নগৰ। অসমীয়া কৰিলে হ'ব ৰংপুৰ') বা ৰংপুৰ নাম দি আহোমৰ চতুৰ্থখন স্থায়ী ৰাজধানী প্ৰতিষ্ঠা কৰে। এই নগৰৰ কাম ১৬৯৯ খ্ৰীঃত আৰম্ভ কৰি ১৭০৭ খ্ৰীঃত নগৰত প্ৰৱেশ কৰা হয়। ৰাজধানী গড়গাঁৱৰ সমান্তৰালকৈ পতা 'ৰংপুৰ' আছিল প্ৰধান ৰাজধানী গড়গাঁৱৰ সেনা-নিবাস, ৰং ধেমালিৰ স্থল, সচিবালয় আৰু আদালতৰ ক্ষেত্ৰ। পূৰ্বতে এই মেটেকাৰ এটা অংশত (কাৰেংঘৰ আৰু জয়সাগৰৰ মাজত) আহোমৰ ২৮তম ৰজা ৰত্নধ্বজ সিংহ ওৰফে ল'ৰা ৰজা(১৬৭৯ ১৬৮১ খ্ৰীঃ)ই ১৬৭৯ খ্ৰীঃত শিবিৰ পাতিছিল। তেওঁৰ পাছত লালুকসোলা বৰফুকনে নিজৰ বাৰীৰ (যি ঠাইক বৰ্তমান বৰফুকনবাৰী নামে জনা যায়) ওচৰৰ হাতীশালৰ কাষলৈ শিবিৰ স্থানান্তৰ কৰিছিল। সেইদৰে আহোমৰ ২৯তম ৰজা গদাধৰ সিংহ(১৬৮১-১৬৯৬ খ্ৰীঃ)ই মেটেকাত বাহৰ পাতিছিল।

এই ৰংপুৰ নগৰত ৰুদ্ৰ সিংহ(১৬৯৬-১৭১৪ খ্ৰীঃ)ৰপৰা আৰম্ভ কৰি শিৱ সিংহ (১৭১৪ ১৭৪৪ খ্ৰীঃ), প্ৰমত্ত সিংহ (১৭৪৪ ১৭৫১ খ্ৰীঃ), ৰাজেশ্বৰ সিংহ (১৭৫১ ১৭৬৯ খ্ৰীঃ), লক্ষ্মী সিংহ (১৭৬৯ ১৭৮০ খ্ৰীঃ) আৰু গৌৰীনাথ সিংহ(১৭৮০ ১৭৯৫ খ্ৰীঃ) লৈ প্ৰায় ৮৮ বছৰ (১৭০৭ ১৭৯৫ খ্ৰীঃ) ছজন ৰজাই শাসন চলাইছিল।

ৰংপুৰৰ পূবে বাঁহগড়, পশ্চিমে দিখৌ আৰু নামদাং নদীৰ সংযোগস্থলী, উত্তৰে দিখৌ নদী আৰু দক্ষিণে নামদাং নদী। সেইদৰে ৰংপুৰ নগৰৰ প্ৰধান প্ৰৱেশ দুৱাৰ দুখন— পূবে বাঁহগড়ৰ সিংহদুৱাৰ আৰু পশ্চিমে নামদাঙৰ শিলৰ সাঁকো। এই দুই প্ৰধান দুৱাৰক বৰ আলিয়ে সংযোগ কৰিছে।

ৰাজধানী ৰংপুৰৰ ৰাজকাৰেং কমপ্লেক্সটো ৩৬°৫৭'৫৪" N আৰু ৯৪ ৩৭'২৮" E-ত অৱস্থিত। ইয়াৰ দক্ষিণে ধৰ্মীয় প্ৰয়োজনত আঠকোণীয়া পা-কুৱা (তাও সৃষ্টিতত্ত্ব মতে ইয়াৰ অৰ্থ

আঠ চিহ্ন) প্ৰতিষ্ঠা কৰা হৈছিল। পাছত এই পা-কুৰা মানুহৰ মুখত পৰি ফাকুৱা দৌল নামে জনপ্ৰিয় হৈ পৰে। ৰাজকাৰেঙৰ কমপ্লেক্সটোৰ পশ্চিমে খেল-ধেমালিৰ বাবে নিৰ্মাণ কৰা হৈছিল ৰংঘৰ। টাই ভাষাত ৰং মানে আলোচনাকক্ষ, ৰাজশিবিৰ, পেভিলিয়ন। ইয়াত বিদেশী ৰাষ্ট্ৰদূত বা পৰ্যটকৰ লগত আলোচনা কৰা হৈছিল। ইয়াত বহি ৰাজবিষয়া, ৰাষ্ট্ৰদূত আৰু ৰজাই খেল-ধেমালি উপভোগ কৰিছিল। এই 'ৰং-ৰেন' বা 'ৰং'ৰ অসমীয়াকৰণেই হ'ল 'ৰংঘৰ'।

জয়দৌল আৰু জয়সাগৰ পুখুৰীৰ প্ৰৱেশপথৰপৰা পশ্চিম দিশে বৰআলিৰ কাষে-কাষে বাওঁহাতে পহুগড়। সেই সময়ত পহুগড় পুখুৰীটো আৰু ন-পুখুৰীটো নৌ-সেনাবাহিনীয়ে নাও ৰখা, মেৰামতি কৰা, নাৱেৰে যুদ্ধৰ বস্তু অনা-নিয়া কামত ব্যৱহাৰ কৰিছিল। জনশ্ৰুতি মতে এই পহুগড়ৰ কাষত এখন চিৰিয়াখানা আছিল।

বৰ্তমানৰ আধুনিক শিৱসাগৰ জিলাই যি মাটিভাগ আগুৰি আছে সেই অংশৰ চাৰিসীমাৰ ভিতৰত আহোম ৰাজত্বকালৰ পাঁচখন স্থায়ী ৰাজধানী ভিতৰত চাৰিখনেই অন্তৰ্ভুক্ত হৈ আছিল। পূবে চৰাইদেউ, পশ্চিমে ৰংপুৰ, উত্তৰে চৰগুৱা আৰু মাজত গড়গাঁও। পঞ্চমখন ৰাজধানী যোৰহাটত অৱস্থিত।

পূৰ্বে ৰাজধানী ৰংপুৰ তথা দিখৌ নদীৰ উত্তৰে থকা ভূ-খণ্ড শিৱপুৰ বা শিৱসাগৰ নামে জনাজাত আছিল। পৰৱৰ্তী সময়ত এই শিৱপুৰ বা শিৱসাগৰৰপৰাই ৰংপুৰ, চৰাইদেউ, চৰগুৱা, গড়গাঁও আদি সকলো মিলাই বৰ্তমানৰ শিৱসাগৰ জিলা গঠন হয়।

আগতে শিৱসাগৰ আৰু ৰংপুৰ দুখন বেলেগ ঠাই আছিল। বৰ্তমানে শিৱসাগৰ জিলাৰ মাজেদি বৈ যোৱা দিখৌ নদীখন মধ্য যুগত বৰ্তমান অৱস্থানৰ উত্তৰ দিশে শিৱসাগৰ নগৰৰ শঙ্কৰ সমাজ নামঘৰৰ কাষেদি প্ৰৱাহিত হৈছিল। কিন্তু আহোম ৰাজত্বৰ শেষৰফালে ই গতি সলাই বৰ্তমানৰ গতিধাৰা লাভ কৰিছে। সেই সময়ত শিৱসাগৰৰ চাৰিসীমা আছিল - পূবে চেৰেকাপাৰ, পশ্চিমে কাঠপাৰ, উত্তৰে জযৰাপাৰ আৰু দক্ষিণে ঢুলীযাপাৰ। বড়ো ভাষাৰ শব্দ 'দিখৌ'ৰ 'দি' মানে পানী বা নদী আৰু 'খৌ' মানে থিয় গৰা অৰ্থাৎ থিয় গৰাৰ নদী বা গৰাময় নদী। ইয়াৰ আগতে দিখৌৰ নাম আছিল 'ক্লং' বা 'ক্লংচু'। অষ্ট্ৰিক 'ক্লং' বা 'ক্লংচু' শব্দৰপৰাই দিখৌৰ উত্তৰ পাৰৰ অংশটোৰ নাম 'ক্লংচুপাৰ' বা 'কলঞ্চুপাৰ' বা 'দৈক্লং' হৈছিল। অন্য নাম আছিল দৰিকাকোষ আৰু ক্লংচুপৰীয়া গোহাঁই গাঁও। কোনোৰ মতে নগাঁৱৰ কলং নদীৰ কাষৰপৰা এই অঞ্চললৈ উঠি অহা মানুহখিনিক লৈয়েই ঠাইখনৰ নাম কলঞ্চুপাৰ হ'ল। সি যি নহওক, ইয়াৰ পাছৰ সময়ত আহোম ৰাজত্বকালত এই ঠাইৰ নাম শিৱপুৰ হয়। ইয়াণ্ডাবু সন্ধিৰ পাছত ১৮২৬ চনত ৰংপুৰসহ এই শিৱপুৰ ইংৰাজৰ হাতলৈ যায় আৰু ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইয়াক শিৱসাগৰ কৰে।

এতিয়া যি ঠাইত শিৱসাগৰ পুখুৰী আছে সেই ঠাই দ আছিল। মাজেদি বৈ গৈছিল এটা জান। ইয়াৰ কাষৰ অঞ্চলটোৰ নাম আছিল কলঞ্চুপৰীয়া গোহাঁই গাঁও। এই গাঁৱৰ জানটোতে আহোমৰ ৩১তম ৰজা শিৱসিংহ(১৭১৪-১৭৪৪ খ্ৰীঃ)ৰ দ্বিতীয় পত্নী দ্ৰৌপদী ওৰফে অম্বিকা ওৰফে মদাম্বিকা (১৭৩১ ১৭৩৮ খ্ৰীঃ)ই ১৭৩৩ খ্ৰীঃত নাগ মাৰি পুতি অলপ খান্দি চাৰিওফালে ওখ পাৰ বান্ধি এটা পুখুৰী বন্ধাই নাম থয় 'শিৱসাগৰ পুখুৰী' বা 'বৰ পুখুৰী'। এই পুখুৰীৰ মাটিকালি ২৫৭ একৰ আৰু গভীৰত ২০ কিউবিক। অম্বিকাই এই পুখুৰীৰ পাৰতে পাছত মুক্তিনাথ শিৱদৌল, বিষ্ণুদৌল

আৰু দেৱীদৌল স্থাপন কৰে। নিউৱেল চাহাবে ১৮১৮ চনত ৰংপুৰৰপৰা সদৰ কাৰ্যালয় যোৰহাটলৈ নিয়ে। ১৮৩৮ চনত ব্ৰডি চাহাবে সদৰ কাৰ্যালয় যোৰহাটৰপৰা শিৱসাগৰ পুখুৰীৰ পাৰত অৱস্থিত 'শিৱপুৰ'লৈ আনে। অৰ্থাৎ যোৰহাট আৰু গোলাঘাটক মহকুমা হিচাপে ৰাখি শিৱসাগৰত মুখ্য সদৰ কাৰ্যালয় স্থাপন কৰিছিল। সম্ভৱতঃ ১৮৪৬ চনতে ইংৰাজৰ আমোলত 'শিৱপুৰ' শিৱসাগৰলৈ ৰূপান্তৰ হয়। ১৯১২ চনত শিৱসাগৰৰপৰা মুখ্য সদৰ কাৰ্যালয় যোৰহাটলৈ স্থানান্তৰ কৰে আৰু ১৯৮৩ চনলৈকে শিৱসাগৰ কেৱল মহকুমা হিচাপে থাকি যায়। ১৯৮৩ চনত শিৱসাগৰ মহকুমাৰপৰা জিলা হয়।

২

শিৱসাগৰ জিলা প্ৰাচীন অসম(৩৫৫-১২২৮ খ্ৰীঃ)ৰ প্ৰাগজ্যোতিষ বা কামৰূপৰ অংশ আছিল বোলা কথাষাৰ সন্দেহজনক। তেনেদৰে মধ্য যুগৰ অসম(১২২৮-১৮২৬ খ্ৰীঃ)ৰ আগতে শিৱসাগৰ জিলাত থকা জনগোষ্ঠীসমূহৰ সঠিক আৰু উপযুক্ত সমল পোৱা নাযায়। সেইদৰে প্ৰাক্-ঐতিহাসিক যুগত এই অঞ্চলত কোন জনগোষ্ঠী আছিল এই সম্পৰ্কেও নৃতত্ত্ববিদসকলৰ মাজত মত-দ্বৈধতা আছে। প্ৰাচীন অসমৰ শিৱসাগৰ জিলাত বাস কৰা জনগোষ্ঠীসমূহ ইণ্ডো-চীন, তিব্বত-বৰ্মী মূলীয়। অন্য ভাষাত, মংগোলীয় বা ইণ্ডো-মংগোলীয়, ভাৰতীয় সাহিত্যত যাক কিৰাট নামে জনা যায়। এওঁলোক হ'ল কোঁচ, কছাৰী, মৰাণ, বৰাহী, চুতীয়া, ৰাভা, মেচ, লালুং, হাজং আদি। এওঁলোক সকলো অসমৰ দক্ষিণ-পূব দিশৰপৰা অহা। এওঁলোকৰ পাছত একে দিশৰপৰা পাটকাই পৰ্বত পাৰ হৈ আহে মংগোলীয় টাইসকল। ১২২৮ খ্ৰীঃত টাই আহোম জনগোষ্ঠীৰ চুকাফাই যেতিয়া দক্ষিণ চীনৰ ইউনান প্ৰদেশ আৰু তেতিয়াৰ বাৰ্মাৰ হুকং উপত্যকাৰ (বৰ্তমান ম্যানমাৰ) মুংমাওৰপৰা পাটকাই পৰ্বত পাৰ হৈ অসমৰ নামৰূপেদি (প্ৰাচীন কামৰূপৰ সৌমাৰপীঠৰ অন্তৰ্গত?) প্ৰৱেশ কৰি অসমলৈ আহিছিল, তেতিয়া শিৱসাগৰ এলেকাটোত (বিশেষকৈ চৰাইদেউত) বসবাস কৰি আছিল বৰাহী আৰু মৰাণসকলে। এওঁলোকৰ পূবে (শদিয়াৰ ফালে) চুতীয়া ৰাজ্য আৰু পশ্চিমে কছাৰী ৰাজ্য। দিখৌমুখৰ ৰামখাঁপীঠৰ কাষলৈকে ভূঞাসকল থকাৰ কথা জনা যায়। কছাৰীসকল হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ পুৰণি জনগোষ্ঠী। চুহুংমুং বা দিহিঙীয়া ৰজা(১৪৯৭-১৫৩৯ খ্ৰীঃ)ৰ দিনত শদিয়াৰ চুতীয়া ৰাজ্যৰ প্ৰজা আনি নগাঁও আৰু দৰঙত সংস্থাপন কৰাত শিৱসাগৰতো ইয়াৰ বীজ ৰোপণ হয়। ১৫৬৭-৬৮ খ্ৰীঃত কোঁচ ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায় (১৫৪০-১৫৮১ খ্ৰীঃ) যেতিয়া গৌড় ৰজাৰ হাতত বন্দী হয়, তেতিয়া কোঁচসকল কিছু নৰম হয় আৰু আহোমসকলৰ লগত মিলা-প্ৰীতিৰ ভাব গঢ়ি উঠে। পৰিণতিত আহোম ৰজাৰ পৃষ্ঠপোষকতাত কাৰিকৰী কৌশলী বহু কোঁচ লোকক শিৱসাগৰৰ ভটিয়াপাৰত সংস্থাপন দিছিল। সেই সময়ত মিৰি(মিচিং)সকলে আহোম আৰু আবৰসকলৰ মাজত বেপাৰ-বাণিজ্যৰ সম্পৰ্কত দো-ভাষীৰ কাম কৰিছিল। চাওফা প্ৰতাপসিংহ(১৬০৩-১৬৪১ খ্ৰীঃ)ৰ দিনত পাহাৰ আৰু ভৈয়াম দুয়ো ক্ষেত্ৰৰ মিৰিসকলক 'পছা' ব্যৱস্থাৰ সুবিধা কৰি দিয়াৰ উপৰি কাঁড়ি খেলত সোমোৱাই লোৱাত তেওঁলোকে শিৱসাগৰ জিলাত প্ৰৱেশ কৰে। গদাধৰ সিংহ(১৬৮১-১৬৯৬ খ্ৰীঃ)ই এটা বিৰাট ভোজ পাতি সকলোকে খোৱাৰ

সময়ত ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ, কলিতা আদিক বাদ দিবলৈ কোৱা কথাই এই শ্ৰেণীকেইটাৰ সীমিত সংখ্যক লোকৰ অৱস্থিতিৰ কথা সূচায়। চাওফা ৰাজেশ্বৰ সিংহ(১৭৫১-১৭৫৯ খ্ৰীঃ)ই যেতিয়া মণিপুৰৰ কুৰঙ্গনয়নীক বিয়া কৰাইছিল তেতিয়া কুঁৱৰীৰ লগত অহা লগুৱা-লিকচৌবোৰক যোৰহাটৰ 'মগলৌ খাত'ত সংস্থাপন দিছিল। তাৰে এটা অংশই শিৱসাগৰৰ হাঁহচ'ৰা আৰু বৰকলাত বাস কৰিছিলহি। আহোম ৰাজত্বৰ সময়তে খামটি ফাকে আৰু টাই খাময়াংসকলে অসমত প্ৰৱেশ কৰি শদিয়াত বসবাস কৰি আছিল যদিও তাত তেওঁলোকে বিদ্ৰোহ কৰাত পূৰ্ণানন্দ বুঢ়াগোহাঁই(১৭৮০-১৮১৭ খ্ৰীঃ)-এ অবিভক্ত শিৱসাগৰ জিলাত আনি তেওঁলোকক বহুৱাইছিল। আহোমসকলৰ দিনত শিৱসাগৰত নগা গাঁও থকাৰো প্ৰমাণ আছে। উদাহৰণ স্বৰূপে লিগিৰী গাঁও, কুঁৱৰী গাঁও আৰু হাঁহচ'ৰাৰ 'হাৰি পৰা আলি'ৰ নগা গাঁও তিনিখনৰ কথা ক'ব পাৰি। প্ৰাচীন অসমত ১২০৬ চনত মহম্মদ-বিন-বখতিয়াৰে কামৰূপ আক্ৰমণ কৰিছিল যদিও তেওঁলোক শিৱসাগৰৰপৰা বহু দূৰত বৈ গৈছিল। তুৰ্কীসকলৰ দ্বিতীয় (১২২৭ খ্ৰীঃত ঘিয়াছুদ্দিন ইৱাজে) আৰু তৃতীয় (১২২৮ খ্ৰীঃত নাছিৰুদ্দিনে) অসম আক্ৰমণৰ পিছতো মুছলমান সৈন্য কামৰূপত বৈ যোৱা নাছিল। চুহুংমুং ৰজা(১৪৯৭-১৫৩৯ খ্ৰীঃ)ৰ দিনৰ ১৫২৭ খ্ৰীঃৰ আহোম-মোগলৰ প্ৰথম যুদ্ধৰপৰা গদাধৰ সিংহ(১৬৪১-১৬৯৬ খ্ৰীঃ)ৰ ১৫৮২ খ্ৰীঃৰ ইটাখুলিৰ শেষ ৰণলৈকে এই ১৭/১৮ বাৰ সংঘটিত হোৱা আহোম-মুছলমানৰ যুদ্ধত বহুতো মুছলমান বন্দী হৈ অসমত বিয়া-বাৰু কৰাই অসমীয়া হৈ গৈছিল। সেইসূত্ৰে শিৱসাগৰত মুছলমানৰ সোঁত অতি পুৰণি। সেইদৰে প্ৰতাপ সিংহ(১৬০৩-১৬৪১ খ্ৰীঃ)ৰ দিনত শিৱসাগৰৰ চুণপোৰাত আজান ফকীৰে প্ৰৱেশ কৰিছিল। ৰুদ্ৰসিংহ(১৬৯৬-১৭১৪ খ্ৰীঃ)ই ঘনশ্যাম খনিকৰক অনাৰ লগতে মুছলমান কলা-শিল্পী-কাৰিকৰ আদি অনাৰ কথা জনা যায়।

১৮২৩ চনত অসমত চাহ আৱিষ্কাৰ হয়। প্ৰথমাৱস্থাত ঠিকাদাৰী প্ৰথা (১৮৫৯-১৯১৫ খ্ৰীঃ) আৰু চৰ্দাৰী প্ৰথাৰে (১৮৭০), পাছত গিৰমিটিয়া (১৮৮২-১৯১৫ খ্ৰীঃ) আৰু আড়কাঠিয়া (১৯১৫) চুক্তি অনুসৰি অসমৰ বাহিৰৰ ৰাজ্যৰপৰা চাহ-শ্ৰমিক অনা হৈছিল। শ্ৰমিকে জাহাজত উঠা-নমা কৰিবৰ বাবে শিৱসাগৰত দিচাংমুখ আৰু দিখৌমুখত দুটা 'ডিপো' বা ঘাট আছিল। গতিকে ১৮৫৯-৬৬ চনত শিৱসাগৰত চাহ-জনগোষ্ঠীৰ লোকে পদাৰ্পণ কৰে।

শিৱসাগৰত খ্ৰীষ্টিয়ান মিছনেৰীৰ আগমনো এক যুগান্তকাৰী ঘটনা। ১৮৩৬ চনৰ ২৩ মাৰ্চত সুদূৰ আমেৰিকাৰ দুটা মিছনেৰী পৰিয়াল ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু ৰেভাৰেণ্ড অলিভাৰ কট্টাৰে অসমৰ শদিয়াত প্ৰৱেশ কৰে যদিও ১৮৪১ চনৰ ২৮ মে'ত প্ৰথম বাৰৰ বাবে বাৰ্কাৰ ছাইৰাছ নামৰ এজন খ্ৰীষ্টিয়ান মিছনেৰী শিৱসাগৰত প্ৰৱেশ কৰি দিখৌ নদীৰ পাৰত বাস কৰিছিলহি। এই বছৰৰ জুলাই মাহত জয়পুৰৰপৰা শিৱসাগৰত প্ৰৱেশ কৰিছিলহি ব্ৰাউন পৰিয়াল। এই বছৰৰে নৱেম্বৰ মাহত প্ৰৱেশ কৰিছিলহি কট্টাৰ পৰিয়াল। ইয়াৰ পাছত আহিছিল ৱাৰ্ড, লংৱে'ল, উইলিয়াম ক্লাৰ্ক আদি মিছনেৰীসকল। সেইদৰে বৈদিক যুগৰ শেষ ভাগত (১০০০-৫০০ খ্ৰীঃপূঃ) ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰা আৰ্যসকল বিভিন্ন সময়ত অন্য কাৰকৰ লগতে ৰজাৰ পৃষ্ঠপোষকতাতো আহি শিৱসাগৰত অৱস্থান কৰিছিল। এইদৰেই শিৱসাগৰত নেগ্ৰিট', অষ্ট্ৰ'-এছিয়াটিক, দ্ৰাবিড়, মংগোলীয় আৰু আৰ্যসকলৰ সমন্বয় ঘটিছিল।

খগেন্দ্ৰনাথ ভূঞা

ঐতিহ্যমণ্ডিত শিৱসাগৰ

ৰংপুৰ ছশ বছৰীয়া আহোম ৰাজত্বৰ পঞ্চমখন ৰাজধানী। চাওলুং চুকাফাই ১২৫৩ খ্ৰীষ্টাব্দত বৰ্তমান শিৱসাগৰ জিলাৰ চৰাইদেওত প্ৰথমে ৰাজধানী প্ৰতিষ্ঠা কৰি 'সাতৰাজ মাৰি একৰাজ কৰা'ৰ বুনিয়াদ ৰচনা কৰে, লগতে বৰ অসম গঠন প্ৰস্তুতিৰ পাতনি মেলে। চৰাইদেউৰপৰা ৰাজধানী স্থানান্তৰিত কৰা হয চৰগুৱালৈ স্বৰ্গদেউ চুডাংফা(১৩৯৭-১৪০৭ খ্ৰীঃ)ৰ ৰাজত্বকালত। পুনৰ চৰগুৱাৰপৰা বকতালৈ ৰাজধানী অনা হয চুহুংমুং দিহিঙীয়া ৰজা(১৪৯৭-১৫৩৯ খ্ৰীঃ)ৰ দিনত, এওঁৰ পিছত পুত্ৰ চুক্লেংমুঙ(১৫৩৯ ১৫৫২ খ্ৰীঃ)-এ আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱলৈ তুলি আনে। অনেক ঘাত-প্ৰতিঘাত, ৰাজনৈতিক উত্থান-পতনৰ মাজেদি 'কথা শুনি তল যোৱা' গড়গাঁৱে প্ৰায ১৫০ বছৰ ৰাজধানীৰ পূৰ্ণ মৰ্যাদা ভোগ কৰে।

ইয়াৰ পিছত ৰংপুৰ চহৰক ৰাজধানীৰ মুকুট পিন্ধায় ৰজা ৰুদ্ৰসিংহই। মাতৃ জযমতীৰ স্মৃতি যাউতিযুগীয়া কৰাৰ মানসে জেৰেঙা পথাৰত ৰুদ্ৰসিংহই জযসাগৰ পুখুৰী খন্দোৱায় (আচলতে পাৰ বান্ধিহে), পুখুৰীৰ উত্তৰ পাৰত পঞ্চ দেৱতাৰ দৌল-মন্দিৰ নিৰ্মাণ কৰালে, ১৬৯৭ চনত দৌল পুখুৰী মাকৰ নামত উৎসৰ্গা কৰালে।

ৰাজধানীখন জয়সাগৰৰ ওচৰ চপাই আনিবলৈ ৰুদ্ৰসিংহই মন মেলিলে কিয় ? এই প্ৰশ্নৰ উত্তৰ স্বৰূপে অধ্যাপক ডম্বৰুধৰ নাথৰ বক্তব্য এনে ঃ

> "মূলতঃ তিনিটা কাৰণত স্বৰ্গদেউ ৰুদ্ৰসিংহই মেটেকা, জেৰেঙা আৰু টেঙাবাৰীৰ বিস্তৃত পথাৰত ৰংপুৰ ৰাজধানীখন পাতিছিল। সেইকেইটা হ'ল— (১) মধ্যযুগীয়া সামন্ত-বিলাসিতাৰ প্ৰতি আকৃষ্টতা (ৰজাৰ), (২) মাতৃ জয়মতীৰ যন্ত্ৰাণাময় মৃত্যুৰ স্মৃতি মচি ৰং-ৰহইচৰ স্মৃতিৰে তাক ধৰি ৰাখিবলৈ চেষ্টা কৰা, আৰু (৩) স্থল-যোগাযোগৰ সুবিধা লাভ কৰা।" **(বুৰঞ্জীয়ে পৰশা ৰংপুৰ**, পৃঃ-১৩, ১৪)

যি কাৰণতেই নহওক ১৬৯৮ চনত ৰাজধানী ৰংপুৰৰ লাইখুঁটা পোতা হয়, লগে-লগে আৰম্ভ হয় ৰাজধানী নিৰ্মাণৰ কাম। হ'লেও, বহু দিনলৈকে ৰংপুৰ দ্বিতীয় এখন ৰাজধানী চহৰহে আছিল।

উপাম্বুক্তৰ বাসস্থানৰ চৌহদত থকা এটা পৌৰাণিক স্তম্ভ, য'ত বহু জীৱ-জন্তুৰ চিত্ৰ খোদিত হৈ আছে।

গুৰুত্বপূৰ্ণ কিছুমান কাম গড়গাঁৱৰপৰাহে সম্পাদন কৰা হৈছিল। আৰু এটা কথা, অঞ্চলটোৰ নাম মেটেকাহে আছিল, ৰংপুৰ নাছিল। মেটেকাৰ চাৰিসীমা হ'ল উত্তৰে দিখৌ নদী, দক্ষিণে নামদাং নৈ, পূবে বাঁহগড় আৰু পশ্চিমে নামদাং আৰু দিখৌ নৈ। মেটেকাৰ এই নতুন নগৰত স্বৰ্গদেউ ৰুদ্ৰসিংহই শেণ আৰু কণুৰা চৰাইৰ খেল চাই বৰ ৰং পালে, গতিকে নগৰৰ নাম হ'ল ৰংপুৰ। **অসমৰ পদ্য বুৰঞ্জী**ত আছে ঃ

"সেইদিনা তাতে ৰাজা বহু ৰঙ্গ পাইলা।
নগৰ সজায়া ৰঙ্গপুৰ নাম দিলা।।"

ৰুদ্ৰসিংহৰ পিছত ৰংপুৰত ৰাজত্ব কৰা ৰজাসকল হৈছে ঃ (১) শিৱসিংহ (১৭১৪-১৭৪৪ খ্ৰীঃ), শিৱসিংহৰ 'ছত্ৰভঙ্গ-যোগ' পৰা বুলি দেখুওৱা অজুহাতত তেওঁৰ ভাৰ্যা ক্ৰমে ফুলেশ্বৰী আৰু অম্বিকাই 'বৰৰজা' আখ্যাৰে ৰজা হৈ ৰাজকাৰ্য চলায়; (২) প্ৰমত্তসিংহ (১৭৪৪-১৭৫১ খ্ৰীঃ); (৩) ৰাজেশ্বৰ সিংহ (১৭৫১-১৭৬৯ খ্ৰীঃ), (৪) লক্ষ্মীসিংহ (১৭৬৯-১৭৮০ খ্ৰীঃ); (৫) গৌৰীনাথ সিংহ (১৭৮০-১৭৯৫ খ্ৰীঃ)। ১৭৯৪ চনত গৌৰীনাথ সিংহই ৰংপুৰৰপৰা ৰাজধানী যোৰহাটলৈ তুলি নিয়ে।

প্ৰাচীন ৰংপুৰৰ ইতিহাসতেই নহয়, সমগ্ৰ অসমৰ ইতিহাসত এই ছজন ৰজা তথা দুগৰাকী বৰৰজাৰ ৰাজত্বকাল অৰ্থাৎ প্ৰায় ১০০ বছৰীয়া কালৰ তাৎপৰ্য অতি গুৰুত্বপূৰ্ণ। ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখন এই কালছোৱাৰ ঘটনাচক্ৰই স্পৰ্শ কৰি ক'ৰবাত উৰ্বৰা কৰি তুলিছে, ক'ৰবাত বা আকৌ মোলান পেলাইছে। এফালে ৰংপুৰৰ ঐতিহ্যৰ মহিমামণ্ডিত ৰূপটো উজ্জ্বল হৈ উঠিছে, আনফালেদি আহোম ৰাজত্বৰ পতনৰ বীজো এইখিনি পৰতে পচোৱা হৈছে। পিছে এই সকলো কথাৰ দীঘ-বাণি ফঁহীয়াবলৈ এটা চুটি লেখাত নিতান্তই ঠাইৰ নাটনি।

তথাপি থাউকতে আমি উল্লেখ কৰিব পাৰোঁ ঃ

(১) মধ্য যুগৰ ৰংপুৰে অসম তথা ভাৰতৰ স্থাপত্য-ভাস্কৰ্যলৈ অমূল্য অৱদান আগবঢ়াইছে। স্বৰ্গদেউ ৰুদ্ৰসিংহই জয়সাগৰ পুখুৰী পাৰৰ দৌল, শ্ৰীশ্ৰীৰঙ্গনাথ দৌল, ৰংঘৰ, কাৰেংঘৰ, নামদাঙৰ শিলৰ সাকোঁ; ফুলেশ্বৰী কুঁৱৰীয়ে গৌৰীসাগৰ দ'ল পুখুৰী; ৰাণী অম্বিকাই শিৱসাগৰ দ'ল পুখুৰী; প্ৰমত্তসিংহই ৰংঘৰ পকীকৈ নিৰ্মাণ কৰোৱাৰ উপৰি গুৱাহাটীৰ শুক্ৰেশ্বৰ আৰু ৰুদ্ৰেশ্বৰ মন্দিৰ, গড়গাঁৱৰ সিংহদুৱাৰ; ৰাজেশ্বৰ সিংহই গড়গাঁৱৰ কাৰেংঘৰ, ৰংপুৰৰ তলাতল ঘৰ, নৱগ্ৰহ মন্দিৰ, বশিষ্ঠাশ্ৰমৰ মন্দিৰ আদি নিৰ্মাণ কৰাইছিল। ইবিলাকৰ স্থাপত্য-ভাস্কৰ্যৰ যি নান্দনিক মান সি সৰ্বভাৰতীয় পৰ্যায়ৰ। ড° পুষ্প গগৈয়ে 'আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য' শীৰ্ষক প্ৰবন্ধত লিখিছে ঃ

"শিৱসাগৰৰ শিৱদ'লটো গোপুৰম, মণ্ডপ আৰু তোৰণেৰে সজ্জিত। উত্তৰ ভাৰতৰ মন্দিৰৰ লগত ইয়াৰ মিল হ'ল ইয়াৰ শিখৰত থকা উৰমঞ্জৰী (উৰ = অংক, বক্ষ; মঞ্জৰী = ফুলৰ থোপা)। এই মন্দিৰ সমূহত আমলকৰ পৰিৱৰ্তে ঘূৰণীয়া বা কলদিলীয়া কলচী আছে।" (**আৱোৱান**, পৃঃ-১১৪)

(২) অন্য এটা দিশ অসমীয়া ভাষা সাহিত্যৰ পুষ্টি তথা উৎকৰ্ষ। শিৱসিংহ স্বৰ্গদেউৰ ৰাজকবি হ'ল কবিৰাজ চক্ৰৱৰ্তী। **শঙ্খচূড়বধ** আৰু **গীত-গোবিন্দ** তেওঁ সংস্কৃতৰপৰা অসমীয়ালৈ ভাঙিছিল। একে সময়তে সুকুমাৰ বৰকাথে সচিত্ৰ **হস্তীবিদ্যাৰ্ণৱ** ৰচনা কৰিছিল, যিখন পুথি বিশ্বদৰবাৰত

সমাদৃত হৈছে।

(৩) অসমৰ ধৰ্মৰ বুৰঞ্জীত ১৮ শতিকাৰ ৰংপুৰে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। বঙ্গদেশৰপৰা অনোৱা দুগৰাকী শাক্তধৰ্ম গুৰু কৃষ্ণানন্দ ভট্টাচাৰ্য আৰু ন-গোসাঁয়ে ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছে। ৰুদ্ৰ সিংহৰপৰা লক্ষ্মী সিংহলৈকে কেউগৰাকী শাক্তধৰ্মৰ প্ৰতি অনুৰক্ত নৃপতি। বিশেষকৈ বৰৰজা ফুলেশ্বৰীয়ে দুৰ্গাপূজাত বলিৰ তেজেৰে মোৱামৰীয়া মহন্তসকলক ফোঁট দিয়া কাৰ্যই মহন্ত আৰু ভক্তসকলক উত্তেজিত কৰি তুলিলে। দেখ দেখকৈ মোৱামৰীয়া বিদ্ৰোহে গা কৰি উঠিল। মহন্তসকল শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱ বৈষ্ণৱ ধৰ্মৰ এক শৰণীয়া সেৱক। সেয়েহে সংঘাত অনিবাৰ্য হৈ পৰিল।

(৪) ফুলেশ্বৰী কুঁৱৰীয়ে ৰজাঘৰীয়া বিদ্যালয় পাতিছিল, এইটো শতিকাতে গছতলৰ বিহু ডা-ডাঙৰীয়াৰ চোতাললৈ আহিছিল, ৰংঘৰৰ বাৰ্কৰিত ৰাৱণ-বধ ভাওনা হৈছিল, মোৱামৰীয়াক দমাবলৈ অহা কেপ্টেইন ৱেলছে লগত অনা কাঁনিৰ সোৱাদ ৰাইজে ল'বলৈ আৰম্ভ কৰিছিল; মোৱামৰীয়া আৰু মানৰদ্বাৰা সংঘটিত হত্যাযজ্ঞ আৰু ধ্বংসযজ্ঞই ৰংপুৰক মৰিশালীত পৰিণত কৰিছিল, তাৰ আগে-আগে স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰংপুৰত থাৰ্উনি নাপাই ৰাজধানী যোৰহাটলৈ তুলি নিছিল ১৭৯৪ চনত, ইত্যাদি-ইত্যাদি যোগাত্মক আৰু ঋণাত্মক কাৰকসমূহ বুকুত লৈ ৰংপুৰ যেন আগবাঢ়িল — এখন নতুন ঠাইলৈ এটা নতুন নাম ল'বলৈ— নাচনী দিখৌৰ উত্তৰ পাৰলৈ।

ৰংপুৰৰ পৰিধি বিস্তীৰ্ণ হৈ পৰিছিল দিখৌৰ উত্তৰ পাৰলৈ। দিখৌ আৰু দৰিকাৰ মাজত এখন গাঁও আছিল— কলঙ্কুপৰীয়া গোহাঁইগাঁও। এইখন গাঁৱতে স্বৰ্গদেউ শিৱ সিংহৰ ভাৰ্যা 'বৰৰজা' অম্বিকাই জয়সাগৰ গৌৰীসাগৰৰ আহিত এটা ডাঙৰ পুখুৰী খন্দালে আৰু পুখুৰীৰ দক্ষিণপাৰত বিষ্ণু, শিৱ আৰু দেৱীৰ নামত তিনিটা দৌল সজালে, আৰু ১৭৩৪ চনত দৌলপুখুৰী উৎসৰ্গা কৰালে। সোণৰ কলচীৰে শিৱদ'লটো সবাতোকৈ ওখ ডাঙৰ। ৰজা তথা নিজ পতিৰ নাম শিৱ, ইফালে পাৰ্বতীৰ আন এটা নাম অম্বিকা। এয়া পৰিকল্পনাপ্ৰসূত নে কাকতালীয় কোৱা টান। সি যি নহওক, গাঁওখনৰ নাম নতুনকৈ ৰাণীয়ে ৰাখিলে শিৱপুৰ। এদিনৰ শিৱপুৰ কালৰ সোঁতত হ'ল শিৱসাগৰ। ১৭৩৪ চনত কলঙ্কুপাৰৰ গৰ্ভত শিৱপুৰ, শিৱসাগৰৰ জন্ম, জয়সাগৰ-গৌৰীসাগৰৰ আহিত।

শিৱপুৰৰ জন্মৰ আগৰ কলঙ্কুপাৰৰ ইতিহাস বা প্ৰাক্ আহোম যুগৰ শিৱসাগৰৰ ইতিহাস এতিয়াও ফটফটীয়াকৈ পোহৰলৈ অহা নাই। অষ্ট্ৰিক মূলীয় 'কলঙ্কু' শব্দটোৰ পম খেদি ইয়াত অষ্ট্ৰিক তথা খাচীয়াসকলে বাস কৰিছিল নেকি, পশ্চিমৰ দিচাং নৈৰ সীমা চেৰাই চুতীয়াসকল এই অঞ্চলত আছিল, নে ভূঞাসকলেও সময়ত বসতি স্থাপন কৰিছিল; আকৌ নগাঁৱৰ কলং, মাজুলীৰ টুনী আৰু শিৱসাগৰৰ দিখৌ এসময়ত একেখন নদীয়েই আছিল, ইত্যাদি কথাৰ আঁত ধৰি বিচাৰ কৰিলে হয়তো পুৰণি বহু কথাই পোহৰলৈ আহিব।

সি যি নহওক, শিৱদৌল স্থাপনৰপৰা প্ৰায় চাৰিকুৰি বছৰৰ শিৱপুৰৰ বিষয়ে বিশেষ জনা নাযায়। ১৮০৬ চনত কমলেশ্বৰ সিংহই দিচৈ বাহৰৰপৰা ৰংপুৰলৈ আহি শিৱসাগৰৰ দ'লত সেৱা কৰিছিল বুলি ড° লীলা গগৈয়ে উল্লেখ কৰিছে।

মানৰ আক্ৰমণৰ ফলত ছশ বছৰীয়া আহোম ৰাজত্বৰ বেলি মাৰ গ'ল।

“১৮২৬ চনৰ ২৫ ফেব্ৰুৱাৰীত মানক খেদি কোম্পানীৰ বগা বঙালে তিনিজাঁই বৰটোপৰ গুলি মাৰি অসম জয়ৰ সূচনা কৰি কাৰেঙত ব্ৰিটিছৰ ইউনিয়ন জেক উৰুৱালে। ১৮২৬ চনৰেপৰা ১৮২৮ চনলৈকে জয়সাগৰৰপৰা কাৰেঙলৈকে এই খণ্ডতে কোম্পানীৰ শাসনৰ কেন্দ্ৰস্থল হ'ল। ইয়াৰ পঞ্চায়তত বিচাৰ কৰি পিয়লী, জীউৰামক ফাঁচি দিয়া হ'ল।”

(**ইতিহাসৰ ছাঁ-পোহৰত পুৰণি ৰংপুৰ**, ভুবনচন্দ্ৰ সন্দিকৈ)

ফাঁচি দিছিল ১৮৩০ চনৰ আগষ্ট মাহত। শিৱসাগৰ পুখুৰীৰ পাৰৰ উত্তৰ-পূব চুকটোৱে সেই ফাঁচিশালৰ স্মৃতি আজিও বহন কৰি আছে। দুজনা বীৰক মৃত্যুদণ্ডৰে দণ্ডিত কৰা কাৰ্যত ৰাইজে জঁকি উঠিল। কথা বিষম বুজি কোম্পানী-শাসনে শাসনৰ কেন্দ্ৰস্থল অৰ্থাৎ সদৰ ৰংপুৰৰপৰা তুলি নি যোৰহাটত পাতিলে। ইফালে ১৮৩৪ চনত উজনি আৰু নামনি অসমৰ ৰাজধানী গুৱাহাটীত পতা হয়। পুনৰ

শিৱসাগৰৰ শিৱদ'ল তথা সোণৰ কলচীৰে অলঙ্কৃত একমাত্ৰ প্ৰাচীন সৌধ, নিৰ্মাণ হোৱাৰ সময়ৰপৰাই ইয়াত অবিৰতভাৱে পূজা হৈ আছে।

১৮৩৮ চনত স্বৰ্গদেউ পুৰন্দৰ সিংহক সিংহাসনচ্যুত কৰাত যোৰহটীয়া ৰাইজৰ মাজত উত্তেজনা বৃদ্ধি পায়। সেয়েহে, স্কট চাহাবে লগে-লগে সদৰ যোৰহাটৰপৰা আকৌ ৰংপুৰলৈ আনে। ৰংপুৰৰপৰা কিছুদিনৰ পাছত মিঃ ব্ৰডী চাহাবে সদৰ শিৱসাগৰ পুখুৰীৰ পাৰলৈ উঠাই নিয়ে।

স্বভাৱতে প্ৰশ্ন হয় শিৱপুৰ কেতিয়াৰপৰা শিৱসাগৰ হ'ল? ড° লীলা গগৈৰ **বুৰঞ্জীৰ ৰূপৰেখা ঃ শিৱসাগৰ** নামৰ গ্ৰন্থত আছে ঃ

> "১৯৩৮ চনৰ ছেপ্টেম্বৰ মাহৰ ১৬ তাৰিখে কৰ্ণেল আদম হোৱাইট পলিটিকেল এজেণ্ট নিযুক্ত হয়। ধনশিৰী নৈৰপৰা পুব খণ্ড ইংৰাজ শাসনৰ জুনিয়ৰী মোতালক ঘোষিত হয়। ১৮৩৯ চনত এই খণ্ডটো দুখন জিলাত বিভক্ত হয়। শিৱপুৰ আৰু লখিমপুৰ। শিৱসাগৰ আৰু যোৰহাট মিলি শিৱসাগৰ মহকুমা, গোলাঘাট আৰু জয়পুৰ মহকুমা লগ লাগি শিৱপুৰ জিলা (Sivapore, Sivpur) গঠিত হয়। ১৮৪৬ চনত জয়পুৰ মহকুমা লখিমপুৰ জিলাত চামিল হয়। আৰু সেই বছৰৰে ১৮ ডিচেম্বৰত গোলাঘাট মহকুমাৰ এটা অংশ ফালি আনি যোৰহাট মহকুমা স্থাপন কৰে। সম্ভৱতঃ তেতিয়াৰপৰাই শিৱপুৰ শিৱসাগৰ নামলৈ ৰূপান্তৰিত হয়।"

এশটা বছৰৰ আনন্দ-বেদনা বুকুত লৈ ৰংপুৰ শিৱসাগৰ হ'লহি, ৰঙে-ৰসে ভৰপূৰ ৰঙৰ নিজৰা ৰংপুৰ আজি আৰু নাই। সদৰৰ মুকুটটো যোৰহাটে লৈ গ'ল ১৯১২ চনত। তাহানিৰ অকল শিৱসাগৰ মহকুমাটোকে লৈ ১৯৮৩ চনত গঠন হ'ল বৰ্তমানৰ প্ৰশাসনিক শিৱসাগৰ জিলাখন। এখন সৰু জিলা। সৰু হৈ আহিল বহুতো কথাত।

তাহানিৰ শিৱসাগৰ জিলাখন সোণসেৰীয়া আছিল। ভাষা-সাহিত্য, শিল্প-কলা, শিক্ষা-সংস্কৃতি, নাট-ভাওনা, অৰ্থনীতি-ৰাজনীতি, খেল-ধেমালি এই সকলোতে শিৱসাগৰ গৌৰৱৰ অধিকাৰী আছিল। দিখৌপৰীয়া শিৱসাগৰ নগৰৰ মূল বিন্দুৰ পশ্চিম দিশত ওচৰা-উচৰিকৈ অৰ্জুনগুৰি, দৰবাৰ ফিল্ড, দৈকলঙীয়া গাঁও —তিনিওখনি ঠাই ঐতিহ্যভৰা। প্ৰথম দুখনি ঠাইৰ ইতিহাস চাওক। দৈকলঙীয়া গাঁৱতে খ্ৰীষ্টান মিছনেৰীয়ে ১৮৪৩ চনত ছপাখানা পাতিছিল। সেই ছপাখানাৰপৰাই ১৮৪৪ চনত কাশীনাথ তামুলীফুকনৰ **অসম বুৰঞ্জী** ছপা হৈ ওলাইছিল। ছপা হৈ ওলাইছিল ১৮৪৬ চনত সুখ্যাত আলোচনী **অৰুণোদয়** — আধুনিক অসমীয়া ভাষা-সাহিত্য, শিক্ষা-সংস্কৃতিৰ আৰিয়া গছ। এহাতেদি খ্ৰীষ্টানধৰ্ম প্ৰচাৰ, অন্যহাতেদি ইংৰাজী সাহিত্যৰ ভাব প্ৰসাৰৰ যোগেদি ইংৰাজ শাসন সুচল কৰি তোলা তথা পশ্চিমীয়া মানসিকতা গঢ় দিয়াৰ প্ৰয়াসেৰে **অৰুণোদয়**ৰ জীৱন কাল ১৮৪৬-ৰপৰা ১৮৮২ পৰ্যন্ত। হ'লেও, শিৱসাগৰৰ মাত্ৰ দুঘৰমান মানুহহে খ্ৰীষ্টধৰ্মত দীক্ষিত হ'ল। মিছনেৰী ফলৱতী হয়েই বা কেনেকৈ? ৰাজকীয় পৃষ্ঠপোষকতাৰে পুষ্ট সত্ৰীয়া সংস্কৃতিৰে বিধৌত শিৱসাগৰ, আজান ফকীৰৰ জিকিৰৰ সুৰেৰে সিক্ত শিৱসাগৰ। তথাপি, গোধূলা ব্ৰাউনেই নগা-ভূমিত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰোতা শিৱসাগৰীয়া অসমীয়া। যাৰ স্মৃতিত বৰপুখুৰীৰ পাৰত 'গোধূলা ব্ৰাউন হাইস্কুল'।

হাইস্কুলৰ প্ৰসঙ্গতে, শিৱসাগৰে গৌৰৱ কৰে, ১৮৪১ চনত প্ৰতিষ্ঠা হোৱা অসমৰ দ্বিতীয়খন হাইস্কুলক বুকুত লৈ। উজনি অসমৰ প্ৰথম বি-এ ৰায়বাহাদুৰ জগন্নাথ বৰুৱা, অসমৰ প্ৰথম এম-এ দাৰ্শনিক-পণ্ডিত ৰাধানাথ ফুকন, প্ৰথমজনা অসমীয়া ডক্টৰেট ময়দুল ইছলাম বৰা শিৱসাগৰ হাইস্কুলৰ

কৃতী ছাত্ৰ। একে সময়তে প্ৰতিষ্ঠা কৰা হৈছিল এখন মজলীয়া অসমীয়া বিদ্যালয় ১৮৪০ চনত। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধতেই শিৱসাগৰত ইংৰাজী শিক্ষাৰ শুভাৰম্ভ ঘটিছিল। অথচ 'হেমৰ কোষেৰে ওখ দৌল বন্ধা' হেমচন্দ্ৰ বৰুৱাই লুকাই-চুৰকৈহে ইংৰাজী পঢ়িছিল। কিয়নো, 'মেলেছৰ ভাষা' পঢ়িলে জাত যোৱাৰ ভয় এটা সমাজত গজগজীয়া হৈ আছিল। আন এটা স্মৰণযোগ্য কথা হ'ল, ১৮৭৫ চনত গঙ্গাগোবিন্দ ফুকন চাহাবে (যাৰ নামেৰে বৰ্তমানৰ ফুকন নগৰ) শিৱসাগৰত এখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিছিল আৰু নিজ কন্যাক উচ্চ শিক্ষাৰ অৰ্থে কলিকতালৈ পঠাইছিল। ফুকন চাহাবে ইংৰাজী শিকিছিল ছিগছ নামৰ এজন মিছনেৰী চাহাবৰ ওচৰত। এণ্ট্ৰেছ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। 'সেই দিনত নেটিভ মহকুমাধিপতি ফুকনেই পোন প্ৰথম বা দ্বিতীয়জন।' (পৰাগ চলিহা) প্ৰথম অসমীয়া আই-ছি-এছ বিষয়া আনন্দৰাম বৰুৱা (১৮৫০-১৮৮৯)ই পোনতে শিৱসাগৰতেই জিলাৰ এছিছটেণ্ট কমিছনাৰ ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। 'আনন্দৰাম বৰুৱা পাৰ্ক'খনে এইগৰাকী বিশ্ববিশ্ৰুত সংস্কৃত পণ্ডিতৰ সৌৰভ বিয়পাই আছে। আধুনিক শিক্ষাৰ প্ৰসাৰৰ অৰ্থে ডাঙৰীয়া দীননাথ বেজবৰুৱা(১৮১৩-১৮৯৫ খ্ৰীঃ)ৰ উদ্যোগত ১৮৮৮ চনত শিৱসাগৰত দ্বিতীয়খন হাইস্কুল বেজবৰুৱা হাইস্কুল প্ৰতিষ্ঠা হৈছিল।

শিক্ষাৰ উপৰি, ঊনবিংশ শতিকাৰ শিৱসাগৰীয়া বিদ্যানুৰাগী সমাজখনে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ পথাৰখনত উজ্জ্বল সম্ভাৱনাৰ এচেৰেঙা পোহৰ পেলাবলৈ সততে যত্ন কৰিছিল। সেয়া ইতিহাসৰ এক সোণালী অধ্যায়। অথচ এই চমু ৰচনাত তাৰ পৰিচয় দাঙি ধৰাৰ কোনো অৱকাশ নাই। উল্লিখিত ফুকন আৰু বেজবৰুৱাৰ উপৰি তেতিয়াৰ শিৱসাগৰীয়া সমাজক নেতৃত্ব দিয়া বৰেণ্য ব্যক্তিসকল হৈছে কালিপ্ৰসাদ চলিহা, ৰায়বাহাদুৰ ফণীধৰ চলিহা, গুঞ্জানন বৰুৱা, পৰমানন্দ ভঁৰালী, শ্যামসুন্দৰ দুৱৰা, ইন্দ্ৰিবৰ ওৰফে নীলকুমুদ বৰুৱা, ফটিকচন্দ্ৰ গগৈ, অক্ষয়কুমাৰ ঘোষ, ইন্দ্ৰেশ্বৰ ৰাজখোৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, উৰ্বিধৰ শিৱসাগৰীয়া বৰুৱা, ভৱনাথ হাজৰিকা, ৰসানন্দ গোসাঁই, তাৰিণীচৰণ বৰুৱা, যোগ বৰুৱা, হিমকান্ত বৰুৱা, কেফায়াৎউল্লা, ৰামচৰণ দত্ত, গৌৰাং গোহাঁই প্ৰমুখ্যে আৰু বহু কেইগৰাকী কৃতবিদ্য লোকে ঊনবিংশ শতিকাৰ শিৱসাগৰীয়া সমাজখনক ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয়ত গঢ় দি তোলাৰ দায়িত্ব নিষ্ঠাৰে বহন কৰিছিল।

এনেধৰণৰ নিষ্ঠাৰ অন্যতম এটি সুৱদি ফল শিৱসাগৰ নাট্য সমাজ, ১৮৯৯ চনতে জন্ম এই সাংস্কৃতিক সমাজখন। ১৯১৯ চনত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ অসম শাখালৈ ৰূপান্তৰিত হোৱা অসম এছ'চিয়েশ্যন শিৱসাগৰত ১৮৮২ চনতে আৰম্ভ হৈছিল। জন্মলগ্নৰ সভাপতি হ'ল ডাঙৰীয়া দীননাথ বেজবৰুৱা আৰু সম্পাদক গঙ্গাগোবিন্দ ফুকন। শিৱসাগৰ লোকেল বৰ্ডখনৰো জন্ম ১৮৮২ চনতে।

ৰঙে- ৰসে ভৰপূৰ এসময়ৰ ৰংপুৰে ৰং সলাই নতুন নাম ল'লে শিৱসাগৰ। ঊনবিংশ শতিকাটো শিৱসাগৰৰ বাবে আধুনিকতাক, বিজ্ঞান-মানসতাক আদৰি অনাৰ প্ৰস্তুতিপৰ্বহে। এই পৰ্বই সৃষ্টি কৰিলে অসমৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক, সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞি বৰুৱাক, কবি যতীন্দ্ৰনাথ দুৱৰাক, কবি-গীতিকাৰ পদ্মধৰ চলিহাক, অসমৰ মাটিৰ গোন্ধত মতলীয়া গীতি-কবি পাৰ্বতিপ্ৰসাদ বৰুৱাক আৰু অসমৰ বহুজন সাহিত্য-প্ৰাণক। ৰাজনীতি, সমাজনীতি, শিক্ষা, শিল্প, সংস্কৃতিলৈ শিৱসাগৰে আগবঢ়োৱা ছপোন-ছঅঁৰা অৱিহণাৰ কথা নক'লোঁৱেই বা!

যোগেশ বৰুৱা

সাগৰৰ সন্ধানত এখন নগৰ – শিৱসাগৰ

পৰ্যটন বিষয়টো অসমত এতিয়াও থৰক-বৰক আৰু নিশকটীয়া। কেইজনমান বিদেশী চেহেৰাৰ লোক আহি ঘূৰা-ফুৰা কৰা দেখা পালেই পৰ্যটনৰ জয়যাত্ৰা আৰম্ভ হোৱা নুবুজায়। পৰ্যটনৰ বিষয়ে আলোচনা আৰু লিখা-মেলাও অতি সেৰেঙা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এনে ভৰপক দিনত আমাৰ অঞ্চলত পৰ্যটনৰ এনে থেৰো-গেৰো লগা অৱস্থাটো এটা চিন্তা কৰিবলগীয়া কথা।

শিৱসাগৰক এক পৰ্যটনৰ প্ৰাণকেন্দ্ৰ হিচাপে (tourism hub) কেনেকৈ গঢ়িব পৰা যাব — এনেধৰণৰ প্ৰশ্ন বহুতে কৰে। এইধৰণৰ প্ৰশ্ন অতি প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ। এইটো নিঃসন্দেহে ক'ব পাৰি যে পৰ্যটন থলিৰ তালিকা এখন প্ৰস্তুত কৰিলে তাৰ ওপৰ ভাগতে থাকিব লগা ঠাই এখন হ'ব শিৱসাগৰ। পৰ্যটনৰ লগত শিৱসাগৰ নামটো সমাৰ্থক বুলিব পাৰি। ইয়াৰ মূল কাৰণ হ'ল, শিৱসাগৰে বহন কৰিছে আহোম ৰাজত্বৰ ছশ বছৰীয়া কাৰ্যকালৰ অলেখ কীৰ্ত আৰু কৃতকাৰ্যতাৰ স্বাক্ষৰ। শিৱসাগৰত পৰ্যটনৰ সম্ভাৱনাৰ অন্য কিছুমান দিশ হ'ল— অসংখ্য জলাশয়, বিশাল অৰণ্যভূমি, জৈৱ-বিচিত্ৰতা, বৰ্ণময় জনজাতীয় জীৱন আৰু পৰম্পৰা, অপৰূপা প্ৰকৃতিৰ বিচিত্ৰ ৰূপ।

আমাৰ সম্পদ আছে, ঐতিহ্য আছে; গতিকে পৰ্যটক আহিবই। পৰ্যটন সম্বন্ধে বহুতৰ এনেধৰণৰ এটা ধাৰণা আছে। ই অতি সৰল আৰু দুৰ্বল ধাৰণা। পৰ্যটনৰ স্বৰূপ, চাহিদা, বিশালতা আৰু বিৱৰ্তন —এই দিশবোৰ আয়ত্ত নকৰাকৈ পৰ্যটনৰ বিকাশ এটা দুঃস্বপ্ন মাত্ৰ।

পৰ্যটনৰ উন্নয়নৰ বাবে এক আন্তঃগাঁথনিৰ প্ৰয়োজন। মসৃণ বাট-পথ, বিলাসী হোটেল, বাছ, টেক্সী, ট্ৰেইন, উৰাজাহাজ, দোভাষী, ট্যুৰ অপাৰেটৰ —এইবোৰ আন্তঃগাঁথনি। কিন্তু আন্তঃগাঁথনিয়েই পৰ্যটনৰ চাবি-কাঠি নহয়। পৰ্যটন মানে এটা পৰিৱেশ, এটা মানসিকতা, এটা প্ৰতিক্ৰিয়া। ছুইজাৰলেণ্ড, ফ্ৰান্স, গ্ৰেট ব্ৰিটেইন, ছিংগাপুৰ আদি পৰ্যটনপ্ৰধান দেশৰ কথা বাদেই, ভাৰতৰ গোৱাৰ ক্ষেত্ৰতে এটা উদাহৰণ দাঙি ধৰিব পাৰি। গোৱাৰ সাগৰ-উপকূলত বাস কৰা যিকোনো এঘৰ মানুহৰ চৌহদত দুপৰ নিশা হঠাতে গৈ ৰাতিটো থকাৰ বাবে কোঠা এটা যোগাৰ কৰিব পাৰি — এজন মানুহৰ



তলাতল ঘৰৰ খটখটী

দৰকাৰ হ'ব পৰা ন্যূনতম বস্তুবোৰৰ সৈতে। পৰিয়ালটোৱে ঘৰটোৰ এটা বা দুটা কোঠা হঠাতে আহিব পৰা এজন পৰ্যটকৰ বাবে সাজু কৰি থয়। দৰকাৰ হ'লে পৰ্যটকক দিব পৰাকৈ টুথপেষ্ট, ব্ৰাশ্ব, গাধোৱা চাবোন, ডিটাৰজেন্ট টাৱেল, শ্লিপাৰ আদিও ঘৰতে মজুত কৰি ৰাখে। এইটো এটা পৰিৱেশ, এইটো মানসিকতা, এটা জীৱন-প্ৰণালী —পৰ্যটনৰ বাবে অনুকূল।

শিৱসাগৰক পৃথিৱীৰ এক অন্যতম পৰ্যটন-থলি হিচাপে গঢ়ি তোলাৰ কল্পনা কৰা অনেক লোক আছে। এনেধৰণৰ কল্পনা কৰি ভাল লাগে। কিন্তু এই কল্পনাক বাস্তৱ ৰূপ দিয়াৰ কি পৰিকল্পনা আছে? আমাৰ এনে কি-কি আছে, যাৰ বাবে পৰ্যটকে গন্তব্য হিচাপে বাছি ল'ব শিৱসাগৰক?

এইটো ঠিক যে শিৱসাগৰত প্ৰোথিত হৈ আছে আমাৰ ঐতিহ্যৰ শিপা। সু-উচ্চ দৌল-দেৱালয়, সাগৰসম পুখুৰী, সাঁকো আৰু মৈদামবোৰ আমাৰ ঐতিহ্যৰ দলিল, চেতনাৰ অংগ। দিখৌ, দিচাং, দিহিঙৰ পাৰত গঢ় লৈ উঠা বৰ্ণময় সংস্কৃতি, ৰৌদ্ৰোজ্জ্বল পুৱা, সোণালী আবেলি, ৰোমাঞ্চকৰ ঋতুৰ আলো-ছাঁয়াৰ মাজত অনন্য শিৱসাগৰ। এই ঐতিহ্য আৰু আলোছাঁয়াই পৰ্যটনৰ অন্যতম আকৰ্ষণ। কিন্তু দুখৰ বিষয়, আমাৰ ঐতিহ্যৰ আমি যিমান অন্ধ অনুৰাগী, তাৰ তুলনাত পৃথিৱীক নিমন্ত্ৰণ জনাব পৰাকৈ ইয়াক পুনৰ ৰূপ দিয়াৰ সঠিক পৰিকল্পনা নাই। বিশেষ সজাগতাও নাই। মনত পৰোঁতেই কৈ থওঁ যে এবাৰ এগৰাকী শ্ৰেষ্ঠ বিহুৱতীক যেতিয়া সোধা হ'ল, গগনা কি বাঁহেৰে বনায়, তেওঁৰ উত্তৰ আছিল— গগনা ভলুকা বাঁহেৰে বনায়! তদুপৰি অসমৰ জনসাধাৰণ হীনমন্যতাত আক্ৰান্ত।

এই প্ৰসংগতে এটা ব্যক্তিগত অভিজ্ঞতাৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। কেইবছৰ মানৰ পূৰ্বে মাঘেৰিটাৰ এখন চিংফৌ গাঁৱলৈ গৈছিলোঁ। গৃহস্থই আমাক দেখা পোৱাৰ লগে-লগে নিজৰ বৰ পুত্ৰক বাইক লৈ কেইবা কিলোমিটাৰ দূৰৰ হোটেললৈ পঠিয়ালে। হোটেলৰপৰা কিনি অনা মিঠাই-বিস্কুটেৰে আমাক আপ্যায়ন কৰিলে। গৃহস্থই ভাবিলে যে চৰকাৰী বিষয়াকেইজনৰ আগত তেওঁৰ সন্মান হোটেলৰ মিঠাই আৰু বিস্কুটেহে বচাব! তেওঁলোকৰ নিজা খোৱা বস্তুবোৰ দেখিলে কিজানি ঘিণাতে নাক কোঁচাব! মই ভাবোঁ, এনেধৰণৰ অভিজ্ঞতা বিৰল নহয়। বৰং সততে হয় বুলি ক'ব পাৰি। আমাৰ খাদ্য-সামগ্ৰী আনৰ আগত পৰিৱেশন কৰিবলৈ লাজ লাগে। আনকি কেতবোৰ পৰিস্থিতিত নিজৰ ভাষাটোও নজনাৰ দৰে বহুতে অভিনয় কৰে। হীনমন্যতা আৰু আত্মবিশ্বাসৰ অভাৱে আমাক কোঙা কৰি থৈছে। পুনৰ নিৰ্মাণ আৰু প্ৰতিষ্ঠাৰ স্বপ্ন ধূসৰ হৈ পৰিছে।

আনহাতে, সম্প্ৰতি বিশ্বজুৰি সম্প্ৰসাৰিত বিশ্বায়নৰ প্ৰভাৱে খিলঞ্জীয়াৰ স্বপ্নৰ বাট আগচি ধৰিছে। ই যেন এক ভাবুকি— অস্তিত্বৰ প্ৰতি। বহুতৰ ধাৰণা যে বিশ্বায়ন মানে বহুজাতিক কোম্পানীৰ মত মতলীয়া কৰা সামগ্ৰীবোৰৰ সহজ উপলব্ধি। তেওঁলোকে আঁকি দিয়া অচিনাকি অথচ ভাল



দ'লমুখত সন্ধ্যা নামিছে

লগা ভোগসৰ্বস্ব জীৱনৰ অন্ধ অনুকৰণ। ই চালে চকু ৰোৱা। কিন্তু সৰ্বগ্ৰাসী। পৰিৱেশটোৱে এনে এক সংকেত দিয়ে যে বেছি দিন নাই, স্থানীয় সামগ্ৰীবোৰ ডাষ্টবিনত পৰি থাকিব, আমাৰ মূলবোধ অচল মুদ্ৰাত পৰিণত হ'ব। সকলো সম্ভাৱনাৰ পথ কঠিন হৈ পৰিব। এনেধৰণৰ পৰিৱেশত পৰ্যটনৰ আশা এক দুৰাশা যেন লাগিব। কিন্তু সুৰংগৰ শেষত এখন আকাশ আছে। আত্মবিশ্বাস আৰু ঐতিহ্যৰ প্ৰতি থকা সন্মানে পৰ্যটনৰ স্বপ্ন সাৰ্থক কৰিব পাৰে।

শিৱসাগৰ সাগৰপৃষ্ঠৰ ৯৪ মিটাৰ উচ্চতাত অৱস্থিত। সাগৰলৈ বহু দূৰ। তথাপি ইয়াত সাগৰ নিৰ্মাণ হৈছে। এই সাগৰ শিৱৰ নামত সমৰ্পিত। শিৱসাগৰ মানেই এক বিশাল সাগৰ-চেতনা। বিস্তৃতিৰ এক জাগ্ৰত আকাংক্ষা। আৰু পৰ্যটন মূলতঃ বিস্তৃতিৰ আকৰ্ষণ।

পুনশ্চ ঃ

এটা সুখবৰ আছে। আমাৰ মাৰ্ঘেৰিটা-ভ্ৰমণৰ কেইবছৰ মানৰ পিছত অন্য এটা দৃশ্য দেখিবলৈ পাৰোঁ। তেতিয়া মাৰ্ঘেৰিটাৰ লেখাপানীত দিহিং পাটকাই উৎসৱ অনুষ্ঠিত হৈছিল। সেই উৎসৱত চিংফৌসকলৰ টোপোলাভাত, খৰিকাত দিয়া মঙহ আৰু আন-আন জুতি লগা খোৱা বস্তুবোৰৰ স্বাদ বাহিৰৰ মানুহে যেতিয়া পালে, তেতিয়া তেওঁলোকৰ খাদ্যৰ দোকানৰ সমুখত তোলপাৰ লাগিল। খাদ্য বিচাৰি অন্তহীন গ্ৰাহকৰ ভিৰ। মাৰ্ঘেৰিটাত এতিয়া জনজাতীয় খাদ্যৰ দুখনমান ৰেষ্টোৰাঁ ব্যৱসায়িকভাৱে গঢ় লৈ উঠিছে। ই আত্মপ্ৰত্যয়ৰ নিদৰ্শন।

শিৱসাগৰৰ নিত্যনৈমিত্তিক দৃশ্য



দীপালী ভট্টাচাৰ্য বৰুৱা

শিৱসাগৰ ২০০৯

অসমৰ অন্যান্য চহৰৰ তুলনাত আটাইতকৈ অনাযাসে চকুত পৰা বৈশিষ্ট্যটো হ'ল— শিৱসাগৰৰ কথা বৰ্ণনা কৰিবলৈ যাওঁতে সৰহ সংখ্যক ব্যক্তিয়েই 'ৰংপুৰ' শব্দটো ব্যৱহাৰ কৰে, লগতে আন দুটা শব্দও হাতত ধৰাধৰিকৈ আছে, সেয়া হ'ল 'ঐতিহ্যসমৃদ্ধ' অথবা 'বুৰঞ্জীপ্ৰসিদ্ধ'। কেৱল শিৱসাগৰ বুলি ক'লে এটা শূন্যতা যেন ক'ৰবাত ৰৈ যায়। এই ভাবনা অৱশ্যে নতুন নহয়। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৃষ্ঠভূমিত ৰংপুৰে শিৱসাগৰৰ সাজ-পোছাক পিন্ধা এই পৰিক্ৰমা যিমান পুৰণা, সিমানেই পুৰণা এই ভাবনা। এই ভাবনাৰ নেপথ্যত আছে ছশ বছৰীয়া আহোম ৰাজবংশৰ ৰাজকীয় জীৱন যাত্ৰা, বহু হৰ্ষ-বিষাদ আৰু উত্থান-পতনৰ ইতিহাস। এক নিৰ্দিষ্ট গতিপথেৰে অহৰ্নিশে ঘূৰি আছে পৃথিৱী। অথচ অনুভৱ কৰিবলৈ সক্ষম নহওঁ ভ্ৰাম্যমাণ পৃথিৱীখনত অদৃশ্য হৈ থকা শৃঙ্খলাবদ্ধতাৰ শিপাৰ কথা। এই শিপাৰ সৈতে সংলগ্ন হৈ আছে প্ৰতিটো প্ৰাণীৰ ছাঁ-পোহৰ, জন্ম-মৃত্যুৰ পৰিক্ৰমা। জীৱন অন্ধকাৰ, যদিহে আগবাঢ়ি যোৱাৰ স্পৃহা নাথাকে। আৰু আগবাঢ়ি যোৱাৰ স্পৃহাটোও অন্ধ, যদিহে তাত কৰ্ম নাথাকে। কাৰণ এই পৃথিৱীত সিঁচৰতি হৈ থকা লক্ষ-লক্ষ সপোনৰ সাজ-পোছাক পিন্ধিও মানুহ নগ্ন হ'ব পাৰে। হত্যা, হিংসা-দ্বেষৰ কোলাহল আৰু বিশৃঙ্খলাই বিভ্ৰান্ত কৰে মানুহক। প্ৰকৃততে ৰাজ্যৰ চাৰিসীমা, একোখন নগৰৰ বেৰা, বাৰীৰ চৌহদৰ ঢাপকেইটা আৰু চৌপাশৰ জেওৰা-জপনাই মানুহৰ হৃদয়ৰ বিশালতাক স্পৰ্শ কৰিব নোৱাৰে, কৰা অনুচিত। কেৱল ভাৰসাম্য ৰক্ষাৰ খাতিৰতেই এনে সীমাবোৰৰ প্ৰয়োজন আছে।

একোখন মহানগৰী, একোখন চহৰৰ অভ্যুত্থান হয় আৰু অন্তৰ্ধান হয়; সাম্ৰাজ্য গঢ়ি উঠে, পতন হয়। গ্ৰহবোৰ ভাগি-ছিগি খণ্ড-খণ্ড হৈ ধূলিৰ স্তূপ হয়। আৰু অন্যান্য গ্ৰহৰ বায়ুমণ্ডলে সেই ধূলিবোৰ উৰুৱাই নিয়ে। আদি-অন্তহীন এই গতি। যি ঠাইত আমাৰ এটা দিন শেষ হয়, সেই ঠাইত আমাৰ পুনৰ এটা দিন আৰম্ভ নহয়। সূৰ্যাস্তই য'ত আমাক এৰি থৈ যায়, সূৰ্যোদয়ে তাত আমাক বিচাৰি নাপায়। এনে অস্থায়ী স্থিতিৰ কথা জানিও মানুহে বাৰে-বাৰে খোপনি পুতিবলৈ বিচাৰে বসুন্ধৰাৰ বুকুত। একোখন গাঁও, একোখন চহৰ, একোখন মহানগৰ এনে সৃষ্টিৰ প্ৰয়াসৰেই নামান্তৰ

মাথোন। কিন্তু বহু সময়ত ৰাজনৈতিক প্ৰেক্ষাপটত মানুহে এনেদৰে ভীতিগ্ৰস্ত হৈ উঠে যে তাৰ প্ৰতিক্ৰিয়াই মানুহক বহু দিনলৈকে আওবাটে যাবলৈ উৎসাহিত কৰে। এটা সময়ত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণতে উচ্ছন্ন হোৱা ৰংপুৰ নগৰখনৰ বেছিভাগ বাট-পথেই জনশূন্য হৈ পৰিছিল যদিও গোপনে অ'ত ত'ত কিছুলোকে খোপনি পুতি আছিল। কিন্তু সকলো যেন নিৰাপত্তাহীন। একান্ত আত্মীয়জনক নিচেই কাষতে দেখিও উচপ খাই উঠা, নিজৰ উশাহৰ শব্দ নিজেই শুনা অকল্পনীয় সেই সময়। সৌভাগ্যই হওক বা দুৰ্ভাগ্যই হওক, ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পাছত শিৱসাগৰ নগৰত আধুনিক যুগৰ শুভাৰম্ভ কৰিবলৈ অহা ইংৰাজসকলে পৰ্যায়ক্ৰমে আহোম স্বৰ্গদেউসকলৰ শাসনপ্ৰথা প্ৰত্যাহাৰ কৰাই নহয়, জনসাধাৰণৰ স্বাভাৱিক জীৱন ঘূৰাই আনিবলৈও অবিৰত প্ৰচেষ্টা হাতত লৈছিল। পানীত পৰা মানুহে খেৰকুটাকে আশ্ৰয় কৰাৰ দৰে আছিল অসমীয়া মানুহৰ অৱস্থা। আজি সেইবোৰ কথা অতীত হৈ গৈছে। বহু নতুন দাবী, সম্ভাৱনা আৰু সমস্যাৰ বৈচিত্ৰ্য নিশ্চয় আহিছে। পৃথিৱীৰ এই ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ স্বৰূপ চহৰখনো ইয়াৰ

শিৱসাগৰ ঃ সংঘাত আৰু সম্ভাৱনা

নিশ্চয় অন্যতম অংশীদাৰ।

২০০৯ চনৰ শিৱসাগৰত চৰকাৰী প্ৰশাসনৰ দিশৰপৰাও বহু সম্ভাৱনাপূৰ্ণ আৰু ইতিবাচক সঁহাৰি লক্ষ্য কৰা যায়। এসময়ত অসমীয়া মধ্যবিত্তক অভিজ্ঞতাই এনে শিক্ষাই দিছিল যে ব্ৰিটিছৰ শোষণ আৰু শাসনৰ প্ৰতিবাদ কৰাতকৈ তেওঁলোকৰ লগত সহযোগিতা কৰিলেহে জাতিটোৰ বিকাশ সম্ভৱ হৈ উঠিব। সেই অলীক স্বপ্ন আৰু দাসত্বৰ মনোভাবৰপৰা মুক্ত হৈ মানুহবোৰে একোজন সুস্থ, সচেতন নাগৰিক ৰূপে মুকলি ৰাস্তাত খোজ দিয়া অভ্যাসটো বৰ পুৰণা নহয়। অৱশ্যে ব্ৰিটিছ প্ৰশাসকসকল, মিছনাৰীসকলৰ স্মৃতি এতিয়া ধূসৰ হৈ উঠিছে শিৱসাগৰবাসীৰ। জীৱিকাৰ অন্বেষণত জুৰুলা হোৱা যুৱক-যুৱতীসকলৰ আত্মসংস্থাপনৰ বাবে চৰকাৰে আগবঢ়াইছে ভালেখিনি আঁচনি। এই আঁচনিসমূহ উপযুক্ত ব্যক্তিৰ হাতত প্ৰদান কৰা হ'লে পৰিকল্পনাসমূহ নিশ্চয় সাৰ্থক হৈ উঠিব। হস্ততাঁত আৰু বয়নশিল্প বিভাগৰ মন্ত্ৰী মাননীয় প্ৰণৱ গগৈৰ উদ্যোগত শিৱসাগৰ নগৰখনক নতুন মাত্ৰা প্ৰদান কৰা হৈছে। ব্ৰিটিছৰ দিনৰে পুৰণা দিখৌ দলঙৰ নিৰ্মাণ, মেৰামতি আৰু সৌন্দৰ্যবৰ্ধন, দলঙৰ মুখত প্ৰস্তৰ বাগিচা স্থাপন, ভি আই পি পথবিলাকত প্ৰত্যেকতে ১১ কে.ভি বৈদ্যুতিক লাইন নৱীকৰণ, যান-বাহন আৰু পথচাৰীৰ সুবিধাৰ বাবে অট'মেটিক ট্ৰেফিক ছিগনেল (যিটো অসমৰ আন চহৰবোৰৰ বেছিভাগতেই প্ৰচলন হোৱা নাই), আঠোটাকৈ বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ নতুনকৈ লগোৱা, দ'লমুখ আৰু মুক্তিনাথ চাৰিআলিত ৱাটাৰ ফাউণ্টেইন লগোৱা, জয়মতীৰ মূৰ্তি নিৰ্মাণ আৰু স্থাপন, ভটীয়াপাৰত ঐতিহাসিক শৰাইঘাটৰ যুদ্ধৰ সেনাপতি আৰু সেনানীসকলৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ লগতে স্পট লাইটৰ ব্যৱস্থা কৰা হৈছে। ফুটপাথ আৰু ড্ৰেইনবোৰ ঠিক-ঠাক কৰি দ'লমুখ চাৰিআলি মাৰোৱাৰীপট্টি, বাবুপট্টি, ধাইআলি, অৰুণোদয় পথ আদি আগতকৈ বহল কৰাৰ বাবে পথচাৰীৰ বাবে বহুখিনি সুবিধা হ'ল। পূৰ্বতকৈ চহৰখনৰ তিনিআলি চাৰিআলিত যান-বাহনৰ জঁট কমি যোৱাটোও লক্ষণীয় বিষয়। শিৱসাগৰবাসীৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে জয়মতী ক্ষেত্ৰ আৰু হস্ততাঁত আৰু ৰেচম বিভাগৰ বৃহৎ উদ্যোগ স্থাপন কৰিবলৈ লোৱাটোও এক আশাব্যঞ্জক কথা।

অসম সাহিত্য সভাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে শিৱসাগৰ নাট্য মন্দিৰত চাৰিদিনীয়াকৈ ৰাজ্যিক নাট-সমাৰোহ অনুষ্ঠিত হৈ যায়। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক পৰ্যায়ৰ সমাৰোহ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় শিৱসাগৰত। নৱপ্ৰজন্মৰ ধীশক্তিৰ আশাপ্ৰদ সহযোগিতাৰ এক নিদৰ্শন আছিল সেয়া। ২০০১ চনতেই ঐতিহাসিক জয়সাগৰ পুখুৰীপাৰত স্থাপন কৰিবলৈ লোৱা ৰংপুৰ কলা বীথিকাৰ পুনৰ সাংগঠনিক কৰ্ম সজীৱ হৈ উঠিল চিত্ৰ আৰু ভাস্কৰ্যৰ এটা কৰ্মশালাৰ যোগেদি। উত্তৰ-পূৰ্বাঞ্চলত এটা পূৰ্ণাঙ্গ কলা-বীথিকা নিৰ্মাণৰ বাবে সাজু হৈ উঠিল শিল্পীগোষ্ঠী জিলা প্ৰশাসনৰ অকুণ্ঠ সহযোগত। দীৰ্ঘ দিনৰ জল্পনা-কল্পনাৰ বিষয় আৰু দুই-তিনিবাৰকৈ আধাৰশিলা স্থাপন কৰিব লগা হোৱা শিৱসাগৰ লাইব্ৰেৰীৰ গৃহ আৰু অডিট'ৰিয়াম নিৰ্মাণৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে ২ কোটি টকা মুকলি কৰি দিয়াৰ কথা আছিল যদিও বৰ্তমান ১৩ লাখ টকাহে অনুমোদন কৰা হৈছে বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত অডিট'ৰিয়াম গঢ় লৈ উঠাৰ সম্ভৱনাও যথেষ্ঠ ক্ষীণ। কিন্তু ২০০৯ চনৰ শেষৰ ফালে নাইবা আহিব লগা ২০১০ চন; মাৰ্চ মাহৰ ভিতৰত লাইব্ৰেৰীটো সম্পূৰ্ণ হৈ উঠিব বুলি আশাৰে বাট চাইছে শিৱসাগৰবাসীয়ে।

'জ্ঞানবৃক্ষ' —কালুগাঁৱৰ অনাদৃত বৰপাত্ৰ
বিষ্ণুদ'লৰ দেৱালত থকা শিলাভাস্কৰ্য

প্ৰত্যেক জিলাৰ অন্যতম গুৰুত্বপূৰ্ণ বিভাগ হৈছে আৰক্ষীবিভাগ। ৰাজ্যখনৰ আন ঠাইৰ দৰে সন্ত্ৰাসবাদ, হত্যা, ধৰ্ষণ, চোৰ-ডকাইতৰ সমস্যাবোৰে সময়ে সময়ে জনজীৱন ব্যতিব্যস্ত কৰি তোলাই এটা নিয়মত পৰিণত হৈছে সঁচা, কিন্তু ইয়াৰ মাজতো থাকে এনে বহু ইতিবাচক দিশ— যিবোৰে বহু গ্লানি-সমালোচনাৰ সন্মুখীন হোৱাৰ মাজতো একোটা বিভাগলৈ কঢ়িয়াই আনে কিছুমান চমকপ্ৰদ বতৰা। বহুদিনৰ আগতে দাৰ্শনিক খলিল জিব্ৰানে কৈছিল— উল্লাসেই সৰগ, হতাশাই নৰক। এইটোও এটা অপ্ৰিয় সত্য যে যাৰ দোষৰ বাবেই নহওক সাধাৰণ মানুহে আৰক্ষীৰ কৰ্মী আৰু বিষয়াসকলৰ ঘনিষ্ঠ হ'বলৈ (বিপদত নিৰাপত্তা বিচৰাৰ বাদে) বৰ ইচ্ছা নকৰে। এক নিৰাপদ দূৰত্বত থাকি লক্ষ্য কৰে তেওঁলোকৰ কৰ্মৰাজি, গতিবিধি, চালচলন।

কেৱল শিৱসাগৰ কিয়, পৃথিৱীৰ সৰহ সংখ্যক ঠাইতেই বোধকৰোঁ এইটো খাটে। তথাপি ২০০৯ চনটো (শিৱসাগৰৰ আৰক্ষীবিষয়াৰ ভাষ্য অনুসৰি) তেওঁলোকে গৌৰৱেৰে স্মৰণ কৰিব খোজে। ২০০৬ চনৰ ১১ অক্টোবৰত নতুন আৰক্ষী অধীক্ষকজনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই সন্ত্ৰাসবাদকে আদি কৰি বহু জ্বলন্ত সমস্যাৰ সন্মুখীন হ'ব লগা হয় এই বিভাগ। মাথোন ছটা মাহৰ ভিতৰতে ২০০৭ চনত এটা স্থিৰ অৱস্থালৈ আহিছিল। কিন্তু এই শক্তিৰ বাতাবৰণ বহু সময়ত আৱৰি ধৰে অনিশ্চয়তাই। ৰাজ্যজুৰি বিৰাজ কৰা দোদুল্যমান অৱস্থাতে আৰক্ষী অধীক্ষক শ্যামলপ্ৰসাদ শইকীয়াই সন্ত্ৰাসবাদ দমন কৰা ক্ষমতাৰ বাবে ৰাষ্ট্ৰপতিৰপৰা লাভ কৰে দুটা সাহসিকতাৰ বঁটা। ৰাজ্যিক আৰক্ষীবিষয়ালৈ ৰাষ্ট্ৰপতিয়ে দিয়া সৰ্বোচ্চ সন্মান। ইয়াৰ উপৰি সোণাৰী মহকুমাৰ আৰক্ষীবিষয়া জয়ন্তসাৰথি বৰা, অ'-চি দেৱজিত বৰাকে ধৰি বিভিন্ন পৰ্যায়ত মুঠ ২০টা পদক লাভ কৰে শিৱসাগৰৰ আৰক্ষীবিষয়াসকলে। একেখন জিলাতে এনে বৃহৎ সংখ্যক আৰক্ষীবিষয়া আৰু কৰ্মী পুৰস্কৃত হোৱাৰ ঘটনা ভাৰত স্বাধীন হোৱাৰ পাছত বোধকৰোঁ নজিৰ পাবলৈ নাই। তথাপি জনসাধাৰণৰ আশা— আইনৰ সৰু-সুৰা সুৰুঙাইদি অপৰাধী সাৰি যোৱাৰ দুৰ্ঘটনা আৰু কলঙ্ক মোচন হওক অচিৰেই। কিন্তু সফল আৰক্ষীবিষয়া ৰূপে সৰ্বভাৰতীয় পৰ্যায়ত স্বীকৃতি পোৱাৰ পাছত বৰ্তমান কৰ্তব্যৰত আৰক্ষী অধীক্ষকজন সন্মুখীন হ'ব পাৰে ভৱিষ্যৎ অগ্নিগৰ্ভা অসমৰ বহু নৈতিক প্ৰত্যাহ্বানৰ।

শিৱসাগৰ নগৰৰ সৌন্দৰ্যবৰ্ধনৰ অন্তৰ্ভুক্ত আন এটা আঁচনি মৰিবিল সৰোবৰখন। একালত শিৱসাগৰৰ মাজত দিখৌনদীৰ কেইবাটাও এৰাসুঁতি আছিল। জনসংখ্যা বৃদ্ধি হোৱাত এই এৰাসুঁতিসমূহ নাইকিয়া হ'ল। কেৱল এটা সুঁতিহে থাকিল— 'মৰিবিল'। এই মৰিবিলৰ কাষতেই ক্ৰমান্বয়ে শঙ্কৰ সমাজ নামঘৰ, গায়ন গাঁও নামঘৰ, হৰিমন্দিৰ, সেউজীয়া সমাজ সঙ্গীত মহাবিদ্যালয় শিৱসাগৰৰ ৰাইজৰ উদ্যোগত গঢ় লৈ উঠিছিল। এসময়ত পৌৰসভাৰ অদূৰদৰ্শিতাৰ বাবে 'মৰিবিল'খন এটা পাৰ্টীক লিজত দিয়াত তেওঁলোকেই গোঁজেই গজালি হৈ বহিল। চাৰিওফালৰপৰা বেদখল আৰম্ভ হ'ল। ফলত সৰ্বমুঠ ২১ বিঘা মাটিৰ এতিয়া মাত্ৰ ১৬ বিঘা মানহে আছেগৈ। বিলখনৰ কলেৱৰ ক্ৰমান্বয়ে হ্ৰাস পাই অহাত শিৱসাগৰৰ কেইজনমান সচেতন নাগৰিকে নগৰ সুৰক্ষা আৰু সৌন্দৰ্যবৰ্ধন সমিতি গঠন কৰি চৰকাৰৰ লগত যোগাযোগৰ পাছত আদালতৰ কাষ চাপাত প্ৰায় ১৫ বছৰ যুঁজ কৰি বৰ্তমান বিলখন চৰকাৰৰ হাতলৈ আনিবলৈ সক্ষম হ'ল। শিৱসাগৰৰ মাননীয় উপায়ুক্ত নবাব মামুদ হুছেইনৰ উদ্যোগত 'মৰিবিল'ৰ পৰিৱৰ্তে 'মৰিবিল সৰোবৰ' নাম দি এটা পাৰ বন্ধাই বিজুলিবাতিৰ ব্যৱস্থা কৰা হ'ল। অদূৰ ভৱিষ্যতে চাৰিওকাষে পাৰ বন্ধোৱাৰ ব্যৱস্থা কৰি কৃত্ৰিম ফোৱাৰা সংযোগ কৰিলে সোণত সুৱগা চৰিব। ২০০৯ চনতেই এটা জটিল প্ৰক্ৰিয়াৰপৰা নগৰখন মুক্ত হ'ল বুলিব পাৰি। আনহাতেদি ১৯৯৭ চনত শিৱসাগৰত গঠন হোৱা লাৱনাৰ্ছ আৰ্টিষ্ট গ্ৰুপে পিয়লি ফুকনৰ ১৯ ফুটৰ এটা মূৰ্তি সাজি উলিয়াইছিল। ভাস্কৰ্য শিল্পী সোণাৰাম নাথৰ তত্বাৱধানত প্ৰতাপ শৰ্মা, আফতাবুদ্দিন আহমেদ, মানৱ বৰচেতিয়া, মানৱজ্যোতি আদিত্য, পৰাগ বৰুৱা, হেমন্ত গগৈ, প্ৰশান্ত গগৈ আৰু নৰেন গগৈ আদিত্য, এই শিল্পীসকলে এই মূৰ্তি সাজি কেন্দ্ৰীয় বিদ্যালয়ৰ চৌহদতে বহু বছৰ থৈ দিব লগা অচল অৱস্থা এটা হৈছিল। যোৱা কেইমাহ মানৰ আগতে জিলা উপায়ুক্তৰ উদ্যোগত নগৰখনত থকা ঐতিহাসিক পিয়লি ফুকনৰ মৈদামলৈ এই মূৰ্তি কঢ়িয়াই আনি প্ৰকৃত

স্থানত মৰ্যাদা সহকাৰে স্থাপন কৰা হ'ল। সেয়া এক কষ্টসাধ্য প্ৰচেষ্টা আছিল।

সামগ্ৰিকভাৱে বিচাৰ কৰি চালে এই কথা স্বীকাৰ কৰিবই লাগিব যে এখন নগৰৰ উন্নয়ন বুলি ক'লে ঐতিহাসিক কীৰ্তিচিহ্ন সংৰক্ষণকে আদি কৰি অৰ্থনৈতিক, সাংস্কৃতিক, ঔদ্যোগিক, শৈক্ষিক আদি বহু কথাই ভুমুকি মাৰিছে। চহৰখনৰ মাজমজিয়াত থিয় হৈ কোনো মুহূৰ্তত এনে লাগে যেন পোহৰ আহিব পৰা বহু খিৰিকিৰ শলখাত আমি হাত দিয়া নাই—কিমান প্ৰাচীন আৰু নতুন দুৱাৰৰ তলা নোখোলাকৈয়ে পৰিত্যক্ত হৈ পৰি আছে। চহৰখনত সাহিত্য-সংস্কৃতিসেৱকসকলৰ মাজত এক বৌদ্ধিক শূন্যতা। নৱ-নৱ সৃষ্টিৰ বাবে হৃদয়ৰ তাড়নাত কলম হাতত তুলি লোৱা লোকসকলৰ চহৰখনৰ বাবে, নিজৰ মানুহবোৰৰ বাবে, জাতিটোৰ বাবে ছিৰিয়াছ কোনো চিন্তাৰ উদ্ৰেক হোৱা যেন চকুত নপৰে। আপোন জীৱনৰ স্মৰণীয় অভিজ্ঞতাৰ কথা স্মৰণ কৰোঁতে সুসাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াই জাৰ্মানীৰ ফ্ৰাংকফুৰ্ট গ্ৰন্থমেলাৰ কথা লিখিছিল— "গোটেই জাতিটোৱেই যেন নামি আহিছিল তাৰে : মুখত মাত নাই, কিতাপ কিনাৰ বাবে দীঘল-দীঘল শাৰী, কেৱল কিতাপৰ কথা — থিয়ৈ-থিয়ৈ কিতাপ পঢ়ি থাকে। দেখি অবাক হৈ গৈছিলোঁ।" শিৱসাগৰত এই পৰিৱেশ ক্ৰমান্বয়ে ধূলিসাৎ হ'বলৈ ধৰিছে। চহৰখনৰ তথা, ওচৰ-পাজৰৰ এলেকা, গাঁও-ভূঁইসমূহতো আগ্ৰহী পঢ়ুৱৈ লক্ষণীয়ভাৱে কমিছে নেকি, সেয়া নিশ্চয় এক বিচাৰ্যৰ বিষয়। অথচ এখন সাংস্কৃতিক নগৰী, নাইবা ঔদ্যোগিক নগৰী এটাৰো তালিকাত নপৰিব শিৱসাগৰ চহৰ। তেল আৰু প্ৰাকৃতিক আয়োগ নোহোৱা শিৱসাগৰৰ কথা আজিৰ তাৰিখত কোনেও কল্পনা কৰিব নোৱাৰিব। নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনৰ সুবিধাৰ বাবে চকুত পৰা উদ্যোগ এতিয়ালৈকে গঢ়ি উঠা নাই, কিন্তু চৰকাৰে পৰিকল্পনা হাতত লৈছে। এইখিনিতে দুটা মান কথাও প্ৰসঙ্গক্ৰমে আহে, যেনে চৰকাৰৰ আঁচনি যিমানেই নাথাকক, জনসাধাৰণৰ দেশাত্মবোধ আৰু প্ৰকৃত সহযোগিতা অবিহনে ইয়াৰ পূৰ্ণতা অসম্ভৱ কথা। এজাক প্ৰবল বৰষুণে চহৰখনত কৃত্ৰিম বানৰ সৃষ্টি কৰি দীৰ্ঘ দিন ধৰি জনসাধাৰণক আতংকালত পেলাই আহিছে। অথচ সচেতন একোজন নাগৰিক হিচাপে আমি ঘৰৰ সমুখৰ ড্ৰেইন খন্দাৰ কথা সৰহ সংখ্যক মানুহেই চিন্তা কৰা নাই। আবাসিক এলেকাসমূহত যেতিয়া সুসংস্কৃত, সুশিক্ষিত মানুহে ডাষ্টবিনৰ বাহিৰত জাবৰখিনি পেলাই থৈ যায়, ঘৰত মৃত্যু হোৱা জন্তুটোও ডাষ্টবিনত পেলাবলৈ আহে, সেইক্ষেত্ৰত পৌৰসভাৰ কৰ্মকৰ্তাসকললৈ আঙুলিয়াই লাভ নাই। যত দক্ষ, নিকা আৰু সচেতন নাগৰিক থাকিব, তাত হাজাৰজন দুৰ্নীতিগ্ৰস্ত অকৰ্মণ্য চৰকাৰী বিষয়াই শিৰ অৱনত কৰিবলৈ বাধ্য হ'ব। পৃথিৱীৰ ইতিহাসত এনে অনেক ঘটনা সাক্ষী হৈ ৰৈ গৈছে। যি প্ৰবল দেশপ্ৰেমৰ তাগিদাত আমি সমগ্ৰ ভাৰতবৰ্ষ তথা এই সৰু চহৰখনৰপৰা ব্ৰিটিছক উচ্ছেদ কৰিবলৈ সক্ষম হৈছিলোঁ, তেনে দেশপ্ৰেমেৰে উদ্বুদ্ধ হ'বলৈ আমি আমাৰ ওচৰ-চুবুৰীয়াক, চিনাকি সমাজখনক প্ৰেৰণা যোগাব লাগে। ইয়াৰ বাবে প্ৰত্যেকে নিজৰ ওচৰত অঙ্গীকাৰবদ্ধ হোৱা উচিত। এই প্ৰাচীন পৃথিৱীখনৰ হাজাৰ-হাজাৰ বছৰ সময়ে সামৰি লোৱাৰ দৰে ২০০৯ চনৰ বছৰটো আহি অন্তিম দিনবোৰত উপস্থিত হৈছে। শিৱদ'ল, জয়দ'ল, বৰপুখৰীপাৰ জুৰি বতাহত সিঁচৰতি হৈ থকা কালৰাত্ৰিৰ উশাহবোৰে আমাক এতিয়াও বিচাৰি ফুৰে, ৰংপুৰবাসীক। সকলো হিংসা, দ্বেষ আৰু অসমৰ্থতাৰ বিপৰীতে তথাপি সগৌৰৱে থিয় হ'বলৈ ঐকান্তিক প্ৰচেষ্টা এয়া ২০০৯ চনতেই।

শিৱসাগৰ

ভাষা, সাহিত্য-সংস্কৃতি, কলা-শিল্প ●



ড° কৃষ্ণকুমাৰ মিশ্ৰ

স্বৰাজোত্তৰ শিৱসাগৰৰ সাহিত্য-জগতত এভুমুকি

আমাৰ বাবে বাছি দিয়া প্ৰবন্ধৰ বিষয়টোৰ পৰিসৰ বেছ বহল। আনহাতে ই সামৰি ল'ব পৰা ক্ষেত্ৰখনৰ বেলিকাও আহুকাল নথকা নহয়। সেয়ে ইয়াত স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ সাহিত্য চৰ্চাৰ এটি ৰেহ-ৰূপ দাঙি ধৰিবলৈহে প্ৰয়াস কৰা হ'ব।

শিৱসাগৰ চহৰৰ সাংস্কৃতিক আভিজাত্য আছে। ৰংপুৰ নামৰ সুপ্ৰাচীন চহৰখনৰ ঐতিহাসিক প্ৰসিদ্ধিকে নতুন চহৰখনে উত্তৰাধিকাৰ স্বৰূপে মাথোন গ্ৰহণ কৰা নাছিল। ঘাইকৈ সাহিত্যৰ দিশত আধুনিক যুগত দুটা মান গভীৰ তাৎপৰ্যপূৰ্ণ ঘটনাই শিৱসাগৰৰ ঐতিহ্যক আছুতীয়া মাত্ৰা প্ৰদান কৰিছিল। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ উন্মেষ সাধনৰ লগত জড়িত প্ৰথমটো ঘটনা হ'ল খ্ৰীষ্টান মিছেনেৰীসকলৰ উদ্যোগত প্ৰকাশিত সংবাদ-পত্ৰ **অৰুণোদই** (১৮৪৬-১৮৮২), আনটো ১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰথমখন অধিবেশন। এই দুযোটা মহত্ত্বপূৰ্ণ ঘটনাৰ তাৎপৰ্য ঘোষণা কৰি স্বাধীনতা-পূৰ্ব কালছোৱাত শিৱসাগৰৰ সাহিত্য জগতৰ ছবিখন সমুজ্জ্বল হৈ আছিল। কুৰি শতিকাৰ সত্তৰৰ দশকলৈকে এই ধাৰা সমৃদ্ধ হৈ থকা দেখা যায়। তাৰ পাছত লাহে-লাহে প্ৰৱহমান সাহিত্যৰ নদীখন সংকীৰ্ণ হ'বলৈ ধৰিলে। পুৰোধাসকলৰ এজন-এজনকৈ বিয়োগ ঘটিল। বিভিন্ন কাৰণত নতুন কৰ্ণধাৰসকলৰ অধিকাংশৰ ক্ষেত্ৰ-প্ৰব্ৰজন ঘটিল। পূৰ্বসুৰীসকলৰ লগত সমানে তাল মিলাই নতুন চামে সাহিত্য-জগতখনৰ সমৃদ্ধিত প্ৰয়োজনীয় অৰিহনা আগবঢ়োৱাত অপাৰগ হ'ল। এনে হোৱাৰ অন্তৰালত কেতবোৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণো বিচাৰি পাবলৈ টান নহয়। তথাপি শিৱসাগৰৰ সাহিত্য-জগতখন বিবৰ্ণ হোৱা নাই। পূৰ্বৰ চৰিত্ৰ, বৈশিষ্ট্য আৰু বৈচিত্ৰ্য সঠিকভাবে অনুধাৱন কৰিব পাৰিলে উত্তৰ সাধকৰ হাততো শিৱসাগৰৰ সাহিত্য-চৰ্চাই আগৰ মহিমা লাভ কৰিব পাৰে।

স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ সাহিত্য-চৰ্চাৰ মানচিত্ৰখনলৈ চালে দুটা মান বিশেষ কথা চকুত পৰে। ইয়াৰ সাহিত্য-জগতখনলৈ অৱদান আগবঢ়োৱাসকলক ঘাইকৈ তিনিটা গোটত বিভক্ত কৰিব পাৰি ঃ জন্মসূত্ৰে শিৱসাগৰীয়া তথা শিৱসাগৰৰে স্থায়ী বাসিন্দা; জন্মসূত্ৰে শিৱসাগৰীয়া হ'লেও

কৰ্মসূত্ৰে অথবা আন কাৰণত স্থান-পৰিবৰ্তনৰ বাবে ঠাইত থকা; জন্মসূত্ৰে আন ঠাইৰ হ'লেও পৰৱৰ্তী কালত শিৱসাগৰৰ স্থায়ী বাসিন্দা। ইয়াৰে প্ৰথমটো থুলত পৰা লেখকৰ সংখ্যা কমি আহিছে। স্বৰাজোত্তৰ কালত শিৱসাগৰৰ সাহিত্য-জগত সমৃদ্ধ কৰা সকলৰ ভিতৰত পদ্মধৰ চলিহা, প্ৰফুল্লচন্দ্ৰ বৰুৱা, ফটিকচন্দ্ৰ চলিহা, সত্যৰঞ্জন বৰুৱা, গোবিন্দচন্দ্ৰ বৰুৱা, গিৰিজাপ্ৰসাদ বৰুৱা, অম্বেশ্বৰ চেতিয়া ফুকন, কৰুণাকান্ত গগৈ, পৰাগ চলিহা, ইন্দিবৰ গগৈ, শশীকান্ত গগৈ, থানেশ্বৰ হাজৰিকা, সহজানন্দ ভৰালী, ৰিপুনাথ বুঢ়াগোহাঞি, দক্ষিণাকান্ত বৰুৱা, প্ৰেমধৰ বৰগোহাঁই, ভগৱানচন্দ্ৰ দত্ত, লীলা কাকতি, হেম বুঢ়াগোহাঞি, ৰামৰাজা সিংহ, তাৰানাথ দাস, বিভূতি চলিহা, ডম্বৰ কাকতি, জগত চেতিয়া, সুৰেশ ফুকন, মুকুল ফুকন, মহিবুল হুছেইন, ফুলেশ্বৰী দত্ত, মিনি এমঞ্জ, হেমলতা দত্ত, ক্ষীৰদাকুমাৰী বৰুৱা, এখুদি দুৱৰা আদি লেখক-লেখিকাসকলে ইতিমধ্যে ইহসংসাৰৰপৰা বিদায় লৈছে। এইসকলৰ সাহিত্য-চৰ্চাৰ ক্ষেত্ৰখনে কবিতা, গীত, নাট, ভ্ৰমণ-কাহিনী প্ৰভৃতি ঘাইকৈ সামৰি লৈছিল।

এই ধাৰাটো বৰ্তাই ৰাখি বৰ্তমান সময়তো লিখি থকা সকলৰ ভিতৰত পোনতে ইমৰান শ্বাহৰ নাম ল'ব পাৰি। কবিতাৰে সাহিত্য-জগতত প্ৰবেশ কৰা শ্বাহে পৰৱৰ্তী কালত গল্পকাৰ আৰু ঔপন্যাসিক ৰূপে খ্যাতি লাভ কৰে। তেওঁ লগতে ৰম্যৰচনা, গীত, নাটক আদিও ৰচনা কৰিছে। যোগেন চেতিয়াই একাংকিকা, শিশু-নাট, বিদেশী নাটকৰ অনুবাদৰ উপৰি নাট্যকলাৰ বিশেষ চৰ্চাৰে অসমীয়া নাট্য-সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁ অসম নাট্য সন্মিলনৰ সভাপতিৰ পদো অলংকৃত কৰিছিল। নাহেন্দ্ৰ পাদুনে কবিতাৰ উপৰি নিৰলে ভাষা আৰু সমালোচনাতত্ত্বৰ গৱেষণাত লাগি আছে। নীৰৱে সাহিত্য-সেৱাত ব্ৰতী হৈ থকা আন এগৰাকী প্ৰধান লেখক হ'ল সিদ্ধেশ্বৰ সন্দিকৈ।

কাব্যচৰ্চাত শিৱসাগৰৰ সাহিত্য-জগতখন উজলি আছে। কবি ৰূপে হেম বৰুৱা, প্ৰেম গগৈ, দীপালী ভট্টাচাৰ্য বৰুৱা, হৰেন গগৈ, বিজয়ৰবি দাস, অনিল পাংগিং, গঙ্গামোহন মিলি, পুঞ্জন বৰুৱা, ৰঘুনাথ কাগয়ুং, অপূৰ্ব ভূঞা, পৰশমণি বৰদলৈ, হিৰণ্ময়ী দত্ত, মীনাক্ষী বেজবৰুৱা, মেঘালী হাজৰিকা কাকতি, তৰুণচন্দ্ৰ নাথ, ৰেণুমালা চাংমাই, সান্ত্বনা বৰদলৈ, চামচুল বাৰিক, লক্ষ্মীনন্দন বৰগোহাঞি, প্ৰেমনাথ শৰ্মা, মণিৰুল ইছলাম বৰা আদিৰ নাম উল্লেখযোগ্য। প্ৰেম গগৈয়ে কবিতাৰ উপৰি প্ৰবন্ধ; দীপালী ভট্টাচাৰ্য বৰুৱাই গল্প, উপন্যাস, গ্ৰন্থ-সম্পাদনা; অনিল পাংগিঙে উপন্যাস, গঙ্গামোহন মিলি, চামচুল বাৰিক আদিয়ে গদ্য ৰচনাত মনোনিৱেশ কৰিছে। তদুপৰি বীৰেন হাজৰিকা গীতিকাৰ ৰূপে সফল হৈছে। জ্যোতিপ্ৰসাদ শইকীয়া, দীপক ভূঞা, ব্ৰাজিল চুতীয়া আদিৰ প্ৰচেষ্টাত শিৱসাগৰৰ নাট্যধাৰাৰ ঐতিহ্য ৰক্ষিত হৈছে। অনুবাদত সুৰেশ শইকীয়া; আলোচনামূলক প্ৰবন্ধ ৰচনাত সোণাৰাম বৰুৱা, শিৰীষকুমাৰ ভট্টাচাৰ্য, ড° জ্যোতিপ্ৰসাদ শইকীয়া, পাৰ্থপ্ৰদীপ বৰা, ড° সৌমাৰজ্যোতি মহন্তৰ নাম উল্লেখযোগ্য। গৱেষণাকৰ্মৰ লগতে আলোচনা-সমালোচনামূলক প্ৰবন্ধ-পাতি নিয়মীয়াকৈ লিখি আছে ড° জয়ন্তকুমাৰ বৰা, ড° নিৰুপমা মহন্ত, ড° অৰুন্ধতী মহন্ত, ড° মায়াশ্ৰী গোস্বামী, ড° মামণি বৰা বাৰঘৰীয়া আদিয়ে। গল্প, উপন্যাস, আলোচনা আদিৰে প্ৰতিষ্ঠা লাভ কৰিছে সন্তোষকুমাৰ কৰ্মকাৰে।

মন কৰিবলগীয়া যে দ্বিতীয় থুলত সন্নিবিষ্ট প্ৰতিষ্ঠিত লেখকৰ সংখ্যাই বেছি। যিসকল জন্মসূত্ৰে শিৱসাগৰৰ হ'লেও স্বৰাজোত্তৰ কালত তেখেতসকল শিৱসাগৰৰ সাহিত্য-জগতখনৰ লগত

পোনপটীয়াকৈ যুক্ত হৈ থকা নাছিল। ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, যতীন্দ্ৰনাথ দুৱৰা, বেণুধৰ শৰ্মা, নকুলচন্দ্ৰ ভূঞা, তীৰ্থনাথ শৰ্মা, মাধৱ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা, হেমন্ত মিশ্ৰ, চন্দ্ৰপ্ৰসাদ শইকীয়া, ৰবীন দে, ড° মহেন্দ্ৰ বৰা, দুৰ্গেশ্বৰ বৰঠাকুৰ, কাঞ্চন বৰুৱা, ভবেন বৰুৱা, নবীন বৰুৱা, দেবানন্দ ভৰালী, ক্ষেত্ৰধৰ বৰগোহাঁই, ড° ৰোহিনীকান্ত বৰুৱা, নৰেশ ৰাজখোৱা আদিৰ নাম এই ক্ষেত্ৰত মনলৈ আহে। আনহাতে ড° লীলা গগৈ, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° অণিমা (ভৰালী) দত্ত, ড° পোনা মহন্ত, ড° কৰবী ডেকা হাজৰিকা আদিৰ সাহিত্য-চৰ্চাৰ ভৰপক কাল শিৱসাগৰত বুলিব নোৱাৰি। সদা শইকীয়া, আনন্দ গোস্বামী, বিপুল খাটনিয়াৰৰ দৰে বিশিষ্ট গল্পকাৰসকলৰ বেলিকাও একেই কথা। শিৱসাগৰৰ বোৱাৰী স্বনামধন্যা লেখিকা নলিনীবালা দেৱী আৰু আজলীতৰা নেওগৰ নামো এই শাৰীতে পৰিব।

আনহাতে স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ সাহিত্য-জগতখনি যথাৰ্থতে সুসমৃদ্ধ কৰি তুলিছিল কৰ্মসূত্ৰে শিৱসাগৰত নিগাজীকৈ থাকিবলৈ লোৱা কেইগৰাকীমান বৰেণ্য লেখকে। তাৰ ভিতৰত পোনতে নাম ল'ব লাগিব বীৰেন বৰকটকীৰ। আন এটা উল্লেখযোগ্য নাম হ'ল ভুবনচন্দ্ৰ সন্দিকৈ। লগতে প্ৰফুল্লকুমাৰ বৰুৱা, গীতা উপাধ্যায়ৰ নামো ল'ব লাগিব, কিয়নো এই দুয়োগৰাকীয়ে শিৱসাগৰত থকা সুদীৰ্ঘ কালছোৱা সাহিত্য-চৰ্চাৰ সৈতে নিয়োজিত হৈ আছিল। অকল সিমানেই নহয়, এইসকলে স্বৰাজোত্তৰ কালত শিৱসাগৰত সাহিত্য-চৰ্চাৰ পৰিৱেশ নিৰ্মাণতো ব্ৰতী হৈ আছিল। এইখিনিতে উনুকিয়াব পাৰি যে সাহিত্য-জগতৰ কথা কওঁতে সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান আৰু তেনে প্ৰকৃতিৰ আড্ডাবোৰৰো বিশেষ ভূমিকা থাকে। স্কুল-কলেজৰ সাহিত্য-প্ৰতিযোগিতা আৰু আলোচনীবোৰে ন-ন প্ৰতিভাৰ উন্মেষ ঘটোৱাত সহায় কৰিব পাৰে। এটা সময়ত শিৱসাগৰ কলেজ-চৌহদত 'সৃজনী' নামৰ এটা আড্ডাৰ জৰিয়তে লেখা-মেলাৰ এটা পৰিৱেশ গঢ় লৈ উঠিছিল। 'অভিব্যক্তি' নামৰ দ্বি-ভাষিক অনুষ্ঠানে তেল-গেছ আয়োগৰ হিন্দীভাষী মানুহখিনিক আমাৰ ওচৰ চপাই আনিছিল। শলগুৰিত বৰ্তমানেও 'আলাপ' নামৰ পুৰণি আড্ডাটোৱে সফলতাৰে সাহিত্য-চৰ্চাত ব্ৰতী হৈ আছে। এয়া নিঃসন্দেহে শুভ লক্ষণ।

স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ সাহিত্য-জগতখনত এনেদৰে চকু ফুৰাই চালে দুটামান কথা সহজে ধৰিব পাৰি ঃ ক) সাহিত্যৰ সকলো দিশতে সমানে বিচৰণ কৰিব পৰা কৃতী সাহিত্যিকৰ অভাৱ ঘটিছে। খ) সেইদৰে specialised লেখকৰো সংখ্যা তাকৰীয়া। গ) কবিতাৰ চৰ্চা বেছি হৈছে, তাৰ তুলনাত গল্প, উপন্যাস, নাটক, ভ্ৰমণ-সাহিত্য, সমালোচনা প্ৰভৃতি আন-আন সংৰূপবোৰত মনোনিৱেশ কৰা লেখক কমিছে। ঘ) নতুন প্ৰজন্মৰ সাহিত্য-চৰ্চাৰ প্ৰতি অনীহা নিশ্চয় উদ্বেগজনক। ঙ) তাৰ বাবে প্ৰয়োজনীয় পৰিৱেশ নিৰ্মাণ হোৱা নাই।

এনে এক পটভূমিত শিৱসাগৰৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য-চৰ্চাৰ উপযুক্ত বাতাবৰণ গঢ় দিবলৈ সচেষ্ট হোৱা প্ৰয়োজন। আমাৰ সীমাবদ্ধ সমলেৰে এই প্ৰবন্ধটি অলপ খৰধৰকৈ যুগুত কৰিবলগীয়া হৈছে। বিষয়টোৰ আলোচনাত উপযুক্ত সহায় হ'ব পৰাকৈ কোনো গ্ৰন্থ অথবা প্ৰবন্ধ-পাতি তেনেকৈ নায়েই। সেইবাবে ই এটা অসম্পূৰ্ণ অনুসন্ধানহে মাথোন, আনহাতে ইয়াক প্ৰণালীবদ্ধ অধ্যয়নৰ শাৰীতো পেলাব নোৱাৰি। সাধাৰণভাৱে এই আলোচনাৰ যোগেদি স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ সাহিত্য-জগতখনত ভুমুকি মৰাৰহে প্ৰয়াস কৰা হৈছে।

ড° জয়ন্ত কুমাৰ বৰা

শিৱসাগৰত সাহিত্য-চৰ্চা

অৰুণোদয় স্তৰৰপৰা বিংশ শতিকাৰ প্ৰথম ছয় দশকলৈকে

শিৱসাগৰত সাহিত্য-চৰ্চাৰ পুৰণি ঐতিহ্য আছে। প্ৰাক-শঙ্কৰ যুগৰ কবি মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত **ৰামায়ণ** অসমীয়ালৈ অনুবাদ কৰিছিল। এই মহামাণিক্যৰ ৰাজ্য আৰু ৰাজত্বকাল সন্দেহাতীতভাৱে নিৰূপণ কৰিব নোৱাৰিলেও বুৰঞ্জীবিদ বেণুধৰ শৰ্মা, ড° মহেশ্বৰ নেওগ, ড° লীলা গগৈ আদিয়ে শিৱসাগৰ জিলাৰ সোণাৰী, বাণফেৰা, বৰাহীবাৰী আদি অঞ্চলতে আছিল বুলি অনুমান কৰে। শঙ্কৰোত্তৰ কালৰ কালসংহতিৰ প্ৰৱৰ্তক গোপালদেৱৰ জন্ম হৈছিল শিৱসাগৰৰ গড়গাঁও অঞ্চলৰ খোখোৰা (নাচনিঘাট) গাঁৱত। **উদ্ধৱযান**, **জন্মযাত্ৰা** আদি অঙ্কীয়া শৈলীৰ নাট ৰচনাৰ উপৰি তেওঁ পদ-ঘোষা ৰচনা কৰিছিল। আহোম ৰাজতন্ত্ৰৰ স্নায়ুকেন্দ্ৰ স্বৰূপ শিৱসাগৰৰে ভিন-ভিন অঞ্চলত তেওঁলোকে ৰাজধানী স্থাপন কৰি অসমীয়া ভাষাক প্ৰশাসনীয় ৰাজভাষাৰ মৰ্যাদা প্ৰদান কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ বাবে পৃষ্ঠপোষকতা কৰি আহোম স্বৰ্গদেউসকলে নিজেও সাহিত্য-চৰ্চাত মন দিছিল। ভাৰতীয় সাহিত্যৰ ভিতৰতে একক আৰু অনন্য বুৰঞ্জী সাহিত্য বেছি সংখ্যাকেই ৰচিত হৈছিল আহোমপ্ৰধান শিৱসাগৰৰ বিভিন্ন ঠাইত। শিৱসাগৰৰ কথিত ভাষাৰ লগত বুৰঞ্জীৰ ভাষাৰ সেয়ে বহু মিল দেখা যায়। মুঠতে আহোম যুগ আছিল শিৱসাগৰত সাহিত্য-চৰ্চাৰ প্ৰথম সোণালী অধ্যায়। ধৰ্মনিৰপেক্ষ কাব্য, আদি ৰসাত্মক কাব্য আৰু ব্যৱহাৰিক সাহিত্য এই যুগৰ সাহিত্যৰ অন্যতম বিশেষত্ব।

ইয়াণ্ডাবু সন্ধিৰ লগে-লগে আহোম ৰাজতন্ত্ৰৰ অৱসান ঘটিল। ইংৰাজ ৰাজত্বকালত অসমত পঢ়াশালি আৰু আদালত স্থাপন হ'ল। কিন্তু প্ৰশাসনৰ ভুল ভাষা-নীতিৰ বলি হ'ল অসমীয়া ভাষা। ১৮৩৬ চনৰপৰা প্ৰশাসন আৰু শিক্ষানুষ্ঠানৰপৰা অসমীয়া ভাষাক নিৰ্বাসন দিয়া হ'ল। বাংলা ভাষাই আধিপত্য বিস্তাৰ কৰিলে। সামাজিক-বৌদ্ধিক এনে বাতাবৰণত সাহিত্য-সেৱাৰ কথা বহুতে

পাহৰি পেলালে। এনে অন্ধকাৰ পৰিৱেশৰ মাজতো শিৱসাগৰৰ দীননাথ বেজবৰুৱাই প্ৰাচীন পদ-চৰিতৰ আৰ্হিৰে বংশাৱলী ৰচনা কৰিছিল, **উৎকল খণ্ড** নামে পুৰাণৰ অনুবাদ কৰিছিল। চাৰিঙৰ মণিৰাম দেৱানে মিশ্ৰিত ভাষাৰে ৰচনা কৰিছিল **বুৰঞ্জি বিবেকৰত্ন**। জাদুৰাম ডেকা বৰুৱাই ১৮৩৯ চনত অসমীয়া ভাষাৰ এখন শব্দকোষ সংকলন কৰি জেনকিন্‌ছ্ চাহাবক প্ৰদান কৰিছিল।

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ জন্ম আৰু বিকাশ বা নৱজাগৰণৰ লগত যিটো ঐতিহাসিক ঘটনা জড়িত হৈ আছে তাৰ পটভূমিও হৈছে এই শিৱসাগৰেই। আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ অসম আগমনৰ লগত আধুনিক অসমৰ সমাজ-জীৱন ওত-প্ৰোতভাৱে জড়িত। শিৱসাগৰ আছিল মিছনেৰীসকলৰ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ মুখ্য কেন্দ্ৰ। ১৮৪১ চনৰ ২৪ মে' তাৰিখে মিছনেৰীসকল শিৱসাগৰত প্ৰৱেশ কৰি ইয়াতে থানিকা পাতিলে। ১৮৪৩ চনত শিৱসাগৰৰ দিখৌ নৈৰ পাৰত স্থাপন কৰিলে 'মিছন প্ৰেছ' ---১৮৪৬ চনৰ জানুৱাৰী মাহৰপৰাই এই প্ৰেছৰপৰা প্ৰকাশিত হ'ল যুগান্তকাৰী **অৰুণোদয়** কাকত-আলোচনীৰ। **অৰুণোদয়**-যুগে অসমীয়া মানুহৰ মাজত ভাষাভিত্তিক জাতীয় চেতনাৰ সঞ্চাৰ কৰি, বহিৰ্জগতৰ সৈতে মানসিক সংযোগ স্থাপন কৰি দিলে। শিৱসাগৰৰ 'মিছন প্ৰেছ'ৰপৰাই মিছনেৰীসকলে অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ, অভিধান ৰচনা কৰি প্ৰকাশ কৰিছিল। অসমীয়া পাঠ্যপুথিও প্ৰকাশ কৰিছিল। ডক্টৰ নাথান ব্ৰাউনে জন্মলগ্নৰেপৰা একেৰাহে নবছৰ (১৮৪৬-১৮৫৪) শিৱসাগৰতে থাকি **অৰুণোদয়** সম্পাদনা কৰিছিল। পোনপ্ৰথমে অসমৰ প্ৰাচীন পুথি সংগ্ৰহৰ কামো তেওঁ শিৱসাগৰৰপৰাই আৰম্ভ কৰিছিল। **অৰুণোদয়**ৰ লেখক-গোষ্ঠীত শিৱসাগৰৰ বহুকেইজন খ্ৰীষ্টিয়ান-অখ্ৰীষ্টিয়ান লোকে যোগ দিছিল। তাৰ ভিতৰত প্ৰথম অসমীয়া খ্ৰীষ্টিয়ান নিধি লিবাই ফাৰৱেল (নিধিৰাম কেওঁট), চিকা দাস, কিনাৰাম সত্ৰীয়া, দয়াৰাম চেতিয়া, পূৰ্ণানন্দ শৰ্মা বৰুৱা আৰু সোণাৰ চাঁদ বৰুৱা (হেমচন্দ্ৰ বৰুৱা) আদি উল্লেখযোগ্য।

আধুনিক অসমীয়া ভাষা-সাহিত্যত সৃষ্টিশীল সাহিত্যৰ সূচনা কৰা শিৱসাগৰৰ প্ৰথমজন সাহিত্যিক হ'ল ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা। উনবিংশ শতিকাৰ শেহৰ আৰু বিংশ শতিকাৰ প্ৰথমফালৰ শিৱসগাৰক সহীয়ান কৰি তোলা দুগৰাকী সিংহপুৰুষ হ'ল ঃ ৰায়বাহাদুৰ ফণীধৰ চলিহা আৰু গঙ্গাগোবিন্দ ফুকন। উনবিংশ শতিকাৰ শেহৰ ফালে দীননাথ বেজবৰুৱা, শশধৰ তৰ্কচূড়ামণি আদিৰ তত্ত্বাৱধানত পৰিচালিত 'বাল্যাশ্ৰম', 'ছাত্ৰসভা', 'বিমলালয়' আদি অনুষ্ঠানবোৰে শিৱসাগৰৰ বহুকেইগৰাকী স্বনামধন্য সাহিত্যিকক শৈশৱতে উদ্দীপনাময়ী মন্ত্ৰেৰে অনুপ্ৰাণিত কৰাৰ কথা জানিব পৰা যায়। বিংশ শতিকাৰ চল্লিছৰ দশকত 'জ্ঞানোদ্দীপিকা সভা'ৰ নিয়মীয়া বৈঠকবোৰে বহুতকে সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ বাবে প্ৰেৰণা দিছিল। মহেন্দ্ৰ বৰাই আত্মজীৱনী **উপলা নদীৰ দৰে**ত এই অনুষ্ঠানৰ প্ৰেৰণাৰ কথা সুঁৱৰি কৈছে ঃ

> "কিছুমান মানুহৰ সংস্পৰ্শলৈ আহিলে শিলো সোণ হৈ পৰে।...জ্ঞানোদ্দীপিকা সভাৰদ্বাৰা আমন্ত্ৰিত অতিথিৰ বিৰল সান্নিধ্য লাভে আমাৰ বহুতকে অভাবিত ৰূপে অনুপ্ৰাণিত কৰিছিল।"

বিংশ শতিকাৰ দ্বিতীয় দশকতে অসমৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আন এক সুদূৰপ্ৰসাৰী ঘটনা সংঘটিত হ'ল এই শিৱসাগৰতেই। সেয়া হ'ল অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন শিৱসাগৰত অনুষ্ঠিত হোৱাটো। ১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত হোৱা এই অধিৱেশনৰ সভাপতি

আছিল পদ্মনাথ গোহাঞিঃ বৰুৱা। দ্বিতীয় মহাসমৰৰ কলুষিত বাতাবৰণত স্তিমিত হৈ পৰা অসম সাহিত্য সভাক প্ৰাণ দিছিল ১৯৪৪ চনত শিৱসাগৰতেই অধিৱেশন আয়োজন কৰি।

একো-একোজন ব্যক্তি কেতিয়াবা একোটি জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। এই ৰূপান্তৰ ঘটে মানুহজনৰ চিন্তা-চৰ্চা, বৌদ্ধিক অৰ্হতা, সৃষ্টিশীল প্ৰতিভা আৰু এইবিলাকৰ মাজেদি স্বাভাৱিকভাৱে প্ৰকাশ পোৱা বৰঙণিৰ যোগেদি। শিৱসাগৰৰ বহু সংখ্যক সাহিত্যিকে স্বকীয় প্ৰতিভা আৰু দক্ষতাৰে অসমীয়া সাহিত্যৰ ইতিহাস চহকী কৰিছে। তেওঁলোকৰ জীৱন আৰু সৃষ্টিয়ে জাতীয় জীৱন ঐশ্বৰ্যমণ্ডিত কৰি তুলিছে। শিৱসাগৰৰ সেই সাহিত্যিক ব্যক্তিত্বৰ সেয়ে নাম উল্লেখ কৰিলেই যথেষ্ট। যেনে ঃ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আদি। ইউৰোপীয় নাটকৰ প্ৰথম অসমীয়া অনুবাদ (শ্বেইক্সপীয়েৰৰ **কমেডী অব এৰ্ৰ্ছ**) 'ভ্ৰম-ৰংগ'ৰ অনুবাদকসকলৰ



শিৱসাগৰ বেপ্টিষ্ট মিছনাৰী সমাধিস্থলত থকা
***অৰুণোদয়ৰ* চতুৰ্থজন সম্পাদক (১৮৬১-১৮৬৮) উইলিয়াম ৱাৰ্ডৰ সমাধি-ফলক।**

দুজন গুঞ্জানন বৰুৱা আৰু ৰমাকান্ত বৰকাকতী আছিল শিৱসাগৰৰ। ইন্দ্ৰেশ্বৰ বৰঠাকুৰে **শ্ৰীবৎস চিন্তা**, **দক্ষযজ্ঞ** আদি নাটকেৰে পৌৰাণিক নাটকক শক্তিশালী কৰিছে। শিৱসাগৰ পুখুৰীপাৰৰ ড মফিদুল ইছলাম বৰা, যিগৰাকীয়ে অসম সাহিত্য সভাৰ যোৰহাট অধিৱেশনৰ (১৯৪০) সভাপতিৰ আসন অলংকৃত কৰিছিল, তেওঁ ফাৰ্চী ভাষাৰ **বাহাৰিস্থান-ই ঘাইব** অনুবাদ কৰি অসম বুৰঞ্জীৰ বহুতো তথ্য লাভত সহায় কৰিছে। ইন্দিবৰ বৰুৱা ওৰফে নীলকুমুদ বৰুৱাৰ **জীৱনাদৰ্শ**, তেওঁৰ পুত্ৰ উপেন্দ্ৰনাথ বৰুৱাৰ **Glimpses of Assamese** আৰু **চৰিতাৱলী**, ৰাধিকানাথ শৰ্মাৰ **মহাপুৰুষ শ্ৰীশঙ্কৰ-মাধৱৰ জীৱনী** আদি শিৱসাগৰৰ লেখকৰ গুৰুত্বপূৰ্ণ ৰচনা। লক্ষ্মীনাথ বেজবৰুৱাৰ **বাঁহী** আলোচনীক মৃতপ্ৰায় অৱস্থাৰপৰা তুলি তাৰ সুৱদি সুৰ ধ্বনিত কৰিছিল ৰংপুৰীয়া 'ডেকা বেজ' মাধৱচন্দ্ৰ বেজবৰুৱাই। মেচাগড়ৰ ক্ষেত্ৰধৰ বৰগোহাঁয়ে **আৱাহন**, **আলোচনী** আদিত বহু সংখ্যক ঐতিহাসিক প্ৰবন্ধ লিখিছিল। অসম সাহিত্য সভাই যতীন্দ্ৰনাথ গোস্বামীৰ সম্পাদনাত **ক্ষেত্ৰধৰ বৰগোহাঁই প্ৰবন্ধ-সংকলন** প্ৰকাশ কৰিছে।

বেজবৰুৱাৰ পাছত দিখৌপৰীয়া কবিৰ প্ৰতিভাৰ কালিকা লাগিছে যতীন্দ্ৰনাথ দুৱৰাৰ ৰচনাত। অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ শ্ৰেষ্ঠ কবি দুৱৰাৰ **ওমৰতীৰ্থ**, **বনফুল**, **আপোন সুৰ**, **কথা-কবিতা** আদি যাউতিযুগীয়া কৃতি। দুৱৰাতকৈ মাত্ৰ তিনি বছৰৰ সৰু পদ্মধৰ চলিহাৰ প্ৰতিভা দেখা গৈছে ঘাইকৈ গীতিকাৰ আৰু নাট্যকাৰ ৰূপে। ভাৰতীয় জাতীয় আন্দোলনত তেওঁৰ স্বদেশপ্ৰেমৰ গীতে মানুহক প্ৰবলভাৱে উদ্দীপ্ত কৰিছিল। জ্যোতিপ্ৰসাদে **শোণিতকুঁৱৰী** নাটকৰ পাতনিত উল্লেখ কৰিছে ঃ

> "সেই সময়ত বঙালী গানৰ প্ৰাদুৰ্ভাৱৰ দিনত তেখেতৰ গানে অসমীয়া গানলৈ নতুন ডেকাসকলৰ মন আকৰ্ষণ কৰিলে।"

নাট্যকাৰ হিচাপে তেওঁ পৰিচয় দিছে **কেনে মজা**, **নিমন্ত্ৰণ** আদি একাংক নাটকৰ যোগেদি। আনহাতে শ্বেইক্সপীয়েৰৰ **ৰোমিঅ'-জুলিয়েট** নাটকৰ অসমীয়া ৰূপান্তৰ 'অমৰ-লীলা'ৰ সৌন্দৰ্য ইয়াৰ ভাৰতীয় পটভূমি আৰু অমিত্ৰাক্ষৰ ছন্দৰ সংস্কৃতগন্ধী সংলাপত। **জীৱন বীণৰ সুৰ** নামৰ আত্মজীৱনীত তেওঁ বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ শিৱসাগৰ নগৰৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ছবিখন মনোৰম ভাষাত লিপিবদ্ধ কৰিছে। নিজৰ জীৱনৰ এক গোপনীয় অধ্যায় আত্মকথাত উল্লেখ কৰি নৈতিক সাহসৰ পৰিচয় দিছে। **অসমীয়া ভাষাৰ মৌলিক বিচাৰ** নামৰ ভাষাতত্ত্বৰ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থৰ প্ৰণেতা দেৱানন্দ ভঁৰালী নাট্যকাৰ ৰূপেও পৰিচিত। শ্বেইক্সপীয়েৰৰ **মেকবেথৰ** ছাঁ লৈ অসম বুৰঞ্জীৰ পটভূমিত তেওঁ ৰচনা কৰিছে 'ভীমদৰ্প' নাটক। দিখৌপৰীয়া গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ **ভঙা টোকাৰিৰ সুৰ**, **গুণগুণনি**, **লুইতী**, **শুকুলা ডাৱৰ আৰু কহুৱা ফুলৰ** কোমলকান্ত শব্দাৱলীৰ মাজত অসমীয়া লোকজীৱনে কাব্যিক ৰূপ লাভ কৰিছে। শব্দৰ সংযত সৌন্দৰ্যৰ লগতে তেওঁৰ গীতিকবিতাত শিহৰণ তুলিছে অতীন্দ্ৰিয় অনুভূতিয়ে। প্ৰথাসিদ্ধ নাটকৰ বিপৰীতে **সোণৰ সোলেং**, **লখিমী** আদিৰ বিশেষ মূল্য আছে। চাৰিঙত জন্ম গ্ৰহণ কৰা নকুলচন্দ্ৰ ভূঞা আৰু বেণুধৰ শৰ্মাৰ নাম সাহিত্যৰ বুৰঞ্জীত জিলিকি আছে। 'অতীতৰ লগত যেন আপোনৰো আপোন বিয়লি মেল' লগা আকৰ্ষণীয় ৰচনাভংগীৰ গদ্যশিল্পীজন হ'ল বেণুধৰ শৰ্মা। বুৰঞ্জীৰ কথক বেণুধৰ শৰ্মাই জীৱনীসাহিত্য, ঐতিহাসিক নিবন্ধত বেছ কৃতিত্ব প্ৰদৰ্শন কৰিছে। **মণিৰাম দেৱানৰ** দৰে জীৱনী,

সৰা শেৱালী

মজিয়াৰ পৰা মেজলৈৰ দৰে আত্মজীৱনী, **কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত** লেখীয়া ভিন্নসুৰী ৰচনাৱলীত অসমীয়া ভাষাৰ কালিকা লাগি আছে। কমাৰফদীযাত জন্ম গ্ৰহণ কৰা ডিম্বেশ্বৰ নেওগ কবি, সমালোচক আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক ৰূপে অদ্বিতীয়। জাঁজীৰ তীৰ্থনাথ শৰ্মা, দিলিহি ধাই আলিত জন্ম গ্ৰহণ কৰা ৰিপুনাথ বুঢ়াগোহাঞি, কবিতা-কোঁৱৰ অম্বেশ্বৰ চেতিয়া ফুকন, ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ভৃগুমণি কাগযুং আদি শিৱসাগৰৰ সাহিত্যিকে স্বকীয় মহিমাৰে অসমীয়া সাহিত্যক গৰিমা প্ৰদান কৰিছে।

শিৱসাগৰৰ উপকণ্ঠ বানমুখৰ শশীকান্ত গগৈ **আৱাহন** যুগৰ বিখ্যাত কবি। ইন্দিবৰ গগৈ বিশিষ্ট গল্পকাৰ। **কৰুণাৰ কৰুণ কাহিনী** নামৰ তেওঁৰ গল্প-সংকলনটি ৰংপুৰ সাহিত্য সভাই মৰণোত্তৰভাৱে প্ৰকাশ কৰিছে। **আৱাহন** স্তৰৰ শিৱসাগৰৰ আন এগৰাকী কবি হ'ল দক্ষিণাকান্ত বৰুৱা। বহু সংখ্যক বুৰঞ্জীমূলক গৱেষণাধৰ্মী প্ৰবন্ধৰে জয়সাগৰৰ ভুৱনচন্দ্ৰ সন্দিকৈ ডাঙৰীযাই উত্তৰ পুৰুষৰ বুৰঞ্জী জ্ঞান সমৃদ্ধ কৰিছে। লোকসংস্কৃতি আৰু বুৰঞ্জী — হেম বুঢ়াগোহাঞিয়ে এই বিষয়ৰ গ্ৰন্থ প্ৰণয়ন কৰাৰ উপৰি গীতিকাৰ আৰু ঔপন্যাসিক ৰূপেও প্ৰতিভাৰ চিনাকি দি গৈছে। থানেশ্বৰ হাজৰিকাযোলা **মিজাৰেবলৰ** ভাঙনি 'দীনদুখী' আৰু অনুবাদ কবিতা **গোহাঞি গাভৰুত** জেউতি চৰাইছে। অকালতে মৰণক সাবটি লোৱা পাৰ্বতিপ্ৰসাদৰ ভাতৃ ভগৱতীপ্ৰসাদ বৰুৱাৰ কবি-প্ৰতিভা আছিল মোহনীয়। দিখৌপৰীয়া কুমুদেশ্বৰ বৰঠাকুৰে ডিটেক্‌টিভ উপন্যাস লিখি যুৱকসকলৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। কোঁৱৰপুৰৰ গণেশচন্দ্ৰ হাজৰিকাই কবিতা আৰু বিবিধ প্ৰবন্ধৰে সাহিত্য-সেৱা কৰিছিল। নাজিৰাৰ সাহিত্য-কৰ্মী ছৈয়দ মহিবুল হক চাহাবে অসমীয়া ভাষাত আৰবী ফাৰ্চী উপাদান ক'ত কেনেকৈ আছে তাক বিশ্লেষণ কৰি **চেতনা** আলোচনীত এলানি প্ৰবন্ধ প্ৰকাশ কৰিছিল। কাঠপাৰৰ প্ৰেমধৰ দত্তই শিশু-সাহিত্যিক ৰূপে প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। আমগুৰিত জন্ম গ্ৰহণ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়া অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ এগৰাকী 'মহাৰথী'ত পৰিণত হ'ল। ভ্ৰমৰচন্দ্ৰ শইকীয়া, মহম্মদ মহিবুল্লা, কেশৱকান্ত বৰুৱা, ৰোহিণীকান্ত বৰুৱা আদি পুৰণি চাম শিৱসাগৰীয়া সাহিত্য-চৰ্চা কৰা ব্যক্তিৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিব লাগে।

বৌদ্ধিক প্ৰতিভা আৰু দক্ষতাৰে নিজৰ ব্যক্তিত্বক জাতীয় একাডেমীলৈ ৰূপান্তৰ ঘটোৱা শিৱসাগৰৰ সাহিত্যিক দুজনা হ'ল ঃ ড° মহেশ্বৰ নেওগ আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মা। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন দিশ সম্পৰ্কে অক্লান্তভাৱে কৰি অহা তেওঁলোকৰ অধ্যয়ন আৰু গৱেষণাই নতুন দিগন্ত মুকলি কৰিছে।

শিৱসাগৰৰ নাৰী-সমাজৰ সাহিত্য-চৰ্চাৰ এক বিশেষ ঐতিহ্য আছে। ১৯২৭-২৮ চনতে শিৱসাগৰৰপৰা কমলালয়া কাকতি আৰু কনকলতা চলিহাই **ঘৰ জেউতি**' নামৰ অসমৰ প্ৰথম মহিলা আলোচনীখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল। শিৱসাগৰত ১৯০৮ চনত জন্ম গ্ৰহণ কৰা সুধা বৰুৱাক প্ৰথম অসমীয়া মহিলা গল্পকাৰ বুলি গৱেষকে চিহ্নিত কৰিছে। হিমলা বৰুৱানীৰ **বিননি** কাব্যগ্ৰন্থ অসমীয়া ইলিজি কবিতাৰ সোণালী দেউল। ফুলেশ্বৰী দত্ত, ক্ষীৰদাকুমাৰী বৰুৱা, হীৰাপ্ৰভা হাজৰিকা আদি প্ৰবীণ লেখিকা। শিৱসাগৰৰ দুগৰাকী জীয়াৰী ড° নিৰ্মলপ্ৰভা বৰদলৈ আৰু ড° কৰবী ডেকা হাজৰিকাই অসমীয়া সাহিত্য-সংস্কৃতিৰ বেদীত উজ্জ্বল বন্তি জ্বলাইছে। গীত, কবিতা, মননশীল সমালোচনা আৰু উপন্যাস ৰচনাৰে দুয়োগৰাকীয়ে সৃষ্টিশীল প্ৰতিভাৰ পৰিচয়

দিছে। ড° অনিমা দত্ত, চিত্ৰলতা ফুকন, হিৰণময়ী দত্ত, এখুদি দুবৰা, গীতা উপাধ্যায়, ড° অপৰ্ণা মহন্ত, তুলতুল বৰুৱা, যমুনা বৰগোহাঁই আদি লেখিকা আমাৰ আলোচ্য সময়ছোৱাৰ বাবে উল্লেখযোগ্য।

অসমীয়া জাতীয়তাবাদ আৰু নৱজাগৰণৰ কেন্দ্ৰভূমি শিৱসাগৰৰ ঐতিহ্যৰ ভাবশক্তিৰে বিশেষভাৱে ক্ৰিয়া কৰা, শিৱসাগৰৰ মহীৰূহ স্বৰূপ পুৰুষজন হ'ল ঃ পৰাগধৰ চলিহা। ড° মহেন্দ্ৰ বৰাই মন্তব্য কৰিছিল ঃ

"শিৱসাগৰৰ কঠিয়াতলীৰ কঠিয়া শিৱসাগৰৰ পথাৰতে ভুঁই ৰুৱলৈ পোৱা ঘটনাটো সদায় বিৰল ব্যতিক্ৰম।"

এই ক্ষেত্ৰত সঁচাকৈয়ে ব্যতিক্ৰম হ'ল ঃ পৰাগধৰ চলিহা। বহুমুখী প্ৰতিভাৰ গৰাকী চলিহাক **চাৰি হাজাৰ বছৰৰ অসমত** এক কাব্যগন্ধী পৰিৱেশত কামৰূপ-অসমক প্ৰাগৈতিহাসিক যুগৰপৰা নব্য-স্বাধীনতাৰ সময়ছোৱালৈকে ৰংগমঞ্চত উপস্থাপন কৰাৰ প্ৰয়াস কৰিছে। **অসমীয়া সংস্কৃতিৰ সুভাগু, চিত্ৰ-বিচিত্ৰ, আমাৰ সমাজত মূল্যবোধ, Aspects of Assamese Culture** আদি প্ৰবন্ধ-গ্ৰন্থৰ উপৰি **সোণ-ৰূপ** নেওচি নাটক আৰু **বনপোনাৰ বনগীত** নামৰ গীতিকবিতাৰ সংকলনটিও উল্লেখযোগ্য।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন বৰকটকী শক্তিশালী কবি, সমালোচক আৰু ঔপন্যাসিক। ড° লীলা গগৈয়ে শিৱসাগৰৰ চেৰেকাপাৰত জন্ম গ্ৰহণ কৰি, ইয়াতেই সাহিত্য-চৰ্চা কৰি লোক-সংস্কৃতিৰ গৱেষণা, বুৰঞ্জী-চৰ্চা আৰু সাহিত্য সৃষ্টি কৰি মৃত্যুহীন হৈ ৰ'ল। হাস্য-ব্যংগৰ লেখক আৰু ঔপন্যাসিক ৰূপেও ড° গগৈ জনমানসত প্ৰতিষ্ঠিত। বিশিষ্ট পণ্ডিত, সমালোচক, ছান্দসিক, কবি ড° মহেন্দ্ৰ বৰাৰ ঘাই ঘৰ শিৱসাগৰৰ ঢুলীয়াপাৰাতহে আছিল। দিখৌপাৰত জন্ম গ্ৰহণ কৰি পৰৱৰ্তী কালত কলকাতাত খ্যাতি অৰ্জন কৰা শিল্পী আৰু কবি হেমন্ত মিশ্ৰই তেওঁৰ অসমীয়া আৰু বাংলা দুয়ো ভাষাতে প্ৰকাশিত আত্মজীৱনী **দিখৌ, লুইত আৰু সাগৰত** শৈশৱত শিৱসাগৰত কটোৱা কালছোৱাৰ মনোৰম বৰ্ণনা কৰিছে।

ঔপন্যাসিক সদা শইকীয়া, আনন্দ গোস্বামী, কামাখ্যা সভাপণ্ডিত, 'ভাস্কৰ ছিৰিজ'ৰ স্ৰষ্টা ৰংমন ওৰফে ৰবীন দে, বনানী চৌধুৰী (আক্ৰামুল ইছলাম), প্ৰদীপ শইকীয়া, নবীন বৰুৱা, কমলা বৰগোহাঁই আদি কথাশিল্পী ৰূপে সদৌ অসমতে পৰিচিত শিৱসাগৰৰ লেখক। নাট্যকাৰ আৰু নাট্যকৰ্মী ৰূপে বিভূতি চলিহা, জগত চেতিয়া আদি উল্লেখযোগ্য। শিৱসাগৰত কৰ্মসূত্ৰে বহু বছৰ কটোৱা শৈলধৰ ৰাজখোৱা, ভবেন্দ্ৰনাথ শইকীয়া, আব্দুল মজিদ আদিক নাট্য-সাহিত্যৰ চৰ্চা আৰু সৃষ্টি কৰিবৰ বাবে ইয়াৰ সাংস্কৃতিক পৰিৱেশে কেনেদৰে সহায় কৰিছিল তাৰ 'জবানবন্দী' পঢ়িবলৈ পোৱা যায়।

ডাঃ তাৰানাথ দাস, নৰেশ ৰাজখোৱা, ৰামৰাজা সিংহ, চন্দ্ৰ বৰা, প্ৰিয় বৰবৰা, মিহিৰকুমাৰ বৰুৱা, মিহিৰকান্ত বৰুৱা, ঘন গগৈ, খগেন্দ্ৰনাথ ভূঞা, সোণাৰাম বৰুৱা, ডম্বৰু কাকতি, দুৰ্লভ বুঢ়াগোহাঞি আদিৰ অৱদানে শিৱসাগৰৰ সাহিত্য-চৰ্চাৰ ক্ষেত্ৰখন সাৰুৱা কৰি ৰাখিছে। নাট্যকাৰ প্ৰফুল্লকুমাৰ বৰুৱা, নাট্যতত্ত্ববিদ আৰু নাট্যকাৰ যোগেন চেতিয়া, খ্যাতনামা কথাশিল্পী ইমৰান শ্বাহ, কবি আৰু সমালোচক নাহেন্দ্ৰ পাদুন আদি সাহিত্যিকে আমাৰ আলোচ্য কালছোৱাতে খ্যাতিৰ শীৰ্ষত আৰোহণ কৰিছিল।

প্ৰশান্ত কুমাৰ চুতীয়া

স্বৰাজোত্তৰ কালৰ শিৱসাগৰৰ নাট্য-জগতত এভুমুকি

সাহিত্যৰ আটাইকেইটা বিভাগৰ ভিতৰত নাটকেই জনজীৱনৰ সৈতে তুলনামূলকভাৱে বেছিকৈ জড়িত। গতিকে জনজীৱনৰ লগত সংপৃক্ত নাটকৰ ক্ৰমবিকাশত অভিনয় আৰু মঞ্চায়ন প্ৰক্ৰিয়া মুখ্যতঃ হৈ থাকিলেও, ইয়াৰ সাহিত্যিক মূল্য অনস্বীকাৰ্য। অসমীয়া নাটকৰ ক্ৰমবিকাশত শিৱসাগৰৰ প্ৰতিভাৱান মঞ্চশিল্পী, অভিনেতা, পৰিচালকৰ লগতে নাট্যকাৰসকলৰ অৱদান লেখত ল'বলগীয়া। আহোম ৰাজত্বৰ সময়ছোৱাত শিৱসাগৰক কেন্দ্ৰ কৰি ৰাজকীয় পৃষ্ঠপোষকতাত নাট ৰচনা আৰু নৃত্য-গীতচৰ্চাৰ পৰম্পৰা আৰম্ভ হৈছিল। আনকি স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৬৭৩ শকত **কীচক বধ** নাট ৰচনা কৰিছিল। ইয়াৰ উপৰি শিৱসাগৰৰ বিভিন্ন স্থানত অৱস্থিত সত্ৰ আৰু নামঘৰত ভাওনা পৰিৱেশনৰ পৰম্পৰা অতি পুৰণি। কোনো-কোনো সত্ৰত পুতলা নাচৰ দৰে লোকনাট্যৰো প্ৰচলন আছিল। শ্ৰীমন্ত শংকৰদেৱৰ 'অংকীয়া নাট'ক আৰ্হি কৰি সৰ্বসাধাৰণ মানুহক ধৰ্মীয় শিক্ষা প্ৰদান কৰিবলৈ বহু অখ্যাত নাট্যকাৰে ভাওনাৰ বাবে নাট ৰচনা কৰি আহিছে। গাঁৱৰ নামঘৰত এনে পৌৰাণিক বিষয়বস্তু সম্বলিত, অথচ আধুনিক ভাষা (অমিত্ৰাক্ষৰ ছন্দত) ব্যৱহৃত নাটক অতি ভক্তিপূৰ্ণভাৱে উপস্থাপন কৰা হয়। বিংশ শতিকাৰ আৰম্ভণিতে শিৱসাগৰৰ চহৰসমূহত উৎসাহী নব্য শিক্ষিত ব্যক্তিয়ে সমূহীয়া প্ৰচেষ্টাৰে ৰংগমঞ্চ নিৰ্মাণ কৰিছিল। সত্ৰ বা নামঘৰৰ মজিয়াৰ উপৰি ৰংগমঞ্চত সমান্তৰালভাৱে নাটকৰ অভিনয় চলি আধুনিকতাৰ নতুন যাত্ৰাৰ আৰম্ভণি হয়।

ঊনবিংশ শতিকাৰ মধ্য আৰু শেহৰ ফালে কলিকতাত অধ্যয়ন কৰিবলৈ যোৱা অসমীয়া ছাত্ৰসকলে পশ্চিমীয়া নাটকৰ লগতে বাংলা নাটক উপভোগ কৰিছিল। বিশেষকৈ উইলিয়াম শ্বেইক্সপীয়েৰৰ নাটকৰ বাংলা অভিযোজনা দেখি তেওঁলোক বিশেষভাৱে অনুপ্ৰাণিত হৈছিল। যথাৰ্থতে বাংলা নাটকৰ অনুকৰণ আৰু প্ৰভাৱ এইসকল অসমীয়া ছাত্ৰৰ ক্ষেত্ৰত তীব্ৰতৰ আছিল। তেওঁলোকে এফালে যিদৰে শ্বেইক্সপীয়েৰৰদ্বাৰা প্ৰভাৱিত হৈছিল, আনফালে সেইদৰে বাংলা নাটকৰদ্বাৰাও উদ্বুদ্ধ হৈছিল। ফলত, শ্বেইক্সপীয়েৰৰ বিখ্যাত কমেডী **কমেডী অৱ এ'ৰ্ৰ্ছক** 'ভ্ৰমৰংগ' নামেৰে অনুবাদ কৰিছিল চাৰিজন অসমীয়া ছাত্ৰই। ইয়াৰে দুজন আছিল শিৱসাগৰৰ গুণাভিৰাম বৰুৱা

আৰু ৰমাকান্ত বৰকাকতি। পশ্চিমৰ প্ৰভাৱতে অসমীয়া নাটকলৈ আহিল নতুন ৰীতি, নতুন বিষয়বস্তু আৰু আধুনিকতাৰ নতুন প্ৰৱাহ। হেমচন্দ্ৰ বৰুৱাই সমসাময়িক সমাজৰ কুসংস্কাৰক ব্যংগ কৰি ৰচনা কৰিলে ব্যংগ নাটক **কানিয়াৰ কীৰ্তন**। কানি সেৱনৰ দৰে অসমীয়াৰ কু-অভ্যাসক তীব্ৰ আক্ৰমণ কৰা হৈছিল **কানিয়াৰ কীৰ্তনৰ** মাধ্যমত। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই **মহৰী**, **গুৰুদক্ষিণা**, **বৃষকেতু** ৰচনা কৰি অসমীয়া নাটকৰ ক্ৰমবিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথাৰ ভিত্তিত ৰচনা কৰিছিল লঘু হাস্যৰ নাটক **নোমল** আৰু **লিটিকাই**। এইছোৱা সময়তে অসম বুৰঞ্জীৰ আলমত ঐতিহাসিক নাটকৰো বিকাশ হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ **চক্ৰধ্বজ সিংহ** আৰু নকুলচন্দ্ৰ ভূঞাৰ **বদন বৰফুকন**, **চন্দ্ৰকান্ত সিংহ**, **নুমলী**, **বিদ্ৰোহী মৰাণ** হ'ল প্ৰথম অসমীয়া ঐতিহাসিক নাটকৰ নিদৰ্শন। এই নাট্যৰীতিতো উইলিয়াম শ্বেইক্সপীয়েৰৰ প্ৰভাৱ আছিল।

শিৱসাগৰৰে সুসন্তান পদ্মধৰ চলিহাই শ্বেইক্সপীয়েৰৰ **ৰোমিয় জুলিয়েটৰ** অসমীয়া অনুবাদ **অমৰ লীলা** ৰচনা কৰে। এইগৰাকী কবি-নাট্যকাৰে সামাজিক বাস্তৱধৰ্মী বিষয়বস্তুৰে লিখা দুখন উল্লেখযোগ্য প্ৰহসন হ'ল **নিমন্ত্ৰণ** আৰু **কেনে মজা**। নাট্যকাৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰে পৌৰাণিক কাহিনীৰ ভিত্তিত লিখা নাট্যসম্ভাৰ হ'ল **দক্ষযজ্ঞ**, **সিংহাখন** আৰু **বিশ্বামিত্ৰ**। উল্লেখযোগ্য যে বিংশ শতিকাৰ প্ৰাৰম্ভতে সামাজিক আৰু ঐতিহাসিক নাটকৰ লগতে পৌৰাণিক কাহিনীৰ আলমত প্ৰচুৰ অসমীয়া নাটকৰ সৃষ্টি হয়।

স্বৰাজোত্তৰ কালত অসমীয়া নাটকে দুই ধৰণে আধুনিক ৰূপত আত্মপ্ৰকাশ কৰে। সমসাময়িক সামাজিক চিন্তা আৰু আধুনিক ৰংগমঞ্চ ব্যৱস্থাই অসমীয়া নাটকৰ উত্তৰণত প্ৰভূত বৰঙণি আগবঢ়ায়। আধুনিক মঞ্চৰ উপযোগীকৈ নাট্যকাৰসকলে সামাজিক সমস্যাৱলীক নাট্যৰীতিৰদ্বাৰা উপস্থাপন কৰিব বিচাৰে। শিৱসাগৰৰ নাট্যকাৰসকলেও নতুন পৰীক্ষা-নিৰীক্ষাৰে সামাজিক বাস্তৱধৰ্মী নাট ৰচনা কৰি নাট্যসাহিত্যৰ উত্তৰণত নতুন মাত্ৰা প্ৰদান কৰিছিল। গীতিনাট্য বা কাব্যনাটৰ সৃষ্টিৰ ক্ষেত্ৰত শিৱসাগৰৰ সুসন্তান গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ অৱদান উল্লেখযোগ্য। তেওঁৰ **সোণৰ সোলেং** গীতিনাট্যৰ এক নিদৰ্শন। গীতিনাট্যৰ ক্ষেত্ৰত সেউজ কোঁৱৰ পৰাগধৰ চলিহাৰ **চাৰি হেজাৰ বছৰৰ অসম**, **সোণৰূপ নেওচি**, **নিয়তি**, **পৃথিৱী আৰু মানুহ**, **ৰংপুৰৰ ৰূপকথা** এসময়ৰ অতি জনপ্ৰিয় সৃষ্টিসম্ভাৰ। এনে নাট্যসম্ভাৰৰ সফল পৰিবেশনৰ ক্ষেত্ৰত শিৱসাগৰ নাট্যসমাজৰ ভূমিকা আছিল অপৰিসীম। শিৱসাগৰত নাটকৰ ৰচনা আৰু মঞ্চায়নৰ সৈতে জড়িত এক উল্লেখনীয় কাৰক উৎসৱ-পৰ্ব্ব বা অন্যান্য অনুষ্ঠান। শিৱসাগৰত দুৰ্গাপূজা, বিহু, অন্যান্য অনুষ্ঠানৰ উপলক্ষত বিভিন্ন নাট্যগোষ্ঠীয়ে নাটক মঞ্চস্থ কৰি আহিছে। মঞ্চৰ বাবে উপযোগী নাট ৰচনাত শিৱসাগৰৰ কেইবাগৰাকীও জড়িত হৈছিল। নাজিৰাৰ ৰজনীনাথ শৰ্মাই নাজিৰা নাট্যসমাজৰ বাবে লিখিছিল **গোপাল দামোদৰ**, **বিয়া নে চিয়া** (প্ৰহসন)। শিৱসাগৰৰ বিভূতি চলিহাই অনুবাদ কৰিছিল বিমল মিত্ৰৰ **একক দহক শতক**, বিজয় টেঁগুলকাৰৰ **ছাখাৰাম বাইণ্ডাৰ**।

অসমীয়া নাট্য-সাহিত্যৰ বিকাশত যিকেইগৰাকী পুৰোধা ব্যক্তিয়ে অনবদ্য অৱদান আগবঢ়াই আহিছে, সেইসকলৰ ভিতৰত যোগেন চেতিয়া এটি পৰিচিত নাম। এই পৰ্যন্ত চেতিয়াই কুৰিখনৰো অধিক নাট ৰচনা কৰিছে। পাশ্চাত্যৰ এৰিষ্টোফেনিছ, ম'লিয়েৰ, চাৰভেণ্টিচ, ল'প ডি ভেগা আৰু ষ্টেন্‌লি হগ্‌টনৰ ক্লাছিক নাটকৰ সাৰ্থক অসমীয়া অভিযোজনাত নাট্যকাৰ চেতিয়া সিদ্ধহস্ত। তেওঁৰ

একাংকিকা নাটক **এক কথা** কলিকতা দূৰদৰ্শন যোগে সম্প্ৰচাৰিত হোৱা প্ৰথমখন অসমীয়া নাটক। **ধানটো পতানটো, সতৰ্ক প্ৰহৰী, চেনেহৰ সোঁতা, ৰঙা অডিপাছ, কোক্‌লোঙা** হ'ল যোগেন চেতিয়াৰ উল্লেখনীয় নাট্যকৃতী। পাশ্চত্যৰ ক'মেডীৰ অভিযোজনা হ'লেও অসমীয়া ভাষাৰ কথিত জতুৱা ঠাঁচ, পৰিৱেশ চিত্ৰণে তেওঁৰ নাটকসমূহক স্বকীয় ৰূপ প্ৰদান কৰিছে।

স্বৰাজোত্তৰ কালৰ অৰ্থাৎ পঞ্চাছৰ দশকত ৰচিত অসমীয়া নাটকলৈ ইবছেনৰ প্ৰভাৱ অৱধাৰিতভাৱে আহি পৰে। ৰাজনৈতিক পট পৰিৱৰ্তনত সমাজৰ মূল্যবোধৰ পৰিৱৰ্তন হৈছে। সমাজৰ ব্যক্তিজীৱনলৈ সংঘাত আৰু দ্বন্দ্ব আহি পৰিছে। ফলত নাটকৰ বিষয়বস্তু আৰু আংগিকৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী হৈ পৰে। দৈনন্দিক জীৱনত ব্যক্তি নানা সমস্যাৰে আক্ৰান্ত। গতিকে এই সময়ছোৱাত নাট্যকাৰসকলে ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব, আধুনিক জীৱনৰ জটিল মানসিক জগত, নব্য চিন্তাৰ প্ৰতিফলন ঘটাইছে। তেওঁলোকৰ নাটকত অভিনৱ উপস্থাপন, নব্য বিষয়বস্তু, অভিনয়ৰ কলা-কৌশলৰ সমাহাৰ হৈছে। পূৰ্বৰ শ্বেইক্সপীয়েৰ বা ম'লিয়েৰ, এৰিষ্টোফেনিচৰ ক্লাছিকেল নাটকৰ পিছত বাৰ্নাৰ্ড শ্ব, ইবছেন, ষ্টীণ্ডবাৰ্গ, পিৰাণ্ডেল'ৰ সামাজিক সমস্যাৱলীক মূৰ্ত কৰা নাটকৰ প্ৰভাৱ অসমীয়া নাটকলৈও আমদানি হয়। যোৰহাটত জন্ম গ্ৰহণ কৰা আৰু পিছলৈ শিৱসাগৰকে কৰ্মক্ষেত্ৰ হিচাপে বাছি লোৱা নাট্য-সমালোচক প্ৰফুল্লকুমাৰ বৰুৱাই পঞ্চাছ আৰু ষাঠিৰ দশকতে কেইবাখনো জনপ্ৰিয় নাটক ৰচনা কৰে। সামাজিক বাস্তৱতাক আলম কৰি বৰুৱাই ৰচনা কৰা নাটকসমূহ হ'ল— **চাহিনী, উপকূল, যুগে যুগে এই নদী** আৰু **আশাৰ বালিচৰ**।

সত্তৰ দশকত অসমৰ চুকে-কোণে একাংকিকা নাটকৰ প্ৰচুৰ জনপ্ৰিয়তা পৰিলক্ষিত হয়। বিশেষকৈ অসমৰ বিভিন্ন মঞ্চত অনুষ্ঠিত একাংক নাট-প্ৰতিযোগিতাৰ চাহিদা পূৰাবলৈও নাট্যকাৰে এনে নাটসমূহ ৰচনা কৰিছিল। শিৱসাগৰৰ এগৰাকী শিল্পী জগত চেতিয়াৰ একাংকিকা **সোণালী জখলা, জীৱনৰ ভুল, এবেলাৰ নাটঘৰ, ঘন্মঘন্ট** হ'ল মঞ্চসফল নাটক। গল্পকাৰ খগেন বৰুৱাই মঞ্চ উপযোগীকৈ লিখা একাংকিকা হ'ল— **নীলা শিয়ালৰ সাধু, নিৰ্বাচন, এদিন এনেকৈ হঠাৎ, ঘুনুচাবাৰীৰ দিন-ৰাতি**। বৰুৱাৰ **সন্ধিৰ বাঁহ** ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰৰদ্বাৰা প্ৰচাৰিত নাটক। একাংকিকা নাটকবোৰ সাধাৰণতে হাস্য-ব্যংগ আৰু প্ৰহসনধৰ্মী। প্ৰচলিত সমাজব্যৱস্থা, ৰাজনৈতিক ঘটনাৱলীক তীব্ৰ শ্লেষ, আমোদজনক কাহিনীৰে আৰু অতিৰঞ্জনেৰে হাস্যমধুৰ পৰিৱেশ চিত্ৰণ এই নাটবোৰৰ বিষয়বস্তু। শিৱসাগৰৰ দীপক ভূঞাই নিঃসন্দেহে এনে এশ্ৰেণী নাটক লিখি দৰ্শকৰ সহঁাৰি পায়। তেওঁৰ **মাস্কে চিঞৰে, শেষ দৃশ্যৰ আখৰা, এজাক মানুহ, এতিয়াৰ কবিতা, সাক্ষাৎকাৰ, স্বৰ্গলৈ কিমান দূৰ, আছাম এক্সপ্ৰেছ, কিন্তু, বাঘ নে ভালুক** উল্লেখযোগ্য নাট্যসম্ভাৰ। ব্ৰাজিল চুতীয়ায়ো তেনে পৰম্পৰা ৰক্ষা কৰি মঞ্চৰ বাবে লিখা একাংকিকাসমূহ হ'ল— **এখন নাটকৰ জন্ম বেদনা, শ যাত্ৰীৰ সমদল গীত, পঞ্চানন বৰুৱাৰ তীৰ্থযাত্ৰা**। অন্য এগৰাকী নাট্যকাৰ অৰূপ ভট্টাচাৰ্যই লিখা নাটক হ'ল **সূৰ্যক্ৰান্তি, ৰণুৱা ঘোঁৰাৰ দৌৰ**। একাংকিকাৰ কিছুমান নাটকৰ প্ৰতিপাদ্য বিষয় বিপ্লৱ, প্ৰতীকী ব্যঞ্জনাৰ ব্যৱহাৰ। মণি পাঠকে ৰচনা কৰিছিল **শান্তিৰ পথী, জাগৰণ**। আমগুৰিৰ জ্ঞান বৰুৱাই লিখা সফল একাংকিকা হ'ল **কাৰ্যালয় চলি আছে**।

হাস্য-ব্যংগৰ পয়োভৰেৰে সমাজব্যৱস্থাৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া এশ্ৰেণী বিনোদনধৰ্মী একাংকিকা ৰচনা কৰে শিৱসাগৰৰ সু-অভিনেতা দেৱব্ৰত বৰঠাকুৰে। বিভিন্ন প্ৰতিযোগিতাত পুৰস্কৃত

হোৱা বৰঠাকুৰৰ এই নাটসমূহ হ'ল— **প্ৰাপ্তবয়স্ক শিক্ষা, বৰনামঘৰৰ ভেটি, নিয়োগ চলিছে, বাণিজ্যে বসতি লক্ষ্মী, বিপণীৰ মুখত, শাহু আৰু বোৱাৰী**। এই একাংকিকাত হাস্যৰসৰ তিনিবিধ প্ৰয়োগ— বুদ্ধিদীপ্ত, লঘুৰস আৰু ব্যংগ বিদ্যমান। নাট্যকাৰ বৰঠাকুৰে শিশুৰ বাবে ৰচনা কৰা নাটিকা হ'ল— **আমাৰ খেল দৰা-কইনা, অমাতৰ জৰী, কলি ঔচ বগী ঔচ ঢেকেচ**। নাট্যকাৰ শ্যামল সোমে ৰচনা কৰা ব্যংগ একাংকিকা হ'ল **অথঃ মনুষ্য কথা, এখন দেশৰ গল্প, জংগীলালৰ খেল**। কবি চিত্ৰলতা ফুকনে অনাতাঁৰ কেন্দ্ৰৰ বাবে লিখা নাটক হ'ল **মিথিলা, ৰাতি নুপুৱালে**। চলচ্চিত্ৰ শিল্পী, কৌতুক অভিনেতা পুণ্য দাসে ৰচনা কৰা পূৰ্ণাংগ নাটক হ'ল **বিৰিণাৰ বননি, পিছফালৰ দুৱাৰ খুলি দিওঁতে, টেষ্ট টিউব বেবী**। বিশিষ্ট অভিনেতা ভৰত বৰুৱাই লিখা নাটককেইখন হ'ল **আইতা, মন্থৰা, যুগৰ পথত, নেজাল তৰা, অভিজ্ঞতা**। শিৱসাগৰৰ নাট-পৰিচালক আমিৰ হাৰিচে ৰচনা কৰা সামাজিক নাটককেইখন হ'ল **দেৱী, মধুপুৰত বৰষা নামে, কলংকিনী** আৰু **অপৰূপা**। শিৱসাগৰ বেতবাৰীৰ লক্ষেশ্বৰ বুঢ়াগোহাঁয়ে কেইবাখনো মঞ্চসফল নাটক ৰচনা কৰা। তেওঁৰ **উৰুখা পঁজা, ভোগাই সাতোলা, ৰক্তস্নান** (অনুবাদ) পূৰ্ণাংগ নাটকৰ উদাহৰণ। ইয়াৰ উপৰি বুঢ়াগোহাঁইৰ একাংকিকা নাটককেইখন হ'ল **ভূঁইতলীৰ বেদনা, দেও লগা গছ, লগুণ গাঁঠি, এজন বুঢ়া মানুহ, জবাব লাগে** আদি।

একবিংশ শতিকাৰ অসমীয়া নাটকলৈ নতুন পৰীক্ষা নিৰীক্ষাই আংগিকৰ পৰিৱৰ্তন আনিছে। এইবিলাক নাটকত লোকনাট্যৰ আংগিকৰো ব্যৱহাৰ হৈছে। অৱশ্যে শিৱসাগৰত নতুন আংগিকৰ নাট ৰচনা সংখ্যাগত দিশত প্ৰচুৰ হৈছে বুলিব নোৱাৰি। কিন্তু 'নাট্যপীঠ', 'নাটকথা', 'জাগৃতি', 'অজাস্তিমুলুক' প্ৰভৃতি অপেছাদাৰী নাট্যগোষ্ঠীয়ে যিকোনো পৰিৱেশত কম খৰচত নাট পৰিৱেশনৰ প্ৰয়াস কৰিছে। তদুপৰি ইবিলাকে বহুতো বাধা অতিক্ৰম কৰি সুস্থ নাট্য পৰম্পৰা বৰ্তাই ৰাখিবলৈ যত্ন কৰিছে। নাটকৰ ৰসাস্বাদনৰ অনুকূল পৰিৱেশ ৰচনাত উল্লিখিত নাট্যগোষ্ঠীৰ ভূমিকা অপৰিসীম। মননশীল নাট্যকাৰ ড° অনিল শইকীয়াৰ **ঈশ্বৰৰ সন্ধানত গ্ৰেবিয়েল, হামিদ ইত্যাদি** এখন মঞ্চসফল নাটক। ধৰ্মৰ নামত সমাজত চলি অহা প্ৰতাৰণাক এই নাটকখনৰ যোগেদি তীক্ষ্ণ ব্যংগ কৰিছে। ড° শইকীয়াই শিশুৰ বাবে লিখা পূৰ্ণাংগ নাট হ'ল 'মহামিলন' (**ৰং আহে পাখি মেলি**)। ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ আন কেইখনমান নাটক হ'ল ঃ **অন্য অনুভৱৰ ছবি, বেহেলাত হৃদয়ৰ সুৰ, ধুমুহা পখীৰ নীড়, অ' মোৰ আপোনাৰ দেশ** (একাংকিকা), **মা আমি শদিয়ালৈ যামেই** (একাংক)। ডাঃ ৰিপুণ বৰপূজাৰীয়ে হোমেন বৰগোহাঞিৰ বিখ্যাত উপন্যাস **অস্তৰাগৰ** নাট্যৰূপ দিয়ে। কথাশিল্পী ইমৰান শ্বাহৰ গল্পৰ আধাৰত ভৰত বৰুৱাই ৰচনা কৰা এখন পূৰ্ণাংগ নাটক হ'ল **নিমাত নেপথ্য**। গভীৰ অন্তৰ্দৃষ্টিৰে মানুহৰ মন গহ্বৰক জুমি চোৱাৰ প্ৰয়াস কৰা হৈছে **নিমাত নেপথ্যৰ** যোগেদি। নাট পৰিচালক তনুজা বৰাই শিশুসকলৰ বাবে ৰচনা কৰা **যাদুৰ তুলিকা** এখন সাৰ্থক শিশু-নৃত্যনাটিকা। ডাঃ মৃদুল গগৈয়ে ঐতিহাসিক নাটক **সাধনী** ৰচনা কৰে।

শেহতীয়াকৈ শিৱসাগৰত নিৰলসভাৱে নাটক ৰচনাত জড়িত হৈ অসমীয়া নাট্য-সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়োৱা নাট্যকাৰ জন হ'ল ড° জ্যোতিপ্ৰসাদ শইকীয়া। অপেছাদাৰী নাট্যগোষ্ঠী 'নাটকথা'ৰ উদ্যোগত ড° শইকীয়াৰ কেইবাখনো পূৰ্ণাংগ নাটকৰ সফল মঞ্চায়ন হৈছে। তেওঁৰ **অন্য আবেলিৰ ৰং, স্বপ্ন-দুঃস্বপ্ন, গধূলিৰ গান, গান্ধীজী আহি আছে** সামাজিক সমস্যাক বিষয়বস্তু হিচাপে লৈ ৰচনা



১৯৫৯ চনত হিৰণ্যপ্ৰভা সৌৰৱণী গ্ৰন্থাগাৰ আৰু যাদুঘৰ উদ্বোধন কৰিবলৈ শিৱসাগৰ মহাবিদ্যালয়লৈ আহোঁতে সৰ্বেপল্লী ৰাধাকৃষ্ণণ, কাষত ইমৰান শ্বাহ, পতিতপাৱন দাস আৰু বিমলাপ্ৰসাদ চলিহা

কৰা পূৰ্ণাংগ নাটক। আধুনিক সমাজলৈ অহা ভোগবাদী চিন্তা, ধ্যান-ধাৰণাই মানুহক এফালে স্বাৰ্থপৰ হ'বলৈ বাধ্য কৰিছে, আনফালে সমাজত এসময়ত মূৰ দাঙি নিজৰ আদৰ্শত খামুচি থকা সকলে নৈৰাশ্য, নিঃসংগতা আৰু অৱহেলাৰ বলি হৈছে। সমাজৰ ব্যাপক পৰিৱৰ্তনে আধুনিক মানুহক ছিন্নমূল কৰি তুলিছে। জীৱন হৈ পৰিছে জটিল, মানৱীয় অনুভূতি, মূল্যবোধৰ স্খলন হৈছে। হিংসা-প্ৰতিহিংসা, অপৰাধ-দুৰ্নীতিৰে বৰ্তমানৰ সমাজ আচ্ছন্ন। বিজ্ঞান-প্ৰযুক্তিয়ে অনা অকল্পনীয় ভোগ-সামগ্ৰীৰ প্ৰাচুৰ্যই মানুহৰ ভাবানুভূতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। গতিকে ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ এই শ্ৰেণীৰ নাটকৰ প্ৰতিপাদ্য বিষয় হৈছে আধুনিক জীৱনৰ জটিল সমস্যাৱলী। অসমীয়া নাটকৰ ক্ৰমবিকাশত শিৱসাগৰৰ শিল্পী-নাট্যকাৰসকলৰ অপৰিসীম অৱদান আৰু ভূমিকা অনস্বীকাৰ্য। ঊনবিংশ শতিকাৰ মধ্য ভাগৰপৰা আৰম্ভ হোৱা আধুনিক অসমীয়া আৰু নাটকৰ ক্ৰমবিকাশৰপৰা আজিৰ পৰিক্ৰমালৈকে শিৱসাগৰীয়া নাট্যকাৰ, লেখক আৰু শিল্পীৰ সৃষ্টিকৰ্মৰ মূল্যায়ন হোৱা উচিত।

অমৰজ্যোতি দত্ত

শিৱসাগৰত সংগীতৰ পৰিৱেশ ঃ অতীত আৰু বৰ্তমান

মানুহৰ আৱেগিক ভাষাৰ সুৰ সম্বলিত সৃষ্টিয়েই হৈছে সঙ্গীত। ই মানুহৰ অন্তৰৰ নিভৃততম কোণৰপৰা নিগৰি-নিগৰি ওলাই অহা এক ছন্দোবদ্ধ প্ৰকাশ। যুগ-যুগ ধৰি মানুহে ইয়াৰ চৰ্চা বিভিন্ন ধৰণে অব্যাহত ৰাখিছে। সেই অনুক্ৰমে অসমৰ এখন অন্যতম সাংস্কৃতিক চহৰ শিৱসাগৰতো সঙ্গীত-চৰ্চাৰ এক ধাৰাবাহিকতা ৰক্ষা হৈ আহিছে। বহুজন পুৰোধা ব্যক্তিৰ পাৰস্পৰিক বিনিময়ৰ মাজেদি ই অতীতৰপৰা বৰ্তমানলৈ ধাবিত হৈছে আৰু অনাদি কাললৈকো ধাবিত হ'ব।

অসমত সংগীত-চৰ্চাৰ বীজ ৰোপন হৈছিল আহোম ৰাজত্বৰ পিছৰপৰাই। সেই সময়ত অসমৰ জাতি-উপজাতি মিলি সৃষ্টি হোৱা উমৈহতীয়া কৃষ্টি-সংস্কৃতিৰ নিজৰাটি আজি পৰ্যন্ত প্ৰবহমান হৈ আছে। আহোম স্বৰ্গদেউসকলৰ সুশৃংখলাবদ্ধ শাসনব্যৱস্থা, ধৰ্মনিৰপেক্ষতা, জাত-পাতৰ বিচাৰ নথকাত আহোম যুগত সাংস্কৃতিক সমন্বয় আৰু ক্ৰমবিকাশ সাধিত হৈছিল। সাংস্কৃতিক উপাদানবোৰৰ ভিতৰত সুকুমাৰ কলাৰ চৰ্চা শ্ৰেষ্ঠতম, কিয়নো সুকুমাৰ কলাৰ প্ৰভাৱ ইন্দ্ৰিয়াতীত। সৃষ্টিশীল মন আৰু ভাবৰ লগতহে ইয়াৰ সম্বন্ধ। গায়ন, বাদন, নৰ্তন আদি সুকুমাৰ কলাৰ অন্তৰ্গত। মহাপুৰুষ গুৰুজনাই অসমীয়া জাতিক জাতি হিচাপে পৰিচয় দিব পৰাকৈ সাহিত্য-সংস্কৃতিৰ যি এটা সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰি গ'ল, তাৰে আঁত ধৰি আহোম যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত, বিশেষকৈ ৰুদ্ৰ সিংহ, শিৱ সিংহ, ৰাজেশ্বৰ সিংহ আৰু প্ৰমত্ত সিংহদেৱে গীত, বাদ্য আৰু নৃত্য আদিৰ চৰ্চা আৰু বিকাশৰ কাৰণে যি কৰি গ'ল, সেইখিনি অসমৰ সাংস্কৃতিক বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব।

স্বৰ্গদেউসকলৰ দিনত তাল-মান-সুৰ বন্ধা গীতৰ বাহিৰেও অনেক লোকগীত ৰচিত হৈছিল। গৌৰী সিংহ স্বৰ্গদেউৰ ৰাজত্বকালত নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত, ৰাধা-ৰুক্মিণীৰ গীত ৰচিত হয়। এইবোৰৰ উপৰি বিয়ানাম, বিহুগীত, ঢোল-খোলৰ মালিতা আদিও এই যুগতে সৃষ্টি হয়। বিহু উৎসৱ আহোম যুগত জাতীয় উৎসৱৰ পৰ্যায়লৈ উন্নীত হয়। বিহু উৎসৱ প্ৰকৃততে সংগীতপ্ৰধান। ঢোল, পেঁপা, গগনা, টকা, বীণ, তাল আদি বাদ্যযন্ত্ৰ ইয়াত ব্যৱহাৰ কৰা হৈছিল। বিহুৰ সময়ত ৰজাৰ ঘৰত ৰাইজে হুঁচৰি আৰু বিহু গাই ৰজাক আশীৰ্বাদ দিয়াটো নিয়ম আছিল। পাছলৈ ৰংঘৰৰ সম্মুখত

হোৱা বিহুত ঢোলৰ ছেও, পেঁপাৰ সুৰ আদিতো পাৰ্গতালি দেখুৱাই শিল্পীসকলে ৰজাৰপৰা বিভিন্ন বঁটা লাভ কৰিছিল। বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীয়ে বেলেগে-বেলেগে এই বিহু পালন কৰিছিল যদিও আহোম যুগতে ভৈয়ামৰ মানুহে বিহু উৎসৱটি একে দিনতে পালন কৰাত আৰু বিহু নৃত্য-গীত আদিক ৰাজকীয় স্বীকৃতি দিয়াত বিহু এটি জাতীয় উৎসৱ হিচাপে পৰিগণিত হয়। তথাপি আহোম যুগত সমূহীয়া বিহু মেলাৰো আয়োজন হৈছিল। শিৱসাগৰৰ 'মেলামৰা' নামে ঠাইত আজিও এই ঐতিহ্য ৰক্ষা হৈ আছে।

আহোম যুগতে শিৱসাগৰত সৃষ্টি হোৱা সংগীতৰ প্ৰৱাহমান ধাৰাটোক বিভিন্নজনে বোৱাই আনিছিল। উল্লেখনীয়ভাৱে সাংগীতিক জগতখনক আধুনিক ৰূপত সজাই-পৰাই তোলাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা বিশিষ্ট ব্যক্তিজন হ'ল লক্ষ্মীৰাম বৰুৱা। দুই পুত্ৰ ফুনু বৰুৱা আৰু প্ৰফুল্ল বৰুৱাৰ সৈতে ১৯২৮ চনৰপৰা শিৱসাগৰত স্থায়ীভাৱে গভীৰ সংগীত অনুৰাগী লক্ষ্মীৰাম বৰুৱাই থাকিবলৈ লোৱাৰেপৰাই শিৱসাগৰত সংগীতৰ জগতখনত এক নতুন পোহৰ পৰে। তেখেত আছিল একাধাৰে শাস্ত্ৰীয় গায়নত পণ্ডিত, সুৰকাৰ, সুদক্ষ বেহেলাবাদক আৰু পশ্চিমীয়া সংগীতত পাৰদৰ্শী ব্যক্তি। বহুকেইজন অসমীয়া কাণ্ডাৰী পুৰুষে ৰচনা কৰা গীতত শাস্ত্ৰীয় সুৰ দি সুৰৰ জগতত এক নতুনত্বৰ বন্যা তুলিছিল।

ইতিমধ্যে জ্যোতিপ্ৰসাদ আগৰৱালাই সঙ্গীত-জগতক এক নতুনত্ব প্ৰদান কৰিছিল। ১৯৩৫ চনত মুক্তি পায় প্ৰথম অসমীয়া কথাছবি **জয়মতী**। **জয়মতী** কথাছবিত যিখিনি গীত গোৱা হৈছিল সেইখিনি পিছত মানুহৰ মুখে-মুখে প্ৰচলন হ'বলৈ ধৰে। এইক্ষেত্ৰত অৱশ্যে বিজ্ঞানৰ অনুপম সৃষ্টি গ্ৰামোফোনৰ কথাও ক'ব লাগিব। গ্ৰামোফোনৰ ৰেক'ৰ্ডৰ যোগেদি আন থলুৱা গীত-মাতো মানুহৰ মাজত প্ৰচলন হ'বলৈ ধৰে। এই ক্ষেত্ৰত গ্ৰামোফোনৰ ৰেক'ৰ্ড যোগে গীত বাণীবদ্ধ কৰিছিল ইয়াৰ আগতেই শিৱসাগৰৰ সুযোগ্য সন্তান প্ৰফুল্লচন্দ্ৰ বৰুৱাই। নৃত্যৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাই ভাওনাৰ নৃত্য আৰু বিহুনৃত্যৰ সমন্বয়ত সৃষ্টি কৰা 'পদুমকলি' নৃত্য এক অনুপম সৃষ্টি আছিল। ১৯৩৮ চনত জ্যোতিপ্ৰসাদৰ **ইন্দ্ৰমালতী** আৰু পাৰ্বতিপ্ৰসাদৰ **ৰূপহী** কথাছবিৰ গীতসমূহ বাণীবদ্ধ হয় আৰু এই গীতসমূহ শিৱসাগৰতেই নহয় সমগ্ৰ অসমৰ ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰে। এনেকুৱা সময়ত শিৱসাগৰৰ বিভিন্ন অঞ্চল যেনে, শিৱসাগৰ, ঢুলীয়াপাৰ, ভটিয়াপাৰ, কালুগাঁও আদি অঞ্চলসমূহত বিয়াৰ গাঁঠিয়নৰ ৰাতি বিশেষ সঙ্গীত অথবা অভিনয়ৰ আয়োজন চলিছিল। গীত গোৱা দল দুটা হ'লে দুয়োটা দলৰ মাজত 'ঠেলা গান' আৰম্ভ হৈছিল। এই গীতসমূহৰ মাজেদি এটা দলে আনটো দলৰ খুটি-নাটিক কেন্দ্ৰ কৰি পৰিৱেশন কৰিছিল। সেই দলবিলাকত থকা পাকৈত গীতিকাৰে থাওকতে গীত ৰচনা কৰি পৰিৱেশন কৰিছিল আৰু এই অনুষ্ঠানে দৰ্শক-শ্ৰোতাক অশেষ আনন্দ দিছিল। গাঁঠিয়নৰ দিনা মুকলি মঞ্চত যাত্ৰা পতা হৈছিল। নাচনিয়াৰসকল ছোৱালী নাছিল। ল'ৰাকে প্ৰশিক্ষণ দি নাচনি সজোৱা হৈছিল। কিছু সংখ্যক ৰুচিৱান আৰু বিশেষ পাৰদৰ্শী ব্যক্তিয়ে সেই নাচনিয়াৰসকলক প্ৰশিক্ষণ দি পাকৈত কৰি তুলিছিল। তেনে কেইজন মান প্ৰশিক্ষক আছিল যথাক্ৰমে— তাৰাপ্ৰসাদ সিংহ, অতুল শৰ্মা, ভৱানী ফুকন, আনন্দসাগৰ দুৱৰা, উপেন শৰ্মা, খগেন শৰ্মা, পাৰ্বতিপ্ৰসাদ বৰুৱা, বিমলাপ্ৰসাদ চলিহা, মেটেকাৰ জোনাৰাম বৰা, সত্য দত্ত, কালুগাঁৱৰ ভোলা দত্ত, অৰুণ গগৈ, শ'লগুৰিৰ সূৰ্যধৰ শইকীয়া, শশীধৰ শইকীয়া, পদ্ম কাকতি আদি। এনে

এক গুৰুত্বপূৰ্ণ সময়তেই ১৯৪৫ চনত লক্ষীৰাম বৰুৱাৰ পৃষ্ঠপোষকতাত শিৱসাগৰত প্ৰতিষ্ঠা হয় সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ দোমোজাত মানুহে কলা সাধনাতকৈ আন্দোলনমুখি চিন্তাত নিমগ্ন হোৱাত সংগীতৰ পৰিৱেশ কিছু পৰিমাণে ম্লান পৰিছিল। কিন্তু অসম মাতৃৰ যোগ্য সন্তান বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতিপ্ৰসাদ বৰুৱা আদিয়ে সংগীতৰ জগতখনক এক সঠিক দিশ দিবলৈ সমৰ্থৱান হয়। শিৱসাগৰত সেই সময়ত সংগীতৰ দিশত বাঘজৰী ধৰিছিল পাৰ্বতিপ্ৰসাদ বৰুৱাই।

১৯৪৫ চনৰপৰা ১৯৭৫ চনলৈকে লক্ষ্মীৰাম বৰুৱাই সেউজীয়া সমাজ সংগীত বিদ্যালয়ত সঙ্গীতৰ শিক্ষা দান কৰিছিল। ১৯৮০-৮১ চনৰপৰা ৰাগভিত্তিত ৰচিত অসমীয়া পাঠ্যক্ৰমৰ ঠাইত লক্ষ্ণৌ ভাটখাণ্ডে বিদ্যাপীঠৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি সংগীত শিক্ষাক সৰ্বভাৰতীয় পৰীক্ষামুখী কৰা হয়।

বিংশ শতাব্দীৰ প্ৰায় মাজ ভাগৰপৰা অসমৰ সকলো শ্ৰেণীৰ নৃত্য-গীত-বাদ্যৰ উন্নতিৰ অৰ্থে শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু উৎসৱ-পাৰ্বন আদিত সিবোৰৰ প্ৰদৰ্শন আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ মানসিকতা গঢ় লৈ উঠে। উৎসৱ বিশেষে বৰগীত, জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্বতিপ্ৰসাদৰ গীত, ভূপেন্দ্ৰ সংগীত, কামৰূপী লোকগীত, বিহুনাচ, বিহুগীত, জিকিৰ আদি বিভিন্ন পৰিৱেশ্য কলাসমূহৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো একপ্ৰকাৰৰ নিয়মত পৰিণত হৈ পৰে।

১৯৮০-৮১ চনৰপৰা সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়ত লক্ষ্ণৌ ভাটখাণ্ডে বিদ্যাপীঠৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু প্ৰাথমিক অৱস্থাত বিদ্যালয়খনিয়ে উক্ত পাঠ্যক্ৰমৰ বাবে স্বীকৃতি লাভ কৰিব পৰা নাছিল। প্ৰাক্তন অধ্যক্ষ অতুল শৰ্মা তথা মাখন ভূএগ দেৱৰ আশাসুধীয়া প্ৰচেষ্টাত বিদ্যালয়খনি মহাবিদ্যালয়ৰ শাৰীলৈ উন্নীত হ'বলৈ সমৰ্থ হয়।

বৰ্তমান শিৱসাগৰ নগৰ আৰু ইয়াৰ আশে-পাশে কেইবাখনো সংগীত মহাবিদ্যালয় গঢ়ি উঠিছে। সেইবোৰৰ ভিতৰত দীপাঞ্জলি সংগীত মহাবিদ্যালয়, কলাকেন্দ্ৰ, আলাপিনী সংগীত বিদ্যালয়, পঙ্কজ সংগীত বিদ্যালয়, ৰঙ্গনাথ কলাক্ষেত্ৰ, উজ্জ্বলতা সাংস্কৃতিক কেন্দ্ৰ, জয়সাগৰ সংগীত বিদ্যালয় আদিয়েই প্ৰধান। এই অনুষ্ঠানসমূহে শিৱসাগৰত সংগীতৰ চলমান জগতখনক বিশেষ মাত্ৰা প্ৰদান কৰি জনসাধাৰণৰ সুস্থ ৰুচি গঢ়ি তোলাত অৰিহনা যোগাবলৈ সক্ষম হৈছে। এইখিনিতে এটা কথা উল্লেখযোগ্য যে সুকণ্ঠী গায়িকা দীপালী বৰঠাকুৰ, গীতিকাৰ-সুৰকাৰ ভবেন বৰঠাকুৰৰ শিৱসাগৰ সঙ্গীত-জগতখন আৰু সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়ৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। ৰংপুৰৰ ৰাজনৈতিক বুৰঞ্জী যিদৰে বৈচিত্ৰ্যময়, সেইদৰে ইয়াৰ নৃত্য গীতৰ ইতিহাসো বৈচিত্ৰ্যময়। ইয়াত সংঘাত আছে, উত্থান পতন আছে, কিন্তু ই সদা সমন্বয়ৰ ফালে ধাৱিত হৈছে।

লেখকৰ টোকা : বুৰঞ্জীয়ে পৰশা ৰংপুৰত প্ৰকাশ পোৱা মাখন ভূএগৰ 'যোৱা তিনি শতিকাত ৰংপুৰত সংগীত চৰ্চাৰ পৰম্পৰা' শীৰ্ষক প্ৰবন্ধৰ সিংহভাগ ইয়াত গ্ৰহণ কৰা হৈছে।

সম্পাদকৰ টোকা : ১৯৯৩ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৫৯তম অধিৱেশনৰ *স্মৰণিকাত* প্ৰকাশিত বিভূতি চলিহাৰ প্ৰবন্ধ 'শিৱসাগৰৰ নাট্যাভিনয়'ত উল্লেখ থকা অনুসৰি 'সেউজীয়া সমাজ সংগীত বিদ্যালয়' ১৯৪১ চনত পৰাগ চলিহা দেৱৰ পৃষ্ঠপোষকতাত সৃষ্টি হৈছিল। গতিকে এই সম্পৰ্কে বিজ্ঞ সমাজৰ অধিক অনুসন্ধানৰ নিশ্চয় প্ৰয়োজন আছে।

মাখন ভূঞা

যোৱা তিনিটা শতিকাত ৰংপুৰত সঙ্গীত-চৰ্চাৰ পৰম্পৰা

একালৰ আহোম স্বৰ্গদেউসকলৰ ৰাজধানী ৰংপুৰৰ তিনিশ বছৰীয়া সঙ্গীত-পৰম্পৰাৰ ইতিবৃত্ত ৰচনা কৰিবলৈ যোৱাৰ আগতে ৰংপুৰ নগৰৰ পৰিসীমা আৰু সঙ্গীতৰ গণ্ডীত পৰা বিষয়কেইটিৰ পৰিচয় দিয়া উচিত হ'ব বুলি বিবেচনা কৰা হৈছে।

পৰিসীমা : ৰংঘৰ বাকৰিক কেন্দ্ৰ কৰি আঢ়ৈ কিলোমিটাৰ ব্যাসাৰ্ধ বা পাঁচ কিলোমিটাৰ ব্যাসৰ এলেকাভুক্ত অঞ্চলটিকে সম্ভাব্য ৰাজধানী বুলি ধৰা হৈছে। অৱশ্যে এইক্ষেত্ৰত চেৰেকাপাৰ, জয়ৰাপাৰ, ঢুলীয়াপাৰ আৰু ভটিয়াপাৰ —এই চাৰিটা পাৰৰ লগত নগৰ-সীমাৰ কিবা সম্বন্ধ থাকিব পাৰে।

সঙ্গীত : গীত, বাদ্য আৰু নৃত্যৰ সমন্বয়ক সঙ্গীত বুলি ধৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা সাহিত্য-সংস্কৃতিৰ ভেটিতে প্ৰধানকৈ অসমীয়াৰ জাতীয় পৰিচয় নিৰ্ভৰ কৰে। অসমৰ থলুৱা বাসিন্দাসকলৰ সংস্কৃতি আৰু অসমলৈ বিভিন্ন ঠাইৰপৰা অহা প্ৰব্ৰজনকাৰী, বিভিন্ন জাতি, উপজাতি আৰু জনগোষ্ঠীৰ নিজা-নিজা সংস্কৃতিৰ সংমিশ্ৰণত যি এটা মহান অসমীয়া জাতি আৰু সংস্কৃতিয়ে গঢ় ল'লে, সেই সংস্কৃতিৰেই এটা প্ৰধান উপাদান হ'ল সঙ্গীত। এই সঙ্গীতক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি : ১) মহাপুৰুষ গুৰুজনাৰ বা তেখেতৰ সমপৰ্যায়ৰ লোকৰ সৃষ্ট শাস্ত্ৰীয় সঙ্গীত আৰু ২) লোকসঙ্গীত।

১) শাস্ত্ৰীয় নৃত্য-গীতসমূহ হ'ল বৰগীত, প্ৰসঙ্গীয়া নাম, ওজাপালি, সূত্ৰধাৰী নৃত্য, ৰাস নৃত্য, চালি নৃত্য, গোপী নৃত্য, ঝুমুৰা নৃত্য, কৃষ্ণ নৃত্য, খোল প্ৰসঙ্গ, গায়ন-বায়ন আদি।

২) লোকগীত-নৃত্যসমূহ হ'ল আইনাম, ধাইনাম, বনগীত, বিহুগীত, বিহুনাচ, দেহবিচাৰৰ গীত, বিয়ানাম, নিচুকনিগীত, টোকাৰী গীত, জিকিৰ, কামৰূপী লোকগীত আদি।

গুৰুজনাৰ সৃষ্ট বৰগীত দুই প্ৰকাৰে পৰিৱেশন কৰা হয়— ক) অনিবদ্ধ বা মেলা আৰু খ) নিবদ্ধ বা বন্ধা। প্ৰসঙ্গীয়া নামৰ আগত যি বৰগীত গোৱা হয় সেই গীত অনিবদ্ধ গীতৰ পৰ্যায়ত পৰে, অৰ্থাৎ সেই গীতত তালৰ বন্ধন নাথাকে। খ) ৰাগৰ ভিত্তিত গোৱা যিবিলাক বৰগীতত তালৰ বন্ধন থাকে তাক নিবদ্ধ গীত বোলে। এই গীতসমূহ সৰ্বভাৰতীয় ধ্ৰুপদ গায়ন পৰ্যায়ত পৰে। নিবদ্ধ

শ্রেণীৰ বৰগীতত খোল আৰু তালৰ প্ৰয়োজন হয়। প্ৰসঙ্গীয়া নামত প্ৰধানকৈ ভোৰতাল, ডবা আৰু নাগেৰা বজোৱা হয়। হীৰানামত ভোৰতাল, দিহানামত খোল, তাল, নাগেৰা আদি ব্যৱহাৰ কৰা হয়।

বিয়ানাম, আইনাম, ধাইনাম, নিচুকনিগীত আদিত তালৰ ব্যৱহাৰ নহয়। বিহুগীত, দেহবিচাৰৰ গীত, বনগীত, টোকাৰী গীত, কামৰূপী লোকগীত আদিত তালৰ ব্যৱহাৰ কৰা হয়। প্ৰয়োজন সাপেক্ষে ৰামতাল, কৰতাল, সুৰ লহৰী, খঞ্জৰী, বাঁহী, পেঁপা, ঢোল, গগণা, সুতুলী, টকা, খুঁটিতাল আদি ব্যৱহাৰ কৰা হয়।

উল্লেখযোগ্য যে যি সময়ত মহাপুৰুষীয়া সঙ্গীতকলাৰ প্ৰসাৰণ ঘটিছিল, সেই সময়তেই মহান ব্যক্তি হজৰত আজান পীৰ তথা আজান ফকীৰে শিৱসাগৰ প্ৰমুখ্যে উজনি অসমৰ গ্ৰাম্য অঞ্চলত বসতি কৰা মুছলমানসকলৰ মাজত নিভাঁজ অসমীয়া ভাষাত ৰচনা কৰা জিকিৰ নামৰ ভালেমান কবিতা ঘোষা আৰু পদত ভাগ কৰি, অসমীয়া হিন্দুসকলে নাম-কীৰ্তন গোৱাৰ দৰে সুৰ আৰু তালযুক্ত কৰি গাইছিল। আগৰ বুঢাসকলে জিকিৰ গাওঁতে হাত-চাপৰি আৰু বীণ বা দোতোৰা বজাই তাল ৰক্ষা কৰি তাৰ চেৱেঁ-চেৱেঁ গাইছিল। এজনে লগাই দিয়ে, লগৰ আনবিলাকে গায়। এই গীতবিলাকৰ লক্ষ্য বহুমুখী। হিন্দু-মুছলমান উভয়েই একেজন আল্লাহ বা ঈশ্বৰৰেই যে সন্তান এই মহান সত্যটিক দাঙি ধৰি ধৰ্মপ্ৰচাৰ কৰাটোৱেই তেখেতৰ মূল লক্ষ্য আছিল যদিও ভাষা-সাহিত্য আৰু সঙ্গীতকলাৰ মাধ্যমেদি হিন্দু আৰু মুছলমানসকলৰ মাজত শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা কৰি এটা বৃহৎ অসমীয়া জাতি গঢ় দিয়াটোও আন এটা উদ্দেশ্য আছিল।

অন্যান্য ভক্তিমূলক গীতিবিলাকৰ ভিতৰত কামৰূপী লোকগীতসমূহ অন্যতম। গোটেই অসমৰ লগতে শিৱসাগৰতো এই গীতৰ চৰ্চা আৰু জনপ্ৰিয়তা যথেষ্ট আছে। এই গীতসমূহত দোতাৰা আৰু ডগৰৰ ব্যৱহাৰ বেছি।

বিগত তিনি শতিকাৰ কালছোৱাত আহোম স্বৰ্গদেউসকলৰ ৰাজধানী এলেকাভুক্ত জনসমষ্টিৰ মাজত চৰ্চিত সঙ্গীত-পৰম্পৰাৰ সন্দৰ্ভত ক্ৰম ৰক্ষা কৰি সঠিকভাৱে এটি বিস্তৃত বিৱৰণ দিয়া সহজসাধ্য নহয় যদিও যত্নৰ ক্ৰুটি কৰা হোৱা নাই।

যিসকল বৰেণ্য কলাকাৰৰ গীত মাত, সাহিত্য সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰ গোটেই অসমৰ লগতে আহোম স্বৰ্গদেউসকলৰ ৰাজধানী ৰংপুৰতো হৈ আহিছে, সেইখিনিও ৰংপুৰৰ সঙ্গীত-চৰ্চাৰ পৰম্পৰাৰ ভিতৰতে ধৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত সময়সীমা অতিক্ৰম কৰা নাই।

১২২৯ খ্ৰীষ্টাব্দত আহোম ৰাজত্ব আৰম্ভ হোৱাৰ আগৰেপৰাই সেই সময়ৰ জাতি-উপজাতিবিলাকৰ মাজত যি কৃষ্টি সংস্কৃতিয়ে গঢ লৈছিল, সেই সংস্কৃতি তথা সঙ্গীতৰ এটা সোঁত নিৰৱচ্ছিন্নভাৱে বৈ আহিছে। এনে অৱস্থাত ১৬৯৯ চনত আহোম যুগৰ সঙ্গীতকলা-চৰ্চাৰ সুঁতিটোৱে যি স্তৰ পাইছেহি সেই সময়ৰপৰা ১৯৯৯ চনলৈকে তিনিটা স্তৰত আলোচনাটি আগবঢাবলৈ চেষ্টা কৰা হৈছে— আহেম ৰাজত্বৰ সময়সীমা ১৬৯৯ ১৮২৬ চনলৈ, ব্ৰিটিছ শাসনৰ সময়সীমা ১৮২৬-১৯৪৮ চনলৈ, স্বাধীন ৰাজত্বৰ সময়সীমা ১৯৪৮-১৯৯৯ চনলৈ।

পানী স্বভাৱতেই দ ঠাইলৈ বৈ যায। বিভিন্ন ঠাইৰ ভৌগোলিক পৰিৱেশত সৃষ্টি হোৱা জুৰি-ঝৰ্ণাবিলাক তুলনাক্ৰমে বেছি দ ঠাইত লগ লাগি একোখন নৈৰ সৃষ্টি কৰে। সেইদৰে অসমলৈ অহা

বিভিন্ন জাতি-উপজাতি আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ নিজা-নিজা সংস্কৃতিৰ সংমিশ্ৰণ ঘটি অসমৰ সংস্কৃতিৰ পৰিষদৰ বৃদ্ধি হৈছে। আহোম স্বৰ্গদেউসকলৰ সু-শৃঙ্খলাবদ্ধ শাসনব্যৱস্থা, ধৰ্মনিৰপেক্ষতা, জাত-পাতৰ বিচাৰ নথকাত আহোম যুগত সাংস্কৃতিক সমন্বয় আৰু ক্ৰমবিকাশ সাধিত হৈছিল। সাংস্কৃতিক উপাদানবিলাকৰ ভিতৰত কলা অন্যতম। আকৌ কলাৰ ভিতৰতো সুকুমাৰ কলাৰ চৰ্চা শ্ৰেষ্ঠতম। কিয়নো সুকুমাৰ কলাৰ প্ৰভাৱ ইন্দ্ৰিয়াতীত। সৃষ্টিশীল মন আৰু ভাৱৰ লগতহে ইয়াৰ সম্বন্ধ। গায়ন, বাদন, নৰ্তন আদি সুকুমাৰ কলাৰ অন্তৰ্গত। মহাপুৰুষ গুৰুজনাই অসমীয়া জাতিক জাতি হিচাপে পৰিচয় দিব পৰাকৈ সাহিত্য-সংস্কৃতিৰ যি এটা সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰি গ'ল তাৰে আঁত ধৰি আহোম যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত, বিশেষকৈ ৰুদ্ৰ সিংহ, শিৱ সিংহ, ৰাজেশ্বৰ সিংহ আৰু প্ৰমত্ত সিংহ স্বৰ্গদেৱে গীত, বাদ্য আৰু নৃত্য আদিৰ চৰ্চা আৰু বিকাশৰ কাৰণে যি কৰি গ'ল সেইখিনি অসমৰ সাংস্কৃতিক বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব।

স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ পৃষ্ঠপোষকতাত ৰংঘৰৰ সমুখত থলুৱা গীত-মাতে ৰাজকীয় স্বীকৃতি লাভ কৰাৰ উপৰি এইজনা স্বৰ্গদেউৰ দিনত সৰ্বভাৰতীয় সঙ্গীতৰ বছা-বছা উপাদান কিছুমানো আহৰণ কৰা হৈছিল। শুভঙ্কৰ কবিৰ **শ্ৰীহস্তমুক্তাৱলী** সুচন্দ ৰায় ওজাৰ হতুৱাই অসমীয়ালৈ অনুবাদ কৰাইছিল। দ'ল-দেৱালয়সমূহত দেৱদাসী আৰু দেওধনী নৃত্যৰ বাবে ৰাজকীয় সা-সুবিধা আগবঢ়োৱা হৈছিল। অসমৰ বাহিৰলৈ মানুহ পঠাই গীত-বাদ্যৰ শিক্ষা লোৱাৰ ব্যৱস্থা কৰাৰ উপৰি বাছকবনীয়া শিল্পীক মতাই অনাইছিল। উল্লেখযোগ্য যে এইজনা স্বৰ্গদেৱে নিজেও শাস্ত্ৰীয় ৰাগৰ আধাৰত গীত ৰচনা কৰি শাস্ত্ৰীয় সঙ্গীতৰ প্ৰতি অনুৰাগ প্ৰদৰ্শন কৰিছিল। এইজনা স্বৰ্গদেৱৰ দিনতে পাখোৱাজ অসমলৈ আহে। এওঁৰ দিনত ৰাজসভাত নৃত্যনাটকৰো আয়োজন কৰা হৈছিল। এইজনা স্বৰ্গদেৱে উদাৰতাৰে ভাৰতীয় সঙ্গীতক আদৰি লৈ অসমত তাৰ প্ৰচলনৰ ব্যৱস্থা কৰিছিল। তেখেতৰ দিনতে প্ৰথমবাৰ বঙলুৱা সঙ্গীত পৰিৱেশন কৰা হৈছিল। এইজনা স্বৰ্গদেউৰ দিনতেই সৰ্বভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ গায়ন, বাদন আৰু নৰ্তন বিষয়ৰ ওস্তাদ আনি অনুষ্ঠান পৰিৱেশন কৰি অসমৰ শিল্পীক উন্নত ধৰণৰ সঙ্গীত-শিক্ষা ল'বলৈ সুবিধা দিছিল। এইজনা ৰজাই অসমৰ বাহিৰৰ সঙ্গীতকেই যে উৎসাহ দিছিল এনে নহয়, ৰজাৰ পৃষ্ঠপোষকতাত সত্ৰসমূহত ভাওনা আদি প্ৰদৰ্শনত উৎসাহ দিছিল, য'ত সূত্ৰধাৰী নৃত্য, কৃষ্ণনৃত্য আদি বিভিন্ন শাস্ত্ৰীয় নৃত্যৰ সমাৱেশ ঘটিছিল। বিহুনৃত্যক ৰংঘৰৰ মুখলৈ উলিয়াই আনি ৰাজকীয় সন্মান দিছিল। ভাৰতীয় সঙ্গীতৰ প্ৰতি বিশেষ আকৰ্ষণ থকাৰ বাবেই ভালেকেইজন থলুৱা নৃত্য-গীতৰ শিল্পীক ভাটি দেশলৈ পঠিয়াই উচ্চ খাপৰ তাল-মান-সুৰ আদিৰ শিক্ষা দিয়াই ৰাজসভাত সিবোৰৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। অসমৰ দ'ল দেৱালয়বিলাকত থলুৱা পদ্ধতিৰে নৃত্য-গীতৰ চৰ্চা আৰু পৰিৱেশন কৰিবলৈ নিয়ম বান্ধি দিছিল। থলুৱা সঙ্গীতৰ গায়ন-বায়নৰ খেল পাতি দায়িত্ব ভগাই দিছিল। খুলীয়া, কালীয়া, মৃদঙ্গীয়া, ঢুলীয়া, নেগেৰীয়া, তালোৱা-বীণোৱা, খুঁটিতালীয়া, নাচনীয়াৰ, পদগোৱা আদি বেলেগ-বেলেগ খেল কৰি 'গায়ন বৰুৱা' নামৰ এজন বিষয়াৰ তত্ত্বাৱধানত ৰাখি সঙ্গীত-চৰ্চাৰ মান উন্নত কৰাৰ প্ৰয়াস কৰিছিল। ৰাজকীয় পৃষ্ঠপোষকতাত সঙ্গীতৰ উৎকৰ্ষৰ বাবে এনেদৰে শৃঙ্খলা লগাই সংগঠন কৰা কোনো বুৰঞ্জীত পোৱা নাযায়।

শঙ্কৰী কলা-কৃষ্টি তথা গীত, বাদ্য, নৃত্য আদিৰ চৰ্চা আৰু বিকাশৰ ক্ষেত্ৰত সত্ৰসমূহক একো

একো 'ঘড়ানা' স্বৰূপ তথা অসমীয়া সংস্কৃতিৰ নাড়ীকেন্দ্ৰ বুলি ধৰিব পাৰি। স্বৰ্গদেউ ৰুদ্ৰ সিংহ এই বৈষ্ণৱ সত্ৰসমূহৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল। এইজনা স্বৰ্গদেৱে সত্ৰবোৰক শ্ৰেণী-বিভাগ কৰি ৰাজকীয় সাহাৰ্য দিয়াৰ নিয়ম কৰে। তদুপৰি সত্ৰবিলাকৰ উন্নতিৰ কাৰণে চকু দিবলৈ 'সত্ৰীয়া বৰুৱা' নামে এটা বিষয়বাব সৃষ্টি কৰে। এইজনা স্বৰ্গদেৱে থলুৱা সঙ্গীতকলাৰ বিকাশৰ কাৰণে অসমৰ বাহিৰৰ উপাদান আনি অসমীয়া কলা-সংস্কৃতিক নতুন ৰূপ দিছিল। বুৰঞ্জীবিদসকলৰ মতে ছশ বছৰীয়া আহোম যুগত অসমীয়া কলা-সংস্কৃতিৰ বিকাশৰ বাবে যিখিনি বৰঙণি যোগালে তাৰ ষাঠি শতাংশৰো অধিক এইজনা স্বৰ্গদেৱৰ দিনতে সম্ভৱ হ'ল।

উজনি অসমৰ অধিকাংশ সত্ৰই আহোম ৰাজত্বত স্থাপিত আৰু স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাতে সত্ৰীয়া সংস্কৃতিসমূহ অধিক পৰিপুষ্ট হয়। কাৰেং আহোম শব্দ, 'কা'ৰ অৰ্থ নাচনী ছোৱালী আৰু 'ৰেণ'ৰ অৰ্থ ঘৰ। কাৰেংঘৰত বহি ৰজাই নৃত্য-গীত আদি উপভোগ কৰিছিল। ৰজাৰ কাৰেং আৰু দেৱমন্দিৰবিলাকত নাচিবলৈ চিনাতলী, কালুগাঁও, দেৰগাঁও, ডুবি আদি ঠাইৰ নিৰ্দিষ্ট পৰিয়ালৰ ছোৱালী অনা হৈছিল। ফুলেশ্বৰী কুঁৱৰী চিনাতলীয়া নটৰে এনে এগৰাকী জীয়ৰী। দেৱমন্দিৰবিলাকত সাধাৰণতে দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। দেওধনি নামৰ এবিধ নৃত্য জনজাতীয় লোকৰ মাজত প্ৰচলন আছিল। এই নৃত্য অনাৰ্য পদ্ধতিৰ লোকবিশ্বাস আৰু প্ৰকৃতিৰ ওপৰত বেছি নিৰ্ভৰশীল আছিল।

গুৱাহাটীৰ উমানন্দ, হাজোৰ হয়গ্ৰীৱ মাধৱ, ডুবিৰ শিৱলিঙ্গ, দেৰগাঁৱৰ শিৱমন্দিৰ আদিত মূৰ্তিপূজাৰ আৰতিৰ সময়ত দেৱদাসী বিষয়ৰ গীত গাই নাচিবলৈ কিছুমান নট কলিতা জাতিৰ উচ্চ শ্ৰেণীৰ শূদ্ৰক আহোম ৰজাসকলে ভাটিৰ নানা ঠাইৰপৰা আনি এই দেৱালয়সমূহৰ ওচৰত মাটি-বৃত্তি দি বহুৱাইছিল। এই নট জাতিৰ মুনিহ-তিৰোতাই মৃদং, নাগেৰা, পাতিতাল, খুঁটিতাল, টোকাৰী, দোতোৰা আদি যন্ত্ৰৰ সহায়ত নানা ৰূপে সুৰ-তালেৰে গীত-নৃত্য কৰিছিল।

নৃত্য-গীতেৰে ভৰপূৰ অঙ্কীয়া ভাওনা আদি অভিনয়ৰ কাৰণে ৰজাই উৎসাহ দিয়াৰ উদাহৰণ আছে। আহোম যুগত তথা আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত ওঠৰ শতিকাৰ শেষভাগলৈ গীত-নৃত্য আদি সন্নিৱিষ্ট কৰি এবিধ সুকীয়া নাট ৰচনা কৰিছিল। এইবিধ নাটৰ ভাষা অসমীয়া হ'লেও কলা-কৌশলত বঙালী যাত্ৰাৰ সাঁচ আছিল। এইদৰে আহোম যুগত ভাওনা, নৃত্য, গীত, অভিনয় আদিৰ পৰ্যাপ্ত উৎকৰ্ষ সাধন হৈছিল। গীত ৰচনা আহোম যুগৰ উল্লেখযোগ্য সাঙ্গীতিক অৱদান। ইতিমধ্যে আহোম যুগত ৰচিত গীতৰ **গীতিমালিকা** নামৰ এখন পুথি উদ্ধাৰ হৈছে। ৰুদ্ৰ সিংহ, শিৱ সিংহ আদি স্বৰ্গদেউসকলৰ ভণিতা থকা গীতো পোৱা হৈছে। মহাপুৰুষ গুৰুজনাৰ বৰগীতৰ আৰ্হিত গীত ৰচনা কৰিবলৈ ৰজা আৰু বিষয়াবৰ্গই উদগনি দিনাৰ কথা বিভিন্ন পুথিত পোৱা যায়। এইবিলাকৰ ভিতৰত প্ৰেমভূষণৰ গীত, কৈৱল্যানন্দৰ গীত, সুন্দৰদেৱৰ গীত, শ্ৰীৰাম আৰু ৰমানন্দৰ গীত উল্লেখযোগ্য।

তাল মান-সুৰ বন্ধা গীতৰ বাহিৰেও সেই যুগত অনেক লোকগীত ৰচিত হৈছিল। গৌৰী সিংহ স্বৰ্গদেউৰ ৰাজত্বকালত নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত, ৰাধা-ৰুক্মিণীৰ গীত ৰচিত হয়। এইবোৰৰ উপৰি বিয়ানাম, বিহুগীত, ঢোল খোলৰ মালিতা আদিৰো এই যুগতে সৃষ্টি হয়। বিহু উৎসৱ আহোম যুগত জাতীয় উৎসৱৰ পৰ্যায়লৈ উন্নীত হয়। বিহু উৎসৱ প্ৰকৃততে সঙ্গীতপ্ৰধান। ঢোল, পেঁপা,

গগনা, টকা, বীণ, তাল আদি বাদ্যযন্ত্ৰ ইয়াত ব্যৱহাৰ কৰা হৈছিল। বিহুৰ সময়ত ৰজাৰ ঘৰত ৰাইজে হুঁচৰি আৰু বিহু গাই ৰজাক আশীৰ্বাদ দিয়াটো নিয়ম আছিল। পাছলৈ ৰংঘৰৰ সন্মুখত হোৱা বিহুবিলাকত ঢোলৰ ছেও, পেঁপাৰ সুৰ আদিতো পাৰ্গতালি দেখুৱাই শিল্পীসকলে ৰজাৰপৰা বিভিন্ন বঁটা লাভ কৰিছিল। বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীয়ে বেলেগে-বেলেগে এই বিহু পালন কৰিছিল যদিও আহোম যুগতে ভৈয়ামৰ মানুহে বিহু উৎসৱটি একেদিনতে পালন কৰাত আৰু বিহু নৃত্য-গীত আদিক ৰাজকীয়ভাৱে স্বীকৃতি দিয়াত বিহু এটি জাতীয় উৎসৱ হিচাপে পৰিগণিত হয়। তথাপি আহোম যুগত সমূহীয়া বিহুমেলাৰো আয়োজন হৈছিল। শিৱসাগৰৰ 'মেলা মৰা' নামে ঠাইত আজিও এই ঐতিহ্য ৰক্ষা হৈ আছে।

ৰুদ্ৰ সিংহ স্বৰ্গদেউৰ দিনত সৃষ্টি হোৱা বৈৰাগী খেলৰ কাম আছিল প্ৰধানকৈ চোৰাংচোৱা। কিন্তু সেই কামৰ যোগ্যতা অৰ্জন কৰিবলৈ তেওঁলোকে আগতীয়াকৈ টোকাৰি গীত, বৈৰাগী গীত আৰু দেহবিচাৰৰ আদি গীতত পাৰ্গতালি লাভ কৰিব লাগিছিল। এনে ব্যৱস্থা থকাত এই শ্ৰেণী গীত-মাতৰ যথেষ্ট উৎকৰ্ষ সাধন হৈছিল। ইয়াৰ উপৰি মালিতা গাই ফুৰা এক শ্ৰেণীৰ স্বভাৱ বৈৰাগীও আছিল। এইদৰে আহোম যুগত লোকগীতৰ চৰ্চাৰ লগে-লগে সঙ্গীতৰ সমূহীয়া মান উন্নত হৈছিল। সেইসময়ত চুটিয়া ৰজাৰপৰা অনা ডবা আৰু নৰা ৰজাৰপৰা ৰণ জয় কৰি অনা বৰ কাঁহ, ভাটিৰপৰা অনা পাখোৱাজ ৰাজগৃহৰ বাদ্য হিচাপে পৰিগণিত হৈছিল।

স্বৰ্গদেউ ৰুদ্ৰ সিংহ আৰু শিৱ সিংহৰ ৰাজসভাৰ কবি কবিৰাজ চক্ৰৱৰ্তীয়ে সঙ্কলন কৰা পুথিত সেই সময়ত ব্যৱহাৰ হোৱা ৰাগ-তাল আদিৰ সম্যক পৰিচয় পোৱা যায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ লেখাত উল্লেখ আছে যে এই পুথিত অসংখ্য ধৰ্মীয় গীত আৰু স্বৰ্গদেউ ৰুদ্ৰ সিংহ আৰু শিৱ সিংহই ৰচনা কৰা গীতো বহুত আছে। যি নট-বিদ্যাক এটা সময়ত ইতিকিং কৰা হৈছিল, সেই বিদ্যাৰ উৎকৰ্ষ সাধনৰ বাবে ৰজা-প্ৰজা উভয়ৰেপৰা পোৱা উৎসাহ-উদ্দীপনাই সেই বিদ্যাক কামৰূপী সঙ্গীত বুলি এটা শাখা স্থাপন কৰাত পৰৱৰ্তী কালত বৰঙণি যোগাইছিল। ৰজা বা ডা-ডাঙৰীয়া ভ্ৰমণলৈ গ'লে গায়েনৰ বৰুৱাৰ অধীনত থকা ঢুলীয়া-খুলীয়াই আগে-আগে ঢোল-খোল বজাই যোৱাৰ ৰীতি আছিল। ডাঙৰীয়াসকলেও ঢুলীয়াৰ ওজা পাতি সেইসকলক উৎসাহিত কৰিছিল। সেই সময়ত বিহুৰ বিভিন্ন ছেও, দৰা ওলাওঁতে মৰা ছেও, দোলা কাষৰীয়া ছেও আদি বহুত সুকীয়া-সুকীয়া ছেওৰ সৃষ্টি হৈছিল।

ইয়াৰ উপৰি ৰুদ্ৰ সিংহ স্বৰ্গদেৱে গছতলৰ বিহু আনি ৰংপুৰৰ ৰংঘৰৰ চোতাল পোৱাইছিলহি। ঢুলীয়া আৰু নাচনীৰ প্ৰতিযোগিতা পাতি বঁটা দি উৎসাহিত কৰিছিল। ৰাজ্যৰ বিভিন্ন ঠাইৰপৰা হুঁচৰি দল আহি ৰজাৰ ঘৰত হুঁচৰি গোৱাৰ নিয়ম আছিল। পাকৈত নাচনীয়ে নাচ দেখুৱাই ৰাজকাৰেঙৰ লিগিৰী বাব লোৱাও দেখা যায়।

আহোম যুগতেই মালিতা শ্ৰেণীৰ গীত, যেনে জয়মতী কুঁৱৰীৰ গীত, জনা গাভৰুৰ গীত, কাঞ্চন কুঁৱৰীৰ গীত আদিৰ সৃষ্টি হৈছিল। বীণ, খুঁটিতাল আৰু টোকাৰী বজাই এই গীতবোৰ গোৱা হৈছিল। শঙ্কৰী সংস্কৃতিৰ বাহক সত্ৰসমূহেও সেই সময়ত ৰাজসভাত চালি, নটুৱা, ৰাজঘৰীয়া গীত আদি প্ৰদৰ্শন কৰিছিল।

স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দৰে শিৱ সিংহ, প্ৰমত্ত সিংহয়ো খেয়াল আৰু টপ্পা জাতীয় কিছু ধৰ্মীয়

গীত ৰচনা কৰিছিল। এইসকল ৰজায়ো 'গায়নৰ বৰুৱা' নামেৰে এজন বিষয়াৰ অধীনত খুলীয়া, ঢুলীয়া, মৃদঙ্গীয়া, তালোৱা, বীণোৱা আদি খেলবোৰ ৰাখিছিল।

সঙ্গীতৰ দিশত স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ অৱদানেই আটাইতকৈ উল্লেখযোগ্য। এখেতৰ দিনতেই পোনপটীয়াকৈ ভাৰতীয় সঙ্গীতৰ প্ৰভাৱ থলুৱা সঙ্গীতৰ ওপৰত পৰে। গুণাভিৰাম বৰুৱাৰ লেখাত পোৱা যায় যে হিন্দুস্থানৰপৰা খাউগুসকলে গাব পৰা, নাচিব পৰা আৰু বজাব পৰা কিছু শিল্পী আনে আৰু এই দেশৰপৰাও তেনেকৈ এজন গৈ দিল্লীৰপৰা পাখোৱাজ বজাবলৈ আৰু গীত গাবলৈ শিকি আহে। সদৰামিন হৰকান্ত বৰুৱাই লিখিছে যে এইজনা স্বৰ্গদেউৰ দিনতে বঙ্গ দেশৰপৰা অনা বঙালী গান-বাজানা শুনি ৰজা, ডা-ডাঙৰীয়াসকলে বৰ ভাল পালে। তেতিয়াৰপৰাই গান প্ৰৱৰ্তে। অৱশ্যে সেই গান-বাজনা পশ্চিমবঙ্গৰ অৱদান নহয়। মোগল ৰাজসভাত স্বীকৃতি লাভ কৰা খেয়াল, ঠুম্ৰী গজল, টপ্পা আদিৰ কথাহে কোৱা হৈছে।

কলা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত ভাষা-সাহিত্যৰ প্ৰভাৱ অসীম। ব্ৰিটিছ শাসনকালত বঙালীসকলৰ প্ৰৰোচনাত পৰি ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈকে অসমৰ পঢ়াশালি আৰু অসমৰ প্ৰশাসনীয় কাম-কাজত অসমীয়াৰ পৰিবৰ্তে বঙালী ভাষাৰ প্ৰচলনৰ যি ব্যৱস্থা হৈছিল, তাৰ ফলত আহোম যুগৰপৰা চলি অহা অসমৰ সঙ্গীত-পৰম্পৰাত এক বিশেষ যতি পৰে। সেই সময়ৰপৰাই অসমীয়াৰ সংগীত-পৰম্পৰা প্ৰায় হেৰাই যায়। গীত-মাত সকলো বঙলুৱা হৈ পৰে। বঙালী গীত-মাত-সুৰ আদি আহৰণ কৰি মণিপুৰী নাচনিয়াৰসকলে পৰিৱেশন কৰি ফুৰা নাচৰ আৰ্হিত তথা সম্পূৰ্ণ বঙলুৱা ঠাঁচত চোকোৰা নাচ, পৰী নাচ আৰু বাঈজী ঢঙৰ নাচৰ প্ৰসাৰণ হ'ল। গাঁৱে-ভূঞে বঙালী যাত্ৰা, শ্যাম্যা সঙ্গীত, ৰামপ্ৰসাদী গীত, বাউল, ভাটিয়ালী আদি গীতৰ প্ৰচলন হ'ল। জোনাকী-যুগৰপৰা অসমীয়া ভাষাৰ বিকাশ সাধন হ'লেও সঙ্গীতৰ ক্ষেত্ৰত কিন্তু বঙালী প্ৰভাৱেই থাকি গ'ল। ৰঙ্গমঞ্চবিলাকতো বঙালী নাটৰ আৰ্হিৰেহে অসমীয়া নাটৰ অভিনয় হ'বলৈ ধৰিলে। নাটৰ গীত-মাতবিলাক বঙলুৱা ঠাঁচতে গোৱা হ'ল। মুঠতে সাহিত্য-কলা-সংস্কৃতি সকলো দিশতে বঙালী সংস্কৃতিৰ প্ৰভাৱ থাকি গ'ল।

সঙ্গীতৰ নতুন প্ৰৱাহ সৃষ্টি কৰাৰ ক্ষেত্ৰত শিৱসাগৰৰ লক্ষ্মীৰাম বৰুৱাৰ দান অপৰিসীম। এখেত শিৱসাগৰৰ অন্যতম কলাকাৰ প্ৰফুল্ল বৰুৱা আৰু ফুনু বৰুৱাৰ পিতৃ আছিল। বৰুৱাদেৱে একাধাৰে শাস্ত্ৰীয় গায়নত পণ্ডিত, সুৰকাৰ, সুদক্ষ বেহেলাবাদক আৰু পশ্চিমীয়া সঙ্গীতত পাৰদৰ্শিতা থকা লোক আছিল। সঙ্গীতেই তেখেতৰ জীৱনৰ সৰ্বহ আছিল। তেখেতে বিভিন্ন গীতত সুৰ দি এক সুৰৰ জোৱাৰ তুলিছিল। তেখেতে পদ্মনাথ গোহাঞি বৰুৱা, হেমচন্দ্ৰ গোস্বামী, হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰা, ৰাধানাথ ফুকন, নবীন বৰদলৈ, পদ্মধৰ চলিহা, অম্বিকানাথ বৰা, জ্ঞাননাথ বৰা আদি কবি আৰু নাট্যকাৰসকলে ৰচনা কৰা বহুতো গীতৰ বিভিন্ন শাস্ত্ৰীয় ৰাগত সুৰ দি সুৰ-জগতত এক নতুন সুৰৰ বন্যা তুলিছিল। সঙ্গীত-চৰ্চাৰ মাজেদি বন্ধুত্ব স্থাপন হোৱাত গৌৰীপুৰৰ জমিদাৰ প্ৰভাত বৰুৱাই এখেতক পেৰিচৰপৰা এখন বেহেলা অনাই উপহাৰ দিছিল। লক্ষ্মীৰাম বৰুৱাদেৱেও প্ৰতিদান স্বৰূপে বহুতো গীতৰ সুৰলিপি কৰি আৰু লগতে উচ্চ মানৰ কেইবাটিও প্ৰবন্ধ লিখি **সঙ্গীত সাধনা** নামৰ এখনি গ্ৰন্থ বৰুৱাদেৱক উপহাৰ দিছিল। ইয়াৰ বাহিৰেও বৰুৱাদেৱে **সঙ্গীত-কোষ** নামৰ গ্ৰন্থত চাৰিশ বাইছটা গীতৰ স্বৰলিপি কৰি শাস্ত্ৰীয় সঙ্গীতৰ ধাৰা সমৃদ্ধ কৰাত যথেষ্ট অৰিহণা যোগাইছিল।

তদুপৰি পদ্মনাথ গোহাঞি বৰুৱাই সম্পাদনা কৰা উষাত বৰুৱাদেৱৰ 'নতুন গীত' শীৰ্ষক ভালেমান গীত প্ৰকাশ পাইছিল। বহু সময়ত তেখেতে নিজে গীত লিখিও সুৰ দিছিল। বৰুৱাদেৱে ভাৰ্যাৰ সোঁৱৰণিত লিখা তলৰ গীতটি ভীমপলশ্ৰী ৰাগত সুৰ দি শ্ৰোতাক মুগ্ধ কৰিছিল। " কিয় শুনো এনেয়ে সদায় / একেটি ৰাগিণী কোনে গায়/ শুনিছিলোঁ একেথৰে / তাহানি তোমাৰ মুখে/ কতনা অমিয়া ধাৰা ঢালিছিলোঁ হায়। /... ... ... নাই গোৱা কোনেও দুনাই / তেও শুনো এনেয়ে সদায়।" বৰুৱাদেৱে দিয়া গীতৰ সুৰ প্ৰধানকৈ ৰাগভিত্তিক। উল্লেখযোগ্য যে জাতীয় চেতনাসমৃদ্ধ অসমৰ বৰণ্যে সাহিত্যিকসকলে ৰচনা কৰা সাতশৰো অধিক গীত বৰুৱাদেৱে স্বৰলিপি কৰি প্ৰচাৰ কৰাত আৰু ন-পুৰুষসকলৰ একাংশই ৰাগভিত্তিক সঙ্গীত-শিক্ষা ল'বলৈ আগবাঢ়ি অহাত বঙালী ভাষাত লিখা বঙালী সুৰীয়া গীত-মাতৰ প্ৰভাৱ বহু পৰিমাণে হ্ৰাস পাই আহে।

১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় মহাসমৰৰ কেইবছৰমানৰ আগলৈকে এই সময়ছোৱাত ৰংপুৰত কলাসুলভ মনৰ ব্যক্তিসকলৰ মাজত চৰ্চিত গীত-মাত-নৃত্য আদিত এটা মিশ্ৰিত ৰূপ দেখা যায়। শিৱসাগৰ, ঢুলীয়াপাৰ, ভটিয়াপাৰ, কালুগাঁও, শলগুৰি আদি ঠাইবোৰত বিবাহ উৎসৱবিলাকৰ গাঁঠিয়নৰ দিনা অৱস্থাভেদে গান-বাজানাৰ বৈঠক, যাত্ৰা আৰু কেৰিকেছাৰ আদি সাংস্কৃতিক অনুষ্ঠান পতাৰ প্ৰচলন আছিল। বৈঠকত পৰিৱেশন কৰা গীত-মাতবিলাক অসমীয়াৰ বাহিৰেও বঙালী আৰু হিন্দীৰো আছিল। উল্লেখযোগ্য যে কোনো বিয়াত কেতিয়াবা দুটাৰো অধিক দল সমবেত হয়। তেনে ক্ষেত্ৰত তুলনাক্ৰমে দুৰ্বল বুলি অনুভৱ কৰা দলে উন্নত দল দুটাক এৰি দি শ্ৰোতা হৈ থাকে। এনে পৰিৱেশত সেই দল দুটাৰ মাজত ঠেলা গান আৰম্ভ হয়। তেতিয়া সেই গান একপ্ৰকাৰ দলীয় সঙ্গীত-প্ৰতিযোগিতাৰ দৰে হৈ পৰে। এনে গানৰ এটা বিশেষ বৈশিষ্ট্য আছিল যে এটা দলে আনটো দলৰ খুটি-নাটিক কেন্দ্ৰ কৰি তাল-মান-লয় আদি অটুট ৰাখি বিয়াত যোৰানাম গোৱাৰ দৰে গায়। আনটো দলে ঠিক তেনেকৈয়ে তাৰ প্ৰত্যুত্তৰ দিয়ে। এই ক্ষেত্ৰত গায়কসকলৰ ভিতৰত একাধিকজন প্ৰত্যুৎপন্নমতি গীত-ৰচক আৰু সুৰকাৰ থাকে। এনেধৰণে ঠেলা গানত গোৱা গীত-মাতবিলাক অসমীয়াতেই ৰচিত। এনেধৰণৰ বৈঠক উপভোগ কৰি শ্ৰোতাসকল বৰ আনন্দিত হৈছিল। কেতিয়াবা এনে ঠেলা গানৰ পৰ্যায় এনে স্তৰ পায়গৈ যে গৃহস্থই তামোল-পাণৰ শৰাই দি 'ঠেলা গান' সামৰিবলৈ অনুৰোধ কৰি লগা হয়।

ঠেলা গান বা অন্য ধৰণৰ গান-বাজানাৰ বৈঠকৰ বাহিৰেও গাঁঠিয়নৰ দিনা মুকলি মঞ্চত যাত্ৰা পতা হৈছিল। যাত্ৰাবিলাক বিশেষকৈ গীত-মাত আৰু নৃত্য-প্ৰধান আছিল। যাত্ৰাবিলাক প্ৰায়েই বঙালী নাটকৰ অসমীয়া ভাঙনি আছিল, গীতবিলাক অসমীয়া হ'লেও বঙালী সুৰৰ প্ৰাধান্য আছিল আৰু যাত্ৰাৰ নৃত্যবিলাকত মণিপুৰী নৃত্যৰ ভঙ্গীয়েই প্ৰধান আছিল। এনেধৰণৰ গীত-নৃত্য চাই দৰ্শকসকল বৰ মোহিত হৈছিল। বাৰে-বাৰে 'এঙ্কৰ' দি একাধিকবাৰ নাচ প্ৰদৰ্শন কৰোৱাইছিল। এনেদৰে একাধিকবাৰ নাচ প্ৰদৰ্শন কৰিবৰ বাবে নাচনিয়াৰসকলো প্ৰস্তুত আছিল। নাচৰ চৰিত্ৰ যেনেই নহওক, নতুন-নতুন ভঙ্গীৰে দৰ্শকসকলক সন্তুষ্ট কৰিব পৰা ক্ষমতা তেওঁলোকৰ আছিল। প্ৰশিক্ষকসকলৰপৰা প্ৰশিক্ষণো তেনেদৰেই পাইছিল। নাচনিয়াৰসকল ছোৱালী নাছিল। ল'ৰাকেই ছোৱালী সাজি নচুৱা হৈছিল। এই নাচবিলাকক চোকোৰা নাচ বা পৰী নাচ নামেৰে নামকৰণ হৈছিল। এই নাচৰ প্ৰশিক্ষকসকলে কোনো গুৰু বা অনুষ্ঠানৰপৰা প্ৰশিক্ষণ নোলোৱাকৈ দেখি-শুনি

নিজ-নিজ সৃষ্টিশীল মনটোক ব্যৱহাৰ কৰি নিজেও পৰী সাজি আনকো সজাই-নচুৱাই দৰ্শকসকলক যি আনন্দ দিছিল সি স্মৰণীয়। ইয়াৰ এটা সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকি গৈছে। এনে শিক্ষকসকলৰ ভিতৰত কেইজনমান উল্লেখযোগ্য প্ৰশিক্ষক আৰু গায়ক-বাদক আছিল শিৱসাগৰৰ তাৰাপ্ৰসাদ সিংহ, অতুল শৰ্মা, ভৱানী ফুকন, আনন্দসাগৰ দুৱৰা, উপেন শৰ্মা, খগেন শৰ্মা, পাৰ্বতিপ্ৰসাদ বৰুৱা, বিমলাপ্ৰসাদ চলিহা, মেটেকাৰ জোনাৰাম বৰা, সত্য দত্ত, কালুগাঁৱৰ ভোলা দত্ত, অকণ গগৈ আদি; শলগুৰিৰ সূৰ্যধৰ শইকীয়া, শশীধৰ শইকীয়া, পদ্ম কাকতি, ভোগেশ্বৰ তামুলী, পীতাম্বৰ নাথ আদি।

উল্লেখযোগ্য যে আহোম স্বৰ্গদেউসকলে গছতলৰ বিহু ৰংঘৰৰ সমুখলৈ আনিলে। বিহুৰ প্ৰথম দিনা ৰাইজে ৰজাৰ গৃহত হুঁচৰি গাই ৰজাৰ কুশল চিন্তা কৰি আশীৰ্বাদ দিয়ে। সেই আদৰ্শতে অসমীয়া লোকসংস্কৃতিৰ আটাইতকৈ মূল্যৱান সম্পদ ব'হাগ বিহুত ৰাজধানীৰ আশে-পাশে ঠাইবোৰত থকা সত্ৰ আৰু বয়সস্থ মুখীয়াল ব্যক্তিসকলৰ ঘৰত ৰাইজে পৰ্যায়ক্ৰমে হুঁচৰি গাই আশীৰ্বাদ এজোলোকা দিয়া আৰু গৃহস্থয়ো ৰাইজক যথাবিহিত সন্মান যচাৰ নিয়ম প্ৰচলিত হয়। ক্ৰমে সেই নিয়ম ৰাজধানীৰ বাহিৰলৈকো প্ৰসাৰণ ঘটে।

ইংৰাজ শাসনৰ এই কালছোৱাত এটা চাম ক্ৰমান্বয়ে পশ্চিমীয়া সংস্কৃতি আৰু বঙলুৱা গীত-নৃত্যৰ প্ৰতি আকৰ্ষিত হোৱাত অসমৰ পৰম্পৰাগত নৃত্য-গীতৰ সাধনা বহু পৰিমাণে ব্যাহত হয়। আকৌ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা স্বাধীনতা আন্দোলনে অসমতো তীব্ৰ ৰূপ লোৱাত বহুতো লোকে কলা-সাধানাতকৈও আন্দোলনৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে অসমীয়া নৃত্য-গীতৰ চৰ্চা সেই সময়ত বহু পৰিমাণে স্তিমিত হৈ পৰে। কিন্তু সৌভাগ্যৰ কথা যে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ জন্মই অসমৰ কলা-জগতলৈ এক নতুন প্ৰত্যয় আনি দিয়ে। জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া কলা-সংস্কৃতিৰ বিভিন্ন ৰূপ-লাৱণ্য নিজে আয়ত্ত কৰি বাহিৰৰ জগতখনতো তাৰ মোল বুজোৱাত হাতে-কামে মন ঢালি দিয়ে। অসহযোগ আন্দোলনে জ্যোতিৰ অন্তৰত এটা প্ৰবল জাতীয় প্ৰেৰণা যোগায়। তাৰে ফল স্বৰূপে ১৪ বছৰ বয়সতে তেখেতে লিখা **শোণিত কুঁৱৰী** নাটখনিত আকৌ এবাৰ হাত ফুৰাই, তাত সন্নিবিষ্ট কৰা গীত-মাতত নিভাঁজ অসমীয়া সুৰ দি, অসমীয়া ঠাঁচত বিভিন্ন নাচৰ অৱতাৰণা কৰাত অসমীয়া সঙ্গীত-জগতলৈ এটা নতুন যুগ আহিল। ইয়াৰে কেইটিমান গীত নিভাঁজ আইনাম আৰু বিয়ানাম সুৰীয়া। 'বাৰীৰ পিছফালে তগৰ', 'নূপুৰে মাতে ৰুণ্‌জুন্', 'অ' সখি আহিব প্ৰিয়া', 'আমাৰে সখিয়া আকুল বিয়াকুল', 'ৰূপহ কোঁৱৰৰ চুমা পৰশতে' —এই গীতবোৰত দিয়া সুৰবোৰ বেলেগ-বেলেগ ধৰণৰ খাচ অসমীয়া সুৰ। নৃত্যৰ বেলিকা জ্যোতিপ্ৰসাদে ভাওনা নৃত্য আৰু বিহুনৃত্যৰ সমন্বয় কৰি 'পদুমকলি' নৃত্যৰ সৃষ্টি কৰিছিল।

আগৰৱালাদেৱে এঠাইত কৈছিল যে গীতিকবি পদ্মধৰ চলিহাদেৱে ল'ৰাকালতে তেখেতসকলক অসমীয়া গানৰ বিষয়ে প্ৰেৰণা যোগাইছিল। চলিহাদেৱৰ **ফুলনিৰ** গীতবোৰে নতুন ডেকাসকলৰ মন অসমীয়া গীতলৈ আকৰ্ষণ কৰিছিল। তেতিয়াৰপৰা অসমীয়া শিক্ষিত সমাজত বিয়ানাম, বিহুনাম, আইনাম, ধাইনাম, দেহবিচাৰৰ গীত, টোকাৰী গীত, বনগীত আদিৰ প্ৰচাৰ হ'বলৈ ধৰে। এইখিনিতে উল্লেখযোগ্য যে জ্যোতিপ্ৰসাদে তেখেতৰ 'বেজবৰুৱা প্ৰতিভা' নামে প্ৰবন্ধত অসমৰ নাট্যমঞ্চত নিভাঁজ গীত-মাতৰ আদৰ্শ দিওঁতা বুলি সাহিত্যৰথীলৈ শ্ৰদ্ধাঞ্জলি যাচিছে।

শিৱসাগৰত ৰাস মহোৎসৱৰ সময়ৰ এটা দৃশ্য(২০০৯)

১৯৩৫ চনত নিভাঁজ অসমীয়া নৃত্য-গীতৰে সৃষ্টি কৰা জ্যোতিপ্ৰসাদৰ **জয়মতী** কথাছবি শিৱসাগৰৰ ৰূপালী পৰ্দাত প্ৰদৰ্শিত হোৱাৰ পিছত ই শিৱসাগৰত এক আলোড়নৰ সৃষ্টি কৰে আৰু লাহে-লাহে এই ছবিৰ গীত-মাতবোৰ প্ৰায় সকলোৰে মুখে-মুখে হ'বলৈ ধৰে।

বিজ্ঞানৰ অৱদান গ্ৰামোফোনে গীতৰ প্ৰচাৰৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে। অসমৰ অন্য ঠাইৰ দৰে শিৱসাগৰতো গ্ৰামোফোনৰ যোগে নতুন-নতুন গীতৰ প্ৰচাৰ হয়। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ৰাভাদেৱে গ্ৰামোফোন ৰেকৰ্ডৰ জৰিয়তে দিয়া সাৰ্থক আহ্বানে ৰংপুৰ তথা শিৱসাগৰ আৰু অসমৰ বিভিন্ন ঠাইৰ শিল্পী মনৰ ডেকা যুৱক-যুৱতী আৰু জনতাক সচেতন কৰি তুলিলে— সকলোৰে মুখত এই গীত-মাতবোৰ ধ্বনিত হ'ল। পুৰণি সুৰে নতুন ৰূপ লৈ অসমীয়াৰ মাজত প্ৰতিধ্বনিত হ'ল। এই দুয়োজনা কলাকাৰে অসংখ্য গীত ৰচনা কৰিছিল। তাৰে কিছু হেৰাই গ'ল; থকাখিনিৰ কিছু সংখ্যকহে ৰেক'ৰ্ড কৰা হ'ল। ৰাভাদেৱৰ ৰেক'ৰ্ডৰ পালা হিচাপে প্ৰকাশ পালে— ১) নৰকাসুৰ, ২) বেউলা, ৩) বিহুৱতী, ৪) জন্মাষ্টমী, ৫) ৰতনী, ৬) বৰদৈচিলা, ৭) শঙ্কৰদেৱ, ৮) মাধৱদেৱ, ৯) অজগৰৰ বিয়া, ১০) চেনাই-চেনেহী, ১১) দুৰ্যোধনৰ উৰুভঙ্গ আদি।

এই পালাবিলাকৰ বিষয়বস্তুৱে ব্যক্তিগত জীৱনতেই হওক বা সামাজিক জীৱনতেই হওক, অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত এটা সুদূৰপ্ৰসাৰী বিপ্লৱৰ ভেটি গঢ় দি থৈ গ'ল। সেই সময়ৰ গীতিকাৰ আৰু গায়ক পুৰুষোত্তম দাস আৰু কমল চৌধুৰীয়েও অসমীয়া গীত-মাতৰ প্ৰচাৰত যথেষ্ট খ্যাতি অৰ্জন কৰে। তেতিয়াৰপৰা এতিয়ালৈকে অসমীয়া জাতীয় সঙ্গীত হিচাপে ব্যৱহৃত হৈ অহা সাহিত্যৰথী বেজবৰুৱা ৰচিত আৰু মহান কলাকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰদ্বাৰা সুৰ সংযোজিত অসম সঙ্গীত 'অ' মোৰ আপোনাৰ দেশ' বিষ্ণু ৰাভাই কলিকতাত ৰেক'ৰ্ড কৰি আনে। ইয়াৰ পিছৰপৰাই এই গীতটি গাঁৱে-নগৰে, সভাই-সমিতিয়ে, স্কুলে-কলেজে ব্যাপকভাৱে প্ৰচাৰ হৈ আহিছে। ইতিমধ্যে ১৯৩৮ চনত জ্যোতিপ্ৰসাদৰ **ইন্দ্ৰমালতী** আৰু পাৰ্বতিপ্ৰসাদৰ **ৰূপহী** বোলছবিৰ গীতবিলাক ৰেক'ৰ্ড হয়। অসমীয়া ঠাঁচৰ এই গীতবিলাক শিৱসাগৰৰ বাহিৰেও গোটেই অসমতে জনপ্ৰিয় হৈ উঠে। এনে এটি সময়তে ১৯৪৫ চনত শিৱসাগৰত সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়টি প্ৰতিষ্ঠা হয়। এই বিদ্যালয়ত প্ৰায় ১৯৭৫ চন মানলৈকে লক্ষ্মীৰাম বৰুৱাদেৱে ৰাগভিত্তিত স্বৰলিপি কৰা গীতসমূহ, বৰগীত, ভজন, সমদল গীত, বনগীত, তবলা, চেতাৰ, এচ্ৰাজ, বেহেলা আৰু সৃষ্টিশীল নৃত্য আদিৰ শিক্ষা দিয়া হৈছিল। ১৯৮০-৮১ চনৰপৰা ৰাগভিত্তিত ৰচিত অসমীয়া পাঠ্যক্ৰমৰ ঠাইত লক্ষ্ণৌৰ ভাটখাণ্ডে বিদ্যাপীঠৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি সঙ্গীত শিক্ষাক সৰ্বভাৰতীয় পৰীক্ষামুখী কৰা হয়।

বিংশ শতাব্দীৰ তৃতীয় দশকৰ প্ৰাৰম্ভৰপৰা একালৰ অসমীয়া ভাষা-সংস্কৃতিক গ্ৰাস কৰি পেলোৱা বঙালী ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰভাৱ প্ৰায়েই নোহোৱা হ'ল। বৰেণ্য সাহিত্যিক আৰু মহান কলাকাৰসকলৰ আশাশুধীয়া চেষ্টাত প্ৰাচীন অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পুনৰ প্ৰতিষ্ঠা হ'ল। উত্তৰ পুৰুষসকলৰ এটা জাতীয় চেতনা আহিল। সেই চেতনাই সুন্দৰ-অসুন্দৰৰ পাৰ্থক্য বুজাত সহায় কৰিলে। সুন্দৰৰ প্ৰভাৱ উপলব্ধি কৰি কলা সৃষ্টি কৰাৰ যোগ্যতা অৰ্জন কৰিলে। সেই যোগ্যতা অৰ্জন কৰা শিল্পীসকলে ভিন্ন-ভিন্ন উৎসৰপৰা একো-একোটা সঙ্গীতৰ সুঁতি বোৱাই আনিলে। সেই সুঁতিসমূহক একো-একোটা নিভাঁজ অসমীয়া সঙ্গীতৰ ধাৰা বা সত্তা বুলি গুণী-জ্ঞানীসকলে তথা অসমৰ জনগণে গ্ৰহণ কৰিলে। উদাহৰণ স্বৰূপে, মহান কলাকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সৃষ্টি কৰা গীত-মাত-নৃত্য এটা নিভাঁজ অসমীয়া সঙ্গীতৰ ধাৰা। সেইদৰে কলাগুৰু বিষ্ণু ৰাভাৰ গীত-নৃত্য, পাৰ্বতিপ্ৰসাদৰ গীত আৰু ভূপেন হাজৰিকাৰ গীতবিলাকো ভাঁজশূন্য অসমীয়া সঙ্গীত-কলাৰ বিভিন্ন উৎসৰপৰা বৈ অহা একোটা সুঁতি।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জনক মহাপুৰুষ গুৰুজনাৰ সৃষ্ট নৃত্য-গীত-বাদ্য আদিৰ চৰ্চা সত্ৰসমূহত আৰু ভকত বৈষ্ণৱসকলৰ মাজতে প্ৰধানকৈ সীমাবদ্ধ আছিল। স্বনামধন্য সাহিত্যৰথী বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু ৰাভা এই তিনিজনা মহান কলাকাৰে গুৰুজনাৰ সৃষ্ট গীত-বাদ্য-নৃত্যক বহল ক্ষেত্ৰ এখনলৈ উলিয়াই আনিলে। চৰ্চা আৰু প্ৰসাৰণৰ এটা বাট মুকলি হ'ল। অসমৰ সঙ্গীত-জগতত লাইখুঁটা স্বৰূপ শঙ্কৰী কলাৰ এটি সুঁতি তেতিয়াৰপৰা প্ৰতিষ্ঠা হ'ল।

বিংশ শতাব্দীৰ প্ৰায় মাজ ভাগৰপৰা অসমৰ সকলো শ্ৰেণীৰ নৃত্য-গীত-বাদ্যৰ উন্নতিৰ অৰ্থে শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু উৎসৱ-পাৰ্বণ আদিত সিবোৰৰ প্ৰদৰ্শন আৰু প্ৰতিযোগিতা

অনুষ্ঠিত কৰাৰ মানসিকতাই গঢ় লৈ উঠে। উৎসৱ বিশেষে বৰগীত, জ্যোতি সঙ্গীত, ৰাভা সঙ্গীত, পাৰ্বতিপ্ৰসাদৰ গীত, ভূপেন্দ্ৰ সঙ্গীত, কামৰূপী লোকগীত, বিহুনাচ, বিহুগীত, জিকিৰ আদি বিভিন্ন কলাসমূহৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো এক প্ৰকাৰৰ নিয়মত পৰিণত হৈ পৰে।

ৰংপুৰ-শিৱসাগৰকে ধৰি অসমৰ গাঁও-ভূঁই সকলো ঠাইতে অসমীয়া লোকসংস্কৃতিৰ মুকুট স্বৰূপ ব'হাগৰ বিহু উৎসৱটি উলহ-মালহেৰে পৰম্পৰাগতভাৱে পালন কৰি অহা হৈছে। বৰ্তমানে অসমৰ সামাজিক পৰিৱেশ শান্তি-সম্প্ৰীতিৰ প্ৰতিকূল হ'লেও এই জাতীয় উৎসৱটিৰ পালনক ম্লান কৰিব পৰা নাই। বৰং কলাকাৰসকলে মূল সুঁতিৰপৰা আঁতৰি নোযোৱাকৈ ন-ন উপাদান সংযোগ কৰি ৰংপুৰৰ তথা অসমৰ লোকসংস্কৃতিক গতিশীল কৰি তুলিছে।

আগতে উল্লেখ কৰা হৈছে যে ১৯৮০-৮১ চনৰপৰা সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়ত লক্ষ্ণৌ ভাটখাণ্ডে বিদ্যাপীঠৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু প্ৰাথমিক অৱস্থাত বিদ্যালয়খনিয়ে উক্ত পাঠ্যক্ৰমৰ কাৰণে ভাটখাণ্ডে বিদ্যাপীঠৰ স্বীকৃতি লাভ কৰিব পৰা নাছিল। চলিত দশকত বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অতুল শৰ্মা আৰু বিশেষকৈ বৰ্তমানৰ অধ্যক্ষজনৰ প্ৰচেষ্টাত বিদ্যালয়খনি মহাবিদ্যালয়ৰ শাৰীলৈ উন্নীত হ'বলৈ সমৰ্থ হয়; আৰু তেতিয়াই ভাটখাণ্ডে বিদ্যাপীঠৰ স্বীকৃতি লাভ কৰে। ইতিমধ্যে ভালেকেইজন ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰপৰা সুখ্যাতিৰে চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে। এই সময়তে মহাবিদ্যালয়খনিত শঙ্কৰী বিদ্যাপীঠৰ পাঠ্যক্ৰম প্ৰচলন কৰি শঙ্কৰী নৃত্য-গীত-বাদ্য আদিৰ শিক্ষা দিয়াৰো ব্যৱস্থা কৰা হয়। এই মহাবিদ্যালয়ৰপৰা এই শঙ্কৰী সঙ্গীতৰ উপাধি লাভ কৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন স্থানত নৃত্য-গীত-বাদ্যৰ শিক্ষা দি আহিছে।

সাম্প্ৰতিক সময়ত অনাতাঁৰ আৰু দূৰদৰ্শনে কলাৰ দিশত যি পৰিৱৰ্তন সাধন কৰিছে, ৰংপুৰো তেনে পৰিৱৰ্তনৰপৰা মুক্ত নহয়।

চমু কথাত ৰংপুৰৰ তিনিশ বছৰীয়া ৰাজনৈতিক বুৰঞ্জী যিদৰে বৈচিত্ৰ্যময়, সেইদৰে ইয়াৰ নৃত্য-গীতৰ ইতিহাসো বৈচিত্ৰ্যময়। ইয়াত সংঘাত আছে, উত্থান-পতন আছে, কিন্তু ই সদায় সমন্বয়ৰ ফালে ধাবিত হৈছে। জান-জুৰি, উপনৈবিলাকে একোখন নৈৰ সৃষ্টি কৰে; এই নৈবিলাক গৈ সাগৰত পৰেগৈ। সেই সাগৰৰ পানীত জুৰি, ঝৰ্ণা, উপনৈ আৰু নৈবিলাকৰ নিজা-নিজা সত্তা বিচাৰি পোৱা নাযায়। সেইবুলি জুৰি, ঝৰ্ণা, উপনৈ আৰু নৈবিলাক শুকাই নাযায়।

এই সভাতে উদ্‌যাপন সমিতিৰদ্বাৰা প্ৰকাশিত এই প্ৰবন্ধ লেখকৰদ্বাৰা সম্পাদিত **বুৰঞ্জীয়ে পৰশা ৰংপুৰ** নামৰ এখনি তথ্যাগধুৰ আৰু ছপাৰ দিশত চকুত লগা স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে। অসমীয়া আৰু ইংৰাজী দুটা শাখাত মুঠ ৬১৭ পৃষ্ঠাৰ এই পুথিত সন্নিবিষ্ট বিষয়বিলাক নিৰ্বাচনৰ ক্ষেত্ৰত বহলভাৱে তিনিটা পৰ্যায় মনতে ভাগ কৰি লোৱা হৈছিল : ক) আহোমসকলৰ জাতিগত বৈশিষ্ট্য, ধৰ্ম, ৰাজনীতি, সমাজনীতিৰ দিশ আৰু ৰংপুৰ নগৰৰ প্ৰাচীন ঐতিহ্য, আহোম ৰাজত্বৰ বেলিমাৰ, ইত্যাদি, খ) ব্ৰিটিছসকলৰ আগমন, আমেৰিকান মিছনেৰীসকলৰদ্বাৰা ছপাশাল স্থাপন, অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ অপৰিসীম অৱদান আৰু গ) স্বাধীনতা আন্দোলন, স্বৰাজোত্তৰ কালত শিৱসাগৰৰ শিক্ষা দীক্ষা সঙ্গীত কলা, ক্ৰীড়া, শিল্প উদ্যোগ, বিভিন্ন দিশত সাম্প্ৰতিক কালৰ শিৱসাগৰ। অসমীয়া আৰু ইংৰাজী দুয়োটা শাখাতে বিষয়সূচী বেলেগ বেলেগ।



সোণাৰাম বৰুৱা

ৰংপুৰৰ তিনিশ বছৰ উদ্‌যাপন ঃ এক অৱলোকন

অতীতক লৈয়ে বৰ্তমান, আৰু বৰ্তমানেই ভৱিষ্যতৰ সোপান। অতীত যিমানেই গৌৰৱোজ্জ্বল আৰু ঐতিহ্যমণ্ডিত হয় বৰ্তমানৰ কাৰণে সি সিমানেই প্ৰেৰণাদায়ক হৈ ধৰা দিয়ে। গৌৰৱময় অতীতে এটা জাতিক নিজৰ স্বকীয়তা, ঐতিহ্য-পৰম্পৰাৰ প্ৰতি সদা-সচেষ্ট কৰি ৰখাৰ লগতে উত্তৰোত্তৰ উন্নতি সাধনৰ ক্ষেত্ৰত নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰয়। ১৯৯৯-২০০০ খ্ৰীষ্টাব্দত ৰংপুৰ তিনিশ বছৰ উদযাপনৰ যথাৰ্থতাও তাতেই।

১২২৮ খ্ৰীষ্টাব্দত চ্যাওলুং চ্যুকাফাৰ নেতৃত্বত তাই-আহোমসকল পাটকাই পৰ্বত পাৰ হৈ সৌমাৰত প্ৰবেশ কৰা আৰু পৰৱৰ্তী কালত তেওঁৰ উদাৰ দৃষ্টিভঙ্গী, মহান আদৰ্শ আৰু মানৱতাবোধৰ শক্তিৰে 'সাতৰাজ মাৰি একৰাজ' কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি এক বৃহৎ অসমীয়া জাতি গঠনৰ বুনিয়াদ ৰচনা কৰা হ'ল নিশ্চয়কৈ এক ঐতিহাসিক পৰিঘটনা। প্ৰবল প্ৰতাপেৰে আহোমসকলে অসমত ৰাজত্ব কৰা ছশ বছৰীয়া কালছোৱাত চৰাইদেউ, চৰগুৱা (বকতা), গড়গাঁও, ৰংপুৰ আৰু দিচৈ (যোৰহাট) —এই পাঁচখন ৰাজধানী নগৰ স্থাপন হৈছিল। চাংৰুঙ্গ ফুকনৰ বুৰঞ্জী মতে স্বৰ্গদেউ ৰুদ্ৰ সিংহই ১৬২১ শকৰ (১৬৯৯ চন) ১২ আঘোণত গড়গাঁৱৰপৰা ৰংপুৰলৈ ৰাজধানী স্থানান্তৰ কৰে। দেশ আৰু জাতিৰ স্বাৰ্থত আত্মত্যাগ কৰি মহান আদৰ্শ দেখুৱাই যোৱা নিজ মাতৃ জয়মতী কুঁৱৰীৰ স্মৃতিত স্বৰ্গদেউ ৰুদ্ৰ সিংহই দিখৌৰ দক্ষিণ পাৰে মেটেকাত এই নগৰ নিৰ্মাণ কৰাইছিল। J. P. Wade চাহাবৰ মতে ঃ

> "Rangpur is the capital of Assam or the military station of the royal capital of Garhgaon. The Dikhow river flows on the north, the Namdang on the south, the Singhdewar or Sinadewar and Dubarioniali rampart of high road forms its security on the east."

মাকৰ স্মৃতিত খন্দোৱা বৃহৎ জয়সাগৰ পুখুৰীৰ পাৰত জয়দ'লৰ উপৰি শিৱদ'ল, কেশৱৰায় (বিষ্ণু) দ'ল, দেওঘৰ, ঘনশ্যাম দ'ল নিৰ্মাণ কৰা হ'ল। একেজনা স্বৰ্গদেৱে ৰঙ্গনাথ দ'ল, ফাকুৱা দ'ল,

নামদাং আৰু ডিমৌত শিলৰ সাঁকো, খৰিকটীয়া আলি, দুৱৰিয়নি আলি আৰু মেটেকা আলিত বন্ধাই ৰাজধানী চহৰখনৰ যাতায়াত আৰু সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দিনতে ৰংঘৰ আৰু কাৰেং (তলাতল) ঘৰৰ ভেটি বাঁহ-কাঠেৰে আৰম্ভ কৰা হৈছিল। পৰৱৰ্তী কালত তেওঁৰ উত্তৰাধিকাৰীসকলৰ চেষ্টাত এই ঐতিহ্যমণ্ডিত স্থাপত্যই বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিবলৈ সক্ষম হ'ল। ৰংপুৰ নগৰৰ ভালেখিনি পুৰাতাত্ত্বিক স্থাপত্য-ভাস্কৰ্য হয়তো ইতিমধ্যে কালৰ বুকুত হেৰাই গ'ল; তথাপি ৰংঘৰ, তলাতলঘৰ, জয়সাগৰ পুখুৰী আৰু দ'লসমূহে এতিয়াও সেই ৰাজধানী নগৰ ৰংপুৰৰ সৌষ্ঠৱ আৰু গাম্ভীৰ্যৰ কথা সোঁৱৰাই থাকে।

১৯৯৯ চনত আহোম স্বৰ্গদেউসকলৰ ৰাজধানী নগৰ হিচাপে ৰংপুৰ স্থাপন হোৱা তিনিশ বছৰ সম্পূৰ্ণ হ'ল। ৰংপুৰবাসীৰ বাবে ই হ'ল এক ঐতিহাসিক ঘটনা। সেয়েহে সকলোৱে এই উপলক্ষটো অৰ্থপূৰ্ণ আৰু গাম্ভীৰ্যপূৰ্ণভাৱে উদ্‌যাপন কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। তদানীন্তন শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী প্ৰমোদ গগৈদেৱেও ৰাইজৰ লগতে উজান দিলে। ফলত ১৯৯৮ চনৰ ২ মে' তাৰিখে শিৱসাগৰ নাট্য মন্দিৰত শিৱসাগৰীয়া ৰাইজৰ এখন প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হয়। এই সভাত শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংগঠনৰ প্ৰতিনিধিসকলৰ লগতে ভালেকেইজন বিশিষ্ট ব্যক্তিয়েও যোগদান কৰিছিল। মন্ত্ৰী প্ৰমোদ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত ৰংপুৰ নগৰ স্থাপনৰ তিনিশ বছৰ পূৰ্তি হোৱা উপলক্ষটো এক উৎসৱ ৰূপে উদ্‌যাপন কৰিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয়। অনুষ্ঠানটিৰ বাবে যথোপযুক্ত কাৰ্যসূচী নিৰ্ধাৰণ আৰু তাক সফলভাৱে উদ্‌যাপন কৰাৰ স্বাৰ্থত সভাই সৰ্বসন্মতিক্ৰমে মন্ত্ৰী প্ৰমোদ গগৈক সভাপতি; শিৱসাগৰ জিলাৰ উপায়ুক্ত(প্ৰথম অৱস্থাত মনিন্দৰ সিং আৰু তেওঁৰ স্থানান্তৰত পৰৱৰ্তী পৰ্যায়ত লক্ষ্মীনাথ তামুলী)ক কাৰ্যকৰী সভাপতি, শিৱসাগৰ পৌৰসভাৰ সভাপতি ৰাণা খাঁ, উপ-সভাপতি প্ৰহ্লাদ সিং, চৈয়দ ফাতেদুল মান্নান, ডম্বৰু ৰাজকোঁৱৰ আৰু জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া ভুবনচন্দ্ৰ খাউণ্ডক উপ-সভাপতি; অতিৰিক্ত উপায়ুক্ত জে.বি. এক্কাক কোষাধ্যক্ষ, অধ্যাপক জ্যোতিপ্ৰসাদ চলিহাক সাধাৰণ সম্পাদক; অধ্যাপক গুণ বৰুৱা আৰু ধৰ্ম বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ এখনি কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। পৃষ্ঠপোষক হিচাপে মনোনীত কৰা হয় জিলাখনৰ তদানীন্তন তথা প্ৰাক্তন মন্ত্ৰী, বিধায়ক আৰু সাংসদসকল, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ আঞ্চলিক সঞ্চালক, ভাৰতীয় গেছ প্ৰাধিকৰণৰ মহাপ্ৰবন্ধক, অইল ইণ্ডিয়া লিমিটেডৰ আস্থান সঞ্চালক, শিৱসাগৰৰ আৰক্ষী অধীক্ষক, অধ্যক্ষ বীৰেন বৰকটকী আৰু বুৰঞ্জীবিদ ভুবনচন্দ্ৰ সন্দিকৈক। উপদেষ্টা ৰূপে মনোনীত হ'ল সৰ্বশ্ৰী গিৰিজাপ্ৰসাদ বৰুৱা, ক্ষীৰোদ বৰা, সত্যব্ৰত চলিহা, পুণ্যমোহন বৰুৱা, ইমৰান শ্বাহ, অলহজ দৰছেদ আলি, ৰাধাকৃষ্ণ আগৰৱালা, দেৱ ভৰালী আৰু শিৱসাগৰ জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক ডাণ্ডৰীয়া।

২ মে' তাৰিখৰ ৰাজহুৱা সভাত গঠন কৰি দিয়া ৰংপুৰ তিনিশ বছৰ উদ্‌যাপন সমিতিয়ে প্ৰথম অৱস্থাত ১৯৯৯ চনৰ ৩১ ডিচেম্বৰ আৰু ২০০০ চনৰ ১ আৰু ২ জানুৱাৰী তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে উৎসৱটি পালন কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু ১৯৯৯ চনৰ ২ অক্টোবৰ তাৰিখৰপৰা অনুষ্ঠিত কৰিব লগা সংসদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামবোৰ যথাযথভাৱে আগ নবঢ়াত অনুষ্ঠানটিৰ কাৰ্যসূচী সলনি কৰিব লগা হয়। পুনৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুযায়ী ১৯৯৯ চনৰ ২ ডিচেম্বৰ

তাৰিখে এদিনীয়াকৈ ৰংপুৰৰ তিনিশ বছৰ পূৰ্তি উপলক্ষে উদ্বোধনী অনুষ্ঠান পাতি পৰৱৰ্তী কালত ২০০০ চনৰ ১৬ আৰু ১৭ জানুৱাৰীত দুদিনীয়াকৈ ক্ৰীড়া-মহোৎসৱেৰে দ্বিতীয় পৰ্যায় উদ্‌যাপিত হয়। সেই বছৰৰে শেষৰ ফালে ৯, ১০ আৰু ১১ নৱেম্বৰত মুকলি সভা, আলোচনা-চক্ৰ, স্মৃতিগ্ৰন্থ উন্মোচন, শ্বহীদসকলৰ প্ৰতি ৰাজহুৱা সম্বৰ্ধনা, বিশিষ্ট ব্যক্তিৰ সম্বৰ্ধনা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী আদি কাৰ্যক্ৰম সামৰি তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপনৰ সামৰণী পৰ্ব যুগুতোৱাৰ সিদ্ধান্ত লোৱা হয়।

সেই অনুক্ৰমে ১৯৯৯ চনৰ ২ ডিচেম্বৰ তাৰিখে উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈয়ে পুৱা ৯ বজাত ঐতিহাসিক তলাতল ঘৰ প্ৰাঙ্গনত পতাকা উত্তোলনেৰে ৰংপুৰ তিনিশ বছৰ পূৰ্তি উৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ পাতনি মেলে। ইয়াৰ পিছতে শিৱসাগৰৰ শিৱদল প্ৰাঙ্গনৰপৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হয়। প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ এই শোভাযাত্ৰাত অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ ৰঙৰ পোহাৰ মেলা হৈছিল। বিভিন্ন থলুৱা জনগোষ্ঠীৰ সাংস্কৃতিক সমাহাৰে বাটৰ কাষত প্ৰতীক্ষাত ৰৈ থকা হেজাৰ হেজাৰ দৰ্শকৰ মন-প্ৰাণ উতলা কৰিছিল। তলাতল ঘৰ প্ৰাঙ্গনতো সমবেত হৈছিল ত্ৰিছ হাজাৰৰো অধিক লোক। শোভাযাত্ৰাৰ নেতৃত্ব লৈছিল এখন খোলা জীপত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈয়ে। তেওঁৰ লগত আছিল বয়োজ্যেষ্ঠ নাগৰিক হাজী দৰছেদ আলি, পৌৰপতি ৰাণা খাঁ, আৰু শোভাযাত্ৰা উপ-সমিতিৰ সভাপতি গহীন গগৈ। এই সাংস্কৃতিক শোভাযাত্ৰা গৈ তলাতল ঘৰ প্ৰাঙ্গনত নিৰ্মাণ কৰা ৰভাথলীত প্ৰবেশ কৰাৰ কিছু সময়ৰ পিছত মুকলি সভা আৰম্ভ হৈছিল। মুকলি সভাখনি উদ্বোধন কৰি অসমৰ মাননীয় ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল শ্ৰীনিবাস কুমাৰ সিন্‌হাই আক্ষেপ কৰি কৈছিল যে যদিও সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ সভ্যতা আৰু সংস্কৃতিৰ সমাহাৰেই হ'ল বিশাল ভাৰতীয় সভ্যতা আৰু সংস্কৃতি, তথাপি বুৰঞ্জীবিদসকলে সিন্ধু আৰু গঙ্গা অৱবাহিকাৰ সভ্যতা-সংস্কৃতিৰ ওপৰত যিমান গুৰুত্ব আৰোপ কৰিছে, ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ সভ্যতা আৰু সংস্কৃতিৰ ওপৰত সিমান গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাই। অসম বুৰঞ্জী সম্পৰ্কত গভীৰ অধ্যয়ন থকা ৰাজ্যপালগৰাকীয়ে মন্তব্য দি কয় যে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱ, বীৰ লাচিত বৰফুকন, গোপীনাথ বৰদলৈৰ দৰে নেতা কেৱল অসমৰে নহয়, সমগ্ৰ ভাৰতৰে তেওঁলোক মহান ব্যক্তি। বিশেষভাৱে মহাবীৰ লাচিত বৰফুকনে সেনাধ্যক্ষ ৰূপে যি কৰ্মনিপুণতা, সাহস আৰু বীৰত্বৰ চানেকি দেখুৱাই গ'ল, তালৈ চাই তেওঁক কোনোগুণে ছত্ৰপতি শিৱাজীতকৈ কম বুলিব নোৱাৰি। শিৱাজীয়ে মোগলৰ সৈতে যুঁজিছিল, মোগলৰ কাৰণে চকুৰ কুটা, দাঁতৰ শূল হৈ পৰিছিল, কিন্তু লাচিতে মোগলৰ বিৰুদ্ধে যুঁজাই নহয়, প্ৰবল প্ৰতাপী মোগলক তেওঁ বিধ্বস্ত কৰিছিল। এনে এজন বীৰ সেনাধ্যক্ষৰ জীৱনী আৰু বীৰত্বৰ কাহিনী Defence Academy-ৰ Manual-ত কাহানিবাই অন্তৰ্ভুক্ত হ'ব লাগিছিল বুলি সিন্‌হা ডাঙৰীয়াই আক্ষেপ কৰে। প্ৰসঙ্গক্ৰমে এইখিনিতে উল্লেখ কৰি যোৱা উচিত হ'ব যে ৰাজ্যপালজনৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলতেই ইতিমধ্যে মহাবীৰ লাচিত বৰফুকনৰ বীৰত্ব আৰু সেনাধ্যক্ষ হিচাপে তেওঁৰ বিচক্ষণতাৰ কাহিনী ভাৰতৰ Defence Academy-ৰ Manual-ত অন্তৰ্ভুক্ত হোৱাৰ উপৰি প্ৰতি বছৰে শ্ৰেষ্ঠ কেডেটজনক জাতীয় বীৰ লাচিত বৰফুকনৰ নামত একোটি সোণৰ পদক দিয়াৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। তাৰ বাবে অসমৰ ৰাজ্য চৰকাৰৰ ফালৰপৰা

মাত্র তিনি লাখ টকাৰ এটি ট্ৰাষ্ট ফাণ্ড এককালীনভাৱে যোগান ধৰিব লগা হ'ল।

উক্ত সভাত অসমৰ মুখ্য মন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্তই মুখ্য অতিথি ৰূপে যোগ দান কৰি ৰংপৰৰ প্ৰাচীন ঐতিহ্যক শ্ৰদ্ধাৰে স্মৰণ কৰে। ভাষণ প্ৰসঙ্গত মুখ্য মন্ত্ৰীজনে কলা-সংস্কৃতি, সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰত শিৱসাগৰৰ অতুলনীয় বৰঙণিৰ কথা উল্লেখ কৰে। এই উদ্বোধনী অনুষ্ঠানতে বিশিষ্ট বুৰঞ্জীবিদ আৰু স্বাধীনতা সংগ্ৰামৰ গান্ধীবাদী নেতা পুৰোধা ব্যক্তি ভুবনচন্দ্ৰ সন্দিকৈদেৱক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। লগতে সন্দিকৈদেৱৰ বুৰঞ্জীমূলক প্ৰবন্ধৰাজিৰ এটি নিৰ্বাচিত সংকলন উদ্‌যাপন সমিতিৰ তৰফৰপৰা প্ৰকাশ কৰি এই সভাতে আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই সংকলনটিৰ সম্পাদনাৰ দায়িত্ব এই প্ৰবন্ধ- লেখকেই বহন কৰিব লগা হৈছিল।

সেইদিনা সন্ধিয়া আয়োজন কৰা হৈছিল এক সাংস্কৃতিক অনুষ্ঠানৰ। সাংস্কৃতিক অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি স্বনামধন্য সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চৈয়দ আব্দুল মালিক চাহাবে সাহিত্য-সংস্কৃতিৰ মাধ্যমেৰে একবিংশ শতিকাত এখন ধুনীয়া সমাজ গঢ়াৰ সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰে। প্ৰায় চাৰি ঘণ্টা জুৰি চলা এই সাংস্কৃতিক অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ বাৰে ৰহণীয়া সংস্কৃতিৰ উপযুক্ত প্ৰতিফলন ঘটিছিল বুলিব পাৰি।

উদ্বোধনী অনুষ্ঠানৰ সফল সমাপ্তিৰ পিছত কাৰ্যসূচী অনুযায়ী ২০০০ চনৰ ১৬ আৰু ১৭ জানুৱাৰী তাৰিখত উদ্‌যাপন সমিতিৰ ক্ৰীড়া উপ-সমিতিৰ উদ্যোগত দুদিনীয়াকৈ ক্ৰীড়ানুষ্ঠানৰ আয়োজন কৰা হয়। ক্ৰীডা উপ-সমিতিৰ সভাপতি অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱা আৰু সম্পাদক চৈয়দ হকিকুৰ ৰহমানে অন্যান্য সদস্যসকলৰ সহযোগত অতি কম দিনৰ ভিতৰত ৰংপুৰ তিনিশ বছৰীয়া উৎসৱ উদ্‌যাপনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিলে। ১৬ জানুৱাৰী তাৰিখে এছিয়াৰ ভিতৰতে প্ৰথম স্থায়ী পেভিলিয়ান ৰূপে খ্যাত ঐতিহ্যমণ্ডিত ৰংঘৰ বাকৰিত পুৱা ৯ বজাত দৌৰ-বীৰ ভোগেশ্বৰ বৰুৱাই পতাকা উত্তোলন কৰাৰ পিছত বিশিষ্ট ক্ৰীড়াবিদ আৰু ক্ৰীড-সংগঠক নৃপেন্দ্ৰনাৰায়ণ সিংহই এই ক্ৰীডানুষ্ঠান আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈদেৱে এক চমু ভাষণত লুপ্তপ্ৰায় অসমৰ থলুৱা পৰম্পৰাগত খেল-ধেমালিসমূহ পুনৰ উজ্জীৱিত কৰা এই ক্ৰীড়ানুষ্ঠানৰ প্ৰধান উদ্দেশ্য বুলি কয়। সেইদিনা প্ৰায় ত্ৰিছ হেজাৰ দৰ্শকৰ উপস্থিতিত দিচিয়াল, ঢুলীয়াপাৰ আৰু জয়সাগৰ এলেকাৰ ৮ যোৰা ম'হৰ যুঁজ প্ৰদৰ্শন কৰা হয়। বনবিভাগৰ উদ্যোগত হাতী-দৌৰ, ৰাজমাই চাহবাগিচাৰ বনুৱাসকলৰ সহযোগত ২০ যোৰা কুকুৰাৰ যুঁজ অনুষ্ঠিত হৈছিল। তদুপৰি শিৱসাগৰৰ ৰংপুৰ জ্যোতি ক্লাবৰ সৌজন্যত কেইবাখনো মল্লযুঁজ অনুষ্ঠিত হৈছিল, য'ত বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মালেও অংশ গ্ৰহণ কৰিছিল। সোণাৰী অঞ্চলৰপৰা অহা ৫০ জন লোকে ধনু-কাঁড় আৰু বাতলুগুটি নিক্ষেপৰ কলা প্ৰদৰ্শন কৰি দৰ্শকসকলক আমোদ দিছিল। ক্ৰীড়ানুষ্ঠানৰ দ্বিতীয় দিনা অৰ্থাৎ ১৭ জানুৱাৰী তাৰিখে বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ পুখুৰীত নাওখেল প্ৰতিযোগিতা পতা হৈছিল। আমাৰ মনত পৰা দিনত সৰ্বপ্ৰথমবাৰৰ বাবে ঐতিহাসিক বৰপুখুৰীত হোৱা এই নাওখেলত ভালেকেইটা দলে অংশগ্ৰহণ কৰিছিল; তাৰে বেছিভাগ আছিল সোণাৰী অঞ্চলৰ। বৰপুখুৰীৰ চাৰিও পাৰে কমেও পোন্ধৰ হাজাৰ লোকে এই নাওখেল উপভোগ কৰিছিল।

ইয়াৰ পিছত আহিল ৰংপুৰ তিনিশ বছৰ উদ্‌যাপনৰ তৃতীয় পৰ্যায় অৰ্থাৎ সামৰণী অনুষ্ঠান। ৯,

১০ আৰু ১১ নৱেম্বৰ, ২০০৪ চনত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বুৰঞ্জীপ্ৰসিদ্ধ তলাতল ঘৰ প্ৰাঙ্গনত এই সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। তাৰ আগতে ৫ নৱেম্বৰ তাৰিখে এই অনুষ্ঠানৰে এক অঙ্গ ৰূপে শিৱসাগৰ কলেজ ষ্টেডিয়ামত বিভিন্ন চৰকাৰী বিভাগ আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সহযোগত এখনি প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছিল। থলুৱা কলা-কৃষ্টিমূলক আৰু ক্ষুদ্ৰ উদ্যোগৰ সা-সামগ্ৰীবিলাকেও এই প্ৰদৰ্শনীত গুৰুত্ব লাভ কৰিছিল। অ এন জি.চি ৰ তদানীন্তন আঞ্চলিক মহাপ্ৰবন্ধক কে.কে. জাগাতীয়ে এই প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰিছিল। এই প্ৰদৰ্শনী ১১ নৱেম্বৰ পৰ্যন্ত ৰাইজৰ দৰ্শনাৰ্থে মুকলি ৰখা হৈছিল।

৯ নৱেম্বৰ তাৰিখৰ বৰ্ণাঢ্য কাৰ্যসূচী আৰম্ভ হয় আহোম স্বৰ্গদেউসকলৰ কাৰেং/তলাতল ঘৰ প্ৰাঙ্গনলৈ বৰদুৱাৰ, ন-দুৱাৰ আৰু পানী দুৱাৰ এই তিনিও দিশৰপৰা অহা বৰ্ণময় সাংস্কৃতিক শোভাযাত্ৰাৰে। পুৱা ১০ বজাৰ ভিতৰত কেওফালৰপৰা গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অহা শোভাযাত্ৰাই উদ্‌যাপন থলী ৰজনজনাই তুলিছিল। তলাতল ঘৰ প্ৰাঙ্গনৰ লগতে কাষৰ পথাৰ লোকে লোকাৰণ্য।



শোভাযাত্ৰাত পৰিৱেশিত থলুৱা বাৰেবৰণীয়া সংস্কৃতিৰ সমাহাৰে দৰ্শকসকলক স্বাভাৱিকতেই ৰোমাঞ্চিত কৰি তুলিছিল। ইতিমধ্যে দিনৰ ১১ বজাৰ কাৰ্যসূচী অনুযায়ী শিৱসাগৰ নগৰৰ কেন্দ্ৰীয় বজাৰৰ সন্মুখত নিৰ্মিত জাতীয় বীৰ লাচিত বৰফুকন উদ্যানত লাচিতৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে ৰাজ্যপাল শ্ৰীনিবাস কুমাৰ সিন্‌হাদেৱে। ভাষণ প্ৰসংগত ৰাজ্যপালগৰাকীয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ, বিশেষকৈ অসমৰ গৌৰৱোজ্জ্বল ইতিহাস সমগ্ৰ দেশৰ আগত দাঙি ধৰাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। ইয়াৰ পিছত ১১.৪৫ বজাত তলাতল ঘৰ প্ৰাঙ্গনত আৰম্ভ হ'ল মুকলি সভা। উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভা উদ্বোধন কৰে মাননীয় ৰাজ্যপাল সিন্‌হাদেৱে। সভাত অসমৰ মুখ্য মন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্তই মুখ্য অতিথি ৰূপে যোগদান কৰাৰ লগতে শিৱসাগৰ জিলাৰ প্ৰায়কেইজন মন্ত্ৰী-বিধায়ক আৰু সাংসদ, বিধানসভাৰ উপাধ্যক্ষ ৰেণুপমা ৰাজখোৱা আৰু ভালে সংখ্যক উচ্চ পদস্থ চৰকাৰী বিষয়াই বিশিষ্ট অতিথি হিচাপে যোগদান কৰিছিল। এই বিশাল জনসভাত মুখ্য অতিথিৰ ভাষণ প্ৰসংগত মাননীয় মুখ্য মন্ত্ৰী মহন্তই কৈছিল— "ঐতিহ্যপূৰ্ণ শিৱসাগৰৰ পুৰণি দিনৰ স্মৃতিয়ে আমাক যিদৰে ৰোমাঞ্চিত কৰে সেইদৰে প্ৰেৰণাও যোগায়। আহোম যুগৰ শৌৰ্য-বীৰ্য, দেশপ্ৰেম আদিৰ আদৰ্শই আমাক আজিও পুলকিত কৰে।"

এই মুকলি সভাতে উদ্‌যাপন সমিতিৰদ্বাৰা প্ৰকাশিত, এই প্ৰবন্ধ-লেখকৰদ্বাৰা সম্পাদিত **বুৰঞ্জীয়ে পৰশা ৰংপুৰ** নামৰ এখনি তথ্যগধুৰ আৰু ছপাৰ দিশত চকুত লগা স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে। অসমীয়া আৰু ইংৰাজী দুটা শাখাত মুঠ ৬১৭ পৃষ্ঠাৰ এই পুথিত সন্নিবিষ্ট বিষয়বিলাক নিৰ্বাচনৰ ক্ষেত্ৰত বহলভাৱে তিনিটা পৰ্যায় মনতে ভাগ কৰি লোৱা হৈছিল : ক) আহোমসকলৰ জাতিগত বৈশিষ্ট্য, ধৰ্ম, ৰাজনীতি, সমাজনীতিৰ দিশ আৰু ৰংপুৰ নগৰৰ প্ৰাচীন ঐতিহ্য, আহোম ৰাজত্বৰ বেলিমাৰ, ইত্যাদি, খ) ব্ৰিটিছসকলৰ আগমন, আমেৰিকান মিছনেৰীসকলৰদ্বাৰা ছপাশাল স্থাপন, অসমীয়া-ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অপৰিসীম অৱদান আৰু গ) স্বাধীনতা আন্দোলন, স্বৰাজোত্তৰ কালত শিৱসাগৰৰ শিক্ষা-দীক্ষা, সঙ্গীত-কলা, ক্ৰীড়া, শিল্প-উদ্যোগ, বিভিন্ন দিশত সাম্প্ৰতিক কালৰ শিৱসাগৰ। অসমীয়া আৰু ইংৰাজী দুয়োটা শাখাতে বিষয়সূচী বেলেগ-বেলেগ। অৱশ্যে ইংৰাজীত থকা বিষয়সমূহ যিদৰে অসমীয়াত পুনৰাবৃত্তি কৰা হোৱা নাই, ঠিক তেনেদৰে অসমীয়া শাখাত যিবিলাক বিষয় সন্নিবিষ্ট হৈছে সিবিলাক ইংৰাজী শাখাত দোহৰাৰপৰা বিৰত থকাৰ হৈছে। ৰঙীন চিত্ৰসহ সুন্দৰকৈ ছপোৱা এই পুথিখনি উন্মোচন কৰি চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে কৈছিল— "বুৰঞ্জীয়ে চুকি পোৱা শিৱসাগৰৰ অতীত আৰু বৰ্তমানৰ সামগ্ৰিক ৰূপ এই পুথিৰ পাতে-পাতে বৰ্ণিত হৈছে। আহোম যুগৰ ৰাজনীতি, সমাজনীতি, সমৰকৌশল, ধৰ্ম, কলা-কৃষ্টি সকলো দিশতে ই এক প্ৰামাণ্য দলিল স্বৰূপ।" উল্লেখনীয় যে নেশ্যনেল লাইব্ৰেৰীৰ জৰিয়তে এই পুথিৰ কপি ভাৰতৰ সকলোবিলাক ৰাজ্যৰ লাইব্ৰেৰী, পাৰ্লামেণ্টৰ লাইব্ৰেৰীত ইতিমধ্যে উপলব্ধ কৰোৱা হৈছে বুলি উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈয়ে জানিবলৈ দিছে। সেইদিনা ৰাতিলৈ স্থানীয় শিল্পীসকলৰ উপৰি ভাৰত চৰকাৰৰ গীত আৰু নাট বিভাগৰ ১৫০ গৰাকী শিল্পীৰ অপূৰ্ব সমাৱেশত অনুষ্ঠিত হয় এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান। ভাৰত চৰকাৰৰ গীত আৰু নাট বিভাগৰ উপ-সঞ্চালক এন.এন. সিঙে উদ্বোধন

কৰা এই সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল বিভিন্ন প্ৰাদেশিক গীত-নৃত্য, অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ শিল্পীসকলৰদ্বাৰা পৰিৱেশিত বিভিন্ন কাৰ্যক্ৰমৰ লগতে ভোৰতাল নৃত্য, আৰু স্থানীয় চিত্ৰলেখা কলা পৰিষদৰ শিল্পীসকলে পৰিৱেশন কৰা 'ৰংপুৰ তিনিশ বছৰ' নামৰ এখনি সঙ্গীতালেখ্য।

সামৰণী অনুষ্ঠানৰ দ্বিতীয় দিনা অৰ্থাৎ ১০ নৱেম্বৰ তাৰিখে তলাতল ঘৰ প্ৰাঙ্গনতে অনুষ্ঠিত হৈছিল এক উপভোগ্য আলোচনা-চক্ৰ। দুটা পৰ্যায়ত হোৱা এই আলোচনা-চক্ৰৰ প্ৰথম বৈঠকৰ আলোচ্য বিষয় আছিল— 'ভাৰতীয় পটভূমিত, অসম বুৰঞ্জীত, অসমৰ ভাস্কৰ্য আৰু স্থাপত্য কলাৰ মূল্যায়ন' আৰু দ্বিতীয় বৈঠকৰ বিষয় আছিল— 'অসমৰ পুৰাতাত্ত্বিক সম্পদসমূহৰ মূল্যায়ন তথা সংৰক্ষণৰ প্ৰয়োজনীয়তা'। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা নগালেণ্ড বিশ্ববিদ্যালয়ৰ সন্মানীয় প্ৰাধ্যাপক ড° যোগেন্দ্ৰনাথ ফুকনদেৱে সঞ্চালনা কৰা এই আলোচনা-চক্ৰৰ প্ৰথম বৈঠকত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জীবিভাগৰ অনিৰুদ্ধদেৱ আসনৰ প্ৰাধ্যাপিকা ড° স্বৰ্ণলতা বৰুৱাই 'ভাৰতীয় পটভূমিত মধ্য যুগৰ অসম বুৰঞ্জীৰ গুৰুত্ব' সম্পৰ্কত এটি তথ্যসমৃদ্ধ ভাষণ আগবঢ়ায়। ভাষণপ্ৰসঙ্গত তেখেতে মন্তব্য কৰিছিল যে প্ৰাচীন অসমৰ আৰ্যমুখী সংস্কৃতি আহোমসকলৰ দিনত কিছুমান তাই-মঙ্গোলীয় আৰু জনজাতীয় উপাদানেৰে পুষ্ট হৈ এক নতুন ৰূপ পৰিগ্ৰহণ কৰে, যিটো ভাৰতীয় সংস্কৃতিলৈ অসমৰ এক উল্লেখনীয় অৱদান। তেখেতে আৰু কৈছিল যে মোগলে বাৰম্বাৰ অসম আক্ৰমণ কৰাৰ অন্তৰালত আছিল তেওঁলোকৰ চীন-তিব্বত আৰু ব্ৰহ্মদেশ আদি পৰ্যন্ত ৰাজ্য বিস্তাৰৰ অভিলাষ, যিটো আহোম সৈন্যৰ হাতত প্ৰতিহত নোহোৱা হ'লে, ড° সুনীতিকুমাৰ চেটাৰ্জীৰ ভাষাত ক'বলৈ গ'লে, আজি হয়তো 'ভাৰতবৰ্ষ কিয়, ব্ৰহ্মদেশ, শ্যাম (থাইলেণ্ড) আৰু ইন্দো চীনৰ বুৰঞ্জীয়েই বেলেগ ৰূপ ল'লেহেঁতেন'। মধ্য যুগৰ অসমত গঢ় লৈ উঠা নৱ-বৈষ্ণৱ আন্দোলন সম্পৰ্কত ড° বৰুৱাই মন্তব্য কৰে— "ই কেৱল এক ধৰ্মীয় আন্দোলন নাছিল, ইয়াক কেন্দ্ৰ কৰি তৃণমূল পৰ্যায়ত এটা নতুন সংস্কৃতি গঢ় লৈ উঠিছিল। এই সংস্কৃতিয়ে অসমৰ নৃত্য-গীত, চিত্ৰবিদ্যা, স্থাপত্য, ভাস্কৰ্য আৰু বিভিন্ন হস্তশিল্পক নতুন ৰূপত সজাই তুলিছিল। তদুপৰি ভক্তি আন্দোলনৰ উছাহত অসমত গঢ়ি উঠিছিল এক বিশাল সাহিত্য, যি ভাৰতীয় সাহিত্য-ভঁৰাল চহকী কৰিছে। সামাজিক দিশত এই আন্দোলনে বিভিন্ন জাতি-জনজাতিৰ লোকক একত্ৰিত কৰি সমাজত শৃঙ্খলা, শান্তি আৰু সম্প্ৰীতি স্থাপন কৰিছিল।" আন এজন আলোচক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° ডম্বৰুধৰ নাথে 'ভাৰতীয় পটভূমিত অসমৰ বুৰঞ্জী-চৰ্চা আৰু ইয়াৰ গুৰুত্ব' শীৰ্ষক বক্তৃতা প্ৰদান কৰি কয়— "সম্পূৰ্ণ আধুনিক আৰু বৈজ্ঞানিক নীতিৰে প্ৰণয়ন নকৰিলেও 'হিষ্ট্ৰী' বুলি ধৰিব পৰা আহোম যুগৰ বুৰঞ্জীবোৰ কেৱল ভাৰতৰ ভিতৰতে কিয়, সমগ্ৰ বিশ্বৰ ভিতৰতে অনন্য মূল্যৱান সাহিত্য।...ৰজা আৰু ৰাজ-বিষয়াৰ মাজত হোৱা কথোপকথন, ৰাজমেলৰ কাৰ্যবিৱৰণী, ৰাজ-বিষয়া আৰু ৰজাই দিয়া মন্তব্য— অবিকল সংৰক্ষণ কৰি ৰখা হৈছে এই বুৰঞ্জীবোৰত। সীমিত শব্দ, অৰ্থপূৰ্ণ গাঁথনি, মিতব্যয়ী ভাষা আৰু চতুৰ অথচ পাণ্ডিত্যপূৰ্ণ প্ৰকাশভঙ্গীয়ে বুৰঞ্জীবোৰ চমু কৰিও অন্তৰ্নিহিত অৰ্থ বিস্তৃত কৰি ৰাখিছে।" ভাৰতীয় পটভূমিত অসমৰ শেষ মধ্য যুগীয় স্থাপত্য সম্পৰ্কে এক দীঘলীয়া তথ্যভিত্তিক আলোচনা আগবঢ়াই পুৰাতত্ত্ব বিভাগৰ এজন অৱসৰপ্ৰাপ্ত বিষয়া ড° প্ৰদীপ শৰ্মাই সামৰণিত কয়— "অসমৰ শেষ মধ্য

যুগীয় স্থাপত্যৰ মূল উৎস সৰ্বভাৰতীয় বাস্তুবিদ্যাৰ অন্তৰ্গত হ'লেও ই বিকাশৰ মাজেৰে এটা নিজা শৈলীৰ সৃষ্টি কৰাত সফল হৈছে। অসমৰ শেষ মধ্য যুগীয় স্থাপত্যৰ ইতিহাস ভাৰতীয় পৰম্পৰাৰ ৰবৰ ষ্টাম্প নহয়, অসমৰ সংমিশ্ৰিত সংস্কৃতিৰ দৰেই ইয়ো এক আছুতীয়া আৰু নিজা পৰিচয় থকা বাস্তুকলা।"

আলোচনা-চক্ৰৰ দ্বিতীয় বৈঠকত অংশ গ্ৰহণ কৰা ব্যক্তি দুজন আছিল অৱসৰপ্ৰাপ্ত প্ৰত্নতাত্ত্বিক বিষয়া ড° ৰথীন বৰঠাকুৰ আৰু অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ সচিব ড° বীৰেন্দ্ৰকুমাৰ বৰগোহাঞিঞ। আহোম যুগৰ স্থাপত্য সম্পৰ্কত এক মনোজ্ঞ আলোচনাৰ অন্তত ড° বৰঠাকুৰে সেই মূল্যৱান সম্পদসমূহ সংৰক্ষণ সম্পৰ্কত কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। তেখেতৰ মতে স্থাপত্যৰ নামত উগ্ৰ জাতীয়তাবাদী মনোভাব পৰিহাৰ কৰি উদাৰ হোৱা বাঞ্ছনীয়। নিকটৱৰ্তী লোকসকলে মূল্যৱান স্থাপত্যৰ ক্ষয়-ক্ষতিৰ সম্ভাৱনা থকা কোনো কাম কৰা উচিত নহয়। স্থাপত্যসমূহ সংৰক্ষণৰ ক্ষেত্ৰত ধৰ্মৰ পৰিৱৰ্তে ঐতিহ্যকহে গুৰুত্ব দিয়া আৱশ্যক; সংৰক্ষণৰ বেলিকা সংকীৰ্ণ অহংবোধ এৰি স্থপতিবিদ-অভিযন্তা-ইতিহাসবিদৰ পৰামৰ্শ লোৱা বাঞ্ছনীয়। বিশ্বমানৱৰ সৃষ্টি হিচাপে স্থাপত্যসমূহৰ সংৰক্ষণ সকলো ক্ষেত্ৰতে আন্তৰ্জাতিক পৰ্যায়ৰ হ'ব লাগে। আনজন বক্তা ড° বীৰেন বৰগোহাঁঞিয়ে আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যসমূহৰ যথোচিত সংৰক্ষণ নোহোৱাত ক্ষোভ প্ৰকাশ কৰে। স্থানীয় দুষ্কৃতিকাৰী কিছুমানৰ হাতত মূল্যৱান স্থাপত্যসমূহৰ চিন-মোকাম নোহোৱা ঘটনাই এটা জাতিৰ অস্তিত্বৰ সংকট বহন কৰা বুলিও তেখেতে মন্তব্য কৰে। উল্লেখনীয়, ড° বৰগোহাঞিৰ **মহামতি চ্যুকাফা** নামৰ গ্ৰন্থখনি এই আলোচনা-চক্ৰৰ মাজতে আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়।

সঞ্চালক ড° যোগেন্দ্ৰনাথ ফুকনে আলোচনা-চক্ৰৰ মোখনি মাৰি ১৬৯৯ খ্ৰীষ্টাব্দত ৰাজধানী নগৰ ৰংপুৰ স্থাপনৰপৰা আৰম্ভ কৰি ১৭৯৫ খ্ৰীষ্টাব্দত স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰংপুৰ ত্যাগ কৰি দিচৈলৈ (যোৰহাট) যোৱা —এই অন্তৰৱৰ্তী কালছোৱাত আহোম ৰাজ্যৰ ৰাজনৈতিক উত্থান-পতনৰ সমগ্ৰ ঘটনাৱলী সংক্ষেপে দাঙি ধৰে। লগতে তেখেতে মন্তব্য কৰে যে ধৰ্মীয় তথা সামাজিক দিশত তাই-আহোমসকলৰ চিৰাচৰিত পুৰোহিত শ্ৰেণী দেওধাই, বাইলুং আৰু মহনসকলৰ পৰিৱৰ্তে ক্ৰমাগতভাৱে হিন্দুধৰ্মীয় গুৰুসকলৰ প্ৰভাৱ বৃদ্ধি পাই অহাৰ ফলত জনসাধাৰণৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া হৈ অনেক অসূয়া-অশান্তিৰ সৃষ্টি হৈছিল। হিন্দুধৰ্মৰ প্ৰতি অধিক আকৃষ্ট হৈ হিন্দু দেৱ-দেৱীৰ নামত দ'ল-দেৱালয় নিৰ্মাণৰ লগতে গোসাঁই-ব্ৰাহ্মণৰ সুসংস্থাপনৰ বাবে গড়গাঁৱত মাটিৰ অভাৱ ঘটাত স্বৰ্গদেউ ৰুদ্ৰ সিংহই ৰংপুৰত নতুন ৰাজধানী নিৰ্মাণৰ সিদ্ধান্ত লোৱাৰ এটা কাৰণ হ'ব পাৰে বুলিও ড° ফুকনে মত প্ৰকাশ কৰে, কিয়নো ন-ৰাজধানী ৰংপুৰত আহোম পুৰোহিতসকলৰ সংস্থাপনৰ কোনো ব্যৱস্থাই হাতত লোৱা নহ'ল।

উল্লেখনীয় যে এই আলোচনা-চক্ৰত অংশগ্ৰহণকাৰী বিশিষ্ট ব্যক্তিসকলৰ কেইজনমানৰপৰা আগতীয়াকৈ পোৱা লিখিত ভাষণৰ প্ৰতিলিপিসমূহ একত্ৰে উদযাপন সমিতিৰদ্বাৰা (এই প্ৰবন্ধ-লেখকৰ সম্পাদনাতে) **বুৰঞ্জীৰ বিভাৱন** নামকৰণেৰে পুথি আকাৰত ছপা কৰি উলিওৱা হৈছিল।

দ্বিতীয় দিনাৰ সাংস্কৃতিক সন্ধিয়াটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জনপ্ৰিয় বোলছবি অভিনেতা নিপন গোস্বামীয়ে। এই সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল ৰাজ্যিক সাংস্কৃতিক সঞ্চালকালয়ৰ

শিল্পীবৃন্দৰদ্বাৰা পৰিৱেশিত গীত-নৃত্যানুষ্ঠানৰ লগতে স্থানীয় শিল্পীৰ কাৰ্যক্ৰম।

উদযাপনৰ তৃতীয় দিনা অৰ্থাৎ ১১ নৱেম্বৰ তাৰিখে পুৱা ১০ বজাত সদৌ অসম মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি নৱদীপৰঞ্জন পাটগিৰিৰ পৌৰোহিত্যত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গমধৰ কোঁৱৰ, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা, মণিৰাম দেৱান, পিয়লি বৰুৱা, কুশল কোঁৱৰ আৰু কমলা মিৰি — অসমৰ স্বাধীনতা আন্দোলনৰ এইসকল প্ৰথম শ্বহীদলৈ মৰণোত্তৰভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শ্বহীদসকলৰ পৰিয়ালবৰ্গৰ প্ৰতিনিধিসকলে পূৰ্বপুৰুষৰ হৈ এই সম্বৰ্ধনা গ্ৰহণ কৰে। এই সভাতে শিৱসাগৰ জিলাত জাতীয় আন্দোলনৰ প্ৰতিস্থাপক আৰু বৰ্তমান জীৱিত বৰ্ষীয়ান মুক্তিযুঁজাৰুসকলকো ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

দিনৰ ১ বজাত অনুষ্ঠিত হয় এক সাংস্কৃতিক সমাৰোহ। বিশিষ্ট কণ্ঠশিল্পী খগেন মহন্তদেৱে এই সমাৰোহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পিছত তলাতল ঘৰ প্ৰাঙ্গনৰ মঞ্চত শিল্পীগৰাকীৰ লগতে তেখেতৰ পত্নী অৰ্চনা মহন্ত, চলচ্চিত্ৰ অভিনেতা নিপন গোস্বামী, বিশিষ্ট নাট্যকাৰ মুনীন ভূঞাৰ উপৰি উদযাপন সমিতিৰ মূল কাৰ্যকৰ্তাসকল উপৱিষ্ট হৈ থকা অৱস্থাত ৰংঘৰ বাকৰিৰপৰা মৰাণ বিহু, কছাৰী বিহু, মিচিং বিহু, দেউৰী বিহু, তাই বিহু আদি বিভিন্ন জনগোষ্ঠীৰ বিহু দলৰ লগতে আধুনিক অসমীয়া বিহুৰ দলে এটা-এটাকৈ বিহুনৃত্য পৰিৱেশন কৰি ৰভাস্থলীত প্ৰৱেশ কৰে, এক প্ৰাণোচ্ছল পৰিৱেশ ৰচনা হ'ল। হাজাৰ-হাজাৰ লোকেৰে কাৰেঙৰ বাকৰি ভৰি পৰিল। তাৰ মাজতে বোলছবি অভিনেতা নিপন গোস্বামী, বিশিষ্ট নাট্যকাৰ তথা আকাশবাণী ডিব্ৰুগড়ৰ উপ-সঞ্চালক মুনীন ভূঞা আৰু বিশিষ্ট কণ্ঠশিল্পী অৰ্চনা মহন্তক উদযাপন সমিতিৰ তৰফৰপৰা ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

সন্ধিয়া ৫ বজাত আৰম্ভ হোৱা সামৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মুনীন ভূঞাদেৱে। শেষ ৰাতিৰ সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল ভাৰত চৰকাৰৰ গীত আৰু নাট বিভাগৰ শিল্পীসকলৰদ্বাৰা পৰিৱেশিত নৃত্য-গীতৰ উপৰি ডুমডুমা অঞ্চলৰ মৰাণ বিহু, ডিব্ৰুগড়ৰ কছাৰী বিহু, পানীদিহিং অঞ্চলৰ দেউৰী বিহু, দিচাংমুখৰ মিচিং বিহু আৰু নেপালী নৃত্য, তাই বিহু, আমগুৰি চাহবাগিচাৰ ঝুমুৰ নৃত্য, মহেন্দ্ৰ কটকীৰ সত্ৰীয়া নৃত্য, শিৱসাগৰ চিত্ৰলেখা কলাপৰিষদৰ শিল্পীসকলৰদ্বাৰা পৰিৱেশিত বিচিত্ৰানুষ্ঠান, মণিপুৰী নৃত্য আৰু জিকিৰ অনুষ্ঠান। সোণত সুৱগা চৰাই বিশিষ্ট কণ্ঠশিল্পী খগেন মহন্ত আৰু অৰ্চনা মহন্ত দুয়ো পৰিৱেশন কৰিলে অনুপম গীতৰ শৰাই। সাংস্কৃতিক অনুষ্ঠানৰ অনন্য সফল সামৰণিয়ে যেন গোটেই উদযাপন অনুষ্ঠানটোৰেই সামগ্ৰিক সফলতা আনি দিলে। মধুৰেণ সমাপয়েত।

[এই প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন নথি-পত্ৰৰ সহায় লোৱাৰ উপৰি উদযাপন সমিতিৰ সভাপতি প্ৰমোদ গগৈ, ক্ৰীড়া উপ-সমিতিৰ সম্পাদক চৈয়দ হকিকুৰ ৰহমান, সাংস্কৃতিক শাখাৰ উপ-সমিতিৰ সম্পাদক মাখন বৰা আৰু উদযাপন সমিতিৰ সহঃ যুটীয়া সম্পাদক গুণ বৰুৱাৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। ৰাইজৰ জ্ঞাতাৰ্থে জনাওঁ যে এই ব্যয়বহুল ৰংপুৰ তিনিশ বছৰ উদযাপন অনুষ্ঠানটোত পৰীক্ষিত হিচাপ অনুযায়ী সৰ্বমুঠ ৩৪,৩৪,৬৭৪ টকা খৰচ হয়। — লেখক।]

দিলীপ কুমাৰ বুঢ়াগোহাঞি

শিৱসাগৰ জিলাৰ পুৰণি কীৰ্তিচিহ্ন

শিৱসাগৰ জিলাৰ পুৰণি কীৰ্তিচিহ্ন বুলিলে সাধাৰণতে আহোম যুগত নিৰ্মাণ কৰা কীৰ্তিচিহ্নসমূহকেই ধৰিব লাগে। আহোম যুগৰ প্ৰথম ৰাজধানী আছিল চৰাইদেউ। পিছত যথাক্ৰমে চৰগুৱা, গড়গাঁও, ৰংপুৰ আৰু যোৰহাটত ৰাজধানী স্থাপন কৰিছিল। শেষৰ ৰাজধানীখনৰ বাদে বাকী চাৰিওখন ৰাজধানী শিৱসাগৰ জিলাৰ ভিতৰত হোৱাৰ কাৰণে এই জিলাখনতেই স্বৰ্গদেউ আৰু ৰাজবংশীয় পৰিয়ালবিলাকৰ উপৰিও বুঢ়াগোহাঞি, বৰগোহাঞি, বৰপাত্ৰগোহাঞি, বৰবৰুৱা, বৰফুকন আদি প্ৰধান ডা-ডাঙৰীয়াসকলৰ বসতিস্থল আছিল আৰু ইযাৰ ফলশ্ৰুতিত অসংখ্য কীৰ্তিচিহ্ন নিৰ্মিত হৈছিল। সেয়েহে প্ৰত্নতাত্ত্বিক নানান সম্পদেৰে শিৱসাগৰ জিলাখন অতি চহকী আৰু ই গৌৰৱৰো বিষয। প্ৰাক আহোম যুগত এই অঞ্চলত মৰাণ, বৰাহী, কছাৰী আদি জাতি-জনজাতিৰ লোকে বসবাস কৰিছিল যদিও সেই সময়ৰ কোনো ঐতিহাসিক সমল পাবলৈ নাই।

শিৱসাগৰ জিলাত থকা এই পুৰণি সম্পদসমূহক সাধাৰণভাৱে ছটা ভাগত বিভক্ত কৰিব পাৰি। এই ভাগসমূহ হ'ব-- ১ মঠ-মন্দিৰ, ২ ৰাজভৱন, ৩ মৈডাম, ৪ পুখুৰী, ৫ প্ৰতিৰক্ষা ব্যৱস্থা— গড় আৰু ৬ যাতাযাত আৰু শিলাসাঁকো।

১ মঠ-মন্দিৰ

সদাশিব হ'ল প্ৰাক বৈদিক দেৱতা। হিমালয পৰ্বতৰ পুব অঞ্চলত বাস কৰা মঙ্গোলীয জাতিৰ লোকসকলে বিভিন্ন নামত শিৱক দেৱতা ৰূপে জ্ঞান কৰি মানিছিল। লাংকুৰি, বুঢ়াগোসাঁই, মহেশ্বৰ আদি নামেৰে সদাশিৱকেই বুজাইছিল। সেই সমযত সৌমাৰপীঠৰ এই অঞ্চলত থকা চুতীয়া আৰু ভূঞাসকল আছিল তান্ত্ৰিক শাক্ত। সময়ত আহোমসকলৰ নিজা ধৰ্ম আৰু দেৱতাৰ মাজলৈ অসমৰ কিছুমান থলুৱা দেৱতা-উপদেৱতা সোমাই আহিল। সেযেহে আহোম যুগত শিৱ, বিষ্ণু আদি বিভিন্ন দেৱ-দেৱীৰ উপাসনা হ'বলৈ ধৰে আৰু তাৰ কাৰণে স্বৰ্গদেউ আৰু ডাঙৰীযাসকলে বিভিন্ন ঠাইত কিছুমান মঠ-মন্দিৰ নিৰ্মাণ কৰে।

তেৰ শতিকাত চৰাইদেউ পাহাৰত বৰাহীসকলৰ দেওঘৰ আছিল। বৰাহী ৰজা থামিথুমাৰ

নাজিৰা নমাটিৰ গৰখীয়া দ'ল



উপদেশ মতে চুকাফা স্বৰ্গদেৱে এই দেওগৰৰ কাষতে আহোম ৰাজ্যৰ প্ৰথম ৰাজধানীখন পাতিছিল—

"পাছে ন-ভাত খাই না-কুৰি দেওৰ ওচৰৰ পৰ্বত খানিতে (চৰাইদেউ) নগৰ কৰি থাকিল।"[1]

চৰাইদেউ পাহাৰৰ ওখ টিলাটোৰ ওপৰত স্বৰ্গদেউসকলৰ উপাস্য চোমদেওৰ মন্দিৰ আছিল। মন্দিৰটি সময়ত ধ্বংস হয়। বৰ্তমান ইয়াত থকা শিলৰ খুঁটা আৰু ভগ্নাৱশেষে পুৰণি মন্দিৰৰ স্মৃতি বহন কৰি আছে। প্ৰতাপ সিংহ (১৬০৩-১৬৬১ চন) স্বৰ্গদেৱে ল'ৰালি কালত নিতৌ পূজা কৰা শিৱলিঙ্গটো গড়গাঁৱৰ কাৰেংঘৰৰপৰা আঁতৰাই নাজিৰা নগৰৰ উত্তৰে দিখৌ নৈৰ কাষত মন্দিৰ সাজি পাতিছিল। ইয়াক মহেশ্বৰৰ ঘৰ বা গৰখীয়া দ'ল বুলি কয়। সম্ভৱতঃ আহোম যুগত নিৰ্মাণ কৰা এই মন্দিৰটোৱেই শিল-ইটাৰে কৰা প্ৰথম পকী মন্দিৰ। শিৱসাগৰত পকীকৈ মন্দিৰ নিৰ্মাণ কৰা দ্বিতীয়জন স্বৰ্গদেউ হ'ল গদাধৰ সিংহ। তেওঁ চৰাইদেউত এটা গোটা দ'ল নিৰ্মাণ কৰিছিল। তেওঁৰ দিনতে মাইবেলাৰ দ'ল, চৰাইদেউৰ লাংকুৰি দ'ল, ৰহদৈৰ দ'ল, খঁৰাগড়ত খঁৰাদ'ল আৰু থাওৰা দ'ল নিৰ্মাণ কৰা হৈছিল।

ৰুদ্ৰ সিংহ আৰু শিৱ সিংহৰ ৰাজত্বকালত শিৱসাগৰ জিলাত বহুকেইটা মন্দিৰ নিৰ্মিত হৈছিল। এইবিলাকৰ ভিতৰত ৰুদ্ৰ সিংহ (১৬৯৬-১৭১৪ চন) স্বৰ্গদেউৰ দিনত জয়সাগৰৰ জয়দ'ল, বৈদ্যনাথ শিৱদ'ল, দেৱীঘৰ, শ্ৰীসূৰ্য মন্দিৰ, শ্ৰীগণেশ মন্দিৰ, ৰংনাথ শিৱদ'ল, ফাকুৱা দ'ল; শিৱ সিংহ স্বৰ্গদেউ(১৭১৪-১৭৪৪)ৰ দিনত গৌৰীসাগৰৰ শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল, শিৱসাগৰৰ শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল, মাটিয়াছিগাত কেৰী ৰাজমাওদ'ল, কালুগাঁৱত বৰপাত্ৰদ'ল অন্যতম। ইয়াৰ উপৰি ৰাজেশ্বৰ সিংহৰ দিনত জয়সাগৰৰ নাতি গোসাঁই দ'ল; লক্ষ্মী সিংহৰ দিনত বগীদ'ল, ৰুদ্ৰসাগৰ দ'ল, গৌৰীবল্লভ, জনাৰ্দন মন্দিৰ, নামতিত বিষ্ণুদ'ল, শিৱদ'ল, গেলেকীত পিয়লি ফুকনৰ দ'ল আদি মন্দিৰসমূহ নিৰ্মাণ কৰা হৈছিল। পকী দ'লসমূহৰ সৰহ সংখ্যকেই বৰ্তমান সময়লৈকে সংৰক্ষিত হৈ আছে যদিও কেন্দুগুৰিৰ দ'ল, নাজিৰাৰ সৰু ৰাজমাও দ'ল, ঈষাণেশ্বৰ দ'ল, গোবিন্দদ'ল, গড়গাঁৱৰ দ'ল, মেচাগড় দেৱালয় আদি ভালেসংখ্যক মন্দিৰ ইতিমধ্যে ধ্বংস হৈছে।

এই পকী মন্দিৰসমূহৰ গঠন-প্ৰণালী আছিল অতি নিখুঁট আৰু মন কৰিবলগীয়া। কৰ্দৈশিৰীয়া শিৱদ'ল, বৰ্গক্ষেত্ৰৰ অংকনযুক্ত বিষ্ণুদ'ল বা দ'ল দেৱালয় নিৰ্মাণ কৰাৰ সময়ত নিপুণ শিলাকুটীয়া সকলে টান ফলীয়া শিলত খোদিত কৰা বিভিন্ন দেৱ-দেৱী আৰু লতা ফুলৰ প্ৰতিকৃতিবোৰ এই মন্দিৰসমূহৰ গাত অতি শৃঙ্খলাবদ্ধভাৱে কৰালেৰে খাজি থোৱাৰ যি আংগিক সৌন্দৰ্য সি অতি দৃষ্টিনন্দন। মন্দিৰসমূহ কেইবাটাও বিভাগৰদ্বাৰা গঠিত হৈছিল। দ'লৰ স্থাপত্যৰ ক্ষেত্ৰত জগমোহন, অন্তৰাল, গৰ্ভগৃহ আৰু অধিস্থান মন কৰিবলগীয়া। অন্তৰাল থাকে গৰ্ভগৃহৰ সম্মুখত, অন্তৰালৰ বাহিৰফালে জগমোহন আৰু তাৰো বাহিৰত নাটমন্দিৰ বা মণ্ডপ। গৰ্ভগৃহটো মণ্ডপতকৈ কিছু তলত থাকে আৰু ইয়াৰ আকৃতি সাধাৰণতে চাৰিকোণীয়া। অধিষ্ঠান, জংঘা, গণ্ডী আৰু শিখৰ এইকেইটাই আহোম যুগৰ দ'লবোৰত দেখা যায়। প্ৰাকৃতিক মাটিৰ ওপৰ অংশ হ'ল অধিষ্ঠান, তাৰ ওপৰ অংশ জংঘা, তাৰ ওপৰ অংশ গণ্ডী বা গম্বুজ আৰু ইয়াৰ ওপৰৰ অংশ হ'ল শিখৰ বা মস্তক। গম্বুজ বা দ'লৰ গা অংশ কলদিলৰ দৰে বা মৌচাকৰ আকৃতিৰ। শিখৰ অংশত শিৱদ'লৰ বাবে ত্ৰিশূল আৰু বিষ্ণু দ'লৰ বাবে শ্ৰীচক্ৰ সংযোজন কৰা হয়। বহুতো দ'লত অংগ দ'ল সংস্থাপন কৰা হয়। ইয়াৰদ্বাৰাই দ'লৰ শোভাবৰ্ধন আৰু গাম্ভীৰ্যতাৰ লগতে অপূৰ্ব স্থাপত্য-ভাস্কৰ্যৰ পৰিচয় বহন

জয়সাগৰৰ ৰংনাথ দ'ল

কৰে।

আহোম যুগত নিৰ্মাণ কৰা সকলো দ'লৰ কাষত পুখুৰী আৰু দ'লৰ চৌপাশে ওখ পাৰ বা গড় বান্ধিছিল। সাধাৰণতে ডাঙৰকৈ পুখুৰী খান্দি তাৰ পাৰত মন্দিৰবিলাক নিৰ্মাণ কৰা হৈছিল। আহোম যুগত নিৰ্মাণ কৰা বহু সংখ্যক মন্দিৰৰ নিৰ্মাণকাৰ্য, গাঁথনি, আকৃতি আৰু তাত আৱশ্যক হোৱা বস্তুৰ তালিকা চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীত পোৱা যায় ঃ

"ৰংপুৰৰ দেৱীঘৰৰ জোখা। পোত ছয় হাত। দীঘলে ঘৰ পূবা-পশ্চিমাকৈ ২৮ হাত। উত্তৰা-দক্ষিণাকৈ ২৪ হাত। গহ্বৰ ওখ শূন্য ১১ হাত, ডাঠ ৪ হাত, বাৰ ডাঠে ৫ হাত। গহ্বৰ দীঘল ১৮ হাত, বহলে ১৫ হাত, বাৰ ডাঠে ৪ হাত। ঘৰৰ মাজে মূধ ওখ ১৪ হাত; পাচে ৭ হাত। জগমোহন দীঘলে ১৪ হাত, বহলে ১১ হাত, বাৰ ডাঠে ৩ হাত, ওখ শূন্য ৭ হাত। আঁতে কৰ্বালৰ গাঁত ৪৪টা, গুড ২৮৬৩ কলহ, মাহ ৩২৮ ঢোল, শন ৩২৮ ঢোল, গুৰি চূণ ৭৫৩০ ঢোল, শিলচূণ গুড়ি ২০৪০ ঢোল, চকাচূণ ৮২৪৮ কলহ, মাছ ২৪৪ ভাঙ্গ, তেল ৩০ ঢোল, ধুনা ১৮০ সেৰ, ইটা ৪৩৪৮৯৫খন, লঠিয়া শিল ৫৮২৪১টা।"[২]

২. ৰাজভৱন

আহোম যুগত স্বৰ্গদেউসকলে বসবাস কৰা আৰু ৰাজকীয় কাৰ্যৰ কাৰণে নিৰ্মাণ কৰা ঘৰবিলাক হ'ল ৰাজভৱন। ৰাজধানী চৰাইদেউ, চৰগুৱাত এই ভৱনবোৰ বাঁহ-কাঠেৰে নিৰ্মাণ কৰিছিল। ৰাজধানী গড়গাঁৱতো প্ৰথম অৱস্থাত বাঁহ-কাঠেৰেই সকলো ঘৰ নিৰ্মাণ কৰি লৈছিল। বাঁহ-কাঠৰ হ'লেও এই ঘৰবিলাক অতি উন্নত মানৰ আছিল। খুঁটাবিলাক আছিল ৩/৪ হাত আহল-বহল, ওপৰত ২/৩ তৰপৰ চটি, ফুলচটি। এই খুঁটা আৰু চটিবিলাক কাঠকটীয়া শিল্পীসকলে অতি নিমজ আৰু চকুত লগাকৈ কৰিছিল আৰু তাত হেঙুল হাইতালেৰে নানান চিত্ৰ বা ফুলৰ নক্সাৰে দেখিবলৈ অতি চকুত লগা কৰি লৈছিল। জয়ধ্বজ সিংহ স্বৰ্গদেউৰ ৰাজত্ব কালত মোগল সেনাপতি মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত তেওঁৰ লগত অহা ইতিহাসবিদ চিহাবুদ্দিন তালিচৰ বৰ্ণনাত গড়গাঁৱত থকা কাঠ-বাঁহৰ ৰাজভৱনৰ বিষয়ে থকা কথাই এই বিষয়ৰ সাক্ষ্য দিয়ে। তেওঁৰ বৰ্ণনাত আছে ঃ

"ৰজাই মেল মৰা চ'ৰাটো, যাক হোলোংঘৰ বোলে, ১২০ হাত দীঘল, ৩০ হাত বহল ভিতৰে ভিতৰে। চাৰি হাত বেৰৰ ৬৬টা ইয়াৰ খুঁটা। ইমান প্ৰকাণ্ড খুঁটাবোৰ ইমান বঢ়িয়াকৈ মিহি কৰিছে যে পোনেই দেখোতে সেইবোৰ কুন্দত কটা যেন লাগে।"[৩]

বৰ্তমান শিৱসাগৰ জিলাত থকা পকী ৰাজভৱনকেইটা হ'ল— গড়গাঁৱৰ কাৰেংঘৰ আৰু গোলাঘৰ, ৰংপুৰৰ তলাতল ঘৰ, ৰংঘৰ আৰু খাৰঘৰ। গড়গাঁৱৰ সাত মহলীয়া পকী কাৰেংঘৰটো ৰাজেশ্বৰ সিংহ (১৭৫১-১৭৬৯) স্বৰ্গদেৱে নিৰ্মাণ কৰে। তেতিয়া অৱশ্যে ৰাজ্যৰ ৰাজধানী আছিল ৰংপুৰত। বুৰঞ্জীত আছে ঃ

"১৬৮০ শকৰ আঘনত বন ধৰা হৈছে। পূবা-পশ্চিমাকৈ ৪০ হাত। উত্তৰা-দক্ষিণাকৈ ৫৯ হাত। পূবফালে বাৰ ডাঠে ২ হাত। জখলা ঘৰটি দিঘলে ৯ হাত, বলে ... হাত। তাৰে আগৰ ঘৰটি দিঘলে ১০ হাত, বলে ৩ হাত। আৰুটি ঘৰ দিঘলে ১০ হাত, বলে ৩ হাত। তাৰে কোখৰ মাঝৰ বাৰ ডাঠে ২ হাত ১ বেগত ৩ আঙ্গুল। মাঝৰ ঘৰটো ১১ হাত। তাৰ কোষৰ বাৰ ডাঠে ২ হাত ১ বেগত। তাৰে পছিমৰ ঘৰটি দিঘলে ১১ হাত, বলে ৪ হাত।

জলাভেল ঘর

বাৰখান ডাঠে ২ হাত ১ বেগত। পছিমৰ ঘৰটি দিঘলে ৩১ হাত, বলে ৪ হাত। পছিমৰ বাৰ ডাঠে ২ হাত। উত্তৰ ফালৰ বাৰ ডাঠে ২ হাত। ঘৰটি দিঘলে ২৩ হাত, বলে ৫ হাত। তাৰে কোষৰ বাৰ ডাঠে ২ হাত ১ বেগত ৬ আঙ্গুল। তাৰে কোষৰটি ঘৰ দিঘলে ১৭ হাত ১ বেগত, বলে ৮ হাত। তাৰ কোষৰ বাৰ ডাঠে ২ হাত ১ বেগত ৬ আঙ্গুল। দক্ষিণৰটো ঘৰ দিঘে ২৩ হাত, বলে ৪ হাত। দখিনৰ বাৰ ডাঠে ২ হাত। এই তলা ঘৰত দল উত্তৰ ফালে। ঘৰতকৈ বঢ়া। দুই চুকে দুটা গহ্বৰ ৪ হাত। বাৰ ডাঠে ২ হাতকৈ ৪ হাত। ওখ শূন্য ৬ হাত এক বেগতকৈ। মাঝৰটো শূন্য ৭ হাত ১ বেগত। ডাঠে ২ হাতকৈ।"[৪]

গড়গাঁৱৰ কাৰেংঘৰৰ পশ্চিমফালে ভিতৰ গড়ৰ ভিতৰত ৰাজকীয় ভঁৰাল স্বৰূপ দুটা পকী গোলাঘৰ বা খাৰঘৰ আছিল। ইয়াৰে এটা ধন-সোণৰ, আনটো অস্ত্ৰ-শস্ত্ৰ, খাৰু-বাৰুদ, বন্দুক, বৰটোপ, হিলৈ আদিৰ বাবে। সোণৰ গোলাঘৰটো ইতিমধ্যে ধ্বংস হৈছে। গড়গাঁৱৰ ৰাজগড়ত আছিল তিনিখন দুৱাৰ— দক্ষিণৰ খন হ'ল বৰদুৱাৰ, পূবৰ খন পানী দুৱাৰ আৰু পশ্চিমৰ খন ন-দুৱাৰ বা কমলাবৰীয়া দুৱাৰ। বৰ্তমান দুৱাৰকেইখন ধ্বংস হৈছে। পশ্চিমফালে থকা দুৱাৰৰ কাষৰ ইটাৰ গাঁথনি এটা মাথোন বৰ্তমানলৈকে থাকি এই দুৱাৰৰ স্মৃতি ৰাখিছে।

১৭০২ চনত ৰুদ্ৰ সিংহ স্বৰ্গদেৱে ৰাজধানী গড়গাঁৱৰপৰা ৰংপুৰলৈ স্থানান্তৰ কৰে। স্বৰ্গদেউৰ কাৰেংঘৰটো আছিল কাঠ-বাঁহৰ। ওচৰতে পশ্চিম কাষে খেল-ধেমালি কৰাই ৰং চাবৰ কাৰণে কাঠ-বাঁহৰ এটা দুমহলীয়া চাংঘৰ সাজি লৈছিল। পিছত ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে পুৰণি কাৰেংঘৰৰ স্থানত পকীকৈ বৰ্তমানৰ তলাতল ঘৰটো নিৰ্মাণ কৰে। পুৰণি ৰাজভৱনটো নিৰ্মাণ সম্পৰ্কে বুৰঞ্জীত আছে ঃ

"১৬১৯ শকৰ আঘোনৰ ৩ দিন জায়োতে গুৰুবাৰে ১০ ভগু বেলি হলত ৰুদ্ৰ সিংহ ৰাজা ডিমউৰ পুস্কনিত চাব ধৰিলে। ফাগুনৰ ১৭ দিন জোৱাত উছৰ্গা কৰিলে। ১৬২১ শকৰ আঘনৰ ১২ দিন জাওঁতে সোমবাৰে নগৰ আৰম্ভ কৰিলে। ১৬২৬ শকৰ আঘনৰ ১২ দিন জাওঁতে সুকুৰবাৰে স্তম্ভ ৰোপণ। ১৬২৯ শকৰ কাতিৰ ১৭ দিন জায়োতে সুকুৰবাৰে মহাৰাজা ঘৰ উঠিল। নগৰৰ নাম ৰংপুৰ দিলে। বড়ঘৰ ১ বাটঘৰ ১ বড়মৰঙ্গ ১ চাঙ্গমাইসাল ১ বড়চৰা ১। কাঠৰ ৰুৱাৰে ওপৰত ইটা পৰা। ১৬৬১ শকৰ কাতিত খহিলত ইটা গুচাই কাঠৰ ৰুৱাতে খেৰেৰে চালে।"[৫]

ৰুদ্ৰ সিংহ স্বৰ্গদেৱে কাঠৰ দুমহলীয়া ৰংঘৰটোৰ কাষতে এটি সৰু পকী ৰংঘৰ সজাইছিল। কিন্তু এই ভৱনটোৰ স্থাপত্য-ভাস্কৰ্য সম্পৰ্কে কোনো কথা পোহৰলৈ অহা নাই। বৰ্তমানৰ দুমহলীয়া ৰংঘৰটো প্ৰমত্ত সিংহ (১৭৪৪-১৭৫১) স্বৰ্গদেৱে নিৰ্মাণ কৰাইছিল। এই ৰংঘৰটো এছিয়াৰ ভিতৰত প্ৰথম খেল-ধেমালিৰ পেভিলিয়ন স্বৰূপ। আহোম যুগত স্বৰ্গদেউ, ৰাজপৰিয়ালৰ লোক, প্ৰধান ডাঙৰীয়াসকলে ৰংঘৰৰপৰা আৰু সাধাৰণ প্ৰজাই তলৰপৰা সন্মুখৰ ৰূপহী পথাৰত ৰূপায়ণ কৰা বিভিন্ন নৃত্য-গীত, ম'হ-যুঁজ, কণী-যুঁজ, হাতী-যুঁজ, বাঘ-ঘোঙৰ যুঁজ আদি নানান খেল উপভোগ কৰিছিল।

ৰংঘৰৰ ভাস্কৰ্য-স্থাপত্য অতি মন কৰিবলগীয়া। ইয়াৰ ওপৰত দুয়ো মূৰে দুটা মগৰে অলংকৃত কৰিছে। ইয়াৰ আৰ্হি মগৰমুখী নৌকা। মগৰ দুটাৰ মাজত সৰু-সৰু তিনিটা মন্দিৰ, মাজৰ শিৱদ'লৰ

ৰংঘৰৰ বাকৰিত বিহু

(খালল্লুৰ ৰহমানৰ (পাহৰ ছবি (সীমাৰজ্যোতি মহন্তৰ সৌজন্যত)

ৰংঘৰৰ চালৰ ওপৰত থকা ভাস্কৰ্যৰ এটা ৰূপ

প্ৰতিকৃতিয়েই ৰংঘৰটোৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। ইয়াৰ বেৰত ম'হ-যুঁজ, হাতী-যুঁজ, লতা ফুল আদি বিভিন্ন ভাস্কৰ্যৰ সমাহাৰ ঘটিছে। একেদৰে কাৰেংঘৰ আৰু তলাতল ঘৰতো বিভিন্ন লতা ফুল আৰু দেৱ-দেৱীৰ মূৰ্তিয়ে শোভা কৰিছিল। কাঠ-বাঁহৰ ৰাজভৱনৰ ক্ষেত্ৰতো এনে সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থা ৰাখিছিল যদিও ইবিলাক আছিল ঘৰৰ খুঁটা আৰু চটিবোৰত। এইবিলাক আছিল অস্থায়ী স্থাপত্য। অস্থায়ী স্থাপত্যৰ ভৱনসমূহ আছিল টুপ লগা, খুঁটাবিলাক কেইবাসিৰীয়া, চটিবিলাকৰ ভিতৰত আছিল বৰচটি, সৰু চটি, ফুল চ'টি। ঘৰবিলাক সাজিছিল পূবা-পশ্চিমাকৈ। কাঠ-বাঁহৰদ্বাৰা নিৰ্মাণ কৰা ঘৰবিলাকত প্ৰয়োজন হৈছিল মূধৰ খুঁটা, পানীপাছৰ খুঁটা, যঁতৰ ধৰা, উঘা ধৰা, মূধৰ মাৰলি, ফুলচটিৰ মাৰলি, বানকামী, হুৰাহকামী, শালিকামী, ঘোঁৰা কামী, চাৱনি কামী, ডাং, মূধৰ ডাং, ঠাকুৰা আদি। ঘৰৰ ওপৰত চাৱনি দিছিল সৰন খেৰ, উলুখেৰ, টকৌপাত বা জেঙু পাতৰে।

৩. মৈদাম

আহোম সকলে মৃতকক মৈদাম দিছিল। তেওঁলোকে মৃতকৰ শ সংৰক্ষণ কৰি ৰখা আৰু অতি পবিত্ৰ ভাবেৰে মৈদাম দিয়াৰ প্ৰথা আছিল অতি পুৰণি। কিন্তু আহোম ৰাজত্বৰ শেষ ভাগলৈ হিন্দুধৰ্ম গ্ৰহণ কৰি মৃতকক কাষ্ঠ সংস্কাৰ কৰিবলৈ ধৰে যদিও মোহন, দেউধাই, বাইলুং, কোঁৱৰ আদি বহু বংশৰ মাজত এতিয়াও মৃতকক ৰুঙ্গডাঙত ভৰাই মৈদাম দিয়াৰ প্ৰথা সঞ্চালনিকৈ চলি আহিছে।

> "মৈদাম গঢ়াৰ ৰীতি অনুসৰি এই সমাধিৰ বাবে এটা ঘৰ আটোম-টোকাৰিকৈ সাজি তাৰ ভিতৰত মৃতকৰ ব্যৱহাৰ্য সা-সৰঞ্জামেৰে মৃতদেহ স্থাপন কৰা হয় আৰু এই ঘৰৰ দুৱাৰ বন্ধ কৰি তাৰ ওপৰত মাটিৰ ঢিপ সজা হয়।"[৬]

মৈদাম বা সমাধি মন্দিৰ হ'ল মানৱ-সভ্যতাৰ এক অনন্য অৰিহনা। আহোমসকলৰ মৈদামৰ গঠন-প্ৰণালী অতি চকুত লগা। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰপৰা চলি অহা এই প্ৰথা গ্ৰীচ দেশৰ মাইচিনীয়ৰ সমাধি স্থাপত্য বা চাইবেৰিয়াৰ আলটাইসকলৰ তুষাৰ সমাধিৰ লগত সামান্যভাৱে হ'লেও সাদৃশ্য আছে। মিছৰৰ মৃতকৰ সমাধি পিৰামিডসমূহৰ আৰ্হিতকৈ কিছু পৃথক আহোমসকলৰ মৈদামসমূহ বৌদ্ধস্তূপৰ আকৃতিৰ লগত অৱশ্যে কিছু মিল দেখা যায়।

'মৈদাম' হ'ল এটা তাই ভাষাৰ শব্দ। 'দাম'ৰ অৰ্থ মৃতক। 'ময়-দাম' বা 'মৈ-দাম' হ'ল মৃতকৰ ভেটি। মৃতকক অস্থায়ী ঘৰ বা ৰুংডাং সাজি তাত তেওঁ জীৱিত কালত ব্যৱহাৰ কৰা সা-সৰঞ্জামসমূহেৰে সৈতে মৃতকক ৰাখি তাৰ ওপৰত মাটি দি মৈদাম সাজে। আহোম স্বৰ্গদেউসকলৰ শৱদেহৰ লগত আলপৈচান ধৰিবৰ কাৰণে জীৱিত পুৰুষ আৰু খাদ্যৰ বাবে অন্যান্য দ্ৰব্যৰ লগতে ঘৰচীয়া জীৱ-জন্তুও দিছিল। স্বৰ্গদেউসকলৰ শৱদেহ ৰুংডাঙত ভৰাই মৈদামথলিলৈ কঢ়িয়াই নিবৰ কাৰণে লুখুৰাসন বুলি এখেল নিৰ্দিষ্ট মানুহ আছিল। ডাঙৰীয়াসকলৰ ক্ষেত্ৰত নিজৰ পৰিয়ালৰ মানুহেই কঢ়িয়াই নিছিল। কিন্তু এওঁলোকৰ মৈদামত কেৱল লাগতীয়াল বস্তুহে দিছিল। স্বৰ্গদেউ, ৰাণী বা ৰাজমাওৰ মৃতকৰ লগত জীৱিত প্ৰাণী দিয়াৰ কথা বুৰঞ্জীয়ে সাক্ষ্য দিয়ে। যেনে ঃ

> "When Pratap Singha's (AD 1603-1641) mother died, he entombed with her four elephants, ten horses and seven men."

চৰাইদেউ হ'ল অসমৰ জেৰুজালেম স্বৰূপ। ইয়াত তেৰ শতিকাৰপৰা আহোম যুগৰ শেষ

চৰাইদেউৰ ৰাজ্যিক প্ৰত্নতাত্ত্বিক উদ্যানত মৈদামৰে সৈতে এটা বৰটোপ



সময়লৈকে সকলো ৰজা, ৰাণী, ৰাজমাও আৰু ৰাজকোঁৱৰ বংশৰ প্ৰায় সকলো লোককেই মৈদাম দিয়া হৈছিল। ইয়াৰ ব্যতিক্ৰম মাথোন কেইজনমান ৰজা আৰু ৰাজপৰিয়ালৰ লোক। তেওঁলোকৰ ভিতৰত আছিল যোৰহাটৰ ৰজামৈদামত যোগেশ্বৰ সিংহ আৰু কামেশ্বৰ সিংহৰ মৈদাম, নামতিৰ চামগুৰিত ল'ৰা ৰজা আৰু চুহুংৰজাৰ মৈদাম, ডিমৌৰ শেনচোৱা পুখুৰীত চুহুংমুং দিহিঙীয়া ৰজাৰ মৈদাম আৰু চৰগুৱাত দুটামান মৈদাম। চৰাইদেউত নিমনা গড়ৰপৰা ধোদৰ আলিৰ দক্ষিণে চণ্টকলৈকে লেঠাৰিকৈ চৰাইদেউ পাহাৰত কেইবা লানিত বহু সংখ্যক মৈদাম আছে। বৰ্তমানৰ চুকাফা নগৰত ৰুদ্ৰ সিংহ, ৰাজেশ্বৰ সিংহ, শিৱ সিংহ, প্ৰমত্ত সিংহ এই চাৰিজনা স্বৰ্গদেউৰ মৈদাম কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগৰ অধীনত আৰু অন্য পোন্ধৰটা ৰাজ্যিক পুৰাতত্ত্ব বিভাগৰদ্বাৰা সংৰক্ষিত হৈ আছে। ইয়াৰ বাহিৰে ইয়াত থকা বাকী সকলো মৈদাম অসংৰক্ষিত অৱস্থাত থাকি দিনে-দিনে ধ্বংস হৈ যাব ধৰিছে অথবা মানুহৰ বেদখলত পৰি হেৰাই যাব ধৰিছে। চৰাইদেউত থকা অসমৰ গৌৰৱ স্বৰূপ পৰ্বতাকাৰ মৈদামসমূহৰ এনে দুঃখজনক অৱস্থা অতি পৰিতাপৰ বিষয়।

মৈদামসমূহ দুই প্ৰকাৰৰ— সাধাৰণ মৈদাম আৰু পকী মৈদাম। শাল, শিগুৰি, উৰিয়াম আদি কাঠেৰে ঘৰ সাজি তাৰ ওপৰত মাটি জাপি নিৰ্মাণ কৰা মৈদামসমূহ সাধাৰণ কেঁচা মৈদাম। শিল-ইটাৰে পকী ঘৰ সাজি তাৰ ওপৰত মাটি জাপি বন্ধা মৈদামবোৰ হ'ল পকী মৈদাম। ৰজাজনৰ খ্যাতি আৰু কৰ্মৰ বাবে মৈদামৰ আকাৰ সৰু বা ডাঙৰ হয় আৰু তেনেদৰে মৈদামৰ ভিতৰত ৰখা বয়-বস্তুৰো কিছু তাৰতম্য দেখা যায়। কিছুমান পকী মৈদাম আনকি দুই বা তিনি মহলালৈকে গাঁথি মৈদাম বন্ধা হৈছিল। চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীয়ে এনে কিছু সংখ্যক মৈদামৰ বিস্তৃত বৰ্ণনা ধৰি ৰাখিছে। এই বৰ্ণনাসমূহত কীৰ্তিচিহ্নসমূহৰ ভাস্কৰ্য-স্থাপত্যৰ বিৰল চানেকী পোৱা যায়। গদাধৰ সিংহ স্বৰ্গদেউৰ মৈদাম সম্পৰ্কে আছে ঃ

"১৬৭২ শকত আঘোনৰ ২৭ দিন যাওঁতে বুধবাৰে ডেৰ পৰ মাৰিলত পূবলৈ মুখে কোৰৰ চাব মাৰি বন ধৰা হ'ল। ১৬৭৫ শকত আঘোনৰ ১৮ দিন যাওঁতে * দেৱ ঘৰত উঠিল। ঘৰৰ জোখা—

তলৰটো ঘৰ দীঘে ১৩ হাত ১ বেগেত, বহলে ১২ হাত ১ বেগেত, বাৰ ডাঠে ৫ হাত, ওপৰৰ টুপ বহলে ৪ হাত ১ বেগেত ৪ আঙ্গুল, ওখ শূন্য ১২ হাত। দক্ষিণৰ টুপ বহলে ৩ হাত ১ বেগেত, ওখ শূন্য ৭ হাত, টুপৰ বাৰ ডাঠে ২ খন ৮ হাত ১ বেগেতকৈ, মাঝৰ ফাৰুবাৰ ডাঠে ৩ হাত ১ বেগেতকৈ। ঘৰৰ শূন্য ১২ হাত। ওপৰ তলা ঘৰ দীঘে ২৩ হাত ১ বেগেত, বহলে ১২ হাত ১ বেগেত, বাৰ ডাঠে ৪ হাত, ওখ শূন্য ১১ হাত। উত্তৰৰ টুপ বহলে ৭ হাত, ওখ শূন্য ৯ হাত, দক্ষিণৰ টুপ বহলে ৭ হাত, শূন্য ৯ হাত, টুপৰ বাৰ ডাঠে ৬ হাতকৈ, মাজৰ ফাৰুবাৰ ডাঠে ৩ হাত ৮ আঙ্গুলকৈ। জখলা ৫ হাত, ওখকে ঘৰ খুৰাপাটৰপৰা চাললৈ ৩০ হাত, তাৰেপৰা ওপৰৰ দ'লৰ চুলালৈ ৬ হাত, মুঠতে ৩৬ হাত।

আতে লাগিছে তলৰ তলাত গুড় ৫৬৮১ কলহ, মাহ ৬৯৬ ঢোল, শন ৬৩৫ ঢোল, শিলচূণ ২৬০০ ঢোল, শামুকচূণ ১৪৭০০ ঢোল, চকাচূণ ৭১৩৮ কলহ, মাছ ১৮৬ ভাঙ্গ, তেল ২০ সেৰ, ধুনা ২৪০ সেৰ, লঠিয়া শিল ১২৫০০০টা, ইটা ১৪৯৯৫০০খন।

জয়সাগৰ বৰপুখুৰীৰ সৈতে জয়দ'ল

ওপৰৰ ঘৰত গুড় ৩৬০৬ কলহ, মাহ ৪১৪ ঢোল, শন ৪১২ ঢোল, শামুকচূণ ৯২২০ ঢোল, চকাচূণ ৬৪৬২ কলহ, মাছ ৪৯২ ভাঙ্গ, তেল ৩৫ সেৰ, ধুনা ৪৫৬ সেৰ, ইটা ৭২০৩৬০খন।"[৭]

এইটো হ'ল দুমহলীয়া পকী মৈদামৰ ভিতৰত নিৰ্মাণ কৰা ঘৰ। পকী মৈদামৰ বিভিন্ন অংশসমূহ হ'ল মাটিৰ সমানলৈকে শিল-ইটাৰে গঢ়া খুৰাপাট, ঘৰৰ এমূৰে বঢ়াই দিয়া কোঠা— টুপ, জখলা-খটখটি; শিল-ইটাৰে সজা মূল কক্ষ— গহ্বৰ; মৈদামৰ আটাইতকৈ ওপৰত থকা বিন্দু— ঘটচুলা; চাৰিখন চালযুক্ত ঘৰ— চৌচালি, আৰ বেৰ— ফাৰুবাৰ, বাসটাক, মুধ, নখ, ডিমা গড় আদি। মৈদামৰ মূল বাহিৰৰ অংশক গা-মৈদাম কয়। মূল মৈদামৰ কাষতে কেতিয়াবা স্বৰ্গদেউৰ অতি মৰমৰ লোকক সৰুকৈ মৈদাম দিয়ে। তাক কয় পেট-মৈদাম। সাধাৰণ কেঁচা মৈদামবিলাক ১২/১৩ হাত দীঘল, ৭/৮ হাত বহল এটা শাল, শিঙৰী আদি টান কাঠেৰে গৰাল মাৰি তাৰ ওপৰত মাটি জাপি দ'ল যেন কৰি মৈদাম বান্ধে। এই গৰালৰ ওপৰ অংশত কেইবা তৰপ কাঠৰ জাপ দি তাৰ ওপৰত মাটি দিয়ে।

স্বৰ্গদেউসকলৰ উপৰি ৰাজ্যৰ প্ৰধান ডাঙৰীয়া বুঢ়াগোহাঞি, বৰগোহাঞি, বৰপাত্ৰগোহাঞি, বৰবৰুৱা, বৰফুকন আদি লোকৰ ক্ষেত্ৰতো মৃতকৰ মৈদাম ডাঙৰকৈ বান্ধিছিল। কিন্তু সাধাৰণ লোকৰ ক্ষেত্ৰত কাঠৰ তক্তাৰে ৰুংডাং সাজি তাত শদেহ ভৰাই পুতি থোৱাৰ নিয়ম। বুঢ়াগোহাঞি পৰীয়া ডাঙৰীয়াসকলৰ মৈদাম লংকাক পানীচিলত লংককীয়া ফৈদৰ খামপেং, মনখাম আদিৰ মৈদাম, দিলিহ গোহাঞি গাঁৱত দিলিহিয়াল ফৈদৰ শুকুলা হুদু, দীঘলা, আফুৱা খামপাট আদিৰ মৈদাম, কোঁৱৰপুৰত টেপৰতলীয়া ফৈদৰ হাতীপোৱালী, ৰূপেশ্বৰ, কলিমন আদিৰ মৈদাম, চেৰেকাপাৰাত বাঁহগড়ীয়া ফৈদৰ আতন আৰু তেওঁৰ বংশৰ মৈদাম, শিৱসাগৰ নগৰৰ কাষত পুখুৰীপৰীয়া ফৈদৰ চেংমুন আদি অন্যতম। বৰগোহাঞি ডাঙৰীয়াসকলৰ ভিতৰত মাদুৰী, মেছাগড়, মটিয়াছিগা আদিত লাইখেপেনা, কমলাকান্ত, নুমলী, চাওকান বানৰুক, খামপেং দ'লবন্ধা আদি ডাঙৰীয়াসকলৰ বহুখিনি মৈদাম আছে। বৰপাত্ৰগোহাঞি ডাঙৰীয়াসকলৰ প্ৰায় সকলোৰে মৈদাম শিৱসাগৰ নগৰৰ পুবে কেন্দুগুৰিত আছে। ইয়াত থকা মৈদামৰ ভিতৰত কনচেং, ছুপা, ৰুদ্ৰেশ্বৰ, অনি, দুৰ্গেশ্বৰ, দণ্ডেশ্বৰ, ধনী, খৰাশল আদিৰ মৈদাম অন্যতম। এই তিনিজনা ডাঙৰীয়াৰ উপৰি বৰবৰুৱা, বৰফুকনৰ কিছু মৈদাম ৰহদৈ পুখুৰীৰ ওচৰত, শিমলুগুৰি, গেলেকী, লাকুৱা, ভজোত আছে। এইবিলাকৰ উপৰি নাজিৰা, চূণপোৰা, হাঁহচৰা, চৰুগুৱা, গৌৰীসাগৰ, পাটসাঁকো, টেঙাপুখুৰী আদি অঞ্চলত ভালেখিনি সৰু-বৰ মৈদাম আছে।

৪. পুখুৰী

পুখুৰী শিল্প আহোম যুগৰ এক উল্লেখযোগ্য অৱদান। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ কৌশলসমৃদ্ধ সাগৰ সদৃশ পুখুৰী আৰু সমতলতকৈ বহু ওপৰলৈকে বছৰৰ সকলো সময়তে পানীৰে ওপচি থকা বিষয়টোৱে আহোম যুগৰ পুখুৰী শিল্পক মহীয়ান কৰি তুলিছে। জয়সাগৰ পুখুৰী, গৌৰীসাগৰ পুখুৰী, শিৱসাগৰ পুখুৰী, আঠাই সাগৰ পুখুৰীৰ কলেৱৰ ইমান ডাঙৰ যে ইহঁতক সাগৰ আখ্যা দিয়া হয়। এই পুখুৰীসমূহ কাৰিকৰী কৌশলৰ অপূৰ্ব চানেকি।

আহোম যুগৰ পুখুৰীসমূহ বিভিন্ন কাৰণত খন্দোৱা হৈছিল। ৰজা-ৰাণী বা প্ৰধান ডাঙৰীয়াৰ

বরপাত্র জগদ্ধাত্রী দ'লর দেবালয় দশভূজা দুর্গার বাহন ড্রেগন

স্মৃতি ৰক্ষাৰ্থে, ৰণত জয়ী হোৱাৰ স্মৃতিত, ৰজাঘৰীয়া বিভিন্ন কামৰ সুবিধাৰ্থে, পূজা-সেৱাৰ কাৰণে আৰু ৰাইজৰ খোৱা পানীৰ অৰ্থে প্ৰধানতঃ পুখুৰী খন্দা হৈছিল। জয়সাগৰ পুখুৰী ৰুদ্ৰ সিংহ স্বৰ্গদেউৰ মাক জয়মতী কুঁৱৰীৰ স্মৃতিত, ধাই পুখুৰী শিৱ সিংহ স্বৰ্গদেউৰ ধাই মাকৰ স্মৃতিত, ৰহদৈ পুখুৰী গদাধৰ সিংহ স্বৰ্গদেউক সহায় কৰা ৰহদৈৰ স্মৃতিত খন্দাইছিল। এই পুখুৰীসমূহৰ প্ৰত্যেকতে একো-একোটা বুৰঞ্জীমূলক ঘটনা সাঙুৰ খাই আছে।

পুখুৰীৰ কাৰণে ভূ-গৰ্ভত থকা পানীৰ আৱশ্যক। ভূ-গৰ্ভজাত পানীৰ পুং বা উহ নিৰ্ণয় কৰিব জনা অভিজ্ঞ মানুহ আছিল। তেওঁলোকে দুটা পদ্ধতিৰে পানীৰ উহ নিৰ্বাচন কৰিছিল। প্ৰথমতে মাটি চেলেকি বা মাটিত কাণ পাতি পানীৰ উহৰ সন্ধান লয়। তাৰ পিছত পানীৰ উহ থকা বুলি অনুমান কৰা ঠাইত গাঁত খান্দি গভীৰ নিশা চাকি জ্বলাই প্ৰকৃত পানীৰ উহৰ ঠাই নিৰ্বাচন কৰে আৰু তাকে কেন্দ্ৰ কৰি পুখুৰী খান্দে—

"পুখুৰী খান্দিব খুজিলে ৰজাৰ বিষযাই পোনতে মাটি চেলেকি চাই মাটি ঠিক কৰি আহে। তাৰ পিছত নিফুত এন্ধাৰ নিশা সেই ঠাইত কিছুমান সৰিযহ তেলৰ চাকি জ্বলোৱা হয়। তেল-শলিতা থাকোতে বতাহ নবলাকৈ যিবোৰ চাকি নুমাই যায় তাত একোটা খুঁটি পুতি থয়। তাৰ পিছত এখন ডাঙৰ চাকিত সৰহ তেল শলিতা দি জ্বলাই লৈ আগতে পোতা খুঁটিবোৰৰ ঠাইত দি যায়। য'ত সেই চাকিখন নুমাই যায়, তাকে সোঁ মাজ কৰি পুখুৰী খান্দে।"[৮]

পানীৰ উহৰ স্থানক কেন্দ্ৰ কৰি সৰু বা ডাঙৰ আকাৰৰ পুখুৰী খান্দে। উহৰ স্থানৰ চাৰিওফালে দুই বা তিনি খাপ কৰি মাটি কাটি পুখুৰীৰ পাৰ বান্ধে। পুখুৰীৰ বাজত চাৰিওফালে যমুনা খান্দি পুখুৰীৰ পাৰ ওখ আৰু বহল কৰে। পিছত পুখুৰীৰ মাজভাগত থকা পানীৰ উহ ফুটালে ধাৰাসাৰে ভূ-গৰ্ভত সঞ্চিত হৈ থকা পানী ওপৰলৈ ওলাই আহে। তেতিয়া এই স্থানত ডাঙৰ শাল বা টান পোন কাঠ এডালত লুৰি কৰি পানীৰ উহ ওলোৱা স্থানত বহুৱাই দিয়ে। এইডালৰ নাম নাগমাৰি। নাগমাৰিডাল বহুৱাৰ লগে-লগে ওপৰলৈ ওলাই অহা পানী নিয়ন্ত্ৰণ কৰে। নাগমাৰিৰ গুৰিত পাৰা যাতীয় ৰহ ঢালি দিছিল আৰু এই ৰহৰ কাৰণে পুখুৰীৰ পানী সদায় নিৰ্মল-ফটফটীয়া হৈ আছিল। এনেদৰে ভূ-গৰ্ভৰ পানীৰ উহত নাগ পোতাৰ বাবে এনে পুখুৰীক নাগপোতা বা নাগফুটা পুখুৰী বুলিও কয়।

ভূ-বিজ্ঞানৰ মতে পৃথিৱীৰ উপৰি ভাগৰ কোমল মাটিৰ তললৈ শিল, বালি, পাথৰযুক্ত কেইবাটাও স্তৰ আছে। ইয়াত কিছুমান অভেদ্য তৰপ (impermeable layer) থাকে আৰু তাত ভূ-গৰ্ভস্থ পানী জমা থাকে। এনে পানীৰ তৰপটোক একুইফাৰ (aquifer) কয়। পুখুৰী খান্দি এনে সুগভীৰ একুইফাৰ অঞ্চলত ফুটা কৰিলেই ধাৰাসাৰে ওপৰলৈ পানী ওলায় আৰু পুখুৰীত পানী ওপচি পৰে। সেয়েহে এনে ঠাইত খন্দা পুখুৰীত বছৰৰ সকলো সময়তে মাটিৰ সমতাৰ বহু ওপৰলৈকে পানী থাকে।

ৰজাঘৰীয়া পুখুৰীবিলাক আহল-বহল ডাঙৰ আকৃতিৰ আছিল। ইয়াৰ পাৰবিলাকো আছিল যথেষ্ট বহল। পাৰৰ বাহিৰে চাৰিওফালে খাৱৈ বা যমুনা আছিল। পুখুৰীৰ আকাৰভেদে এনে যমুনা দুটাৰপৰা সাতটালৈকে আছিল। এই যমুনাবিলাক পুখুৰীৰ পানী নিয়ন্ত্ৰণ কৰিবলৈ খান্দিছিল আৰু তাৰ মাটিবিলাক

প্ৰথমজন অসমীয়া মুখ্য অভিযন্তা হৰিপ্ৰসাদ বৰুৱাৰ তত্ত্বাৱধানত নিৰ্মাণ কৰা এই কপিকল লগোৱা দলংখন যাতায়াতৰ বাবে ১৯৩৫ চনত মুকলি কৰা হৈছিল। নাজিৰাত অৱস্থিত 'আসাম কোম্পানী'ৰ মাল-বস্তু অনা-নিয়া কৰা জাহাজ ভৰ বাৰিষা অনায়াসে দলঙৰ তলেদি সৰকি যাব পৰাকৈ দলঙৰ মাজ অংশ দাঙিবৰ বাবে কপিকল লগোৱা হৈছিল। অসমত এনেকুৱা দ্বিতীয় এখন দলং নাই।

গুৰি কৰি তৰপে-তৰপে পাৰত দি হাতীৰে গচকাই মজবুত কৰিছিল। বুৰঞ্জীত আছে ঃ

"পুখুৰীৰ ভিতৰফালে তিনি খাপ মানকৈ দ কৰে আৰু বাহিৰে খাবৈ খান্দি পাৰ ভেটি দিয়ে। পুখুৰীৰ পাৰ বান্ধোতে মাটিবোৰ গুৰি কৰি তলৰেপৰাই হাতীৰে গচকাই টিপি দিয়ে যাতে পানী নিগৰি-নিগৰি যাব নোৱাৰে।"[৯]

আহোম যুগত প্ৰায় তিনিশ সৰু-ডাঙৰ পুখুৰী খন্দা হৈছিল আৰু ইয়াৰ সৰহ সংখ্যকেই আছিল মজলীয়া আকাৰৰ। সাগৰ সদৃশ পুখুৰীৰ সংখ্যা কম। জয়সাগৰ পুখুৰী, গৌৰীসাগৰ পুখুৰী, শিৱসাগৰ পুখুৰী, আঠাই সাগৰ পুখুৰী (পুৰণি পুখুৰী), ৰুদ্ৰ সাগৰ পুখুৰী (ন পুখুৰী) আদি বৃহৎ আকাৰৰ পুখুৰী। ৰাজধানী ৰংপুৰৰ দক্ষিণে জেৰেঙা পথাৰত ৰুদ্ৰ সিংহ স্বৰ্গদেৱে তেওঁৰ মহীয়সী মাতৃ জয়মতী কুঁৱৰীৰ স্মৃতিত ১৬১৯ শকত জয়সাগৰ পুখুৰীটো খন্দাই তাৰ পাৰত দ'ল বান্ধি উছৰ্গা কৰিছিল। আহোম যুগত খন্দা পুখুৰীৰ ভিতৰত এইটোৱেই আটাইতকৈ ডাঙৰ পুখুৰী।

"পুখুৰীটো পানীত দীঘে পূবা-পশ্চিমাকৈ ২৪৮ বেও, প্ৰস্থে উত্তৰা-দক্ষিণাকৈ ১৯৫ বেও। মাটি কালি পানীত ১১৭ পুৰা ২ বিঘা ৯ লোচা। পুখুৰীটো পাৰেৰে সৈতে দীঘ ২৯৫ বেও, প্ৰস্থে ২৬৮ বেও আৰু মুঠ মাটিকালি ২১০ পুৰা ১ বিঘা ২ কঠা ১০ লোচা। উত্তৰপাৰ বহলে ৪৯ লেও হাত, ৭ খাবৈত, ৭ ঢাপে। দক্ষিণ পাৰ বহলে ১৮ লেও হাত, ৭ হাত খাবৈত, ৭ ঢাপে। পশ্চিম পাৰ বহলে ৩৩ লেও হাত, ৮ হাত খাবৈত, ৬ হাত ঢাপে।"[১০]

শিৱ সিংহ স্বৰ্গদেউৰ বৰকুঁৱৰী ফুলেশ্বৰীয়ে গৌৰীসাগৰত ১৭২৩ চনত খন্দোৱা ৰাজ্যৰ দ্বিতীয় সৰ্ববৃহৎ গৌৰীসাগৰ পুখুৰীটোৰ পানীত মাটিকালি ১১৩ পুৰা ১ বিঘা ৪ কঠা ১৬ লোচা। তৃতীয় সৰ্ববৃহৎ, শিৱসাগৰ নগৰৰ মাজমজিয়াত থকা, শিৱসাগৰ পুখুৰীটো খন্দাইছিল শিৱ সিংহ স্বৰ্গদেউৰ ৰাণী অম্বিকা কুঁৱৰীয়ে ১৬৫৫ শকত। পানীত ইয়াৰ মাটি কালি ৯৭ পুৰা ২ বিঘা ২ কঠা আৰু পাৰেৰে সৈতে ১৯৪ পুৰা ২ বিঘা ২ কঠা ৫ লোচা।

জয়সাগৰৰ পশ্চিমে বৰ আলিৰ কাষত জয়ধ্বজ সিংহ স্বৰ্গদেৱে ১৬৫২ চনত আঠাইসাগৰ পুখুৰী (পুৰণি পুখুৰী) আৰু তাৰ দক্ষিণে লক্ষ্মী সিংহ স্বৰ্গদেৱে ১৭৭৩ চনত ৰুদ্ৰসাগৰ পুখুৰী (ন পুখুৰী) খন্দাইছিল। ইয়াৰ পিছতে মজলীয়া আকাৰৰ পুখুৰীৰ ভিতৰত আহোম যুগৰ উল্লেখযোগ্য পুখুৰী হ'ল— মেছাগড় পুখুৰী, মঠিয়াছিগাত ৰাজমাও পুখুৰী, বগীদ'লত বগীদ'ল পুখুৰী, গড়গাঁও বৰকলাত মিঠা পুখুৰী, চৰাইদেউত শ-ধোৱা পুখুৰী, বৰগোহাঞি পুখুৰী, বুঢ়াগোহাঞি পুখুৰী, চিৰিং পুখুৰী, ধোপাবৰত ৰহদৈ পুখুৰী, টেঙাপুখুৰী, চেতিয়া ফুকনৰ পুখুৰী, লংকাকত পানীবিল পুখুৰী, মনখামৰ পুখুৰী, কাঠবৰুৱা পুখুৰী, চেৰেকাপাৰত আতন বুঢ়াগোহাঞি পুখুৰী, সোণাৰিত সোণাৰি পুখুৰী, ৰজাপুখুৰী, নাফুকত নাফুকী ৰাজমাও পুখুৰী, বৰহাটত আটাল পুখুৰী, নাহৰ পুখুৰী, সোণাৰি বাঁহবাৰীত দীঘলী পুখুৰী, গটঙা পুখুৰী, আইদেউবাৰী চাহবাগিচাত আইদেউ পুখুৰী, নাজিৰাত বৰবৰুৱা পুখুৰী, সুন্দৰ পুখুৰী, লিগিৰী পুখুৰী, লখিমী পুখুৰী, ফুলপানী বৰুৱা পুখুৰী, খটখটী পুখুৰী, হাঁহচৰাত হাঁহচৰা পুখুৰী, কেন্দুগুৰি পুখুৰী, আইদেউ পুখুৰী, দ'ল পুখুৰী, শলগুৰিত বৰবৰুৱা পুখুৰী, বৰপাত্ৰ পুখুৰী, চাৰিঙত দেওৰজা পুখুৰী, বামুণ পুখুৰী, ম'ৰা পুখুৰী, ফুলপানীছিগা পুখুৰী, চৰগুৱাত বৰপুখুৰী, গোহাঞি পুখুৰী, নিতাই পুখুৰী, ৰাজমাও পুখুৰী, ধাইপুখুৰী, আঠাবাৰী পুখুৰী, দিখৌমুখত

সপ্তঘোঁৰাই টানি নিয়া ৰথত সূৰ্য দেৱতা
ৰবপাত্ৰ জগদ্ধাত্ৰী দ'লৰ দেৱালত থকা শিলাভাস্কৰ্য

মগলৌ পুখুৰী, তেলীয়াডোঙা পুখুৰী আদি অন্যতম। ইয়াৰ উপৰি শিৱসাগৰ জিলাৰ চুকে-কোণে মজলীয়া আৰু সৰু আকাৰৰ বহু পুখুৰী আছে। ইয়াৰে বহুতো পুখুৰীত পিট হৈ অথবা মানুহৰ দখলৰ মাজত সোমাই নষ্ট হৈছে।

৫. প্ৰতিৰক্ষা আৰু গড়

আহোম যুগত প্ৰতিৰক্ষা ব্যৱস্থা অতি চকুত লগা আছিল। শত্ৰুক ভেটা দিবৰ কাৰণে সুউচ্চ মাটিৰ গড় নিৰ্মাণ কৰি লৈছিল। গড়ৰ ওপৰত মানুহ গৰু কিয় বন্দুক-বৰটোপৰ গুলিও সৰকি যাব নোৱাৰাকৈ মকাল জাতীয় এবিধ অতি কাঁইটযুক্ত কুটুহা বাঁহ ৰোৱা হৈছিল। গড় আৰু গড়ৰ ওপৰত ৰোৱা বাঁহ শত্ৰুৰ বাবে দুৰ্ভেদ্য প্ৰাচীৰ হৈছিল। ইয়াৰ উপৰি গড়বিলাকৰ বাহিৰফালে দ গড়খাৱৈ খান্দি বছৰৰ সকলো সময়তে পানীৰে পূৰ্ণ কৰি ৰখা হৈছিল।

ৰাজধানী গড়গাঁৱক বাজগড়, ভিতৰগড় আৰু ইটা গড় এই তিনিখাপৰ গড়েৰে মেৰাই লৈছিল। ইয়াৰ বাজগড়ৰ বাহিৰ কাষে দ গড়খাৱৈ আছিল। বৰ্তমান এই গড়খাৱৈটোৰ কিছু ক্ষতি হৈছে। গড়গাঁৱৰ পূব কাষে গাতে লগাই গদাধৰ সিংহ স্বৰ্গদেৱে গড়গাঁৱৰ দৰেই চাৰিওফালে গড় মাৰি বৰক'লা নগৰখন নিৰ্মাণ কৰিছিল। ৰাজধানী গড়গাঁৱক ভিতৰ কৰি গোটেই গড়গাঁও নগৰখনক বাঁহগড়েৰে মেৰাই লৈছিল। এই গড় হ'ল পূবে ৰাজগড়, উত্তৰে পথালিগড়, পশ্চিমে আৰু দক্ষিণে বাঁহগড়। এই চাৰিওফালৰ গড় এতিয়া যাতায়াতৰ মূল পথলৈ পৰিণত হৈছে। ৰাজধানী গড়গাঁৱত দিয়াৰ দৰেই এই বাঁহগড়তো তিনিখন প্ৰধান দুৱাৰ দিছিল। এই তিনিখন দুৱাৰক সিংহদুৱাৰ বুলি কয়।

"গড়গাঁও মেৰাই বাঁহগড় বান্ধি দহখন দুৱাৰ দিলে। তিনি ঠাইত তিনিখন সিংহদুৱাৰ দিলে। এই আপাহতে বৰবৰা নাম গুচাই শুকটি তামুলীক বৰবৰুৱা পাতিলে জেওৰা ভেটিবৰ ভাল দেখি।"

ৰুদ্ৰ সিংহ (১৬৯৫-১৭১৪) স্বৰ্গদেৱে ৰাজ্যৰ ৰাজধানী ৰংপুৰলৈ স্থানান্তৰ কৰোঁতেও গড়গাঁৱৰ দৰেই চাৰিওফালে গড় মাৰি ৰাজধানীখন লৈছিল। ইয়াত ১২০ পুৰা মাটি মেৰাই বাজগড় নিৰ্মাণ কৰি তাৰ ভিতৰত ৰজাৰ কাৰেং-তলাতল ঘৰ নিৰ্মাণ কৰিছিল। চুচেংফা স্বৰ্গদেৱে চণ্টকৰপৰা লাকুৱা, মাহমৰা, গড় চাৰিআলি হৈ টিংখাঙলৈকে ৰাজগড় বন্ধাইছিল। চুহুংমুং দিহিঙীয়া ৰজাই গৌৰীসাগৰত বৰআলিৰপৰা উত্তৰলৈ দিখৌ নৈ আৰু দিলিহ নৈ পাৰ কৰি দিচাংমুখলৈকে বন্ধোৱা গড়টোৰ নাম হাৰমতী গড়। বৰ্তমান এই গড়টো গৌৰীসাগৰৰ ওচৰৰ নকটানীৰপৰা পাণবেচালৈকে জৰাজীৰ্ণ অৱস্থাত থাকি পুৰণি দিনৰ সাক্ষী হৈ আছে।

জয়ধ্বজ সিংহ স্বৰ্গদেৱে জাঁজী গড়মূৰপৰা জকাইচুক মৌজাৰ মাজে গৌৰীসাগৰৰ বৰআলিত লগাই এটা গড় বন্ধাইছিল। ইয়াৰ নাম মাছখোৱা গড়। বৰ্তমান এই গড়টো ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত সোমাল। গড়গাঁৱৰ পূবে লাকুৱাত ৰাজগড়ৰপৰা দক্ষিণলৈ ধোদৰ আলি পাৰ কৰি নগা পাহাৰলৈকে বন্ধোৱা গড়টোৰ নাম নিমনা গড়। আহোম ৰাজ্যৰ দাঁতিয়লীয়া অঞ্চলত পাহাৰৰ নগাসকলে সময়ে-সময়ে আমনি কৰি থকাৰ কাৰণে নাহৰকটীয়া-জয়পুৰৰপৰা আৰম্ভ কৰি নগা পাহাৰৰ কাষে-কাষে নামৰূপ, সোণাৰি, তিৰুপথাৰ, গেলেকী হৈ গোলাঘাটলৈকে নিৰ্মাণ কৰা গড়টোৰ নাম লাদৈগড়। বৰ্তমান শিৱসাগৰ জিলাত থকা এই গড়টোৰ সৰহ অংশ নগা ৰাজ্যৰ মাজত সোমাইছে। ইয়াৰ

উপৰি নামদাং শিলাসাকোঁৰ পূবে বৰআলিৰপৰা দক্ষিণ ফাললৈ কেৰিমেৰী গড়, জয়সাগৰৰ পশ্চিমে মানকটা আলিৰ কাষত ১২০ পুৰা মাটি সামৰি পঙ্গগড়, গড়গাঁৱৰ উত্তৰে গোমোঠাত গড়েৰে মেৰাই দৰিকা নগৰ নিৰ্মাণ কৰিছিল।

৬. যাতায়াতৰ পথ আৰু শিলাসাঁকো

আহোম যুগত যাতায়াতৰ সুচলাৰ্থে বহু সংখ্যক আলি নিৰ্মাণ কৰা হৈছিল। ক'বলৈ গ'লে বৰ্তমান শিৱসাগৰ জিলাত থকা প্ৰায় সকলো আলিয়েই আহোম যুগৰ। গড়গাঁও, চৰাইদেউ, চৰগুৱা আৰু ৰংপুৰত ৰাজধানী থকাৰ সময়ত ৰাজ্যৰ সকলো ঠাইৰ লগত যোগাযোগ ৰাখিবৰ কাৰণে এই আলিবোৰ নিৰ্মাণ কৰা হৈছিল।

গড়গাঁৱৰ চূণপোৰা দুৱাৰৰপৰা শিৱসাগৰ নগৰ পাৰ কৰি কোঁৱৰপুৰ মৌজাৰ মাজে বাঘচূকত বৰআলিত লগ লগাই গড়গঞা ৰজাই নিৰ্মাণ কৰা আলিটোৰ নাম গড়গাঁও আলি। বৰ্তমান এই আলিটো গড়গাঁৱৰপৰা শিৱসাগৰলৈকে নাজিৰা আলি আৰু তাৰপৰা বৰআলিলৈকে টেক্সী আলি বুলি পৰিচিত। গড়গাঁৱৰ দক্ষিণে দিখৌৰ বৰঘাটৰপৰা (বৰ্তমান চূণপোৰা ঘাট) নাজিৰা, জয়সাগৰ, গৌৰীসাগৰ হৈ দিখৌমুখলৈকে বন্ধোৱা আলিটোৰ নাম বৰ আলি। একেদৰে গড়গাঁৱৰপৰা উত্তৰে দিচাং পাৰ কৰি বকতা, চেপন, মৰাণ হৈ শলগুৰিলৈকে শলগুৰি আলি, চূণপোৰাৰপৰা অলপ পশ্চিমত গড়গাঁও আলিৰপৰা উত্তৰলৈ হাৰিপৰা আলি, দক্ষিণলৈ শুকটি আলি, খেলুৱা উন্নয়ন খণ্ডৰ ওচৰত হাৰিপৰা আলিৰপৰা হাঁহচৰা মৌজাৰ মাজে কুজিবালিত দিখৌ নৈ পাৰ হৈ জোকতলি মৌজাৰ মাজে মাদুৰী, মেছাগড়, মেজেঙা হৈ দক্ষিণৰ লাদৈ গড়লৈকে চটাই আলি, নামদাং শিলাসাঁকোৰ ওচৰত বৰআলিৰপৰা দক্ষিণলৈ বেজগাঁও, চাৰিং-আমগুৰি হৈ নগাপাহাৰলৈ নগাআলি, মেজেঙাত ধোদৰ আলিৰপৰা দক্ষিণলৈ বৰফুকন আলি, আদি উল্লেখযোগ্য আলি।

ৰাজধানী ৰংপুৰৰপৰা দিখৌ নৈ পাৰ কৰি শিৱসাগৰ নগৰৰ পশ্চিম কাষেদি চৰগুৱাৰ মাজে দিহিঙমুখলৈকে শিৱ সিংহ স্বৰ্গদেৱে বন্ধাইছিল ধাই আলি, শিৱসাগৰ নগৰত গড়গাঁও আলিৰপৰা ডিব্ৰুগড়লৈ বৰবৰুৱা আলিটো (বৰ্তমান ৰাষ্ট্ৰীয় পথ) গদাধৰ সিংহ স্বৰ্গদেৱে বন্ধাইছিল, ৰাজেশ্বৰ সিংহ স্বৰ্গদেউৰ দিনত কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ পুতেক উমা ডেকা বৰুৱাই শিৱসাগৰত ধাই আলিৰপৰা উত্তৰলৈ দিচাংমুখ পাৰ কৰি ঢকুৱাখানালৈ নিৰ্মাণ কৰিছিল ডেকা বৰবৰুৱা আলি। অন্যান্য আহোম যুগৰ আলিৰ ভিতৰত বৰপাত্ৰ আলি, মেটেকা আলি, টাৰিমুৱা আলি, খৰিকটীয়া আলি, ডাউকী আলি, হলৌ ফুকন আলি, গোমোঠা আলি, ৰমণী আলি, ৰহদৈ আলি, শ'নিয়া আলি, নামতি আলি আদি শিৱসাগৰ জিলাৰ ভিতৰত উল্লেখযোগ্য আহোম যুগৰ আলি।

যাতায়াতৰ পথবিলাকত নৈ, জান, জুৰি আদি পাৰ হোৱাৰ বাবে বাঁহ-কাঠৰ দলং, সাঁকো আদিৰ লগতে কিছু ঠাইত শিল-ইটাৰে শিলাসাঁকো, পুল আদি স্থায়ীভাৱে নিৰ্মাণ কৰিছিল। শিল-ইটাৰে নিৰ্মাণ কৰা শিলাসাঁকোসমূহৰ ভিতৰত নামদাং শিলাসাঁকো, দৰিকাৰ শিলাসাঁকো, দিঁজেখনাৰ শিলাসাঁকো, ৰংপুৰৰ নদুৱাৰৰ শিলাসাঁকো অন্যতম। বৰ্তমান এইকেইখন শিলাসাঁকো ধ্বংস নোহোৱাকৈ আছে যদিও শিলাসাঁকোকেইখন উপযুক্তভাৱে সংৰক্ষণ নকৰাত ধ্বংস হোৱাৰ উপক্ৰম হৈছে। হাঁহচৰাৰ শিলাসাঁকো, জয়সাগৰৰ শিলাসাঁকো, ৰহদৈৰ শিলাসাঁকো, ডিমৌৰ শিলাসাঁকো, নাফুকৰ শিলাসাঁকো আদি শিলাসাঁকোসমূহ ইতিমধ্যে ধ্বংস হৈছে।

শিলাসাঁকোসমূহত ব্যৱহাৰ কৰিছিল গোটা শিল, লঠিয়া শিল, চেপেটা শিল আৰু শিল-বালি। ইয়াৰ গাঁথনিৰ কাৰণে মাছ, তেল, শন, হাঁহকণী, গুৰ, মাহ, শিলচূণ, শামুকচূণ, চকাচূণ আদিৰ মিশ্ৰণক কৰাল ৰূপে ব্যৱহাৰ কৰিছিল। এই শিলাসাঁকোসমূহৰ ভিতৰত নামদাং শিলাসাঁকোখনেই আটাইতকৈ দীঘল আৰু উন্নত মানৰ। ৰাষ্ট্ৰীয় ঘাইপথত থকা এই দলংখনেৰে আহোম যুগৰ পিছতো ইংৰাজ যুগত বিশ্বযুদ্ধৰ সময়ত, স্বাধীনতাৰ পিছত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অতি গধুৰ যান-বাহনবোৰৰ লগতে সাধাৰণ যাতায়াতৰ হেজাৰ-বিজাৰ গধুৰ গাড়ী আজি ৩/৪শ বছৰ ধৰি পাৰ হোৱাৰ পিছতো এই দলংখনে সগৌৰৱে আজিও আহোম যুগৰ ঐতিহ্য বৰ্তাই ৰাখিছে। ই কম গৌৰৱৰ কথা নহয়। গাঁথনিৰ ক্ষেত্ৰত ৰংপুৰৰ ন-দুৱাৰত থকা শিলাসাঁকোখনেই অতি উন্নত মানৰ। বুৰঞ্জীত আছে ঃ

"ন-দুৱাৰ শিলাসাঁকোৰ লেখ— ১৬৫২ শকৰ পুহৰ ১০ দিন যোৱাত শুক্ৰবাৰে ন-দুৱাৰৰ মুখৰ সাঁকো বন্ধা হৈছে। সাঁকোৰ তলিত দীঘলে ৪ বেও, পথালি ২ বেও ২ হাত, পোত ৫ হাত, ওখকৈ মুঠ ১২ হাত। মথৰি ডেৰ হাত ৪ আঙ্গুল, ওপৰত দীঘলে ৮ বেও, বহলে মথৰি ১২ হাত, মথৰি ডেৰ হাতকৈ দুয়োফালে ৩ হাত, ঝপাই ১৫ হাত। আতে লঠিয়া শিল ২৪৮৫৬০টা, পাটশিল ৭২খন, ইটা ২৫১৫৮০খন। কৰালৰ গাঁত গুড় কুৰিয়া ৩১টা, ডেৰকুৰীয়া ১০টা, দুকুৰীয়া খৰাঁৰ ৩টা, পনাৰ ২টা, মুঠ গাঁত ৪৬টা। আতে গুৰ ১১২০ কলহ, মাহ ১২২ ঢোল, শন ১৮৪ ঢোল, শিলচূণ ৩৩৪০ ঢোল, শামুকচূণ ১৩০০ ঢোল, চকাচূণ ১৬০ কলহ। ১৬৫২ শকৰ পুহৰ ১০ দিন যাওঁতে ধৰা হ'ল। সাঙ্গ হ'ল ফাগুনত।"[১১]

পাদটীকা ঃ

১. **আহোমৰ দিন**, হিতেশ্বৰ বৰবৰুৱা, পৃঃ-২১।
২. **টাই সংস্কৃতিৰ ৰূপৰেখা**, লীলা গগৈ, পৃঃ-১৫৯।
৩. **বৃহৎ টাই জাতি**, ৰামেশ্বৰ বড়া, পৃঃ-২৬৯।
৪. **চাংৰুঙ্গ ফুকনৰ বুৰঞ্জী**, সম্পাদনা ঃ ভীমকান্ত বৰুৱা, পৃঃ-৪।
৫. **বুৰঞ্জীৰ ৰূপৰেখা ঃ শিৱসাগৰ**, ড° লীলা গগৈ, পৃঃ-৩৫।
৬. **অসমৰ বিলুপ্ত মৈদাম পৰম্পৰা**, ড° প্ৰদীপ শৰ্মা, পৃঃ-১।
৭ **চাংৰুঙ্গ ফুকনৰ বুৰঞ্জী**, সম্পাদনা ঃ ভুবন গগৈ, পৃঃ-৬।
৮. **বুৰঞ্জীয়ে পৰশা নগৰ**, লীলা গগৈ, পৃঃ-৪১।
৯. ঐ, পৃঃ-৪২।
১০. **বুৰঞ্জীৰ পৰশ**, দিলীপ কুমাৰ বুঢ়াগোহাঞি, পৃঃ-৫৪।
১১. **চাংৰুঙ্গ ফুকনৰ বুৰঞ্জী**, সম্পাদনা ঃ ভুবনচন্দ্ৰ সন্দিকৈ, পৃঃ-৪। বেও— হ'ল এক জোখ। ১ বেও = ৮ হাত বা ১২ ফুট।

পুষ্পনাথ ভূঞা

আপুৰুগীয়া সম্পদৰ আলপৈচান

স্বৰ্গদেউসকলে নিৰ্মাণ কৰা দ'ল- দেৱালয়ৰ বাহিৰেও শিৱসাগৰ নগৰত তিনিপদ সম্পদ যথাযোগ্য স্বীকৃতি নোপোৱাকৈ আছে। তিনিজন মনীষীৰ স্মৃতি বিজড়িত এই সম্পদ তিনিপদ হ'ল— একমাত্ৰ অসমীয়া আই-ছি-এছ বিষয়া আনন্দৰাম বৰুৱাৰ নামত থকা উদ্যানখন, দ্বিতীয়তে প্ৰথমজন অসমীয়া চীফ ইঞ্জিনীয়াৰ হৰিপ্ৰসাদ বৰুৱাৰ তত্বাৱধানত নিৰ্মিত অসমৰ একমাত্ৰ কপি-কলসংযুক্ত দিখৌ নদীৰ ওপৰত লোহাৰ এৰাপৰলীয়া দলংখন আৰু তৃতীয়তে মহাত্মা গান্ধীয়ে দুৱাৰ মুকলি কৰা কালীপ্ৰসাদ স্মৃতি ভৱনটো।

আনন্দৰাম বৰুৱাই শিৱসাগৰৰ বাহিৰে অসমৰ অন্য কোনো ঠাইতে চাকৰি কৰা নাছিল। তেখেত প্ৰথম ভাৰতীয় ডিষ্ট্ৰিক মেজিষ্ট্ৰেটো আছিল। তেখেতৰ এটা প্ৰতিমূৰ্তি বা আৱক্ষমূৰ্তি উদ্যানখনত নথকাতো পৰিতাপৰ কথা হৈছে। শিৱসাগৰৰ উপায়ুক্তই তেখেতৰ কাৰ্যালয়ৰ সভাকক্ষটো আনন্দৰাম বৰুৱা সভাকক্ষ নামকৰণেৰে বৰুৱাৰ এখন ছবি ৰাখিলে তাৰ গাম্ভীৰ্য বাঢ়িব বুলি ভাবোঁ। কেৱল শিৱসাগৰতে কিয় অসমৰ প্ৰতিখন জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত একে ব্যৱস্থাৰে আনন্দৰাম বৰুৱালৈ শ্ৰদ্ধা নিবেদন কৰিব পাৰে। প্ৰথমজন অসমীয়া মুখ্য অভিযন্তা হৰিপ্ৰসাদ বৰুৱাৰ তত্বাৱধানত দিখৌৰ লোহাৰ দলংখন নিৰ্মাণ হৈছিল। সাহিত্যিক বৰুৱাৰ মইনা শিশু-সাহিত্যলৈ উৎকৃষ্ট অৱদান। এই মহান অসমীয়াজনৰ নামেৰে শিৱসাগৰীয়া ৰাইজে তেল আৰু গেছ আয়োগৰ হতুৱাই দলংখন মেৰামতি কৰোৱাই 'হৰিপ্ৰসাদ বৰুৱা সেতু' নামকৰণ কৰোৱাৰ কথা চিন্তা কৰিব নোৱাৰেনে?

মহাত্মা গন্ধীয়ে দুৱাৰ মুকলি কৰা দ্বিতীয় এটা অনুষ্ঠান বৰ্তমান অসমত নাই। পঁইসত্তৰ বছৰ আগতে দুৱাৰ মুকলি কৰা কালীপ্ৰসাদ স্মৃতি ভৱনৰ বেৰত আমি স্কুলত পঢ়ি থাকোঁতে ফলক এখনত কথাকেইটাৰ উল্লেখ দেখা মনত পৰে। বৰ্তমান সেই ফলকখন নাই। এই স্মৃতিভৱনৰ সন্মুখত গান্ধীজীৰ মূৰ্তি প্ৰতিষ্ঠা কৰি ফলক এখনত কথাকেইটাৰ উল্লেখ থাকিলে সোণত সুৱগা চৰে।

তেল আৰু গেছ আয়োগে তেওঁলোকৰ অভিযান এলেকাত সামাজিক দায়বদ্ধতাৰ পুঁজিৰপৰা যথেষ্ট কাম কৰে। শিৱসাগৰতো নকৰোঁ বুলি কোৱা নাই কাহানিও। শিৱসাগৰৰ ৰাইজ, ৰংপুৰ সাহিত্য সভা, জিলা প্ৰশাসন আদিয়ে ধৰিলে তেল আৰু গেছ আয়োগৰ সহযোগত এই তিনিপদ সম্পদ জিলিকি নুঠাৰ কাৰণ নাই। বীৰ পূজা জীয়া জাতিৰ লক্ষণ।

দক্ষিণাকান্ত বৰুৱা

অসম সাহিত্য সভাৰ পোন প্ৰথম অধিবেশনৰ জিলিঙনি

উনৈছ শ সোতৰ চনৰ ডিচেম্বৰ মাহৰ একুৰি ছদিন। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত এটি চিৰস্মৰণীয় গৌৰৱোজ্জ্বল দিন। সেই দিনাই, উনৈছ শতিকাৰ শেহৰ পিনলৈ অৰ্থাৎ ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে কলিকতাৰ ৩৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ কেইজন মান অত্যুৎসাহী আৰু আত্মবিশ্বাসী প্ৰবসুৱা অসমীয়া ছাত্ৰৰ চাহ-মেলত অংকুৰিত হোৱা আৰু নিচেই কম সময়ৰ ভিতৰতে পাহ মেলি ঠন ধৰি উঠা 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাই' মাতৃভাষাৰ সৰ্বাঙ্গীন উন্নতি কল্পে কৰা সজ প্ৰচেষ্টাসমূহৰ সম্যক বিকাশ লাভ কৰিবলৈ প্ৰয়াস পালে, হেমৰ কোষেৰে ওখ দৌল বান্ধি ভাষাক সাৰথি কৰি নুমাবলগীয়া অসমীয়া নাম জিলিকাই ৰাখোঁতা ওজা সাহিত্যিক হেমচন্দ্ৰ বৰুৱা আৰু আজীৱন অসমীয়া ভাষাৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰি ভাষা-জননীক ষোড়শোপচাৰেৰে পূজা কৰি অহা স্বনামধন্য সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমীয়া ভাষাৰ সৰ্বপ্ৰথম ছপা আলোচনী **অৰুণোদয়** কাকতৰ জন্ম আৰু কৰ্মক্ষেত্ৰ আৰু প্ৰবল প্ৰতাপী আহোম স্বৰ্গদেউসকলৰ লীলাভূমি ঐতিহ্যপূৰ্ণ এই ৰংপুৰ নগৰতে 'সদৌ অসম সাহিত্য সম্মিলনী'ৰ পোন-প্ৰথম অধিৱেশনৰ শুভ উদ্বোধনেৰে।

একে দিনাই কোনো এটা কাম হৈ নুঠে। অসম সাহিত্য সভাৰ ক্ষেত্ৰতো একেই কথা। আমাৰ দেশ পৰাধীনতাৰ পাশেৰে আবদ্ধ হোৱাৰ কিছু বছৰৰ পিছত যেতিয়া খ্ৰীষ্টান পাদুৰীসকলে **অৰুণোদয়**ৰ পোহৰেৰে সেই সময়ৰ শিক্ষা আৰু কলা-সংস্কৃতিৰ প্ৰতি ধাউতি থকা এমুঠি অসমীয়া ডেকাক উদ্ভাসিত কৰি তুলিলে আৰু ১৮৭৩ চনত যেতিয়া অসমীয়া ভাষাক স্কুল আৰু কাছাৰীত পুনৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা হ'ল, তাৰ প্ৰায় লগে-লগেই, গুণাভিৰাম আৰু হেমচন্দ্ৰৰ দৰে বিদ্যোৎসাহী বাটকটীয়াসকলে স্কুলীয়া ল'ৰা-ছোৱালীৰ উপযোগীকৈ কিতাপ লিখিবলৈ আৰম্ভ কৰি অসমীয়া ভাষা-সাহিত্যৰ এটি নতুন যুগৰ পাতনি মেলিলে। ইয়াৰ পিছতে ওপৰত কৈ অহাৰ দৰে 'অ ভা উ সা 'ৰ জন্ম আৰু তাৰ প্ৰায় একে সময়তে কলিকতাতে 'এ এছ.এল ক্লাব' (অসমীয়া ছাত্ৰৰ সাহিত্য সংঘ) নামৰ ছাত্ৰসকলৰ আন এটি সাহিত্যানুষ্ঠাৰো শুভ সূচনা। ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাৰ পিছত এই ক্লাবৰ এটি শাখা তাতো খোলা হয় আৰু এই ক্লাবে ছাত্ৰসকলৰ সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাই আহিছে।

তাৰ পিছতেই এই শতিকাৰ আৰম্ভণিৰ লগে-লগেই ওপৰত কৈ অহা কটন কলেজে অসমত উচ্চ শিক্ষাৰ পোন প্ৰথম বাহন স্বৰূপে অসমীয়া ডেকাচামৰ শিক্ষাৰ প্ৰসাৰ বৃদ্ধি কৰি তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনৰ পথ মুকলি কৰি এখন বহল বিশ্বৰ লগত চিনাকি কৰি দিলে, আৰু তাৰ সুফল স্বৰূপে অসমৰ নানা ঠাইৰ শিক্ষিত ডেকাসকলৰ মাজত কলা-কৃষ্টি আৰু সাহিত্য-সংস্কৃতিৰ বিকাশৰ ভাবে দ-কৈ শিপা মেলিলে আৰু ফল স্বৰূপে সদৌ অসম ভিত্তিত এটা সাহিত্য-সংস্কৃতি-ভাষা বিষয়ক অনুষ্ঠান গঢ়ি তোলাৰ কাৰণে মাজে-মাজে চেষ্টা চলিবলৈ ধৰিলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯০৫ চনত গৌৰীপুৰৰ ৰজা ৰায়বাহাদুৰ প্ৰভাতচন্দ্ৰ বৰুৱা, যোৰহাটৰ জগন্নাথ বৰুৱা, গুৱাহাটীৰ মাণিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে অসমী আইৰ প্ৰথিতযশা সুসন্তানসকলে 'আসাম এছোচিয়েশ্যন' নামৰ এটি উদাৰপন্থী ৰাজনৈতিক অনুষ্ঠান প্ৰতিষ্ঠা কৰি, অসমৰ নানা ঠাইত ইয়াৰ বাৰ্ষিক অধিৱেশন বহুৱাই অসমৰ ৰাজনৈতিক জগতত এটি আলোড়নৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল। এই এছোচিয়েশ্যনৰ ১৯১৫ চনৰ ডিচেম্বৰ মাহত ডিব্ৰুগড়ত বহা অধিৱেশনৰ লগতে ৰায়বাহাদুৰ ফণীধৰ চলিহাৰ উদ্যোগত এখনি সাহিত্য-সম্মিলনো বহুৱা হৈছিল আৰু এছোচিয়েশ্যনৰ সভালৈ অহা সত্যনাথ বৰা, পদ্মনাথ বৰুৱা, বেণুধৰ ৰাজখোৱা আদি সাহিত্যিকসকলে তাত যোগদান কৰিছিল। যোৰহাটতো সেই বছৰতে শৰৎচন্দ্ৰ গোস্বামী, দেৱেশ্বৰ চলিহা আৰু দেৱেশ্বৰ শৰ্মা আদি সাহিত্যপ্ৰেমী লোকসকলৰ উদ্যোগত এখন সাহিত্য-সম্মিলন হৈছিল। তাত তেতিয়াৰ স্কুল বিভাগৰ ইংৰাজ বিষয়া স্মল চাহাবেও যোগ দিছিল বুলি শুনা যায়।

১৯১৬ চনত অসম এছোচিয়েশ্যনৰ অধিবেশন অনুষ্ঠিত হৈছিল গুৱাহাটীত গঙ্গাগোবিন্দ ফুকনৰ সভাপতিত্বত আৰু সেই অধিৱেশনৰ লগতে চন্দ্ৰনাথ শৰ্মা, অম্বিকানাথ বৰা, যতীন্দ্ৰনাথ দুৱৰা, পদ্মধৰ চলিহা, হৰমোহন দাস, সৰ্বেশ্বৰ কটকী আদি জনদিয়েক উৎসাহী ছাত্ৰনেতাৰ প্ৰচেষ্টাত, সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ পৌৰোহিত্যত 'অসমীয়া ছাত্ৰৰ সাহিত্য সম্মিলনী'(পিছলৈ অসম ছাত্ৰ সম্মিলন)ৰ শুভাৰম্ভ হৈ যায় অতি উলহ মালহেৰে আৰু অভূতপূৰ্ব উছাহ-উদ্দীপনাৰ মাজত।

ইয়াৰ পিছৰ বছৰতে অৰ্থাৎ ১৯১৭ চনত শিবসাগৰত অসম এছোচিয়েশ্যনৰ বাৰ্ষিক অধিৱেশন বহুৱাবৰ যোজা চলিল। বোধকৰোঁ ছাত্ৰসকলৰ সাহিত্য সম্মিলনীৰ অভূতপূৰ্ব কৃতকাৰ্যতাৰদ্বাৰা অনুপ্ৰাণিত হৈয়েই ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ৰাধিকনাথ শৰ্মা, লক্ষ্মীকান্ত বৰুৱা আদি জনদিয়েক উৎসাহী আৰু সাহিত্যানুৰাগী ৰংপুৰীয়া ডেকাই অসম এছোচিয়েশ্যনৰ লগতে অসম সাহিত্য সম্মিলনৰ দৰে এটি অনুষ্ঠান উদ্বোধন কৰিবৰ কাৰণে উঠি-পৰি লাগি গ'ল আৰু ছেপ্টেম্বৰ মাহৰ ২৮ তাৰিখে ডেকা বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত হোৱা এখন ৰাজহুৱা সভাত ডিচেম্বৰ মাহত হ'বলগীয়া অসম এছোচিয়েশ্যনৰ লগতে সাহিত্য সম্মিলনীৰ অধিৱেশন এখন পতাৰ বিষয়ে স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ৰংপুৰীয়া ৰাইজৰ এই নতুন উদ্যমত সঁহাৰি দিলে অসমৰ কেইবাজনো সাহিত্যপ্ৰেমী উৎসাহী লোকে। সেইসকলৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, ডাঃ হৰিকৃষ্ণ দাস আৰু সিদ্ধেশ্বৰ গোহাঁই প্ৰভৃতিৰ নাম উল্লেখযোগ্য। এই বিষয়ত সমূহ ৰংপুৰীয়া ৰাইজৰ অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছিল আৰু উদ্যোক্তাসকলৰ এই সজ প্ৰচেষ্টা সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে গোটেই মহকুমাৰ ৰাইজেই যথাসাধ্যে বৰঙণি যোগাইছিল। ২৮ তাৰিখৰ সভাতে ভ্ৰমৰঙ্গখ্যাত উদীয়মান উকিল গুণ্ডানন বৰুৱাক সভাপতি আৰু সাহিত্যানুৰাগী ডেকা উকিল লক্ষ্মীকান্ত

বৰুৱাক সম্পাদক ৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভা হিচাপে আনসকলৰ বাহিৰেও তলত নাম দিয়া বিশিষ্ট নাগৰিকসকল আছিল বুলি জনা যায়। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বিষ্ণুপ্ৰসাদ চলিহা, চন্দ্ৰেশ্বৰ ফুকন, হৰেশচন্দ্ৰ ৰাজখোৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, দোলেশ্বৰ চাংকাকতি, ৰেভাঃ এনড্ৰুজ আৰু কুমুদেশ্বৰ বৰঠাকুৰ। তাৰ উপৰি মেছাগড়ৰ প্ৰাণনাথ গোহাঁই, নাজিৰাৰ মফজ্জল হুছেইন, নিতাইপুখুৰীৰ নিত্যানন্দ কোঁৱৰ আৰু দিহিংমুখৰ আৰ এ উড চাহাব অভ্যৰ্থনা সমিতিৰ অন্তৰ্ভুক্ত আছিল বুলি জনা যায়।

অধিবেশনৰ নানা কামত আগভাগ লৈ আৰু দিহা-পৰামৰ্শ দি উৎসৱ সাফল্যমণ্ডিত কৰোঁতাসকলৰ ভিতৰত ফণীধৰ চলিহা, কেশৱানন্দ ভড়ালী, ৰাধিকাপ্ৰসাদ বৰুৱা, ভূপেন্দ্ৰনাথ ঘোষ, ৰাধিকানাথ শৰ্মা, তাৰাপ্ৰসাদ চলিহা, অন্নদাচৰণ খাটনীয়াৰ, জামায়ৎদ্দিন আহমদ, গণেশচন্দ্ৰ ৰাজখোৱা আৰু ভুবনচন্দ্ৰ গগৈৰ নাম উল্লেখ কৰিব পৰা যায়। স্বেচ্ছাসেৱক বাহিনীত অন্তৰ্ভুক্ত ডেকাসকলৰ ভিতৰত আছিল দুৰ্গাধৰ বৰুৱা, ভৱধৰ ঠাকুৰ, বখৎদ্দৌল্লা, মাণিকচন্দ্ৰ ভট্টাচাৰ্য, পদ্মকান্ত বৰুৱা, আব্দুল গোফাৰ আৰু পদ্মৰঞ্জন বৰুৱা আদি বহুতো। উদীয়মান গীতিকবি পদ্মধৰ চলিহাই সন্মিলনৰ কাৰণে গীত ৰচনা কৰি স্বেচ্ছাসেৱকসকলক গোৱাইছিল বুলি জনা যায়।

সদ্যগঠিত অভ্যৰ্থনা সমিতিয়ে ভাষা-জননীৰ বেদীত প্ৰথম অৰ্ঘ্য নিবেদন কৰাৰ মানসেৰে আশাসুধীয়াকৈ আৰু পূৰ্ণ উদ্যমেৰে কামত অগ্ৰসৰ হ'বলৈ ধৰিলে আৰু ৰংপুৰীয়া ৰাইজৰ অভূতপূৰ্ব সঁহাৰিয়ে উদ্যোক্তাসকলক নতুন প্ৰেৰণাৰে অনুপ্ৰাণিত কৰি তুলিলে। অসম এছোচিয়েশ্যন আৰু সাহিত্য সন্মিলনীৰ কৰ্মীসকলে উমৈহতীয়াভাৱে কামত আগবাঢ়ি যাবলৈ ধৰিলে— নতুনকৈ পাতিব খোজা সন্মিলনখনৰ প্ৰতি কৰ্মীসকলৰ আগ্ৰহ অধিক হোৱা যেনহে পৰিলক্ষিত হৈছিল। বৰ্তমানে চৰকাৰী হাইস্কুল হোৱা খালি হৈ পৰি থকা মাটিডোখৰতে— য'ত এতিয়া গোহাঞি বৰুৱাদেৱৰ আৱক্ষ মূৰ্তি এটি প্ৰতিস্থাপিত কৰা হ'ল তেখেতৰ জন্ম শতবাৰ্ষিকী উপলক্ষে— এটি আহল-বহল সভামণ্ডপ সাজি উলিওৱা হৈছিল দুয়োটা অনুষ্ঠানৰ বাবে।

সভাৰ সভাপতি পদৰ বাবে, এসময়ত শিৱসাগৰ চৰকাৰী হাইস্কুলতে শিক্ষা লাভ কৰি যোৱা আৰু ছাত্ৰ-জীৱনৰেপৰাই সাহিত্য-সাধনাত ব্ৰতী, **ভানুমতী, লাহৰী** আদিৰ খ্যাতনামা ঔপন্যাসিক, **জয়মতী, গদাধৰ, লাচিত বৰফুকন, গাঁওবুঢ়া, টেটোন তামুলী** আদিৰ নাট্যকাৰ, **জুৰণি** আৰু **লীলা** আদি কবিতাপুথিৰ প্ৰণেতা, আৰু **উষা-বিজুলী**ৰ সম্পাদনাৰ দায়িত্বত থাকি নিজৰ সাহিত্য-প্ৰতিভাৰ প্ৰচুৰ সম্ভাৱনাৰ চানেকি দাঙি ধৰোঁতা, দুকুৰি ছবছৰীয়া স্বনামধন্য সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱাক সৰ্বসম্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। সেই সময়ত তেখেত 'মণ্টেগু চেমচ্‌ফোৰ্ড ডেপুটেচন'ৰ কামত কলিকতাত থকাৰ বাবে, এই নিৰ্বাচনৰ খবৰ তেখেতক ততাতৈয়াকৈ টেলিগ্ৰামেৰে দিয়া হৈছিল আৰু তেখেতৰপৰাও ঘূৰি ডাকতে সভাপতিৰ বাব গ্ৰহণ কৰাৰ বিজুলী বাতৰি পাই, সকলোটি বৰ আনন্দিত আৰু উৎসাহিত হৈছিল।

অভ্যৰ্থনা সমিতিৰ তৰফৰপৰা লোৱা বহুল প্ৰচাৰব্যৱস্থাৰ ফল স্বৰূপে সাহিত্য সন্মিলনীৰ অধিবেশনৰ বাবে সমগ্ৰ অসমজুৰি সাহিত্যসেৱী আৰু সাহিত্যপ্ৰেমীসকলৰ মনত উছাহৰ বা বলিবলৈ ধৰিলে। শদিয়াৰপৰা ধুবুৰীলৈকে সকলোৱেই নতুনকৈ বহিবলগীয়া সাহিত্য সন্মিলনীৰ উদ্বোধনীৰ দিনটোলৈ হেঁপাহেৰে বাট চাই থাকিল আৰু যেয়ে যেনেকৈ পাৰে ৰচনা, প্ৰবন্ধসম্ভাৰ আদিৰে ভাষা

১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথমখন অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞি বৰুৱা (সোঁহাতৰ ছবিত)

জননীৰ সেৱা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভেটি টনকীয়াল কৰিবলৈ দৃঢ় সংকল্প লৈ ৰংপুৰ নগৰলৈ আগবাঢ়ি ওলাই আহিল। তেতিয়াৰ দিনত আজিৰ দৰে যাতায়াতৰ সুচল নথকা সত্ত্বেও সাহিত্য সন্মিলনীৰ ৰভাঘৰৰ প্ৰতিনিধি আৰু দৰ্শকমণ্ডলীৰ ভিতৰত ডিব্ৰুগড়, যোৰহাট, নগাঁও, গুৱাহাটী, তেজপুৰ আৰু গোৱালপাৰাৰপৰা অহা ভালেখিনি সাহিত্যানুৰাগী আৰু দেশসেৱক আছিল বুলি জনা যায়। আজিৰ লেখেৰে নিচেই নগণ্য হ'লেও তেতিয়াৰ দিনত অৰ্থাৎ প্ৰায় ছটা দশকৰ আগত, এখন সাহিত্য সন্মিলনীয়ে আঠশৰো অধিক দৰ্শকক আকৃষ্ট কৰিব পৰাটো নিশ্চয় লেখত ল'বলগীয়া কথা। সভাত যোগদান কৰোঁতা আৰু আলোচনাত ভাগ লওঁতা অতিথিসকলৰ ভিতৰত আছিল সত্যনাথ বৰা, বিপিনবিহাৰী বৰা, অম্বিকাগিৰী ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা, ৰাধানাথ ফুকন, মফিজুদ্দিন আহমদ হাজৰিকা, ঘনশ্যাম বৰুৱা, চন্দ্ৰধৰ বৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, অমৃতভূষণ অধিকাৰী প্ৰভৃতি সাহিত্যসেৱকসকল। আমাৰ ৰংপুৰীয়া বিশিষ্ট লোকসকলৰ ভিতৰত আছিল গঙ্গাগোবিন্দ ফুকন, ফণীধৰ চলিহা, ৰত্নধৰ বৰুৱা, অক্ষয়কুমাৰ ঘোষ, তুলসীৰাম বৰুৱা, তীৰ্থেশ্বৰ নাওবৈচা ফুকন, জগন্নাথ বেজবৰুৱা, গুঞ্জানন বৰুৱা, ৰাধিকানাথ শৰ্মা প্ৰভৃতি। সভাত শৰৎচন্দ্ৰ গোস্বামীয়ে 'কীৰ্তনৰ সাহিত্য-সৌষ্ঠৱ', ৰত্নকান্ত বৰকাকতীয়ে 'অসমীয়া ভাষা' আৰু মোছলেহুদ্দিন আহমদে 'অসমীয়া সাহিত্য আৰু মুছলমান' শীৰ্ষক তিনিটি প্ৰবন্ধ পাঠ কৰিছিল।

লক্ষ্মীকান্ত বৰুৱা আৰু যতীন্দ্ৰনাথ দুৱৰা ৰচিত গীতেৰে সভাৰ উদ্বোধন কৰা হয়। তাৰ আগতেই নিৰ্বাচিত সভাপতি পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াক বৰপুখুৰীৰ পাৰত থকা তেখেতৰ বৰজোঁৱাই সিদ্ধেশ্বৰ গোহাঁই মুঞ্চিপৰ চৰকাৰী বাসস্থানৰপৰা স্বেচ্ছাসেৱক দলেৰে পৰিবৃত্ত হৈ, অভ্যৰ্থনা সমিতিৰ তৰফৰপৰা, ফণীধৰ চলিহা ডাঙৰীয়াই বাগীত তুলি আগবঢ়াই আনেগৈ। তাৰ পিছত যথাবিহিতভাৱে সভাপতি বৰণ কৰাৰ পিছত, ৰাইজৰ বিপুল হৰ্ষধ্বনিৰ মাজত, সভাপতি ডাঙৰীয়াই তেখেতৰ সুচিন্তিত, গঠনমূলক আৰু প্ৰেৰণা-উদ্দীপক অভিভাষণখনি পাঠ কৰিবলৈ লয়। অতি প্ৰাঞ্জল ভাষাৰে

১৯৯৩ চনত অনুষ্ঠিত অসম
সাহিত্য সভাৰ শিৱসাগৰ
অধিৱেশনৰ সভাপতি
ড ভূপেন হাজৰিকা
(বাওঁহাতৰ ছবিত)

লিখা এই ছপা কৰা অভিভাষণখনিয়ে ৰাইজৰ মনত যথেষ্ট ৰেখাপাত কৰিব পাৰিছিল আৰু সমজুৱাসকলৰ ভিতৰৰপৰা দু-আষাৰ কওঁতে সকলোৱে অভিভাষণখনি একবাক্যে শলাগিবলৈ ধৰিছিল। তেখেতৰ এই সাৰগৰ্ভ অভিভাষণখনিৰ শেষৰ ফাললৈ তেখেতে অসমীয়া সাহিত্যিকসকলক সম্বুধি কোৱা দু-আষাৰ ইয়াতে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ ঃ

"অসমীয়া ডেকা বন্ধু সাহিত্যিকসকল। আহক, আমি প্ৰত্যেকে নিজৰ শক্তি আৰু ৰুচি অনুযায়ী ভাগে ভাগে আমাৰ সাহিত্যৰ বেলেগ বেলেগ জ্ঞান বিভাগৰ অভাৱ পূৰাবলৈ লাগি যাওঁহক। আমাৰ সাহিত্যৰ ভঁৰালৈ কাব্য, অলঙ্কাৰ, ইতিহাস, পুৰাতত্ত্ব, দৰ্শন, বিজ্ঞান, মানৱতত্ত্ব ইত্যাদি বিষয়ক গ্ৰন্থৰ সৰু-বৰ ডাঙৰি কঢ়িয়াই তাক বাহিৰে-ভিতৰে ডাঙৰ কৰিবলৈ দেহ-মন উছৰ্গি দিওঁহক— যাৰ প্ৰতিভা আছে তেওঁ মৌলিক গ্ৰন্থ প্ৰণয়ন কৰি আৰু যাৰ অধ্যৱসায় আছে তেওঁ অনুবাদ প্ৰচাৰ কৰি আমাৰ জাতীয় সাহিত্য চহকী কৰিবলৈ প্ৰতিশ্ৰুত হওঁহক। আমাৰ পৈণত আৰু পুৰঠ সাহিত্যৰে সৈতে আমাৰ সমাজক বলী কৰা, বলী সমাজেৰে আমাৰ জাতীয় জীৱন বলী কৰা, আমাৰ এতিয়া আটাইতকৈ আগ কাম হৈছে। এই কামত কৃতিত্ব লাভ নকৰাকৈ আমি অহোপুৰুষাৰ্থ কৰিও আমাৰ জাতিক জাতিমুৱা কৰিব নোৱাৰিমহক। এতেকে আৰুবাৰ বোলোঁ, সমনীয়া বান্ধৱসকল, উঠি অহা ডেকা লগৰীয়া সাহিত্যিক সকল। আহক, আমি একে উশাহে আমাৰ মাতৃভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি কল্পে অবাৰিত গতিৰে আগবাঢ়োঁহক। সাহসেই সিদ্ধিৰ আচল মন্ত্ৰ, হতাশাৰ নিগাজি ভেটি নাই।"

আজি তিনিকুৰি বছৰৰ আগৰ এই মহাবাণী আজিও তেনেই সঁচা হৈ থকা নাইনে?

এই সভাতে দহখন শাখা সভা আৰু দুখন স্বীকৃত সভা পঞ্জীবদ্ধ কৰা হয় আৰু সভাৰ নিয়মাৱলী এখনো প্ৰণয়ন কৰি গ্ৰহণ কৰা হয়। এই সভাৰ নাম 'সদৌ অসম সাহিত্য সম্মিলনী' হওক বুলি সভাপতিৰ তৰফৰপৰাই দিয়া মত সকলোৱে গ্ৰহণ কৰে। সভাৰ পৰিচালনাৰ বাবে এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয় আৰু তাত অসমৰ প্ৰায়বোৰ জিলাৰপৰাই সাহিত্যিকসকলক সামৰি লোৱা হয়। এইসকলৰ ভিতৰত আছিল— লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, অমৃতভূষণ দেৱ অধিকাৰী,

অম্বিকাগিৰী ৰায়চৌধুৰী, ৰাধানাথ ফুকন, চন্দ্ৰধৰ বৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, সিংহদত্ত দেৱ অধিকাৰী, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আৰু গুণানন বৰুৱা প্ৰভৃতি। সাহিত্য সম্মিলনখনিৰ বাস্তৱ ৰূপায়ণৰ অন্যতম গুৰি ধৰোঁতা শৰৎচন্দ্ৰ গোস্বামীক সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়।

কোনো-কোনোৰ মতে সম্মিলনীৰ কাম দুদিনীয়াকৈ চলিছিল। অৱশ্যে দুদিনীয়া কাৰ্যসূচীত কি-কি বিষয়ৰ আলোচনা হৈছিল তাৰ সঠিক বিৱৰণ পোৱা নাযায়। তথাপি কোনোবা এনিশা ৰংপুৰৰ কলামোদীসকলৰ একমাত্ৰ সাংস্কৃতিক অনুষ্ঠান 'শিৱসাগৰ নাট্য সমাজে' জয়মতী নাটকৰ সফল অভিনয়েৰে অতিথিবৃন্দক আপ্যায়িত কৰিছিল বুলি জনা যায়। অভিনয়ত গদাপাণিৰ ভাৱত সমগ্ৰ অসমতে পৰিচিত সুপ্ৰসিদ্ধ অভিনেতা ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আৰু জয়মতীৰ ভাৱত ৰংপুৰৰ উঠি অহা অভিনেতা পদ্মধৰ চলিহাই অতি কৃতিত্বৰে অভিনয় কৰিছিল। আন-আন অভিনেতা আৰু অংশগ্ৰহণকাৰীসকলৰ ভিতৰত আছিল— তাৰিণীপ্ৰসাদ বৰুৱা, বংশীভূষণ বৰুৱা, ৰত্নধৰ বৰকটকী, কালীকুমাৰ বৰুৱা, ৰামদেৱ গোস্বামী আৰু কুমুদেশ্বৰ বৰঠাকুৰ প্ৰভৃতি 'নাট্য সমাজৰ' শিল্পীসকল। তেতিয়াৰ দিনত আজিৰ দৰে পকী নাটঘৰত থিয়েটাৰ হোৱা নাছিল। শিৱসাগৰ নাট্য সমাজৰ নাটঘৰ আছিল তেতিয়া বৰ্ডিং ফিল্ডৰে পশ্চিম পিনে থকা এটি খেৰী ঘৰ। খেৰী ঘৰটোৰ মূধত আছিল ওখকৈ সজা ৰঙ্গমঞ্চৰ বাবে আন এটি ঘৰ। তাত বাঁহৰ চাঙৰ ওপৰত কাঠৰ তক্তা দি তৈয়াৰ কৰা হৈছিল মঞ্চ আৰু তাত আঁৰা হৈছিল কলিকতাৰপৰা আঁকাই অনা কেইখনমান দৃশ্যপট। পোহৰ সংযোজনৰ ব্যৱস্থা হৈছিল একে থুপতে সৰহীয়াকৈ মমবাতি জ্বলাই আৰু কেৰাচিন তেলৰ ডাঙৰ-ডাঙৰ ওলমাই দিব পৰা লেম্পৰ সহায়েৰে। শুনা যায় যে অভিনয়ৰ মান বেছ উন্নত আছিল আৰু দৰ্শকবৃন্দই, বিশেষকৈ অতিথিসকলে, ৰংপুৰীয়া ডেকাসকলৰ অভিনয় নৈপুণ্যৰ ভূয়সী প্ৰশংসা কৰিছিল।

দুয়োখন সভাৰ সামৰণি পৰাত ৰংপুৰৰ ৰংচৰা ৰংঘৰৰ বাকৰিত এখন চাহমেলৰ আয়োজন কৰা হৈছিল যুটীয়াভাৱে। তাত দুয়োখন সম্মিলনৰ সভাপতি দুগৰাকী প্ৰমুখ্যে বিশিষ্ট অভ্যাগতসকলৰ উপৰি শিৱসাগৰৰ ভালেখিনি গণ্য-মান্য লোকৰ অপূৰ্ব সমাবেশেৰে এটি মধুৰ পৰিৱেশৰ সৃষ্টি হৈছিল। সেই প্ৰীতি মেলক অসমৰ নানা ঠাইৰপৰা অহা ৰাজনৈতিক আৰু সাহিত্যিক নেতৃবৰ্গৰ অপূৰ্ব মিলন ক্ষেত্ৰ বুলি অভিহিত কৰা হৈছিল আৰু সেইসকল দেশবৰেণ্য লোকে ঐতিহ্যপূৰ্ণ ৰংপুৰৰ ৰংঘৰ আৰু তলাতল-কাৰেংঘৰৰ নিৰ্মাতা আহোম স্বৰ্গদেউসকলৰ পুণ্য স্মৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই নিজ-নিজ ক্ষেত্ৰত ভৱিষ্যৎ কৰ্মপদ্ধতি স্থিৰ কৰিবৰ কাৰণে মনত অনুপ্ৰেৰণা লাভ কৰিছিল। সেই প্ৰীতি মেলৰ মধুৰ সোঁৱৰণীয়ে ৰংপুৰৰ ৰাইজৰ মনত ভালেদিনলৈকে উখল-মাখল লগাই আছিল। শুনা যায় যে সেই প্ৰীতি মেলৰ চিন যুগমীয়া কৰিবৰ উদ্দেশ্যে তাত গোট খোৱা সকলোটিৰে এখনি সমূহীয়া পোহৰ ছবিও লোৱা হৈছিল।

এইদৰেই নানা উলহ-মালহ আৰু উছাহ-উদ্দীপনাৰ মাজেদি অসম সাহিত্য সভাৰ পোনপ্ৰথম গৌৰৱপূৰ্ণ অধিৱেশনৰ 'মধুৰেণ সমাপয়েৎ' হৈছিল— আজিৰপৰা প্ৰায় তিনিকুৰি বছৰৰ আগতে বুৰঞ্জীয়ে গৰকা এই ৰংপুৰ নগৰতে।

(এই প্ৰবন্ধ যুগুতাওঁতে বুৰঞ্জীবিদ বেণুধৰ শৰ্মা আৰু অধিৱেশনৰ স্মৃতি ৰোমন্থন কৰিব পৰা শ্ৰীপদ্মৰঞ্জন বৰুৱা, শ্ৰীহৃদয়ানন্দ ভৰালী আৰু শ্ৰীআনন্দচন্দ্ৰ বেজবৰুৱা দেৱৰপৰা সহায় পোৱা হৈছিল। — লেখক।)
ৰচনাকাল: ১৯৭৭ চন।

গুণ বৰুৱা

সাহিত্য সভাৰ ৫৯তম শিৱসাগৰ অধিৱেশনৰ ৰেঙণি

গোৰেশ্বৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৮তম অধিৱেশনে ৰংপুৰ সাহিত্য সভাৰ নিমন্ত্রণ অৱশেষত গ্রহণ কৰিলে। উক্ত অধিৱেশনত সিদ্ধান্ত লোৱা হৈছিল যে অসম সাহিত্য সভাৰ পৰৱৰ্তী ৫৯তম অধিৱেশন বুৰঞ্জীপ্রসিদ্ধ শিৱসাগৰ চহৰত অনুষ্ঠিত হ'ব।

উক্ত সিদ্ধান্ত অনুযায়ী অধিৱেশনৰ কিছুদিনৰ আগতে শিৱসাগৰ ছোৱালী কলেজত অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি আৰু শিৱসাগৰ ছোৱালী কলেজৰ প্রাক্তন অধ্যক্ষ বীৰেন বৰকটকীৰ সভাপতিত্বত ৫৯তম অধিৱেশনৰ কাৰণে এখন আদৰণী সমিতি গঠন কৰা হয়। এই সমিতিৰ মুখ্য পৃষ্ঠপোষক হিচাপে অসমৰ মুখ্য মন্ত্রী হিতেশ্বৰ শইকীয়াক নিৰ্বাচন কৰাৰ উপৰি অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি বীৰেন বৰকটকীক মুখ্য উপদেষ্টা হিচাপে নিৰ্বাচন কৰা হৈছিল। আদৰণী সমিতিৰ সভাপতি হিচাপে শিৱসাগৰ কলেজৰ প্রবক্তা যোগেন চেতিয়াক নিৰ্বাচিত কৰাৰ উপৰি শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ হাফিজুৰ ৰহমান আৰু শিৱসাগৰ কলেজৰ প্রবক্তা নাহেন্দ্র পাদুনক কাৰ্যকৰী সভাপতি হিচাপে নিৰ্বাচিত কৰা হৈছিল। এই আদৰণী সমিতিৰ সাধাৰণ সম্পাদক হিচাপে শিৱসাগৰ কলেজৰ অসমীয়া বিভাগৰ প্রবক্তা ড° কৃষ্ণকুমাৰ মিশ্রক নিৰ্বাচিত কৰাৰ উপৰি বিশিষ্ট সমাজসেৱক আৰু প্রাক্তন শিক্ষক লক্ষ্মীকান্ত মহন্তক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছিল। ইয়াৰ উপৰি এই অধিৱেশন সুচাৰু ৰূপে অনুষ্ঠিত কৰিবলৈ ২৩খন উপ-সমিতি গঠন কৰা হৈছিল।

অসম সাহিত্য সভাৰ ৫৯তম শিৱসাগৰ অধিৱেশন অনুষ্ঠিত হৈছিল ১৯৯৩ চনৰ ৪, ৫, ৬ আৰু ৭ ফেব্রুৱাৰীত। এইখিনিতে উল্লেখ কৰিব পাৰি যে পূৰ্বতে অসম সাহিত্য সভাৰ ৩খন অধিৱেশন শিৱসাগৰ নগৰত অনুষ্ঠিত হৈছিল। কিন্তু শিৱসাগৰ নগৰৰ ভিতৰত অধিৱেশন অনুষ্ঠিত কৰিবলৈ আহল-বহল ঠাইৰ অভাৱৰ কাৰণে জয়সাগৰত এই অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত আদৰণি সমিতিয়ে গ্রহণ কৰে। এই সিদ্ধান্ত অনুযায়ী ৰূপহী পথাৰত অৱস্থিত এছিয়াৰ প্রথম পেভিলিয়ন ৰংঘৰৰ সন্মুখত থকা ৰূপহী পথাৰত সাহিত্য সভাৰ মঞ্চ আৰু মণ্ডপ নিৰ্মাণ কৰা হয়।

উল্লেখযোগ্য যে স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ খ্ৰীষ্টাব্দত এই দুমহলীয়া ইটাৰ ঘৰ নিৰ্মাণ কৰিছিল। ইয়াৰপৰাই আহোম স্বৰ্গদেউসকলে হাতী, বাঘ, ঘোং, সিংহ, ম'হ, ঘোঁৰা আৰু শেন, কনুৱা আদি চৰাইৰ খেল চাইছিল। এই ৰূপহী পথাৰতেই এদিন ৰূপহীয়ে নাচি ৰজাক মুগ্ধ কৰিছিল। যিখন পথাৰত ৰূপহীয়ে নাচিছিল সেইখন পথাৰ ৰূপহীৰ নামেৰে নামাকৰণ হৈছিল। জয়সাগৰৰ কাৰেংঘৰৰ সন্মুখত গোলাঘৰ থকা পথাৰত প্ৰদৰ্শনী আৰু কাৰেংঘৰলৈ যোৱা পথটোৰ সিপাৰৰ পথাৰত প্ৰতিনিধিসকলৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰা হৈছিল। এই অধিবেশনৰ আদৰণি সমিতিৰ কাৰ্যালয় আছিল নগৰৰ ভিতৰৰ নিকুঞ্জ ভৱনত। প্ৰয়াত নবীনচন্দ্ৰ ভাগৱতীয়ে তেওঁৰ এই ঘৰ ৰাইজৰ কামত বিনামূলীয়াকৈ ব্যৱহাৰ কৰিবলৈ দিছিল। এই অধিৱেশনত অভিলেখ সংখ্যক প্ৰতিনিধি আৰু ৰাইজ

অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলঙ্কৃত কৰা শিৱসাগৰৰ সন্মানীয় ব্যক্তিসকল

১. লক্ষ্মীনাথ বেজবৰুৱা	১৯২৪	গুৱাহাটী
২. ড° মফিদুল ইছলাম বৰা	১৯৪০	যোৰহাট
৩. যতীন্দ্ৰনাথ দুৱৰা	১৯৫৫	গুৱাহাটী
৪. বেণুধৰ শৰ্মা	১৯৫৬	ধুবুৰী
৫. পদ্মধৰ চলিহা	১৯৫৮	তিনিচুকীয়া
৬. ডিম্বেশ্বৰ নেওগ	১৯৬৫	নলবাৰী
৭. নকুলচন্দ্ৰ ভূঞা	১৯৬৭	ডিব্ৰুগড়
৮. ড° মহেশ্বৰ নেওগ	১৯৭৪	মঙ্গলদৈ
৯. বীৰেন বৰকটকী	১৯৮৬	কামপুৰ
১০. ড° মহেন্দ্ৰ বৰা	১৯৮৭	পাঠশালা
১১. ড° নিৰ্মলপ্ৰভা বৰদলৈ	১৯৯১	দুধনৈ
১২. ড° লীলা গগৈ	১৯৯৪	মৰিগাঁও
১৩. চন্দ্ৰপ্ৰসাদ শইকীয়া	১৯৯৯	হাজো

টোকা ঃ অবিভক্ত শিৱসাগৰৰ জাঁজীত জন্ম গ্ৰহণ কৰা তীৰ্থনাথ শৰ্মাই ১৯৭১ চনৰ মাকুম অধিবেশনত আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাই ১৯৭৫ চনত তিতাবৰ অধিবেশনত সভাপতিত্ব কৰিছিল। ১৯৯৩ চনত শিৱসাগৰৰ ৰংপুৰ অধিবেশনত সভাপতিত্ব কৰা ড° ভূপেন হাজৰিকাৰ পিতৃপুৰুষো নাজিৰাৰে আছিল।

সমাবেত হোৱাত শিৱসাগৰ নগৰৰ বিভিন্ন শিক্ষানুষ্ঠানত প্ৰতিনিধি থাকিবলৈ দিয়াৰ উপৰি গৌৰীসাগৰ, নামদাং, ভটীয়াপাৰ, কালুগাঁও, মেছাগড়, সুন্দৰপুৰ আৰু জয়সাগৰৰ শিৱসাগৰ কলেজকে ধৰি বিভিন্ন শিক্ষানুষ্ঠানত প্ৰতিনিধিসকলক থাকিবলৈ দিয়া হৈছিল। প্ৰতিনিধিসকলৰ সভা অনুষ্ঠিত হৈছিল শিৱসাগৰ কলেজৰ মাধৱ বেজবৰুৱা প্ৰেক্ষাগৃহত।

এই অধিৱেশনৰ প্ৰধান বৈশিষ্ট্য ৰংপুৰ শিৰোনামাৰে এখন মূল্যবান স্মৃতিগ্ৰন্থ প্ৰকাশ হোৱাৰ উপৰি অন্য তিনিখন মূল্যবান গ্ৰন্থ প্ৰকাশ পায়। স্মৃতিগ্ৰন্থখনি সম্পাদনা কৰে শিৱসাগৰ ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ প্ৰবক্তা সোণাৰাম বৰুৱাই। ইয়াত সন্নিবিষ্ট প্ৰবন্ধসমূহ তিনিটা ভাগত বিভক্ত কৰা হৈছে। এই স্মৃতিগ্ৰন্থত শিৱসাগৰ জিলাৰ সকলো কীৰ্তিচিহ্নৰ উপৰি অসম সাহিত্য সভাৰ বৰ্তমান স্থিতি, অসমীয়া জাতিৰ প্ৰত্যাশা আৰু অসমৰ জাতীয় জীৱনৰ লগত জড়িত দুই-চাৰিটা প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। এই স্মৃতিগ্ৰন্থখনি অসমীয়া ভাষা-সাহিত্যলৈ বৰুৱাৰ এক অপূৰ্ব উপহাৰ।

ইয়াৰ উপৰি বৰুৱাই সম্পাদনা কৰা অন্য এখন গ্ৰন্থ হ'ল নিৰলাৰ কবি যতীন্দ্ৰনাথ দুৱৰা সোঁৱৰণী প্ৰবন্ধ-সংকলন জেতুকাপাতৰ দৰে। এই গ্ৰন্থত প্ৰয়াত দুৱৰাৰ সম্পৰ্কত অসমৰ ১২গৰাকী সাহিত্যিকৰ ১২টি প্ৰবন্ধ সন্নিবিষ্ট কৰাৰ উপৰি প্ৰয়াত দুৱৰাৰ ভতিজাক বসন্তলাল দুৱৰাৰ নিৰলাৰ কবিগৰাকী সম্পৰ্কে এক চমু জীৱনী অন্তৰ্ভুক্ত কৰাটো এক উল্লেখযোগ্য দিশ। ইয়াৰ উপৰি আদৰণী সমিতিয়ে প্ৰকাশ কৰা অন্য এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল **ভাষাৰ তত্ত্বকথা**। ভাষা আৰু ভাষাতত্ত্ব বিষয়ক নিৰ্বাচিত প্ৰবন্ধৰ এই সংকলনটি সম্পাদনা কৰিছে প্ৰবক্তা নাহেন্দ্ৰ পাদুনে। পাদুনে এই গ্ৰন্থখনিত ভাষা আৰু ভাষাতত্ত্ব বিষয়ৰ ২৬টা প্ৰবন্ধ অন্তৰ্ভুক্ত কৰি আধুনিক ভাষাবিজ্ঞান, অসমীয়া আৰু ভাৰতীয় ভাষাতত্ত্ব দুটা শাখাত বিভক্ত কৰিছে। ইতিমধ্যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই গ্ৰন্থখনি স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত প্ৰসঙ্গপুথি হিচাপে অন্তৰ্ভুক্ত কৰাটো এটি উল্লেখনীয় দিশ। ইতিমধ্যে এই পুথিখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ পাইছে।

আদৰণি সমিতিয়ে প্ৰকাশ কৰা অন্য এখন গ্ৰন্থ হ'ল **সাহিত্য-সংস্কৃতি সৌৰভ** এই গ্ৰন্থখনিত সাহিত্য সম্পৰ্কীয় ২৬টা প্ৰবন্ধ অন্তৰ্ভুক্ত কৰা হৈছে। এই গ্ৰন্থখনি সম্পাদনা কৰে প্ৰয়াত প্ৰবক্তা ডম্বৰু কাকতীয়ে। ইয়াৰ উপৰি এই অধিৱেশন উপলক্ষে ৰংপুৰ সাহিত্য সভাই ৪খন গ্ৰন্থ প্ৰকাশ কৰে।

এই অধিৱেশনৰ অন্য এটি উল্লেখযোগ্য দিশ হ'ল ৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে ড° ভূপেন হাজৰিকাই। ড° হাজৰিকাই তেখেতৰ ৩৪ পৃষ্ঠাৰ ভাষণত আৱাহন-যুগ, অসমীয়া লিপি, অসমীয়া চুটি গল্পৰ বুৰঞ্জী, বৰাক উপত্যকাৰ ভাষা-সাহিত্যৰ সান্নিধ্য, ভাষা সমস্যা, থলুৱা গোষ্ঠীৰ শব্দৰাজি, এখন সৰ্বাধুনিক অসমীয়া অভিধানৰ প্ৰয়োজনীয়তা, ৰাজ্য ভাষা ৰূপে অসমীয়া ভাষাক ৰাজ্য চৰকাৰে ব্যৱহাৰ নকৰা, এটি Literary Complex-ৰ প্ৰয়োজনীয়তা, অসমীয়া সাহিত্যৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰা, সাহিত্যক জনমুখী কৰা, সাধাৰণ ৰাইজৰ মাজত অধ্যয়নৰ অভ্যাস বৃদ্ধি কৰা, অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থৰ বেচৰকাৰী প্ৰকাশকক এটি নগদ পুৰস্কাৰৰে বছৰি পুৰস্কৃত কৰাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে প্ৰবৰ্তন কৰা আদি বিভিন্ন বিষয় হাজৰিকাই অন্তৰ্ভুক্ত কৰি এটি গীতেৰে তেওঁৰ ভাষণৰ সামৰণি মাৰে।

মুকলি সভা উদ্বোধন কৰে বঙ্গদেশৰ সুপ্ৰসিদ্ধ কবি-সমালোচক শংখ ঘোষে। খ্যাতনামা সাংবাদিক খুশৱন্ত সিঙে বিশিষ্ট অতিথি হিচাপে অধিৱেশনত যোগদান কৰে। আনগৰাকী আমন্ত্ৰিত অতিথি অসমৰ মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই তেওঁক আমন্ত্ৰণ কৰা লৈ বিষয়-বাছনি সভাত হোৱা বিতৰ্কৰ কথা জানিব পাৰি মূৰকত অধিৱেশনলৈ নহাৰ সিদ্ধান্ত লয়। সাহিত্য সভাৰ বিষয়-বাছনি সভা অনুষ্ঠিত হৈছিল শিৱসাগৰ কলেজৰ মাধৱ বেজবৰুৱা ভৱনত।

এই অধিৱেশনত দৰ্শকৰ ইমান ভিৰ হৈছিল যে শিৱসাগৰৰপৰা মুকলি সভালৈ দৰ্শক যাওঁতে দৰ্শকৰ হেঁচাত পুৰণি লোহাৰৰ দিখৌ দলঙৰ ৰেলিঙৰ একাংশ বেঁকা হৈ যায় যদিও কোনো লোক ভাগ্যক্ৰমে নিহত নোহোৱাকৈ থাকিল।

এই অধিৱেশনত তিনিখন মনোজ্ঞ আলোচনা-চক্ৰ (পুৰাতত্ত্ব, গীতিসাহিত্য, ব্যাকৰণ), কবি-সন্মিলন আৰু তিনিখন সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হৈছিল। এই সম্পৰ্কে বিতং তথ্য নথকাত লিখিব পৰা নগ'ল। প্ৰাপ্ত বাতৰি মতে, অসম সাহিত্য সভাক আদৰণি সমিতিয়ে এই অধিৱেশন সম্পৰ্কে এখন পুস্তিকা প্ৰকাশ কৰিবলৈ ২০,০০০ টকা দিছিল যদিও অসম সাহিত্য সভাই এই সম্পৰ্কে কামত অগ্ৰসৰ নোহোৱা বুলি জানিব পৰা গৈছে।

আদৰণি সমিতিয়ে অধিৱেশন সমাপ্ত হোৱাৰ পাছত ১৯৯৩ চনৰ ২১ নৱেম্বৰত ৰাজহুৱাভাৱে সাহিত্য সভাৰ আয় আৰু ব্যয়ৰ হিচাপ ৰাজহুৱাভাৱে দিয়াত কোষাধ্যক্ষ লক্ষ্মীকান্ত মহন্ত ধন্যবাদৰ পাত্ৰ। তেওঁক এই ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিছিল প্ৰবক্তা অজিত কাকতী, দিলীপ চক্ৰৱৰ্তী আৰু সন্তোষ কৰ্মকাৰে। হিচাপ পৰীক্ষকৰ প্ৰতিবেদন অনুযায়ী আদৰণী সমিতিৰ মুঠ আয় আছিল ৪৭,২৪,৮৩৮.৮৫ টকা। মুঠ ব্যয় ৪৭,২৪,৮৩৮.৮৫ টকা। এই ব্যয়ৰ ভিতৰত অসম সাহিত্য সভাক দিয়া ২০,০০০ টকা আৰু ৰংপুৰ সাহিত্য সভাক দিয়া ৩৩,৮৭৪.৮৩ টকা অন্তৰ্ভুক্ত কৰা হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ইয়াৰ আগতে শিৱসাগৰত অসম সাহিত্য সভাৰ তিনিখন অধিৱেশন অনুষ্ঠিত হৈছিল। ১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰত শিৱসাগৰ চৰকাৰী বালক ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত সাহিত্য সভাৰ এই প্ৰথম অধিৱেশন অনুষ্ঠিত হৈছিল। ১৯৩১ চনৰ ২৮ ডিচেম্বৰত শিৱসাগৰত অসম সাহিত্য সভাৰ ত্ৰয়োদশ বাৰ্ষিক অধিৱেশন শিৱসাগৰৰ 'কালীপ্ৰসাদ মেম'ৰিয়েল হল'ত অনুষ্ঠিত হৈছিল। সেই সময়ত এই হলটোৰ ভেটিটোও পকা হোৱা নাছিল। চাৰিওফালে ইটা দি ভেটিটোৰ ভিতৰত মাটি ভৰাই থোৱা হৈছিল মাত্ৰ। এই অধিৱেশনত সভাপতিত্ব কৰিছিল গল্পলেখক নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে। সভাপতিৰ আসনৰপৰা লক্ষ্মীনাথ বেজবৰুৱাক চৌধুৰীদেৱে 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰিছিল। পুনৰ ১৯৪৪ চনৰ অক্টোবৰ মাহত অসম সাহিত্য সভাৰ ঊনবিংশ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। এই সভাত সভাপতিত্ব কৰিছিল বাগ্মীবৰ নীলমণি ফুকনে। এই অধিৱেশন অনুষ্ঠিত হৈছিল শিৱসাগৰ চৰকাৰী হাইস্কুলৰ খেলপথাৰত। অৱশ্যে ১৯৬৩ চনৰ ২০ আৰু ২১ এপ্ৰিলত সভাৰ ত্ৰিংশৎ অধিৱেশন নাজিৰাৰ বালক বিদ্যালয়ৰ সমুখৰ খেলপথাৰত অনুষ্ঠিত হৈছিল। এই সভাত সভাপতিত্ব কৰিছিল শেৱালি কবি ৰত্নকান্ত বৰকাকতীয়ে। এইখন অধিৱেশনৰ লগতো শিৱসাগৰৰ চহৰৰ বাইজ জড়িত নোহোৱাকৈ থকা নাছিল।

প্ৰেম গগৈ

শিৱসাগৰৰপৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ (১৯৭৪-২০০৫)

শিৱসাগৰৰপৰা বহুতো স্মৰণিকা বা স্মৃতিগ্ৰন্থ বিভিন্ন সময়ত বিভিন্ন উপলক্ষত প্ৰকাশ পাই আহিছে। এটা সময় আছিল যেতিয়া স্মৰণিকা এখন প্ৰকাশৰ বাবে বহুতো চিন্তা আৰু কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। তথাপি স্মৰণিকা প্ৰকাশ পাইছিল আৰু এনে স্মৰণিকাসমূহে এটা যুগক, একো-একোটা সময়ক প্ৰতিনিধিত্ব কৰি যাউতি-যুগীয়া হৈ পৰিছিল। এই চমু লেখাত শিৱসাগৰপৰা প্ৰকাশিত কেইখনমান স্মৃতিগ্ৰন্থৰ ওপৰত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

শিৱসাগৰৰ অন্যতম অনুষ্ঠান ৰংপুৰ সাহিত্য সভাই ১৯৭৪ চনত ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়ে। এই উপলক্ষে **ৰূপালী জয়ন্তী অধিৱেশন** নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ হৈছিল। এই স্মৃতিগ্ৰন্থ প্ৰকাশৰ আঁৰত উপদেষ্টা ৰূপে বিশিষ্ট সাহিত্যিক বীৰেন বৰকটকী, যোগেন চেতিয়া, যুটীয়া সম্পাদক ৰূপে কৃষ্ণকুমাৰ মিশ্ৰ আৰু হেম বৰুৱা, সদস্য ৰূপে ৰোহিণী কাকতি, অৰুণ কাকতি, বসন্ত ৰায় দুৱৰা আৰু সোণাৰাম বৰুৱা আছিল। সত্তৰ পৃষ্ঠাৰ কেঁচা বন্ধা এই স্মৃতিগ্ৰন্থখনৰ মূল্য আছিল এটকা পঞ্চাছ পইছা। স্মৃতিগ্ৰন্থখনত থকা প্ৰবন্ধসমূহৰ ভিতৰত বুৰঞ্জীবিদ ভুবনচন্দ্ৰ সন্দিকৈৰ 'অৰুণোদয়ৰ আগে-পিছে', পদ্মধৰ চলিহাৰ 'বিস্তাৰ বা বুৰঞ্জী যুগৰপৰা ইংৰাজ আমোললৈকে অসমীয়া সাহিত্য', যতীন্দ্ৰনাথ দুৱাৰাৰ 'নিয়তিৰ পৰাজয়', বিনন্দচন্দ্ৰ বৰুৱাৰ '৺ হৰেশ্বৰ শৰ্মা বৰুৱা ঃ পাহৰণিৰ সাহিত্যিক' আৰু মুকুল ফুকনৰ 'ৰংপুৰৰ ন-সাহিত্যিক ঃ এটি চিনাকি' অন্যতম। ১৯৭৭ চনত অসম সাহিত্য সভাৰ পঞ্চম লেখক-শিবিৰ ৰংপুৰ সাহিত্য সভাৰ সহযোগত শিৱসাগৰত অনুষ্ঠিত হয়। এই উপলক্ষেত অধ্যাপক-কবি নাহেন্দ্ৰ পাদুনৰ সম্পাদনাত **পঞ্চম লেখক শিবিৰৰ স্মৃতিগ্ৰন্থ** নামেৰে এখনি ৯৮ পৃষ্ঠাৰ স্মৰণিকা প্ৰকাশ হৈছিল। কেঁচা বন্ধা আলোচনী আকাৰৰ এই স্মৰণিকা সম্পাদনা সমিতিৰ উপদেষ্টা আছিল সাহিত্যিক বীৰেন বৰকটকী আৰু যোগেন চেতিয়া। কৃষ্ণকুমাৰ মিশ্ৰ সদস্য ৰূপে থকা এইখন ৰংপুৰ সাহিত্য সভাৰ হৈ মুকুল ফুকনে প্ৰকাশ কৰিছিল। এই স্মৰণিকাখনত বুৰঞ্জীবিদ ভুবনচন্দ্ৰ সন্দিকৈৰ 'ৰংপুৰ', নগেন শইকীয়াৰ 'লেখক শিবিৰ ঃ অগ্ৰপশ্চাৎ দৃষ্টি', আব্দুছ ছাত্তাৰৰ 'অসম সাহিত্য সভা আৰু জনতামুখী অসমীয়া সাহিত্য', দক্ষিণাকান্ত বৰুৱাৰ 'অসম

সাহিত্য সভাৰ পোন প্ৰথম অধিবেশনৰ জিলিঙনি', প্ৰফুল্লকুমাৰ বৰুৱাৰ 'শিৱসাগৰৰ নাট্যাভিনয়', যোগেন চেতিয়াৰ 'ঊনবিংশ শতিকাৰ নাটক', পদ্মধৰ চলিহাৰ 'সাংবাদিক জীৱনৰ সৌৰৰণত', সোণাৰাম বৰুৱাৰ 'ৰংপুৰ সাহিত্য সভাৰ সংগঠকসকল', বীৰেন বৰকটকীৰ 'ৰংপুৰ সাহিত্য সভাৰ ইতিবৃত্ত' আৰু জগত চেতিয়াৰ 'সংবাদ সাহিত্যলৈ শিৱসাগৰৰ অৱিহণা' শীৰ্ষক গুৰুত্বপূৰ্ণ প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৯৭৯ চনত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ সভাপতি ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম শতবাৰ্ষিকী কেন্দ্ৰীয়ভাৱে শিৱসাগৰত অনুষ্ঠিত হৈছিল। এই উপলক্ষে নাট্যকাৰ যোগেন চেতিয়াৰ সম্পাদনাত **গোহাঞি বৰুৱাৰ সাহিত্যত এভুমুকি** নামৰ এখন স্মৃতিগ্ৰন্থ ২৬ নৱেম্বৰ ১৯৭৯ চনত প্ৰকাশ পাইছিল। যোৰহাটৰ জনমভূমি প্ৰেছত ছপা কৰা এই স্মৃতিগ্ৰন্থখন পদ্মনাথ গোহাঞি বৰুৱা জন্ম শতবাৰ্ষিকী সমিতি আৰু ৰংপুৰ সাহিত্য সভাই প্ৰকাশ কৰিছিল। মূল্য আছিল তিনি টকা। স্মৃতিগ্ৰন্থখনত পদ্মনাথ গোহাঞি বৰুৱাৰ চিঠিৰ প্ৰতিলিপি প্ৰকাশ হোৱাৰ উপৰি বেটুপাতত তেওঁৰ এখন পূৰ্ণাংগ ছবি প্ৰকাশ হৈছিল। এই স্মৃতিগ্ৰন্থত কবিতা-কোঁৱৰ অম্বেশ্বৰ চেতিয়া ফুকনৰ কবিতা 'স্মৃতি তৰ্পণ'ৰ উপৰি বেণুধৰ শৰ্মাৰ 'গোহাঞি বৰুৱাৰ কথা', বিনন্দচন্দ্ৰ বৰুৱাৰ 'সাহিত্যৰথী— পদ্মনাথ গোহাঞি বৰুৱা', হৰেকৃষ্ণ গোহাঞি বৰুৱাৰ 'দেউতা মানুহজন', নন্দ তালুকদাৰৰ 'ঔপন্যাসিক গোহাঞি বৰুৱা', শিৱনাথ শৰ্মাৰ '**ফুলৰ চানেকি** ঃ এটি সমীক্ষা', ভুবনচন্দ্ৰ সন্দিকৈৰ 'অসমীয়া ভাষা আৰু পদ্মনাথ', ডম্বৰু কাকতিৰ 'গোহাঞি বৰুৱা আৰু আধুনিকতা', সত্যৰঞ্জন কলিতাৰ 'সামাজিক জীৱনত গোহাঞি বৰুৱা', হৰিপ্ৰসাদ নেওগৰ 'পদ্মনাথ গোহাঞি বৰুৱা ঃ এটি অনুষ্ঠান' আৰু লীলা গগৈৰ '**জয়মতী** ঃ গোহাঞি বৰুৱা আৰু বেজবৰুৱা' প্ৰবন্ধ প্ৰকাশ পাইছিল।

১৯৭৫ চনত অসম ৰাজ্যিক পৰিৱহন নিগমৰ কৰ্মচাৰী সংস্থাৰ ১৭শ বাৰ্ষিক শিৱসাগৰ সন্মিলন ২৫, ২৬ আৰু ২৭ এপ্ৰিলত শিৱসাগৰত অনুষ্ঠিত হৈছিল। এই অনুষ্ঠান উপলক্ষে সোণাৰাম বৰুৱাৰ সম্পাদনাত ৰঙীন বেটুপাতসহ এখন স্মৰণিকা প্ৰকাশ পাইছিল। ৫৪ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থখনত যোগেন চেতিয়াৰ 'কেহো নোহে ৰংপুৰ নগৰী সমান', কৃষ্ণকুমাৰ মিশ্ৰ আৰু অমল দত্তৰ 'শিৱসাগৰৰ বুৰঞ্জী আৰু বৰ্তমান ঃ এটি চমু আলেখ', বেণুধৰ শৰ্মাৰ 'পৰিৱহনৰ পুৰণি কথা', হেম বুঢ়াগোহাঞিৰ 'জনগীতত যান-বাহন', ভুবনচন্দ্ৰ সন্দিকৈৰ 'পুৰণি কালত যাতায়াত', চন্দ্ৰ চেতিয়াৰ 'নিতাইপুখুৰীৰ অতীত কাহিনী' আদি উল্লেখযোগ্য তত্ত্বগধুৰ প্ৰবন্ধেৰে সমৃদ্ধ আছিল।

১৯৭৭ চনত শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ উদ্বোধনী সংখ্যা প্ৰথম বছৰ স্মৃতিগ্ৰন্থখন প্ৰকাশ হয়। এই স্মৃতিগ্ৰন্থৰ সম্পাদক আছিল সোণাৰাম বৰুৱা। প্ৰকাশক আছিল কৃষ্ণকুমাৰ মিশ্ৰ। ১৯৭৭ চনৰ ডিচেম্বৰ মাহত প্ৰকাশ হোৱা এই কেঁচাবন্ধা স্মৃতিগ্ৰন্থ ছপা হৈছিল যোৰহাটৰ ভাৰতী প্ৰেছত। এই স্মৃতিগ্ৰন্থত বীৰেন বৰকটকীৰ 'লেখক আৰু সামাজিক দায়িত্ববোধ', যোগেন চেতিয়াৰ 'অসমীয়া নাটকৰ ধেমেলীয়া চৰিত্ৰ', দেউৰাম তাছাৰ 'চাহমজদুৰৰ লোকসংস্কৃতিত দৃষ্টিপাত ঃ গৰয়া গোবৰ্ধন পূজা', কৰবী হাজৰিকাৰ 'ৰহস্য সাহিত্য আৰু অসমীয়া পাঠক', হেম বুঢ়াগোহাঞিৰ 'দেহৰ চৌবিশ তত্ত্ব' আদি প্ৰবন্ধৰ উপৰি ইমৰান শ্বাহ, অৰুণ গোস্বামী, কমলা বৰগোহাঁইৰ গল্প আৰু অঞ্জলীমা বৰুৱা, দিলীপকুমাৰ ফুকন, হেম বৰুৱা, সুৰেশ ফুকন, আনন্দ শৰ্মাৰ কবিতা প্ৰকাশ হৈছিল।

১৯৮৯ চনৰ ২৬, ২৭ ডিচেম্বৰত শিৱসাগৰত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে **স্মৰণিকা** নামেৰে এখনি কেঁচা বন্ধা সৰু স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হৈছিল। বিছ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থখন সম্পাদনা কৰিছিল ৰংপুৰ সাহিত্য সভাৰ হৈ উদযাপন সমিতিয়ে। ইয়াত মাথোঁ দুটা দীঘল প্ৰবন্ধ আছিল। এটা হেম কাকতিৰ 'অসম সাহিত্য সভা আৰু ৰংপুৰ', আনটো দক্ষিণাকান্ত বৰুৱাৰ 'শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন'।

১৯৮৯ চনৰ ২৭, ২৮, ২৯ অক্টোবৰত কৰ্মযোগী ভুবনচন্দ্ৰ গগৈ জন্মশতবাৰ্ষিকী উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ হৈছিল। এই স্মৃতিগ্ৰন্থখন সম্পাদনা কৰিছিল তোলন গোহাঁয়ে। ভুবনচন্দ্ৰ গগৈৰ প্ৰতিচ্ছবি থকা ৰঙীন বেটুপাতৰ কেঁচা বন্ধা এই স্মৃতিগ্ৰন্থৰ পৃষ্ঠা সংখ্যা ১০৬। সম্পাদনা সমিতিত যোগেন চেতিয়া সভাপতি ৰূপে আৰু থানেশ্বৰ গগৈ সহঃ সম্পাদক ৰূপে আছিল। ইয়াত ভালেকেইটা উল্লেখযোগ্য প্ৰবন্ধ সন্নিৱিষ্ট হৈছিল। সেইবোৰৰ ভিতৰত সাংসদ বিজয়চন্দ্ৰ ভাগৱতীৰ 'ভাৰতৰ গণ আন্দোলন আৰু ভুবনচন্দ্ৰ গগৈ', বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ 'শিৱসাগৰত অসহযোগৰ ফণা', দুৰ্গাধৰ বৰুৱাৰ '১৯২১ চনৰ গণ আন্দোলন আৰু শিৱসাগৰ', পদ্মধৰ চলিহাৰ 'চিনাকি', মুক্তিযোদ্ধা ৰবীন কাকতিৰ 'কৰ্মযোগী ভুবনচন্দ্ৰ গগৈৰ স্মৃতি শ্ৰদ্ধাঞ্জলি', প্ৰাক্তন বিধায়ক গৌৰীশঙ্কৰ ভট্টাচাৰ্যৰ 'কৰ্মযোগী ভুবনচন্দ্ৰ গগৈ' অন্যতম। স্মৃতি গ্ৰন্থখনিত তিনিটা কবিতাও প্ৰকাশ পাইছিল। সেইবোৰ হ'ল প্ৰেম গগৈৰ 'কৰ্মযোগীক সুঁৱৰি', স্নিগ্ধাৰাণী গগৈৰ 'শ্ৰদ্ধাঞ্জলি' আৰু নাওৰেণ ৰূপৱতী দেৱীৰ 'স্মৃতি'। পোন্ধৰ টকা মূল্যৰ স্মৃতিগ্ৰন্থখনৰ প্ৰকাশক আছিল বীৰেন গগৈ।

১৯৯২ চনৰ ৩১ জানুৱাৰীত শিৱসাগৰত অসম তাই যাদুঘৰৰ দুৱাৰ মুকলি অনুষ্ঠানৰ উপলক্ষে **ম্যুন ডুন ছুন খাম** নামৰ এখন দ্বিভাষিক স্মৃতিগ্ৰন্থ প্ৰকাশ হৈছিল। ১১২ পৃষ্ঠাৰ এই ৰঙীন বেটুপাতৰ কেঁচা বন্ধা আলোচনীখন সম্পাদনা কৰিছিল যোগেন চেতিয়াই। যুটীয়া সম্পাদক আছিল বেণু মহন, থানু বৰুৱা, পুষ্প গগৈ আৰু সদস্য বিমল বৰপাত্ৰ গোহাঁই। ইয়াত অসমীয়া শাখাত ২১টা আৰু ইংৰাজী শাখাত ৪টা মূল্যৱান প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। প্ৰবন্ধসমূহ যথাক্ৰমে ড° লীলা গগৈৰ 'সমন্বয়ৰ অসমৰ সংস্কৃতি ঃ তাই মঙ্গোলীয় অৰিহণা', অধ্যক্ষ সুৰেন ৰাজকুমাৰৰ 'তাই সভ্যতা ঃ হোৱাংহোৰ তীৰৰপৰা লুইতৰ তীৰলৈ', পুষ্প গগৈৰ 'আহোম ভাষা অধ্যয়ন', মাধৱ বৈশ্যৰ 'আহোম যুগৰ সচিত্ৰ পুথি', পদ্মধৰ বৰগোহাঞিৰ 'তাই আহোমসকলৰ পুখুৰী খন্দোৱা প্ৰণালী আৰু উৎসৰ্গা কৰা নিয়ম', প্ৰাতসলতা বুঢ়াগোহাঞিৰ 'অসমত তাই সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তা', নোমল গগৈৰ 'আহোম বুৰঞ্জী', দিলীপ কুমাৰ বুঢ়াগোহাঞিৰ 'আহোম ৰাজত্বৰ আলি আৰু তাৰ কাষত থকা কীৰ্তিচিহ্নৰ এটি সমীক্ষা', অখিল পানীফুকনৰ 'আহোম যুগৰ হেংদাং', ৰিপুনাথ বুঢ়াগোহাঁইৰ 'গড়গাঁও নগৰৰ বিৱৰণি', ভূপেন চেতিয়াৰ 'ঢুলীয়াৰ ঢোলৰ চাপৰত', ড° হেমপ্ৰভা শইকীয়াৰ 'আহোম স্বৰ্গদেউসকলৰ দিনৰ প্ৰশাসন', প্ৰেম গগৈৰ 'ইতিহাসৰ জলঙাৰে ৰংপুৰ', হেম বুঢ়াগোহাঞিৰ 'অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন...', ড° গুণীন্দ্ৰনাথ ভূএগ্ৰাৰ 'অসমত পুৰাতাত্ত্বিক চৰ্চাৰ পাতনি', যোগেন চেতিয়াৰ 'আহোম যুগৰ স্থাপত্যত ভাস্কৰ্যৰ অলংকৰণ', ৰথীন বৰঠাকুৰৰ 'আহোম যুগৰ স্থাপত্য', তিলোত্তমা চেতিয়াৰ 'শিক্ষণ প্ৰক্ৰিয়া আৰু যাদুঘৰ', সূৰ্য ফুকনৰ ইংৰাজী প্ৰবন্ধ 'Chumdeo', ড° অৰুণ বৰুৱাৰ 'The Ahoms and their Administrative System' আৰু নগেন হাজৰিকাৰ 'Taoism : Ahomism' উল্লেখযোগ্য। এই স্মৃতিগ্ৰন্থখন অসম চৰকাৰৰ সাংস্কৃতিক

সঞ্চালকালয়ৰ প্ৰকাশন শাখাৰদ্বাৰা প্ৰকাশিত আৰু গুৱাহাটীৰ মণিকূট প্ৰিণ্টাৰ্চত মুদ্ৰণ কৰা হৈছিল।

১৯৯২ চনৰ ৫ জুলাইত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা দেৱৰ জন্মশতবাৰ্ষিকী ৰংপুৰ সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাই উদযাপন কৰে। এই উপলক্ষে সোণাৰাম বৰুৱাৰ সম্পাদনাত **যতীন্দ্ৰনাথ দুৱৰা স্মৃতিগ্ৰন্থ** সৰুকৈ প্ৰকাশ পায়। এই স্মৃতিগ্ৰন্থত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘হে’ কবি অকলশৰীয়া নাৱৰীয়া’, যতীন্দ্ৰনাথ দুৱৰাৰ ‘দিনপঞ্জী’, ‘গ্ৰন্থপঞ্জী’, লক্ষ্যধৰ চৌধুৰীৰ ‘অতীতক নেযাবা পাহৰি’, মণি বৰুৱাৰ ‘এটি সোঁৱৰণ’, এখুদি দুৱাৰৰ ‘হে’ কবি প্ৰণামো তোমাক’ আদি প্ৰকাশ পাইছিল। ভাৰতৰ সংবিধানৰ ৰচক ড" বাবাচাহেব আম্বেদকাৰৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৯ এপ্ৰিল ১৯৯১ চনত দেৱজ্যোতি দত্তৰ সম্পাদনাত ৰঙীন বেটুপাতেৰে কেঁচা বন্ধা এখন স্মৃতিগ্ৰন্থ প্ৰকাশ পাইছিল। ইয়াত প্ৰবন্ধ লিখিছিল সৰস্বতী প্ৰসাদ, সতীশচন্দ্ৰ কাকতি, পুষ্প ভূঞা, বীৰেন বৰকটকী, ফুলেশ্বৰী দত্ত আৰু জ্যোতিপ্ৰসাদ চলিহাই। সদৌ অসম কোষাগাৰ কৰ্মচাৰী সংস্থাৰ দশম বাৰ্ষিক অধিৱেশন উপলক্ষে পুলিনচন্দ্ৰ শৰ্মা আৰু প্ৰসেনজিৎ নেওগৰ যুটীয়া সম্পাদক ১৯৮৮ চনৰ ডিচেম্বৰ মাহত এশ পৃষ্ঠাৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশ হৈছিল। কেঁচা বন্ধা ৰঙীন বেটুপাতৰ এই স্মৃতিগ্ৰন্থত ভালেকেইটা প্ৰবন্ধ, কবিতা, গল্প, ৰস-ৰচনা, কথা-কবিতা প্ৰকাশ হৈছিল।

১৯৯৩ চনৰ অক্টোবৰ মাহত ৰংপুৰ চাৰু-কাৰু কলা গোষ্ঠীয়ে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত আয়োজন কৰা ছবি আঁকা আৰু ভাস্কৰ্য নিৰ্মাণ কৰ্মশালা উপলক্ষে মণিকা শইকীয়াৰ সম্পাদনাত এখন সুন্দৰ স্মৃতিগ্ৰন্থ প্ৰকাশ হৈছিল। এই স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ পৰামৰ্শদাতা আছিল গৌতমপ্ৰসাদ গাংগুলী, সভাপতি ভুবন খাউণ্ড, যুটীয়া সম্পাদিকা দীপালী ভট্টাচাৰ্য বৰুৱা, হিৰণময়ী দত্ত আৰু সদস্যসকল দীপ্তিমন্ত বৰুৱা, তিলক বৰা, মাধুৰী কলিতা চৌধুৰী, মঞ্জু দত্ত বৰুৱা, সুৰেশ শইকীয়া, তপন চাংকাকতি। ইয়াত লিখিছিল শ্ৰীমতী উমা সিদ্ধাৰ্থ, নীলপৱন বৰুৱা, মাধৱ বৈশ্য, বেণু মিশ্ৰই।

১৯৯৩ চনত অসম সাহিত্য সভাৰ ৫৯তম অধিৱেশন উপলক্ষে সোণাৰাম বৰুৱাৰ সম্পাদনাত ফেব্ৰুৱাৰী মাহত **ৰংপুৰ ৰংপুৰ** নামৰ চাৰিশ আঠ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ এখন সুদৃঢ় স্মৃতিগ্ৰন্থ (কেঁচা বন্ধা) প্ৰকাশ হৈছিল। এই স্মৃতিগ্ৰন্থখনত ভুবনচন্দ্ৰ সন্দিকৈ, যতীন্দ্ৰনাথ গোস্বামী, পদ্ম বৰগোহাঞি, দিলীপ বৰগোহাঞি, যোগেন চেতিয়া, চিত্ৰলেখা ফুকন, বীৰেন বৰকটকী, দেউৰাম তাছা, নিৰুপমা মহন্ত, হেম বুঢ়াগোহাঞি, নিৰ্মলপ্ৰভা বৰদলৈ, প্ৰেম গগৈ, মহেন্দ্ৰ বৰা আদি সত্তৰজন লেখকৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। শিৱসাগৰৰ বিভিন্ন সাংস্কৃতিক দিশ সামৰি এনে স্মৃতিগ্ৰন্থ পূৰ্বতে প্ৰকাশ পোৱা নাছিল। এই স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ উপদেষ্টা আছিল বীৰেন বৰকটকী, সভাপতি ইমৰান শ্বাহ, উপ-সভাপতি প্ৰফুল্ল বেজবৰুৱা, খগেন্দ্ৰনাথ ভূঞা, চিত্ৰলেখা ফুকন আৰু গীতা উপাধ্যায়। সহকাৰী সম্পাদক সুৰেশ শইকীয়া, প্ৰশান্তকুমাৰ চুতীয়া। ১৯৯৪ চনত শিৱসাগৰৰ (দুখীয়া স্কুল) ১নং টাউন প্ৰাইমেৰী স্কুলৰ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ **স্মৃতি শতধাৰা** ফেব্ৰুৱাৰী মাহত শিৰিষকুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশ হৈছিল। ৮৮ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ কেঁচা বন্ধা এইখন এখন অতি উল্লেখযোগ্য স্মৃতিগ্ৰন্থ। ইয়াত পৰাগ চলিহা, সুৰেশ ৰাজখোৱা, যোগেন চেতিয়া, ডম্বৰু কাকতি, মণিকা শইকীয়া আদিয়ে লিখিছিল। উল্লেখযোগ্য যে এইখন প্ৰাইমেৰী বিদ্যালয়তে অসম

সাহিত্য সভাৰ কেইবাজনো সভাপতিকে ধৰি অসমৰ মুখ্য মন্ত্ৰী বিমলাপ্ৰসাদ চলিহা, ছুপ্ৰিম কৰ্টৰ ন্যায়ধীশ পাৰ্বতীকুমাৰ গোস্বামীয়ে অধ্যয়ন কৰিছিল।

১৯৯৬ চনত অসম সাহিত্য সভাৰ সভাপতি পদ্মধৰ চলিহাৰ জন্মশতবাৰ্ষিকী উপলক্ষে নৱেম্বৰ ১৯৯৩-ত লক্ষ্মীকান্ত মহন্তৰ সম্পাদনাত **পদ্মজ্যোতি** নামৰ এখন ৰঙীন বেটুপাতৰ কেঁচাবন্ধা স্মৃতিগ্ৰন্থ প্ৰকাশ হয়। এই স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ উপদেষ্টা আছিল বীৰেন বৰকটকী, ইমৰান শ্বাহ। সভাপতি প্ৰফুল্ল বেজবৰুৱা, উপ-সভাপতি জগত চেতিয়া, ১৬০ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থৰ বেটুপাতত আছিল পদ্মধৰ চলিহাৰ ৰঙীন ফটো। এই স্মৃতিগ্ৰন্থত যজ্ঞেশ্বৰ শৰ্মা, যতীন্দ্ৰনাথ গোস্বামী, বীৰেন বৰকটকী, ভুবনচন্দ্ৰ সন্দিকৈ, পৰাগ চলিহা, নিৰ্মলপ্ৰভা বৰদলৈ, সোমেশ্বৰ কাকতি, যোগেন চেতিয়া, ইমৰান শ্বাহ, দ্ৰোণ কলিতা, জগত চেতিয়া, প্ৰেম গগৈ, কৰবী ডেকা হাজৰিকা আদিয়ে লিখিছিল। ১৯৯৭ চনত ৰংপুৰ সাহিত্য সভায়ো শতবাৰ্ষিকী উপলক্ষে জগত চেতিয়াৰ সম্পাদনাত **পদ্মৰেণু** নামৰ এখনি ৫২ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ কেঁচা বন্ধা স্মৃতিগ্ৰন্থ জুন মাহত প্ৰকাশ কৰে। ইয়াত ভুবনচন্দ্ৰ সন্দিকৈ, যোগেন চেতিয়া, হেম বুঢ়াগোহাঞি, ডম্বৰু কাকতি, হেম বৰুৱা, প্ৰেম গগৈ, জয়ন্তকুমাৰ বৰাৰ প্ৰবন্ধৰ উপৰি পদ্মধৰ চলিহাৰ দুটি প্ৰবন্ধ 'কৃষ্টি আৰু সংস্কৃতি' আৰু 'অসমীয়া গৰখীয়া বনগীত' প্ৰকাশ পাইছিল। ১৯৯৭ চনত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থসমূহৰ অন্যতম আন তিনিখন স্মৃতিগ্ৰন্থ হ'ল ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ দ্বাদশ দ্বিবাৰ্ষিক শিৱসাগৰ অধিৱেশনৰ সোঁৱৰণি সংকলন **মুক্তিযুঁজৰ ৰেঙণি**, শিৱসাগৰ কলেজৰ সোণালী জয়ন্তী সোঁৱৰণী সংকলন **অভিজ্ঞান**, আৰু শিৱসাগৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে প্ৰকাশিত **স্মৃতিগ্ৰন্থ**।

মুক্তিযুঁজৰ ৰেঙণি সম্পাদনা কৰিছিল ডম্বৰু কাকতিদেৱে। কেঁচা বন্ধা ১০৪ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিত আছিল সভাপতি বীৰেন বৰকটকী। ১৯৯৭ চনৰ ২৪ জানুৱাৰীত অভ্যৰ্থনা সমিতিৰ সম্পাদক দেবেন বৰদলৈদেৱে ইয়াক প্ৰকাশ কৰিছিল আৰু ইয়াত সন্নিবিষ্ট লেখাসমূহ লিখিছিল বিজয় ভাগৱতী, বীৰেন বৰকটকী, নৱদ্বীপৰঞ্জন পাটগিৰি, টঙ্কেশ্বৰ চেতিয়া, তিলেশ্বৰ বৰদলৈ, দুৰ্গাধৰ বৰুৱা, ফটিক চলিহা, ৰবীন কাকতি, ভুবনচন্দ্ৰ সন্দিকৈ, পুষ্পলতা দাস, তাৰাপ্ৰসাদ বৰঠাকুৰ আৰু নবীন বৰদলৈয়ে। **অভিজ্ঞান** সম্পাদনা কৰিছিল ডম্বৰু কাকতি আৰু জ্যোতিপ্ৰসাদ চলিহাই। সম্পাদনা সমিতিৰ সদস্যসকল আছিল সভাপতি ইমৰান শ্বাহ, মুখ্য আহ্বায়ক নাহেন্দ্ৰ পাদুন। ইয়াত ইংৰাজী আৰু অসমীয়া দুটা শিতান আছিল। লিখিছিল ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° লীলা গগৈ, ড° পোনা মহন্ত, পৰাণ গগৈ, খগেন্দ্ৰনাথ ভূঞা, চৈয়দ ফাতেহল মান্নান, ত্ৰৈলোক্য গগৈ, ইমাৰান শ্বাহ, ড° কৃষ্ণকুমাৰ মিশ্ৰ, প্ৰেম গগৈ আদিয়ে। শিৱসাগৰ চৰকাৰী মজলীয়া অসমীয়া বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তীৰ **স্মৃতিগ্ৰন্থ** প্ৰকাশ হৈছিল ১৯৯৭ চনৰ ফেব্ৰুৱাৰী মাহত। সম্পাদক গুঞ্জন বৰুৱা, সভাপতি ইমৰান শ্বাহ। ইয়াত বীৰেন বৰকটকী, ইমৰান শ্বাহ, খগেন্দ্ৰনাথ ভূঞা, প্ৰেম গগৈ, দ্ৰোণ কলিতা, সন্তোষকুমাৰ কৰ্মকাৰ, মাধুৰী কলিতা চৌধুৰী আদিৰ লেখা প্ৰকাশ হৈছিল। কেঁচা বন্ধা এই স্মৃতিগ্ৰন্থখনৰ পৃষ্ঠা সংখ্যা আছিল ৫২।

১৯৯৯ চনত প্ৰকাশিত স্মৃতিগ্ৰন্থসমূহৰ অন্যতম হ'ল সেউজ কোঁৱৰ পৰাগধৰ চলিহাৰ স্মৃতিত প্ৰকাশিত স্মৃতিগ্ৰন্থ, শিৱসাগৰ নাট্য সমাজৰ শতবাৰ্ষিকীৰ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ **শতাব্দীৰ নাট্য চৰ্চা** আৰু অসম সাহিত্য সভাৰ সভাপতি ড° ময়িদুল ইছলাম বড়া জন্মশতবাৰ্ষিকী স্মৃতিগ্ৰন্থ।

প্ৰসন্ন বৰুৱা আৰু পবিত্ৰ ভট্টাচাৰ্যই সম্পাদনা কৰা সেউজকোঁৱৰ পৰাগধৰ চলিহা ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠানৰ স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ উপদেষ্টা আছিল প্ৰদীপ হাজৰিকা, হিৰণ্য কোঁৱৰ আৰু দেৱকুমাৰ বৰা। ২১৬ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ কেঁচা বন্ধা এই স্মৃতিগ্ৰন্থত ১১৯জন গুণমুগ্ধৰ লেখাৰ উপৰি ভালেকেইখন ৰঙীন ফটো প্ৰকাশ পাইছিল। প্ৰয়াত পৰাগ চলিহা দেৱৰ জীৱনপঞ্জীৰ উপৰি বীৰেন বৰকটকী, হীৰেন গোহাঁই, হোমেন বৰগোহাঞি, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° নগেন শইকীয়া, পদ্ম বৰকটকী, প্ৰফুল্লকুমাৰ মহন্ত, গণেশ কুটুম, প্ৰদীপ হাজৰিকা, পুণ্য শইকীয়া, ইমৰান শ্বাহ, যোগেন চেতিয়া, ভীমকান্ত কোঁৱৰ, ড° অৰুণ শৰ্মা, প্ৰফুল্লচন্দ্ৰ বেজবৰুৱা, চিত্ৰলতা ফুকন, প্ৰেম গগৈ, পুণ্য দাস, জগত চেতিয়া আদিৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। ইয়াৰ উপৰি পৰিয়ালবৰ্গৰপৰা সৰুকৈ **শ্ৰদ্ধাঞ্জলি** নামৰ এখন স্মৰণিকা প্ৰকাশ কৰা হৈছিল, য'ত দীপালী চলিহা, ডাঃ প্ৰবুদ্ধপ্ৰসাদ চেতিয়া, জয়শ্ৰী চলিহা, হেমলতা চলিহা, অঞ্জলি মুখাৰ্জী আদিয়ে লিখিছিল।

শিৱসাগৰ নাট্য সমাজৰ শতবৰ্ষ পূৰ্তি উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ হ'ল **শতাব্দীৰ নাট্যচৰ্চা**। সুন্দৰ পকাবন্ধা ৰঙীন বেটুপাত আৰু ফটোসহ স্মৃতিগ্ৰন্থখনে ছপা-বন্ধাৰ ক্ষেত্ৰত কৃতিত্ব দাবী কৰিব পাৰে। এই স্মৃতিগ্ৰন্থখনৰ সম্পাদনা সমিতিৰ মুখ্য উপদেষ্টা ক্ষীৰোদ বৰা, উপদেষ্টা যাদব ঠাকুৰ, সভাপতি বসন্তকুমাৰ দুৱৰা, সম্পাদক প্ৰসন্নকুমাৰ বৰুৱা। দুশ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থখনত গিৰিজাপ্ৰসাদ বৰুৱা, বীৰেন বৰকটকী, সত্যপ্ৰসাদ বৰুৱা, ড° লক্ষ্মীনন্দন বৰা, যোগেন চেতিয়া, ড° শৈলেন ভৰালী, ৰাম গোস্বামী, ভূপেন চক্ৰৱৰ্তী, ড° পোনা মহন্ত, ড° ভবেশ ভূঞা, ড° অনিল শইকীয়া আদিৰ তথ্যগধুৰ লেখাৰে সজাইছিল।

অসম সাহিত্য সভাৰ অষ্টাদশ যোৰহাট অধিৱেশনৰ সভাপতি ড° ময়িদুল ইছলাম বড়াৰ জন্মশতবাৰ্ষিকী ২০, ২১ নৱেম্বৰ, ১৯৯৯-ত শিৱসাগৰত অসম সাহিত্য সভাই জিলা সাহিত্য সভাৰ সহযোগত উদযাপন কৰে। সেই উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখন সম্পাদনা কৰে প্ৰেম গগৈয়ে। ইংৰাজী আৰু অসমীয়াত প্ৰকাশিত স্মৃতিগ্ৰন্থখনৰ সম্পাদনা সমিতিৰ অন্যান্য সকল হ'ল সভাপতি ইমৰান শ্বাহ, সদস্য দীপালী চলিহা, চৈয়দ ফাতেহুল মান্নান, জ্যোতি চলিহা আদি। সন্মানীয় সদস্য গিৰিজাপ্ৰসাদ বৰুৱা, যোগেন চেতিয়া আৰু ডম্বৰু কাকতি। এই স্মৃতিগ্ৰন্থখনত চৈয়দ আব্দুল মালিক, যতীন্দ্ৰনাথ গোস্বামী, বীৰেন বৰকটকী, ভুবন সন্দিকৈ, আব্দুছ ছাত্তাৰ, আনন্দচন্দ্ৰ বৰুৱা, চুজাউদ্দিন আহমেদ, উপেন্দ্ৰ বৰকটকী, চৈয়দ ফাতেহুল মান্নান, যোগেন চেতিয়া, ইমৰান শ্বাহ আদিয়ে তেওঁলোকৰ ৰচনা আগবঢ়াই সমৃদ্ধ কৰিছিল। ড° কৃষ্ণকুমাৰ মিশ্ৰ আৰু ডম্বৰু কাকতিয়ে ইংৰাজীত প্ৰবন্ধ লিখিছিল। এই স্মৃতিগ্ৰন্থখনত ড° ময়িদুল ইছলাম বড়াৰ ৰচনাৰ উপৰি তেওঁৰ গৱেষণাগ্ৰন্থখন— **Journal of the Royal Asiatic Society of Bengal**-ত প্ৰকাশ হোৱা The life and works of Amir Hasan Dihlavi প্ৰকাশ পাইছিল। এইখন এখন তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ ৰূপে সেই সময়ত স্বীকৃত হৈছিল।

২০০০ চনত প্ৰকাশ হোৱা স্মৃতিগ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগৰ জন্মশতবাৰ্ষিকীত প্ৰকাশিত স্মৃতিগ্ৰন্থ **ইন্দ্ৰধনু**। জ্যোতিপ্ৰসাদ বেজবৰুৱাই সম্পাদনা কৰা এই স্মৃতিগ্ৰন্থৰ অন্যান্য সহযোগীসকল হ'ল সভাপতি ধীৰেন্দ্ৰনাথ ভূঞা, যুটীয়া সম্পাদিকা ৰেণু দেৱী, ড° আম্না চেতিয়া, পদেন সদস্য সুৰেশ শইকীয়া, ধৰ্মেশ্বৰ

মহন্ত, সদস্য দিগন্ত মঙ্গল নেওগ, দ্বীজেন চাংকাকতি আৰু হবিবুল্লা। পকা বন্ধা ৰঙীন বেটুপাতৰ এই স্মৃতিগ্ৰন্থত প্ৰবন্ধ-সম্ভাৰ আগবঢ়াইছে ড° কৃষ্ণকুমাৰ মিশ্ৰ, যোগেন চেতিয়া, ডিম্বেশ্বৰদয়াল শৰ্মা, ধীৰেন্দ্ৰনাথ ভূঞা, আনন্দ তামুলী, খগেন্দ্ৰনাথ ভূঞা, ড° অৰুন্ধতী মহন্ত, জ্যোতিপ্ৰসাদ শইকীয়া, মোক্ষেশ্বৰ নেওগ, হেমচন্দ্ৰ শৰ্মা আদিয়ে। স্মৃতিগ্ৰন্থৰ পৃষ্ঠা সংখ্যা আছিল ১৭২। ২০০০ চনত প্ৰকাশিত অন্য এখন স্মৃতিগ্ৰন্থ হ'ল ৰংপুৰ তিনিশ বছৰ উপলক্ষে প্ৰকাশিত **বুৰঞ্জীয়ে পৰশা ৰংপুৰ**। ছশ বাৰ পৃষ্ঠাৰ অসমীয়া আৰু ইংৰাজীত প্ৰকাশিত এইখন বিগত পঞ্চাছ বছৰত প্ৰকাশিত স্মৃতিগ্ৰন্থসমূহৰ ভিতৰতে অন্যতম বুলি বিবেচিত কৰিব পৰা যায়। এটা যুগক প্ৰতিনিধিত্ব কৰিব পৰাকৈ ইয়াত লেখা সন্নিবিষ্ট কৰা হৈছে। অসমীয়া শিতানত ৪৬টা প্ৰবন্ধ আৰু ইংৰাজী শিতানত ২১টা তথ্যগধুৰ প্ৰবন্ধ আছে আৰু এইবোৰ আগবঢ়াইছে ভুবনচন্দ্ৰ সন্দিকৈ, ড° ডম্বৰুধৰ নাথ, ড° পুষ্প গগৈ, পৰাগধৰ চলিহা, হেম বুঢ়াগোহাঞি, যোগেন চেতিয়া, বীৰেন বৰকটকী, প্ৰেম গগৈ, নিৰুপমা মহন্ত, দীপ জোনালী ভূঞা, ড° নোমল গগৈ, ড° গিৰিন ফুকন, দিলীপ বুঢ়াগোহাঁই, ডম্বৰু কাকতি, মাখন ভূঞা, খগেন্দ্ৰনাথ ভূঞা আদিয়ে।

২০০১ চনত প্ৰকাশত স্মৃতিগ্ৰন্থসমূহৰ অন্যতম হ'ল অসমৰ প্ৰথমজনা গ্ৰামোফোন গীতিকাৰ, অসম সাহিত্য সভাৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা ভৱনৰ দাতা, বিশিষ্ট চাহখেতিয়ক প্ৰফুল্লচন্দ্ৰ বৰুৱা জন্মশতবাৰ্ষিকী স্মৃতিগ্ৰন্থ **সোঁৱৰণী সংকলন**। সুন্দৰ পকাবন্ধা, ৰঙীন বেটুপাত আৰু ১৫০ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থখনিত লিখিছে যতীন্দ্ৰনাথ গোস্বামী, বীৰেন বৰকটকী, ডিম্বেশ্বৰদয়াল শৰ্মা, যোগেন চেতিয়া, গিৰিজাপ্ৰসাদ বৰুৱা, ক্ষীৰদাকুমাৰী বৰুৱা, দীপালী চলিহা, ডম্বৰু কাকতি, ড° কৃষ্ণকুমাৰ মিশ্ৰ, জয়শ্ৰী চলিহা, পংকজানন্দ ভৰালী, জগত চেতিয়া আদিয়ে। প্ৰেম গগৈয়ে সম্পাদনা কৰা এই স্মৃতিগ্ৰন্থৰ অন্যান্য সকল আছিল সভাপতি জগত চেতিয়া, পদেন সদস্য ডম্বৰু কাকতি, চৈয়দ ফাতেহুল মান্নান, নেত্ৰধৰ চেতিয়া আৰু সদস্য ৰাধাকৃষ্ণ আগৰৱালা, মাধুৰী কলিতা চৌধুৰী, খগেন্দ্ৰনাথ দুৱৰা, প্ৰদীপকুমাৰ ভূঞা, এনামুদ্দিন আহমদ, জয়জ্যোতি গগৈ।

২০০২ বৰ্ষত প্ৰকাশিত স্মৃতিগ্ৰন্থসমূহৰ ভিতৰত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ স্মৃতিগ্ৰন্থ উল্লেখযোগ্য। জয়ৰাম নাথে সম্পাদনা কৰা এই স্মৃতিগ্ৰন্থত পুণ্যমোহন বৰুৱা, ধীৰেন্দ্ৰনাথ ভূঞা, ড° শৈলজানন্দ ভৰালী, পুষ্পনাথ ভূঞা, খগেন্দ্ৰনাথ ভূঞা, যোগেন চেতিয়া, প্ৰেম গগৈ, ডম্বৰু কাকতি, কনকেশ্বৰ বৰগোহাঞি, জ্যোতি বেজবৰুৱা আদিয়ে প্ৰবন্ধ আগবঢ়াইছে। ৰঙীন বেটুপাত আৰু ১২৪ পৃষ্ঠাৰ এইখন এখন উল্লেখযোগ্য স্মৃতিগ্ৰন্থ।

২০০৪ চনত প্ৰকাশিত স্মৃতিগ্ৰন্থসমূহৰ অন্যতম হ'ল অসম লেখিকা সংস্থাৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ **অনন্য গৰিমা**। ১৪৭ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ যোগমায়া সন্দিকৈ শইকীয়াৰদ্বাৰা সম্পাদিত এইখন এখন উল্লেখযোগ্য স্মৃতিগ্ৰন্থ। থানেশ্বৰ কোঁৱৰ, প্ৰেম গগৈ, চন্দন দত্ত, হৰপ্ৰিয়া বাৰুকিয়াল, হেমলতা দত্ত হাজৰিকা, চিত্ৰলতা ফুকন, যমুনা বৰগোহাঁই, ৰতিপ্ৰভা গগৈ, কল্যাণী মহন্ত আদিৰ প্ৰবন্ধই স্মৃতিগ্ৰন্থখনত ঠাই পাইছে। ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰী, ২০০৪ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ একসপ্ততিতম অধিবেশন শিৱসাগৰত অনুষ্ঠিত হৈছিল। এই উপলক্ষত প্ৰকাশিত সুন্দৰ স্মৃতিগ্ৰন্থখন সম্পাদনা কৰিছিল অৰুন্ধতী মহন্তই। মহিলা সম্পৰ্কীয় বহু তথ্যসমৃদ্ধ প্ৰবন্ধ আৰু লেখাৰে প্ৰকাশিত এই স্মৃতিগ্ৰন্থৰ পৃষ্ঠা সংখ্যা আছিল ১৭৪।

বেটুপাত ৰঙীন আৰু আকৰ্ষণীয়। গ্ৰাম্য সাংবাদিক সংস্থাই জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা প্ৰথম উত্তৰ-পূব শিশু-গ্ৰন্থমেলা, ২০০৪ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ **শৈশৱ** এখন উল্লেখযোগ্য স্মৃতিগ্ৰন্থ। প্ৰেম গগৈৰ সম্পাদনাত প্ৰকাশ পোৱা ১৩৫ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ এই স্মৃতিগ্ৰন্থত লিখিছে যোগেন চেতিয়া, চিত্ৰলতা ফুকন, ড° হেমন্তকুমাৰ বৰুৱা, কনকেশ্বৰ বৰগোহাঞি, এলি আহমেদ, দুৰ্লভ বুঢ়াগোহাঁই, মণিকা শইকীয়া, মাধুৰী কলিতা চৌধুৰী, তিলোতমা চেতিয়া আদিয়ে। শিৱসাগৰ জিলা মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক শিশু-সমাৰোহ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখন **মুকুতামালা** ২০০৪ চনৰ অক্টোবৰ মাহত প্ৰকাশ হৈছিল। ১৪২ পৃষ্ঠাৰ ৰঙীন বেটুপাতৰ এই স্মৃতিগ্ৰন্থখন সম্পাদনা কৰিছিল প্ৰেম গগৈয়ে। মণিকা শইকীয়া, মাধুৰী কলিতা চৌধুৰী, জ্যোতি বেজবৰুৱা, নীলমণি মহন্ত, গুণাৰাম খনিকৰ, ড° মামণি বৰা খাৰঘৰীয়া, অঙ্কুৰ ৰন্‌জন চাংমাই, শৈলেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আদিৰ লেখাৰে স্মৃতিগ্ৰন্থখনি সমৃদ্ধ। ২০০৪ চনৰ ছেপ্টেম্বৰ মাহত শিৱসাগৰত ৪৩তম ৰাজ্যিক আৰু জিলা শিক্ষক দিৱস উদযাপন হৈছিল। এই উপলক্ষে প্ৰেম গগৈৰ সম্পাদনাত **কলম্ভ** নামৰ ৮০ পৃষ্ঠাৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ হয় আৰু ইয়াত যোগেন চেতিয়া, ইমৰান শ্বাহ, দুৰ্লভ বুঢ়াগোহাঁই, মণিকা শইকীয়া, কনকেশ্বৰ বৰগোহাঁই, জ্যোতি বেজবৰুৱা, যোগেশ কিশোৰ ফুকন আদিয়ে প্ৰবন্ধ আগবঢ়াই। **সোণৰ মাটিৰ মূৰতি পাৰ্বতিপ্ৰসাদ** গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জন্মশতবাৰ্ষিকী উপলক্ষে প্ৰকাশিত অৰুন্ধতী মহন্ত, মাধুৰী কলিতা চৌধুৰী, মেঘালি হাজৰিকা কাকতি সম্পাদিত এখন সুন্দৰ বেটুপাতৰ স্মৃতিগ্ৰন্থ। ৫২ পৃষ্ঠাৰ এই স্মৃতিগ্ৰন্থখনত লেখা আগবঢ়াইছে তফজ্জুল আলি, নীতি বৰুৱা, প্ৰণৱিৰাম বৰুৱা, দীপালী চলিহা, ড° জ্যোতিপ্ৰসাদ শইকীয়া, ড° অনিল শইকীয়া, প্ৰেম গগৈ, জয়শ্ৰী চলিহা, ক্ষীৰদাকুমাৰী বৰুৱা, সান্ত্বনা বৰুৱা আদিয়ে। ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰী, ২০০৪ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ এক সপ্ততিতম অধিৱেশন শিৱসাগৰত অনুষ্ঠিত হৈছিল। এই উপলক্ষ্যত প্ৰকাশিত সুন্দৰ স্মৃতি গ্ৰন্থখন সম্পাদনা কৰিছিল অৰুন্ধতী মহন্তই। সম্পাদনা সমিতিৰ অন্যান্য সদস্যসকল আছিল— ৰেণু দেৱী, দীপালী ভট্টাচাৰ্য বৰুৱা, তিলোত্তমা চেতিয়া, ৰেণুমালা চাংমাই, স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা, হিৰণময়ী দত্ত আৰু মীনাক্ষি বেজবৰুৱা। স্মৃতিগ্ৰন্থখনৰ পৃষ্ঠা সংখ্যা আছিল ১৭৪, বেটুপাত ৰঙীন আৰু আকৰ্ষণীয়।

এইবোৰৰ উপৰি ২০০৪ চনত প্ৰকাশিত ৰংপুৰ সন্মিলিত যুৱসমাজৰ মিলাদ-উল নবী মেহফিল উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ **ইক্‌ৰা**, ২০০৫ চনত প্ৰকাশিত সদৌ অসম ন্যায়িক কৰ্মচাৰী সংস্থাৰ ত্ৰয়োদশ অধিৱেশনৰ স্মৃতিগ্ৰন্থ **দিখৌ দৰিকা**, শ্ৰীশ্ৰীশঙ্কৰদেৱ সমাজ, শিৱসাগৰৰ মহা ৰজত জয়ন্তী সমাৰোহৰ স্মৃতিগ্ৰন্থ **মন্দাকিনী**, ২০০২ বৰ্ষত পুৰণা আমোলাপট্টি গোসাঁইগাঁও নামঘৰৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱসত প্ৰকাশিত স্মৃতিগ্ৰন্থ **মিলনজ্যোতি** আদি অন্যতম।

১৯৭৪ চনৰপৰা শিৱসাগৰত অলেখ স্মৃতিগ্ৰন্থ বিভিন্ন উপলক্ষত প্ৰকাশ হৈছিল। কিন্তু সকলোবোৰ স্মৃতিগ্ৰন্থৰ ওপৰত আলোকপাত কৰাটো সম্ভৱ নোহোৱাৰ হেতু ১৯৭৪ চনৰপৰা ২০০৫ চন পৰ্যন্ত ৩২ (বত্ৰিছ) বছৰত প্ৰকাশ হোৱা কিছু সংখ্যক বছা-বছা স্মৃতিগ্ৰন্থৰ ওপৰত চমুকৈ আলোকপাত কৰা হ'ল।

ধীৰেন্দ্ৰনাথ ভূঞা

উনবিংশ শতিকাত স্থাপন হোৱা শিৱসাগৰৰ দুখন বিদ্যালয়

একালৰ ৰংপুৰ আজিৰ শিৱসাগৰ আহোম ৰাজত্বৰ কালত অসমৰ ৰাজধানী চহৰেই নাছিল, ই আছিল অসমৰ শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। অসমত নৱজাগৰণৰ বাৰ্তা বহন কৰা প্ৰথম সংবাদপত্ৰ **অৰুণোদয়** ১৮৪৬ চনত শিৱসাগৰৰপৰাই প্ৰকাশিত হৈছিল। অসমৰ অৰ্থনৈতিক বিকাশতো উনবিংশ শতিকাৰ চতুৰ্থ দশকৰপৰাই শিৱসাগৰে বিশেষ অৱদান আগবঢ়াই আহিছে। ১৮৩৫ খ্ৰীঃৰ শেষৰ ফালে গুৱাহাটীত ইংৰাজী স্কুল 'গুৱাহাটী চেমিনাৰী' প্ৰতিষ্ঠা হোৱাৰ ৬ বছৰৰ পিছত ১৮৪১ খ্ৰীঃত অসমৰ দ্বিতীয়খন ইংৰাজী স্কুল স্থাপিত হৈছিল শিৱসাগৰত। কোনো-কোনোৰ মতে ১৮৩৯ খ্ৰীঃত এম-ই স্কুল হিচাপে এই স্কুল আৰম্ভ কৰা হৈছিল; অৱশ্যে তাৰ কোনো প্ৰামাণিক তথ্য পোৱা নগ'ল। সেই সময়ৰ District Gazetter-ত এই সম্পৰ্কে উল্লেখ কৰা আছে—

> "As soon as the British were in full possession of Purandar Singha's territories in 1838, they established Vernacular Schools with Bengali as the medium of instruction and a high school was established in 1841 with English as medium of instruction."

শিৱসাগৰত প্ৰথম স্কুল প্ৰতিষ্ঠা কৰোঁতে ৰাইজৰপৰা দান-বৰঙণি সংগ্ৰহ কৰা হৈছিল আৰু এনে দানৰ পৰিমাণ ৭৩৭.০০ টকা হৈছিল। ১৮৪১ চনৰ এটি শুভ দিনত ডিচৌজা প্ৰধান শিক্ষক আৰু লগত দুজন সহকাৰী শিক্ষক যথাক্ৰমে ৰামসাগৰ আৰু উৰ্বীধৰ শৰ্মাই মুষ্টিমেয় কেইজনমান ছাত্ৰক লৈ এটি খেৰী ঘৰত 'শিৱসাগৰ ইংৰাজী স্কুল' প্ৰতিষ্ঠা কৰে। সেইসময়ত ইংৰাজী স্কুলৰ পাৰিভাষিক নামান্তৰ আছিল 'জিলা স্কুল'। বৰ্তমান য'ত শিৱসাগৰ চেণ্ট্ৰেল বজাৰ আছে তাতেই বিদ্যালয়খন প্ৰথম প্ৰতিষ্ঠা কৰা হৈছিল। কালক্ৰমত ৰাইজে দিয়া দান-বৰঙণি আৰু চৰকাৰৰ সহযোগত প্ৰকাণ্ড-প্ৰকাণ্ড কাঠৰ খুঁটা আৰু টিনপাতেৰে আহল-বহলকৈ বিদ্যালয়ৰ স্থায়ী ঘৰ নিৰ্মাণ কৰি শিক্ষা দানৰ বাবে প্ৰয়োজনীয় আহিলা-পাতি সংগ্ৰহৰ ব্যৱস্থাৰে বিদ্যালয়খনৰ পূৰ্ণাংগ ৰূপ দিয়ে। প্ৰকৃতাৰ্থত বিদ্যালয়খনে উচ্চ ইংৰাজী স্কুল হিচাপে এইখিনি সময়তে পৰিপূৰ্ণতা লাভ কৰে। সেইখনেই

পিছলৈ জনাজাত হোৱা 'শিৱসাগৰ গবর্ণমেণ্ট হাইস্কুল', বৰ্তমানৰ 'শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়'। প্ৰথম অৱস্থাত বিদ্যালয়খনৰ ছাত্ৰৰ সংখ্যা তেনেই কম আছিল। শিক্ষাৰ প্ৰতি অসমৰ জনসাধাৰণৰ অনীহা আছিল। বিশেষকৈ ইংৰাজী শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা সামাজিক অনুশাসনো তাৰ বাবে দায়ী। ইংৰাজী শিক্ষা গ্ৰহণ আছিল জাত্যান্তৰৰ নামান্তৰ। বিদ্যালয়ত শিক্ষা অৰ্জন কৰা ছাত্ৰসকলেও ইংৰাজীত দুটা-এটা কথা লিখিব পৰা হ'লেই (দৰ্খাস্ত এখন লিখিব পৰা হ'লেই) আৰু গাঁও কাকতীৰ চাকৰি এটা পোৱাৰ অৰ্হতা অৰ্জন কৰিলেই স্কুলীয়া শিক্ষা জলাঞ্জলি দিছিল। এনে বহু কাৰণতেই বিদ্যালয়খনৰ পৰীক্ষাৰ ফলাফল প্ৰথম অৱস্থাত ভাল হোৱা নাছিল। অৰ্থাৎ এণ্ট্ৰেন্স পৰীক্ষাত কৃতকাৰ্য হ'ব পৰা নাছিল। আৰম্ভণিতে বিদ্যালয়ৰ পৰীক্ষা পৰিচালনা কৰা হৈছিল চৰকাৰী উচ্চ পদস্থ বিষয়াৰদ্বাৰা। স্কুলৰ বছৰেকীয়া পৰীক্ষা পৰিচালনা কৰিছিল প্ৰিন্সিপাল এছিছটেণ্টজনে। ১৮৬১ চনত জানুৱাৰী মাহৰ **অৰুণোদয়**ত এই বিষয়ে উল্লেখ আছে। কলিকতা মহাবিদ্যালয়ৰ অধীনত এই বিদ্যালয়ৰ ছাত্ৰসকলে এণ্ট্ৰেন্স পৰীক্ষা দিছিল। ১৯১০ চনৰপৰা এণ্ট্ৰেন্সৰ পৰিৱৰ্তে মেট্ৰিকুলেশ্যন পৰীক্ষা আৰম্ভ হয়।

প্ৰথম অৱস্থাত ছাত্ৰৰ সংখ্যা কম আছিল যদিও কালক্ৰমত অসমীয়া লোকৰ মনোভাবৰ পৰিৱৰ্তন ঘটিল। ক্ৰমে ছাত্ৰৰ সংখ্যা বাঢ়ি অহাত বিংশ শতিকাৰ প্ৰাৰম্ভতে ছাত্ৰাবাসৰ প্ৰয়োজন অনুভৱ কৰি বিদ্যালয়ৰ ফালৰপৰা দুটি ছাত্ৰাবাস নিৰ্মাণ কৰা হয়। এটা হিন্দু ছাত্ৰাবাস আৰু আনটো আছিল মুছলিম ছাত্ৰাবাস। বৰ্তমান যি ঠাইত শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়খন আছে তাতেই একালৰ ছাত্ৰাবাস দুটা আছিল। বিদ্যালয়ৰ ছাত্ৰসকলে খেলা-ধূলা কৰিবৰ বাবে ঠাইৰ অভাৱ হোৱাত ৰাধিকাপ্ৰসাদ বৰুৱাই প্ৰথমে ছাত্ৰাবাসৰ ওচৰতে থকা এডোখৰ আহল-বহল মাটি দান কৰে। এই মাটিটুকুৰাৰ লগতে চৰকাৰে কেইবিঘামান মাটি দিয়াত এখন খেলপথাৰ নিৰ্মাণ হৈ উঠে। বৰ্তমান এই খেলপথাৰখন বৰ্ডিং খেলপথাৰ নামে জনাজাত। ১৯৫৫ চনত নতুন বিদ্যালয় গৃহ নিৰ্মাণ কৰি তালৈ (আগৰ ছাত্ৰাবাস থকা ঠাইলৈ) বিদ্যালয়খন তুলি অনা হয়। ১৯৫৬ চনত অমিয়কুমাৰ দাসে বিদ্যালয়ৰ নতুন গৃহ উন্মোচন কৰে। ১৯৫৮ চনৰপৰা বিদ্যালয়খন উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নীত কৰা হয়। বৰ্তমান এই বিদ্যালয়ত উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিজ্ঞান, কলা, বাণিজ্য আৰু বৃত্তিমূলক এই চাৰিটা শাখা আছে।

বিদ্যালয়খন পুৰণি ঠাইত থাকোতে এবাৰ জুই লাগিছিল, কোনো দুষ্কৃতিকাৰীয়ে এই কাম কৰিছিল বুলি ৰাইজে কয়। বিদ্যালয়ৰ বহুতো পুৰণি তথ্য-পাতি সেই সময়ত নষ্ট হৈ গ'ল। বিদ্যালয়খন নতুন ঠাইলৈ স্থানান্তৰিত কৰোতেও বহু তথ্য-পাতি হেৰাল, যি কাৰণে বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ দিনটোৰ (তাৰিখটোৰ) কথা আমি এতিয়া উল্লেখ কৰিব পৰা নাই। আনহাতে আৰম্ভণিৰপৰা ১৯৪৩ চনলৈকে বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ নাম আৰু কাৰ্যকালৰ সময় একাদিক্ৰমে পাবলৈ নাই। ১৯৪৩ চনৰপৰাহে একাদিক্ৰমে পোৱা গৈছে।

সম্বাদপত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য নামৰ গ্ৰন্থখনত স্বনামধন্য সাহিত্যিক নন্দ তালুকদাৰে আৰম্ভণিৰ তিনিজন প্ৰধান শিক্ষকৰ নাম উল্লেখ কৰিছে। সেয়া হ'ল ১. মিঃ ডিচৌজা— ১৮৪১ চনত, এওঁৰ সহকাৰী শিক্ষক দুজন হ'ল ৰামসাগৰ আৰু উৰ্বীধৰ শৰ্মা। ২. লায়নেল ইঞ্জেল— ১৮৫৭ চনত, এওঁৰ সহকাৰী শিক্ষক আছিল পৰমানন্দ ভৰালী। ভৰালী আছিল প্ৰাক্তন ডি.পি.আই

ড° শৈলেজানন্দ ভৰালীৰ আজো ককাক। ৩. নীলমণি গাংগুলি— ১৮৫৮ চনত। এওঁৰ দিনতে হৰিবিলাস আগৰৱালাই ৪ টকা বৃত্তি লাভ কৰি ডিব্ৰুগড়ৰপৰা আহি শিৱসাগৰত পঢ়িছিল।

বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পুণ্যমোহন বৰুৱাদেৱে উচ্চতৰ মাধ্যমিক শিক্ষক সংস্থাৰ দ্বাদশ শিৱসাগৰ অধিবেশনৰ স্মৰণিকাত লিখা এটি প্ৰবন্ধত (অনেক শ্ৰম কৰি বয়োজ্যেষ্ঠ প্ৰাক্তন শিক্ষক আৰু ছাত্ৰসকলৰ সহায়ত) নাম উল্লেখ কৰা প্ৰাক্তন প্ৰধান শিক্ষককেইজন হ'ল— ৪. শ্ৰীনাথ গুহ, ৫. চন্দ্ৰমোহন গোস্বামী— ১৮৮৮ চন, ৬. পূৰ্ণচন্দ্ৰ মাহিন্তা, ৭. কৰুণাকান্ত দাসগুপ্ত (১৯০৬-১৯০৮), ৮. ৰামেশ্বৰ বৰুৱা, ৯. গোপালগোবিন্দ কৰ, ১০. কালীৰাম দত্ত, ১১. লক্ষ্মীনাথ শৰ্মা, ১২. ভৰতচন্দ্ৰ চলিহা (১৯৩৯-১৯৪৩)।

শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়

১৬৮ বছৰীয়া ঐতিহ্যপূৰ্ণ এই বিদ্যালয়খনৰপৰা অজস্ৰ ছাত্ৰই শিক্ষান্ত পৰীক্ষাসমূহত কৃতিত্ব প্ৰদৰ্শন কৰাৰ লগতে শতসহস্ৰ ছাত্ৰই সাহিত্য, সংস্কৃতি, শিল্প, ৰাজনীতি, ক্ৰীড়া, উচ্চ শিক্ষা, চিকিৎসা, প্ৰশাসন, উদ্যোগ, সঙ্গীত-কলা, নাট্যাভিনয়, ব্যৱসায় আদিত স্বকীয় প্ৰতিভাৰে দেশে-বিদেশে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰতিভাসম্পন্ন এই ছাত্ৰসকলৰ বিষয়ে এই প্ৰবন্ধত লিখিবলৈ যোৱাটো আমাৰ পক্ষে সম্ভৱ নহয়, তথাপি থাওকতে কেইজনমানৰ কথা উল্লেখ কৰিব খুজিছোঁ। অসম সাহিত্য সভাৰ প্ৰাক্তন এঘাৰজন সভাপতি এই বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। সেইকেইজন হ'ল যথাক্ৰমে প্ৰথম সভাপতি— পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ময়িদুল ইছলাম বৰা, যতীন্দ্ৰনাথ দুৱৰা, বেণুধৰ শৰ্মা, পদ্মধৰ চলিহা, ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সীতানাথ ব্ৰহ্ম চৌধুৰী, ড° মহেন্দ্ৰ বৰা, ড° লীলা গগৈ। উজনি অসমৰ প্ৰথম গ্ৰেজুৱেট জগন্নাথ বৰুৱা, যাক অসমৰ বি-এ জগন্নাথ বুলি জনা যায়; অসমৰ প্ৰথমগৰাকী এম-এ দাৰ্শনিক ৰাধানাথ ফুকন আৰু অসমৰ প্ৰথমগৰাকী ডক্টৰেট ড° ময়িদুল ইছলাম বৰা —এই তিনিওগৰাকী এই বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। জগন্নাথ বৰুৱাই ১৮৬৮ চনত, ৰাধানাথ ফুকনে ১৮৯১ চনত আৰু ময়িদুল ইছলাম বৰাই ১৯১৭ চনত এই বিদ্যালয়ৰপৰা সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল। অসমৰ মুখ্য মন্ত্ৰী বিমলাপ্ৰসাদ চলিহা, মুক্তিযুঁজাৰু, অসমৰপৰা ৩ বাৰকৈ সাংসদ হিচাপে নিৰ্বাচিত হোৱা ৰবীন্দ্ৰনাথ কাকতী, বিপ্লৱী মুক্তিযুঁজাৰু শঙ্কৰ বৰুৱা, শিক্ষাবিদ সাংসদ সেউজ কোঁৱৰ পৰাগ চলিহা, গীতিকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱা, শিক্ষাবিদ সাংসদ বিপিনলাল দাস, অসমৰ প্ৰাক্তন তিনিজন শিক্ষাধিকৰ্তা (D.P.I) যথাক্ৰমে সুৰেশ ৰাজখোৱা (এওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যও হৈছিল), নুৰুল ইছলাম, ড° শৈলজানন্দ ভৰালী এই বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ আছিল। কটনৰ প্ৰাক্তন অধ্যাপক মহেশ ভূএগ, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালী, কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য সত্যৰঞ্জন বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° শৈল গগৈ, ন্যায়াধীশ পাৰ্বতিপ্ৰসাদ গোস্বামী, আই-জি-পি মিহিৰকান্ত বৰুৱা আৰু হাইদৰ হুছেইন, আই-পি-এছ ভাস্কৰজ্যোতি মহন্ত এই বিদ্যালয়ৰে একালৰ ছাত্ৰ আছিল।

বিদ্যালয়খনিৰ ১৬০ বছৰীয়া জয়ন্তী (বৰ্ষ পূৰ্তিৰ) বছৰজোৰা কাৰ্যসূচীৰে যোৱা ২০০৩-২০০৪ চনত উদ্‌যাপন কৰা হয়। ১৬৮ বছৰৰ আগতে প্ৰধান শিক্ষক ডিচৌজা মহোদয়ে গভীৰ আস্থা সহকাৰে যি গছি জ্ঞানবন্তি জ্বলাইছিল, নানা ঘাত-প্ৰতিঘাত নেওচি সি আজিও এক দুৰ্নিবাৰ অনল শিখা হৈ চৌদিশ উজলাই আছে।

শিৱসাগৰৰ দ্বিতীয় প্ৰাচীন বিদ্যালয়খন হ'ল শিৱসাগৰৰ বেজবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়। ১৮৮৮ চনৰ এটি শুভ দিনত দীননাথ বেজবৰুৱাদেৱে ছাত্ৰসকলৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই স্কুলখন প্ৰতিষ্ঠা কৰে। ছাত্ৰই আগ-ভাগ লোৱাত গঢ় লৈ উঠা এই বিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ এটা কাহিনী আছে। শিৱসাগৰ গভৰ্ণমেণ্ট হাইস্কুলৰ একালৰ প্ৰধান শিক্ষক চন্দ্ৰমোহন গোস্বামী এহাতে বৰ মৰমিয়াল আছিল যদিও প্ৰশাসনত বৰ কঠোৰ আছিল। বিদ্যালয়ৰ সাপ্তাহিক পৰীক্ষাত ভাল ফল দেখুৱাব নোৱৰা ছাত্ৰসকলক তলৰ শ্ৰেণীলৈ নমোৱাই দিয়াত বহু ল'ৰাই হতাশাত ভাগি পৰি পঢ়া-শুনা বাদ দিব লগা হৈছিল। এই পৰিস্থিতিৰ অৱসান ঘটাবলৈ ভুক্তভোগী ছাত্ৰ মেলেঙৰ নাৰায়ণচন্দ্ৰ বৰুৱাই আনকেইজনমানক লগত লৈ ডাঙৰীয়া দীননাথ বেজবৰুৱাক খাটনি ধৰিলেহি

এখন বিদ্যালয় পাতি দিয়াৰ কাৰণে। নাৰায়ণ বৰুৱাৰ ডায়েৰীৰ কথাখিনি এনেধৰণৰ—

"১৮৮৮ চনৰ সাপ্তাহিক পৰীক্ষাত বহুত ল'ৰাক ডিগ্ৰেড কৰাত মোৰ মনে নসহি শিৱসাগৰৰদীননাথ বেজবৰুৱাক নমাই দিয়া ল'ৰা দুটামান লগত লৈ কান্দি-কান্দি বিদেশী মাষ্টৰে প্ৰায় ৫০/৬০ টা ল'ৰাক ডিগ্ৰেড কৰাৰ কথা ক'লোঁ। ইমানতে এটি স্কুল পাতি নিদিলে অনেক ল'ৰাৰ অপমানতে পঢ়া বন্ধ হ'ব। ইত্যাদি অনেক কথা কাকুতি-মিনতি কৰি কোৱাত, তেখেতে দুৱৰাৰ ঘৰৰ শ্যাম বাবু (শ্যামসুন্দৰ দুৱৰা) আৰু পৰমা বাবু(পৰমানন্দ ভৰালী)ক কোৱা, যদি তেখেতসকলে পঢ়ায় তেন্তে মই বাৰু 'বেজবৰুৱা স্কুল' নাম দি স্কুল খুলি দিম। সেইমতে দুৱৰাৰ ঘৰৰ উক্ত সাধু পুৰুষ আৰু পৰমানন্দ ভৰালীৰ গুৰিলৈ গৈ সকলো ক'লোঁ আৰু এমাহ নালাগে তিনি মাহ পঢ়াম বুলি ৰাজি হোৱাত বেজবৰুৱা দেউতাক

শিৱসাগৰৰ বেজবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়

সম্বাদ দিলোঁহি। দেউতাই ঘৰ এটা ভেৰোণীয়াকৈ বিচাৰিবলৈ ক'লে। সহদেৱ শৰ্মা পণ্ডিত (ত্ৰিলোচন অধ্যাপক নাজিৰৰ পুত্ৰ) মোৰ মিতিৰ, তেখেতক সকলো কথা কোৱাত আমাৰ সৈতে ওলাই আহি তেখেতৰ ঘৰৰ দুৱাৰমুখত আলিকাষত কোনোবাই সজাই থোৱা দুটা বঙলা ঘৰ, তাৰ গিৰিহঁতক মাতি আনি স্কুল খুলিবলৈ দিয়াম বোলাত সেই ঘৰতে পাছদিনা বেজবৰুৱা স্কুল খুলি দিলে।"

এয়ে হ'ল শিৱসাগৰ বেজবৰুৱা স্কুলৰ জন্ম বৃত্তান্ত।

প্ৰথম অৱস্থাত (আৰম্ভণিতে) স্কুলখনৰ ছাত্ৰৰ সংখ্যা আছিল ৪০/৫০ জন। সেই একে বছৰতেই এশতকৈও অধিক ছাত্ৰ হোৱাত দেউতাক দীননাথ বেজবৰুৱাৰ আদেশক্ৰমে পুত্ৰ গোবিন্দচন্দ্ৰ বেজবৰুৱাই স্কুলখনৰ স্বত্বাধিকাৰী আৰু হেডমাষ্টৰ ৰূপে ১৮৮৯ চনত তত্বাৱধান লয়। শিৱসাগৰৰ দ্বিতীয়খনি পুৰণি স্কুল শিৱসাগৰ বেজবৰুৱা স্কুল। এই বিদ্যালয়খনি অসমৰ প্ৰথম ১০খন পুৰণি বিদ্যালয়ৰ অন্তৰ্ভুক্ত।

ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ পৰিয়ালবৰ্গই কেৱল শিৱসাগৰতেই নহয়, যোৰহাট, গোলাঘাট, দেৰগাঁও, চাৰিগাঁও আৰু জাঁজীত সৰ্বমুঠ ৬খন বিদ্যালয় প্ৰতিষ্ঠা কৰি অসমীয়া সমাজলৈ যি অৱদান আগবঢ়ালে সি সদায় স্মৰণীয় হৈ থাকিব।

শিৱসাগৰ বেজবৰুৱা স্কুলৰ প্ৰতিষ্ঠা কালৰ প্ৰথম শিক্ষক দুজন হ'ল শ্যামসুন্দৰ দুৱৰা আৰু পৰমানন্দ ভৰালী। দীননাথ বেজবৰুৱাৰ পৰামৰ্শ মতে পৰৱৰ্তী সময়ত প্ৰধান শিক্ষকৰ দায়িত্ব লয় গোবিন্দ বেজবৰুৱাই। কিছু দিন হেডমাষ্টৰ ৰূপে থাকি যোৰহাটলৈ যাবলগীয়া হোৱাত ক্ৰমে ত্ৰিনয়ণ বৰকাকতী, ভৱ হাজৰিকা, মুনীন্দ্ৰনাথ ৰায় হেডমাষ্টৰ হয়। গোবিন্দচন্দ্ৰ বেজবৰুৱা কেৱল স্বত্বাধিকাৰী হৈ থাকে। ২০০৭-২০০৮ চনত এই বিদ্যালয়খনিয়ে ১২০ বছৰ পূৰ্ণ কৰিলে। বছৰজোৰা কাৰ্যসূচী হাতাত লৈ সদৌ শিৱসাগৰীয়া ৰাইজে মহা সমাৰোহেৰে ১২০ বছৰীয়া জয়ন্তী উদযাপন কৰিলে।

১৯৯১ চনত বিদ্যালয়খনিক উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নীত কৰা হয়। তেতিয়াৰপৰা বিদ্যালয়খনত বিজ্ঞান শাখাৰ পাঠদান আৰম্ভ কৰা হয়। বহু মনীষীয়ে গৰকা এই বিদ্যালয়খনিয়ে শিক্ষা, খেলা-ধূলা, ৰাজনীতি, সাহিত্য-সংস্কৃতি আদি বিভিন্ন দিশত সাফল্যৰ শিখৰত আৰোহণ কৰিছে বুলি নিঃসন্দেহে ক'ব পাৰি। থুলমূলভাৱে তাৰে কেইটিমান কথা উল্লেখ কৰা হ'ল। ভাওনিকোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালাই একালত এই বিদ্যালয়ত শিক্ষকতা কৰিছিল। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা এই বিদ্যালযৰে ছাত্ৰ আছিল। আই-পি-এছ বিষয়া জ্যোতিষ গগৈ এই বিদ্যালয়ৰে ছাত্ৰ আছিল। এটা সময়ত ফুটবল খেলেৰে অসমলৈ সুখ্যাতি কঢ়িয়াই অনা গলকীপাৰ মুকুল চাৰ্বাৰ্চ, 'আছাম ৱাল' বুলি খ্যাতি অৰ্জা তোষেশ্বৰ দত্ত এই বিদ্যালয়ৰে সৃষ্টি আছিল। ৰাজনীতিৰ ক্ষেত্ৰতো অসমৰ মজিয়াৰপৰা দিল্লীলৈকে যোগ্যতাৰ পৰিচয় দিয়া শৰৎ বৰকটকী, নাৰায়ণ বৰকটকী, ৰামেশ্বৰ ধানোৱাৰ, অঞ্জন দত্ত, শৰৎ শইকীয়া এই বিদ্যালয়ৰে ছাত্ৰ আছিল।

[প্ৰবন্ধটোৰ ৰচনা কৰোঁতে শিৱসাগৰ চঃ উঃ মাঃ বিদ্যালয়ৰ ১৬০ বছৰীয়া জয়ন্তীৰ স্মৃতিগ্ৰন্থ আৰু শিৱসাগৰ বেজবৰুৱা স্কুলৰ ১২০ বছৰীযা জযন্তীৰ স্মৃতিগ্ৰন্থৰপৰা তথ্য আহৰণ কৰা হৈছে।]

হিৰণময়ী দত্ত

সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়

'সংসাৰ মৰুভূমিত সঙ্গীত সৰোবৰ' — কোনে বাৰু এই সৰোবৰত অৱগাহন কৰিবলৈ নিবিচাৰে? কোনে বাৰু সঙ্গীত-যাত্ৰাৰ বিপৰীতে খোজ কাঢ়িবলৈ যাব? পৃথিৱীৰ সকলো প্ৰাণী, জীৱ-জন্তু তথা বিষাক্ত তক্ষকো সঙ্গীতৰ মূৰ্চ্ছনাত আপ্লুত হৈ পৰে। জগতৰ সকলো ঠাইতেই একোটা নিৰ্দিষ্ট সময়ৰপৰা সঙ্গীত-চৰ্চাৰ এটি অপূৰ্ব সুঁতি বৈ আহিছে এই কথা বুৰঞ্জীয়েও কয়। প্ৰাচীন ভাৰতীয় সভ্যতাৰপৰা জানিব পৰা যায় যে ভাৰততে প্ৰথম সঙ্গীত-চৰ্চাৰ আৰম্ভণী হয়। য'ত তানচেনৰ দৰে এজন সঙ্গীত-সাধকে গীত গাই বৰষুণ দিয়াইছিল, জুই জ্বলাইছিল, ডাঙৰ-ডাঙৰ শিল গলাই পেলাইছিল। ইওতো মিছা কথা নাছিল। এৰা সঙ্গীত সম্পৰ্কে বহুত কথা, দেৱতা-গন্ধৰ্বৰ কথালৈ নগ'লোঁৱেই বা। আমাৰ লেখাৰ মূল বিষয় হ'ল শিৱসাগৰৰ সঙ্গীত-চৰ্চাৰ কেন্দ্ৰস্থল 'সেউজীয়া সমাজ সঙ্গীত মহাবিদ্যালয়'।

সঙ্গীত হ'ল সৰগৰ গন্ধৰ্বৰদ্বাৰা পৰিৱেশিত অমৃতৰ ধাৰা। ইয়াক চৰ্চা কৰিবলৈ সাধনা, পৰিৱেশ আৰু ঐকান্তিক ইচ্ছা লাগিব। শিৱসাগৰৰ উক্ত বিদ্যালয়খনিৰ কথা ক'বলৈ গ'লে সময়ৰ কিছু আগলৈ যাব লাগিব। কাৰণ আমি জনাত চল্লিছ দশলৈকে শিৱসাগৰ আছিল আহোম ৰজাৰ কীৰ্তিচিহ্নেৰে ভৰা এখন ঐতিহ্যপূৰ্ণ ঠাই, য'ত ৰংঘৰ-কাৰেংঘৰত হাবি-বননিৰ মাজেৰে বনৰীয়া জন্তুৱে অহা-যোৱা কৰিছিল। অৱশ্যে শিৱদ'ল, দেৱীদ'ল, বিষ্ণুদ'লত পূজা চলি আছিল। বৰ্তমানৰ এই নগৰত বিজুলি-বাতি নাছিল। ৰাস্তাৰ মূৰত কেৰাচিন তেলৰ লেম্প আছিল। পানীৰ ব্যৱস্থা নাছিল। বৰপুখুৰীৰ পানী কঢ়িয়াই নি চলিছিল। নামনি অসমৰ কিছুমান মানুহে ইয়াত ভাৰে-ভাৰে পানী কঢ়িয়াই জীৱিকা নিৰ্বাহ কৰাটো এটা তাৎপৰ্যপূৰ্ণ কথা আছিল। থানাখন, ৰেল ষ্টেশ্যনটো আৰু সৰুকৈ চকবজাৰখন সামৰি দোকান-পোহাৰ বৰ বেছি নাছিল। প্ৰাথমিক স্কুল এখন আৰু হাইস্কুল দুখনৰ বাহিৰে আন স্কুলো নাছিল। তেনে এটা পৰিৱেশত নগৰখনত সাংস্কৃতিক দিশৰ পৰিৱেশ গঢ়ি তোলাটো এটা সহজ কাম নাছিল। তথাপি কালক্ৰমত সমাজৰ সকলো দিশত উন্নতিকল্পে পাৰ হৈ যোৱা দিনবিলাকৰ মাজত পুৰণি অসুবিধাৰ দিনবোৰ সলনি হোৱাৰ লগে-লগে শিৱসাগৰত কলা-সংস্কৃতিয়ে গজালি মেলে। ১৯৪১ চন মানতে বৰ্তমানৰ নাট্যমন্দিৰ থকা স্থানত

সেউজীয়া সমাজ সঙ্গীত মহাবিদ্যালয়



খেৰ-বাঁহৰ এটি সৰু ঘৰত নাট্য সমাজ গঢ়ি উঠিছিল আৰু নাট্য সমাজৰ লগে-লগে প্ৰায় একেখিনি কৰ্মকৰ্তাৰ মাজতে সেউজীয়া সমাজৰ জন্ম হয়। উদ্দেশ্য একেটাই আছিল, মাত্ৰ তেওঁলোকৰ মাজত বিষয়টোহে ভাগ হৈছিল। নাট্য সমাজে নাটকৰ চৰ্চা কৰিছিল, আনহাতে সেউজীয়া সমাজ সঙ্গীত-চৰ্চাৰ বাবে আগবাঢ়িছিল। প্ৰথম পদক্ষেপত ১৯৪২-৪৩ চন মানত অনুষ্ঠানটিৰ সঙ্গীত বিভাগৰ সম্পাদক আছিল মাখন ভূঞা আৰু সহকাৰী সম্পাদক আছিল কমলা ৰাজখোৱা, সাধাৰণ সম্পাদক নৰেন ভট্ট আৰু সভাপতি আছিল ফটিক চলিহা। ১৯৪৪ চনত নাট্যমন্দিৰতে সঙ্গীত-চৰ্চা কৰাৰ সুবিধা পাইছিল। কেৱল জেপ খৰচৰ বিনিময়ত প্ৰতিভাৱান সংগীতশিল্পী অতুল শৰ্মা আৰু সুশীল দাসে সঙ্গীতৰ শিক্ষা দান কৰিছিল। শিৱসাগৰৰ এজন আগশাৰীৰ শিক্ষাবিদ, সাংস্কৃতিক সংগঠক, সাহিত্যিক, সুগায়ক, সুশিল্পী পৰাগ চলিহাই ১৯৪৫ চনত সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়খনি স্থাপন কৰি ৰাইজৰ হাতত গতাই দিয়ে। তেতিয়াৰপৰা শিৱসাগৰ ফুলেশ্বৰী উচ্চ ইংৰাজী বিদ্যালয়ত কেইবাটিও বিষয়ত সঙ্গীত শিক্ষাদানৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে অধ্যক্ষ অতুল শৰ্মাই কণ্ঠসঙ্গীতৰ উপৰি এচৰাজ, বেহেলা আৰু প্ৰয়োজন অনুসৰি নৃত্যৰ শিক্ষাও দিছিল। বিদ্যালয়খনি পৰিচালনা কৰিবৰ বাবে পৰিচালনা সমিতি গঠন কৰা হয়। সভাপতি আছিল হৰেশ ৰাজখোৱা, সম্পাদক আছিল কেশৱ চলিহা।

সেউজ কোঁৱৰ পৰাগ চলিহাই প্ৰায একক প্ৰচেষ্টাৰে ১৯৬৯ চনত সেউজীয়া সমাজ সঙ্গীত বিদ্যালযৰ বাবে নিজাববীয়াকৈ এডোখৰ মাটি সংগ্ৰহ কৰি স্থায়ী ঘৰ নিৰ্মাণ কৰি বিদ্যালয়টি বৰ্তমান চলি থকা ঠাইলৈ আনে। সঙ্গীত বিদ্যালয়খন ১৯৮৯ চনৰপৰা মহাবিদ্যালয়লৈ উন্নীত হয়। চলিহা প্ৰমুখ্যে সেউজীযা

সমাজৰ উদ্যোগী সদস্যসকল আছিল যতীন শইকীয়া, মাখন ভূঞা, কৃষ্ণৰাম বৰুৱা, জিতেন গোহাঁই, দুলাল কটকী, হিৰণ্য গোহাঁই, নৰেশ ৰাজখোৱা, অশ্বিনী বৰুৱা, ধ্ৰুৱ চলিহা, জ্ঞানদাচৰণ শৰ্মা, তাৰিণী শৰ্মা, সঞ্জয় দাস, কমলা ৰাজখোৱা, নৰেন ভট্ট, দেৱ চলিহা, নবীন ভাগৱতী, চেনী বেজবৰুৱা আদি এচাম সমাজহিতৈষী যুৱক।

সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়খনি প্ৰতিষ্ঠা হোৱাৰ পাছত কেইগৰাকীমান উদীয়মান শিল্পীয়ে বিদ্যালয়ৰ তৰফৰপৰা হ'ব লগা সাংস্কৃতিক অনুষ্ঠানবিলাকৰ সকলো কাৰ্যসূচী নিয়াৰিকৈ পৰিচালনা কৰাত সক্ৰিয় অংশগ্ৰহণ কৰি বিদ্যালয়টিৰ গৌৰৱ অৰ্জন কৰাত, বিশেষকৈ গীত-মাত-নৃত্য-ৰূপসজ্জা আদিত, একালত খ্যাতি অৰ্জন কৰা সকলৰ ভিতৰত আছিল মাখন বৰা, খগেন দুৱৰা, ভৰত বৰুৱা, গকুল ভট্টাচাৰ্য, কৃষ্ণ কলিতা, পিটাৰ সিং আদি কলাপ্ৰেমীসকলৰ অবদান বিদ্যালয়ৰ বাবে স্মৰণীয়। ১৯৮৯ চনত মাখন ভূঞাৰ কৰ্মকালত বিদ্যালয়টি মহাবিদ্যালযলৈ উন্নীত হোৱাৰ লগে-লগে লক্ষ্ণৌ ভাটখাণ্ডে বিদ্যাপীঠৰ স্বীকৃতি পোৱা হয়। আৰু ভাটখাণ্ডে বিদ্যাপীঠৰ এটি পৰীক্ষা কেন্দ্ৰও স্থাপিত হয়। এইক্ষেত্ৰত সেই সময়ৰ সভাপতি দেবেন শৰ্মাৰ সহায়-সহানুভূতি, বুদ্ধি-পৰামৰ্শ স্মৰণীয়। প্ৰথম পৰ্যায়ত অনিবাৰ্য কাৰণবশতঃ সেউজীয়া সমাজ বিদ্যালয়ৰ পৰীক্ষাৰ্থীসকলে নাজিৰাত পৰীক্ষা দিব লাগিছিল যদিও সি অস্থায়ী আছিল। বছৰি এই কেন্দ্ৰৰপৰা বৰ্তমান কণ্ঠসঙ্গীত, তবলা, ভায়লিন, সত্ৰীয়া, ভাৰতনাট্যম আদি বিষয়ত প্ৰথমা, মধ্যমা, বিশাৰদ আদি পৰীক্ষাত শতাধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ডিপ্লোমা সহ কৃতকাৰ্যতা লাভ কৰি আছে। এখন বিদ্যালয় বা মহাবিদ্যালয় সুচাৰু ৰূপে পৰিচালনা হৈ থকাটো কম কথা নহয়। কাৰণ এনে বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী বা অভিভাৱকক ঐকান্তিকভাৱে আকৰ্ষণ কৰি ৰাখিব পাৰিব লাগিব। ফলাফলতো আশানুৰূপভাৱে আগবাঢ়িব পাৰিব লাগিব। নহ'লে হয়তো বিদ্যালয়খন আগবাঢ়ি যোৱাত হেঙাৰে দেখা দিব। এইটো কথা আমি মানি ল'ব পাৰোঁ যে উক্ত সেউজীয়া সমাজ তেনে কোনো নিৰাশাত ভুগিব লগা হোৱা নাই। যিসকল ব্যক্তি শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সত্তৰ বছৰীয়া বিদ্যালয়খনক আগবঢ়াই আনিছে তেখেতসকলৰ নাম উল্লেখ নকৰিলে ভুল হ'ব। তাৰ ভিতৰত ১৯৮৯ চনৰপৰা বৰ্তমানলৈকে শিক্ষাদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল একাদিক্ৰমে হ'ল ঃ অতুল শৰ্মা (প্ৰতিষ্ঠাতা প্ৰধান শিক্ষক), সুশীল দাস, চিদানন্দ গোস্বামী, ৰথীন্দ্ৰ সিংহ, মাখন ভূঞা, প্ৰফুল্লপ্ৰাণ মহন্ত, মাখন বৰা (১৯৭০), গোপীকেশ চৌধুৰী (১৯৭৭), ভূপেন চেতিয়া, যোগেন তামুলী (১৯৭৮), শৰৎ চেতিয়া (১৯৭৯), লক্ষ্মী প্ৰসাদ (১৯৮১), আৰতি বৰুৱা (১৯৮৫), দুলালী তামুলী (১৯৮৪), প্ৰমথ শৰ্মা (১৯৮৫), প্ৰফুল্ল বৰঠাকুৰ (১৯৮৬), ৰশ্মি দেৱী (১৯৮৯)। ১৯৮০ চনৰপৰা অস্থায়ী শিক্ষক-শিক্ষয়ত্ৰীসকল আছিল ঃ মহেন্দ্ৰ কটকী, দিপাঞ্জলি দেৱী, জুনুমণি, কল্পনা বৰঠাকুৰ, তুলিকা গগৈ, বেবীমুন হাজৰিকা, ৰুলি ভৰালী আদি। সকলোখিনি শিক্ষক-শিক্ষয়িত্ৰীৰ গুণগত অৰ্হতা বি-মিউজ আছিল। তেখেতসকলৰ অকৃত্ৰিম শিক্ষাদান আৰু অপ্ৰাণ চেষ্টাৰ মাজত বিদ্যালয়খনিয়ে শিৱসাগৰত সঙ্গীতৰ ধাৰা বজাই ৰাখিছে। বৰ্তমান মহাবিদ্যালয়খনিৰ অধ্যক্ষ ৰোহিণীকুমাৰ বৰুৱা তবলাত বিশাৰদ আৰু কণ্ঠসঙ্গীতত এম-মিউজিক। সম্প্ৰতি বিদ্যালয়খনত প্ৰথমা, মধ্যমা, বিশাৰদ আটাইকেইটা শ্ৰেণীয়েই চলি আছে আৰু বিষয়সমূহো কণ্ঠসঙ্গীতৰপৰা আৰম্ভ কৰি সত্ৰীয়া নৃত্য, ভাৰত নাট্যলৈকে চলি আছে।

টোকা : 'সেউজীয়া সমাজ সঙ্গীত বিদ্যালয়' নামটো দিছিল বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰাই। কবিজনাৰ শিৱসাগৰৰ ঔটেঙাবাৰীৰ ওচৰত থকা দিখৌ নৈৰ পাৰৰ বাসগৃহত মাখন ভূঞা, যতীন শইকীয়া, অতুল শৰ্মা, শৈলজানন্দ ভৰালী, মিহিৰকান্ত বৰুৱা প্ৰমুখ্যে সচেতন ব্যক্তিসকলৰ উপস্থিতিত তেওঁ এই প্ৰস্তাৱ আগবঢ়াইছিল বুলি জ্যেষ্ঠ নাগৰিক তথা মুক্তিযুঁজাৰু তুলসীপ্ৰসাদ চলিহাই কয়।

শিৰীষ কুমাৰ ভট্টাচাৰ্য

শিৱসাগৰৰ কেইটামান ঐতিহ্যবহনকাৰী ঘৰ

ৰংপুৰ অৰ্থাৎ অৰ্বাচীন শিৱসাগৰ আহোম ৰাজত্বৰ প্ৰায় দুশ বছৰৰো অধিক কাল ৰাজধানী আছিল হেতু ইয়াৰ আশে-পাশে আহোম যুগৰ প্ৰত্নতাত্ত্বিক সম্পদ সিঁচৰতি হৈ আছে। এই শিৱসাগৰ ব্ৰিটিছ যুগতো প্ৰায় পঁইসত্তৰ বছৰ উজনি অসমৰ প্ৰশাসনিক কেন্দ্ৰ হিচাপে সুখ্যাতি লাভ কৰিছিল। আমাৰ আলোচনাত ব্ৰিটিছৰ শাসন-কালত, বিশেষকৈ বিংশ শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশকত নিৰ্মাণ হোৱা কেইটিমান ঐতিহ্যমণ্ডিত ভৱনৰ বিষয়েহে কিছু আভাস দিয়া হ'ব।

১. কল্পতৰু লে'ক ছাইড

এই ভৱন চলিহা টোল হিচাপেহে জন-সমাজত পৰিচিত। পুৰণি দিখৌৰ এৰাসুঁতি মেলাচকৰৰ কাষৰ উত্তৰ-পূব অংশত প্ৰায় ৯ বিঘা মাটিৰ মধ্য স্থলত অৱস্থিত এই ভৱন। এইটো ব্যক্তিগত ভৱন। ইয়াৰ নিৰ্মাণ কাৰ্য ১৯২৪ চনত আৰম্ভ হৈ ১৯২৬ চনত বাসৰ উপযোগী হৈছিল। ৰায়বাহাদুৰ কালীপ্ৰসাদ চলিহাৰ চাৰি পুত্ৰ যথাক্ৰমে বেৰিষ্টাৰ তাৰাপ্ৰসাদ, যাদৱপ্ৰসাদ, গুৰুপ্ৰসাদ আৰু ভূতপূৰ্ব মুখ্য মন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই দিখৌ নদীৰ খহনীয়াৰ প্ৰকোপত চলিহা টুপৰপৰা আহি এই ভৱন নিৰ্মাণ কৰি লৈছিল। ইয়াৰ স্থাপত্য সম্পূৰ্ণ থলুৱা। দুমহলীয়া মূল ঘৰটোৰ মূল জঁকাটো লোহাৰ। ইয়াৰ দৰজা-খিৰিকিসমূহ চেগুন কাঠৰ। অনান্য কাঠবিলাক মাৰ্ঘেৰিটাৰপৰা অনা শলখ কাঠ। ঘৰৰ ভিতৰৰ আচবাব, সাজ-সজ্জাই অসমীয়া সংস্কৃতিৰ নিভাঁজ ৰূপ এটা ধৰি ৰাখিছে। প্ৰাক-স্বাধীন তথা স্বৰাজোত্তৰ কেইবাটাও বুৰঞ্জীৰ ঘটনা, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ঘটনাৰ লগত এই ভৱনটোৰ স্মৃতি জড়িত; ইয়াত হে'ৰিটেজ বীল্ডিং হিচাপে গণ্য কৰাৰ সকলো উপাদান বিদ্যমান। ইয়াৰ লগত জড়িত কেইটিমান বিশেষ ঘটনা তলত উল্লেখ কৰা হ'ল।

মহাত্মা গান্ধীৰ শিৱসাগৰত পদাৰ্পণ আৰু এই ভৱনত আতিথ্য গ্ৰহণ

মহাত্মা গান্ধী শিৱসাগৰলৈ এবাৰহে আহিছিল। ১৯৩৪ চনৰ ১৭ এপ্ৰিল, অসমীয়া ৪ ব'হাগত

মহাত্মা গান্ধী শিৱসাগৰলৈ আহোঁতে ব্যৱহাৰ কৰা মেজখন
(শিৰীষকুমাৰ ভট্টাচাৰ্যৰ সৌজন্যত)



তেওঁ শিৱসাগৰত পদাৰ্পণ কৰি এনিশা থাকি ১৮ এপ্ৰিল তাৰিখে প্ৰস্থান কৰে। হৰিজন আন্দোলনৰ সম্পৰ্কত অহা গান্ধীজীৰ সহচৰ আছিল মীৰা বেন, কৃষ্ণা বেন, অমৃত কৌৰ, জমিয়ত সিং আদি। নামতি ৰে'ল ষ্টেশ্যনৰপৰা বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা আৰু দুৰ্গাপ্ৰসাদ বৰঠাকুৰে গাড়ীৰে গান্ধীজীক আগবঢ়াই আনে। গুৰুদেৱ পণ্ডিতে এটা সংস্কৃত স্তোত্ৰ ৰচনা কৰি তেওঁক আদৰণি জনায়। গান্ধীজী আহি পোৱাৰ পাছত এই ভৱনৰ বহল প্ৰাঙ্গন লোকে লোকাৰণ্য হৈ পৰে। গান্ধীজীৰ মুখ্য আহাৰ ছাগলীগাখীৰ। ওচৰ-পাজৰৰ গাঁৱৰপৰা বহুকেইজনী খীৰতি ছাগলী গিৰিহঁতে আনি ভৱন প্ৰাঙ্গনত হাজিৰ কৰিছিল। তেওঁৰ প্ৰাৰ্থনাৰ সময়ত নগৰৰ আৰু দূৰ-দূৰণিৰ বহু লোকে বাটকুৰি বাই আহি যোগদান কৰি নিজকে ধন্য মানিছিল। বিমলাপ্ৰসাদ চলিহাই নিজে সজা এটা যঁতৰ দেখি গান্ধীজীয়ে প্ৰশংসা কৰিছিল।

কালীপ্রসাদ মেমরিয়েল হল

পিছদিনা ১৮ এপ্ৰিল তাৰিখে বৰ্তমানৰ কালীপ্ৰসাদ স্মৃতি ভৱন প্ৰাঙ্গনত গান্ধীজীয়ে বক্তৃতা প্ৰদান কৰি শিৱসাগৰীয়া ৰাইজক স্বাধীনতা আন্দোলনত যোগদান কৰিবৰ বাবে আহ্বান জনাইছিল আৰু কালীপ্ৰসাদ ভৱনটো উদ্বোধন কৰি ৰাইজৰ উদ্দেশ্যে উছৰ্গা কৰিছিল।

স্বাধীনতা আন্দোলনৰ অঘোষিত কৰ্মশালা

চলিহা-পৰিয়ালৰ প্ৰায় সকলো সদস্যই ভাৰতৰ স্বাধীনতা আন্দোলনত কম-বেছি পৰিমাণে লিপ্ত থকাই নহয়, শিৱসাগৰ তথা অসমৰ আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। সৰ্বভাৰতীয় প্ৰাযবিলাক কৰ্মী আৰু নেতাক আতিথ্য প্ৰদান কৰাত এই ভৱনৰ ঐতিহ্য আছে। জয়প্ৰকাশ নাৰায়ণ, মোৰাৰজী দেশাই, মহাৰাষ্ট্ৰৰ দলীয় কৰ্মী ঠক্কৰ বাপা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

নগালেণ্ড শান্তি মিছনৰ শিবিৰ

১৯৬৪ চনত জয়প্ৰকাশ নাৰায়ণ, শঙ্কৰ দেৱা, ৰেভাৰেণ্ড মাইকেল স্কট আৰু বিমলাপ্ৰসাদ চলিহাক লৈ গঠিত হোৱা নগালেণ্ড শান্তি মিছনৰ ১৯৬৭ চনলৈকে চলা কাম-কাজৰ মুখ্য শিবিৰ হিচাপে এই ভৱনটিয়ে ঐতিহ্য বহন কৰিছে। ইয়াৰ চৌহদত শান্তি মিছনৰ বগা ৰঙৰ গাড়ীসমূহে ভৱনটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছিল। এই ভৱনৰপৰাই সদস্যসকলে পুৱা মন্ হৈ নগাপাহাৰ সোমাই ৰাজহুৱা সভা আৰু নগা আত্মগোপনকাৰীৰ লগত আলোচনা কৰি ৰাতি ঘূৰি আহিছিল। ৰেভাৰেণ্ড লংৰি আও, কেনেথ কাৰ্লহো, এল লুঙ্গালাং, ড° এম আৰাম, লুংচিম চাইজা আদি মিছনৰ লগত জড়িত বহু লোকে এই ঘৰত পদাৰ্পণ কৰি আতিথ্য গ্ৰহণ কৰাৰ লগতে আলোচনাত মিলিত হৈছিল। নগালেণ্ডৰ বুৰঞ্জীৰ লগত এই ভৱন অবিচ্ছেদ্যভাৱে জড়িত।

সামাজিক-সাংস্কৃতিক ঐতিহ্য

এই ভৱনৰপৰাই প্ৰথম অসমীয়া মহিলা-আলোচনী **ঘৰ জেউতি** প্ৰকাশ পাইছিল। সম্পাদিকা আছিল কনকলতা চলিহা আৰু কমলালয়া কাকতি, অধ্যক্ষ আছিল বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা। শিৱসাগৰৰ শিপিনীৰ ভঁৰাল, মহিলা সভা আদি নাৰী-সংগঠনৰ কাৰ্যসূচীসমূহৰ নেতৃত্ব এই ভৱনৰপৰাই হৈছিল। ৰাষ্ট্ৰভাষা হিন্দী শিক্ষা আৰু প্ৰচাৰৰ উদ্দেশ্যে বিহাৰী শিক্ষকৰদ্বাৰা পাঠদান কাৰ্যসূচীও প্ৰথম এই ভৱনতে আৰম্ভ হৈছিল।

২. কালীপ্ৰসাদ চলিহা স্মৃতিভৱন

বিংশ শতিকাৰ ত্ৰিছৰ দশকৰ মাজভাগলৈকে শিৱসাগৰ নগৰত ৰাজহুৱা সভা-সমিতি আদি কাম-কাজৰ বাবে কোনো ৰাজহুৱা ভৱন নিৰ্মাণ হোৱা নাছিল। শিৱসাগৰ নাট্যমন্দিৰে কিছু পৰিমাণে এই অসুবিধাৰ জোৰা মাৰিছিল যদিও ঘৰবিলাক অস্থায়ী নিৰ্মাণৰ আছিল। ১৯২০ চনত শিৱসাগৰ মিউনিচিপেলিটীৰ উপ-সভাপতি হৈ থকা অৱস্থাত তাৰাপ্ৰসাদ চলিহাই এই অভাৱ পুৰণাৰ্থে পৌৰসভাৰপৰা এ.টি. ৰোডৰ কাষত ৯ আৰু ১০ নং ৱাৰ্ডৰ সীমাৱৰ্তী প্ৰায় এবিঘা মাটি পৌৰসভাৰপৰা আবণ্টন লয়। অনুজ ভাতৃত্ৰয়ৰ সহযোগত এই ভৱনৰ নিৰ্মাণ কাৰ্য ১৯৩৪ চনত সম্পূৰ্ণ কৰে। সেই

উড চাহাব

উড ডিছপেনছেৰী

বছৰৰে ১৮ এপ্ৰিলৰ দিনা গান্ধীজীয়ে এই ভৱন উদ্বোধন কৰি ইয়াৰ প্ৰাঙ্গনত বক্তৃতা দিয়ে। এই ভৱন প্ৰাঙ্গনতে ১৯৪২ চনত পণ্ডিত জৱাহৰলাল নেহৰুৱেও বক্তৃতা প্ৰদান কৰিছিল।

এই ভৱনৰ নাম আৰম্ভণিতে 'টাউন হল' আছিল। ১৯৫৪ চনত এটা ট্ৰাষ্ট গঠন কৰি ইয়াৰ নাম 'কালীপ্ৰসাদ স্মৃতিভৱন' দিয়া হয়। এই ভৱনক আশ্ৰয় কৰি শিৱসাগৰৰ বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম হৈছিল। শিৱসাগৰৰ মুখ্য তিনিখন কলেজ— শিৱসাগৰ কলেজ, শিৱসাগৰ ছোৱালী কলেজ আৰু শিৱসাগৰ কমাৰ্চ কলেজৰ চেৰাশালি হ'ল এই কালীপ্ৰসাদ স্মৃতিভৱন। নাট্যমন্দিৰত আৰম্ভ হোৱা 'ৰীডিং ক্লাব' পাছত এই ভৱনলৈ স্থানান্তৰ কৰা হয। শিৱসাগৰ মহকুমা আৰু জিলা লাইব্ৰেৰী বৰ্তমানলৈকে এই ভৱনতে চলি আছে। 'গান্ধী স্মাৰক নিধি'ৰ কাৰ্যালয় এই ভৱনতে আছিল। ঘৰবিহীন হৈ যাযাবৰ হৈ থকা অৱস্থাত ৰংপুৰ সাহিত্য সভাই এই ভৱনতে আশ্ৰয় লৈছিল।

শিৱসাগৰত অনুষ্ঠিত হোৱা নাটক, ৰঙালী বিহু সন্মিলন, ভ্ৰাম্যমাণ নাট্য গোষ্ঠীৰ নাট প্ৰদৰ্শন, দুৰ্গাপূজা আদিৰ প্ৰথম আৰু সহজ নিৰ্বাচন আছিল এই ভৱন প্ৰাঙ্গন। সুদীৰ্ঘ পঁইসত্তৰ বছৰৰ বিভিন্ন কাৰ্যসূচীৰ আধাৰ এই ভৱনে নিঃসন্দেহে হে'ৰিটেজ বীল্ডিঙৰ মৰ্যাদা পাব পাৰে। এই ভৱনটো চৰকাৰক হস্তান্তৰ কৰাৰ যো-জা চলিছে।

৩. উড ডিছপেন্‌ছেৰী

সাত সাগৰ তেৰ নদী পাৰ হৈ অসমত সোণ বুটলিবলৈ অহা ইংলণ্ডৰ উড চাহাবে দিহিংমুখত মিচিং ছোৱালী বিয়া কৰাই অসমীয়া হৈ অসমতে হাড় পেলাই গ'ল। তেওঁৰ অসম-প্ৰীতিৰ নিদৰ্শন হ'ল শিৱসাগৰবাসীলৈ দিয়া নগৰৰ মাজ-মজিযাত অৱস্থিত উড ডিছপেন্‌ছেৰী। লোকেল বোৰ্ডৰ অনুৰোধত দান কৰা এই হাস্পতাল ভৱনটিক 'বেৰী হোৱাইট মেডিকেল স্কুল'ৰ পাছতে অসমৰ চিকিৎসা-জগতলৈ দিয়া মুখ্য দান হিচাপে গণ্য কৰিব পাৰি। ১৯৩০ চনৰ ১২ ফেব্ৰুৱাৰীৰ দিনা এই ভৱনৰ শিলান্যাস তদানীন্তন অসমৰ ৰাজ্যপাল ছাৰ মাইকেল কীন মহোদয়ে কৰে আৰু ১৯৩৪ চনত এই ভৱনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হয।

থলুৱা স্থপতিকলাৰে নিৰ্মিত অসম টাইপৰ এই ভৱন নিৰ্মাণৰ বাবে ৰে'লেৰে মাৰ্ঘেৰিটাৰপৰা ইটা অনা হৈছিল। টিনপাট আৰু আইনাসমূহ কলিকতাৰপৰা অনা। ভৱনৰ আচবাব, দুৱাৰ-খিৰিকি আদি উৎকৃষ্ট চেগুনকাঠৰদ্বাৰা তৈয়াৰী। ঔষধ সংৰক্ষণৰ বাবে দক্ষিণফালৰ কোঠাৰ তলত আভ্যন্তৰীণ কক্ষ এটাও নিৰ্মাণ কৰা হৈছিল। ভিতৰৰ বহু সামগ্ৰী (ঘড়ী আদি) ইংলণ্ডৰপৰা অনা। কিন্তু এইবিলাক কোনো লোকে আত্মসাৎ কৰিলে। এই ঘৰটোৱে আজি পঁইসত্তৰ বছৰ সম্পূৰ্ণ কৰিলে আৰু নিঃসন্দেহে ঐতিহ্যৰ দাবী কৰিব পাৰে। ঘৰটো এতিয়াও অক্ষত অৱস্থাত আছে।

পুষ্পনাথ ভূঞা

ৰংপুৰ তথা শিৱসাগৰ প্ৰশাসনৰ প্ৰশাসকসকল

একালৰ বৃন্দাবন একালত পৰে ছন কথাষাৰ শিৱসাগৰৰ ক্ষেত্ৰত বেছিকৈ প্ৰযোজ্য। একালত দেশৰ ভাগ্য নিয়ন্ত্ৰণ কৰা ৰংপুৰ নগৰ এতিয়া পুৰাতত্ত্ব বিভাগৰ জেওৰা-জপনাৰে সংৰক্ষিত। মানক খেদাই ইংৰাজসকলে প্ৰথমে উজনি অসম খণ্ড আৰু পিছত ১৯১২ চনলৈকে ৰংপুৰ তথা শিৱসাগৰৰ সদৰ ঠাই হিচাপে প্ৰশাসন চলাবলৈ ল'লে ইয়াৰপৰাই। ১৯১২ চনত জিলাৰ সদৰ যোৰহাটলৈ তুলি নিয়াত শিৱসাগৰ কেৱল মহকুমা হিচাপে ১৯৮৩ চনলৈকে থাকে। পুনৰ ১৯৮৩ চনৰপৰা শিৱসাগৰ জিলাৰ সদৰ হয়। তালিকাখনত ১৮২৬ চনৰপৰাই প্ৰশাসকসকলৰ নাম, পদৱী আৰু কাৰ্যকাল উল্লেখ কৰা হৈছে।

পিয়লী ফুকন, মণিৰাম দেৱান আৰু কুশল কোঁৱৰক ফাঁচিৰ হুকুম দিওঁতা নিউভিল, হলৰয়দ আৰু হামফ্ৰে চাহাবৰ নাম তালিকাত আছে। থিতাদহে মনলৈ অহা অন্যান্য খ্যাতিমন্ত, খামিডাঠ বিষয়াসকলৰ কাৰ্যাৱলীৰ মৌ-সৰা কথা এনেধৰণৰ— বৰ অসমৰ প্ৰথমখন যক্ষ্মা ৰোগৰ চিকিৎসালয় 'ৰীড চেষ্ট' শ্বিলঙত প্ৰতিষ্ঠা কৰে জেমছ্ ৰীড্ চাহাবে। চেমুৱৰ মুলান চাহাব— যিজনে অসমৰ লোকপিয়লৰ আয়ুক্ত হৈ অসমীয়া মানুহ অসমত বৰ্তি থকা কথাৰ সম্পৰ্কত প্ৰায় সত্তৰ বছৰ আগতে কৰা মন্তব্যৰ দিনক দিনে জেউতি চৰিছে। হেইলী চাহাব— যিজনে অসম সচিবালয় তথা অন্যান্য চৰকাৰী কাৰ্যালয়ত প্ৰৱৰ্তন কৰা টেবুল এতিয়াও 'হেইলী টেবুল' নামে জনজাত। সত্যেন বৰকটকী চাহাব— যাৰ নাম কলে চিনাকিৰ সুকীয়া প্ৰয়োজন নাই। আৰিফ আলী চাহেব— যিজন অসম লোকসেৱা আয়োগৰ চেয়াৰমেন হৈ থাকোঁতে প্ৰতিযোগিতামূলক পৰীক্ষাত আবেদন কৰিবলৈ একমাত্ৰ পুতেকক দিয়া নাছিল অপযশৰ ভাগী হোৱাৰ ভয়ত। প্ৰতিষ্ঠিত সাহিত্যিক শ্ৰীপ্ৰসন্নকুমাৰ শৰ্মা— যিজনে তেল আৰু গেছ আয়োগে অধিগ্ৰহণ কৰা মাটিৰ মূল্য প্ৰচলিত নীতি-নিয়মৰ বাহিৰলৈ গৈ বৰ্ধিত নিৰিখত ধাৰ্যৰ চৰকাৰী অনুমোদন কৰোৱাই খেতিয়কক দুপইছাৰ মুখ দেখাৰ সুবিধা কৰি সমগ্ৰ অসমৰ কাৰণে বাট মুকলি কৰি থৈ গৈছে। শ্ৰীলক্ষ্মীনাথ তামুলী, প্ৰতিষ্ঠিত সাহিত্যিক— যিজনে শিৱসাগৰৰ ইংৰাজী বানান 'SIBSAGAR'ৰ সলনি 'SIVASAGAR' কৰি

থৈ গৈছে। বৰ্তমান শিৱসাগৰত কৰ্মৰত হৈ থকা উপায়ুক্ত নবাব মামুদ হুছেইন অধ্যয়নপুষ্ট দক্ষ নিকা প্ৰশাসক ৰূপে শিৱসাগৰীয়া ৰাইজৰ মাজত পৰিচিত। ৰাইজৰ সৈতে একাত্ম হৈ প্ৰশাসনীয় কাম-কাজ সুচাৰু ৰূপে চলাব পৰাটো তেখেতৰ অন্যতম কৃতিত্ব।

সেইদৰে মহকুমাধিপতিসকলৰ ভিতৰত আছে অসমীয়া কবিতাত সুকীয়া আসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা হৰি বৰকাকতি আৰু ৰাজাৰাম মিশ্ৰৰ নাম। তদুপৰি নাম আছে ড° প্ৰেম চাৰণৰ নাম, যিজনে অসমৰ তন্ত্ৰ-মন্ত্ৰৰ বিষয়ে গৱেষণা কৰি, অসমৰ জীয়ৰী বিয়া কৰি বৰ্তমানো কৰ্মৰত।

১৮২৬ চনৰপৰা ৰংপুৰ তথা শিৱসাগৰৰ প্ৰশাসনৰ বাঘজৰী ধৰোঁতাসকল—

	নাম	পদবী	কাল
১।	লেফটেনেণ্ট কৰ্নেল কুপাৰ	জইণ্ট কমিছনাৰ	১৮২৬-১৮২৮
২।	কেপ্টেইন জে.বি. নিউভিল	জুনিয়ৰ কমিছনাৰ, পলিটিকেল এজেণ্ট	১৮২৮-১৮৩০
৩।	মেজৰ আডাম হোৱাইট	পলিটিকেল এজেণ্ট	১৮৩১-১৮৩৮
৪।	কেপ্টেইন জে ব্ৰোডী	প্ৰিন্সিপাল এছিছটেণ্ট	১৮৩৮-১৮৫১
৫।	কেপ্টেইন চি. হলৰয়দ	প্ৰিন্সিপাল এছিছটেণ্ট	১৮৫২-১৮৬১
৬।	ডব্লিউ.অ'.এ. বেকেট্	উপায়ুক্ত	১৮৬১-১৮৬৩
৭।	লেঃ জন গ্ৰেগৰী	উপায়ুক্ত	১৮৬৩-১৮৬৪
৮।	কেপ্টেইন হাবাৰ্ট স্কল্	উপায়ুক্ত	১৮৬৪ ১৮৬৬
৯।	ডব্লিউ.এছ. ক্লাৰ্ক	উপায়ুক্ত	১৮৬৭-১৮৬৯
১০।	মেজৰ এ.ই. কেম্পবেল	উপায়ুক্ত	১৮৬৯-১৮৭৪
১১।	ডব্লিউ. লেল	উপায়ুক্ত	১৮৭৪-১৮৭৫
১২।	মেজৰ এ.ই. কেম্পবেল	উপায়ুক্ত	১৮৭৬-১৮৮৩
১৩।	ডব্লিউ.এছ. ক্লাৰ্ক	উপায়ুক্ত	১৮৮৩-১৮৮৫
১৪।	জে.ডব্লিউ. এগুৰছন	উপায়ুক্ত	১৮৮৫-১৮৮৭
১৫।	জে.কে. ওৱাইট্, আই-চি-এছ	উপায়ুক্ত	১৮৮৭-১৮৯০
১৬।	চি.ডব্লিউ.ই. পেটাৰ, আই-চি-এছ	উপায়ুক্ত	১৮৯০-১৮৯১
১৭।	লেঃ কৰ্নেল ফিলিপ, ৰিছাৰ্ড থৰ্নহগ গৰ্ডন	উপায়ুক্ত	১৮৯১-১৮৯২
১৮।	এফ.জে. মোনাহান, আই-চি-এছ	উপায়ুক্ত	১৮৯২-১৮৯৫
১৯।	ফ্ৰেংক আৰ্নেষ্ট জেকছন, আই-চি-এছ	উপায়ুক্ত	১৮৯৫
২০।	এফ.জে. মোনাহান, আই-চি-এছ	উপায়ুক্ত	১৮৯৬
২১।	বি.ভি. নিকল্	উপায়ুক্ত	১৮৯৬-১৮৯৮
২২।	চি.ডব্লিউ ই. পেটাৰ, আই-চি-এছ	উপায়ুক্ত	১৮৯৮
২৩।	হাবাৰ্ট চাৰ্লছ বাৰ্নছ, আই-চি-এছ	উপায়ুক্ত	১৮৯৯-১৯০০

২৪।	জে.চি আৰ্বুথনট, আই-চি-এছ	উপায়ুক্ত	১৯০১
২৫।	লফটাছ্ অটবে ক্লাৰ্ক, আই-চি-এছ	উপায়ুক্ত	১৯০২
২৬।	উইলিয়াম জেমছ ৰীড়, আই-চি-এছ	উপায়ুক্ত	১৯০২-১৯০৪
২৭।	লেঃ কঃ ডুগলাছ হাৰ্বাট	উপায়ুক্ত	১৯০৪-১৯০৫
২৮।	জেমছ্ ডনাল্ড, আই চি এছ	উপায়ুক্ত	১৯০৫
২৯।	এইছ. ৰাকেল্ড	উপায়ুক্ত	১৯০৫-১৯০৬
৩০।	আৰ্থাৰ উইলিয়াম বথাম্,আই-চি-এছ	উপায়ুক্ত	১৯০৬
৩১।	ষ্টিফেন্ নাইৰিন মেকেঞ্জী,আই-চি-এছ	উপায়ুক্ত	১৯০৭
৩২।	আৰ্থাৰ উইলিয়াম বথাম্, আই-চি-এছ	উপায়ুক্ত	১৯০৭-১৯০৯
৩৩।	এইছ.এল. থমাছ	উপায়ুক্ত	১৯০৯

(১৯১২ চনত জিলাৰ সদৰ শিৱসাগৰৰপৰা যোৰহাটলৈ স্থানান্তৰিত হয়)

৩৪।	লেঃকঃ এলেন প্লেফেয়াৰ, আই চি এছ	উপায়ুক্ত	১৯০৯-১৯১৭
৩৫।	এ কাপাৰে	উপায়ুক্ত	১৯১৭
৩৬।	বৰ্ছিল কপ্লিষ্টন এলেন, আই-চি-এছ	উপায়ুক্ত	১৯১৮
৩৭।	ৰাল্‌ফ ফ্রিল্, আই চি-এছ	উপায়ুক্ত	১৯১৯ ১৯২১
৩৮।	এ. ফিলিপছন, আই-চি-এছ	উপায়ুক্ত	১৯২২-১৯২৩
৩৯।	কাউবেল চিনক্রেৰ গনিং, আই-চি-এছ	উপায়ুক্ত	১৯২৪-১৯২৫
৪০।	কেইথ্ কেণ্টলি, আই-চি-এছ	উপায়ুক্ত	১৯২৫-১৯২৯
৪১।	চাৰ্লছ চেমুৰৰ মুলান, আই-চি-এছ	উপায়ুক্ত	১৯২৯
৪২।	এন্থনী গিলক্রিষ্ট মেক্‌কল	উপায়ুক্ত	১৯৩০-১৯৩১
৪৩।	ষ্টিফেন নেৰেইন মেকেঞ্জী, আই-চি-এছ	উপায়ুক্ত	১৯৩২
৪৪।	পাচুগোপাল মুখাৰ্জী, এ-চি-এছ	উপায়ুক্ত	১৯৩২
৪৫।	ডি. ৰলেন	উপায়ুক্ত	১৯৩৩
৪৬।	জৰ্জ ডেভিড ৰাকাৰ, আই-চি-এছ	উপায়ুক্ত	১৯৩৩
৪৭।	চিচিল এলবাৰ্ট হাম্‌ফ্রে, আই-চি-এছ	উপায়ুক্ত	১৯৩৩-১৯৩৫
৪৮।	অঘোৰ ভট্টাচাৰ্য, এ-চি-এছ	উপায়ুক্ত	১৯৩৫
৪৯।	এলেন হেন্‌ৰী চাল ফ্লেটচাৰ, আই-চি-এছ	উপায়ুক্ত	১৯৩৫-১৯৩৭
৫০।	সত্যদাস গোস্বামী, এ-চি-এছ	উপায়ুক্ত	১৯৩৭-১৯৩৯
৫১।	মহম্মদ হাদী হুছেইন, এ-চি-এছ	উপায়ুক্ত	১৯৩৯
৫২।	সিদ্ধেশ্বৰ গোহাঁই, এ-চি-এছ	উপায়ুক্ত	১৯৪০-১৯৪১
৫৩।	ক্রিছপিন বাৰ্নাড চিট্টি পেইন, আই-চি-এছ	উপায়ুক্ত	১৯৪১
৫৪।	জেহিৰুল হক, এ-চি-এছ	উপায়ুক্ত	১৯৪১-১৯৪২
৫৫।	চিচিল এলৰ্বাট হামফ্রে, আই-চি-এছ	উপায়ুক্ত	১৯৪৩-১৯৪৬
৫৬।	থমাছ থিউডৰ ষ্টেইজেছ হেইলী, আই-চি-এছ	উপায়ুক্ত	১৯৪৭
৫৭।	এম. মিত্র	উপায়ুক্ত	১৯৪৮
৫৮।	সত্যেন বৰকটকী, আই-এ-এছ	উপায়ুক্ত	১৯৪৮-১৯৪৯

৫৯।	জে. ডামব্রেক, আই-চি-এছ	উপায়ুক্ত	১৯৪৯ ১৯৫০
৬০।	এ. ভট্টাচাৰ্য, এ-চি-এছ	উপায়ুক্ত	১৯৫০-১৯৫১
৬১।	বি.এল. সেন, আই-এ-এছ	উপায়ুক্ত	১৯৫১ ১৯৫৪
৬২।	আৰ.এইছ. শ্ব, আই-এ-এছ	উপায়ুক্ত	১৯৫৪-১৯৫৬
৬৩।	আৰ.বি ভাসাইৱালা, আই-চি-এছ	উপায়ুক্ত	১৯৫৬-১৯৫৭
৬৪।	জে.কে. দত্ত, আই-এ-এছ	উপায়ুক্ত	১৯৫৭-১৯৬০
৬৫।	বি.এছ. চাৰাও, আই-এ-এছ	উপায়ুক্ত	১৯৬০ ১৯৬১
৬৬।	এ.কে. ৰয়, আই-এ-এছ	উপায়ুক্ত	১৯৬১-১৯৬২
৬৭।	আৰ.ভি. লিংব্ৰে, আই-এ-এছ	উপায়ুক্ত	১৯৬২-১৯৬৪
৬৮।	চি.এল. ৰেমা, আই-এ-এছ	উপায়ুক্ত	১৯৬৪-১৯৬৬
৬৯।	শশীধৰ ফেণী, আই-এ-এছ	উপায়ুক্ত	১৯৬৬-১৯৬৮
৭০।	এম. গোপালকৃষ্ণ, আই-এ-এছ	উপায়ুক্ত	১৯৬৮-১৯৭০
৭১।	আৰ.ভি. পিল্লাই, আই- এ-এছ	উপায়ুক্ত	১৯৭০-১৯৭২
৭২।	আৰিফ আলী, আই-এ-এছ	উপায়ুক্ত	১৯৭২-১৯৭৪
৭৩।	ৰমানন্দ বৰুৱা, আই-এ-এছ	উপায়ুক্ত	১৯৭৪-১৯৭৬
৭৪।	দিলীপকুমাৰ গঙ্গোপাধ্যায়, আই-এ-এছ	উপায়ুক্ত	১৯৭৬-১৯৭৭
৭৫।	সুশান্তকুমাৰ চক্ৰবৰ্তী, আই-এ-এছ	উপায়ুক্ত	১৯৭৭-১৯৭৯
৭৬।	আজ্ঞাপাল সিং, আই-এ-এছ	উপায়ুক্ত	১৯৭৯-১৯৮০
৭৭।	কৰুণাকান্ত বৰুৱা, আই-এ-এছ	উপায়ুক্ত	১৯৮০-১৯৮৩

(১৯৮৩ চনৰ ১ জুলাইৰপৰা শিৱসাগৰ পুনৰ জিলা হয়)

৭৮।	অনুপকুমাৰ, আই-এ-এছ	উপায়ুক্ত	১৯৮৩
৭৯।	শাৰদ গুপ্তা, আই-এ-এছ	উপায়ুক্ত	১৯৮৩-১৯৮৪
৮০।	জ্যোতিৰ্ময় চক্ৰবৰ্তী, আই-এ-এছ	উপায়ুক্ত	১৯৮৪-১৯৮৬
৮১।	এম.এন. সোণোৱাল, আই-এ-এছ	উপায়ুক্ত	১৯৮৬
৮২।	প্ৰসন্নকুমাৰ শৰ্মা, আই-এ-এছ	উপায়ুক্ত	১৯৮৬-১৯৮৮
৮৩।	স্মৃতা চাভ্‌লোক, আই-এ-এছ	উপায়ুক্ত	১৯৮৮-১৯৮৯
৮৪।	নগেনচন্দ্ৰ দত্ত, আই-এ-এছ	উপায়ুক্ত	১৯৮৯-১৯৯০
৮৫।	অৰুণ কুমাৰ, আই- এ-এছ	উপায়ুক্ত	১৯৯০
৮৬।	সৰস্বতী প্ৰসাদ, আই-এ-এছ	উপায়ুক্ত	১৯৯০-১৯৯১
৮৭।	ৰবি কাপুৰ, আই-এ-এছ	উপায়ুক্ত	১৯৯১-১৯৯৪
৮৮।	মণীন্দ্ৰৰ সিং, আই-এ-এছ	উপায়ুক্ত	১৯৯৪ ১৯৯৯
৮৯।	লক্ষ্মীনাথ তামুলী, আই-এ-এছ	উপায়ুক্ত	১৯৯৯-২০০০
৯০।	ৰবি কোটা, আই-এ-এছ	উপায়ুক্ত	২০০০-২০০২
৯১।	গায়ত্ৰী বৰুৱা, আই-এ-এছ	উপায়ুক্ত	২০০২-২০০৪
৯২।	কৃষ্ণকান্ত দ্বিবেদী, আই-এ-এছ	উপায়ুক্ত	২০০৪-২০০৭
৯৩।	নবাব মামুদ হুছেইন, আই-এ-এছ	উপায়ুক্ত	২০০৭-

১৯১২ চনত জিলাৰ সদৰ যোৰহাটলৈ স্থানান্তৰিত হয়। তেতিয়াৰপৰা ১৯৮৩ চন পৰ্যন্ত শিৱসাগৰ মহকুমাৰ মহকুমাধিপতিসকলৰ নাম আৰু কাৰ্যকাল ঃ

১।	মিঃ পেৰী	১৯১২-১৯১৩
২।	মিঃ ফাইজুদ্দিন	১৯১৩-১৯১৮
৩।	মিঃ হেলম্‌	১৯১৮-১৯১৯
৪।	মিঃ থমছন	১৯১৯-১৯২০
৫।	মিঃ চি. মুলান	১৯২০-১৯২১
৬।	মিঃ চি.এছ. গনিং	১৯২১-১৯২৩
৭।	মিঃ এ.জি. পেট্ৰন	১৯২৩-১৯২৫
৮।	মিঃ এ.জি. মেকেল	১৯২৫-১৯২৭
৯।	মিঃ চি. পাওছে	১৯২৭
১০।	মিঃ এছ.এল মেহতা	১৯২৭-১৯২৮
১১।	মিঃ বি.পি. ধৰ	১৯২৮
১২।	মিঃ ইমদাদ মজিদ	১৯২৮-১৯২৯
১৩।	মিঃ আৰ.আৰ. ধৰ	১৯২৯-১৯৩১
১৪।	মিঃ এ.এইছ.এছ. ফ্লেট্‌চাৰ	১৯৩১-১৯৩৩
১৫।	মিঃ এ. মেকডোনাল্ড	১৯৩৩-১৯৩৪
১৬।	মিঃ সেনগুপ্তা	১৯৩৪-১৯৩৬
১৭।	মিঃ জি.পি. ষ্টীৱাড	১৯৩৬-১৯৩৭
১৮।	মিঃ আৰ.আৰ. ধৰ	১৯৩৭-১৯৩৯
১৯।	মিঃ এছ.কে. দত্ত	১৯৩৯-১৯৪২
২০।	মিঃ এ. ভট্টাচাৰ্য	১৯৪২-১৯৪৩
২১।	মহম্মদ চুলতান	১৯৪৩-১৯৪৪
২২।	মিঃ আৰ.কে. শৰ্মা	১৯৪৪-১৯৪৫
২৩।	মিঃ ডি আৰ. কহলী	১৯৪৫-১৯৪৬
২৪।	মিঃ এম চুলতান	১৯৪৬-১৯৪৮
২৫।	মিঃ সত্যেন্দ্ৰনাথ বৰকটকী	১৯৪৮
২৬।	মিঃ এছ.জে.ডি কাৰভেল্‌হো	১৯৪৮-১৯৪৯
২৭।	মিঃ বি.এম. ডাম	১৯৪৯-১৯৫০
২৮।	মিঃ এইছ. বৰা	১৯৫০-১৯৫২
২৯।	মিঃ ফকিৰ চান্দ	১৯৫২-১৯৫৩

৩০।	মিঃ এ.কে ৰয় (১)	১৯৫৩-১৯৫৫
৩১।	মিঃ বি ডব্লিউ ৰয়	১৯৫৫-১৯৫৬
৩২।	মিঃ বি এছ. চাৰাও	১৯৫৬-১৯৫৭
৩৩।	মিঃ কে ছাইগল	১৯৫৭
৩৪।	মিঃ জে.চি. নামপুই	১৯৫৭-১৯৫৯
৩৫।	মিঃ এছ.চি দাস	১৯৫৯-১৯৬০
৩৬।	মিঃ পি.এন. ৰাও	১৯৬০-১৯৬১
৩৭।	মিঃ এছ. গোস্বামী	১৯৬১-১৯৬২
৩৮।	মিঃ উমাচৰণ শৰ্মীয়া	১৯৬২-১৯৬৪
৩৯।	মিঃ পি.চি মিশ্ৰ	১৯৬৪-১৯৬৫
৪০।	মিঃ হৰি বৰকাকতি	১৯৬৫-১৯৬৬
৪১।	মিঃ জয়ন্তকুমাৰ বাগছী	১৯৬৬-১৯৬৭
৪২।	মিঃ ৰাজাৰাম মিশ্ৰ	১৯৬৭-১৯৬৮
৪৩।	মিঃ জীৱনচন্দ্ৰ হাজৰিকা	১৯৬৮-১৯৬৯
৪৪।	মিঃ উপেন্দ্ৰনাথ ভূঞা	১৯৬৯-১৯৭০
৪৫।	মিঃ অজয়কুমাৰ দাস	১৯৭০-১৯৭১
৪৬।	মিঃ চিদানন্দ বৰুৱা	১৯৭১-১৯৭৩
৪৭।	মিঃ বিবেকা সোণোৱাল	১৯৭৩-১৯৭৪
৪৮।	মিঃ বি.এন. বৰা	১৯৭৪-১৯৭৫
৪৯।	মিঃ পাত্ৰেশ্বৰ বসুমতাৰী	১৯৭৫-১৯৭৬
৫০।	মিঃ ঘনকান্ত ভূঞা	১৯৭৬-১৯৭৭
৫১।	মিঃ চন্দ্ৰকান্ত দাস	১৯৭৭-১৯৭৮
৫২।	মিঃ শিলাদিত্য চেট্টাৰ্জী	১৯৭৮-১৯৮১
৫৩।	মিঃ প্ৰেম চাৰণ	১৯৮০-১৯৮১
৫৪।	মিঃ পি. বসুমতাৰী (অঃ উপায়ুক্ত)	১৯৮১
৫৫।	মিঃ অনুপ কুমাৰ	১৯৮১-১৯৮৩

যমুনা বৰগোহাঁই

গমধৰ কোঁৱৰ

ৰংপুৰ। প্ৰাচীন স্বাধীন অসমৰ ৰাজধানী, বৰ্তমান এই ঠাই শিৱসাগৰ নামে খ্যাত। অৱশ্যে ৰংপুৰৰ চোক নথকা নহয়। নানান উল্লেখনীয় কথাত 'ৰংপুৰ'-এ আগস্থান পায়। স্বাধীন অসমৰ ৰাজধানী বুলি কোৱাৰ অৰ্থ হ'ল এই ৰংপুৰতেই ৰাজধানী পাতি আহোম ৰজাসকলে উজনি অসমৰ একচ্ছত্ৰী সম্ৰাট হৈছিল। অৱশ্যে আহোমসকলৰ প্ৰথম ৰজা স্বৰ্গদেউ চুকাফাই চৰাইদেউত প্ৰথম ৰাজধানী পাতিছিল। বিভিন্ন সময়ত বিভিন্ন ৰজাই গড়গাঁও, চৰগুৱা, ৰংপুৰ, যোৰহাটত ৰাজধানী পাতিছিল।

আহোমসকলে একেৰাহে ছশ বছৰ ৰাজত্ব কৰিলে। বিশ্বৰ বুৰঞ্জীতে ই নজিৰবিহীন ঘটনা। কিন্তু ক্ষমতাৰ খঁক, মান-মৰ্যাদাৰ অপব্যৱহাৰে মানুহক একেবাৰে ডুবাই পেলাব পাৰে। আহোমসকলৰ ক্ষেত্ৰতো সেয়ে ঘটিল। ওঠৰ শতিকাৰ শেহছোৱা আৰু ঊনৈছ শতিকাৰ আগছোৱা অসম বুৰঞ্জীৰ এক সৰ্বনশীয়া কাল। এই সময়ছোৱাত ৰাজনৈতিক বিপৰ্যয়, ধৰ্মীয় সংঘৰ্ষ, গৃহকন্দল আৰু বহিৰাগত শত্ৰুৰ আক্ৰমণে অসমৰ ৰাজশক্তিৰ কামিহাড় ভাঙি পেলাইছিল। মান-মৰাণৰ কথা ভাবিলে আজিও অসমীয়া মানুহৰ গা শিয়ৰি উঠে। সুযোগ-সন্ধানী লোকৰ বাবে এনেকুৱা সময়বোৰ বৰ আপুৰুগীয়া। মান খেদিবলৈ অহা বণিয়া ইংৰাজে এই সুযোগটো এৰি নিদিলে। অসমৰ প্ৰভূত সম্পদ, প্ৰাকৃতিক ঐশ্বৰ্য আৰু অসমীয়া মানুহৰ সৰল স্বভাৱ দেখি সহজতেই অসমক নিজৰ হাতৰ মুঠিলৈ নিব পাৰিব বুলি দৃঢ় ভাব পোষণ কৰি মান যোৱাৰ পিছতো ইংৰাজৰ অসম এৰি যোৱাৰ কোনো উম-ঘাম দেখা পোৱা নগ'ল। ইয়াকে দেখি জনচেৰেক অসমীয়া ডা-ডাঙৰীয়াই ইংৰাজ গোজেই গছ হৈ গজালি মেলিবলৈ নৌপাওঁতেই আলুৰে-পোখাই উঘালি কণ-কঠীয়া মাৰিবলৈ উপক্ৰম কৰিছিল। আমাৰ আলোচ্য দুজন মহান বীৰ গমধৰ আৰু পিয়লি এইসকলৰ অন্যতম আছিল।

মানে তিনিবাৰ অসম আক্ৰমণ কৰি অসমৰ ৰাজহাড় ভাঙি পেলালে। ১৭ বাৰ মোগলক পৰাস্ত কৰা আহোমসকলে এতিয়া কোম্পানী ইংৰাজসকলৰ দয়াৰ ওপৰত বাছি থাকিব লগা হ'ল। আভ্যন্তৰীণ অনৈক্য আৰু দুৰ্বলতাৰ বাবেই অসমলৈ মান আহিবলৈ পালে। মান খেদিবলৈ বুলি

ইংৰাজ আহি, মান খেদাৰ পিছত অসমৰ ৰাজ-সিংহাসন কোনো এজন ৰাজকোঁৱৰৰ হাতত দি থৈ যোৱাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু কাৰ্যতঃ সেইটো কৰা নহ'ল, কূটনৈতিক চক্ৰান্ত আৰু বুদ্ধি প্ৰয়োগ কৰি ভাৰতৰ বাকী অঞ্চলত যি শোষণ আৰম্ভ কৰিছিল, অসমকো যে সুদাই নেৰে এই কথা ভাবি-বুজি দূৰদৰ্শী লোকসকলে নিজৰ দেহা আগ কৰি দেশ মোকলাবলৈ উঠি-পৰি লাগিছিল। সেই সময়ত কিছুমান সুবিধাবাদী ডা-ডাঙৰীয়াই ইংৰাজৰ লগত সনা-পিঠা হৈ কিছু পদমৰ্যাদা লাভ কৰিছিল। এইসকল লোকে বিশ্বাসঘাতকতা নকৰা হ'লে নতুবা পদমৰ্যাদাক তুচ্চ কৰি বিদ্ৰোহীৰ লগত যোগ দিয়াহেঁতেন ইংৰাজে অসমত উপনিৱেশ পাতি শোষণ কৰিবলৈ নাপালেহেঁতেন।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছৰপৰাই অসমত মানৰ শাসনৰ অন্ত পৰিছিল আৰু ইংৰাজৰ শাসন আৰম্ভ হৈছিল। অসমৰ মানুহে মানৰ আক্ৰমণৰপৰা মুক্তি পাই স্বস্তিৰ নিশ্বাস পেলাইছিল। প্ৰথমে যদিও ইংৰাজসকলে কৈছিল, আমাৰ ৰাজ্য জয় কৰাৰ ইচ্ছা নাই, তথাপি তেওঁলোকে পিছলৈ উলটি যোৱাৰ কোনো আগ্ৰহ দেখুওৱা নাছিল। অৱশ্যে স্কট চাহাবে পৰামৰ্শ আগবঢ়াইছিল যে নামনি অসম ইংৰাজসকলে দখল কৰি ল'লেও উজনি অসমখন পুৰণি আহোম ৰাজবংশৰ কোনোবা এজন কোঁৱৰৰ হাতত গতাই দিব লাগে। কিন্তু কোম্পানীৰ ওপৰৱালাসকলে স্কটৰ এই পৰামৰ্শটো মানি ল'বলৈ টান পাইছিল। কোম্পানীৰ যুক্তি কেইবাটাও আছিল। প্ৰথম কথা, উজনি অসমখন ঘূৰাই দিব কাক? ৰাজবংশৰ প্ৰত্যেকজনেই যে ইজনে সিজনৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত। প্ৰতিজনেই ভাবে যে তেওঁহে সিংহাসন পাবৰ কাৰণে যোগ্য।

সোনকালেই ইংৰাজ কোম্পানীৰ শাসনে অসমবাসীক আমুৱালে। ৰাজহৰ ক্ষেত্ৰত, আইনৰ ক্ষেত্ৰত কোম্পানীৰ শাসনে পৰিৱৰ্তন আনিছিল। অসমৰ ডা-ডাঙৰীয়াসকলক আইন বিভাগত চাকৰি দিছিল। ৰাজপৰিয়ালৰ লোকসকলক পেন্সন দিয়াৰ নিয়ম কৰিছিল। কোম্পানীৰ শাসন সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাত কোম্পানীক সহায় কৰিছিল মণিৰাম দেৱানে। তেওঁ কোন-কোন বিষয়ত কৰ বহুৱাব পাৰি সেই কথা কোম্পানীক দেখুৱাই দিছিল আৰু অৰ্থনৈতিক তথ্য-পাতিবিলাক কোম্পানীক দি কৰ-কাটল বহুৱাত সুচল কৰি দিছিল।

এতিয়া আহোঁ আমাৰ আলোচনাৰ মধ্যমণি গমধৰ কোঁৱৰৰ প্ৰসংগলৈ। ভাৰতৰ বা অসমৰ স্বাধীনতা-যুঁজৰ বুৰঞ্জীত গমধৰ কোঁৱৰ উপেক্ষিত হৈয়ে থাকিল। এওঁ আছিল অসমৰ স্বাধীনতা ৰণৰ অগ্ৰণী বীৰ। সাত ৰাজ মাৰি এক ৰাজ কৰা প্ৰবল প্ৰতাপী প্ৰতাপসিংহ স্বৰ্গদেউৰ পৰিনাতি গমধৰ কোঁৱৰৰো ইংৰাজৰ অধীনতা সহজে স্বীকাৰ কৰি লোৱাৰ দুৰ্বলতা নাছিল। চিৰ স্বাধীন, গৌৰৱমণ্ডিত ৰাজবংশত জন্ম গ্ৰহণ কৰা গমধৰ কোঁৱৰে সহজতে বগা বঙালৰ পৰাধীন হৈ কৰ-কাটল দিয়াটো সমূলি সহ্য কৰিব নোৱাৰিছিল।

গমধৰ কোঁৱৰ চাৰিত্ৰিক গুণত সবল আছিল। তেওঁ আভিজাত্যগৰ্বী নাছিল। তেওঁৰ সবল, সুঠাম দেহত আছিল যোগ্যতা। হালোৱা-চহা হৈ জীৱন যাপন কৰা গমধৰে দেশৰ স্বাধীনতা ঘূৰাই আনিবলৈ মৰ সাহ দি ওলাবৰ বেলিকা সাধাৰণ ৰাইজে তেওঁৰ লগত সহজেই সহযোগ কৰিছিল। সেই বাবেই অতবোৰ ৰাজকোঁৱৰ থাকোঁতে প্ৰজাই গমধৰক স্বৰ্গদেউ বুলি সেৱা কৰিছিল। দিহিঙৰপৰা ধনশিৰীলৈকে এইছোৱা ৰাজ্যৰ প্ৰজাই গমধৰকে ৰজা বুলি মানি লৈছিল। আনহাতে গমধৰৰ গাত সকলো ৰাজলক্ষণেই ফুটি ওলাইছিল। তেওঁ দেখাতো সুশ্ৰী আছিল। গমধৰৰ ৰাজবংশও এলাপেচা

নাছিল। কব্বাক প্ৰতাপসিংহৰ প্ৰতাপ দেখি বঙালে কৈছিল— 'ৰাজা নহয়, সাক্ষাৎ মহাদেৱ'। এইজনা স্বৰ্গদেউৰ পুতেক সৰু গোহাঁইৰ বংশত গমধৰ কোঁৱৰৰ জন্ম হয়। তেওঁ ফেনা কোঁৱৰৰ পুতেক। ফেনা কোঁৱৰ জয়খামদাং খাতৰ খাতোৱাল আছিল। ল'ৰা ৰজাৰ দিনত ৰজা হ'ব পৰা ফৈদৰ আটাইবোৰ কোঁৱৰকে অঙ্গক্ষত কৰি লাকোৱাৰ ওচৰত আবদ্ধ কৰি থয়। গমধৰ কোঁৱৰৰ ঘৰ ইয়াতেই আছিল। গমধৰ কোঁৱৰ মানৰ উৎপাতৰ সময়ত ইয়াৰপৰা আঁতৰি যায়। আঁতৰি গৈ গমধৰে দিচৈ নৈৰ কাষত হাবি কাটি, মাটি মোকলাই থাকিবলৈ লয়। নকচাৰীৰ ওচৰৰ তৰাতলীত তেওঁৰ ঘৰ আছিল। এই অঞ্চলত আজিও এখন বাৰী আছে, যাক ৰজাবাৰী নামে জনা যায়। সেইখন গমধৰ কোঁৱৰৰে বাৰী। পিছত যেতিয়া ইংৰাজৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ আয়োজন কৰিছিল তেতিয়া তৰাতলীত ৰণুৱা শিবিৰো স্থাপন কৰিছিল। নগাপৰ্বতৰ পাদদেশত এই শিবিৰ পতাৰ উদ্দেশ্য হয়তো পৰ্বত-ভৈয়ামৰ সম্মিলিত শক্তিৰ পূৰ্ণ ব্যৱহাৰ।

গমধৰ কোঁৱৰৰ বিপ্লৱৰ মূল কথা হ'ল— পূৰ্বৰ ঘোষণা অনুযায়ী ইংৰাজ গুচি নগ'ল, দ্বিতীয়তে মান-মৰাণৰ দিনত না-জল, না-থল অসমীয়া প্ৰজাই সাঁচতীয়া ধনেৰে কৰ-কাটল দিব লগা হ'ল। তৃতীয়তে ৰজাৰ, ৰাজবংশৰ, ডা-ডাঙৰীয়াৰ মৈদামত ধন-সোণ বিচাৰি পিটিপিট, পাট-পাট কৰাৰ স্বভাৱে ইংৰাজৰ মাজত গা কৰিলে— শেহলৈ কি হ'ব সি সহজে বোধগম্য হ'ল। নৌ চাৰিদিন হওঁতেই দেশ চুঁচি নিবলৈ ধৰা দেখি গমধৰে তাৰ প্ৰতিকাৰ কৰিবলৈ আগবাঢ়ি ওলাল। দেশৰ, জাতিৰ, বংশৰ জন্মভূমিৰ সন্মান ৰক্ষা কৰাটো গমধৰৰ ব্ৰতত পৰিণত হ'ল।

ইংৰাজ কোম্পানীয়ে দিয়া প্ৰতিশ্ৰুতি ভংগ হোৱা দেখি গমধৰ কোঁৱৰ আৰু গদাধৰ কোঁৱৰে নিজেই ইংৰাজক পূৰ্বৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ অনুৰোধ কৰিছিল। কিন্তু অনুৰোধ উপেক্ষা কৰিলে। কৰ-কাটলৰ বোজা মানুহে সহিব নোৱৰা হ'ল। টকাৰ মূল্যৰে কৰ দিব নোৱাৰিলে সোণ, হাতীদাঁত, মুগা কাপোৰ, মুগা সূতা, কঁপাহী কাপোৰ আদি কৰত মাৰি ঘৰ লুৰুকি আনিছিল। লাহে-লাহে প্ৰজাৰ মাজত অসন্তুষ্টি বাঢ়ি আহিল। বিপ্লৱৰ সূচনা হ'ল। গৌৰীনাথ সিংহ স্বৰ্গদেউ অপুত্ৰক হৈ মৰাত আহোম ৰাজসিংহাসনৰ ওপৰত প্ৰত্যক্ষ দাবী থকা কোঁৱৰ নাছিল। এই সুবিধাকে গ্ৰহণ কৰি গমধৰ কোঁৱৰে প্ৰজাৰ মাজত প্ৰচাৰ কৰি ফুৰিছিল যে দেশ দখল কৰিবলৈ ইংৰাজৰ অধিকাৰ নাই। ৰাইজে কৰ-কাটল দিব নালাগে। ৰাইজৰ হৈ কাম কৰিবলৈ আগবাঢ়ি অহা দেখি ইংৰাজক ভাল নোপোৱা ৰাইজে তেওঁক নেতা বাছি লৈছিল। ৰাইজৰ সহায়-সহানুভূতি পাই গমধৰ কোঁৱৰে মাতৃভূমিক বিদেশী শোষণকাৰীৰ হাতৰপৰা উদ্ধাৰ কৰিবলৈ দেহে-কেহে যত্ন কৰিছিল। গমধৰ কোঁৱৰৰ লগত ৰজাদিনীয়া অভিজ্ঞ জনচেৰেক লোকেও হাত উজান দিছিল।

১৮২৮ চনৰ ফেব্ৰুৱাৰী মাহত বিদ্ৰোহী দলে শক্তি পৰীক্ষা কৰিবলৈ ওলাল। যদিও মানুহৰ ক্ষমতাৰ খঁক আঁতৰা নাছিল, কোনো-কোনোৱে গমধৰ ৰজা হ'লে বিষয় এখন পাব আৰু কোনোৱে ইংৰাজৰ অধীনতকৈ ভাল সুবিধা নেপাব বুলি সপক্ষে আৰু বিপক্ষে যোগ দিছিল। এই বেলিৰ ঘাই শিবিৰ আছিল ধোপাবৰ আৰু তৰাতলীত। তাৰেপৰাই গমধৰ, ধনঞ্জয়, ধেনুধৰ, দঁহা কোঁৱৰ আদিৰ নেতৃত্বত ৰংপুৰৰ ৰণুৱা চিপাহীৰ চাউনীত সোমাই চিপাহী কাটিবলৈ গোপনে পৰামৰ্শ কৰি উজাই আহিল। গমধৰৰ সৈন্যই ইংৰাজ সৈন্যৰ বল-বিক্ৰম আৰু শক্তি দেখি সেই বাৰলৈ ৰণ নকৰি দিহাদিহি আঁতৰি গ'ল।

১৭৪৯ শকৰ ফাগুনৰপৰা ১৭৫০ শকৰ ভাদলৈ এই সাত মাহ কাল বিদ্ৰোহীসকল বহি নেথাকিল। গমধৰ কোঁৱৰৰ নেতৃত্বত গোপনে বিদ্ৰোহৰ আয়োজন আৰু আখৰা হোৱা দেখি প্ৰজাই যোগ দিবলৈ ধৰিলে। অশেষ শ্ৰম আৰু সাহসেৰে ছমাহ জুৰি কাম কৰাৰ পিছত আৰু আটাইবোৰ মানুহৰ ইংৰাজৰ প্ৰতি মন বিৰূপ হোৱাত এজনক ৰজা পতাৰ প্ৰশ্ন আহি পৰিল। ইতিমধ্যে ১৭৫০ শকৰ ১০ দিন যোৱাত বিদ্ৰোহী দলে দেশ লোৱা হ'ল বুলি ঘোষণা কৰিলে। লগে-লগে গমধৰকেই ৰজা বুলি দঁহা কোঁৱৰ, ধেনুধৰ আদিয়ে সেৱা কৰিলে। এই কথাষাৰ ইংৰাজৰ কাণতো পৰিলগৈ। সকলোৰে সন্মতি লৌ পাওঁতেই ১৭৫০ শকৰ কাতিৰ এঘাৰ দিন যোৱাত গমধৰ কোঁৱৰে গমধৰ সিংহ নাম লৈ ৰাজসিংহাসনত বহে আৰু কেঁকোৰা দোলাত উঠি আৰোৱানৰ ছাঁ লয়।

গমধৰ কোঁৱৰ ৰজা হ'ল। আহোম সিংহাসনৰ ৰজা। সৈন্য-সামন্তও গোট খালে। এতিয়া মাথোন প্ৰকাশ্যে ৰণ ঘোষণা কৰি ইংৰাজৰ সৈন্যক পচলা কটা দি কাটি অসমৰ চাৰিসীমাৰ বাহিৰ কৰি পঠিয়াব লাগে। গাৰ নোমেই শত্ৰুৰ দৰে ৰজাৰ নিজৰ মানুহেই শত্ৰু ৰূপে থিয় দিলে। গমধৰ কোঁৱৰৰ বিদ্ৰোহৰ আগলি বতৰা মাধৰাম বৰগোহাঁই আৰু লম্বোদৰ বৰা ফুকনে ৰংপুৰত দিওঁতে 'ৰণ দিব নোৱাৰোঁ' বুলি একে আষাৰেই ক'লে। চাহোৱে সোধাতো নিৰাময় ডেকা ফুকনে উত্তৰ দিলে— "আমাৰ যিটো মানুহৰ কথা কৈছে, সি মানৰ দিনত নোলাল, এতিয়া যে কৈছে, বুজিবলৈ টান হৈছে।" অৱশ্যে ডেকা ফুকনৰ কথা শুনি মাধৰাম আৰু লম্বোদৰ বৰফুকনে ক'লে যে গমধৰ কোঁৱৰৰ বিদ্ৰোহৰ আয়োজন এলাপেচা নহয়— কোঠ সাতোটা।

কূটনীতিবিদ চাহাবে গোপালসিং জামাদাৰক গমধৰ কোঁৱৰৰ বিদ্ৰোহ সম্পৰ্কে সবিশেষ বাতৰি গোটাই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিলে। গোপাল সিং জামাদাৰে ভীম চাৰংফুকন, শুকুৰা আৰু ৰতিৰাম তিনিওজনৰপৰা বিদ্ৰোহৰ বতৰা গোটালে। মৰিযনি আৰু তৰাতলীৰ শিবিৰেই আছিল বিদ্ৰোহৰ ঘাই কেন্দ্ৰ। ৰাইজে পতা ৰজাও আছিল তৰাতলীৰ শিবিৰত। ইংৰাজৰ অধীনৰপৰা দেশ মুক্ত কৰিবলৈ সমান্তৰালভাৱে গঠন কৰা চৰকাৰ আৰু ৰাইজৰ তৰাতলীয়েই ৰাজধানী হ'ল। চাহাবে ইতিপূৰ্বে গমধৰক মাতি পঠাইছিল। গমধৰ নগ'ল। এইবেলি কেপ্টেইন নিউভিল চাহাবে বুথাৰফৰ্ড চাহাব আৰু গোপাল সিং জামাদাৰক সৈন্য-সামন্ত দি গমধৰ ৰজা আৰু আন-আন ডা-ডাঙৰীয়াসকলক ধৰি আনিবলৈ পঠালে। ইতিমধ্যে বঙালৰ চিপাহী ৰংপুৰৰপৰা গৈ দিচৈৰ উজনিত থকা শিবিৰৰ ওচৰ পাইছিল। বৰমৰাণ গাঁৱৰ মানুহে এই কথা গম পাই ৰজাক জনালেগৈ। এইবেলি গমধৰৰ দলে বুজিলে যে এতিয়া আক্ৰমণৰ সময় নাই, আত্মৰক্ষাৰহে সময়। অথচ প্ৰজাৰ মন নাভাগক বুলি গমধৰে তেওঁলোকে পঠোৱা কটকীক কোৱালে— "কাইলৈ পুৱা বিহানে ৰবো যদিও বৰিম, নিবলৈ আহিছে যদিও যাম। তথাপি ৰায়তক ঝোট নকৰিব।" কটকী দুজনকো বন্দী কৰি থ'লে। সেইদিনা ৰাতিয়েই কোম্পানীৰ চিপাহী আৰু বিদ্ৰোহীৰ মাজত গুলীয়াগুলি হ'ল। অপ্ৰস্তুত থকা বাবে বিদ্ৰোহী দলে বিশেষ বল-বিক্ৰম দেখুৱাব নোৱাৰিলে। সৈন্যদল টিকিব নোৱাৰি আঁতৰি গ'লত ৰজাক ঘৰ বেৰা দি ধৰিলে। ৰাতিৰ আন্ধাৰত ৰজা আঁতৰি গ'ল। এই কথা শুনি কেপ্টেইন চাহাবৰ খং উঠিল আৰু অয়ং নামৰ কটকীক মাতি আনি ৰজাক বিচাৰিবলৈ আদেশ দিলে। টেঙৰ চাহাবে ইতিমধ্যে ৰাজমাওক ফুচুলাই তেওঁৰ পুত্ৰকেই ৰজা পাতিম বুলি কোৱাত ৰাজমাৱে ৰজাক মতাই আনিলে। ৰজা মাতৃৰ কাষলৈ আহিলত বুদ্ধি-সন্ধি কৰি বন্দী কৰি পেলালে।

“ তিনিটা কথাৰ বাবে
গমধৰ কোঁৱৰ মৰিও অমৰ।
এওঁ অসমৰ স্বাধীনতা ৰণৰ
প্ৰথম বিদ্ৰোহী, প্ৰথম বিপ্লৱী, বাটকটীয়া। ”

সাম্ৰাজ্যবাদৰ খোপনি পিছলাবলৈ পোন প্ৰথম বাৰৰ বাবে বিদ্ৰোহৰ আয়োজন কৰোতা আৰু ৰাইজে পতা ৰজা ইংৰাজৰ ঘৰত অপৰাধী হিচাপে পৰিগণিত হ'ল।

আনপিনে গোপনে শিবিৰ পাতি, ৰণৰ আখৰা কৰি থকা সৈন্য-সামন্তৰ কথা মনত পৰি গমধৰ কোঁৱৰে বন্দী শালৰপৰা পলাই গৈ বিদ্ৰোহী দলৰ লগ লগাটোকে থিৰ কৰিলে। সঁচাকৈয়ে এদিন ৰাতি ৰখীয়া-পৰীয়াৰ চকুত ধূলি দি গমধৰ ৰজা বন্দীশালৰপৰা ওলাই গ'ল। গমধৰ কোঁৱৰ বন্দী হ'লেও বিদ্ৰোহী দল হতাশ হোৱা নাছিল। তেওঁলোকে দ্বিতীয় এটা আয়োজনৰ বাবে আত্মগোপন কৰি ফুৰিছিল। গতিকে গমধৰে বন্দীশালৰপৰা গৈ বিদ্ৰোহী দলৰ লগতো সহজে লগ লগা সম্ভৱ নহ'ল। অৱশেষত ১২ দিনৰ মূৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। এইবেলি কঠোৰ পহৰাৰ ব্যৱস্থা কৰি বিচাৰ কৰিবলৈ থিৰ কৰা হ'ল।

১৭৫০ শকৰ ১ পুহ দেওবাৰৰ দিনা গমধৰ কোঁৱৰৰ বিচাৰ হয়। অৱশেষত বিচাৰৰ ৰায় দিলে। গমধৰ কোঁৱৰৰ ১৪ বছৰ নিৰ্বাসন দণ্ড আৰু বাকী বন্দীসকলৰ ৭ বছৰ বা তাতোকৈ দুই-এবছৰ কম বেছি ফাটেক হ'ল। ইতিমধ্যে গমধৰ কোঁৱৰ আৰু কেইবাজনো কোঁৱৰক ঢাকা আৰু ভাটীৰ ৰংপুৰলৈ আঁতৰাই পঠালে। গমধৰ কোঁৱৰৰ ভাটীৰ ৰংপুৰত নিৰ্বাসন হ'ল।

গমধৰ কোঁৱৰৰ আৱিৰ্ভাৱ হোৱা আজি আঢ়েশ বছৰ পাৰ হ'ল। তেওঁৰ বাবে এগছি বন্তি জ্বলিবনে? দেশৰ দুৰ্দিনৰ সময়তো সৈন্য-সামন্ত গোটাই দেশক শোষণকাৰীৰ হাতৰপৰা মুক্ত কৰিবলৈ গমধৰ কোঁৱৰে অকলেই প্ৰয়াস কৰিছিল। কোঁৱৰে উপযুক্ত সময় পোৱা হ'লে আৰু দেশৰ কিছুমান স্বাৰ্থন্বেষী মানুহ ঘৰ বিভীষণ নোহোৱা হ'লে, অসমৰ বুৰঞ্জীৰ গতিয়েই সলনি হ'লহেঁতেন। এই স্বাৰ্থন্বেষী লোকসকলে যেতিয়া বুজি পাইছিল তেতিয়া বহুত পলম হ'ল। ৰংপুৰ— ভাটীৰ ৰংপুৰ। সেই ৰংপুৰত গমধৰ কোঁৱৰে চৈধ্য বছৰ নিৰ্বাসন ভোগ কৰি দেশলৈ উলটি আহিছিল। তেওঁ দেখা পালে কি? ইংৰাজ গজগজীয়া হৈ অসমৰ শাসনতন্ত্ৰ চলাই থকা। গমধৰে পৰাধীনতাৰ গ্লানি সহ্য কৰি চকুলো টুকি-টুকি তৰাতলীৰ ওচৰত দিন কটালে।

গমধৰে সঁচাকৈয়ে আত্মসমৰ্পণ কৰিছিল নে? আত্মসমৰ্পণ কৰাৰ অন্তৰালত এনে হ'ব পাৰে— বিপ্লৱ কৰিবই বা ক'ত, অনুৰাগী নাথাকিলে ই যে অৰণ্য ৰোদন। কিন্তু আমি মনত ৰখা উচিত এই জন বীৰেই এদিন পাবত গজা শোষক ইংৰাজক উফৰাই স্বাধীনতা উদ্ধাৰ কৰিবলৈ আয়োজন কৰিছিল। তিনিটা কথাৰ বাবে গমধৰ কোঁৱৰ মৰিও অমৰ। এওঁ অসমৰ স্বাধীনতা ৰণৰ প্ৰথম বিদ্ৰোহী, প্ৰথম বিপ্লৱী, বাটকটীয়া। তাৰ পাছৰ বুৰঞ্জী অবিদিত নহয়।


চবহিলেটত অৱস্থিত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ গোদাম





কালুগাঁৱৰ অনাদৃত নৰপাত্ৰ বিষ্ণুজনাৰ মণ্ডপ আৰু গৰ্ভগৃহৰ
সংযোগস্থলীত আৱিষ্কৃত অক্ষম মূৰৰ ভাস্কৰ্যৰ এক বিৰল চানেকি

যমুনা বৰগোহাঁই

পিয়লি ফুকন

নল মৰে, গজালি ওলায়। গমধৰ কোঁৱৰে যি বিদ্ৰোহৰ সূচনা কৰিছিল তাৰ কণকঠীয়া মৰা নাছিল। পৰ্বতে-ভৈয়ামে সিঁচৰতি হৈ থকা বিদ্ৰোহী লোকসকলে আকৌ একগোট হোৱাৰ সুবিধা বিচাৰিবলৈ ধৰিলে। গমধৰ কোঁৱৰৰ বিদ্ৰোহ ইংৰাজে কঠোৰ হাতেৰে দমন কৰিলেও বিদ্ৰোহী ৰাইজৰ আশা নিষ্প্ৰভ হৈ পৰা নাছিল। বৰং ইয়াৰপৰা তেওঁলোকে শিক্ষাহে লাভ কৰিছিল। গমধৰ কোঁৱৰৰ নিৰ্বাসন হ'ল, কিন্তু বাকীসকল বিদ্ৰোহী বন্দী কৰাৰ নৌ চাৰিদিন হওঁতেই বন্দীশালৰপৰা পলাই গ'ল।

১৮২৯ চনৰ জানুৱাৰী মাহৰপৰা আকৌ দ্বিতীয় বিদ্ৰোহৰ বাবে তলে-তলে কথা-বতৰা চলিল। ৰাজনৈতিক চেতনাসম্পন্ন পিয়লিয়ে ইংৰাজৰ আগমন কোনো পধ্যেই সহ্য কৰিব পৰা নাছিল। গমধৰ কোঁৱৰে যেতিয়া প্ৰজাক কৰ-কাটল নিদিবলৈ উচটাইছিল আৰু বিদ্ৰোহৰ আয়োজন কৰিছিল তেতিয়া পিয়লি ফুকনে সাদৰেৰে সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাইছিল।

এজন-এজনকৈ বিদ্ৰোহীসকলৰ শাস্তি হৈ যোৱাৰ পিছত পিয়লি ফুকনে বুজিছিল সংগঠনৰ অভাৱেই স্বাধীনতাৰ কাৰণে কৰা সংগ্ৰামৰ অকৃতকাৰ্যতাৰ মূল কাৰণ। গমধৰে কৰা বিদ্ৰোহৰ সময়ত শদিয়াৰ খাৰঘৰত যেতিয়া জুই লগোৱা হৈছিল, তেতিয়াই পিয়লি ফুকনে ভাবিছিল এই জুইৰ শিখাই বিদেশীৰ শাসন পুৰি ছাই কৰি অসমক স্বাধীন কৰিব। সেইটো হৈ উঠা নাছিল। পিয়লি ফুকনে কৈছিল— "এক জাত, এক মাত, এক ভাত হ'ব নোৱৰাৰ কাৰণেই দেশ বগা বঙালৰ হাতলৈ গ'ল।" পিয়লি আছিল চাকোলা। দেহত তেওঁৰ ঘূণ থাকিলেও মনত ঘূণ নাছিল। গমধৰ কোঁৱৰে আৰম্ভ কৰা আধাডুখৰীয়া বিদ্ৰোহৰ পূৰ্ণ ৰূপ দিবলৈ পিয়লিয়ে চেষ্টা কৰিছিল। এইবাৰৰ বিদ্ৰোহত পিয়লিয়ে পৰ্বত-ভৈয়ামৰ সন্মিলিত শক্তিক খটুৱাবলৈ যত্নপৰ হৈছিল। সেই সুযোগ তেওঁ পাইছিলো। খাচীয়া পৰ্বতৰপৰা চিংফৌ পৰ্বতলৈকে আৰু ধনশিৰীৰপৰা বুঢ়ীদিহিঙলৈকে পৰ্বত-ভৈয়ামৰ নেতাসকলক একগোট কৰিব পৰা কূটনৈতিক জ্ঞান পিয়লিৰ আছিল।

পিয়লি হ'ল মান অনা বদন বৰফুকনৰ মাজু পুতেক, জন্মি বদনৰ বৰ পুত্ৰ। মহেশ্বৰ পৰ্বতীয়া

ফুকনৰ হাতৰপৰা সাৰি বদন বৰফুকন মানদেশলৈ পলাই যাওঁতে জন্মি আৰু পিয়লিও লগত গৈছিল। মান দেশৰপৰা উলটি অহাৰ পিছত পিয়লি কিছু দিন বৰবৰুৱা আৰু পিছত বৰফুকন হৈছিল। পিয়লিৰ তেজত আছিল উচ্চ আদৰ্শ আৰু পদবী। বদন বৰফুকনে মান আনি যি গ্লানি, অপবাদ বংশটোৰ অভিশাপ স্বৰূপে দি গৈছিল পুতেক পিয়লিয়ে সেইখন দেশৰ বাবেই নিজৰ প্ৰাণ বিসৰ্জন দি সেই বংশটোৰ ম্লান মুখলৈ উজ্জ্বলতা ঘূৰাই আনিছিল। পিয়লিয়ে ইংৰাজ সাম্ৰাজ্যবাদৰ লাই খুঁটা উভালি নিজৰ জন্মভূমিৰ বৃহৎ স্বাৰ্থৰ বাবে প্ৰাণ বিসৰ্জন দিলে। আনপিনে বদনে মান আনি দেশ চাৰখাৰ কৰিলে।

সাধাৰণতে বিদ্ৰোহ মানেই ফলৱতী আশা। এটা জীয়া সপোনৰ উন্মেষ। পিয়লিয়েও আশা কৰিছিল স্বাধীনতা সংগ্ৰামত অসমীয়াৰ জয় হ'বই। কেৱল তাৰ কাৰণে লাগিব সংগঠন। এদিন চৰাইদেউৰ মৰিশালিত মৃত্যু সদৃশ নীৰৱতা ভঙ্গ কৰি সংকল্প ল'বলৈ গোট খালে এমুঠি মানুহ। সমবেত হোৱা সকলৰ আগত পিয়লিয়ে অকুণ্ঠ চিত্তে আবেদন জনাইছিল— অসমক স্বাধীন কৰিবৰ কাৰণে তেওঁ যি মহান সংকল্প গ্ৰহণ কৰিছে, সেই সংকল্প সাধন কৰিবলৈ তেওঁক যেন সকলোৱে সহায় কৰে। স্বদেশপ্ৰেমৰ বেদীত তেওঁৰ পিতৃয়ে যি কালিমা সানিলে সেই কালিমা দূৰ কৰি তেওঁ তেওঁৰ তেজ দি সেই বেদীত এগছি নতুন বন্তি জ্বলাব খুজিছে। এতিয়া তেওঁক লাগে অকুণ্ঠ সমৰ্থন আৰু চৰম ত্যাগ। তেওঁ আংশিকভাৱে জয়ীও হ'ল। সকলোৱে তেওঁক সমৰ্থন জনাব বুলি অঙ্গীকাৰো কৰিলে।

ইতিমধ্যে কাম আৰু দায়িত্বও ভগাই দিয়া হ'ল। নুমলী বুঢ়াগোহাঁয়ে চাহাবৰ নাও ডুবাব আৰু ছাউনীত জুই দিব— তাৰ পিছত কলিয়াবৰ হৈ গুৱাহাটীলৈ যাব। পিয়লি ফুকনে ৰংপুৰৰ খাৰঘৰত জুই দিব। চিকন ঢেকিয়াল ফুকনে নাজিৰাত থকা কোম্পানীৰ অফিচ পুৰিব আৰু নগাৰ সহযোগত ব্ৰিটিছক আক্ৰমণ কৰিব। মইনা খাৰঘৰীয়া ফুকনে খাৰ-বাৰুদ মজুত ৰাখিব। বৰবকতিয়াল বৰুৱাই খাদ্যসামগ্ৰী যোগান ধৰাৰ দায়িত্বত থাকিব। ভদ্ৰসেন গোহাঁই আৰু চকলা লাহনে গাঁৱে-গাঁৱে ঘূৰি মানুহবিলাকক জগাই তুলিব। লাহৰী আইদেউ আৰু মনোমতীয়ে এটি নাৰী দল গঠন কৰিব। গহীন চেতিয়া আৰু জুৰমন বৰাই পৰ্বতীয়া ভাইহঁতৰ লগত যোগাযোগ কৰিব। ভাগে-ভাগে ভগাই দিয়া এই দায়িত্ববোৰ সকলোৱে পালন কৰিবই লাগিব। কাৰণ আটায়ে যে মৈদামত আঁঠু লৈ শপত গ্ৰহণ কৰিছে। যোগাযোগ আৰম্ভ হ'ল। নগা, গাৰো, খাচিয়া, জয়ন্তীয়া, মণিপুৰী, ডফলা, খামটি, মোৱামৰীয়া, চিংফৌ —এই সকলোলৈকে চিঠি দিয়া হ'ল। দেও পূজাও আৰম্ভ হ'ল। দেওধাইসকলে ভগৱান সন্তুষ্ট হোৱাৰো চিন পালে। ই আচৰিতেই নহয়— দুঃসাধ্যও। বঙ্গদেশৰ বৰ-বৰ নবাবসকলৰ হাজাৰ-হাজাৰ সৈন্যক পৰাস্ত কৰি আধিপত্য বিস্তাৰ কৰা ইংৰাজ কোম্পানীৰ বিৰুদ্ধে যাত্ৰা আৰম্ভ কৰিলে পিয়লি ফুকনে। ই কেৱল বিদ্ৰোহেই নহয় এক ৰণাঙ্গনো। উজনিৰ কোনো চহৰ বাদ পৰা নাই। দিচাংমুখ, বাণমুখ, চাউলকড়া, জয়ৰাপাৰ, আখৈফুটীয়া, কোঁৱৰপুৰ, নকটানি, পাণবেচা, মেটেকা, মেচাগড়, মঠিয়াছিগা, বনগাঁও, কালুগাঁও, শলগুৰি, লংকাক, কেন্দুগুৰি, বাঘচো, হাঁহচৰা, চূণপোৰা, লাকুৱা, বকতা —এই সকলো ঠাইৰপৰা মানুহ আহি পিয়লি ফুকনৰ লগ লাগিল। ইপিনে নগাসকলো আহি দাঁত কামুৰি, আঙুলি কামুৰি শপত খাইছে— বগা বঙালক মাৰিবই। দিখৌ নদীৰ গৰাত লুকাই-লুকাই অপেক্ষা কৰিছে তেওঁলোকে। কিন্তু এটা অথন্তৰ ঘটিল। শদিয়াৰ শদিয়াখোৱা গোহাঁয়ে

১৮৩৩ চনত [illegible] জেহাদ ঘোষণা কৰি [illegible] জাতীয় বীৰ পিয়লি ফুকনৰ প্ৰতিমূৰ্তি

সেই অঞ্চলত যোগাযোগ কৰিবলৈ যোৱা হৰুনাথৰ হাতত দুখন চিঠি পালে আৰু সেই চিঠি দুখন নি গোহাঁয়ে নিউভিল চাহাবৰ হাতত দিলে। ফল স্বৰূপে হৰুনাথ বন্দী হ'ল। শুভ কামৰ আৰম্ভণিতে এনে অঘটন ঘটাত সকলোৰে মন মৰি গ'ল যদিও নিৰাশ নহ'ল।

১৮৩০ চনৰ ২৫ মাৰ্চ তাৰিখ—অসম বুৰঞ্জীৰ এটা লেখত ল'ব লগা দিন। ওপৰত উল্লেখ কৰি অহা ঠাইবোৰৰ বিদ্ৰোহীসকলে ব্ৰিটিছ ছাউনী, খাৰঘৰ আদিত জুই দি তেওঁলোকক জনাব অসমীয়া সৈন্যৰ বীৰদৰ্প। দিখৌমুখৰ পাৰৰ শিবিৰত চাহাব নাই। নিমিষতে শান্ত দিখৌক অশান্ত কৰি নাওবোৰ নদীত সোমাই পৰিছিল। লগে-লগে পাৰৰ শিবিৰত দপ্‌দপকৈ জুই জ্বলি উঠিছিল। বিদ্ৰোহীসকলে আনন্দত দিখৌ তোলপাৰ কৰিছিল। লাহৰী আইদেউ, নুমলী আইদেউ আৰু ভদ্ৰসেনৰ নাও আগত। ইফালে চাহাবে কিবা ইংগিত পাইছিল। আমাৰ মানুহে চাহাবৰ মানুহ কাটিছিল। আন্ধাৰৰ ফাঁকে-ফাঁকে নাওবোৰ ইপাৰলৈ আহিছিল। খাৰঘৰৰ পাছফালৰ কঁচুৱনীত লুকাই আছিল বিদ্ৰোহীসকল। ইংগিত পালেই জুই জ্বলাব। অলপ আঁতৰত এই দুঃসাহসিক অভিযানৰ গুৰি ধৰোতা পিয়লি ফুকন। এনেতে কেইটামান মানুহ উধাতু খাই শিবিৰৰ পিনে দৌৰি যোৱা দেখা গ'ল। সেইকেইটা আমাৰে মানুহ। মেটেকাত ঘৰ। চাহাবৰ বাতৰি যোগনিয়াৰ। নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে দেশক বিশ্বাসঘাতকতা কৰা মানুহ। অলপ সময়ৰ পিছতে বিকুল বাজি উঠিছিল। বন্দুকৰ গুলিৰ শব্দই কাণ তাল মাৰি উঠিছিল। দুয়ো পক্ষৰ মাজত হুলস্থূল লাগিছিল। এই হুলস্থূলৰ মাজতে খাৰঘৰৰ জুই দপ্‌দপকৈ জ্বলি চৌদিশ পোহৰাই তুলিছিল। সেই পোহৰৰ মাজতে থিয় দি আছিল পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা, পিয়লি বৰগোহাঁই, খামতি বৰগোহাঁই। বন্দুকৰ গুলিৰ শব্দত তিষ্ঠিব নোৱাৰি সকলোবোৰ আহি নৈৰ কাষ পাইছিল। কিন্তু পাৰত বান্ধি থোৱা নাওবোৰৰ ৰছীবোৰো চাহাবৰ মানুহে কাটি দিছিল। বিদ্ৰোহীসকল পলাব ক'লৈ? কোম্পানীৰ মানুহ অসমীয়াৰ ওপৰত জঁপিয়াই পৰিল। বহুত অসমীয়া মৰিল। কিন্তু মাৰি মৰিল। অলপ আঁতৰত নিৰস্ত্ৰ হৈ অসহায় অৱস্থাত ৰৈ থকা পিয়লি ফুকনক চিহাপীয়ে বন্দী কৰি পেলালে। নুমলী গোহাঁইক বন্দী কৰি ৰংপুৰৰ বন্দীশালত থ'লে। তাত তেওঁ পানী এটুপিও গ্ৰহণ নকৰাকৈ দেশৰ বাবে তিলতিলকৈ জীৱন বিসৰ্জন দিলে। অৱশেষত চিকন ফুকনো ধৰা পৰিল। চাহাবৰ হাতত বন্দী হোৱাটো খাটাং বুলি জানিব পাৰি তেওঁ নিজে নিৰ্মাণ কৰা খাৰঘৰৰ ভিতৰত সোমাই ভিতৰৰপৰা জুই লগাই দিছিল। নিমিষতে ধোঁৱাৰ সৈতে তেওঁৰ আত্মা একাকাৰ হৈ পৰিছিল।

এইবাৰ আহিল বিদ্ৰোহীৰ শাস্তিৰ পাল। দেশৰ মানুহক বিদেশীয়ে শাস্তি দিব। অপৰাধী হ'ল—পিয়লি ফুকন, হৰুনাথ গোহাঁই, বম চিংফৌ আদি। বিচাৰ-চ'ৰাত বহিছিল নিউভিল, এজন বৰগোহাঁই, এজন বৰবৰুৱা আৰু কেইজনমান জনাজাত ব্যক্তি। বিচাৰ-চ'ৰাৰ সভাপতি আছিল নিউভিল। চাহাবৰ প্ৰশ্নৰ উত্তৰ দি পিয়লি ফুকনে স্পষ্টভাৱে কৈছিল— "মই দেশ উদ্ধাৰ কৰবলৈ অহা সঁচা। আচলতে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নাপায়। আমি মৰিম বুলি ভয় কৰি তোমালোকক খেদিবলৈ ওলোৱা নাই।" ইয়াতকৈ আৰু দেশপ্ৰেমমূলক উক্তি কি হ'ব পাৰে? কিন্তু ইয়াৰ পৰিণতি চাওক— দায়ী চাহাবেই নহয়— চেনেহৰ অসমীয়াও। প্ৰকৃততে নিউভিল চাহাবে পিয়লিৰ উত্তৰত আচৰিত হৈছিল। সাম্ৰাজ্যবাদীয়েও বীৰত্বৰ মোল বুজে। কিন্তু সাৰ্থান্বেষী দেশীয় লোকে সেই বীৰত্বক সন্মান কৰিব নাজানে বা নোৱাৰে। নিউভিল চাহাবে মণিৰাম দেৱানক সুধিছিল যে ৰজাদিনীয়া

নিয়ম মতে, যি ৰজাক ৰাইজে মানে, সেই ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে কি শাস্তি দিয়া হয়? মণিৰাম দেৱানে উত্তৰ দিছিল— 'ফাঁচি'। উত্তৰ শুনি অকল অসমবাসীয়েই নে গছপাতো কঁাহ পৰি জিন গৈছিল।

নিউভিল চাহাবে ফাঁচিৰ নিয়ম-কানুন সোধাত ডেকা মণিৰাম বৰুৱাই কৈ পেলালে— "ৰাজ-বিদ্ৰোহীৰ ডিঙিত ফটা মেখেলা আঁৰি নানা দুৰ্গতি কৰি মৰা আমাৰ দেশৰ দস্তুৰ।" এই কথা শুনি পঞ্চায়ত ঘৰৰ সমুখত বহি থকা আটাইবোৰ ডা-ডাঙৰীয়াই তল মূৰ কৰিলে। মণিৰাম দেৱানৰ এনে অপঘাত কথা শুনি পিয়লিয়ে উত্তৰ দিলে— "মণিৰাম তয়ো দুৱৰা কাকতিৰ বংশৰ, মযো সাতঘৰীয়া আহোমৰ দুৱৰা বংশৰ। মোক ফাঁচি দি প্ৰাণে মৰাই নাটিলে, ভদ্ৰ কুলত জন্ম লৈ সম্ভ্ৰান্ত কুলৰ মৰণকালত এনে জ্বলন্ত অপমান কৰাইহে তোৰ সন্তোষ লাগিল। এই বাবে জৰী ডিঙিত লৈ মই অন্তৰৰপৰা কৈছোঁ, যি দোষৰ বাবে মোৰ এই দশা হৈছে, তাত একো দুখ নাই। জন্মৰ লগত মৃত্যু আছেই, কিন্তু অন্তিম কালত এনে জঘন্য অপমান দি মৰালি বাবে তই বিনা দোষত এইগছ ডোলতে পৰিবি।"

১৮৩০ চনৰ ২৬ জুলাইত নিউভিল চাহাবৰ মৃত্যু হ'ল। ইয়াৰ আগতেই তেওঁ কমিছনাৰ ডেভিড স্কটৰ অনুমোদন বিচাৰি পিয়লিৰ বিচাৰৰ নথি-পত্ৰ পঠাই দিছিল। ৰাজদ্ৰোহীক ৰাজহুৱাকৈ ফাঁচি দিব লাগে। বিদ্ৰোহীৰ বাবে ই শিক্ষাপ্ৰদ উদাহৰণ। সেইবাবে শিৱসাগৰ পুখুৰীৰ পাৰৰ উত্তৰ-পূব চুকত এটা ভেটি ওখকৈ তুলিলে। সেই ভেটিৰ ওপৰত একেশাৰীতে তিনিটা শালকাঠৰ খুঁটা পুতি ফাঁচিশাল পাতিলে। একে সমানে পতা দুখন ফাঁচিশালত দুযোজন স্বদেশপ্ৰেমী বীৰক একেদিনাই একেলগে ফাঁচি দিলে। পিয়লি আৰু জীউৰামৰ আত্মাই কিন্তু শান্তি পালে। ফাঁচিৰ দিনটো আছিল ১৮৩০ চনৰ ৩০ আগষ্ট। পিয়লি ফুকনৰ গভীৰ দেশপ্ৰেম, আত্মপ্ৰত্যয় ইতিহাসৰ পাতত চিৰদিন সোণালী আখৰেৰে লিখা থাকিব। পদমৰ্যাদা বা আভিজাত্যৰ পুনৰুত্থানৰ বাবে পিয়লিয়ে বিদ্ৰোহ কৰিবলৈ ওলোৱা নাছিল। তেওঁ প্ৰকৃততে স্বাধীনতা বিচাৰিছিল। ইংৰাজৰ শাসনত নিপীড়িত কৃষক সম্প্ৰদায়ে তেওঁক সহায় কৰিছিল। সঁচাকৈয়ে ই আছিল গণবিপ্লৱ।

"পিয়লি ফুকনৰ গভীৰ দেশপ্ৰেম, আত্মপ্ৰত্যয় ইতিহাসৰ পাতত চিৰদিন সোণালী আখৰেৰে লিখা থাকিব। পদমৰ্যাদা বা আভিজাত্যৰ পুনৰুত্থানৰ বাবে পিয়লিয়ে বিদ্ৰোহ কৰিবলৈ ওলোৱা নাছিল। তেওঁ প্ৰকৃততে স্বাধীনতা বিচাৰিছিল। ইংৰাজৰ শাসনত নিপীড়িত কৃষক সম্প্ৰদায়ে তেওঁক সহায় কৰিছিল। সঁচাকৈয়ে ই আছিল গণবিপ্লৱ। "

অমলচন্দ্ৰ দত্ত

শিৱসাগৰৰ কেইটামান সংগঠন আৰু অনুষ্ঠান

এই আলোচনাটো যুগুত কৰিবলৈ লওঁতে মনত দোলা দি থকা কথাটো হ'ল কোনখিনি অনুষ্ঠানক ইয়াত অন্তৰ্ভুক্ত কৰোঁ। শিৱসাগৰত ৰাতিটোৰ ভিতৰতে নতুন অনুষ্ঠানৰ জন্ম হৈ পুৱাই সৰি পৰা শেৱালীৰ দৰে কিছুদিনৰ ভিতৰতে তাৰ অস্তিত্ব নাইকিয়া হয়। গতিকে মনতে ঠিৰাং কৰিছোঁ যে ন্যূনতম ২৫ বছৰ পূৰ্ণ কৰা অৰ্থাৎ ১৯৮৫ চনৰ আগত প্ৰতিস্থিত অনুষ্ঠানকহে এই আলোচনাত অন্তৰ্ভুক্ত কৰিম। আৰু এটা বিপদ— কোনো প্ৰণালীবদ্ধ ৰূপত সংৰক্ষণৰ ব্যৱস্থা নথকাত স্মৃতিশক্তিয়ে ঢুকি পোৱাখিনিকে আলোচনাৰ আওতালৈ আনিব খুজিছোঁ। অনিচ্ছাকৃতভাৱে কোনো অনুষ্ঠান বাদ পৰি গ'লে তাৰ বাবে আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

শিৱসাগৰ নাট্য সমাজ

১৮৯৯ চনতে প্ৰতিষ্ঠা হোৱা আৰু বৰ্তমান ১১০ বছৰ সম্পূৰ্ণ কৰিছে। মুখ্যতঃ নাট্যানুষ্ঠান আৰু নাট্যকলাৰ চৰ্চা কৰি তাৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী। প্ৰথম অৱস্থাত ঐতিহাসিক আৰু পৌৰাণিক নাটক মঞ্চস্থ হৈছিল। পিছলৈ সামাজিক আৰু অনুবাদ নাটক কৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ নাটকৰ সোৱাদ শিৱসাগৰীয়া ৰাইজক দিছে। ইয়াত হোৱা সুন্দৰ অভিনয়ৰ খ্যাতি অসমৰ চৌদিশে বিয়পি পৰিছিল। কবি দেৱকান্ত বৰুৱাই হয়তো সেই কাৰণেই কৈছিল— "অসমীয়া থিয়েটাৰ কাক বোলে চাবলৈ হ'লে শিৱসাগৰলৈ যাবা।"

১৯৭৪ চনত তেতিয়ালৈকে কেৱল ব'ম্বে মহানগৰীতহে অভিনীত হোৱা বিজয় টেণ্ডুলকাৰৰ বিতৰ্কমূলক নাট **সাখাৰাম বাইণ্ডাৰ** শিৱসাগৰ নাট্যসমাজে অতি সফলতাৰে মঞ্চস্থ কৰে। এই প্ৰসঙ্গত শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু প্ৰখ্যাত নাট্যকাৰে প্ৰফুল্লকুমাৰ বৰুৱাই মন্তব্য কৰিছিল— "এটা কথাৰ কাৰণে শিৱসাগৰ নাট্য সমাজক ধন্যবাদ দিবলগীয়া। সেইটো হ'ল এই অনুষ্ঠানে ভাৰতৰ বিভিন্ন প্ৰান্তৰ আৰু বিশ্বৰ নাম কৰা নাট অভিনয় কৰি বিশ্বৰ নাট্য-সাহিত্যৰ লগত চিনাকি কৰি দিছে।"

শিৱসাগৰ নাট্যসমাজে নাট-সমাৰোহ মঞ্চস্থ কৰাৰ উপৰি পাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ পবিত্ৰ সোঁৱৰণত সদৌ অসম ভিত্তিত পূৰ্ণাঙ্গ নাট একাধিকবাৰ আয়োজিত কৰিছে। তদুপৰি অসমৰ বাহিৰে ভিতৰে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি বিভিন্ন বঁটা লাভ কৰি শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই আনিছে।

আমোলাপট্টি নাট্য সমাজ

শিৱসাগৰ নগৰৰ আমোলাপট্টি অঞ্চলত অৱস্থিত আমোলাপট্টি নাট্য সমাজে এটি প্ৰাচীন অনুষ্ঠান। প্ৰথমতে হিন্দু ধৰ্মসভা নামঘৰতে চাং সাজি দুৰ্গোৎসৱত নাটক আৰু অন্যান্য সঙ্গীতানুষ্ঠান মঞ্চস্থ কৰে। ১৯৫০-৬০ চনত পুনৰ সজীৱ হৈ উঠি পুনৰ নাট মঞ্চস্থ— তাৰিণীচৰণ শৰ্মাৰ সোঁৱৰণত চাৰিদিনীয়াকৈ নাট সমাৰোহ পালন কৰে। বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উপৰি অন্যান্য অনুষ্ঠানৰদ্বাৰা সামাজিক দায়বদ্ধতাৰ পৰিচয় দিছে।

সেউজীয়া সমাজ

সেউজীয়া সমাজৰ জন্ম হয় ১৯৪১ চনত। 'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰাই 'সেউজীয়া' শব্দটিৰে এই সমাজৰ নাম দিছিল। পঞ্চাছ দশকৰ আৰম্ভণিৰেপৰা এই সমাজে সেউজ বোলেৰে সোণসেৰীয়া অসমীয়া সংস্কৃতিৰ ৰহণ চৰাইছিল। এই সমাজৰ বৈশিষ্ট্য নিভাঁজ অসমীয়া সংস্কৃতিৰ প্ৰদৰ্শন আৰু ইয়াৰ প্ৰকাশ আৰু বিকাশৰ কাৰণে কৰা প্ৰচেষ্টা।

মাজে-সময়ে দুই-চাৰিখন নাট মঞ্চস্থ কৰাৰ উপৰি এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য হ'ল সঙ্গীতৰ বিভিন্ন বিষয়ত শিক্ষা প্ৰদান কৰা। এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে লক্ষ্ণৌৰ ভাটখাণ্ডেৰ বাহিৰেও ভাৰতৰ অন্যান্য সঙ্গীত শিক্ষা-অনুষ্ঠানৰ পাঠ্যক্ৰম সুখ্যাতিৰে সমাপ্ত কৰিছে। এই অনুষ্ঠান নিৰৱচ্ছিন্নভাৱে উক্ত কাৰ্যত ব্ৰতী হৈ আছে।

ৰংপুৰ জ্যোতি ক্লাব

অধুনালুপ্ত ৰংপুৰ জ্যোতি ক্লাব গঠিত গৈছিল ১৯৫০ চনত। মুখ্যতঃ কেইখনমান নাটক মঞ্চস্থ কৰি সেই সময়ৰ শিৱসাগৰীয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছিল যদিও ইয়াক প্ৰকৃতাৰ্থত সামাজিক-সাংস্কৃতিক অনুষ্ঠান ৰূপে স্বীকৃতি দিব পাৰি। নাটক মঞ্চস্থ কৰাৰ উপৰি খেলা-ধূলা আৰু অন্যান্য অনুষ্ঠান আয়োজন কৰাত আগভাগ লৈছিল। আমাৰ ঘৰৰ সমীপতে ইয়াৰ কাৰ্যালয় আৰু কালীপ্ৰসাদ স্মৃতি মন্দিৰ ইয়াৰ কাৰ্যক্ষেত্ৰ আছিল বাবে আমি নিচেই সৰু কালৰপৰা ইয়াৰ কাৰ্যক্ৰম প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলোঁ। সদা শইকীয়াৰ প্ৰচেষ্টাত অসমৰ বাছকবনীয়া শিল্পীসকলক লৈ এখনি আকৰ্ষণীয় সংঙ্গীতানুষ্ঠান পাতে। এই সংঘই অসমৰ বিভিন্ন মঞ্চত সহ-অভিনয়ৰ যোগেদি নাট মঞ্চস্থ কৰি বিভিন্ন বঁটা হস্তগত কৰিছিল। বিশেষকৈ আমাৰ সৰু কালত কালীপ্ৰসাদ স্মৃতিমন্দিৰত মঞ্চস্থ কৰা **ভঙা ডেউকাৰ ছাঁ** নামৰ নাটকখন ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱে পৰিচালনা কৰা আৰু প্ৰফুল্লকুমাৰ বৰুৱা আৰু প্ৰয়াত বীৰেন বৰকটকীদেৱে অভিনয় কৰা নাটকখন আজিও আমাৰ চকুৰ আগত সজীৱ হৈ আছে।

তৰুণ সংঘ ৰিডিং ক্লাব

পঞ্চাছৰ দশকতে প্ৰতিষ্ঠিত বৰ্তমান দৰবাৰ ফিল্ডত স্থায়ী কাৰ্যালয়, পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহ থকা এটা সক্ৰিয় অনুষ্ঠান হ'ল তৰুণ সংঘ ৰিডিং ক্লাব। ধাই আলি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰ বিকাশৰ বাবে, বিশেষকৈ খেল-ধেমালিৰ ক্ষেত্ৰত, বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি অৱলম্বন কৰি তৰুণ সংঘ ৰিডিং ক্লাবে শিৱসাগৰীয়া ৰাইজৰ প্ৰতি সেৱা আগবঢ়াই আহিছে।

শিৱসাগৰ যুৱদল

সাংস্কৃতিক আৰু সামাজিক চেতনা তথা মানসিকতাৰ এদল যুৱকে শিৱসাগৰ যুৱদল গঠন কৰিছিল ১৯৬৭ চনত। শিৱসাগৰ যুৱদলে ১৯৭০ চনত বানপীড়িত ৰাইজৰ সাহায্যাৰ্থে অভিনয়ৰ যোগেদি সংগৃহীত পুজি মুখ্য মন্ত্ৰীৰ সাহায্য পুঁজিলৈ দান কৰে। বিভিন্ন সময়ত বান-আক্ৰান্ত ৰাইজৰ মাজত জিলা কৰ্তৃপক্ষৰ সহযোগত খাদ্য সামগ্ৰী আৰু কাপোৰ-কানি বিতৰণ, সংক্ৰামক ব্যাধিৰ প্ৰতিকাৰ আৰু স্বাস্থ্যপৰীক্ষাৰ বাবে বিনামূলীয়া স্বাস্থ্যশিবিৰ আৰু ঔষধ বিতৰণ তথা জিলাখনৰ অতি ভিতৰুৱা অঞ্চলতো এনে সেৱা আগবঢাইছে।

অসমৰ বৰেণ্য শিল্পী-সাহিত্যিকসকলক বিপদৰ সময়ত যুৱদলে সাহায্য আগবঢ়াই আহিছে। তাৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা, মঘাই ওজা, প্ৰফুল্ল বৰা, নিৰণ ভূঞা, কমলা শইকীয়া, তৰুণ পামেগাম, যতীন সিংহ আৰু ব্ৰজেন কাকতী উল্লেখযোগ্য।

১৯৭৩ চনৰপৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশৰ বাবে যুৱদলে তৰ্ক, আকস্মিক বক্তৃতা, কুইজ আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰি ১৯৯২ চনৰপৰা শিৱসাগৰ জিলাৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ আৰু ছাত্ৰীক, এল-পি বৃত্তিত প্ৰথম হোৱাজনক আৰু ডিগ্ৰীত জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পোৱাজনক নগদ ধনেৰে পুৰস্কৃত কৰি আহিছে। পৰিৱেশৰ উন্নতি সাধন আৰু মানুহৰ মাজত বৃক্ষ ৰোপণৰ বিষয়ে সজাগতা অনাৰ উদ্দেশ্যে শিৱসাগৰ জিলাৰ বিভিন্ন বিদ্যালয়ৰ প্ৰাঙ্গন আৰু ৰাস্তাৰ কাষত প্ৰতি বছৰেই বৃক্ষ ৰোপণ কৰে।

১৯৭১ চনৰপৰা ১৯৮৫ চনলৈকে যুৱদলৰ সৌজন্যত শিৱসাগৰত ৰাজহুৱাভাৱে ৰঙালী বিহু সন্মিলন মহাপয়োভৰেৰে পালন কৰিছিল। যুৱদলে আয়োজন কৰা বিহু সন্মিলনৰ স্বকীয় বৈশিষ্ট্য আছিল— বিভিন্ন গীত-মাত, বাদ্য, হুঁচৰি, সাহিত্য-প্ৰতিযোগিতা আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠান পতাৰ উপৰি সন্মিলনৰ মুকলি সভাত বিশিষ্ট অতিথিসকলক অসমীয়াৰ বাপতিসাহোন বিহুৰ লগত জড়িত বিভিন্ন ফল-ফুল, গছ-লতা, পিঠা-পনা, জা-জলপান আগবঢ়াই মান ধৰা হয়। ১৯৭৩ আৰু ১৯৭৪ চনত অসমীয়া সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন বাদ্যযন্ত্ৰ, সাজ-পোছাক, পিঠা-পনা, জা-জলপান আৰু ফল-ফুলৰ এখনি মনোগ্ৰাহী প্ৰদৰ্শনী আয়োজন কৰা হৈছিল।

অৰুণাচলৰ মুখ্য মন্ত্ৰীৰ আমন্ত্ৰণক্ৰমে শিৱসাগৰ যুৱদলৰ এটা ৪০জনীয়া সাংস্কৃতিক দলে ১৯৭৬ চনৰ ৭-২২ অক্টোবৰত সেই প্ৰদেশৰ জিৰো, কিমিন আৰু ইটানগৰত শুভেচ্ছামূলক ভ্ৰমণযোগে অসমীয়া শিল্প-সংস্কৃতি পৰিৱেশন কৰে। অসমীয়া কৃষ্টিৰ লগত খাপ খোৱা বিভিন্ন নৃত্য-গীতৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱৰ **ৰাম-বিজয়** অঙ্কীয়া নাটখনি আশাতীত সফলতাৰে মঞ্চস্থ

কৰে। ইয়াৰ উপৰি শিৱসাগৰ যুৱদলে ১৯৬৮ চনত **চিৰকুমাৰ মেছ** মঞ্চস্থ কৰাৰপৰা আৰম্ভ কৰি **উত্তৰ পুৰুষ, বাযনৰ খোল, বৰ মানুহৰ দোলা** ইত্যাদি অজস্র নাট মঞ্চস্থ কৰিছিল।

চিত্ৰলেখা কলা পৰিষদ

সাংস্কৃতিক দিশত লেখত ল'বলগীয়া আন এটি অনুষ্ঠান হ'ল 'চিত্ৰলেখা কলা পৰিষদ'। ১৯৬৭ চনত শিল্পী মাখন বৰাৰ একক প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা এই কলা পৰিষদৰ জৰিযতে নানান সাংস্কৃতিক অনুষ্ঠান পতাৰ লগতে শিৱসাগৰত গডমূৰীযা সত্ৰৰ আৰ্হিৰে শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা উৎসৱ পাতি আহিছে। অসম, অৰুণাচল, মেঘালয আৰু নগালেণ্ড আদিত সাংস্কৃতিক অনুষ্ঠান পাতি প্ৰশংসা বুটলিব পাৰিছে। লগতে সত্ৰীয়া আৰু অন্যান্য নৃত্য-গীত আদিত উঠি অহা ল'ৰা-ছোৱালীক প্ৰশিক্ষণ দি আহিছে।

শিবসাগৰ নগৰত মহিলাসকলৰ প্ৰধানকৈ দুটি অনুষ্ঠান আছে। এই দুটা অনুষ্ঠান হ'ল— 'ৰংপুৰ মহিলা চ'ৰা' আৰু 'জোনালী চ'ৰা'।

ৰংপুৰ মহিলা চৰা

১৯৭৬ চনত স্থাপিত এটি সক্ৰিয অনুষ্ঠান। এই অনুষ্ঠানটিযে সামাজিক আৰু সাংস্কৃতিক দুযো দিশতে ভাৰসাম্য ৰাখিব পাৰিছে বুলি ক'ব পাৰি। ১৯৭৭ চনত **ঘৰৰ লখিমী**, ১৯৭৯ চনত **কলঙ্কিনী**, ১৯৮১ চনত **আইতা**, ১৯৮৬ চনত **ছাযা-প্ৰতিছাযা**, ১৯৮৮ চনত **আমি ডেউকা ভগা পখী নহয** মঞ্চস্থ কৰে।

জোনালী চৰা

১৯৮৮ চনত মঞ্চস্থ কৰে **নাৰী দাহ**। পুনৰ যোগেশ দাসৰ উপন্যাসৰ নাট্যৰূপ **ডাৱৰ আৰু নাই** মঞ্চস্থ কৰে। অন্যান্য সামাজিক কাম-কাজতো সক্ৰিযভাৱে জড়িত।

শিৱসাগৰৰ অন্য কেইটামান উল্লেখযোগ্য নাট্যানুষ্ঠান হ'ল শিৱসাগৰ শিল্পী সমাজ, জাগৃতি, মিলিত শিল্পীসমাজ (যি অলপতে প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী পালন কৰিছে) আৰু অজান্তিমূলক।

পুৱাৰ আকাশত সূৰ্য উদয় হোৱাৰ দৰে শিৱসাগৰৰ সামাজিক-সাংস্কৃতিক জীৱনত তলত উল্লেখ কৰা অনুষ্ঠানকেইটাৰ সক্ৰিয় আৱিৰ্ভাব হৈছে। মাত্ৰ তেওঁলোকৰ কাৰ্যক্ৰমণিকা আলোচনা কৰাৰ বাবে পূৰ্ণ যৌৱনা অৰ্থাৎ ২৫ বছৰ মান সম্পূৰ্ণ হোৱালৈ আশাৰে বাট চাইছোঁ। অনুষ্ঠানকেইটা হ'ল— ১ ৰাজহংস ক্লাব, ২ সম্প্ৰীতি, ৩ নাট্যপীঠ, ৪ নাটকথা, ৫ দীপাঞ্জলি, ৬ উজ্জ্বলতা সংঘ, ৭ দিখৌপৰীযা সন্মিলিত যুৱ সংঘ ইত্যাদি।

(এই প্ৰবন্ধটো যুগুত কৰোতে অসম সাহিত্য সভাৰ ৫৯তম শিৱসাগৰ অধিবেশনৰ স্মৃতিগ্ৰন্থ **ৰংপুৰ ৰংপুৰত** প্ৰকাশিত বিভূতিপ্ৰসাদ চলিহাৰ 'শিৱসাগৰৰ নাট্যাভিনয' প্ৰবন্ধৰ বিশেষভাৱে সহায় লোৱা হৈছে।)

গীতা উপাধ্যায়

মোৰ স্মৃতিত অম্লান হৈ থকা চহৰ শিৱসাগৰ

শিৱসাগৰ কলেজৰ চাকৰিৰপৰা অৱসৰ লৈ তেজপুৰলৈ গুচি অহা দহ বছৰেই হ'ল। কিন্তু প্ৰায় প্ৰতিদিন সৰু-বৰ নানা স্মৃতিয়ে মনটো বাৰে-বাৰে তালৈ লৈ গুচি যায়। ছশ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱময় ৰাজধানী ৰংপুৰ— বৰ্তমানৰ শিৱসাগৰৰ ঐতিহ্যপূৰ্ণ জয়সাগৰস্থিত শিৱসাগৰ কলেজত চাকৰিৰ বাবে মতা পত্ৰখন পাই মনটো আনন্দত উপচি উঠিল। সেয়া আছিল ১৯৬৫ চনৰ জুলাই মাহৰ কথা। ২৮ জুলাইৰ দিনা মই শিৱসাগৰলৈ বুলি যাত্ৰা কৰিলোঁ। বাছত এগৰাকী মহিলাক লগ পালোঁ। তেখেত যোৰহাটত বাছত উঠিছিল। মানুহগৰাকীৰ সমগ্ৰ ব্যক্তিত্বত এনে এক অভিজ্ঞতা ফুটি উঠিছিল যে স্বতস্ফূৰ্তভাৱে তেওঁৰ প্ৰতি মোৰ মনত সম্ভ্ৰমৰ ভাব জাগি উঠিছিল। পাছত বুজিছিলোঁ সেই শিৱসাগৰৰ আভিজাত্য আছিল। তেখেতে মোৰ কৌতূহলী প্ৰশ্নৰ উত্তৰত বাটত দেখি যোৱা গৌৰীসাগৰ, ৰুদ্ৰসাগৰ, জয়সাগৰৰ দ'ল-দেৱালয়, পুখুৰী আদিৰ বিষয়ে কৈ গৈছিল। সুৰুচিপূৰ্ণ শুভ্ৰ সাজ পিন্ধা মানুহগৰাকীৰ পৰিচয় পাছত পাইছিলোঁ। তেখেত আছিল বিখ্যাত লক্ষ্মীনাথ বেজবৰুৱা পৰিয়ালৰ বোৱাৰী আৰু শিৱসাগৰ আদালতৰ অধিবক্তা প্ৰফুল্লচন্দ্ৰ বেজবৰুৱাৰ মাতৃ। তেখেত সকলৰ নিজা পুথিভঁৰাল এটা আছে। তাত অনেক আপুৰুগীয়া অসমীয়া পুথি সংৰক্ষিত হৈ আছে। পিছত তালৈ গৈ পুথিভঁৰালটো চোৱা আৰু কিছুমান দুষ্প্ৰাপ্য পুথিৰ পাত লুটিওৱাৰ সৌভাগ্য হৈছিল। এই পুথিভঁৰালৰ এটা বিশেষত্ব হৈছে যে ইয়াৰ পুস্তক কোনেও ঘৰলৈ নিব নোৱাৰিব। মাত্ৰ তাতে বহি অধ্যয়ন কৰিব পাৰিব আৰু নোট কৰিব পাৰিব। সেয়া আছিল শিৱসাগৰৰ লগত মোৰ পৰিচয়ৰ আৰম্ভণি।

শিৱসাগৰ কলেজৰ অসমীয়া বিভাগটো সেই সময়ৰ অসমীয়া সাহিত্য-জগতৰ তাৰকাৰ থলি আছিল বুলিব পাৰি। বীৰেন বৰকটকী, লীলা গগৈ, ইমাৰান শ্বাহ, যোগেন চেতিয়াক সহকৰ্মী ৰূপে পাইছিলোঁ। বিশেষকৈ **কপলিং ছিঙা ৰেলৰ** স্ৰষ্টা লীলা গগৈক দেখি মই অভিভূত হৈছিলোঁ। কলেজত পঢ়া দিনৰপৰা প্ৰায় কিংবদন্তিৰ দৰে তেখেতৰ নাম শুনিছিলোঁ। অসমীয়া সংস্কৃতিৰ বিষয়ে অনুসন্ধান কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে তেখেতক হেনো এম-এ পাছ কৰাৰ পূৰ্বেই

অনুমতি দিছিল। মানুহজন ইমান ওখ-ডাঙৰ আছিল যে পিন্ধিবলৈ জোখৰ জোতা বজাৰত উপলব্ধ নোহোৱাৰ বাবে খালি ভৰিৰে গাঁৱে-ভূঞে ভ্ৰমণ কৰি ফুৰিছিল সংস্কৃতিৰ উপাদান বিচাৰি। সেয়ে প্ৰথম চিনাকি হওঁতে মোৰ চকু স্বতস্ফূৰ্তভাবে লীলা গগৈৰ ভৰিলৈ গৈছিল আৰু চামৰাৰ ৰঙচুৱা চেণ্ডেল এজোৰ পিন্ধি থকা দেখি মনত সকাহ পোৱা যেন লাগিছিল। পাছলৈ তেওঁৰ নানা ধৰণৰ খুহুটীয়া কথা শুনি এই বিশাল বপু মানুহজনৰ শিশুসুলভ হাস্যৰসিক মনটোৰ উমান পাইছিলোঁ। কমনৰুমত তেখেত থকা সময়ত হাঁহি-হাঁহি আমাৰ পেটৰ নাড়ী-ভূৰু ওলাব যেন হৈছিল।

কলেজৰ অধ্যক্ষ পৰাগধৰ চলিহা ছাৰৰ লগত জয়সাগৰৰ ওচৰৰ গাঁৱত বিয়া খাবলৈ যোৱাৰ অভিজ্ঞতা পাহৰিব নোৱাৰি। ছাৰ-বাইদেউ আৰু লগত দুজন সহকৰ্মীৰে ছাৰৰ গাড়ীত আমি আগে-আগে গৈছোঁ আৰু পিছত এখন এম্বেছেডেৰত আন কেইজনমান সহকৰ্মী। গাঁৱলীয়া ৰাস্তাৰে ধূলি উৰুৱাই গাড়ীখন গৈ আছে। ৰাস্তাত দাঁতিৰ এঘৰত ৰভা দিয়া দেখা গ'ল। ছাৰে গাড়ী ৰখালে। পিছৰ গাড়ীও ৰৈ গ'ল। আমি গাড়ীৰপৰা নামিলোঁ। গৃহস্থ আগবাঢ়ি আহি আথেবেথে নি আমাক বহুৱালে। শিৱসাগৰত অতিথি আপ্যায়ন অতি শিষ্টাচাৰপূৰ্ণ। খোৱা ঠাইখিনি হাতেৰে মোহাৰি গৃহস্থনীয়ে কাঁহৰ বান বাটিত চিৰা, হুৰুম, আখৈ, ডাঠ ম'হৰ দৈ আৰু গুৰেৰে অতি সুস্বাদু জলপান খুৱালে। তামোল খাই আমি যাবলৈ উঠিলোঁ। যাবৰ পৰত ছাৰে দৰাক মাতিবলৈ ক'লে। যিজন আহি সমুখত থিয় হ'ল সেইজন আমি বিয়া খাবলৈ অহা দৰা নহয়। আমি বেলেগ এখন বিয়াঘৰত সোমালোঁ। গাড়ীত উঠি ছাৰে হোঁ-হোঁকৈ হাঁহিবলৈ ধৰিলে। আমিও যোগ দিলোঁ।

ভুবনচন্দ্ৰ গগৈ জয়সাগৰত থকা পঞ্চায়ত প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ আছিল। কিন্তু প্ৰকৃততে তেখেত আছিল এগৰাকী ইতিহাসবিদ। আমি তেখেতৰ নাম দিছিলোঁ ফাডাৰ অব জয়সাগৰ। এগৰাকী চলন্ত ইতিহাস ভুবনচন্দ্ৰ গগৈয়ে প্ৰাচীন ৰংপুৰৰ কথাবোৰ সাধুকথাৰ দৰে কৈ যাব পাৰিছিল। অনাদৰত মাটিৰ তলত পোত যাব ধৰা তলাতল ঘৰৰ তলৰ মহলাটো পঞ্চায়তৰ প্ৰশিক্ষাৰ্থীৰদ্বাৰা খন্দোৱাই তেখেতে উদ্ধাৰ কৰিছিল। আৰু ৰংঘৰ-কাৰেংঘৰৰ ওচৰতে থকা খাৰঘৰ আৰু চৌদিশৰ দেৱালবোৰ সংৰক্ষণৰ বাবে পুৰাতত্ত্ব বিভাগক খাটনি ধৰিছিল। তেখেতে গাইডৰ দৰে আমাক ৰজাই ক'ত বহি হিচাপ কৰিছিল, কোঁৱৰসকল থকা ঠাই কোনখিনি আছিল, ৰাজবিষয়াৰ ঘৰবোৰ কোন ঠাইত আছিল ইত্যাদি কথাবোৰ আগ্ৰহেৰে বৰ্ণনা কৰি দেখুৱাই বুজাই দিছিল। ইতিহাসক জীয়াই ৰখাৰ এই আগ্ৰহ আৰু প্ৰচেষ্টাই আছিল তেখেতৰ ইতিহাস-সচেতন মনৰ পৰিচয়। তেখেতে আহোম ৰজাসকলে খন্দোৱা পুখুৰীৰ বিষয়ে কওঁতে কৈছিল যে চাংৰুং ফুকনে (আজিৰ ইঞ্জিনীয়াৰ) মাটি পৰীক্ষা কৰি পানীৰ প্ৰাকৃতিক উৎস আৱিষ্কাৰ কৰি চৌদিশে ওখ পাৰ বান্ধি পুখুৰী নিৰ্মাণ কৰিছিল। সেয়ে সেই পুখুৰীৰ পানী কেতিয়াও নুশুকাই আৰু জলস্তৰ মাটিভাগতকৈ ওখত থাকে। মাটিৰ পৰীক্ষা আছিল জেকা ঠাইত মাটিৰ চাকি জ্বলাই থোৱা, যিখিন ঠাইৰ চাকিবোৰ নুমাই যায় তেনে ঠাইত খান্দি চোৱা হৈছিল। আৰু সেইদৰে ক্ৰমান্বয়ে খান্দি জলস্ৰোতৰ মূল উৎস বিচাৰি পোৱা হৈছিল। এনে এগৰাকী ইতিহাসপ্ৰাণ ব্যক্তিৰ সান্নিধ্য পোৱাটো সৌভাগ্যৰ কথা আছিল।

সত্তৰ দশকৰ আৰম্ভণিৰ কথা। শিৱসাগৰ কলেজৰ শিক্ষয়িত্ৰী চাৰিগৰাকী, গ্ৰন্থাগাৰিক প্ৰয়াত শান্তি দাস আৰু সহকৰ্মী সাহিত্যিক ইমৰান শ্বাহৰ পত্নী প্ৰয়াত অনু শ্বাহ —এই ছয়গৰাকীৰে ক্লাব এটা কৰা হৈছিল। ক্লাবৰ নাম থৈছিলোঁ SUGASA। সদস্য ছগৰাকী যথাক্ৰমে প্ৰয়াত শান্তি দাস,

উৎপলা কোঁৱৰ, গীতা উপাধ্যায়, অমলপ্ৰভা বৰুৱা, চিপ্ৰাহোম চৌধুৰী আৰু অনু শ্বাহৰ নামৰ ইংৰাজী আদ্যাক্ষৰ জোঁটাই ক্লাবৰ নামটো কৰা হৈছিল। শান্তি দাস বাইদেউৰ কথা বৰকৈ মনত পৰে। তেখেত আমাৰ কলেজৰ গ্ৰন্থাগাৰিক আছিল। পাছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক হয়। তেখেত আছিল অফুৰন্ত প্ৰাণশক্তিৰে উচ্ছল অতি উৎসাহী মহিলা। লাইব্ৰেৰীত থকা ভাল গ্ৰন্থ অধ্যয়ন কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক যি দৰে অনুপ্ৰাণিত কৰিছিল, অন্যান্য সামাজিক-সাংস্কৃতিক কাম কৰিবলৈও তেনেদৰে উৎসাহিত কৰিছিল। তেখেতৰ এটা বিশেষ হবি আছিল— পুৰাতাত্ত্বিক বস্তু সংগ্ৰহ কৰা। জয়সাগৰৰ আশে-পাশে গৃহ নিৰ্মাণৰ বাবে খনন কৰোতে কিবা নহয় কিবা বস্তু ওলাইছিল আৰু বাইদেউ গৈ সেইবোৰ সংগ্ৰহ কৰি আনি লাইব্ৰেৰীসংলগ্ন সৰু মিউজিয়ামটোত সজাই থৈছিল। শান্তি বাইদেউৰ লগতে আমি কেইগৰাকীমান শিক্ষয়িত্ৰীকো ভুবন সন্দিকৈ ছাৰে জয়সাগৰৰ আশে-পাশে থকা বুৰঞ্জীপ্ৰসিদ্ধ স্থানবোৰ দেখুৱাই সেইবোৰৰ ঐতিহাসিক গুৰুত্বৰ কথা বুজাইছিল। এয়া আছিল এক অনন্য অভিজ্ঞতা।

আমাৰ 'ছুগাছা' ক্লাব মাজে-মাজে পুৰাতাত্ত্বিক গুৰুত্ব থকা ঠাইবোৰ চাবলৈ গৈছিল। খেল-ধেমালিৰ প্ৰতিযোগিতা কৰা, সৰু ল'ৰা-ছোৱালী আৰু ছাত্ৰীৰ সাংস্কৃতিক অনুষ্ঠান, নাটক আদিও কৰিছিল। শিৱসাগৰ কলেজৰ নিজা মাধৱ বেজবৰুৱা প্ৰেক্ষাগৃহ থকাৰ বাবে এইবোৰ অনুষ্ঠিত কৰিবলৈ অসুবিধা নাছিল। ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ পাছত আমি ছুগাছা ক্লাবৰদ্বাৰা এখন নাটক মঞ্চস্থ কৰি তাৰপৰা সংগ্ৰহিত ধন প্ৰধান মন্ত্ৰীৰ সাহায্য পুঁজিলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত ল'লোঁ। নাটকৰ নাম আছিল **এন ফ্ৰাংকৰ ডায়েৰী**। নাট্য ৰূপ দিয়াৰ কাম মই কৰিলোঁ। সাজ-পাৰ ইউৰোপীয়। নিজে ডিজাইন কৰি সদস্যসকলে তৈয়াৰ কৰিলে। নাটকত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে ভাও ল'লে। পৰিচালনাৰ দায়িত্ব ল'লে অধ্যক্ষ পৰাগধৰ চলিহা ছাৰে। সহকাৰী থাকিলোঁ মই। ছাৰ নিজে এগৰাকী ভাল অভিনেতা আছিল, সেয়ে এন ফ্ৰাংকহঁতৰ ঘৰত লুকাই থাকিবলৈ অহা অন্য এটা পৰিয়ালৰ মুৰব্বী ভান ভানৰ ভাও ল'লে চলিহা ছাৰে। মিছেছ ভান ভান হ'ল শান্তি দাস বাইদেউ। এন ফ্ৰাংকৰ পিতৃৰ ভাও ল'লে অন্য এগৰাকী অভিনেতা, নাট-পৰিচালক যোগেন চেতিয়াই। মাতৃৰ ভাও ল'লে মণিকা শইকীয়াই। এন ফ্ৰাংকৰ ভাও ল'লে শান্তি বাইদেউৰ বৰ জী সুদক্ষিণা(মিঠু)ই। পিটাৰৰ ভাও ল'লে ডেকা অধ্যাপক সপোন দুৱৰাই।

"শিৱসাগৰে বেদনাতকৈ আনন্দ মোক অধিক দিছে। জীৱনক মুখামুখিকৈ গ্ৰহণ কৰি আত্মবিশ্বাস আৰু দৃঢ়তাৰে আগলৈ খোজ দিয়াৰ শক্তি মই তাতে আহৰণ কৰোঁ। মানুহৰ বিশ্বাস আৰু স্নেহ লাভ কৰি ধন্য হওঁ।"

এন ফ্ৰাংকহঁত লুকাই থকা গুপ্তগৃহত মেকুৰী এটা আছিল। কিন্তু মিছেছ ভান ভানে মেকুৰী বেয়া পায় আৰু দেখিলেই চিঞৰে। এটা দৃশ্যত মেকুৰী বেয়া পোৱা আৰু মেকুৰীজনী ঘৰ এৰি যোৱা দেখুওৱা হ'ল। তাৰ পাছৰ দৃশ্যত শ্ৰীমতী ভান ভানে গিৰিয়েক ভান ভানক মিত্ৰপক্ষই যুদ্ধত হিটলাৰ বাহিনীক পৰাজিত কৰি জাৰ্মানীৰ বাৰ্গান্দি চহৰ পাইছে বুলি ক'ব লাগে। এইটো লুকাই থকা পৰিয়লটোৰ বাবে সু-খবৰ আছিল। কাৰণ হিটলাৰৰ ইহুদী নিৰ্যাতনৰ বাবেই তেওঁলোক এইদৰে লুকাই থাকিবলগীয়া হৈছিল। শ্ৰীমতী ভান ভানৰ ভাও লোৱা শান্তি বাইদেউ ষ্টেজলৈ ওলাই আহিল। কোলাত মেকুৰীজনী। তেওঁ হাতেৰে মৰম কৰি আছে। ভিতৰৰপৰা প্ৰম্‌টাৰে ঘটনা দেখি চিঞৰিছে— "মেকুৰী এৰি দিয়ক, দলিয়াই দিয়ক"। আচলতে মেকুৰীজনী শান্তি বাইদেউৰ ঘৰৰ আছিল। তেওঁ মেকুৰী খুব ভাল পায় কাৰণে ক'ব নোৱৰাকৈ কোলাত লৈ আহিছিল। নিজৰ ভুল বুজি পাই মেকুৰী দলিয়াই চিঞৰি দিলে আৰু নাৰ্ভাছ হৈ নিজৰ ডায়লগ পাহৰি ক'লে— "মিত্ৰ জাৰ্মান্দি বাৰ্গান্দি পাইছেহি।" ভান ভানৰ ভাওত থকা চলিহা ছাৰে কলেজত ছাত্ৰ-কৰ্মচাৰীক দাবি দিয়াৰ দৰে চিঞৰি ক'লে— "কি জাৰ্মান্দি বাৰ্গান্দি কৈছা ? ভালকৈ কোৱা।"

আমি ছোঁঘৰৰ ভিতৰত হাঁহিত ৰ'ব পৰা নাই। দলিয়াই দিয়া মেকুৰীজনী আকৌ লাহেকৈ ষ্টেজত উঠি শান্তি বাইদেউৰ ওচৰলৈ যাবলৈ লৈছে। এজনে থাপ মাৰি তাইক ধৰি ৰাখিলে। দৰ্শকে এই ভুলটো বুজিব পাৰিলে নেকি বুলি আমি ভয় খাইছিলোঁ। কিন্তু পিছত গম পালোঁ যে কোনেও একো ধৰিব নোৱাৰিলে। আমাৰ নাটকখনে দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল।

এনে অনেক ঘটনাৰ স্মৃতি মনলৈ আহি বাৰে-বাৰে মোক নষ্টালজিক কৰি তোলে। জীৱনৰ শ্ৰেষ্ঠতম সময়খিনি শিৱসাগৰতে পাৰ কৰিলোঁ। সতী জয়মতীৰ চৰম আত্মত্যাগৰ চানেকিৰে জিলিকি থকা জয় দ'ল আৰু পুখুৰীৰ পাৰত অৱস্থিত শিৱসাগৰ কলেজে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে মোৰ মানসপটত। জয়সাগৰ পুখুৰীৰ নৈসৰ্গিক সৌন্দৰ্য, শৰালি হাঁহজাকৰ কলধ্বনিৰে ৰজনজনাই থকা, কুঁৱলি সনা শীতৰ পুৱা খালি ভৰিৰে প্ৰাতঃ ভ্ৰমণ কৰাৰ মিঠা আমেজ, নিৰ্মেঘ জোনাক ৰাতি গীতেৰে-সুৰেৰে ভৰাই তুলি জোনাক পিছল পুখুৰীপাৰৰ ঘাহনিত বহি পুখুৰীৰ জিলমিল পানীত মাছবোৰে জাঁপ মৰা চাই আপোন পাহৰা হোৱা আনন্দময় মুহূৰ্তবোৰ পাহৰিব পৰা নাযায়। তাত কটোৱা সুদীৰ্ঘ সময়খিনি যে সদায় গোলাপপাহি যেন মসৃণ সুগন্ধী আছিল তেনে নহয়, কঠিন মুহূৰ্ত, সংঘাতময় পৰিস্থিতি আৰু সংকটপূৰ্ণ দিনবোৰো পাৰ কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া মনৰ তুলাচনিত জুখি চালে পাওঁ যে শিৱসাগৰে বেদনাতকৈ আনন্দ মোক অধিক দিছে। জীৱনক মুখামুখিকৈ গ্ৰহণ কৰি আত্মবিশ্বাস আৰু দৃঢ়তাৰে আগলৈ খোজ দিয়াৰ শক্তি মই তাতে আহৰণ কৰোঁ। মানুহৰ বিশ্বাস আৰু স্নেহ লাভ কৰি ধন্য হওঁ। হাজাৰ দুৰ্বলতা আৰু দোষ-ত্ৰুটি থকা সত্বেও মানুহৰ মানৱীয় গুণ যে শেষ হৈ নাযায় এই বিশ্বাস গাঢ় হয়। নিজৰ আত্মীয়-পৰিজনৰপৰা দূৰৈত চাকৰি আৰু স্বইচ্ছাৰে নিৰ্বাচন কৰা একক জীৱন-যাত্ৰাত শিৱসাগৰে মোক দিলে পৰম আত্মীয়ৰ স্নেহ, নিৰ্ভৰ কৰিব পৰা বন্ধুত্ব আৰু মৰম। আত্মীয়তা কেৱল তেজৰ সম্পৰ্কই নিৰ্ধাৰণ নকৰে; শ্ৰদ্ধা, পাৰস্পৰিক বিশ্বাস, অকৃত্ৰিম আন্তৰিকতা আৰু নিস্বাৰ্থ মৰমৰ সম্পৰ্কই ইয়াক গাঢ় দিয়ে। এই সত্য শিৱসাগৰতে গভীৰভাৱে নিজৰ অভিজ্ঞতাৰে উপলব্ধি কৰাৰ সৌভাগ্য লাভ কৰিলোঁ। সেয়ে শিৱসাগৰৰ স্মৃতি মোৰ মানসপটত সদায় অম্লান হৈ থাকিব।

স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা

শিৱসাগৰৰ কেইগৰাকীমান সমাজহিতৈষী ব্যক্তি

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসম ৰাজ্যৰ শিৱসাগৰ জিলা প্ৰাচীন ঐতিহ্যৰে পৰিপূৰ্ণ এখন মৰ্যাদাপূৰ্ণ চহৰ। ইতিহাসৰ বুকুত শিৱসাগৰে যিদৰে নিজৰ বিজয়-গৌৰৱ ঘোষণা কৰিছে সেইদৰে ভাষা, সাহিত্য, সংস্কৃতিৰ নানান দিশৰ বাটকটীয়া হিচাপে নিজৰ নাম জিলিকাই ৰাখিছে। এই ঐতিহ্যমণ্ডিত চহৰখনৰপৰা অসমৰ সমাজ-জীৱনৰ গুৰি ধৰোতা বহুতো পুৰোধা ব্যক্তিয়ে নিজৰ উজ্জ্বল ব্যক্তিত্বৰে নিজা অৱদান আগবঢ়াই থৈ গৈছে। এনে ব্যক্তিত্বৰ অধিকাৰী শিৱসাগৰৰ কেইজনমান সমাজহিতৈষী ব্যক্তিৰ চমু পৰিচয় দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

হৈমৱতী বৰুৱা

ব্ৰিটিছ চৰকাৰৰ দিনত পাতৰ কাপোৰ বোৱাৰ কাৰণে সোণৰ মেডেলপ্ৰাপ্ত, ১৯২১ চনত এৰীচাদৰৰ দুয়ো মূৰে গান্ধীজীৰ নাম আৰু ফুল বাছি মহাত্মা গান্ধীক এৰীচাদৰ প্ৰদান কৰা সুনিপুণ শিপিনী হৈমৱতী বৰুৱা শিৱসাগৰৰ এক চিনাকি নাম। শিৱসাগৰৰ আমোলাপট্টিৰ নিবাসী শ্ৰদ্ধেয় শিৱদেৱ গোস্বামীৰ সুযোগ্য কন্যা হৈমৱতী বৰুৱাৰ জন্ম হৈছিল ১৮৮০ চনত। সভা-শুৱনী বৰুৱা ডাঙৰীয়ানীৰ অন্তৰত অপৰিসীম মাতৃস্নেহ আছিল। তেখেতে সংৰক্ষণশীলতাৰ বিপৰীতে উদাৰ মনোভাবৰ পৰিচয় দিছিল। সকলো জাতিৰ সকলো ধৰ্মৰ মানুহকে সমান চকুৰে চাই সকলো ধৰ্মৰ মানুহৰ ঘৰত নিঃসংকোচে আহাৰ গ্ৰহণ কৰিছিল। ওচৰ-চুবুৰীয়াৰ ঘৰত বেমাৰ-আজাৰ হ'লে সেৱা-শুশ্ৰূষা কৰাত ব্ৰতী হৈছিল। আজিৰ সমাজ-ব্যৱস্থাত এনে আচৰণত একো বিশেষত্ব নাই। কিন্তু যিখিনি সময়ত বৰুৱা ডাঙৰীয়ানীয়ে এই কাম কৰিছিল, সেই সময়ত এগৰাকী গৃহিণীৰ পক্ষে এনে আচৰণ আৰু ঘৰুৱাভাৱে আহ-যাহ উল্লেখযোগ্য। ধন-সম্পদৰ প্ৰতি তেখেতৰ অকণো মোহ নাছিল। কাতৰজনক সহায় কৰি সন্তোষ লাভ কৰিছিল। অৱস্থাসম্পন্ন অসমৰ প্ৰথম বি-এল পাছ কৰা আইনজীৱী গুঞ্জানন বৰুৱাৰ পত্নী হৈও তেখেতে আড়ম্বৰপূৰ্ণ জীৱন যাপন কৰা নাছিল।

শিৱসাগৰ জিলা উপায়ুক্তৰ বাসভৱন

১৯১৭ চনত শিৱসাগৰ নগৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ কেইগৰাকীমান দূৰদৰ্শী বৰেণ্য মহিলাই সামাজিক দায়বদ্ধতা উপলব্ধি কৰি এখন মহিলা সভা গঠন কৰিছিল। সেইসকল বিশিষ্ট মহিলাৰ অন্যতম সদস্যা আছিল হৈমৱতী বৰুৱা। তেখেতসকলে 'শিপিনীৰ ভঁৰাল' নামৰ এক অনুষ্ঠান পাতি কঁপাহ নেওঠি যঁতৰত সূতা কাটি খদ্দৰৰ ধুতি, চাদৰ, গামোচা, টুপী আদি তৈয়াৰ কৰি বিক্ৰী কৰিছিল। সেই সময়তে মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ অসমৰ ৰাইজে অসহযোগ আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই বিদেশী বস্ত্ৰ বৰ্জন কৰি স্বদেশী বস্ত্ৰ পৰিধান কৰিছিল। শিৱসাগৰৰ মহিলাসকলেও এই আন্দোলনত অংশ গ্ৰহণ কৰি স্ব-নিৰ্ভৰশীলতাৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰিছিল।

১৯২৭ চনত মহিলা সভাৰ ভেটিতেই অসম প্ৰাদেশিক মহিলা সমিতিৰ অন্তৰ্ভুক্তিত শিৱসাগৰ জিলা মহিলা সমিতি গঠন কৰা হৈছিল। এই সভাতেই বৰুৱা ডাঙৰীয়ানীক জিলা সমিতিৰ সভানেত্ৰী নিৰ্বাচিত কৰা হৈছিল। এই চনতে শিৱসাগৰ কৃষি শিল্প প্ৰদৰ্শনীৰ লগতে এখনি মহিলাৰ অধিৱেশন অনুষ্ঠিত হৈছিল। সেই সভাৰ সভানেত্ৰীৰ অভিভাষণত বৰুৱা ডাঙৰীয়ানীয়ে নাৰী প্ৰগতিৰ এক সাৰগৰ্ভ ভাষণ দিছিল। অভিভাষণখনিত মহিলা সমিতিৰ মহৎ উদ্দেশ্য আৰু লক্ষ্যৰ উমান পোৱা যায়। নিজৰ নামটোৰ বাহিৰে বিশেষ একো লিখিব নজনা কম শিক্ষাৰে শিক্ষিত মহিলা হৈও তেখেতে সোমনাথ ফকীৰ ডাঙৰীয়াৰ সহায়ত ৰামায়ণ, মহাভাৰত, ভাগৱত আদি শাস্ত্ৰ পাঠ কৰাই হৃদয়ঙ্গম কৰিছিল। তেখেতে সভানেত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি মহিয়সী নাৰী জয়মতীৰ সোঁৱৰণী

তিথি 'জয়মতী উৎসৱ' নিয়মিত ৰূপে পালন কৰাৰ ব্যৱস্থা কৰিছিল।

কৰ্মযোগী ভুৱনচন্দ্ৰ গগৈ

"সেইবিলাক প্ৰচাৰ কৰাত কোনো লাভ নাই। যদি সঁচাকৈয়ে মই নতুবা তোমালোকে কিবা এটা ভাল কাম কৰিছা, সি নিজেই প্ৰকাশ পাব। কামেই প্ৰচাৰ।" প্ৰচাৰবিমুখ ভুৱনচন্দ্ৰ গগৈ দেৱৰ শিৱসাগৰ মহকুমাৰ হাঁহচৰা মৌজাত স্বৰ্গদেউসকলৰ বিষয়া হালধীবৰীয়া চেতিয়া খেলত ১৮৮৯ চনৰ ১১ মাৰ্চত জন্ম হৈছিল। পিতৃ ফটিকচন্দ্ৰ গগৈ আৰু মাতৃ কনকেশ্বৰী গগৈ। শিৱসাগৰতে স্কুলীয়া শিক্ষা সাং কৰি ১৯১১ চনত কটন কলেজৰপৰা আই-এ পাছ কৰি কলিকতাৰ ছেণ্ট পল কেথিড্ৰেল কলেজত বি-এ পঢ়িছিল। স্কুলীয়া শিক্ষা লোৱা অৱস্থাৰেপৰা তেখেত সকলো কামতে সকলোৰে লগত মিলিজুলি কাম কৰাত সিদ্ধহস্ত আছিল। এজন নামজ্বলা খেলুৱৈ, প্ৰিয় ছাত্ৰ, কৰ্মী আৰু বক্তা হিচাপে সকলোৰে সন্মানৰ পাত্ৰ আছিল। স্বাধীনচিতীয়া নিৰ্ভীক কৰ্মী গগৈদেৱক জীৱনৰ গঢ় দিছিল এজন ইংৰাজ মনীষী ডাঃ হলেণ্ড চাহাবে। ডাঃ হলেণ্ড চাহাবে কৈছিল, "এখন দেশৰ সৰ্বাঙ্গীন উন্নতি নিৰ্ভৰ কৰে সেই দেশৰ মানুহৰ চৰিত্ৰৰ ওপৰত। চাকৰিয়ে মানুহক সজ স্বভাৱ দিব নোৱাৰে। কাৰবাৰ বেহা-বেপাৰেহে মানুহৰ স্বভাৱ চৰিত্ৰৰ গঢ় দিব পাৰে..."। এই কথাই তেখেতৰ জীৱনৰ পথ সলনি কৰিছিল আৰু দেশ-সেৱাৰ কামত আত্মনিয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

কলেজ এৰি আহি গগৈদেৱে প্ৰথমতে অস্থায়ীভাৱে শিৱসাগৰ বেজবৰুৱা স্কুল আৰু ফুলেশ্বৰী স্কুলত শিক্ষকতা আৰম্ভ কৰিছিল। তথাপি তেখেতে নিজৰ সিদ্ধান্তত অটল থাকি পিতৃয়ে যোগাৰ কৰি দিয়া চাকৰি কৰা নাছিল। পঢ়ি থকা অৱস্থাতে তেখেত বিবাহপাশত আৱদ্ধ হৈছিল। এটি পুত্ৰ সন্তান জন্ম হোৱাৰ পাছত পৰিবাৰৰ মৃত্যু হৈছিল। সংসাৰৰ চিন্তাৰপৰা মুক্ত হৈ হলেণ্ড চাহাবৰ কথাৰ লগত ৰজিতা খুৱাই এখন স্কুল খোলাৰ মানস কৰিলে। নিজৰ হাতত টকা-পইছা নথকাত বন্ধুৰপৰা পাঁচ টকা ধাৰলৈ লৈ পৈতৃক ঘৰ-বাৰী পৰিত্যাগ কৰি নগৰৰ পৰা ১৮/১৯ মাইল দূৰত বকতাত হাবিৰ মাজত মাত্ৰ বিছ টকাৰে দুটামান সৰু ঘৰ সাজি ১৯১৮ চনৰ ডিচেম্বৰ মাহত মাত্ৰ ৫ জন ছাত্ৰৰে এখনি স্কুল স্থাপন কৰিছিল। ওচৰৰ মানুহবিলাকৰ সঁহাৰি পাই তেখেতে পঢ়াৰ লগতে খেতি আৰু কাঠৰ কামো শিকাইছিল। ৰাতি গাঁৱৰ নিৰক্ষৰ ডেকা আৰু বুঢ়াসকলক পঢ়ুৱাইছিল।

১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ কামত লগাত ঠন ধৰি উঠা অনুষ্ঠানটিৰ মাটি বাজেয়াপ্ত হৈছিল। এবছৰ সশ্ৰম কাৰাবাস খাটি ওলাই আহি ১৯২৩ চনত স্কুলখন চুণপোৰালৈ স্থানান্তৰ কৰিছিল। তাৰপাছত ১৯২৪ চনত অসমৰ লাট বাহাদুৰ জন কাৰৰ নিৰ্দেশ মতে স্কুলখন শিৱসাগৰ নগৰলৈ তুলি আনিছিল। অসমৰ একমাত্ৰ জাতীয় কাৰ্যকৰী অনুষ্ঠান হিচাপে 'অসম পলিটেকনিক ৰেছিডেন্সিয়েল ইন্সষ্টিটিউট' আজিও 'কৰ্মযোগী ভুৱনচন্দ্ৰ গগৈ সোঁৱৰণী অসম পলিটেকনিকেল ইন্সষ্টিটিউট' নামেৰে শিৱসাগৰত জিলিকি আছে। এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য শিক্ষাৰ লগে-লগে উঠি অহা ছাত্ৰসকলক জ্ঞান-বুদ্ধি, স্বাধীনভাৱে কাৰবাৰ কৰি খাব পৰা শক্তি, দেশৰ সেৱা, স্বাস্থ্য আৰু নৈতিক বলত বলীয়ান কৰি তোলা।

গগৈদেৱ স্বায়ত্ত শাসনবিভাগৰ লোকেল বৰ্ডৰ সভাপতি হৈ গাঁওবিলাকৰ বাট-পথ, মথাউৰি,

পঢ়াশালি আদিৰ বহুত উন্নতি সাধন কৰিছিল। শিৱসাগৰ নগৰৰ গাঁও-ভূঁই, নগৰ চহৰ সকলোতে তেওঁ বেমাৰ-আজাৰ, মহামাৰী, আকাল, বানপানী, সাম্প্ৰদায়িক বিৰোধ আদি জটিল সমস্যা সমাধানত সহায়ক আছিল। নিজকে অসমীয়া বুলি গৌৰৱ কৰি উঠি অহা শিক্ষিত ডেকাদলক সাম্প্ৰদায়িকতা ভাব এৰিবলৈ পৰামৰ্শ দিছিল। তেখেতৰ স্কুলতে প্ৰথমতে শঙ্কৰ সমাজৰ আৰম্ভ হৈছিল। শিৱসাগৰৰ নাট্য সমাজ, ক্লাব, সাহিত্য সমাজ, খেল-ধেমালি সকলোতে তেখেতৰ যোগ আছিল।

১৯২১ চনৰ কানি নিবাৰণৰ গগৈদেৱ এজন সক্ৰিয় কৰ্মী আছিল। শিৱসাগৰৰ জাতীয় কংগ্ৰেছক সবল কৰাৰ গুৰিত ভুবনচন্দ্ৰ গগৈৰ অৱদান অতুলনীয়। ১৯৩৬ চনৰ বৰদলৈ-মন্ত্ৰীসভাৰ অন্যতম প্ৰধান সদস্য গগৈদেৱে অসমীয়া ৰাইজৰ মাজত তেখেতৰ কৰ্তব্যৰ সংকেত দি গৈছে।

কৰ্মযোগী ভুবনচন্দ্ৰ গগৈদেৱে গীতাৰ কৰ্মযোগ বিশ্বাস কৰিছিল। তেখেত এজন দূৰদৰ্শী ব্যক্তি আছিল। পৰিবৰ্তনশীলতা আৰু শৃঙ্খলাবদ্ধতা তেওঁৰ জীৱনৰ বিশেষত্ব আছিল। শৃঙ্খলিত জীৱন-পৰিক্ৰমাৰ মাজত সাধাৰণভাৱে জীৱন যাপন কৰা গগৈদেৱে মিছা আৰু অন্যায়ক প্ৰশ্ৰয় দিয়া নাছিল। এইজনা মহান ব্যক্তিৰ ১৯৪০ চনৰ ৯ জুলাই তাৰিখে নৰ-জীৱনৰ অৱসান ঘটিছিল।

বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা

১৯০৭ চনত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ অসমৰ ভিতৰতে প্ৰথম আৰু ইংৰাজীত সৰ্বোচ্চ নম্বৰ লাভ কৰি অসম চৰকাৰৰ হেমনাথ বৰুৱা ৰূপৰ আৰু দীননাথ সেন সোণৰ পদক লাভ কৰা তাৰাপ্ৰসাদ চলিহা অসমৰ ভিতৰতে এজন তীক্ষ্ণ মেধাসম্পন্ন সুযোগ্য সন্তান। ১৮৯১ চনৰ ২৫ ফেব্ৰুৱাৰীত শিৱসাগৰৰ দিখৌ নদীৰ পাৰৰ আমগুৰি ঘাটগাঁৱত বিখ্যাত চলিহা কাকতি বংশত ৰায়বাহাদুৰ কালীপ্ৰসাদ চলিহাৰ ঔৰসত নিকুঞ্জলতা চলিহাৰ গৰ্ভত তাৰাপ্ৰসাদ চলিহাদেৱৰ জন্ম হৈছিল। বঙালী, অসমীয়া, ইংৰাজী, উৰ্দু, মাৰোৱাৰী, সংস্কৃত আদি ভাষাত ব্যুৎপত্তি থকা চলিহাদেৱে শিৱসাগৰৰ দুখীয়া স্কুলত প্ৰাথমিক শিক্ষা সাং কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা এণ্ট্ৰেন্স পাছ কৰিছিল। ১৯০৯ চনত কটন কলেজৰপৰা কলিকতা বিশ্ববিদ্যালয়ৰ ইণ্টাৰমিডিয়েট পৰীক্ষাত দশম স্থান লাভ কৰি বেথাৰাম ঠাকুৰীয়া সোণৰ পদক লাভ কৰিছিল। বিষ্ণুপ্ৰিয়া পুৰস্কাৰ বিজেতা চলিহা ডাঙৰীয়াই ১৯১১ চনত কলিকতাৰ স্কটিচ চাৰ্চ কলেজৰপৰা গণিতত সন্মানসহ বি-এ পৰীক্ষাত উত্তীৰ্ণ হৈ এম-এ আৰু আইন কলেজত নাম ভৰ্তি কৰিছিল। ভাৰত চৰকাৰৰ অনুমোদনত ইংলণ্ডলৈ গৈ লিঙ্কন ইনত যোগদান কৰি বেৰিষ্টাৰ হৈছিল। ইংলণ্ডত থকা কালতে তেওঁ বেলফাষ্টৰ কুইন বিশ্ববিদ্যালয়ৰপৰা এল-এল-বি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেখেত অসমৰ ভিতৰতে প্ৰথম ইংলণ্ডত আইনৰ স্নাতক ডিগ্ৰীধাৰী লোক।

একেবাৰে সহজ জীৱন যাপন কৰা চলিহাদেৱে বিলাতৰপৰা আহি চাহাবী কায়দা-কানুন গ্ৰহণ কৰি নচলাৰ বাবে বিভিন্নজনে বিভিন্ন প্ৰশ্ন কৰিছিল। তাৰ উত্তৰত তেখেতে কৈছিল, "মই কি বিলাতৰপৰা আহিলোঁ বুলিয়েই মোৰ বৌটিক ক্লাব ঘৰে-ঘৰে ফুৰাব লাগিছিল নেকি?" এনে এজন নিৰ্ভীক, সদা সচেতন ব্যক্তিয়ে নিজ ভগ্নী কমলালয়া কাকতিয়ে স্বামীগৃহ ত্যাগ কৰা কাৰ্যত ভ্ৰিয়মান হৈ বিলাতত দেখি অহা মহিলা জাগৰণৰ আৰ্হিত নিজৰ মাতৃ, ভগ্নী আৰু পত্নী কনকলতা চলিহাক

এটি মহিলা সংগঠন খুলিবৰ বাবে দিহা পৰামৰ্শ দিছিল। তেখেতে উপলব্ধি কৰিছিল যে মহিলা শিক্ষিত নহ'লে সমাজ এখন আগবাঢ়িব নোৱাৰে। মহিলাক উচ্চ স্থান দিয়াৰ মানসেৰে তেখেতে মহিলাসকলক অনুপ্ৰেৰণা, সাহস আৰু পৰামৰ্শ দিছিল। ফলশ্ৰুতিত শিৱসাগৰত মহিলা সভাৰ জন্ম হৈ প্ৰথম মহিলা আলোচনী ঘৰ জেউতিয়ে শিৱসাগৰক উজলাই তুলিছিল।

শিৱসাগৰৰ প্ৰতি তেখেতৰ আছিল অপৰিসীম স্নেহ, সেই স্নেহৰ বান্ধোনে তেখেতক স্থানীয় জনজীৱনৰ লগত নিবিড়ভাৱে জড়িত কৰিছিল। ১৯১৭ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ এজন বিশিষ্ট কৰ্ণধাৰ সদস্য নিৰ্বাচিত হৈছিল। শিৱসাগৰৰ শঙ্কৰ সমাজ, শিৱসাগৰ নাট্য সমাজ, হিতসাধিনী সভা, বিমলালয়া সভা, অসম পলিটেকনিকেল ইন্সষ্টিটিউট, শিৱসাগৰ বিদ্যাপীঠ আদি অনুষ্ঠানৰ তেখেত সক্ৰিয় সদস্য আৰু পৃষ্ঠপোষক আছিল।

চলিহাদেৱে নৈষ্ঠিক ধৰ্মীয় জীৱন যাপন কৰিছিল। বিভিন্ন ধৰ্মৰ গ্ৰন্থসমূহ তেখেতে অধ্যয়ন কৰি হৃদয়ঙ্গম কৰিছিল। সদা সচেতন চলিহাদেৱে ল'ৰা-ছোৱালীবিলাকক পঢ়াৰ সুবিধাৰ বাবে ঘৰতে স্কুল খুলি প্ৰভাত চাংকাকতি দেৱক নিয়োগ কৰিছিল।

শিৱসাগৰ জিলাত ৰাজহুৱা ভৱন নথকাৰ বাবে চলিহাদেৱে তেখেতৰ ভ্ৰাতৃদ্বয়ৰ লগত আলোচনা কৰি কালীপ্ৰসাদ চলিহা স্মৃতিভৱন নিৰ্মাণ কৰি ৰাইজক দান দি থৈ গৈছে।

তাৰাপ্ৰসাদ চলিহাদেৱ এজন সময় সচেতন ব্যক্তি আছিল। পুৱা শুই উঠাৰপৰা সকলো কামতে তেখেতে সময়ানুবৰ্তিতা মানি চলিছিল। খোৱাৰ ক্ষেত্ৰত তেখেতৰ বেৰিষ্টাৰী ঢং আছিল। তেখেতৰ গাৰ বৰণ সোণৰ দৰে উজ্জ্বল আছিল বাবে 'সোণ' বুলি মাতিছিল।

বিলাতৰপৰা আহি তেখেতে ১৯১৭ চনত কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰিছিল। ১৯১৮ চনত লোকেল ব'ৰ্ডৰ সন্মানীয় সদস্য, ১৯২২ চনৰপৰা ১৯৩১ চনলৈ প্ৰথম বেচৰকাৰী সভাপতি, ১৯২০-১৯২৭ চনলৈ শিৱসাগৰ পৌৰসভাৰ সদস্য আৰু ১৯২০ চনত সন্মানীয় উপ-পৌৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯২৩ চনত আই-চি-এম পৰীক্ষাৰ কোটা সমিতিৰ সদস্য হিচাপে মনোনীত হৈছিল। ১৯৩০ চনত উচ্চ ন্যায়ালয়ৰ বাৰ কাউন্সিলৰ সদস্য, ১৯২৪ চনৰপৰা ১৯২৯ চনলৈ অসম লেজিছলেটিভ কাউন্সিলৰ সদস্য আছিল। চলিহাদেৱ প্ৰথম অসমীয়া ভাষী হিন্দু, যি আইন প্ৰণেতা হিচাপে নিযুক্তি পাইছিল। ৰে'লৱে আৰু ষ্টিমাৰ কৰ্প'ৰেশ্যনৰো সদস্য আছিল। লোকেল ব'ৰ্ডৰ সন্মানীয় সদস্য পদত থকা সময়ত তেখেতে গাঁও অঞ্চলৰ উন্নয়নৰ কামত মনোনিৱেশ কৰিছিল। খোৱাপানীৰ ব্যৱস্থা, বাট-পথ নিৰ্মাণ, উন্নত কৃষিপদ্ধতিৰ বাবে কৃষকসকলৰ প্ৰশিক্ষণ ব্যৱস্থা আদি কামক অগ্ৰাধিকাৰ দিছিল। শিৱসাগৰৰ সুযোগ্য সন্তান বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাদেৱে ১৯৪৮ চনৰ ৩ মাৰ্চত শ্বিলঙৰ ৰবাৰ্ট হাস্পতালত ইহলীলা সম্বৰণ কৰিছিল।

বখত দৌল্লা

শিৱসাগৰ নগৰৰ ঐতিহ্যমণ্ডিত ধাই আলিত আহোম ৰজাৰ দিনৰপৰা দৌল্লা পৰিয়ালে বসবাস কৰি আহিছে। এই দৌল্লা পৰিয়াল নাগেৰা বজোৱাত পাকৈত আছিল। ফুলেশ্বৰী কুঁৱৰীৰ ৰাজত্বকালত এওঁলোকে নাগেৰা বজাইছিল। সেইবাবে এওঁলোকক নাগেৰীয়া পৰিয়াল বুলিও জনা যায়। কেৰকন

গৰীয়া নামৰ এজন মুছলমান ব্যক্তিয়ে শিৱসাগৰৰ শিৱদৌলৰ এজন প্ৰাচীন ঢুলীয়া হিচাপে কাম কৰিছিল। দৌলৰ লগত সম্পৰ্ক থকাৰ বাবেই দৌল্লা শব্দটো হৈছে বুলিও প্ৰবাদ আছে।

শিৱসাগৰৰ পুৰণি নগৰ ৰংপুৰ মৌজাদাৰৰ পৰিয়ালটোৰ সৈতে শিৱদ'লৰ ঘনিষ্ঠ সম্বন্ধ অতীজৰেপৰা চলি আহিছে। ৰংপুৰ মৌজাদাৰ পৰিয়ালৰ জাহাঙ্গীৰ আলিৰ দ্বিতীয় পুত্ৰ বখত দৌল্লা। এখেত শিৱসাগৰৰ এগৰাকী প্ৰসিদ্ধ ব্যক্তি। ড° মোহিনী শইকীয়াই তেখেতৰ **আছাম-মুছলিম ৰিলেশ্যন এণ্ড ইটছ কালশ্যাৰেল ছিগনিফিকেন্স** নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে শিৱদ'লৰ কাৰ্য পৰিচালনাৰ বাবে প্ৰাচীন কালৰেপৰা এটা কমিটীৰদ্বাৰা পৰিচালিত হৈ আহিছে। বংশানুক্ৰমে চলি অহা এই কমিটীৰ সদস্য পদটি বখত দৌল্লাই লাভ কৰিছিল।

দৌল্লাদেৱ লোকেল ব'ৰ্ডৰ আৰম্ভণিৰেপৰাই সদস্য আৰু উপ-সভাপতি আছিল। জন্মলগ্নৰেপৰা শিৱসাগৰ পৌৰসভাৰ সদস্য পদত থাকি শেষত সভাপতিৰ আসন অলংকৃত কৰিছিল। শিৱসাগৰৰ সামাজিক জীৱনৰ লগত ওত-প্ৰোতভাৱে জড়িত দৌল্লাদেৱ তৰুণ সংঘ ৰীডিং ক্লাবৰ প্ৰথম সভাপতি আছিল। শিৱসাগৰ নাট্য সমাজকে আদি কৰি বহুতো সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সমাজৰ উন্নতিত অৰিহণা যোগাইছিল। অসমৰ ৰাজনীতিৰ পথাৰত খোজ দিছিল যদিও স্বাস্থ্যজনিত কাৰণত প্ৰতিনিধিত্ব কৰিব পৰা নাছিল।

দৌল্লা ডাঙৰীয়াৰ নগৰাকী কন্যা সন্তান আৰু তিনিজন পুত্ৰ সন্তানে পিতৃৰ আদৰ্শ অটুট ৰাখিবলৈ সক্ষম হৈছে। শিৱসাগৰ নগৰৰ দৌল্লা পৰিয়ালৰ মুঠ ২১গৰাকী কন্যা আৰু ৮টি পুত্ৰৰ বিবাহ ধাই আলিৰ বাসগৃহৰ একেখন চোতালৰপৰাই সম্পন্ন কৰাই পৰিয়ালৰ এনাজৰী সুদৃঢ় কৰি ৰাখিছে। পৰিয়ালটিৰ সদস্যসকলে অসমৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই শান্তি-সম্প্ৰীতিৰ চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছে। বৰ্তমান শিৱসাগৰ নগৰত এটি পথ 'দৌল্লা সিংহ পথ' নামেৰে আৰু আন এটা পথ 'বখত দৌল্লা পথ' বুলি নামকৰণ হৈছে।

কমলালয়া কাকতি

অসমৰ মহিলা-জগতৰ এটা পৰিচিত, আদৰণীয় আৰু সন্মানীয় নাম কমলালয়া কাকতি। শিৱসাগৰৰ প্ৰাচীন ঐতিহ্যসম্পন্ন চলিহা-পৰিয়ালত ১৮৯৪ চনত জন্ম গ্ৰহণ কৰা কমলালয়া কাকতিৰ পিতৃ ৰায়বাহাদুৰ কালীপ্ৰসাদ চলিহা আৰু মাতৃ স্বনামধন্য নিকুঞ্জলতা চলিহা। তেখেতৰ জ্যেষ্ঠ ভ্ৰাতৃ বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাই জীৱন জাগৰণৰ প্ৰধান গুৰিয়াল হিচাপে ব'ঠা ধৰি আগবঢ়াই নিয়া কৰ্ম-জীৱনত মাতৃৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নিজকে এগৰাকী সমাজ-সচেতন মহিলা হিচাপে চিনাকি দিবলৈ সক্ষম হৈছিল। যি সময়ত কাকতি ডাঙৰীয়ানীৰ জন্ম হৈছিল, সেই সময়ত ছোৱালীৰ শিক্ষাৰ কাৰণে কোনো পঢ়াশালিৰ ব্যৱস্থা নাছিল। ঘৰতে লিখা-পঢ়া শিকাৰ উপৰি ঘৰুৱা কাম, চিলাই, তাঁত বোৱা, সূতা কটা আদি কামত পাৰদৰ্শী হৈ উঠিছিল।

চৈধ্য বছৰ বয়সতে কমলচন্দ্ৰ কাকতিৰ লগত বিবাহপাশত আবদ্ধ হৈ দুটি পুত্ৰ সন্তানৰ জন্মৰ পাছত মানসিক সংঘাতৰ বাবে শিশু দুটিক বুকুত বান্ধি পিতৃগৃহলৈ উভতি আহিছিল। সেই সময়ত তেখেতৰ ডাঙৰ ককায়েক তাৰাপ্ৰসাদ চলিহাদেৱ বিলাতত বেৰিষ্টাৰী পঢ়ি আছিল। ভনীয়েকৰ

এনে অৱস্থা দেখি বিলাতত দেখি অহা মহিলা জাগৰণৰ প্ৰয়োজনীয়তা অসমতো অনুভৱ কৰি এটি মহিলা সংগঠন গঢ়ি তুলিবলৈ কমলালয়া কাকতিক পৰামৰ্শ দিয়ে। তেখেতৰ অনুপ্ৰেৰণা আৰু সাহসৰ বাবেই নিকুঞ্জলতা চলিহা, কনকলতা চলিহা, হৈমৱতী বৰুৱা, কমলালয়া কাকতি, গায়ত্ৰী বৰুৱা, হেমলতা বৰুৱা আদি ভালেকেইগৰাকী বৰেণ্য মহিলাৰ সহযোগত ১৯১৭ চনত 'মহিলা সভা'ৰ জন্ম হৈছিল। এই সভাই স্ত্ৰী শিক্ষাৰ প্ৰসাৰ, শিল্পকেন্দ্ৰ স্থাপন কৰাৰ উপৰি প্ৰথম মহিলা আলোচনী **ঘৰ জেউতি** ১৯৪৮-৪৯ শকত কমলালয়া কাকতি আৰু কনকলতাৰ সম্পাদনাত প্ৰকাশ কৰি উলিয়াইছিল। এই আলোচনীত অসমৰ বহুকেইগৰাকী মহিলাই সেই সময়ৰ সামাজিক অৱস্থা আলোচনা কৰি নাৰীৰ কল্যাণকামী নানান শিক্ষামূলক লেখা প্ৰকাশ কৰিছিল। বিধবা বিবাহ, বাল্যবিবাহ, কুটীৰ শিল্প, মাদক দ্ৰব্য নিবাৰণ আদি বিবিধ বিষয়ৰ প্ৰবন্ধই আলোচনীখনিৰ সৌষ্ঠব বৃদ্ধি কৰিছিল।

শিৱসাগৰৰ বিভিন্ন উন্নয়নমূলক কামত মনোনিৱেশ কৰি অসমীয়া নাৰীৰ স্বকীয় বিকাশ সাধন কৰিবলৈ 'শিপিনী ভঁৰাল' নামৰ এটা অনুষ্ঠান খুলিছিল। মহিলাসকলে ঘৰুৱা জঞ্জাল সামৰি এই কেন্দ্ৰত গৈ বোৱা-কটা, ফল-মূল সংৰক্ষণ, উলৰ কাম আদি কৰি অৰ্থ সংগ্ৰহ কৰিছিল। এই শিপিনী ভঁৰালে মহিলাসকলক উদ্যোগী আৰু কৰ্তব্যপৰায়ণ হোৱাত অৰিহণা যোগাইছিল।

কমলালয়া কাকতি এগৰাকী সৰ্বগুণসম্পন্ন দায়িত্বশীল মহিলা আছিল। অনুসন্ধিৎসু মনৰ কাকতি ডাঙৰীয়ানীয়ে তেখেতৰ জ্ঞানৰ অমৃত সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত বিলাই দিছিল। ১৯১৭ চনত গঢ়ি তোলা মহিলা সভাৰ ভেটিতেই ১৯২৭ চনত শিৱসাগৰ জিলা মহিলা সমিতি গঠন হৈছিল। কনকলতা চলিহা আৰু কমলালয়া কাকতিক যুটীয়া সম্পাদিকাৰ দায়িত্ব দিয়া হৈছিল। বৰ্তমানেও এই জিলা মহিলা সমিতিখনিয়ে সুচাৰু ৰূপে সমাজৰ কাম কৰি আছে।

সুবক্তা কাকতি ডাঙৰীয়ানীয়ে নাৰী-শিক্ষাৰ আৱশ্যকতাৰ কথা মৰ্মে-মৰ্মে উপলব্ধি কৰিছিল। বাল্য বিবাহ নাৰী জাগৰণৰ প্ৰধান অন্তৰায় —এই কথা নাৰীসমাজক বুজাবলৈ যত্ন কৰিছিল। সাংসাৰিক জীৱনত তেখেতে স্বামীৰপৰা আঁতৰত থকাৰ উপৰি এটি পুত্ৰ সন্তানক বুকুৰ মাজৰপৰা হেৰুৱাই সংঘাতপূৰ্ণ জীৱন অতিবাহিত কৰিছিল যদিও ৰাজহুৱা আৰু সামাজিক কামে অভূতপূৰ্ব আনন্দ প্ৰদান কৰিছিল। তেখেতৰ সুযোগ্য পুত্ৰ শৰৎচন্দ্ৰ কাকতিয়ে মাতৃৰ নাম চিৰযুগমীয়া কৰাৰ অৰ্থে এটুকুৰা মাটি দান কৰি আৰ্থিক অনুদানেৰে 'কমলালয়া কাকতি ছোৱালী বিদ্যালয়'খনি নিৰ্মাণ কৰি দিছিল। বিদ্যালয়খনিয়ে তেখেতক যুগমীয়া কৰি ৰাখিব। এইগৰাকী আপোচহীন মনোভাবৰ সংস্কাৰকামী, সুদক্ষা নাৰী ১৯৪৬ চনত ইহসংসাৰৰপৰা মেলানি মাগে।

গণশিল্পী বিক্ৰম সিং য়েইন

শিৱসাগৰ নগৰৰ উত্তৰ দিশে দিচাং নৈ আৰু বৰলুইতৰ সংগমস্থলেই দিচাংমুখ। এই দিচাংমুখতেই মানে অসম আক্ৰমণৰ সময়ত অতি সাহসিকতাৰে যুঁজ দিয়াৰ প্ৰতিদান স্বৰূপে আহোম ৰজাই এখন যুদ্ধৰ তৰোৱাল উপহাৰ হিচাপে এজন সাহসী যুঁজাৰুক প্ৰদান কৰিছিল। এই সাহসী যুঁজাৰুৰ নাতি গৌৰী সিং য়েইন আলি ছিঙা নামে গাঁৱৰ এজন সাহসী গাঁওবুঢ়া। তেখেতৰে সুযোগ্য দ্বিতীয়

পুত্ৰ বিক্ৰম সিং য়েইন ওৰফে চন্দ্ৰ য়েইন। মাতৃৰ নাম অঞ্জনা য়েইন।

গণশিল্পী য়েইনদেৱে আলিছিঙা প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি দিচাংমুখ ছিনিয়ৰ বেছিক স্কুল, মধ্য ইংৰাজী বিদ্যালয় আৰু লখিমপুৰ জিলাৰ অধীনস্থ মাতমৰা অঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান অল আসাম মিৰি হাইস্কুলত দশম শ্ৰেণীলৈকে পঢ়া-শুনা কৰিছিল। দিচাংমুখৰ বতাহে বলিয়া কৰা য়েইনদেৱৰ প্ৰাণত মাতৃভূমিৰ প্ৰতি আছিল অগাধ ভালপোৱা। দিচাংমুখৰ মুকলি আকাশৰ তলত, মুকলি বৰলুইত, মুকলি পথাৰ, মুকলি চৰ-চাপৰি, লুইতৰ বুকুত সাঁতুৰি-নাদুৰি ডাঙৰ-দীঘল হৈ, ভৰ বাৰিষা টুলুঙা নাৱেৰে নৈত কাঠ খৰি ধৰা সাহসী ল'ৰা বিক্ৰম সিং য়েইন ডাওৰীয়া।

শিল্পী মনৰ হ'লেও বিক্ৰম সিং য়েইন এজন সামাজিক জীৱনত আপোচবিহীন যুঁজাৰু। এনে যুঁজাৰু গুণৰ বাবেই 'চন্দ্ৰ য়েইন' নামৰ ঠাইত তেখেতৰ নাম বিক্ৰম সিং য়েইনলৈ ৰূপান্তৰ হৈছিল। তেখেত এজন সমাজসংস্কাৰক, দুষ্টক দমন কৰিব পৰা অতি সাহসী মেজাজৰ মানুহ। দিচাংমুখ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন তীৰ্থ। কৃষি আৰু ব্যৱসায় জীৱিকাৰ প্ৰধান সম্বল। এই দিচাংমুখত স্বৰাজোত্তৰ কালৰেপৰা প্ৰতি বৃহস্পতিবাৰে এখনি সাপ্তাহিক বজাৰ বহে। এই বজাৰলৈ বিভিন্ন প্ৰান্তৰৰ বেপাৰী আহে। বজাৰত যাতে কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ বাবে য়েইন ডাওৰীয়া সদা সচেতন আছিল। দিচাংমুখ অঞ্চলত কোনোবাই অসামাজিক কাম কৰিলে বা কোনোবাই অসভ্যালি কৰিলে য়েইনদেৱে বিচাৰ কৰি পিঠিত বেতৰ কোব দিছিল। তেখেতৰ এনে সাহসী পদক্ষেপৰ বাবে দিচাংমুখ কৃষ্টি-সংস্কৃতিৰ বিচৰণভূমিত পৰিণত হৈছে।

মিচিং সমাজত নিৰক্ষৰতা দূৰীকৰণৰ বাবে তেখেতে পদব্ৰজে ওচৰৰ গাঁওসমূহলৈ গৈ সমাজক বুজনি দিছিল। আধুনিক যুগৰ লগত যাতে মিচিংসকলো আগবাঢ়ি যাব পাৰে, তাৰ বাবে তেখেতে সমাজৰ কু-সংস্কাৰবোৰ ফঁহিয়াই দেখুৱাই তাক ত্যাগ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

সমাজসেৱক য়েইনদেৱক শিৱসাগৰ জিলা জনজাতি জনকল্যাণ পৰিষদৰ সদস্য হিচাপে মনোনীত কৰিছিল। আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপেও তেওঁ কাৰ্যনিৰ্বাহ কৰাৰ সুবিধা পাইছিল। দিচাংমুখ ছিনিয়ৰ বেছিক স্কুলৰ পৰিচালনা সমিতিৰ উপ-সভাপতি আৰু শিৱসাগৰ নাট্য মন্দিৰৰ ঘূৰণীয়া মেজ-মেলৰো সদস্যৰ আসন অলংকৃত কৰিছিল। ১৯৭২ চনৰ ১৬-১৭ এপ্ৰিলত দিচাংমুখত জন্ম লাভ কৰা 'মিচিং আগম কৌবাং'ৰ মুল ব্যক্তিজন আছিল য়েইন ডাওৰীয়া। এই কৌবাঙৰ তেখেত আজীৱন সদস্য আছিল।

আপোন কৃষ্টি-সংস্কৃতিক অতিকে ভালপোৱা মিচিং জনগোষ্ঠীৰ প্ৰথম শিল্পী পেন্সনাৰ বিক্ৰম সিং য়েইন দেৱে শৈশৱৰপৰাই শিল্পীসুলভ মনৰ পৰিচয় দাঙি ধৰিছিল। মিচিং জনগোষ্ঠীৰ থলুৱা লোকগীত, ঐনিতম, দেৰকী আঃবাং, কাবান, বিঃনি আদি কেঁচা মাটিৰ গোন্ধ থকা গীতৰ সুৰে তেখেতক উন্মনা কৰি তুলিছিল আৰু তাক ধৰি ৰখাৰ আপ্ৰাণ চেষ্টা কৰিছিল। এনে প্ৰচেষ্টাতেই 'দিচাংমুখ কৃষ্টি সংঘ' আৰু 'লুইতপৰীয়া মিচিং কৃষ্টি সংঘ'ৰ জন্ম হৈছিল। এই সংগঠনসমূহৰ মাজেদি তেখেতে বিভিন্ন অনুষ্ঠানত মিচিং কলা-কৃষ্টি প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ প্ৰতি টোপাল তেজত মিহলি হৈ আছিল সংস্কৃতিৰ অমোঘ মন্ত্ৰ, যাৰ বাবে তেখেতে মঞ্চত ছয় ঘণ্টাকৈ সময় গীত গাই শ্ৰোতাৰ অন্তৰ জয় কৰি কৌতূহলৰ সৃষ্টি কৰিব

পাৰিছিল।

য়েইনদেৱ আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, অভিনেতা আৰু কলা-সংস্কৃতিক ভালপোৱা এজন ব্যক্তি, যাৰ ব্যক্তিত্বৰ পথাৰখন উপচি আছিল কৃষ্টি-সংস্কৃতিৰ জীপাল বীজেৰে। তেখেতে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত মিচিং আধুনিক গীত বাণীবদ্ধ কৰি সম্প্ৰচাৰ কৰিছিল। এজন সু-অভিনেতা হিচাপে য়েইনদেৱে বিভিন্ন চৰিত্ৰত অভিনয় কৰি দৰ্শকক মুগ্ধ কৰিছিল। তেখেতৰ প্ৰচেষ্টাতেই দিচাংমুখৰ নাট্যদল বিখ্যাত হৈ পৰিছিল। বোলছবি জগতত প্ৰৱেশ কৰি য়েইনদেৱে **খোজ, প্ৰাণগংগা, ফাগুনী, গঙা চিলনীৰ পাখি** আদিত অভিনয় কৰিছিল। তেখেতৰ তত্বাৱধানত থকা কৃষ্টি দলে কেইবাখনো তথ্যচিত্ৰ আৰু বোলছবিত অভিনয় কৰিব লগা হৈছিল।

কৃষ্টি-সংস্কৃতিৰ উন্নয়নৰ প্ৰতি কাম কৰা প্ৰতিদান স্বৰূপে প্ৰথম বাৰলৈ পালন কৰা অসম শিল্পী দিৱসত বিক্ৰম সিং য়েইন দেৱক 'গণশিল্পী' উপাধি প্ৰদান কৰা হৈছিল। তেখেতৰ কৰ্মপ্ৰেৰণা আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব।

গিৰিজাপ্ৰসাদ বৰুৱা

শিৱসাগৰত ঊনবিংশ শতিকাৰ আগভাগত বসবাস কৰা অসমৰ এটা প্ৰাচীন পৰিয়াল হ'ল বাৰভূঞাৰ লহকৰ ভূঞাৰ পৰিয়াল। এই লহকৰ ভূঞাৰ প্ৰ-পৰিনাতি গিৰিজাপ্ৰসাদ বৰুৱা। ১৯১৬ চনৰ ২৮ মাৰ্চ তাৰিখে শিৱসাগৰৰ দিখৌ নদীৰ পাৰত ঐতিহ্যপূৰ্ণ সংস্কৃতিৱান পৰিয়াল ভবানীপ্ৰসাদ বৰুৱা আৰু হেমলতা বৰুৱাৰ ঘৰত গিৰিজাপ্ৰসাদ বৰুৱাৰ জন্ম হৈছিল। বহুমুখী গুণৰ অধিকাৰী বৰুৱাদেৱে ১৯৩৩ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কটন কলেজত নামভৰ্তি কৰি তাৰপৰাই স্নাতক ডিগ্ৰী লাভ কৰিছিল। পিতৃ ভবানীপ্ৰসাদ চলিহা শিৱসাগৰ বৰুৱাছালি মৌজাৰ মৌজাদাৰ আছিল। পিতৃৰ অকাল মৃত্যুত বৰুৱাদেৱে বাইছ বছৰ বয়সতে শিক্ষা বাদ দি ঘৰৰ সমস্ত দায়িত্ব ল'ব লগা হৈছিল। ১৯৩৮ চনৰপৰা তেখেতে সাপেখাতী মৌজাৰ মৌজাদাৰ ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পিতৃয়ে বৰহাট অঞ্চলত খুলি থৈ যোৱা 'ভূঞাখাট' চাহবাগিচাৰ দায়িত্ব লোৱাৰ লগে-লগে তাৰ পৰিসৰ বৃদ্ধি কৰি 'ভূঞাখাট টী কোম্পানী প্ৰাইভেট লিমিটেড' নামৰ এটি টী কোম্পানী গঠন কৰিছিল।

বৰুৱাদেৱ অসমৰ ঔদ্যোগিক বিকাশৰ এজন বাটকটীয়া। প্ৰাক্‌স্বাধীনতা কালত অসমত অৰ্থনৈতিক আৰু যোগাযোগৰ সুচল অৱস্থা নথকা সত্ত্বেও বৰুৱাদেৱে নিজৰ সুদৃঢ় মানসিকতা, সময়ানুবৰ্তিতা আৰু অধ্যৱসায়ৰ গুণেৰে শিৱসাগৰত উদ্যোগ স্থাপন কৰিবলৈ সক্ষম হৈছিল।

অসম চাহ খেতিয়ক সংস্থাৰ সভাপতি হিচাপে চাৰিটা কাৰ্যকাল পালন কৰি দক্ষতাৰ পৰিচয় দিছিল। শিৱসাগৰৰ জনজীৱনত বৰুৱাদেৱে ষাঠি বছৰ ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, সন্মিলন আদিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। শিৱসাগৰ পৌৰসভাৰ সভাপতি ৰূপে ন বছৰ কাল কাৰ্যনিৰ্বাহ কৰিছিল। শিৱসাগৰ লোকেল ব'ৰ্ডৰ সাত বছৰ সদস্য হৈছিল। প্ৰশাসনিক দিশত তেখেতৰ নিকা ভাবমূৰ্তিয়ে জনসাধাৰণৰ মন আকৃষ্ট কৰিছিল।

ভাষা আৰু জাতিৰ উৎকৰ্ষ সাধন তথা অসমৰ শৈক্ষিক বাতাবৰণ উন্নত কৰি তোলাৰ উদ্দেশ্য

আগত ৰাখি তেখেতে বৰহাটৰ ৰংবাৰীত 'ৰংবাৰী প্ৰাথমিক বিদ্যালয়', পিতৃৰ স্মৃতি ৰক্ষাৰ্থে বৰহাটত 'ভৱানীপ্ৰসাদ বৰুৱা সোঁৱৰণী কলেজ' আৰু ৰাইদাং বাগিচাত 'ৰাইদাং প্ৰাথমিক বিদ্যালয়'ৰ ভৱন নিৰ্মাণ কৰি মহানুভৱতাৰ পৰিচয় দি থৈ গৈছে। শিৱসাগৰ মহাবিদ্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰাৰ উপৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতিৰ পদ অলংকৃত কৰিছিল। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, ৰংপুৰ হাইস্কুল, শিৱসাগৰ হাই মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ তেখেত সদস্য আছিল। চহৰৰ মাজমজিয়াত অৱস্থিত লক্ষ্মীনাথ বেজবৰুৱা শিশু-ভৱনৰ পৰিচালনা সমিতিৰ ২৫ বছৰ সম্পাদক/সভাপতি হৈ থকা কাৰ্যকালত তেখেতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰি চৰকাৰীকৰণৰ লগতে এটি ভৱন নিৰ্মাণতো অগ্ৰণী ভূমিকা লৈছিল। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত সুযোগ্য মাতৃ হেমলতা বৰুৱাৰ নামত এটি ভৱন, ১নং টাউন প্ৰাইমেৰী স্কুলত মাতৃৰ নামত এখন তোৰণ, পিতৃৰ নামত শিৱসাগৰ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাত এটি ৰসায়নাগাৰ দান কৰিছিল।

বৰুৱাদেৱ এজন দানী পুৰুষ আছিল। তেখেতৰ উপাৰ্জনৰ এটা মোটা অংশ সমাজৰ উদ্‌গতিৰ অৰ্থে বিনিয়োগ কৰিছিল। চহৰখনৰ কেইবাজনো যুৱক-যুৱতীক বিভিন্ন বিভাগত পঢ়োৱাই চাকৰিত মকৰল কৰাই দিছিল। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ দুজন অবৈতনিক অধ্যাপকৰ দুবছৰৰ পাৰিশ্ৰমিক নিজে দি কলেজখনক সহায় কৰিছিল।

এজন সুলেখক হিচাপে বৰুৱাদেৱে পৰিচয় দিছিল। ১৯৯৪ চনত **বিচিত্ৰ মানৱ চৰিত্ৰ** পুথিখনি প্ৰকাশিত হৈছিল। ইয়াত ১১টা চুটি গল্প সন্নিৱিষ্ট কৰা হৈছে। দ্বিতীয়খন পুথি আত্মজীৱনীমূলক— **উভতি চাই কি দেখিলোঁ**। এই পুথিখনি ১৯৮৭ চনত প্ৰকাশ কৰিছিল। পুথি দুখনিত নিভাঁজ অসমীয়া শব্দৰাজি আৰু এক ঘৰুৱা পৰিৱেশৰ আমেজ পোৱা যায়। ইয়াৰ উপৰি তেখেতে সহপাঠী শশী গগৈদেৱৰ এখনি কবিতাপুথি নিজৰ খৰচেৰে প্ৰকাশ কৰি মহৎ মনৰ পৰিচয় দিছিল।

নিষ্ঠাৱান, বাস্তৱমুখী পৰামৰ্শদাতা, সততাৰ প্ৰতীক বৰুৱাদেৱ শিৱসাগৰৰ এক অনন্য ব্যক্তি আছিল। শিৱসাগৰ নাট্যসমাজৰ তেখেত আছিল বাটকটীয়া। নাট্যসমাজৰ সভাপতি হিচাপে একাধিকবাৰ নিৰ্বাচিত হৈছিল। তেখেতৰ উদ্যোগতে অসমৰ ভিতৰত প্ৰথম ঘূৰণীয়া ৰঙ্গমঞ্চ শিৱসাগৰ নাট্য মন্দিৰত স্থাপন হৈছিল। তেখেতৰ উদ্যোগতে 'বৰুৱা বোলছবি কোম্পানী' গঠন হৈছিল আৰু সেই কোম্পানীৰদ্বাৰা নিৰ্মিত **ৰূপহী** বোলছবিৰ তেখেত সহকাৰী পৰিচালক আৰু সহ-অভিনেতা আছিল।

এইজনা প্ৰাতঃস্মৰণীয় গুণী পুৰুষে ২০০৫ চনৰ ৪ ডিচেম্বৰ তাৰিখে অনন্তধামলৈ গতি কৰিলে।

ঠানুৰাম গগৈ

অসম বিভিন্ন জাতি-উপজাতি, ভাষা-সংস্কৃতি, কৃষ্টি-সভ্যতা আৰু বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মিলনক্ষেত্ৰ। টাই আহোম জাতিৰ ঐতিহ্য-পৰম্পৰা, কৃষ্টি-সভ্যতা বহু উচ্চ পৰ্যায়ৰ। ঠানুৰাম গগৈদেৱ টাই জাতিৰ হেৰাই যোৱা গৌৰৱ উদ্ধাৰৰ এজন বাটকটীয়া আছিল। তেখেতৰ ব্যক্তিত্বই সমাজত

বিশেষভাৱে প্ৰস্তাৱ বিস্তাৰ কৰিছিল। স্বনামধন্য পুৰুষ গগৈ দেৱে ১৯০২ চনৰ ২৩ ডিচেম্বৰ তাৰিখে চেৰেকাপাৰ খেলুৱা গাঁৱত জন্ম গ্ৰহণ কৰিছিল। চেৰেকাপাৰ ৩২ নং প্ৰাথমিক বিদ্যালয়ত শিক্ষা-জীৱনৰ শুভাৰম্ভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলত তেখেতে অষ্টম শ্ৰেণীলৈকে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। তাৰপাছত স্বাধীনতা আন্দোলনত যোগদান দিছিল। তেখেত অসীম সাহসী, আজীৱন সংগ্ৰামী আৰু স্পষ্টবাদী পুৰুষ আছিল। ছাত্ৰাৱস্থাতে গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ গোস্বামী দেৱৰ সান্নিধ্যলৈ আহি দহ বছৰ কাল সমাজ-সংস্কাৰৰ কামত আত্মনিয়োগ কৰিছিল। গগৈ দেৱে মানৱীয় গুণেৰে বিভূষিত ব্যক্তি আছিল। পৰোপকাৰ তেখেতৰ জীৱনৰ আদৰ্শ। পৰৰ দুখত দুখী আৰু পৰৰ সুখত সুখী হ'ব পৰা গুণ লাভ কৰিছিল। আৰু তাৰ বাবেই তেখেতে দৈন্যজনক সহায় কৰিব পাৰিছিল।

গগৈদেৱ এজন আত্মবিশ্বাসী আৰু দূৰদৃষ্টিসম্পন্ন প্ৰতিভাবান ব্যক্তি আছিল। শিক্ষা দানৰ প্ৰতি থকা প্ৰবল স্পৃহাৰ বাবেই প্ৰথমতে যোৰহাট বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰিছিল। তেখেত প্ৰগতিবাদী সমাজৰ এজন একনিষ্ঠ সেৱক হোৱাৰ বাবেই শিক্ষকতা কৰিও নিৰক্ষৰতা দূৰীকৰণ, শিশু আৰু মাতৃমঙ্গল, শিশুৰ মানসিক বিকাশ আদি অনুষ্ঠানবিলাকৰ লগত জড়িত হৈ সমাজৰ কাম কৰিছিল।

১৯৪১ চনত শিৱসাগৰ চহৰৰ মাজ মজিয়াত গণকপট্টি তিনি আলিৰ বিপৰীতে এ.টি. ৰোডৰ কাষত এখন এম-ই স্কুল প্ৰতিষ্ঠা কৰিছিল। সেই বিদ্যালয়খনিকেই পৰ্যায়ক্ৰমে উন্নতি কৰি ষ্টেশ্যন চাৰিআলিত 'শিৱসাগৰ টাউন হাইস্কুল' নামেৰে পৰিচিত হৈছিল আৰু বৰ্তমান সেইখনৰ নাম 'ঠানুৰাম গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়'।

গগৈদেৱে আহোমসকল পিছপৰি যোৱা কথাটোত গভীৰ উদ্বেগ প্ৰকাশ কৰি আহোম সভা প্ৰতিষ্ঠা কৰিছিল। আহোম জাতি আৰু সমগ্ৰ অসমৰ জ্বলন্ত সমস্যা সমাধানত যুঁজ দিয়াৰ বাবে তেখেতক 'বৰ সেনাপতি' উপাধিৰে বিভূষিত কৰি এখন হেংদাং উপহাৰ দি সম্মানিত কৰিছিল।

তেখেতে টাই ভাষা আৰু সংস্কৃতিৰ বিষয়ে গৱেষণা কৰি এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। টাই সভ্যতা, ভাষা আৰু কৃষ্টি সম্পৰ্কে মূল্যবান গ্ৰন্থ লিখি সমাদৰ লাভ কৰিছিল। নিজৰ তিনি বছৰীয়া নাতি 'বিদু'ৰ আকস্মিক মৃত্যুৱে তেখেতৰ কাব্যিক প্ৰতিভা বিকশিত কৰিছিল। ফলশ্ৰুতিত জন্ম হৈছিল **সন্ধিয়াৰ সামৰণি সুৰ** কাব্য-সংকলন।

১৯৫১ চনত ৰাজনৈতিক জীৱন আৰম্ভ কৰি লোকসভাৰ উপ-নিৰ্বাচনত জিকি ভাৰত চৰকাৰৰ উপ-মন্ত্ৰী পদতো অধিস্থিত হৈছিল। ১৯৫২ চনত থাওৰা বিধানসভা সমষ্টিৰপৰা অসম বিধানসভাৰ মাননীয় বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। তেখেত এজন শিক্ষা-জগতৰ নীতিপৰায়ণ লোক আছিল। দুৰ্নীতিক ঘৃণাৰ চকুৰে চাইছিল। ৰাজনীতিতকৈ প্ৰগতিবাদী সমাজনীতি আৰু ধৰ্মনীতিকহে অধিক গুৰুত্ব দিছিল।

ম্যানমাৰ, থাইলেণ্ড আৰু বৌদ্ধধৰ্মৰ ভিক্ষুৰ সঁজাতী দলৰ লগত উত্তৰ-পূব ভাৰত ভ্ৰমণে গগৈদেৱক বৌদ্ধধৰ্মৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল। সেয়েহে তেখেতে ১৯৫০ চনত বৌদ্ধধৰ্মত দীক্ষিত হৈছিল। এইজন উদ্যোগী নিষ্ঠাবান ধৰ্মপ্ৰাণ ব্যক্তিৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত শিৱসাগৰ বৰ পুখুৰীৰ পূবপাৰত ১৯৫৬ চনৰ বৌদ্ধ পূৰ্ণিমাৰ দিনা বৌদ্ধ মন্দিৰটি প্ৰতিষ্ঠা হৈছিল।

শিৱসাগৰৰ টাই যাদুঘৰটি তেখেতৰ যত্নতে পাটসাঁকোৰ সলনি শিৱসাগৰ বৰপুখুৰীৰ পাৰত নিৰ্মাণ হৈছিল। টাওবাদ, বৌদ্ধধৰ্ম আৰু ফ্ৰালুং ধৰ্মৰ দৰ্শন তেখেতৰ ব্যক্তিগত জীৱন দৰ্শন। শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ-দৰ্শনক অতি গভীৰভাৱে সমাদৰ কৰিছিল। প্ৰকৃতপক্ষে নিজ ধৰ্ম নিষ্ঠাৰে পালন কৰি আন ধৰ্মৰ প্ৰতি সহনশীল হৈ ধৰ্ম মাৰ্গত তেওঁ এক উচ্চ আদৰ্শ দাঙি ধৰিছিল।

গগৈদেৱ এজন মননশীল চিন্তাবিদ আছিল। ভক্তি, সূক্ষ্মবিচাৰ, অনুশাসন, দৃঢ় সংকল্প আৰু কৰ্তব্য —এই আটাইবোৰ গুণৰ সংমিশ্ৰণৰ ফলত হোৱা প্ৰক্ৰিয়া তেখেতৰ ব্যক্তিত্বত প্ৰকাশ পাইছিল। নিৰ্ভীক স্পষ্টবাদী এইজনা পুৰোধা ব্যক্তিৰ ১৯৯০ চনৰ ৯ জুন তাৰিখে মৃত্যু হৈছিল।

(টোকা ঃ বিভিন্ন প্ৰবন্ধ আৰু পুস্তিকাৰ সহায় লৈ লেখাটো প্ৰস্তুত কৰা হৈছে।)

পতিতপাৱন দাস

বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক পতিতপাৱন দাসৰ ঘৰ আছিল অবিভক্ত বাংলাদেশৰ ইতিনাগ্ৰাম নামৰ এখন অখ্যাত গাঁৱত। ইতিনাগ্ৰামৰ অৰ্থ হৈছে এক বৃহৎ সীমাহীন গাঁও। ইতিনাগ্ৰামৰ চৰকাৰী চিকিৎসক ডাঃ কালীপ্ৰসাদ দাস আৰু সৰলাবালা দাসৰ সন্তান পতিতপাৱন দাসে বাংলাদেশৰ চৌবিছপৰগনাৰ অন্তৰ্গত তেতুলীয়া নামৰ ঠাইত জন্মগ্ৰহণ কৰিছিল। প্ৰাথমিক শিক্ষাৰপৰা বিশ্ববিদ্যালয় পোৱালৈকে প্ৰবল আৰ্থিক সংকটে জুৰুলা কৰিলেও জ্ঞান অন্বেষণৰ যাত্ৰাৰ কিন্তু ক'তো যতি নপৰিল। বিশ্ববিদ্যালয়ত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ, ৰাসবিহাৰী দাস, হুমায়ুন কবীৰ, কৃষ্ণচন্দ্ৰ ভট্টাচাৰ্য, গোপীনাথ ভট্টাচাৰ্য প্ৰমুখ্যে বিশ্ববিশ্ৰুত মনীষীসকলৰ নিকট সান্নিধ্যলৈ আহিবলৈ সৌভাগ্যই বাট কাটি দিছিল তেওঁক। ছাত্ৰ-জীৱনৰপৰা আহি শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিছিল পদ্মধৰ চলিহা আৰু পৰাগ চলিহাৰ স্বপ্নৰ সৌধ জয়সাগৰ কলেজতেই। শিক্ষাগুৰুসকলৰপৰা লাভ কৰা প্ৰজ্ঞা তেওঁ অনুশীলন কৰিলে ওৰেটো জীৱন। ১৯৫০ চনত পতিতপাৱন দাসে শিৱসাগৰ কলেজত দৰ্শন বিভাগত মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰি বিভাগটোক নতুন ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। ৰণক্লান্ত নোহোৱা এইজনা দুৰন্ত অশ্বাৰোহী আজিও সক্ৰিয় হৈ আছে। শিৱসাগৰবাসী তথা অসমীয়া জাতিৰ তেওঁ অনুপ্ৰেৰণাৰ উৎস স্বৰূপ। পতিতপাৱন দাসে অম্লান বদনে সকলোলৈকে আগবঢ়াইছে মঙ্গলময় চেতনা আৰু আন্তৰিক শুভকামনা।

(সম্পাদক)

শিৱসাগৰৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তি

বেদবতী বৰগোহাঁই ঃ
ৰংপুৰৰপৰা শান্তিনিকেতনলৈ বৰ্ণাঢ্য যাত্ৰাৰ আঁত ধৰি

বেদবতী বঁৰগোহাঁইৰ জন্ম হৈছিল ১৯৩০ চনৰ ৬ ডিচেম্বৰত। শিৱসাগৰ চৰকাৰী বালক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভুবেশ্বৰ গগৈ তেওঁৰ পিতৃৰ নাম। শিক্ষা আৰু সঙ্গীতৰ প্ৰতি শৈশৱৰেপৰা প্ৰবল ধাউতি থকা এইগৰাকী প্ৰতিভাশালী নাৰীয়ে ১৯৫৫ চনলৈকে ফুলেশ্বৰী বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰূপে থকাৰ পাছত ১৯৫৭ চনত সঙ্গীত-চৰ্চাৰ বিশাল পৃথিৱীখন বিচাৰি শান্তিনিকেতন অভিমুখে ৰাওনা হয়। সেইকালত ছোৱালীৰ কথা বাদেই ল'ৰায়ো কেৱল সঙ্গীত শিকিবৰ বাবে এনে সুদীৰ্ঘ যাত্ৰা কৰাটো গতানুগতিক ঘটনা নাছিল। বেদবতী বৰগোহাঁয়ে শান্তিনিকেতনত বি-মিউজ সম্পূৰ্ণ কৰাৰ লগতে তেওঁ গীটাৰ আৰু চেতাৰতো ডিপ্লোমা লৈছিল। কবিগুৰু ৰবি ঠাকুৰৰ স্বপ্নৰ আবাসভূমিত তেওঁ পদুম গোহাঁই, গুণদা দাস কৌৰ, মাধৱ বৈশ্য, নীলপৱন বৰুৱা, হেমাঙ্গিনী বৰদলৈ, শোভা ব্ৰহ্মা প্ৰভৃতি ব্যক্তিৰ সান্নিধ্যলৈ আহিছিল, যিসকল এসময়ত অসমলৈ উভতি অহাৰ পিছত নিজ-নিজ ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈছিল। শান্তিনিকেতনৰপৰা আহি বেদবতী বৰগোহাঁয়েও শাস্ত্ৰীয় সঙ্গীত, নৃত্য আদিৰ প্ৰসাৰতা আৰু অনুশীলনৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰি ১৯৫৯ চনত ২ নং বালিকা প্ৰাথমিক বিদ্যালয়ত এখন মিউজিক কলেজ খুলিছিল। এই কলেজত মণিপুৰী শাস্ত্ৰীয় নৃত্য শিকোৱাৰ উপৰি শাস্ত্ৰীয় সঙ্গীত শিকোৱাৰ বাবে ব'ম্বে(এতিয়া মুম্বাই)ৰপৰা Javer Sister's দলটোক নিমন্ত্ৰণ কৰা হৈছিল। বিশিষ্ট সঙ্গীতজ্ঞ ইন্দ্ৰ শৰ্মা, তবলা-বিশাৰদ প্ৰমোদ দাস আৰু ফাইন আৰ্টছৰ বিশিষ্ট শিল্পী মাধৱ বৈশ্য এই কলেজলৈ প্ৰশিক্ষক ৰূপে আহিছিল। নিৰ্মলপ্ৰভা বৰদলৈ, সৰ্বভাৰতীয় নৃত্য পটীয়সী শুভলক্ষ্মী বৰুৱাও এই কলেজৰ সৈতে জড়িত আছিল। সেই সময়ত পঞ্জাবৰ ৰাজ্যপাল হৈ থকা মহেন্দ্ৰমোহন চৌধুৰীয়ে এই কলেজৰ সেৱা আৰু কৃতিত্বৰ বাবে সঙ্গীত আৰু নৃত্যৰ বাবে প্ৰয়োজনীয় ভালেখিনি বাদ্যযন্ত্ৰ প্ৰদান কৰিছিল। এই কলেজত প্ৰশিক্ষণপ্ৰাপ্ত হৈ অসমৰ ভালেকেইগৰাকীয়ে অনাতাঁৰ-দূৰদৰ্শনৰ শিল্পী ৰূপে প্ৰতিষ্ঠিত হোৱাটো বৰগোহাঁইৰ জীৱনৰ উল্লেখনীয় দিশ। কেৱল এয়াই নহয়, তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ আবাসিক এলেকাত থকা অফিচাৰ্ছ ক্লাবত এইগৰাকী সঙ্গীতশিল্পীয়ে বহু অনা-অসমীয়া লোকক গীটাৰ আৰু

চেতাৰ শিকাইছিল। দুৰ্ভাগ্যৰ বিষয়া ভাটখাণ্ডেৰদ্বাৰা স্বীকৃত হোৱাৰ পাছতে ১৯৮৪ চনত স্বাস্থ্যজনিত কাৰণত বেদবতী বৰগোহাঁয়ে এই কলেজ বন্ধ কৰি দিব লগা হয়। বৰগোহাঁই শিৱসাগৰত থকাৰ কালত সুদীৰ্ঘ দিন ধৰি চেতাৰৰ প্ৰশিক্ষক ৰূপে ঐতিহ্যমণ্ডিত সেউজীয়া সমাজ সঙ্গীত মহাবিদ্যালযত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ চেতাৰৰ কাব্যিক ঝঙ্কাৰৰ কথা আজিও শিৱসাগৰবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰে। সঙ্গীত সম্পৰ্কে বহু তত্ত্বগধুৰ প্ৰবন্ধৰ ৰচয়িতা বেদবতী বৰগোহাঁয়ে শিৱসাগৰৰ গৌৰৱ বহন কৰি আজিও সক্ৰিয় হৈ আছে।

(অনামিকা বৰগোহাঁইৰ সৌজন্যত)

তহচিলদাৰ (ডাঙৰীয়া) সোমেশ্বৰ বৰুৱা

বেজবৰুৱা বংশাৱলীত উল্লিখিত তথ্য অনুসৰি ১৪১৪ শকত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বকালত সুদূৰ মিথিলাৰপৰা কলিবৰ নামেৰে এগৰাকী ব্ৰাহ্মণ পণ্ডিত তেখেতৰ এক ভাতৃসহ কামৰূপলৈ আহে। কবিৰাজী জ্ঞানসম্পন্ন এই দুই ভাতৃ অহাৰ সময়ত কামৰূপত মেলেৰীয়া জাতীয় মহামাৰীয়ে উৎকট ৰূপ ধাৰণ কৰিছিল। কলিবৰ আৰু তেখেতৰ ভাতৃৰ চিকিৎসাৰ ফল স্বৰূপে এই দুৰাৰোগ্যৰপৰা উপশম লাভ কৰিবলৈ সক্ষম হয়। গুৱাহাটীস্থিত সেই সময়ৰ বৰফুকনে স্বৰ্গদেউ জয়ধ্বজ সিংহলৈ এই বাৰ্তা প্ৰেৰণ কৰাত স্বৰ্গদেৱে কলিবৰ আৰু তেখেতৰ ভাতৃক তেখেতৰ ওচৰলৈ পঠাই দিবলৈ নিৰ্দেশ দিয়ে। শুনা মতে কলিবৰ উজনিলৈ আহিবলৈ মান্তি হয় যদিও তেখেতৰ ভাতৃয়ে শঙ্কিত হৈ মিথিলাৰ দিশে প্ৰস্থান কৰে। স্বৰ্গদেৱে কলিবৰৰ গুণৰাজীত সন্তুষ্ট হৈ ভালেমান মাটি-বাৰী দান দি তেখেতক উজনিতে সংস্থাপিত কৰি বৰুৱা উপাধিৰে সন্মানিত কৰে। পৰৱৰ্তী কালত তেখেতৰ বংশধৰৰ একাংশই কবিৰাজী বৃত্তি চলাই যোৱা হেতুকে তেখেতসকলৰ নামৰ লগত বেজবৰুৱা উপাধি ব্যৱহাৰ কৰাটো অনুমান কৰিব পৰা যায়।

যিসময়ত উড চাহাবে শিৱসাগৰৰ মুখ্য প্ৰশাসক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল সেই সময়তে সোমেশ্বৰ বৰুৱা তহচিলদাৰ পদত অধিস্থিত আছিল আৰু উড চাহাবৰ এগৰাকী বিশ্বস্ত ব্যক্তি আছিল। অতি দক্ষতাৰে তেখেতৰ অধিনস্থ কেউটা মৌজাৰ কাম-কাজ অতি নিয়াৰিকৈ সম্পন্ন কৰিছিল। উড চাহাব তেখেতৰ কামত সন্তুষ্ট হৈছিল। তাৰ প্ৰমাণ হিচপে তেখেতক তহচিলৰ কাম চোৱা-চিতা কৰাৰ উপৰিও অন্যান্য ২৩টা মৌজাৰ কামৰ ওপৰত নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। ইতিমধ্যে তেখেতৰ ভতিজা ফণীভূষণে চাৰ্ভেয়ৰ প্ৰশিক্ষণ সমাপ্ত কৰি ঘৰলৈ উভতি আহে। সোমেশ্বৰ বৰুৱাই উড চাহাবক অনুৰোধ কৰি শিৱসাগৰৰ কেউটা মৌজাৰ চাৰ্ভে কৰাৰ দায়িত্ব ফণীভূষণৰ হাতত অৰ্পণ কৰে। মৌজাসমূহ যাতে নিয়াৰিকৈ পৰিচালিত হয় সেই উদ্দেশ্যে এই কাম কৰোৱা হৈছিল। এইখিনিতে ডাঙৰীয়া সোমেশ্বৰ বৰুৱাৰ বিচক্ষণতা আৰু দূৰদৰ্শিতাৰ আভাস পোৱা যায়।

এটি বৃহৎ যৌথ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব মূৰ পাতি লোৱাৰ উপৰি মৌজাসমূহৰ কাম-কাজ চোৱা-চিতা তেখেতে দক্ষতা আৰু নিষ্ঠাৰে কৰিছিল। সেই সময়ত সোমেশ্বৰ বৰুৱাৰ পৰিয়ালৰ আৰ্থিক অৱস্থা স্বচ্ছল নাছিল। সেয়ে তেখেতে উড চাহাবক এটা মৌজাৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰিবলৈ অনুৰোধ কৰে আৰু সেই মৰ্মে তেখেতক 'আঠখেল' মৌজাৰ মৌজাদাৰ হিচাপে নিযুক্তি

দিয়ে। কিন্তু আঠখেল মৌজা ৰাজহৰ দিশৰপৰা নিচেই সৰু হোৱা হেতুকে বৰুৱাদেৱৰ অনুৰোধমৰ্মে গেলেকী মৌজাটোও লগ লগাই দিয়া হয়। মাটি-বাৰীৰ লেনদেন, পৰিবাৰিক কন্দল, মৌজাৰ আৰ্থ-সামাজিক সমস্যা, মৌজাৰ ন্যায় আৰু প্ৰশাসনৰ লগত মৌজাদাৰসকল সদায়েই জড়িত হৈ থকা পৰিলক্ষিত হয়। কেতিয়াবা বিচাৰক, কেতিয়াবা মধ্যস্থতাকাৰী, নানা কামত দিহা-পৰামৰ্শ দান আৰু সৰ্বতোপৰি মৌজা আৰু চৰকাৰৰ মাজত সমন্বয় ৰক্ষা কৰি চলাটো মৌজাদাৰৰ প্ৰাৰম্ভিক কৰ্তব্য। আমি শুনাত ডাঙৰীয়া সোমেশ্বৰ বৰুৱাই তেখেতৰ দায়িত্ব অতি নিষ্ঠাৰে পালন কৰি এক আদৰ্শৱান মৌজাদাৰৰ পৰিচয় দিছিল।

ডাঙৰীয়া সোমেশ্বৰ বৰুৱাৰ সমাজলৈ সৰ্বশ্ৰেষ্ঠ অৱদান হৈছে শিৱসাগৰৰ ৰাজকোষত ৰাজহ সংগ্ৰহৰ সুব্যৱস্থা প্ৰৱৰ্তন কৰা। তহচিলদাৰী ব্যৱস্থাৰ অৱসান ঘটাই সুশিক্ষিত আৰু সুদক্ষ ব্যক্তিৰ হাতত মৌজাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। আজি পৰ্যন্ত সেই মৌজাসমূহ নিয়াৰিকৈ পৰিচালিত হৈ আছে। কিন্তু দুৰ্ভাগ্যবশতঃ ৰাজহ পৰিশোধৰ ক্ষেত্ৰত বৰুৱাদেৱ ভীষণ আৰ্থিক সংকটৰ সন্মুখীন হ'ব লগা হৈছিল। এনে অৱস্থা আহি পৰিছিল যে তেখেতৰ মাটি-ভেটি নিলামত দিব লগা অৱস্থা হয়। অতি সাহস, আত্মবিশ্বাস আৰু দৃঢ়তাৰে সেই সমস্যাৰ সন্মুখীন হৈ সমস্যা সমাধানৰ পথ হিচাপে সুকীয়া ব্যৱসায়ৰ কথা তেখেতে চিন্তা কৰে। উড চাহাবৰ এটি নিজা 'শ্ব-মিল' আছিল। সেই মিলত কাঠৰ যোগান ধৰাৰ উদ্দেশ্যে বৰুৱাদেৱে এটি হাতী ক্ৰয় কৰে। শ্ব মিলত কাঠ যোগান ধৰি বৰুৱাদেৱে মৌজাৰ ধাৰ পৰিশোধ আৰু পৰিয়াল চলোৱাৰ গুৰু দায়িত্ব পালন কৰি এক ভীষণ আৰ্থিক সংকটৰপৰা উদ্ধাৰ লাভ কৰে। উড চাহাবৰ বৰুৱাদেৱৰ প্ৰতি থকা অগাধ ভালপোৱা আৰু বিশ্বাস তাৎপৰ্যপূৰ্ণ আছিল।

উল্লেখযোগ্য যে সোমেশ্বৰ বৰবাদেৱৰ বিশাল ব্যক্তিত্বৰ প্ৰভাত তেখেতৰ ভতিজা ফণীভূষণৰ ওপৰত বাৰুকৈয়ে পৰিছিল। কাৰণ পৰৱৰ্তী কালত ফণীভূষণে মৌজাৰ বৃহৎ ঋণৰপৰা পৰিয়ালটোক উদ্ধাৰ কৰাৰ উপৰি আৰ্থিক অৱস্থা উন্নীত কৰাত বিশিষ্ট অৰিহণা যোগায়। সোমেশ্বৰ বৰুৱাৰ বয়স বাঢ়ি অহাত আঠখেল মৌজাৰ দায়িত্ব ফণীভূষণৰ ওপৰত অৰ্পণ কৰে। ফণিভূষণ দেৱে মৌজা আৰু হাতীটোৰ সহায়ত আৰ্থিক স্বচ্ছলতা আনিবলৈ সক্ষম হয়। ভূমি ক্ৰয়ৰ যোগেদি খেতি-বাতিৰ সম্প্ৰসাৰণ ঘটোৱাৰ লগতে সৰু-সুৰাকৈ এখনি চাহবাগিচা স্থাপন কৰে। সোমেশ্বৰ বৰুৱাৰ ছত্ৰছায়াত ফণীভূষণ বৰুৱাদেৱে এক সুকীয়া ভাবমূৰ্তি আৰু ব্যক্তিত্বৰ পৰিচয় দিবলৈ সক্ষম হয়।

(বিভূতিভূষণ বৰুৱাৰ সৌজন্যত)

তাৰিণীচৰণ শৰ্মা

শিৱসাগৰৰ এগৰাকী প্ৰয়াত সাংবাদিক হ'ল শিৱসাগৰৰ বাৰৰ অধিবক্তা তাৰিণীচৰণ শৰ্মা। **আছাম ট্ৰিবিউন** কাকতৰ স্থানীয় সংবাদদাতা পদ্মধৰ চলিহাৰ মৃত্যুৰ পাছৰপৰা উক্ত কাকতৰ শিৱসাগৰৰ সংবাদদাতা ৰূপে শৰ্মা ডাঙৰীয়াই কাম কৰিছিল। প্ৰয়াত শৰ্মা ৰাজনীতিৰ লগতো জড়িত আছিল। তাৰিণীচৰণ শৰ্মা আছিল এজন সমাজপ্ৰিয় লোক। শিৱসাগৰৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে তেওঁ কিবা নহয় কিবা প্ৰকাৰে জড়িত আছিল। সদা হাস্যমুখৰ শৰ্মাৰ জনপ্ৰিয়তাৰ হয়তো ইও এক কাৰণ। পৌৰসভাৰ সভাপতি তথা লায়ন্স ক্লাবৰ সভাপতিৰ পদতো প্ৰয়াত শৰ্মা কিছুকাল আছিল। অদৃষ্টৰ কি পৰিহাস, নিয়তিয়ে অকালতে হৰি নিনিয়া হ'লে হয়তো তেওঁক আমি এজন ভাল অধিবক্তাৰ

উপৰি এজন আগশাৰীৰ সাংবাদিক হিচাপেও পালোঁহেঁতেন।

কমলা শইকীয়া

শিৱসাগৰৰ আন এজন বিশিষ্ট সাংবাদিক হ'ল প্ৰয়াত কমলা শইকীয়া। অকালতে ঘটনাক্ৰমে মৃত্যুক সাবটি লোৱা শইকীয়াও এজন কৃতী শিক্ষক আৰু সাংবাদিক আছিল। দিখৌমুখ অঞ্চলৰপৰা কাকতৰ বাতৰি দিওঁতা ৰূপে কাৰ্যনিৰ্বাহ কৰি থকাৰ উপৰি **আজিৰ অসম** আৰু **অগ্ৰদূত** কাকতৰ সৈতে সাংবাদিক ৰূপে সংযুক্ত আছিল। শইকীয়া এজন স্পষ্টভাষী, সাহসী হোৱাৰ উপৰি অনুসন্ধানমূলক বাতৰি সংগ্ৰহৰ প্ৰতি আগ্ৰহান্বিত আছিল। তেখেত এজন সমাজবাদত বিশ্বাসী গণতান্ত্ৰিক চেতনাসম্পন্ন ব্যক্তি আছিল। শিৱসাগৰ আৰু দিখৌমুখ অঞ্চলৰ বহু সামাজিক কামৰ লগত জড়িত আছিল।

ক্ষীৰোদ বৰা

১৯৫৪ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখৰ **আছাম ট্ৰিবিউন** কাকতখনত A. Shyam নামৰ লোক এজনৰ চিঠি এখন প্ৰকাশ পাইছিল। তাত পত্ৰাকাৰে মাদ্ৰাজৰ Citadel Studio-ত এখন ছবিৰ শ্বুটিং চাবলৈ যাওঁতে লগ পোৱা এজন অসমীয়া ফটোগ্ৰাফাৰৰ কথা উল্লেখ কৰি লিখিছিল যে সেই সময়ত মাদ্ৰাজত ষ্টুডিঅ'সমূহত তেনে এক কাৰিকৰী দিশত কাম কৰা একমাত্ৰ অসমীয়া মানুহ আছিল সেইজনেই। স্থানীয় ভাষা নজনা, কোনো প্ৰভাৱশালী ব্যক্তিৰ সৈতে পৰিচয় নথকা মানুহ এজনৰ পক্ষে মাদ্ৰাজৰ ষ্টুডিঅ'ত নিজৰ কাৰিকৰী দক্ষতাৰ বলতেই জেমিনী বা চিটাডেল ষ্টুডিঅ'ত চিনেমাটোগ্ৰাফাৰ ৰূপে কাম কৰিবলৈ পোৱাটো নিচেই সহজ কথা নাছিল। তেনে অসহজ কামটো সমাপন কৰা লোকজন আছিল শিৱসাগৰৰে এজন আলোকসন্ধানী শিল্পী প্ৰয়াত ক্ষীৰোদ বৰা। ১৯৪৬ চনতে শিৱসাগৰ চৰকাৰী হাইস্কুলৰ শেষ পৰীক্ষা দিয়াৰ পাছত জীৱনত নতুন কিবা এটা কৰাৰ মানসেৰে সুদূৰ মাদ্ৰাজলৈ ঢাপলি মেলা এই শিল্পীজন ১৯৫৮ চন পৰ্যন্ত মাদ্ৰাজত থাকি এজন সুদক্ষ কেমাৰামেন হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। তামিল, তেলেগু আৰু মালয়ালম ভাষাৰ ভালেকেইখন চিনেমাৰ উপৰি **পায়েল, ঝনক ঝনক পায়েল বাজে** আদি হিন্দী চিনেমাৰ লগত ক্ষীৰোদ বৰাদেৱে চিনেমাটোগ্ৰাফাৰ ৰূপে জড়িত আছিল। উপৰিউক্ত চিঠিখনতে পত্ৰকাৰজনৰ আগত হেনো বৰাদেৱে ভাল প্ৰযোজক পালে কেইখন মান সুন্দৰ অসমীয়া চিনেমা ছবি নিৰ্মাণ কৰাৰ আশা পুহি ৰখা বুলি কৈছিল। পিছে সেই আশা ফলৱতী হ'বলৈ নাপালে। দীৰ্ঘ দিন চিনেমা শিল্পৰ লগত জড়িত থকা এই শিল্পীজন ১৯৫৮ চনত অসমলৈ আহি ভাগ্যৰ বিড়ম্বনাত ঘূৰি যাব নোৱাৰিলে। বহু দিনৰ পাছলৈকে মাদ্ৰাজৰপৰা তেওঁক ষ্টুডিঅ'ৰ কৰ্তৃপক্ষই মাতি চিঠি প্ৰেৰণ কৰি আছিল। অসমত সেই সময়ত জ্যোতি চিত্ৰবন প্ৰতিষ্ঠা কৰিবলৈ যোজা চলিছিল। স্বাভাৱিকতে এই কথাত তেওঁ খুব আনন্দিত হৈ দীৰ্ঘ দিন চিনেমাটোগ্ৰাফাৰ হিচাপে লাভ কৰা অভিজ্ঞতাৰপৰা ষ্টুডিঅ'টি কেনেকুৱা হোৱা দৰকাৰ, এই ক্ষেত্ৰত কৰণীয় কি-কি আছে তাৰ খুটি-নাটি দাঙি ধৰি **ৰামধেনু**ৰ পাতত এটি লেখাও প্ৰকাশ কৰিছিল। পিছে গুণীৰ গুণ নুবুজা অসমীয়া মানুহৰ স্বভাৱৰ কাৰণেই ক্ষীৰোদ বৰাৰ অভিজ্ঞতাৰ সদব্যৱহাৰ অসমত নহ'ল।

চিনেমা-জগতৰ আড়ম্বৰপূৰ্ণ জীৱনৰ সম্বল অসমত বিচাৰি নাপায় তেখেতে অৱশেষত মদৰ মহল লৈ জীৱনৰ সংস্থাপন বিচাৰিলে। এক বেপাৰী বৃত্তিৰ আলমতে জীৱনৰ এৰি অহা সুখ-স্বাচ্ছন্দ্যৰ মুখ দেখিলেও মানসিকভাৱে তেওঁ কেতিয়াও সুখী নাছিল।

সিয়ি নহওক, ৰংপুৰ সাংস্কৃতিক সংঘ, শিৱসাগৰ যুৱদল আদি সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত এই শিল্পীমনৰ মানুহজনক ৰাজহুৱা স্বীকৃতি দি সামাজিক প্ৰতিষ্ঠা দিয়া হ'ল। সাজ-পোছাক, আহাৰ-পানী, কথোপকথন সকলোতে এক পৰিশীলিত আচৰণেৰে তেখেতে সকলোকে আকৃষ্ট কৰিলে। ১৯৭৩ চনৰপৰা ১৯৭৬ চনলৈ তেখেতে শিৱসাগৰ যুৱ দলৰ সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰি নিজৰ চিন্তাৰে অনুষ্ঠানটোৰ উত্তৰণৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি যোগায়। তাৰ পিছৰেপৰা ক্ষীৰোদ বৰা হৈ পৰিল শিৱসাগৰৰ ৰাজহুৱা জীৱনৰ এক অংগ স্বৰূপ। শিৱসাগৰ নাট্য সমাজ, লায়ন্স ক্লাব, শিৱসাগৰৰ স্পৰ্টিং এছ'চিয়েশ্যন আদি সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ উপৰি স্থানীয় ভালেকেইখন স্কুল-কলেজ পৰিচালনা সমিতিৰ সদস্য ৰূপে মনোনীত হৈ শিক্ষাসদী ব্যক্তি ৰূপে নিজ বৰঙণি আগবঢ়াই গ'ল। কথাই কামে শিল্পীৰ নিপুণ পৰশেৰে জীৱনটোক চিৰ সেউজ কৰি ধৰি ৰখাৰ যি কৌশল তেখেতে আয়ত্ত কৰিব পাৰিছিল সেয়া সঁচাই এক বিৰল শিল্পকৰ্ম আছিল।

(সোণাৰাম বৰুৱাৰ সৌজন্যত)

আলহাজ মুহিবুদ্দিন হুছেইন

অসমত ১৩শ শতাব্দীলৈকে মুছলমানসকলৰ মাজত ইছলামধৰ্মৰ জ্ঞান তেনেই সীমিত আছিল বুলি বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই কয়। লুপ্ত হ'ব খোজা অসমৰ মুছলমানসকলৰ জাতীয় সংহতি ৰক্ষাৰ হেতু আজানপীৰ অসমলৈ আহি নামাজ পঢ়িবলৈ শিকালে আৰু শঙ্কৰী কলা-কৃষ্টিৰ লগত খাপ খোৱাকৈ কোৰানৰ বাণী সংযোগেৰে থলুৱা ভাষাৰে জিকিৰ ৰচনা কৰিলে। আজানপীৰ চাহেব 'মাঘমহীয়া শনিবাৰৰ দিনা চতুৰ্থ প্ৰহৰী নিশা চাহেব নিজ ঘৰে ইনতেকাল (স্বৰ্গগামী) যায়' বুলি জিকিৰত উল্লেখ আছে। বুৰঞ্জীৰ অমূল্য সম্পদ মৌখিক সাহিত্য। অতীতত বদন বৰফুকনৰ গীত, মূলাগাভৰুৰ গীত, পিয়লি ফুকনৰ গীত, চিকন সৰিয়হৰ গীত, মহাসতী জয়মতীৰ মালিতা ইত্যাদি গীত কণ্ঠস্থ থকাৰ দৰে জিকিৰ গীত একোজন ভকতে ৩৪/৩৫টা মুখস্থ ৰাখিব পাৰিছিল। প্ৰায় ৩০০ বছৰ কাল এই জিকিৰ মুখ বাগৰি অহাৰ কথা পীৰজনাৰ সম্বন্ধীয় বিবিধ অলৌকিক কাহিনীৰপৰা জনা যায়। কালক্ৰমত যুগৰ সোঁতত পৰি ইয়াৰ কিছু শব্দ হেৰাই গৈছে যদিও জিকিৰৰ মূল ভাব হেৰাই যোৱা নাই।

এনে এক সন্ধিক্ষণত শিৱসাগৰ দিখৌপাৰৰ আমগুৰি ঘাট নিবাসী আলহাজ মুহিবুল হুছেইন চাহেবে জিকিৰ সংৰক্ষণৰ কথা চিন্তা কৰি জিকিৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰিছিল। তেওঁ চাকৰিৰ কালছোৱাতে বহু কষ্ট কৰি লখিমপুৰ, গুৱাহাটী, গোলাঘাট, ডেৰগাঁও আৰু বিশেষকৈ শিৱসাগৰৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা জিকিৰসমূহ উদ্ধাৰ কৰাত ব্ৰতী হৈছিল। ১৯৫৪ চনৰ মাজভাগত তেওঁ **হজৰত আজানপীৰ** নামে প্ৰায় চাৰিকুৰি দুটা জিকিৰসহ এখন পুথি প্ৰকাশ কৰে। ১৯৩২ চনত তেজপুৰত চাকৰি কৰা কালৰেপৰা তেওঁ জিকিৰ সংগ্ৰহ কৰাৰ কাম আৰম্ভ কৰিছিল। তেওঁ জিকিৰসমূহ বহু কষ্টৰে বিভিন্ন নিয়মেৰে সংগ্ৰহ কৰিব লগা হৈছিল। কেতিয়াবা

তেওঁ ঘৰলৈ 'জিকিৰ' গোৱা ভকতসকলক নিমন্ত্ৰণ কৰি আনি কাষৰ কোঠাত ভয়ে-ভয়ে দুজন ল'ৰাৰ হতুৱাই জিকিৰবোৰ লিপিবদ্ধ কৰোৱাইছিল। অসম আবকাৰী বিভাগত চাকৰি কৰা মুহিবুল হুছেইনে ১৯৫১ চনত চাকৰিৰপৰা অৱসৰ পাই পূৰ্ণ উদ্যোগেৰে জিকিৰ সংগ্ৰহৰ কামত পদক্ষেপ লৈছিল। আজানপীৰ আৰু জিকিৰৰ বৈশিষ্ট্যৰ কিছু কথা সামৰি ১৯৫৪ চনত **হজৰৰত আজান পীৰ (ৰঃ)** নামে আন এখন কিতাপ প্ৰকাশ কৰিলে। অসমত জিকিৰক জনপ্ৰিয় কৰাত হুছেইন চাহেবৰ অৱদান স্মৰণীয় হৈ থাকিব।

(দলিলুদ্দিন খানৰ সৌজন্যত)

ৰমেশ দাস

সীমাহীন অভাৱ-অনাটনৰ মাজতো সৰুৰেপৰা সুন্দৰৰ সাধনাত ব্ৰতী শিৱসাগৰৰ এজন বহুমুখী প্ৰতিভাৰ শিল্পী আছিল ৰমেশ দাস। কমেও চাৰিখন কবিতাপুথি, ছখন একাংকিকা, সাতখন পূৰ্ণাঙ্গ নাটক, পাঁচখন উপন্যাস, বিভিন্ন কাকত-আলোচনীৰ পাতত অনেক চুটি গল্প আৰু গীত (ভালেখিনি অনাতাঁৰ কেন্দ্ৰৰ যোগেও প্ৰচাৰিত) প্ৰয়াত দাস অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়াই থৈ গৈছে। তদুপৰি নাট্যমঞ্চত অনেক চৰিত্ৰ সফলতাৰে ৰূপায়ন কৰা (নটসূৰ্য ফণী শৰ্মা, কলাগুৰু বিষ্ণু ৰাভা আদিৰ লগতো তেখেতে অভিনয় কৰিছিল), কমেও চাৰিখন বোলছবি আৰু একাধিক টেলিফিল্মত অভিনয় কৰিছিল। দূৰদৰ্শন যোগে পৰিৱেশিত নাটকৰ চৰিত্ৰও ৰূপায়ন কৰিছিল। তদুপৰি কলিকতাৰ বিখ্যাত দেৱী হালদাৰৰ ওচৰত ৰূপসজ্জাৰ প্ৰশিক্ষণ লোৱা শিল্পী দাসে মঞ্চশিল্পীৰ ৰূপসজ্জাৰ কাম নিখুঁতভাৱে কৰাৰ উপৰি ভালেকেইখন অসমীয়া বোলছবিতো ৰূপসজ্জাৰ কাম সফলতাৰে কৰাৰ গৌৰৱ অধিকাৰ কৰিছিল।

শিল্পীপ্ৰাণে নিজৰ অনুভৱখিনি ৰং-তুলিকাৰে প্ৰকাশ কৰিবৰ কাৰণেও যত্ন কৰিছিল স্কুলীয়া দিনৰেপৰা। পঞ্চম-ষষ্ঠ শ্ৰেণীত পঢ়ি থকা দিনৰেপৰা তেওঁ মৃন্ময় গঢ়াতো মনোনিবেশ কৰি লক্ষ্মী, সৰস্বতী, বিশ্বকৰ্মা, দুৰ্গা, কালী আদি দেৱ-দেৱীৰ মূৰ্তি সাজিছিল। পৰিণত বয়সতো অন্যান্য সাহিত্য-সংস্কৃতিমূলক সাধনাৰ লগতে মৃৎশিল্পী ৰূপে নিজকে প্ৰতিষ্ঠা কৰি যোৱা প্ৰয়াত ৰমেশ দাস সম্ভৱতঃ শিৱসাগৰ নগৰৰ প্ৰথম আৰু শেষ থলুৱা অসমীয়া খনিকৰ আছিল।

১৯৩৮ চনৰ ২১ মে' তাৰিখে জন্ম লাভ কৰা এইজনা শিল্পী নগৰখনৰ প্ৰায় সকলোবিলাক সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত নিজকে জড়িত ৰাখিছিল। জীৱন-কালত অনেক চেষ্টা কৰিও নোপোৱা ৰাজ্যিক চৰকাৰৰ শিল্পী পেন্সন মৰণোত্তৰভাৱে লাভ কৰাটো উল্লেখনীয়। ২০০০ চনৰ ২৮ অক্টোবৰ তাৰিখে তেখেতৰ জীৱন-নাটৰ যৱনিকা পৰিল।

(সোণাৰাম বৰুৱাৰ সৌজন্যত)

অপূৰ্ব ভূঞা

শিৱসাগৰৰ সাহিত্য-চৰ্চা ঃ ১৯৬০-২০০৯

ৰামৰাজা সিংহ (২৭ জুলাই, ১৯১৭)

ৰামধেনু-যুগৰে লেখক ৰামৰাজা সিংহই লেখাৰ যোগেদি এজন সমাজ-সচেতক ৰূপে আত্মপ্ৰকাশ কৰিছে। ডাকবিভাগৰ পৰিদৰ্শক হিচাপে অৱসৰ হোৱা সিংহৰ বাংলা, হিন্দী, ইংৰাজী, অসমীয়া আটাইকেইটা ভাষাতেই ব্যুৎপত্তি আছিল। **অবিনাশী আত্মাৰ বিনাশী জীৱনৰ মোৰ এই জীৱন** হ'ল তেখেতৰ আত্মজীৱনী। **জনমত বিচাৰি** তেখেতৰ প্ৰকাশিত চিঠিৰ সংকলন। তেখেতৰ আধ্যাত্মিক বিশ্লেষণাত্মক ৰচনা হৈছে **আত্মাৰ পুনজৰ্ন্ম ঃ অলীক নহয় বাস্তৱ আৰু অন্যান্য**। **সত্যম শিৱম সুন্দৰম** নামেৰে সাই বাবাৰ জীৱনী তেখেতে অনুবাদ কৰিছে। তেখেত মৃত্যুৰ সময়লৈকে শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ আছিল।

হিৰণময়ী দত্ত (২২ জুলাই, ১৯৩৯)

শিৱসাগৰ লেখিকা সমাৰোহৰ সভানেত্ৰী হিৰণময়ী দত্ত এগৰাকী অসমীয়া বিষয়ৰ স্নাতক। তেখেতে কেইবা ঠাইতো শিক্ষকতা কৰিছিল যদিও শিৱসাগৰৰ বিশিষ্ট শিক্ষানুষ্ঠান 'আদৰ্শ শিক্ষা ভৱনৰ প্ৰতিষ্ঠাতা অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লয়। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে ঃ গল্পপুথি **আবেলিৰ ৰং** আৰু **বিয়লিৰ বলুকাত জোনায়ে হাঁহে**; একাংকিকাৰ সংকলন **অকণিৰ নাট** আৰু **শিশু-নাট সংকলন**; গীতিকবিতা **প্ৰাণে প্ৰাণে গীতৰ সুবাস** আদি। ইয়াৰ উপৰি কেইবাখনো শিশুৰ উপযোগীকৈ লিখা কিতাপ তেখেতৰ আছে।

গুণ বৰুৱা (১৯৪০)

ইতিহাস বিষয়ৰ স্নাতকোত্তৰ গুণ বৰুৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ এজন অৱসৰপ্ৰাপ্ত

প্ৰবক্তা। সাংবাদিকতা তেখেতৰ অন্য এক পৰিচয়। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ থকা **গুণ বৰুৱাৰ** এখন সম্পাদিত পুথি হ'ল **জনজাতীয় লোকগীত**। তেখেতৰ **মূৰ্ত বিমূৰ্ত** হ'ল আন এখন গুৰুত্বপূৰ্ণ প্ৰবন্ধ-সংকলন।

ড° কৃষ্ণকুমাৰ মিশ্ৰ (১৯৪২)

কবিতা আৰু গল্প সৃষ্টিৰ মাজেদি সাহিত্য-জীৱনৰ পাতনি মেলিছিল যদিও পাছলৈ সমালোচক আৰু গৱেষক ৰূপে অধিক পৰিচিতি লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ আৰু ডক্টৰেট উপাধি লাভ কৰা মিশ্ৰই শিৱসাগৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ৰূপে অবসৰ গ্ৰহণ কৰে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ দুখন হৈছে— **বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস** (১৯৯১) আৰু **প্ৰসঙ্গ ঃ উপন্যাস** (২০০৮)। সৌবিৰ ভট্টাচাৰ্য ছদ্মনামত প্ৰকাশ পোৱা গল্প আৰু উপন্যাস দুখনৰ নাম যথাক্ৰমে **বাটে-পথে** আৰু **নায়িকাৰ নাম নন্দিনী**। কেইবাখনো মূল্যৱান গ্ৰন্থৰ অনুবাদক ৰূপে প্ৰসিদ্ধি লাভ কৰা মিশ্ৰৰ ইংৰাজীত লিখা একাধিক প্ৰবন্ধ 'মেডিয়াভেল ইণ্ডিয়ান লিটাৰেশ্যাৰ'ত অন্তৰ্ভুক্ত হৈছে।

সুৰেশ শইকীয়া (১৯৪২)

শিৱসাগৰৰ গড়গাঁও মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী প্ৰবক্তা হিচাপে অৱসৰ লোৱা সুৰেশ শইকীয়া ছাত্ৰ অৱস্থাৰপৰাই সাহিত্য-সংস্কৃতিৰ লগত জড়িত। ১৯৭৩ চনত **গতিপথ** নামৰ দুমহীয়া আলোচনী সম্পাদনা কৰে। ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত প্ৰবন্ধ প্ৰকাশ হৈছে। জীৱনীভিত্তিক উপন্যাস **সোণালী দেহা** (পল গগাঁ), ভেন গগৰ বিষয়ে **জীৱন তৃষ্ণা** প্ৰকাশ হৈছে।

ধীৰেন্দ্ৰনাথ ভূঞা (১৯৪৩)

অসমীয়া বিষয়ত স্নাতকোত্তৰ। ১৯৭২ চনৰপৰা অসমৰ কেইবাখনো চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰি ২০০২ চনত শিৱসাগৰ চৰকাৰী বিদ্যালয়ৰপৰা অৱসৰ লৈছে। বিভিন্ন কাকত-আলোচনীত ভূঞাৰ ভালেমান মূল্যৱান প্ৰবন্ধ সিঁচৰতি হৈ আছে। তেখেতৰ প্ৰকাশিত পুথি - **সুৰদী সুৰীয়া আইৰ মুখৰ মাত** অসমীয়া ভাষা-সাহিত্যলৈ এক উল্লেখযোগ্য অৱদান। ভূঞাৰ সম্পাদনাত প্ৰায় ১০খন গ্ৰন্থ আৰু আলোচনী (স্মৃতিগ্ৰন্থ) প্ৰকাশ পাইছে।

ড° নিৰুপমা মহন্ত (১৯৪৪)

২০০৪ চনত চাৰিং শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূপে অৱসৰ লোৱা মহন্তই শংকৰী সাহিত্যৰ ভালেমান গৱেষণামূলক নিবন্ধ লিখিছে। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ **যাকেৰি নাহিকে উপাম, যৈচন সুৰ পৰকাশ, বড়াৰপো মাধৱ**। অঙ্কীয়া নাট **সীতাহৰণ-বালীবধ , ৰাম কথামৃত, কুমাৰ হৰণ, গজেন্দ্ৰ মোক্ষণ**। বিভিন্ন কাকত-আলোচনীত মহন্তৰ ভালেমান তথ্যসমৃদ্ধ নিবন্ধ সিঁচৰতি হৈ আছে।

সোণাৰাম বৰুৱা (৩১ মে', ১৯৪৪)

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ লোৱা বৰুৱাদেৱ একাধিক সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ লগত জড়িত। ৰংপুৰ সাহিত্য সভাৰ সম্পাদক-সভাপতি, যুৱদলৰ সম্পাদক-সভাপতি, শঙ্কৰ সমাজৰ সম্পাদক হিচাপে দক্ষতাৰে কাম কৰা বৰুৱাদেৱে ভালেমান গ্ৰন্থ সম্পাদনা কৰিছে। তাৰ ভিতৰত **ৰংপুৰ ৰংপুৰ** (১৯৯৩), **জেতুকা পাতৰ দৰে** (১৯৯৩), **বুৰঞ্জীয়ে পৰশা ৰংপুৰ** উল্লেখযোগ্য।

শিৰিষকুমাৰ ভট্টাচাৰ্য (৩০ ছেপ্টেম্বৰ, ১৯৪৪)

শিৰিষকুমাৰ ভট্টাচাৰ্যই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে অৱসৰ গ্ৰহণ কৰে। **শিৱসাগৰ নগৰ আৰু পৌৰসভাৰ জিলিঙনি, চাৰি ৰাজসত্ৰৰ চমু বুৰঞ্জী, দক্ষিণপাট সত্ৰৰ ৰাস ভাষণাৱলীৰ সংকলন, ৰাধিকানাথ শৰ্মা ঃ জীৱন আৰু কীৰ্তি, অসমৰ সত্ৰ পৰিচয়, জাদৰ চৰিত্ৰ, ৰামধা পীঠ দেওশাল** আদি তেখেতৰ উল্লেখযোগ্য সম্পাদিত গ্ৰন্থ। তেখেতৰ বহু প্ৰবন্ধ আলোচনীত সিঁচৰতি হৈ আছে।

জ্যোতিপ্ৰসাদ বেজবৰুৱা (১৯৪৬)

শিক্ষাবিদ জ্যোতিপ্ৰসাদ বেজবৰুৱা এজন অসমীয়া বিষয়ৰ স্নাতকোত্তৰ। পিছত তেখেতে বি.টি. কৰে। শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ লোৱা বেজবৰুৱাৰ পাঁচখন কবিতাপুথি আছে। সেই কেইখন হ'ল ঃ **চিনাকি ঋতুৰ ৰং, চিনাকি ফুলৰ ৰং, চিনাকি মাটিৰ ৰং, মোৰ সেউজীয়া জোনাকৰ পৃথিৱী** আৰু এখন শিশু-কবিতা **দামোদৰে আলু কাটে ভৰদুপৰীয়া**। এখন গল্পপুথি **হেঁপাহ**। দুখন শিশু-নাট— **বন্দী পক্ষীৰ বেদনা আৰু ফুল আৰু কাঁইট**। **অনুভৱ, সাধু শুনিবানে গল্প পঢ়িবা** —এই দুখন চেমনীয়া তথা শিশুৰ গল্প-পুথি। শিশু আৰু কিশোৰৰ বাবে তেখেতে **অনুৰাগ** নামৰ এখন উপন্যাস ৰচনা কৰিছে।

প্ৰেম গগৈ (১৯৪৮)

শিৱসাগৰৰ ন্যায়িক দণ্ডাধীশ কাৰ্যালয়ৰ জ্যেষ্ঠ কৰ্মচাৰী হিচাপে অৱসৰ লোৱা প্ৰেম গগৈয়ে একাধাৰে কবি, গল্পকাৰ, বুৰঞ্জীমূলক প্ৰবন্ধকাৰ হিচাপে খ্যাতি লভিছে। সাহিত্য সংগঠক হিচাপেও গগৈৰ অৱদান উল্লেখযোগ্য। শিৱসাগৰৰ ৰংপুৰ সাহিত্য সভাৰ লগত ওত-প্ৰোতভাৱে জড়িত গগৈ শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক তথা সভাপতি ৰূপে আৰু অসম অসম সাহিত্য সভাৰ কাৰ্যকৰী সদস্য ৰূপে আছিল। সদৌ অসম কবি সন্মিলনৰো কেইবাবছৰ ধৰি সভাপতি হৈ থকা গগৈয়ে শিৱসাগৰৰ ভালেমান সামাজিক-সাংস্কৃতিক সংগঠনৰ লগতো জড়িত। তেখেতৰ প্ৰকাশিত পুথিসমূহ হ'ল— **বুকুত এখন উত্তাল নদী** (কবিতা), **আকাশ যেতিয়া ডাৱৰে ভৰে** (গীত), **বৈশালীৰে ভেম** (গল্প), **সাহিত্য আৰু ইতিহাস** (প্ৰবন্ধ), **ড° ময়িদুল ইছলাম বৰাৰ চমু জীৱনী** (জীৱনী), **শিৱসাগৰ ঃ এটি চমু পৰিচয়** (প্ৰবন্ধ), **শইচ নদী মানুহ** (কবিতা), **আলোকময় জীৱন** (প্ৰবন্ধ), **ত্ৰিপুৰাৰ এমুঠি কবিতা** (অনুবাদ), **প্ৰভাতী আভা**

(কবিতা), **মোহনাঘাটৰ ফেৰী** (কবিতা), **ৰংঘৰৰ** চোতালতে (সম্পাদনা), **বুৰঞ্জী আৰু সংস্কৃতিৰ ৰূপৰেখা** (প্ৰবন্ধ), **মোক অলপ উশাহ ল'বলৈ দিয়া** (কবিতা), **নীলা চৰাইৰ সাধু** (শিশু-পুথি), **শিৱসাগৰ** (প্ৰবন্ধ) আদি।

ৰেণুমালা চাংমাই (১৯৫২)

চাংমাইৰ একমাত্ৰ কবিতাপুথি হৈছে **শব্দত হিৰণ্ময়ী পৃথিৱী**। **এনাজৰী**, **চেতনা**, **উপলব্ধি**, **সঞ্জীৱনী সুধা** আদি হ'ল তেখেতৰ শিশুনাট।

সন্তোষকুমাৰ কৰ্মকাৰ (১৯৫৩)

বৰপেটাত জন্ম লাভকৰা সন্তোষকুমাৰ কৰ্মকাৰে ছাত্ৰ অৱস্থাতে বাংলা সাহিত্য, ৰুছ সাহিত্য, গ্ৰীক আৰু ইংৰাজী সাহিত্যক্ষেত্ৰত বিচৰণ কৰি বাওঁপন্থী প্ৰগতিশীল ধাৰাত সাহিত্য ৰচনা কৰাৰ প্ৰেৰণা লাভ কৰিছিল। তেখেতৰ প্ৰথম ৰচনা আছিল বাংলা ভাষাত লিখা **নৌকা** নামৰ এখন শিশু-উপন্যাস। পৰৱৰ্তী সময়ত এই শিশু-উপন্যাসখনত **মইনামুখৰ ময়ূৰপঙ্খী** নামেৰে অসমীয়ালৈ অনুবাদ কৰি অসমীয়া ভাষাত সাহিত্য ৰচনাৰ যাত্ৰাৰম্ভ কৰা এইগৰাকী প্ৰচাৰবিমুখ সাহিত্যিকে ১৯৯৮ চনত **গৃহভূমি** উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ 'সীতানাথ ব্ৰহ্মচৌধুৰী সমন্বয় বঁটা' লাভ কৰে। ১৯৯৫ চনত **সংস্কৃতি আৰু মনন** নামৰ প্ৰবন্ধ-সংকলনৰ বাবে ভাৰতীয় ভাষা পৰিষদৰ বঁটাও লাভ কৰিছে। ১৯৭৫ চনৰেপৰা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত গণিতৰ প্ৰবক্তা হিচাপে যোগ দি স্থায়ীভাৱে শিৱসাগৰত বাস কৰিবলৈ লোৱা এইগৰাকী গদ্যলেখকৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— **গদ্যময় জীৱনৰ উপকথা** (১৯৯৫), **গৃহভূমি** (১৯৯৬), **সংস্কৃতি আৰু মনন** (১৯৯২) ইত্যাদি।

অঞ্জন দত্ত (১৯৫৪)

শিৱসাগৰৰ সাহিত্য-সংস্কৃতিৰ সৈতে ওত-প্ৰোতভাৱে জড়িত। **দৈনিক জনমভূমি**, **সাপ্তাহিক জনমভূমিৰ** যোগেদি সাহিত্যক্ষেত্ৰত আত্মপ্ৰকাশ। ৫০ৰ দশকত ৰংপুৰ সাহিত্য সভাৰ সম্পাদক আছিল। **অনুভূতি** আলোচনীখন শিৱসাগৰৰপৰা প্ৰকাশ কৰিছিল। বৰ্তমান **দৈনিক বাতৰি** কাকতৰ পৰিচালক সঞ্চালক অঞ্জন দত্ত অসমৰ পৰিবহন মন্ত্ৰী আছিল আৰু মৃতপ্ৰায় অনুষ্ঠানটোক উজ্জীৱিত কৰি তুলিছিল।

প্ৰদ্যুৎ কাকতী (১৯৫৫)

তেজপুৰত জন্ম লাভ কৰা প্ৰদ্যুৎ কাকতীয়ে বি-কম, এল-এল-বি পাছ কৰি ১৯৭৯ চনত তেজপুৰত ওকালতি আৰম্ভ কৰে। ১৯৯৭ চনৰপৰা তেওঁৰ কৰ্মস্থান শিৱসাগৰলৈ সলনি কৰে আৰু শিৱসাগৰৰ ফুকন নগৰৰ স্থায়ী বাসিন্দা হয়। ছাত্ৰ অৱস্থাৰপৰাই সাহিত্য-চৰ্চা কৰি অহা কাকতীৰ প্ৰকাশিত গ্ৰন্থসমূহ ঃ **চিন্তা-ভাৱনা আৰু কৰ্ম** (বনলতা, ২০০৪), **যৌতুক প্ৰথা** (বিদ্যাভৱন, শিৱসাগৰ, ২০০৫), **সুখৰ সন্ধানত** (কিৰণ প্ৰকাশন, ধেমাজি, ২০০৬), **আহোম যুগৰ সোণালী সুদিন** (বাসু প্ৰকাশন, গৌৰীসাগৰ, ২০০৯), **হিন্দুৱে বিলালে মাহে পৰসাদে**

মুছলমানে বিলাপে কটি (বাসু প্ৰকাশন, গৌৰীসাগৰ, ২০০৯)। পৰশমণি কাকতী ছদ্মনামেৰে কবিতা লিখা কাকতীৰ **ফুলৰ দৰে অনেক শব্দ থাকে আৰু মোৰ প্ৰেমত তুমি মুগ্ধনে** নামে দুখন কাব্যপুথি অলপতে প্ৰকাশ পাব। **দৈনিক বাতৰি** কাকতৰ দেওবৰীয়া 'অনুভূতি' আলোচনীত নিয়মীয়াকৈ 'অপৰাধ ডায়েৰী' শিতানত লিখা কাকতীয়ে, **The Sentinal** কাকতৰ Melange-ত ইতিমধ্যে এশৰো অধিক ভিন্নবিষয়ক ইংৰাজী নিবন্ধ লিখিছে।

অম্বোধৰ গোহাঁই (১৯৫৮)

কলাৰ স্নাতক। সম্প্ৰতি শিৱসাগৰত তেল আৰু প্ৰাকৃতিক গেছ নিগমত কৰ্মৰত। কবি হিচাপে পৰিচিত অম্বোধৰ গোহাঁইৰ প্ৰথম কাব্য আৰু গীতৰ পুথি **গীত আৰু কবিতা** (১৯৯৪) যুটীয়াভাৱে প্ৰকাশ পাইছিল। ২০০৫ চনত প্ৰকাশ পাইছে তেওঁৰ একক কাব্য-সংকলন **ৰ'দতো সপোন থকা হ'লে**। **বিড়িয়া ভঙা সপোন** নামে আন এখন কাব্যপুথি অলপতে প্ৰকাশ পাব।

মীনাক্ষী বেজবৰুৱা (১৯৫৮)

মিলনপুৰৰ পাৰ্বতি আৰু **ৰাইজে নখ জোকাৰিলে** নৈ বয় নামৰ দুখন উপন্যাসৰ স্ৰষ্টা বেজবৰুৱাই 'পৰাজিত নায়িকা', 'মৃন্ময়ী', 'অন্য এক পৃথিৱীৰ সন্ধানত', 'হৃদয় বিগ্ৰহ' আদি উপন্যাসিকাও ৰচনা কৰে। **এমুঠি কবিতাৰ জোনাক** নামৰ কবিতাপুথিখনৰ যোগেদি তেখেত কবি হিচাপেও পৰিচিত হয়। কেইবাখনো পূৰ্ণাংগ আৰু একাংকিকা নাটক ৰচনা কৰা বেজবৰুৱাই চুটি গল্পও লিখে আৰু এখন গল্প-সংকলন প্ৰকাশৰ পথত আছে। তেখেতৰ প্ৰবন্ধ-সংকলনখন হ'ল **ভাৰতৰ ধৰ্মৰ ইতিহাসত এভুমুকি**।

দীপালী ভট্টাচাৰ্য বৰুৱা (১৯৫৯)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ। ১৯৮৩ চনত দীপালী ভট্টাচাৰ্য বৰুৱাই তেওঁৰ প্ৰথম উপন্যাস **মাতৃৰ** বাবে অসম সাহিত্য সভাৰ 'গিৰিধৰ শৰ্মা সোঁৱৰণি বঁটা' লাভ কৰিছিল। **অৱগুণ্ঠন** (১৯৯৮) তেওঁৰ দ্বিতীয় উপন্যাস। এগৰাকী কবি হিচাপে আত্মপ্ৰকাশ কৰা ভট্টাচাৰ্য বৰুৱাৰ প্ৰকাশিত কাব্য-সংকলন দুখন হ'ল **বুকুৰ আঙুলিবোৰে পাহি মেলি দিলে** (১৯৮৫) আৰু **বিষাদ বৈভৱ** (২০০১)। তেওঁৰ একমাত্ৰ গল্প-সংকলন **অন্তৰ নামৰ অন্তেষপুৰ** (২০০৩)। ইয়াৰ উপৰি যতীন্দ্ৰনাথ দুৱৰাৰ জীৱনী **দিখৌপৰীয়া বীণ বৰাগী** (১৯৯৩), কবি হীৰেন ভট্টাচাৰ্যৰ জীৱনভিত্তিক উপন্যাস **ৰ'দে ৰবযুগে** (১৯৯৭), **জীৱন দ্ৰষ্টা** (২০০৭), বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধৰ সম্পাদনাগ্ৰন্থ **ঐকান্তিকতাৰ ছাঁ-পোহৰত** (২০০২), বেণু মিশ্ৰৰ জীৱনভিত্তিক সম্পাদনা গ্ৰন্থ **বেণু মিশ্ৰ Portrait of a Painter** (২০০৭), **ৰামধেনু**-যুগৰ লেখক মিহিৰকান্ত বৰুৱাৰ জীৱনভিত্তিক সম্পাদনাগ্ৰন্থ উল্লেখযোগ্য।

বিজয় ৰবি দাস (১৯৫৯)

বাণিজ্য বিভাগৰ স্নাতক বিজয় ৰবি দাস ভাৰত চৰকাৰৰ টেলিফোন বিভাগৰ কৰ্মচাৰী। কবি

হিচাপে খ্যাতি লাভ কৰা দাসৰ প্ৰথম কাব্যপুথি— **তামৰঙী মানুহৰ প্ৰান্তৰ** ২০০১ চনত প্ৰকাশ পায়। ইয়াৰ পিছত প্ৰকাশ পোৱা তেওঁৰ কাব্যপুথিকেইখন হ'ল— **সেই পকা নুনিবোৰ** (২০০৩), **তোমাক ভাল পাই থাকিম** (২০০৪), **নাবৰ টিঙত বহি তাই, সপোন এটা দলঘাঁহবোৰৰ**।

ড° অৰুন্ধতী মহন্ত (১৯৬০)

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ। ১৯৯৮ চনত 'কৃষ্ণৰ ক্ৰমবিকাশ আৰু অসমীয়া সাহিত্য' বিষয়ত গবেষণা কৰি ডক্টৰেট লাভ কৰা মহন্ত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূপে কৰ্মৰত। তেখেতৰ প্ৰকাশিত গ্ৰন্থ **কৃষ্ণৰ ক্ৰমবিকাশ আৰু অসমীয়া সাহিত্য** (১৯৯৮), **মন দিগন্তত ঋতু** (শিশু-উপন্যাস, ২০০০), **জোনাকত বহো আঁহা** (২০০৩), **প্ৰাচীনৰ অন্বেষণ** (নিবন্ধ-সংকলন, ২০০৪)। মহন্তই প্ৰায় বিছখন গ্ৰন্থ আৰু আলোচনী ভিন্ন সময়ত সম্পাদনা কৰিছে। তাৰ ভিতৰত অসম সত্ৰ মহাসভাৰ মুখপত্ৰ **সত্ৰমঞ্জৰী**, অসম প্ৰাদেশিক মহিলা সমিতিৰ স্মৃতিগ্ৰন্থ, **মিত্ৰৰ সন্ধানত**, ৰংপুৰ সাহিত্য সভাৰ মুখপত্ৰ **নৱমল্লিকা** আদি উল্লেখযোগ্য।

বন্তিশিখা গোহাঁই (১৯৬৩)

কলাৰ স্নাতক। কবি হিচাপে পৰিচিত বন্তি শিখা গোহাঁয়ে গদ্যলেখিকা ৰূপেও প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁৰ কাব্যপুথি **মন তই ক'ত** ২০০৫ চনত প্ৰকাশ হয়। ২০০৭ চনত প্ৰকাশ পায় তেওঁৰ উপন্যাস **জেৰাই**। লেখিকাৰ আন এখন উপন্যাস আৰু এখন কাব্যপুথি প্ৰকাশৰ পথত।

মুকুল নাথ (১৯৬৩)

চাৰিং নামৰ গাঁৱত জন্ম গ্ৰহণ কৰা মুকুল নাথ পদাৰ্থবিজ্ঞানৰ এজন স্নাতক। তেখেতৰ কবিতাপুথি হ'ল **বাকৰুদ্ধ প্ৰেম আৰু যৌৱন** আৰু **তেজ, ফুল আৰু কাঁইট**। **অ' মোৰ দেশৰ মানুহ** আৰু **নতুন দিনৰ মইনা** তেখেতৰ আন দুখন প্ৰকাশিত পুথি।

পুঞ্জন বৰুৱা (১৯৬৪)

বাণিজ্য বিষয়ৰ স্নাতকোত্তৰ। বৃত্তি বিদ্যালয়ৰ শিক্ষকতা। কবি হিচাপে প্ৰতিষ্ঠিত পুঞ্জন বৰুৱাৰ প্ৰকাশিত কাব্যপুথি হ'ল— **নূপুৰ পিন্ধা শব্দ** (১৯৯৩), **আঁতৰি নোযোৱা শব্দ** (২০০০)। অসমৰ বিভিন্ন কাকত-আলোচনীত বৰুৱাৰ কবিতা প্ৰকাশ পাইছে।

অনিল পাংগিং (১৯৬৬)

কলা বিভাগৰ স্নাতক। বৃত্তিত শিক্ষক অনিল পাংগিঙৰ প্ৰকাশিত পুথি— **এজাক ডাৱৰ অলপ বৰষুণ** (প্ৰবন্ধ, ২০০০), **নৈৰ সেউজীয়া জোনাক** (কবিতা, ২০০০), **অনুভৱে ঘিলা খেলা**

টপ্ভিঘৰ (কবিতা, ২০০৬)। গদ্য ৰচনাত মনোনিবেশ কৰা পাংগিওৰ কেইবাখনো উপন্যাস বিভিন্ন আলোচনীত প্ৰকাশ হৈছে। **অনজালৰ মাজুলী** নামৰ এখন উপন্যাস অলপতে গ্ৰন্থ আকাৰে প্ৰকাশ পাব। এই উপন্যাসখনৰ আধাৰত চিনেমা পৰিচালক মঞ্জু বৰাই এখন নতুন চিনেমা কৰিবলৈ আগবাঢ়িছে।

ড° সৌমাৰজ্যোতি মহন্ত (১৯৬৭)

ভূতত্ত্ব বিষয়ৰ স্নাতকোত্তৰ সৌমাৰজ্যোতি মহন্তই বিজ্ঞান-সাহিত্যৰ বিষয়ে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। আমাৰ অসম কাকতৰ লগত জড়িত মহন্তই ইতিমধ্যে বিভিন্ন কাকত-আলোচনীত ভালেমান সংবাদধৰ্মী, তথ্যসমৃদ্ধ প্ৰবন্ধ লিখিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ দুখনৰ নাম হ'ল ঃ **ইটো সিটো আৰু বহুতো** (২০০৪) আৰু **মাজনিশাৰ স্বাধীনতা আৰু অন্যান্য** (২০০৮)।

গংগামোহন মিলি (১৯৬৮)

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ স্নাতকোত্তৰ। জীৱন বীমা নিগমৰ কৰ্মচাৰী গংগামোহন মিলিয়ে কবি হিচাপে খ্যাতি লাভ কৰে কাব্যগ্ৰন্থ **দিচাং মুখৰ এবাটি আপং** (১৯৯৮) প্ৰকাশৰ পিছত। ইয়াৰ পিছত প্ৰকাশ হোৱা তেওঁৰ কাব্যগ্ৰন্থকেইখন হ'ল— **নদী মানুহৰ ঠিকনা** (২০০০), **ঐনিতমৰ পৃথিৱী** (২০০৩), **শুকান নৰাৰ চাকি** (২০০৫)। **দিচাং মুখৰ এবাটি আপং**ৰ বাবে কবিয়ে সদৌ অসম কবি সন্মিলনৰ ২০০০ বৰ্ষৰ ৰাম গগৈ সোঁৱৰণি বঁটা আৰু **নদী মানুহৰ ঠিকনা** কাব্যগ্ৰন্থৰ বাবে ২০০২ বৰ্ষৰ মুনীন বৰকটকী বঁটা পায়।

প্ৰশান্তকুমাৰ চুতীয়া (১৯৬৮)

অসমীয়া আৰু ইংৰাজী দুয়োটা বিষয়তে স্নাতকোত্তৰ প্ৰশান্তকুমাৰ চুতীয়াই গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি আছে। চুতীয়াৰ প্ৰথম গল্প-সংকলন যুটীয়াকৈ প্ৰকাশ পাইছিল ১৯৯৮ চনত, নাম আছিল **এজন সন্ত্ৰাসবাদীৰ মৃত্যুত**। ইয়াৰ পিছতে ২০০২ চনত প্ৰকাশ পালে তেওঁৰ একক গল্প-সংকলন **নেপথ্যৰ নায়ক**। ভিন্ন বিষয়ক প্ৰবন্ধ নিয়মীয়াকৈ বিভিন্ন কাকত-আলোচনীত প্ৰকাশ হৈ অহা চুতীয়াৰ প্ৰবন্ধ-সংকলন **শিক্ষা, সাহিত্য আৰু জীৱন** প্ৰকাশ পায় ২০০৪ চনত।

ড° জ্যোতিপ্ৰসাদ শইকীয়া (১৯৬৯)

সমাজতত্ত্ব বিষয়ৰ স্নাতকোত্তৰ আৰু ডক্টৰেট। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক। নিৰবচ্ছিন্নভাৱে সাহিত্য-কৰ্মত নিয়োজিত ড° শইকীয়াৰ প্ৰকাশিত গল্প-সংকলন পাঁচখন হ'ল ঃ **আৰু এজন সন্ত্ৰাসবাদীৰ মৃত্যুত** (১৯৯৮, যুটীয়াকৈ), **মালশ্ৰী, ভৱানী...** (২০০২), **হুৰ হুৰ বটা চৰাই** (২০০৪), **অন্য আকাশৰ ছাঁ** (২০০৮), **প্ৰেম আহে পাহি মেলি** (২০০৯)। উপন্যাসিকা সংকলন ঃ **গদ্যহীন জীৱনৰ গান** (২০০৯), নিবন্ধ-সংকলন পাঁচখন হ'ল ঃ **জীৱনৰ গদ্য,**

সামাজিক সমস্যা, **সামাজিক কল্যাণ**, **ভাৰতীয় সমাজ**, **পৰিৱৰ্তনীয় সমাজ**। একমাত্ৰ গীতৰ সংকলন **মাটিত মেঘৰ ছাঁয়া**। সম্পাদিত গ্ৰন্থ ঃ **আকুল পথিক**, **মাটিৰ মানুহ**, **মনৰ মানুহ** (ডঃ অনিল শইকীয়াৰ লগত যুটীয়াভাৱে) আৰু **প্ৰজ্ঞা প্ৰভা**।

অংকুৰ ৰনজন চাংমাই (১৯৬৯)

দৰ্শন বিষয়ত স্নাতকোত্তৰ চাংমায়ে ছাত্ৰ অৱস্থাৰপৰাই কাব্য-চৰ্চা কৰি আহিছে। ১৯৯০ চনত তেজপুৰৰ **উষা** কাব্যালোচনীৰ শ্ৰেষ্ঠ কবিৰ সন্মান লাভ কৰা চাংমাইৰ কবিতা **জনমভূমি**, **গৰীয়সী**, **প্ৰান্তিক**, **অংগনাকে** আদি কৰি অসমৰ প্ৰায়যোৰ কাকত-আলোচনীত সিঁচৰতি হৈ আছে। ১৯৯২-৯৩ বৰ্ষৰ শিৱসাগৰ কলেজৰ আলোচনী সম্পাদনা কৰি চাংমায়ে সেই বৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ আলোচনী সম্পাদনাৰ সন্মান লাভ কৰিছিল। ১৯৯২ চনৰপৰাই জনমভূমি কাকতগোষ্ঠীৰ লগত জড়িত হৈ বৰ্তমান **সাপ্তাহিক জনমভূমিত** সহযোগী সম্পাদক হিচাপে গুৱাহাটীত কৰ্মৰত চাংমায়ে কাকতখনৰ সাংস্কৃতিক সুষমা পৃষ্ঠাত নিয়মীয়াকৈ সাংস্কৃতিক নিবন্ধ লিখি আহিছে। চাংমায়ে ১৯৯৪ চনত সাংবাদিকতাৰ চৰকাৰী ফেলশ্বিপ লাভ কৰি বিহাৰত সাংবাদিকতাৰ বিশেষ প্ৰশিক্ষণো লৈ আহিছে।

হৰেন গগৈ (১৯৬৯)

কাৰিকৰী ডিপ্লোমাধাৰী হৰেন গগৈ জিলা গ্ৰাম্য উন্নয়ন প্ৰাধিকৰণ বিভাগৰ কনিষ্ঠ অভিযন্তা হিচাপে কৰ্মৰত। ছাত্ৰ অৱস্থাৰপৰাই সাহিত্য-চৰ্চা অব্যাহত ৰখা গগৈয়ে এগৰাকী কবি ৰূপে স্বীকৃতি লাভ কৰিছে। গগৈৰ প্ৰকাশিত কাব্যপুথিকেইখন হ'ল— **বকুল তলৰ গান** (২০০০), **জোনাকতে জোৰণ** (১৯৯৬), **দুপৰ টেঙাৰ পাতৰ দৰে** (২০০৫)। গগৈয়ে ছেগাচোৰোকাকৈ গদ্য ৰচনাতো হাত দিছে।

অপূৰ্ব ভূঞা (১৯৬৯)

অভিযান্ত্ৰিক স্নাতক অপূৰ্ব ভূঞা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ উপ-অধীক্ষক অভিযন্তা হিচাপে কৰ্মৰত। ছাত্ৰ অৱস্থাৰপৰা সহিত্য-চৰ্চা কৰি অহা ভূঞাৰ প্ৰকাশিত পুথিসমূহ হ'ল— তেজ ফুল আৰু কঁহিট (কবিতা, ১৯৮৯), **ক্ৰমাৎ তাই নদী** (কবিতা, ২০০১), **আপোনাৰ স'তে** (কবিতা, ২০০৪), **বীৰেন বৰকটকীৰ গীত** (সম্পাদনা, ২০০৪), **ৰংপুৰ সাহিত্য সভাৰ ইতিবৃত্ত ১৯৪৯-২০০৬** (২০০৬), **আইনা** (ব্যঙ্গ গল্প-সংকলন, ২০০৯), **স্বস্তায়ন** (সম্পাদনা), **মঞ্চশিল্প** (সম্পাদনা, ২০০৯)। ৰংপুৰ সাহিত্য সভাৰ সম্পাদক আৰু শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰকাশন সচিব হিচাপে সেৱা আগবঢ়োৱা ভূঞাৰ ভালেমান গল্প আৰু নিবন্ধ কাকত-আলোচনীত প্ৰকাশ পাইছে।

পাৰ্থপ্ৰদীপ বৰা (১৯৭০)

অভিযান্ত্ৰিক স্নাতক পাৰ্থপ্ৰদীপ বৰাই এজন গদ্যলেখক ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে। বৰাৰ

প্ৰকাশিত গদ্য ৰচনাৰ পুথিকেইখন হ'ল— **জীৱন ঃ অসমাপ্ত পানীচিত্ৰ** (২০০৩), **এদিম চেদিম বাই** (২০০৫), **প্ৰথম আঁক বাক** (২০০৮); বৰাৰ একমাত্ৰ কবিতাপুথি **অৰ্ণৱ আৰু প্ৰস্তৰৰ গান** (২০০১)।

ড° জয়ন্তকুমাৰ বৰা (১৯৭০)

অসমীয়া বিষয়ত স্নাতকোত্তৰ আৰু ডক্টৰেট। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ হিচাপে কৰ্মৰত জয়ন্তকুমাৰ বৰা প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— **সাহিত্য সংসৃষ্ট** (২০০৫), **ঈক্ষণ আৰু বীক্ষণ** (২০০৭), **নেপথ্য আৰু নিৰ্মাণ** (২০০৮), **সুবালাৰপৰা মৎস্যগন্ধালৈ** (২০০৭), **সাহিত্য অভিৰূপা** (২০০৯)। বৰাৰদ্বাৰা সম্পাদিত গ্ৰন্থসমূহ হ'ল— **গ্ৰন্থচেতনা** (১৯৯৬), **অসমীয়া সাহিত্য সমালোচনা আৰু গতি-প্ৰকৃতি** (১৯৯৮), **শঙ্কৰদেৱৰ কুৰুক্ষেত্ৰ কাব্য** (২০০৫), **ভ্ৰমৰঙ্গ** (২০০৯) আদি।

মেঘালী হাজৰিকা কাকতি (১৯৭১)

কলা বিষয়ৰ স্নাতক মেঘালী হাজৰিকা কাকতি কবি আৰু গল্পলেখিকা হিচাপে পৰিচিত হৈছে। তেওঁৰ প্ৰকাশিত পুথিসমূহ হ'ল— **জোনাকৰ বাৰিষা আৰু অন্যান্য** (যুটীয়াকৈ), **অনুভৱৰ অন্য আলাপ** (কবিতা, ২০০৪), **প্ৰেমৰ কবিতা** (কবিতা, ২০০৩), **হৃদয়ৰ নীলা সৰোবৰ** (গল্প, ২০০৭)।

অঞ্জন ভূঞা (১৯৭১)

অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন পৰিচালনা (Tourism Management) বিষয়ত গৱেষণা কৰি ডক্টৰেট হোৱা অঞ্জন ভূঞাই শোণিতপুৰ জিলাৰ দৰং মহাবিদ্যালয়ত অধ্যাপনাৰে কৰ্মজীৱন আৰম্ভ কৰি বৰ্তমান তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক ৰূপে কৰ্মৰত। কটন মহাবিদ্যালয়ত পঢ়ি থকা সময়ৰপৰাই কাব্য-চৰ্চাৰে পাঠক-সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰা ভূঞাৰ কবিতা **প্ৰান্তিক**, **সূত্ৰধাৰ**, **শ্ৰীময়ী**, **গৰীয়সী**, **প্ৰকাশ**, **ৰংঘৰ** আদি কাকত-আলোচনীত সিঁচৰতি হৈ আছে। অৰ্থনীতি আৰু পৰ্যটন সম্পৰ্কীয় ভালেকেইটা প্ৰবন্ধ আৰু গবেষণাপত্ৰ বিভিন্ন কাকত-আলোচনী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণাগ্ৰন্থত প্ৰকাশ হৈছে। ১৯৮৯ বৰ্ষৰ **কটনিয়ান** সম্পাদনা কৰা ভূঞাৰ নিৰ্বাচিত কাব্য-সংকলন এটা অলপতে প্ৰকাশ পায়।

টোকা ঃ সীমিত পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি এই সংখ্যাত পঁইত্ৰিছ গৰাকী লেখক-লেখিকাৰ তথ্যহে দাঙি ধৰা হ'ল। পৰৱৰ্তী পৰ্যায়ত অন্যান্য সকলৰ তথ্য আগবঢ়োৱা হ'ব।

প্ৰয়াত পৰাগ চলিহাৰ সৈতে অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলতৰাম, ড° সত্যেন্দ্ৰনাথ শৰ্মা, গীতা উপাধ্যায় আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল

সেউজ কোঁৱৰ পৰাগ চলিহাৰ জীৱনৰ উল্লেখযোগ্য ঘটনাসমূহ

(জন্ম ঃ ১৩ ছেপ্টেম্বৰ, ১৯২৩ চন, মৃত্যু ঃ ২১ জুন, ১৯৯৯ চন)

শিৱসাগৰৰ শিক্ষা, সমাজ সংস্কৃতি ক্ষেত্ৰখনৰ এগৰাকী পুৰোধা ব্যক্তি, ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰত অৱস্থিত শিৱসাগৰ মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু উপ সভাপতি ৰূপে কাৰ্য দক্ষতা প্ৰদৰ্শন কৰা পৰাগ চলিহা দেৱৰ জীৱনৰ কেইটামান উল্লেখযোগ্য ঘটনা হ'ল ঃ

১। ১৯৭৯ চন — পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্য একত্ৰিত কৰি সাতভনীৰ ৰঙালী বিহু উদ্‌যাপন হৈছিল ৰংঘৰ বাকৰিত, পৰ্বত ভৈয়ামৰ সম্প্ৰীতি।

২। **চাৰি হেজাৰ বছৰৰ অসম** মঞ্চস্থ হৈছিল শিৱসাগৰ নাট্যমন্দিৰ, দিল্লী মহানগৰীত।

৩। ১৯৮৫ চনত অসম গণপৰিষদ দলৰপৰা সাংসদ নিৰ্বাচিত হয়।

দিখৌ নদীয়ে এৰা সুঁতিত অক্লান্ত পৰিশ্ৰম, চেষ্টাৰ বিনিময়ত জন্ম হ'ল (ক) পিয়লি ফুকন ষ্টেডিয়াম (খ) চাউলুং চুকাফা ইনড'ৰ ষ্টেডিয়াম। বৰ্তমান তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অনুদানত ই প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

৪। ১৯৯৬ চনৰ ২ নৱেম্বৰত নৱনিৰ্মিত নাট্যমন্দিৰত শিৱসাগৰ নাট্য সমাজৰ উদ্যোগত ড° লক্ষ্মীনন্দন বৰাদেৱে 'সেউজ কোঁৱৰ' উপাধি প্ৰদান কৰে।

ঘাঁহনিত বহি— নকুল ... (উপাধি পোৱা নহ'ল), বসন্ত দত্ত, ৰসেন্দ্ৰ পাল, আছেংলো, আৰেংলা, বাণেশ্বৰ ফুকন, হাচমৎ আলি।
চকীত বহি- চিলভাৰ চাহাব, দুলাল বৰকটকী, সত্যৰঞ্জন সাহা।
থিয় হৈ প্ৰথম শাৰীত - পৰমা গোহাঁই, প্ৰেমধৰ কাকতি, ফটিক দত্ত, শৰৎ শৰ্মা, .. গোহাঁই (নাম জনা নগ'ল), যোগেন শৰ্মা, প্ৰসন্ন দুৱৰা, হলধৰ শইকীয়া (প্ৰাক্তন মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ পিতৃ) আৰু মুক্তিনাথ ফুকন।
থিয় হৈ দ্বিতীয় শাৰীত - দ্বাজু (চকীদাৰ), খগেন শৰ্মা, নীল শৰ্মা, নগেন গগৈ, টিপু গোসাঁই (গোস্বামী), হিতেশ্বৰ বুঢ়াগোহাঁই।
থিয় হৈ শেষৰ শাৰীত— যোগেন শৰ্মা, ডাঃ নলিনীকুমাৰ শ্যাম, পদ্ম বৰকটকী, দেৱব্ৰত শৰ্মা, খগেশ্বৰ শৰ্মা।
উল্লেখযোগ্য যে অসম টি কোম্পানীৰ এই ভৱনটিয়েই বৰ্তমান তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অসম এছেটৰ মুখ্য কাৰ্যালয়।

পৰশমণি বৰদলৈ

শিৱসাগৰ ঃ মোৰ নষ্টালজিয়াৰ নগৰখন

শিৱসাগৰ বুলিলেই আমাৰ ল'ৰালিকালৰ শান্ত, সংস্কৃতিৱান মানুহৰ সৰু নগৰখনৰ কথাই মনলৈ আহে। বৰপুখুৰী(শিৱসাগৰ পুখুৰী)ৰ পাৰত ঐতিহ্যবহনকাৰী শিৱ, বিষ্ণু আৰু দেৱী দ'ল। ৰংঘৰ, কাৰেংঘৰ ইত্যাদি।

নগৰলৈ যাবলৈ আমাৰ গাঁও মেটেকাৰপৰা মূলতঃ দুটা ৰাস্তা। চমু পথটো হৈছে মেটেকাঘাটেৰে খোজ কাটি বা চাইকেলেৰে যোৱা। খৰালি দীঘল বাঁহৰ দলঙৰে আৰু বাৰিষা নাৱেৰে। তেতিয়া নাৱৰীয়াজন আছিল আমাৰ সকলোৰে 'ভিনি'। মুখত এটি মিচিকীয়া হাঁহিৰে চুটি-চাপৰ মানুহজন। আমি স্কুলীয়া ল'ৰা-ছোৱালীবোৰে খোজ কাটিয়েই মেটেকাঘাটেৰে অহা-যোৱা কৰিছিলো। হাইস্কুললৈ আহোঁতে-যাওঁতে ফুকন নগৰৰ বীৰেন বৰকটকী ছাৰৰ ঘৰৰ আগফালৰ সুন্দৰ আটোমটোকাৰী ফুলনিখন চাই গৈছিলোঁ। বাটত পোৱা আমলখি, বগৰী আদিৰ সোৱাদ লৈ যোৱাটো প্ৰায় নৈমিত্তিক কথা আছিল। স্কুলৰপৰা ঘূৰি আহোঁতে ভাগৱতী মিলৰ কাষত থকা শংকৰৰ দোকানৰপৰা দহ পইছাতে এগাল বাদাম কিনি গলিয়াই আহিছিলোঁ।

পিছে বাৰিষা তুলুঙা নাৱেৰে, বতাহে-বৰষুণে স্কুললৈ অহা-যোৱা কৰিব লগা বাবে সেই দিনকেইটা এ টি ৰ'ডত থকা ডাঙৰ জেঠাইটি, জেঠপেহা(ধৰ্মেশ্বৰ বৰদলৈ)ৰ ঘৰত থাকি লৈছিলোঁ। তেতিয়া জেঠাইটিহঁতৰ প্ৰকাণ্ড ঘৰটোত মই আৰু ভাইটি পংকজ থকাৰ উপৰি অকণি বাইদেউৰ ছোৱালী ৰুমিতা আৰু ৰাজো তাতে থাকি পঢ়িছিল। জেঠাইটিহঁতৰ ঘৰৰ সমুখতে ২নং প্ৰাথমিক বিদ্যালয়খন। পুৰণা আমোলাপট্টিলৈ সোমাওঁতেই বাওঁ হাতে এটা মিউনিচিপেলটীৰ পানীৰ টেপ। পুৱা পানীৱালাই কানমাৰীত দুফালে দুটা টিনত পানী ভৰাই ঘৰে-ঘৰে দিছিলগৈ। কিছুমানে নিজে বাল্টি ভৰাই পানী লৈ গৈছিল। সেইখিনিৰপৰা অকণমান আগলৈ এতিয়াৰ খাদীভাণ্ডাৰৰ দোকানখনৰ সন্মুখতে আছিল এজোপা প্ৰকাণ্ড বকুলফুলৰ গছ। পুৱা যদিও ফুল বুটলিছিলোঁগৈ, সন্ধিয়া গছজোপা পাৰ হৈ যাবলৈ ভয় কৰিছিলোঁ। বৰ জয়াল লাগিছিল।

সেই সময়ত যদিও জেঠাইটিহঁতৰ ছেনিটেৰী লেট্ৰিন আছিল, প্ৰায়বিলাক মানুহৰ ঘৰতেই



ছাৰ্ভিচ লেট্ৰিন ব্যৱহাৰ কৰিছিল। গতিকে, পুৰাই টিনত ভৰাই, মিউনিচিপেলটীৰ গাড়ীত ভৰাই লৈ যোৱা দেখিছিলোঁ আৰু মুখত সোপা দিব লগা হৈছিল। স্কুললৈ ওলোৱাৰ সময়তেই ৰিক্সা এখনত মাইক লগাই চিনেমাৰ এডভাৰ্টাইজ কৰি গৈছিল— 'ৰূপালী হলৰ ৰূপালীপৰ্দাত সগৌৰৱে চলিব ধৰিছে '। মই চোৱা প্ৰথম চিনেমাখন আছিল **শকুন্তলা**, ৰিণিকি-ৰিণিকি মনত পৰে। হিন্দীখন আছিল **সংগম**। চোটা ভাইখন চাই বৰ ভাল পাইছিলোঁ।

বেজবৰুৱা হাইস্কুলৰ নমস্য শিক্ষকসকলক সদায়েই সুঁৱৰিম। অষ্টম নে নৱম শ্ৰেণীত মই স্কুলৰ তৰ্ক বিভাগৰ সম্পাদক আছিলোঁ। তত্বাবধায়ক শিক্ষক আছিল মানস চলিহা ছাৰ। প্ৰায় প্ৰতি শনিবাৰে তৰ্ক বা আকস্মিক বক্তৃতাৰ প্ৰতিযোগিতা পাতিছিলোঁ। ছাত্ৰ একতা সভাৰ সম্পাদক আছিল এতিয়া প্ৰতিষ্ঠিত ব্যৱসায়ী মৃদুল অধ্যাপক। স্কুলৰ নানা খেলা-ধূলাত অংশগ্ৰহণ কৰাৰ উপৰি নাটক আৰু গীত গাইছিলোঁ। N.C.C-ত যোগদান কৰি দুটা কেম্প কৰিছিলোঁ। সেই সময়ত N C C Parade-ৰ পিছত খোৱা আলু তৰকাৰী আৰু টিকিৰাৰ জুতি আজিও পাহৰা নাই। আন্তঃবিদ্যালয় ফুটবল টুৰ্নামেন্টৰ ফাইনেল বেজবৰুৱা আৰু গৱৰ্ণমেণ্ট স্কুলৰ মাজত অনুষ্ঠিত হৈছিল। কি উত্তেজনাপূৰ্ণ আছিল সেই খেলবোৰ।

জেঠাইটিহঁতৰ ঘৰৰ বৃহৎ চৌহদটোৰ পিছফাললৈ এডৰা বাঁহনি আৰু এটা ডাঙৰ পুখুৰী আছিল। তাতেই দলঙত আৰু কলহত ধৰি প্ৰথম সাঁতুৰিবলৈ শিকিছিলোঁ। আবেলি বৰশিত পইতাচোৰাৰ টোপ দি কুঁহি, মালি, কাঙ্কুলি মাছ ধৰি আনন্দ লভিছিলোঁ। জেঠাইটিহঁতৰ ঘৰত ডাঙৰকৈ লক্ষ্মীপূজা পাতে। তেতিয়া গুৱাহাটীত থকা নিৰ্মলপ্ৰভা বাইদেউ, টুটু দাদা, মুনুদা, ৰুণু বাইদেউ আৰু ডিব্ৰুগড়ত থকা সোণদা ঘৰলৈ আহে। কি উৎসৱমুখৰ পৰিৱেশ। নিৰ্মলপ্ৰভা বাইদেৱে পাৰিবাৰিক সকলো খা খবৰ ৰখাৰ লগতে বিভিন্ন ব্যক্তিৰ লগত বিভিন্ন আলোচনা কৰে আৰু কিবাকিবি লিখি থাকে। ৰেৰ্ক'ড কৰি অনা সুৰত গীত লিখে। বাইদেৱে মোক বৰ মৰম কৰিছিল। লিখিবলৈ উদ্‌গনি দিছিল আৰু নানা কথা শিকাইছিল। জেঠাইটিহঁতৰ ঘৰত থকা বহু পুৰণি কিতাপ আলোচনী পঢ়িবলৈ পাইছিলোঁ। আগফালৰ চোতালত বেডমিন্টন আৰু ক্ৰিকেট খেলিছিলোঁ। সোণ দাদাৰ দবা খেলাত বৰ ৰাপ আছিল। গধূলি দিহিঙীয়া ছাৰ আহিছিল। বৰ ভাল খেলিছিল। বিপক্ষৰ সৈন্য মাৰিলে বিশেষ ভঙ্গিমাৰে কৈছিল— "উৰি য'ক।" এখন যেন সঁচাসচি যুদ্ধহে হৈছিল। চাই-চাই ময়ো শিকিছিলোঁ আৰু পৰৱৰ্তী কালত College Champion-ও হৈছিলোঁগৈ।

প্ৰায়ে আবেলি ষ্টেশ্যন চাৰিআলিত থকা বজাৰখনলৈ গৈছিলোঁ শাক পাচলি আনিবলৈ। বাটত ৰূপালীম হলৰ সন্মুখত বহা চানাৱালাৰ দোকানৰপৰা জ্বলা লটৰ-পটৰ খাই সেহাই-সেহাই চকুপানী টুকিছিলোঁ। চিনেমা আৰম্ভ হোৱাৰ আগতে মাইকত হিন্দী গান বাজিছিল— 'এ নীলে গগন কে তলে'।

পুৰণা আমোলপাট্টিৰ নামঘৰত জন্মাষ্টমী বৰ ধুনীয়াকৈ পতা হয়। প্ৰায় এমাহ আগতে ভাওনাৰ নাট মেলা হয় আৰু নামৰ আখৰা কৰা হয়। এনেয়েও প্ৰতি বৃহস্পতিবাৰে গধূলি আৰতি গোৱা হৈছিল। সেই সুললিত গীতসমূহ এতিয়াও ৰিণিকি-ৰিণিকি মনত পৰে। জন্মাষ্টমীৰ ভাওনাত আমি ল'ৰাবোৰে গোপবালকৰ নৃত্য কৰিছিলোঁ। আমাক তেতিয়া ঘৰে-ঘৰে মাতি খুৱাইছিল আৰু আশীৰ্বাদ লৈছিল। অধ্যয়ন আৰু চাকৰিৰ কিছুকাল বাহিৰত থাকি পুনৰ ১৯৮৮ চনত শিৱসাগৰৰ ONGC-ত যোগদান কৰিলোঁ। ইতিমধ্যে শিৱসাগৰৰ অনেক পৰিৱৰ্তন হ'ল। এইবাৰ আহি নানা সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰিলোঁ। ভগ্নপ্ৰায় ৰংপুৰ সাহিত্য সভাখন পুনৰুজ্জীৱিত কৰিবলৈ অপূৰ্ব ভূঞা, পাৰ্থপ্ৰদীপ বৰা আৰু মই উদ্যোগ ল'লোঁ। সৌমাৰজ্যোতি মহন্ত, দীপালী ভট্টাচাৰ্য, প্ৰেম গগৈ, জ্যোতিপ্ৰসাদ শইকীয়া আদি নানাজনে সহযোগিতা কৰিলে। বীৰেন বৰকটকী, ইমৰান শ্বাহ প্ৰমুখ্যে বিভিন্ন জ্যেষ্ঠজনৰ দিহা-পৰামৰ্শ আৰু সক্ৰিয় সহযোগিতাত সভাখন পুনৰ সক্ৰিয় কৰা হয় আৰু নানান আঁচনি গ্ৰহণ কৰি কাৰ্যকৰী কৰি থকা হৈছে। সদৌ অসম কবি সন্মিলনৰ লগত তাৰ জন্মলগ্নৰেপৰা জড়িত আছিলোঁ। এতিয়া শিৱসাগৰ শাখাত যোগ দিলোঁ। শিৱসাগৰৰ সম্ভৱতঃ প্ৰথম নাট্য বিদ্যালয় নাট্যপীঠ আৰু নাটকথাৰ লগতো জড়িত হৈ পৰিছিলোঁ। ONGC-ৰ চাকৰিৰ যান্ত্ৰিকতাৰ মাজে-মাজে সুৰুঙা বুজি এই অনুষ্ঠানবোৰত অংশ লৈ ভাল লাগিছিল। এতিয়া কৰ্মসূত্ৰে আহমেদাবাদত আছোঁ যদিও ৰূপে-ৰসে ভৰা ৰংপুৰে আজিও ৰিঙিয়াই থাকে।

মলয় নাৰায়ণ দাস

শৈশৱৰ শিৱসাগৰ

মোৰ শৈশৱকালৰ শিৱসাগৰৰ আমোলাপট্টিৰ কথা মনলৈ অহাৰ লগে-লগে বহুতো কথাই খেলি-মেলি লগাই দিয়ে। নতুন আমোলাপট্টিৰ আমাৰ চুবুৰিটোত সুশীলা মৌজাদাৰৰ ঘৰ, লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিয়ালৰ ঘৰ, বিশিষ্ট চাহ ব্যৱসায়ী গিৰিজা বৰুৱাৰ ঘৰ আৰু দিখৌ নদীৰ পাৰৰ বৰুৱা পৰিয়াল দুঘৰেই প্ৰধান আছিল।

দ্বিতীয় মহাযুদ্ধৰ চিহ্ন মানে চীনাসকলে লিখা আখৰ বৰ্তমানৰ মথাউৰিৰ কাষৰ আঁহতজোপাত (শিৱমন্দিৰৰ কাষত) এতিয়াও দেখিবলৈ পোৱা যায়। সেই সময়ত চীনাসকলে সেই গছজোপাৰ তলত বহি কটাৰিৰে কাটি সেই আখৰবোৰ লিখিছিল বুলি আগৰ মানুহখিনিয়ে কোৱা শুনিছিলোঁ। দিখৌ নদী —এই নামটো মনলৈ অহাৰ লগে-লগে বহুতো কথাই মনত অগা-ডেৱা কৰে। দিখৌৰ পুৰণা দলংখন ব্ৰিটিছে ১৯৩৫ চনত নিৰ্মাণ কৰিছিল। আগতে হেনো এই নদীয়েদি জাহাজ অহা-যোৱা কৰিছিল। তেতিয়া দলঙৰ মাজভাগ ওপৰলৈ উঠি গৈছিল, জাহাজ যোৱাত অসুবিধা নহ'বৰ বাবে।

সেই সময়ত চুবুৰিৰ সকলো ল'ৰাই নদীত সাঁতুৰিব জানিছিল। আমি পুৱা ৮ ৩০ বজাৰপৰা ৯ ৩০ বজালৈকে নদীত সাঁতুৰি কটাইছিলোঁ। এই সময়ৰ আগতে যদি কোনোবা নদীৰ পাৰলৈ উঠে, তেন্তে সেইজনৰ পিঠিত বোকা মাৰি দিছিলোঁ, যাতে আকৌ নদীত সাঁতুৰিবলৈ আহে। পাছত লৰালৰিকৈ স্কুললৈ বুলি ধাপলি মেলিছিলোঁ। এবাৰ মই আৰু মৃদুল (গোবিন্দভূষণ বৰুৱা) দুয়োটাই মিলি এটা হুইল বৰশি পোহৰৰ দোকানৰপৰা কিনি আনি ময়দাৰ টোপ দি নদীত মাছৰ কাৰণে অপেক্ষা কৰিছিলোঁ। দুয়োটাই কথা পাতি থাকোতেই হুইলটো মাছে টানি নি নদীৰ মাজ পোৱাতহে গম পাই হুলস্থূল কৰিলত ওচৰতে বহি বৰশি বোৱা কালাম মিঞাই নিজৰ হুইলেৰে আমাৰ বাঁহৰ দাৰিকিডাল ধৰি মাছটো প্ৰায় ১ ঘণ্টা মান খেলাই-খেলাই বামলৈ তুলি আনিছিল। প্ৰায় ৫-৬ কেজি পিঠিয়া মাছটো তিনিভাগ কৰি যথেষ্ট আনন্দ উপভোগ কৰিছিলোঁ। উল্লেখযোগ্য যে সেই সময়ত নদীৰ ধোবাঘাটৰ ডুবিটোত যথেষ্ট পিঠিয়া মাছ আছিল।

মই গৱৰ্নমেণ্ট হাইস্কুলৰ সপ্তম শ্ৰেণীত থাকোতে প্ৰথম কোচবিহাৰ ট্ৰফি ক্ৰিকেট খেলিবলৈ অসমৰ হৈ জামছেদপুৰলৈ গৈছিলোঁ। অষ্টম শ্ৰেণীত থাকোতে মোৰ অধিনায়কত্বত আমাৰ স্কুলৰ ক্ৰিকেট দল প্ৰায় ২৮ বছৰৰ মূৰত স্কুল টুৰ্নামেণ্টত জয়ী হৈছিল। তেতিয়া যোৰহাট, গোলাঘাট, শিৱসাগৰৰ স্কুলসমূহৰ মাজত একেলগে টুৰ্নামেণ্টবোৰ হৈছিল। সেই বছৰতেই মই জিলা দলৰ হৈ

প্ৰথম ক্ৰিকেট খেলিছিলোঁ আৰু মই নাগালেণ্ড দলক ৪ ৰাণ দি ৪টা উইকেট দখল কৰিছিলোঁ আৰু জয়ী হৈছিলোঁ।

শিৱসাগৰ বনাম যোৰহাট নুৰুদ্দিন আহমেদ ট্ৰফিৰ কোৱাৰ্টাৰ ফাইনেল খেল যোৰহাটত। সম্ভৱ ১৯৮৭-৮৮ চনৰ ঘটনা। তেতিয়া যোৰহাট দলত ৬/৭ জন ৰঞ্জি খেলুৱৈ। আমাৰ দলত মাত্ৰ তিনিজন। দুদিনীয়া খেলা। প্ৰথম ইনিংছত ৩৫ ৰানত যোৰহাট আগবাঢ়ি আছে। দ্বিতীয় ইনিংছত আমি খুব খৰ গতিৰে ১০০ ৰান কৰি চাহ-বিৰতিৰ আগতে ইনিংছ সমাপ্ত কৰি যোৰহাটক বেট ধৰিবলৈ আমন্ত্ৰণ জনাওঁ। মেন্দেটাৰী অভাৰ ৫টা থাকোতেই যোৰহাটৰ সকলো উইকেট মাত্ৰ ৩৪ ৰানত শেষ হয। আমি জয়ী হ'লোঁ। এই দ্বিতীয় ইনিংছৰ ৬টা উইকেট মই আৰু ৪টা উইকেট প্ৰয়াত অমল দাসে দখল কৰিছিলোঁ। যোৰহাটৰ ইতিহাসত এইটো এটা ডাঙৰ পৰাজয়।

৭০ দশকত শিৱসাগৰৰ স্কুলবোৰৰ মাজত তৰ্ক প্ৰতিযোগিতা, নাটক, ফুটবল প্ৰতিযোগিতা আদি বছৰে-বছৰে হৈছিল। তৰ্ক, নাটক আদি নাট্যমন্দিৰত আৰু খেলা-ধূলাবোৰ বৰ্ডিং ফিল্ডত হৈছিল। আজিকালি হযতো এই প্ৰতিযোগিতাবোৰ নাইকিয়া হ'ল।

সেই সময়ত মা আৰু দেউতাৰ অনুপ্ৰেৰণাৰে আমি আগবাঢ়ি গৈ আছিলোঁ। দেউতা উপেন্দ্ৰনাৰায়ণ দাস গৱৰ্নমেণ্ট স্কুলৰ শিক্ষক হৈও কোনো দিনে খেলাত হকা-বাধা কৰা নাছিল। ১২০-ৰপৰা ১৫০ টকা দৰমহা পাযো কেনেকৈ যে ঘৰখন চলাইছিল এতিয়া হিচাপৰ বহী দেখিলে আচৰিত লাগে। কাৰণ মাহটোৰ প্ৰায ২০ দিনেই আমাৰ ঘৰত মাছ খোৱা হৈছিল। মোৰ মনত পৰে ১ টকাত ৬টা কণী কিনাৰ, ১০ অনাত ১লিটাৰ মিঠাতেল কিনাৰ।

শিৱসাগৰ কলেজত পঢ়াৰ দিনৰ কথা। বাৰ্ষিক অধিৱেশনত এখন নাটক কৰিছিলোঁ। প্ৰয়াত পৰাগধৰ চলিহা কলেজৰ অধ্যক্ষ আছিল। সেইদিনা তেওঁ প্ৰথম শাৰীত বহি আমাৰ নাটকখন চাই আছে। আমাৰ লগৰ লক্ষ্মী বৰুৱাই নাটকৰ ডাযলগ পাহৰি গ'ল। পাছত যেনে-তেনে নাটকখন সমাপ্ত হোৱাৰ লগে-লগে চলিহা ছাৰ পোন চাটেই গ্ৰীনৰুমলৈ আহি চিঞৰি উঠিল— 'ক'ত নাটক কৰিবলৈ আহিছ? বাঁহতল বুলি ভাবিছ?' লক্ষ্মীযে নিজৰ মূৰটো খিৰিকিৰ ফাঁকেদি ভৰাই পলাবলৈ লৈছিল মাত্ৰ, ভোৰভোৰাই ছাৰ গুচি গ'ল। ক'বলৈ গ'লে সাধাৰণ ঘটনা, কিন্তু ছাৰৰ কলেজৰ প্ৰতি নিষ্ঠা আৰু কলাৰ প্ৰতি থকা হেঁপাহ এই ঘটনাৰপৰাই প্ৰকাশ পায।

এনেধৰণৰ বহুত কথাই মোৰ মনত অগা-ডেৱা কৰিছেহি। আন এদিনৰ কথা— কলেজৰপৰা ক্ৰিকেট খেলাৰ পাছত ঘৰলৈ বুলি চাইকেলৰে আহি থাকোতে বাটতে নীলা মাৰুতি গাড়ীখন ৰখাই চলিহা ছাৰে ক'লে— 'মলয়, জেওৰাৰ কামিকেইডাল কোনে উভালিলে? কালিলৈ যাতে মই কামিকেইডাল তাত দেখা পাওঁ' বুলি কৈ তৎক্ষণাৎ গুচি গ'ল। লগে-লগে চাইকেলেৰে আকৌ কলেজ পালোঁহি। চকিদাৰক মাতি খেলৰ ঠাইতে গছপুলি ৰুবলৈ সেই জেওৰা দিয়া হৈছিল। কোনোবাই জেওৰাৰ লাঠিবেইডাল উভালিলে। পৰিলোঁগৈ মই। কাৰণ তাত ক্ৰিকেটৰ অনুশীলন হৈ আছিল। মই খেলৰ সম্পাদক আছিলোঁ। গতিকে সেই লাঠিকেইডাল আজিয়েই লগাই দিবলৈ কৈ মই ঘৰমুৱা হ'লোঁ। তেনেকুৱাই আছিল পৰাগ চলিহা ছাৰ। ৰাস্তাইদি অহা-যোৱা কৰোতে কোনে ক'ত কি কৰিছে, কি হৈছে সকলোবোৰ তেখেতৰ চকুৰ আগত ভাহি থকা যেন লাগিছিল। তেতিয়াৰ শিক্ষকসকল যেনেকৈ কাঢ়া আছিল, তেনেকৈ অত্যন্ত মৰমিয়ালো আছিল।



প্ৰফুল্ল মহন্ত

আমাৰ শিৱসাগৰখন

খলিল জিব্ৰানৰ দৰে ক'বলৈ মন গৈছে— 'মই যদি গুটি সিঁচোতাজনৰ দৰে তোমালোকৰ ঘৰবোৰ হাতৰ মুঠিত লৈ (আহমেদাবাদৰ) অৰণ্য আৰু বননিত (শিৱসাগৰত) ছটিযাই দিব পাৰিলোহেঁতেন।' যোৱা জুন মাহত ঘৰলৈ গৈছিলোঁ। বাৰীৰ পাণ, ভাত কেৰেলা, কোমোৰাকেইজোপাৰ হালধীয়া পৰা ৰংটোৱে বছৰটোৰ মাত্ৰ আঠ দহ দিনৰ বৰ্ষাসিক্ত গুজৰাটৰ ঘন চিৰ সেউজ নিম, জামুক, বাবুলকেইজোপালৈ বাৰে-বাৰে মনত পেলাই দিলে। চুৱাপাতনিৰ চুকত দপদপাই থকা এৰাকেইজোপাৰ দুৰ্দশাৰ ৰূপ দেখি প্ৰতিবেশী উদ্ভিদবিজ্ঞানী প্ৰকাশ কটকী (অধ্যক্ষ, শিৱসাগৰ মহাবিদ্যালয) দাদাক গুজৰাটক বিশাল ৰূপত গঢ়ি উঠা এৰাখেতিৰ বিষয়ে ক'লোঁ। জেঠ-আহাৰৰ খাল ডোঙত কাৱৈটিলিকা ধৰা চেঙেলীয়াৰ হাতত মোবাইল দেখি দুখ লাগিল। আমাৰ গাঁৱৰ ওচৰতে বহুকেইজন চিন্তাবিদ, শিক্ষাবিদৰ চেষ্টাত গঢ়ি উঠা বিদ্যাভৱনৰ শিক্ষান্ত পৰীক্ষাৰ ফলাফলে আশাৰ বতৰা কঢ়িয়াইছে। নগৰ-চহৰৰ বাট-পথৰ উন্নতি হৈছে যদিও গাঁৱৰ ৰাস্তা-ঘাটৰ দুৰ্দশা, নিশকটীয়া ৰূপবোৰ সবল ৰূপত দেখাৰ আশা ৰাখি সমনীয়া দুজনমান সাংবাদিক, ব্যৱসায়ীক গুজৰাট ভ্ৰমণ কৰি ইয়াৰ সহজ জীৱন যাপন, সাঁচি ৰাখি খোৱাৰ মানসিকতাৰ উমান ল'বলৈ আমন্ত্ৰণ জনাই আহিছোঁ। অহা বছৰ যাওঁতে নতুন আশা লৈ যাম।

মানিকচন্দ্ৰ দত্ত

দুটি অভিজ্ঞতা

কাণতলীয়া চৰ

আবেলি ৫.৩০ বজাত নৈশ কলেজ আৰম্ভ হয় শিৱসাগৰৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত। মই ৬ ০০ বজাত দৌৰা-দৌৰিকৈ সোমাই আহিছোঁ। পৰাগ চলিহা অধ্যক্ষৰ কোঠাত বহি আছিল। মই আগেদি পাৰ হৈ গ'লোঁ। চকিদাৰক পঠাই মোক মাতি নিলে। ময়ো বিনাদ্বিধাই সোমাই গ'লোঁ। 'কি হ'ল, বতাহ খাবলৈ আহিছ' বুলি মোৰ উত্তৰলৈ বাট নাচাই এক কাণ তলীয়া চৰ সোধালে। মই চৰ মৰা গালখনত ধৰি একো নমতাকৈ থিয় হৈ আছোঁ। তেনেতে চকিদাৰে 'প্ৰতাপ আহিছে ছাৰ' বুলি ছাৰক জনালে। 'কি? প্ৰতাপ? এইটো কোন?' বুলি ছাৰে সুধিলে। মোলৈ চাই 'তুমি কোন?' বুলি সুধিলে। ইফালে প্ৰতাপে 'ছাৰ মোক মাফ কৰক, ছাৰ' বুলি চলিহা ছাৰৰ ভৰি চুবলৈ যোৱাৰ নিচিনা কৰিছে।

আচলতে কাণতলীয়া চৰটো আছিল প্ৰতাপৰ ভাগৰ।

মেছাগড়ত ন খোৱা

আনন্দ বৰগোহাঁইৰ ঘৰত ন খোৱা। মুকুট গগৈ, দেবেশ্বৰ বৰা, দেবেশ্বৰ শইকীয়া আৰু মই। চাৰিটা মানুহ বাইচাইকেল ২খন। আমকটিয়া গোহাঁই গাঁও। দুই-চাৰিজনক সুধি-পুছি বৰগোহাঁইৰ ঘৰ পালোঁগৈ। বহল চোতালত শাৰী-শাৰীকৈ ল'ৰা, বুঢ়া, ডেকা-গাভৰু সকলো বহিছে। হাঁহৰ মঙহেৰে ৰন্ধা ন ভোজ। বৰ তৃপ্তিৰে খালোঁহঁক।

ন ভোজ খাই শিলৰ ৰাস্তাত এক কিলোমিটাৰ মান অহাৰ পাছত দেবেশ্বৰৰ বাইচাইকেলৰ চেইন ছিগিল। উপায় নাই। চাইকেলৰ ৰিপিয়াৰিং কৰা দোকান ৰাতিৰ কাৰণে বন্ধ। চাৰিওজনে খোজ কাঢ়ি-কাঢ়ি শিৱসাগৰৰ নগৰ পালোঁহি।

হাঁহৰ মঙহৰে খোৱা ন ভোজৰ মজা নাপাহৰোঁ।

মহানন্দ শৰ্মা

মোৰ কৈশোৰ আৰু যৌৱনৰ শিৱসাগৰ

আমি সৰু থাকোতেই শিৱসাগৰলৈ ONGC আহে, অৰ্থাৎ আজিৰপৰা ৫০ বছৰৰ আগতে। অৱশ্যে তেতিয়াৰ ONGC আৰু এতিয়াৰ ONGC-ৰ মাজত আকাশ-পাতাল প্ৰভেদ। বোধকৰোঁ শিৱসাগৰীয়া ৰাইজে তেতিযাৰপৰাহে Industry শব্দটোৰ সম্যক আভাস পায়।

মাটি-কালি একে থাকিলেও জনসংখ্যা ঊৰ্ধ্বগামী। শিক্ষিতৰ হাৰ বাঢ়িছে, জ্ঞানীৰ সংখ্যা কমিছে। ধৰ্মৰ লগত বিভাজন ভাবিবলগীয়া। বিশেষকৈ গুৰুজনাৰ নামত বিভিন্ন সম্প্ৰদায়ৰ মাজত খেল-খেল সৃষ্টি হোৱাটো। আমি স্কুল-কলেজত পঢ়ি থাকোঁতে নাছিল।

আমি পঢ়া এল-পি স্কুলখনত ৫জন মাত্ৰ শিক্ষক আছিল। তাৰ দুজন বিশেষভাৱে উল্লেখযোগ্য। এজন প্ৰয়াত ৰাম বৰঠাকুৰ, যাৰ হাতৰ কাম আৰু হাতৰ আখৰৰ তুলনা নাই। তেখেতে সজা কাগজৰ পদুমফুল, মাটিৰ চৰাই আদি চুই নাচালে আচল নে নকল ধৰিবই নোৱাৰি। আমাক তেখেতে আখৰ পোন হ'বৰ বাবে ৰুলচিত বনাই দিছিল। দ্বিতীয়জন প্ৰয়াত চন্দ্ৰ বৰুৱা। চাপৰ-শকত মানুহজনৰ বৈশিষ্ট্য আৰু ব্যক্তিত্ব পাহৰিব নোৱাৰি। স্কুলখনৰ উন্নতিৰ বাবে তেখেতে দেহে-কেহে খাটিছিল। অত্যন্ত দুৰ্দান্ত ল'ৰা-ছোৱালীকো তেখেতে আয়ত্তৰ ভিতৰলৈ আনিব পাৰিছিল।

বৰঠাকুৰ ছাৰ শয্যাগত হৈ থাকোতে খবৰ ল'বলৈ গৈছিলোঁ। তেতিয়াও তেখেতে ককা নীলমণি ফুকনৰ কবিতা এটা গাইছিল—

আসি পালোঁ, কাশী ৰ'ল বহুত দূৰত
নিছিগিল জীৱন শিকলি।
ৰিণিৰিণি শুনি আছোঁ সিপাৰৰ ধ্বনি
কাকো হ'লে দেখা পোৱা নাই,
গৰাকীৰ ইচ্ছা মতে চলি আছে চিলা
বতাহত ঢোলোকনি খায়।

আজিকালি গুৰু-শিষ্যৰ ব্যৱধান বাঢ়িছে। আমাৰ ছাত্ৰ অৱস্থাত প্ৰায় প্ৰতিজন ছাত্ৰকে প্ৰতিজন

শিক্ষকে পৰিয়ালৰে সৈতে চিনি পাইছিল। এতিয়া এইটো এটা ডাঙৰ ব্যতিক্ৰম।

আমি চতুৰ্থ বা পঞ্চম শ্ৰেণীত পঢ়ি থাকোতে Central Market-খন এদিন গধূলি বতাহ-ধুমুহাত ভাগি পৰি কেইবাজনো মানুহৰ মৃত্যু হৈছিল। অৱশ্যে আমি তাৰ বিনিময়ত এখন স্থায়ী বজাৰ পালোঁ।

শিৱৰাত্ৰিৰ মেলা



পূৰবী দত্ত চৌধুৰী

শিৱসাগৰ ঃ মোৰ নষ্টালজিয়াৰ চহৰখন

শিৱসাগৰ —দিখৌপাৰৰ এই সুন্দৰ, ঐতিহাসিক নগৰখনে মোৰ জীৱনত সদায়েই এক বিশেষ স্থান অধিকাৰ কৰি থাকিব। এই নগৰখনতেই মই মোৰ পৰিয়ালৰ ছত্ৰছায়াৰপৰা ওলাই এক স্বতন্ত্ৰ জীৱনৰ পাতনি মেলিছিলোঁ। ১৯৯৩ চনত যেতিয়া ONGC অৰ্থাৎ 'তেল আৰু প্ৰাকৃতিক গেছ নিগম'ৰ চাকৰিত যোগদান কৰিছিলোঁ, মোৰ কৰ্মস্থান আছিল নাজিৰা। কিন্তু ১৯৯৬ চনলৈকে মোৰ বাসস্থান আছিল শিৱসাগৰ। আমি সাতজনী ছোৱালীয়ে ONGC-ৰ শিৱসাগৰ কলনীৰ এটি বাসভৱনত একেলগে আছিলোঁ। সেই সৰু, ধুনীয়া, নগৰখনিত কটোৱা চাৰি বছৰৰ স্মৃতি সঁচাই বৰ মনোৰম। আমি এতিয়া ONGC-ৰ বেলেগ-বেলেগ কৰ্মস্থানত আছোঁ। কেতিয়াবা লগালগি হ'লে সেইবোৰ দিনৰ স্মৃতি ৰোমন্থন কৰি বৰ আনন্দ পাওঁ।

কলনীখন চহৰৰ এটি প্ৰান্তত। তেতিয়া আমি প্ৰায়ভাগেই নতুনকৈ কৰ্ম-জীৱন আৰম্ভ কৰিছোঁ। ব্যক্তিগত যান-বাহন নাই। বজাৰ-সমাৰ কৰিবলৈ, ফুৰিব-চাকিবলৈ হ'লে ৰিক্সাই সাৰথি। কলনীৰপৰা ৰিক্সাৰে ধীৰ গতিৰে যাত্ৰা আৰম্ভ কৰোঁ। গৰমকালি মৃদু বতাহৰ বা অথবা শীতকালিৰ ৰ'দৰ উম লৈ কথা-বতৰা পাতি আপোন পাহৰা হৈ যাওঁতে গমেই নাপাওঁ কেতিয়া গন্তব্য পাওঁ। ৰিক্সাচালকেহে সৌৱৰাই দিয়ে বাইদেউ নামক বুলি। বৰপুখুৰীৰ সৈতে শিৱদৌল আছিল আমাৰ বাবে এক আকৰ্ষণীয় স্থান। বিশেষকৈ গৰমকালি বন্ধৰ দিনত আমি প্ৰায়ে বৰপুখুৰীৰ পাৰত দেহ-মন শীতলোৱা পৰিৱেশত বহি বহুত সন্ধিয়া পাৰ কৰিছিলোঁ। নীলা আকাশ, বিশাল পুখুৰী আৰু পাৰৰ গছ-গছনিৰ নৈসৰ্গিক সৌন্দৰ্যই মন-প্ৰাণ হৰি নিয়ে। শীতকালত আকৌ নানা তৰহৰ পৰিভ্ৰমী চৰায়ে ৰূপতে ৰহণ চৰাইছিল। ওচৰতে সৰু পুখুৰী এটিৰে এখন উদ্যানত নৌকাবিহাৰ আৰু পুতলা ৰেল চলোৱাৰ ব্যৱস্থা আছিল। মাজে-মাজে আমিও তালৈ গৈ সৰু-সৰু ল'ৰা-ছোৱালীবোৰৰ লগত পুতলা ৰেলৰ আনন্দ উপভোগ কৰিছিলোঁ। নৌকা-বিহাৰৰো কেইবাটাও অম্ল-মধুৰ স্মৃতি আছে।

শিৱৰাত্ৰিৰ সময়ত আকৌ গোটেই ঠাইখিনিৰে বেলেগ ৰূপ। সহস্ৰ ভক্তৰ আগমনত সৰু নগৰখনিত দলদোপ-হেন্দোলদোপ লাগে। এনেয়ে সন্ধিয়াতে শুই পৰা নগৰখন ৰাতিলৈকে ৰমক-

জমক হৈ থাকে। তাৰ লগতে নানা ঠাইৰ নানা বস্তুৰে ভৰা মেলাখনতো আছেই। তাতেই এবাৰ বন্ধু এজনীৰ সৈতে এটা চকৰিত প্ৰথমবাৰলৈ উঠিছিলোঁ আৰু ভীষণ ভয় খাই কেতিযাও নুঠোঁ বুলি শপত খাইছিলোঁ।

সঘনাই যাব নোৱাৰিছিলোঁ যদিও ৰংঘৰ, তলাতল ঘৰৰ লগতে জয়সাগৰ পুখুৰীৰে শিৱসাগৰ কলেজখনো আছিল আমাৰ বৰ প্ৰিয়। ৰংঘৰ, তলাতল ঘৰত ঘূৰি-পকি তাহানি আহোম স্বৰ্গদেউ, কুঁৱৰীসকলে তাত কেনেকৈ আছিল কল্পনা কৰি বৰ ভাল লাগিছিল। আনহাতে শিৱসাগৰ কলেজখনৰ চাৰিওকাষৰ অনন্য সৌন্দৰ্য আৰু তাৰ কিংবদন্তী স্বৰূপ অধ্যক্ষ পৰাগ চলিহাদেৱৰ বিষয়ে শুনা নানা কাহিনীয়ে কলেজখনৰ প্ৰতি এক বিশেষ কৌতূহল ওপজাইছিল। অলপ আঁতৰত এক বিশাল জলাশযত ফুলি থকা অজস্ৰ পদুমৰ স্বৰ্গীয় সৌন্দৰ্য মই কেতিয়াও পাহৰিব নোৱাৰোঁ।

দৈনন্দিন বজাৰ-সমাৰ আমি কলনীৰ বজাৰতে কৰিছিলোঁ। কিন্তু মাজে-মাজে মাছ-মঙহ, ভাল শাক-পাচলি আনিবলৈ চেণ্ট্ৰেল মাৰ্কেটলৈ গৈছিলোঁ। ঘৰুৱা অভিজ্ঞতা সীমিত থকা বাবে প্ৰায়েই ঠগ খাইছিলোঁ। কিন্তু পিছলৈ কিছুমান দোকানী চিনাকি হৈ পৰিছিল আৰু নিজেই বিচাৰি আমাক ভাল বস্তু দিছিল। পিছলৈ আমাৰ লগৰে দুই-এজনীয়ে স্কুটী আদি লোৱাত ফুৰা-চকা কৰিবলৈ সুবিধা হৈছিল। তেতিয়াই এবাৰ বৰ হাঁহি উঠা ঘটনা এটা ঘটিছিল। দোকান এখনৰপৰা চিঙৰা, মিঠাই আদি লৈ পলিথিনৰ মোনাটো স্কুটীত থৈ আমি আন এখন দোকানত সোমাইছিলোঁ। ঘূৰি আহি দেখোঁ গৰু এটাই ৰাস্তাত বহি মোনা এটাৰপৰা চিঙৰা খাই আছে। খুব হাঁহি-হাঁহি স্কুটীৰ ওচৰ পাইহে আৱিষ্কাৰ কৰিলোঁ— সেয়া আমাৰেই চিঙৰাৰ টোপোলা।

শিৱসাগৰত সেই সময়ত দুটা নে তিনিটা ছবিঘৰ আছিল যদিও উৰহৰ উপদ্ৰৱ আছে বুলি শুনি আমি অকল ৰূপালীমলৈহে গৈছিলোঁ। আমি চাবলৈ বিচৰা ধৰণৰ চিনেমা কম আহিছিল বাবে যেতিয়া চিনেমা চোৱাৰ সুযোগ পাইছিলোঁ, সেয়া আমাৰ বাবে এক বিশেষ উপলক্ষ হৈ পৰিছিল। আনহাতে কলনীৰ ওচৰতে হোটেল সিদ্ধাৰ্থ অথবা ব্ৰহ্মপুত্ৰত কোনো বিশেষ দিনত খাবলৈ যোৱাটোও আছিল আন এক আনন্দৰ উপলক্ষ।

শিৱসাগৰত সেই সময়ত ঘৰৰপৰা আঁতৰলৈ আহি অকলে চাকৰি কৰি থকা ছোৱালী খুব কম আছিল। তাতে আমি প্ৰায়েই আটাইকেইজনী ছোৱালীয়ে একেলগে ফুৰা-চকা কৰিছিলোঁ। সেয়েহে বহুতেই আমাক চিনি পাইছিল আৰু আমাৰ কাৰ্য-কলাপ আমোদ সহকাৰে উপভোগ কৰিছিল। স্থানীয় জ্যেষ্ঠ সহকৰ্মীসকলে মৰম কৰি মাজে-মাজে ঘৰলৈ মাতি নিছিল। কেইবাটাও পৰিয়ালৰ লগত আত্মীয়তা গঢ়ি উঠিছিল আৰু সেয়া আজিও অটুট হৈ আছে।

এনেদৰেই ৰং-ধেমালিৰ মাজেৰে শিৱসাগৰত চাৰিটা বছৰ কেনেকৈ পাৰ হৈছিল গমেই পোৱা নাছিলোঁ। পিছলৈ মই নাজিৰাৰ অ'.এন.জি.চি. কলনীত নিজাকৈ বাসভৱন পোৱাত তাতেই থাকিবলৈ লৈছিলোঁ। কিন্তু বিভিন্ন কামত শিৱসাগৰলৈ অহা হৈছিল। ২০০৩ চনত আহমেদাবাদলৈ বদলি হৈ অহাৰেপৰা আৰু শিৱসাগৰলৈ যোৱা হোৱা নাই যদিও শিৱসাগৰৰ স্মৃতি হ'লে অন্তৰত আজিও সজীৱ হৈ আছে।

অপূৰ্ব ভূঞা

অসমত খাৰুৱা তেলৰ অন্বেষণ আৰু শিৱসাগৰৰ প্ৰেক্ষাপটত অ.এন.জি.চি আৰু গেইল

১৮২৫ চনতে উজনি অসমৰ মাকুম-মাৰ্ঘেৰিটা অঞ্চলৰ গভীৰ হাবিত কয়লা অনুসন্ধানকাৰী দলে তেলৰ উহৰ সন্দেহ পোৱাটো পৃথিৱীৰ এটা যুগান্তৰকাৰী ঘটনা। ১৮২৮ চনতো বুঢ়ীদিহিং নদীযেদি উজাই যোৱা এটা অভিযাত্ৰী দলে নদীৰ উজনি অংশত কয়লাৰ স্তৰ পোৱাৰ লগতে পানীৰ ওপৰত ভাহি থকা তেলৰ চাৰ্মনি প্ৰত্যক্ষ কৰে। ১৮৩৭ চনত এজন সেনা-বিষয়ায়ো নামপুং নৈত তেলৰ উহ প্ৰত্যক্ষ কৰে। ইতিমধ্যে পৃথিৱীৰ আন কেইবা ঠাইতো তেলৰ সন্ধান পোৱা গৈছিল যদিও ১৮৫৯ চনৰ আগষ্ট মাহত আমেৰিকাৰ পেনছিলভেনিয়াত কৰ্নেল ড্ৰেক চাহাবে পোনপ্ৰথমে তেলকূপ বতুৱাই তেল আহৰণ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ছবছৰৰ পিছত ১৮৬৫ চনত ভাৰতৰ ভূতাত্ত্বিক জৰীপ বিভাগে বুঢ়ীদিহিং নৈৰ দক্ষিণপাৰৰ মাকুম অঞ্চলত পৰীক্ষামূলকভাৱে তেলৰ কূপ খন্দাৰ কাম আৰম্ভ কৰে। ১৮৬৭ চনৰ মাৰ্চমাহত ১১৮ ফুট গভীৰতালৈ ভাপ ইঞ্জিনচালিত যন্ত্ৰেৰে কূপ খান্দি তেল পাবলৈ সক্ষম হয়।

ইয়াৰ পিছতে ১৮৮৬ আৰু ১৮৯৩ চনৰ ভিতৰত মাৰ্ঘেৰিটাৰ ওচৰৰ মাকুমত আছাম ৰে'লৱে' এণ্ড ট্ৰেডিং কোম্পানী(A R.T Co.)য়ে কেইবাটাও কূপ খনন কৰে আৰু ডিগবৈ নামে জনাজাত হোৱা এই অঞ্চলতে ভাৰতৰ প্ৰথম তেল-শোধনাগাৰ স্থাপন কৰে ১৮৯৯ চনত। ইতিমধ্যে অসম তেল কোম্পানী (A.O.C) গঠন হয় আৰু ব্ৰহ্মদেশত প্ৰতিষ্ঠা হোৱা বাৰ্মা অইল কোম্পানী(B.O.C)য়ে ১৯২১ চনত A O.C-ৰ কাৰিকৰী পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে। BOC-য়ে সেই সময়ৰ এংলো-ইৰানীয়ান কোম্পানী আৰু শ্বেলৰ সৈতে যুটীয়াভাৱে নাহৰকটীয়া আৰু যোৰহাটত তেলৰ সন্ধানত ছিছমিক ছাৰ্ভে কৰে আৰু ১৯৫১ চনত নাহৰকটীয়া অঞ্চলত তেলৰ কূপ খন্দাৰ কাম আৰম্ভ কৰে। ১৯৫৬ চনত মৰাণত ১৩,৭৩৯ ফুট গভীৰতালৈ এটা কূপ খন্দা হয় আৰু প্ৰায় ১১,১০০ ফুট গভীৰতাত তেল পোৱা যায়। এই নাহৰকটীয়া আৰু মৰাণ তৈলক্ষেত্ৰ পৰিচালনা কৰিবৰ বাবে ১৯৫৮ চনত অইল (Oil India Limited) গঠন কৰা হয়।

ইতিমধ্যে ১৯৫৬ চনত স্থাপন হোৱা তেল আৰু প্ৰাকৃতিক গেছ আয়োগে ১৯৫৮ চনত গুজৰাটৰ কেম্বেত খাৰুৱা তেল আহৰণ কৰিবলৈ সক্ষম হয়। ১৯৫৪ চনত AOC-য়ে জিঅ'ফীজিকেল

ছাৰ্ভে কৰি শিৱসাগৰ জিলাৰ কেইবাটাও অঞ্চলত তেল থকাৰ সম্ভেদ দিছিল। অ এন জি চি ক এই অঞ্চলৰ তেল সন্ধানৰ দায়িত্ব দিয়া হয় আৰু ১৯৫৯ চনত দিচাংমুখৰ লংচাইত প্ৰথমটো কূপ খননেৰে অ এন জি চিয়ে অসমত খোপনি পোতে। ১২,৫০৩ ফুট গভীৰতালৈ খনন কৰা এই কূপটোত তেল উদ্ঘাটন কৰিব পৰা নগ'ল যদিও শিৱসাগৰ নগৰৰ দক্ষিণৰ ৰুদ্ৰসাগৰ অঞ্চলত ১৯৬০ চনৰ অক্টোবৰ মাহত তেল আৱিষ্কাৰ হয়। ইয়াৰ পিছতেই লাকুৱা (১৯৬৪), গেলেকী (১৯৬৮), বৰহোলা-চাংপাং (১৯৭০), আমগুৰি (১৯৭১), চাৰিআলি (১৯৭৪), ডিমুৱালগাঁও (১৯৭৬), খৰাহাট (১৯৮০), চাংমাইগাঁও (১৯৮৫), আদমটিলা (১৯৮৭), হিলাৰা (১৯৮৮), ভূ-বন্দৰ (১৯৯৫), মেক্সাং (১৯৯৬), নাজিৰা (২০০১), চপ্ৰাই-বনমালী, লাইপ্লিংগাঁও (২০০৩) নাহৰহাবি, সোণাৰী আদি অঞ্চলত কেইবাটাও সৰু-ডাঙৰ তৈল-ভাণ্ডাৰ আৱিষ্কাৰ কৰি উৎপাদনকাৰ্য অব্যাহত ৰাখিছে। (১৯৫৯ চনতে তেলৰ অন্বেষণ বন্ধ ৰখা দিচাংমুখ অঞ্চলতো বৰ্তমান তেল উৎপাদন কৰা হৈছে।) নাজিৰাত থকা অধুনালুপ্ত আসাম টী কোম্পানীৰ কাৰ্যালয় থকা ঠাইতে

অ.এন.জি.চি.ৰ অসম এছেটৰ মুখ্য কাৰ্যালয় স্থাপন কৰা হ'ল। অৱশ্যে বৰহোলা-চাংপাং, খৰাহাট আদি অঞ্চলৰ তেল অন্বেষণৰ কাম পৰিচালনা কৰিবলৈ যোৰহাটত অসম-আৰাকান বেছিন স্থাপন কৰা হয়। আদমটিলা, হিলাৰা, ভূ-বন্দৰ আদি অঞ্চলৰ তেল অন্বেষণৰ বাবে শিলচৰত কাছাৰ ফৰৱাৰ্ড বে'ছ কাৰ্যালয় খোলা হয়। ১৯৯৪ চনত অ.এন.জি.চি.ক পাব্লিক লিমিটেড কোম্পানী কৰা হয়। সি যি নহওক শিৱসাগৰ জিলাতেই অ.এন.জি.চিৰ সৰ্বাধিক তেলভাণ্ডাৰ থকা বৃহৎ তৈলক্ষেত্ৰকেইখন অৱস্থিত। শিৱসাগৰ নগৰতো অ.এন.জি.চিৰ কেইবাটাও বিভাগৰ কাৰ্যালয়, আবাসিক এলেকা থকাৰ উপৰি এছিয়াৰ ভিতৰতে বৃহৎ এটি কেন্দ্ৰীয় কাৰখানা অৱস্থিত। শিৱসাগৰ জিলাৰ তৈলক্ষেত্ৰকেইখনত ইতিমধ্যে অ.এন.জি.চি.য়ে খনন কৰা ১৬০০-ৰো অধিক তেলকূপৰ প্ৰায় ৬০০ সক্ৰিয় হৈ আছে। তেলৰ স্বাভাৱিক প্ৰৱাহ হ্ৰাস হৈ অহাত কূপসমূহক সক্ৰিয় কৰি ৰাখিবলৈ কৃত্ৰিম উত্তোলন ব্যৱস্থা আৰু উন্নত প্ৰযুক্তি-কৌশল প্ৰয়োগ কৰা হৈছে। গতিকে স্বাভাৱিকতে সম্প্ৰতি উৎপাদন পৰিমাণৰ বিপৰীতে উৎপাদন ব্যয় বৃদ্ধি হৈ আহিছে। বৰ্তমান পূৰ্বোত্তৰ ক্ষেত্ৰত প্ৰায় ৯,০০০ বিষয়া কৰ্মচাৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰী নিয়োজিত হৈ আছে। শিৱসাগৰ জিলাৰ তৈলক্ষেত্ৰকেইখনৰ উৎপাদিত তেলৰ প্ৰাথমিক মজুতকৰণ আৰু পৰিশোধনৰ বাবে লাকুৱাত ৮টা, গেলেকীত ৩টা, ৰুদ্ৰসাগৰত ৪টা, ডিমুৱালগাঁৱত এটা জি.জি এছ. (Group Gathering Station) আৰু লাকুৱা, গেলেকীত এটাকৈ মুঠ দুটা চি টি এফ (Central Tank Farm) আছে। ইয়াৰ উপৰি কেইবাটাও Water Injection Plant (WIP), Effluent Treatment Plant (ETP), Gas Compressor Plant (GCP) আছে। বৰ্তমান শিৱসাগৰ জিলাত অ'.এন জি.চিৰ ২২টা ড্ৰিলিং ৰিগে খনন চলাই আছে। ইয়াৰে দুটা শিৱানী নামৰ এটি ব্যৱসায়িক গোষ্ঠীৰ। আনহাতে তেল, গেছ উৎপাদনত ১৪টা অ'.এন.জি.চিৰ নিজা আৰু ৫টা ঠিকাভিত্তিক, মুঠ ১৯টা workover ৰিগে কাম কৰি আছে। বিষয়া-কৰ্মচাৰীৰ বাবে নাজিৰা, শিৱসাগৰ, লাকুৱা, গেলেকীত চাৰিটা সুব্যৱস্থা সম্পন্ন আবাসিক এলেকা আছে। বিজুলিশক্তি যোগানৰ বাবে লাকুৱা, গেলেকী, ৰুদ্ৰসাগৰত তিনিটা Captive Power Plant (CPP) আছে। বিষয়া-কৰ্মচাৰীৰ চিকিৎসাৰ বাবে নাজিৰা, লাকুৱাত দুখন ডিছপেনছেৰী আছে আৰু ১৯৭৮ চনত শিৱসাগৰ আবাসিক অঞ্চলত অ'.এন.জি.চিয়ে স্থাপন কৰে এখন ৬০খন বিছনাযুক্ত অত্যাধুনিক সা-সুবিধা ভৰা চিকিৎসালয়। চিকিৎসালয়খনত বাৰটা বিভাগ, চৰকাৰৰদ্বাৰা অনুমোদিত এটা তেজ সংগ্ৰহ-সংৰক্ষণ কেন্দ্ৰ, এটা উন্নত যন্ত্ৰপাতি সম্বলিত পেথ'লজী লেবৰেটৰী, ফীজিঅ'থেৰাপি কেন্দ্ৰ আছে। অ'.এন.জি.চিয়ে সময়ে-সময়ে সাধাৰণ মানুহৰ বাবে বিভিন্ন অঞ্চলত স্বাস্থ্যসেৱা আগবঢ়াই আহিছে। বিনামূলীয়া চকু চিকিৎসা-শিবিৰ, বানাক্ৰান্তৰ চিকিৎসা সাহাৰ্য আদি কাৰ্যসূচী অ'.এন.জি.চিয়ে হাতত লৈ আহিছে। চলিত বৰ্ষত জিলা চিকিৎসা-বিভাগলৈ অ'.এন.জি.চি.-এ এখন ম'বাইল কেন্সাৰ ডিটেকশ্যন এম্বুলেন্স ভান যোগান ধৰিছে। প্ৰতি বছৰে অ'.এন.জি.চি.-এ অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে প্ৰত্যক্ষভাৱে দুই কোটিৰো অধিক অৰ্থ-সাহাৰ্য হিচাপে আগবঢ়াই আহিছে। ইয়াৰ উপৰি ৰাস্তা-পদূলি নিৰ্মাণ, বিদ্যালয় গৃহ নিৰ্মাণ, পানীযোগান আঁচনি আদিৰ বাবেও বছৰি বহু কোটি টকা ব্যয় কৰিছে। শিৱসাগৰ নগৰৰ সৌন্দৰ্য বৰ্ধন আঁচনি আৰু দিখৌ নদীৰ ওপৰৰ ব্ৰিটিছ আমোলৰ দলংখনৰ কাষত নিৰ্মাণ কৰা নতুন দলংখনৰ বাবেও অৰ্থ-সাহাৰ্য আগবঢ়াইছে। ইয়াৰ উপৰি গুৱাহাটী প্লেনেটেৰিয়ামৰ বাবে

১ কোটি, তেজপুৰ বিশ্ববিদ্যালয়ৰ বাবে ২ কোটি, ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ বাবে ইতিমধ্যে ৫৬ লাখ টকা প্ৰদান কৰিছে।

২০০২ চনৰ ১ এপ্ৰিলৰপৰা ভাৰতৰ তেলখণ্ডত থকা চৰকাৰৰ নিয়ন্ত্ৰণ নাইকিয়া কৰি আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ দামৰ ওপৰত ভিত্তি কৰি তেলৰ দাম-নিৰ্ধাৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাত অ' এন জি চি এ বিশ্বৰ বিভিন্ন তেল-কোম্পানীসমূহৰ লগত ফেৰ মাৰিব পৰাকৈ নিজকে সাজু কৰিব লগা হৈছে। সম্প্ৰতি অসম উন্নয়ন প্ৰকল্প নামেৰে এখন আঁচনিৰ অধীনত বহু কোটি টকা ব্যয়সাপেক্ষে শিৱসাগৰৰ পুৰণি তৈলক্ষেত্ৰকেইখনৰ উন্নয়ন তথা উন্নত প্ৰযুক্তি ব্যৱহাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

অ'.এন.জি.চিৰ পূৰ্বোত্তৰ ক্ষেত্ৰই ১৯৯০-৯১ চনত ২.৪৬৫ মিলিয়ন মেট্ৰিক টন, ১৯৯৬-৯৭-ত ১ ৯৬৩ মিলিয়ন মেট্ৰিক টন, ১৯৯৭-৯৮-ত ২.৪০৭ মিলিয়ন মেট্ৰিক টন, ১৯৯৮-৯৯-ত ১ ৮২১ মিলিয়ন মেট্ৰিক টন, ২০০০-০১-ত ১.৭৯০ মিলিয়ন মেট্ৰিক টন, ২০০১-০২-ত ১.৯৪ মিলিয়ন মেট্ৰিক টন তেল উৎপাদন কৰিছে। এইদৰে উৎপাদনৰ পৰিমাণ হ্ৰাস হৈ আহি ২০০৯-১০ বৰ্ষত মাত্ৰ ১ ৩৮ মিলিয়ন মেট্ৰিক টন তেল উৎপাদনৰ লক্ষ্যাহে স্থিৰ কৰিব পৰা হৈছে। অনুৰূপ ছবি গেছ উৎপাদনৰ ক্ষেত্ৰতো পৰিলক্ষিত হৈছে। অ' এন জি চিয়ে উৎপাদিত গেছৰ এটা অংশ নিজাভাৱে ব্যৱহাৰ কৰাৰ উপৰি মাইবেলা তাপবিদ্যুৎ কেন্দ্ৰ আৰু গেইল(Gas Authority of India)কো গেছৰ যোগান ধৰি আহিছে। সম্প্ৰতি শিৱসাগৰৰ তৈলক্ষেত্ৰকেইখনৰ দৈনিক গড় উৎপাদন ৩,০০০ ঘনমিটাৰ।

১৯৮৭ চনতে গেছ অথৰিটী অৱ ইণ্ডিয়া লিমিটেডক গেছ যোগান ধৰাৰ ব্যৱসায়িক চুক্তি অ' এন জি চিয়ে কৰিছিল। ১৯৯৮ চনত শিৱসাগৰ জিলাৰ লাকুৱা অঞ্চলত স্থাপন কৰা গেইলৰ প্ৰকল্পটোও অ' এন জি চি ৰ পূৰ্বোত্তৰ প্ৰকল্পৰ গেছ যোগানৰ ওপৰত সম্পূৰ্ণ ৰূপে নিৰ্ভৰশীল। গেইলৰ লাকুৱাত অৱস্থিত LPG Recovery Plant-টোৰ সামৰ্থ্য 2 MMSCMD। এই প্ৰকল্পটো গেছ কম্প্ৰেছৰ (Gas Turbine), Expander, LPG Coloumn, LEF Coloumn, Heat Exchanger, Storoge Gas Bullet —এইকেইটা ভাগত বিভক্ত। বিদ্যুৎশক্তিৰ বাবে দুটা পাৱাৰ প্লেণ্ট (CPP) আছে। বৰ্তমান বিষয়া-কৰ্মচাৰী প্ৰায় ১৫০ জন। বিষয়া-কৰ্মাচাৰীৰ বাবে শিৱসাগৰত আৰু নিৰাপত্তাৰক্ষীৰ বাবে লাকুৱাত দুটি আবাসিক অঞ্চল আছে। এই প্ৰকল্পটোৰ উৎপাদন আশানুৰূপ নোহোৱাৰ মূল কাৰণ হ'ল অ'.এন.জি.চি.ৰপৰা পৰ্যাপ্ত পৰিমাণে প্ৰাকৃতিক গেছৰ যোগান নোপোৱাটো। সম্প্ৰতি অ'.এন.জি.চি.-এ গেইলক দৈনিক গড়ে ৬ লাখকৈহে (6LSCM/Day) গেছ যোগান ধৰি আহিছে। উৎপাদন কৰা LPG বৰ্তমান স্থল-পৰিবহন যোগেৰে IOC-ৰ Bottling Plant-লৈ পঠোৱা হয়। ইয়াৰ উপৰি চেলেংহাট, আমগুৰি, বৈচাহাবি আদি কেইবাখনো চাহবাগিচালৈ Natural Gas পঠোৱাৰ ব্যৱস্থা কৰিছে। গেইলে Solvex নামে এটা bi-prodeect (ৰং উদ্যোগত ব্যৱহাৰৰ বাবে) বজাৰত মুকলি কৰিছে। ডিব্ৰুগড় গেছ ক্ৰেকাৰ প্ৰকল্প সম্পূৰ্ণ হ'লে গেইল অধিক লাভৱান হোৱাৰ থল আছে। গেছ ক্ৰেকাৰ প্ৰকল্পত গেইলৰ প্ৰত্যক্ষ বিনিয়োগৰ লগতে উৎপাদনৰ নতুন দিশো মুকলি হ'ব।

বৰ্তমান গেইলৰ লাকুৱা প্ৰকল্পৰ উৎপাদন লাভজনক নহয় যদিও লাকুৱা তথা শিৱসাগৰৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে গেইলে পুঁজি বিনিয়োগ কৰিছে।

ময়ূৰ কুমাৰ গগৈ

ডিঅ'জলি আংগামীৰ স্মৃতিৰ মণিকোঠাত ৰক্তাক্ত কাৰ্গিল ঃ কিছু ইতিহাস

তথা মানবীয়তাৰ সৌধত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ

আগকথা

কেই বছৰ মানৰ আগতে এজন বন্ধুৱে এটা প্ৰশ্ন সুধিছিল, "জীৱন কি?" প্ৰশ্নটোৰ উত্তৰ বিচাৰি কিছু সময় তভক লাগি ৰৈছিলোঁ। আৰু একপ্ৰকাৰ ধেমালিতে উত্তৰ দিছিলোঁ যে জীৱনটো সিজোৱা চাইনিজ নুডল্‌ছ্‌বোৰৰ নিচিনা; তুমি যেনেকৈ সজাব খোজা তেনেকৈয়ে খাপ খাই পৰিব।

আচলতে জীৱন সৰু-বৰ ঘটনাৰ এক ধাৰাবাহিক ইতিহাস; প্ৰত্যেকটো দিনেই যেন একোটাহঁত নতুন পাঠ, এখন বিশেষ ধৰণৰ টোকাবহী। সেয়েহে নেকি থমাছ কাৰ্লাইল (১৭৯৫-১৮৮১) নামৰ এগৰাকী স্কটিছ লেখকে সঠিকভাৱেই উপলব্ধি কৰিছিল যে— "Life is a succession of lessons which must be lived to be understood..."। অৰ্থাৎ নিজৰ জীৱনটোক বুজি পাবলৈকে আমি জীয়াই থাকিব লাগিব। কিন্তু এনে কিছুমান জীৱনো আছে— যি দিছে দেশৰ বাবে অপৰিসীম ত্যাগ আৰু যাৰ বুকুত আছে দুৰ্জেয় সাহস, প্ৰেৰণা আৰু দেশপ্ৰেমৰ অমল উৎস, যি ১৯৯৯ চনৰ ৰক্তাক্ত কাৰগিল যুদ্ধত দুখনকৈ হাত হেৰুওৱাৰ পাছতো নিজৰ পঙ্গুত্বক জিনিছে আৰু জীৱনটোক বাস্তৱৰ মাজেৰে চাবলৈ শিকিছে।

এইগৰাকী মহান সেনানীৰ নাম হৈছে ডিঅ'জলি আংগামী (Duozolie Angami)। বৰ্তমান তেওঁ নাজিৰাস্থ তেল আৰু প্ৰাকৃতিক গেছ নিগম(O.N.G.C.L.)ৰ এগৰাকী কৰ্মচাৰী। তেওঁৰ সৈতে প্ৰায় তিনি ঘণ্টা সময় কথা পাতিছিলোঁ, য'ত উন্মোচিত হৈছিল ডিঅ'জলি আংগামীৰ সৰলমনা ব্যক্তিত্ব আৰু কাৰগিলৰ কিছু ইতিহাস।

প্ৰায় ১৪টা জনগোষ্ঠীৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰপৰা প্ৰায় দুহাজাৰ ফুট উচ্চতাত অৱস্থিত আমাৰ ওচৰ-চুবুৰীয়া নাগালেণ্ড। এই নাগালেণ্ডৰ ৰাজধানী হৈছে কহিমা। কহিমাৰ পুৰণি নাম 'Thigoma'। কহিমা শব্দটোৰ উৎপত্তি হৈছে 'Kew Hi Ma'ৰপৰা। 'Kew Hi' হৈছে পৰ্বতত গজা এবিধ উদ্ভিদ। 'Kew Hi' নামৰ ফুলবিধ যি ঠাইত গজে সেয়াই 'Kew Hi Ma' বা 'Kohima'।

ডিঅ'জলি আংগামীৰ প্ৰকৃত ঘৰ হৈছে এই কহিমাৰপৰা ২৫ কিলোমিটাৰ দূৰৈৰ জাদিমা (Zadima) নামৰ গাঁওখনত। ডিঅ'জলিৰ পিতৃৰ নাম নেইকোৱা আংগামী (৭৩) আৰু মাতৃ হ'ল কেৰিঅ'চি

আংগামী (৬৫)। তেওঁৰ বায়েক-ভনীয়েক চাৰিগৰাকী। ডিঅ'জলি আছিল ঘৰখনৰ একমাত্ৰ ল'ৰা। গতিকে ঘৰখনে ডিঅ'জলিক লৈ অনেক সপোন দেখিছিল। ডিঅ'জলিক নাম লগাই দিছিল কহিমাৰ খ্ৰাইষ্ট কিং স্কুলত। তেওঁ সৰুৰেপৰাই মন বান্ধি লৈছিল— ভাৰতীয় সেনা-বাহিনীত এদিন যোগ দিবই দিব। মিলিটেৰী বুট জোতাৰ শব্দ শুনি আৰু বন্দুকবোৰ দেখি-দেখি ডিঅ'জলিয়ে সঁচাকৈয়ে এদিন যোগ দিছিলগৈ ভাৰতীয় সেনা-বাহিনীৰ ১নং নাগা ৰেজিমেণ্টত।

সেয়া আছিল ১৯৯৭ চনৰ কথা। ডিঅ'জলি আছিল তেতিয়া নৱম শ্ৰেণীত। ডিঅ'জলিয়ে তেওঁৰ শৈশৱ আৰু কৈশোৰ পাৰ কৰিছিল কেৱল খেলৰ মাজেৰে। তেওঁ কি নেখেলিছিল! ফুটবল, বাস্কেটবল, ভলীবলকে ধৰি নাগা ৰেষ্টলিং আৰু অলপ-অচৰপ টাইকোৱাণ্ডোও। ক্লাছ ফ'ৰপৰা ক্লাছ নাইনলৈকে তেওঁ আছিল শ্ৰেণীৰ স্পৰ্টছ্ কেপ্টেইন। ১৯৯৪-১৯৯৫ চনত তেওঁ All Nagaland Volley Ball Tournament-ত স্কুলৰ হৈ খেলি যথেষ্ট নাম কৰিছিল। আজিও তেওঁ সপোন দেখে বাস্কেট বল খেলাৰ। নিয়তিৰ কি অদৃষ্ট পৰিহাস! ২৫ মে', ১৯৯৯-ৰ দিনটোৱে তেওঁৰপৰা কাঢ়ি নিলে এখন নহয়, দুযোখন হাত।

ডিঅ'জলিক প্ৰথমেই সুধিছিলোঁ কিদৰে ভাৰতীয় সামৰিক বাহিনীত যোগ দিছিল। উত্তৰত ডিঅ'ই কৈছিল তেওঁৰ অংক বেয়া পোৱা স্বভাৱটোৰ কথা। শ্ৰেণীৰ পৰীক্ষাত অংকত বেয়া কৰি ঘৰতে কিছুদিন বহি আছিল নৱম শ্ৰেণীৰ ডিঅ'। পৰিয়ালৰ অনেক অনুৰোধকো আওকাণ কৰি কহিমাৰ খ্ৰাইষ্ট কিং স্কুলৰ হোষ্টেললৈ উভতি যোৱা নাছিল তেওঁ। অথচ এই স্কুলখনৰ হোষ্টেলত ছিট পোৱাটো আছিল বৰ কঠিন। হঠাৎ এদিন তেওঁৰ খুড়াক Neirjjya-ৰে ডিঅ'ক সুধিলে যে তেওঁ ভাৰতীয় সেনাবাহিনীৰ 'Sports Quota'-ত যোগ দিব নেকি? যেন তাৰ বাবেই ডিঅ' ৰৈ আছিল! সমগ্ৰ নাগালেণ্ডৰ ভিতৰত একমাত্ৰ ডিঅ'ই যি স্পৰ্টছ্ কোটাত সামৰিক বাহিনীত যোগ দিয়াৰ বাবে সুবিধা পালে। কিন্তু এয়া আছিল ভাৰতীয় সেনা-বাহিনীত যোগ দিয়াৰ বাবে প্ৰথমটো ঢাপহে। অথচ এইটো চাকৰি ডিঅ'ই যে পাব তাৰ কোনো নিশ্চয়তা নাছিল। জেপত মাত্ৰ দুহাজাৰ টকা লৈ কাহানিও আগেয়ে নাগাৰাজ্যৰ বাহিৰ নোলোৱা ডিঅ'ই যাত্ৰা কৰিলে ৰাণীখেতলৈ ৰে'লেৰে। ৰাণীখেত পাওঁতে ডিঅ'ৰ চাৰি দিন লাগিল। ইয়াতে আৰম্ভ হ'ল এক নতুন অধ্যায়— ভাৰতীয় সেনা-বাহিনীয়ে দিয়া কঠিন ট্ৰেইনিং।

সমুদ্ৰপৃষ্ঠৰপৰা ৬,২০০-৭,০০০ ফুট উচ্চতাত অৱস্থিত হিমালয়-কন্যা— চালে চকু ৰোৱা ৰাণীখেত। ৰাণীখেতৰ নাম ল'লে আমি ক'ব লাগিব এগৰাকী ইংৰাজ নৰমান ট্ৰুপৰ কথা। এই এড্‌ভেঞ্চাৰ ভাল পোৱা ট্ৰুপে ৰাণীখেতৰ আটাইতকৈ ওখ চূড়াটোত থাকিবলৈ এঢলীয়া পাহাৰত আৰম্ভ কৰিলে চাহখেতিৰ। বৰ্তমান নৰমান ট্ৰুপ থকা চূড়াটোক জনা যায় 'ট্ৰুপ হিল' নামেৰে আৰু ইয়াতেই কুমাওঁ ৰেজিমেণ্টেল চেণ্টাৰৰ 'Administration Battalion'ৰ কাৰ্যালয় আছে। আকৌ ১৮২৪ চনত হেবৰ নামৰ এজন বিশ্বপে (Bishop Hebor) ৰাণীখেতৰ এই বিশেষ ঠাইটুকুৰা দেখি তাৰ সৌন্দৰ্যত ইমানেই মোহিত হ'ল যে ফলশ্ৰুতিত তদানীন্তন দিল্লীৰ ব্ৰিটিছ চৰকাৰে ইয়াক অকল এক মিলিটেৰী কেণ্টনমেণ্টলৈ ৰূপান্তৰ কৰাই নহয়, সমতলৰ গৰম সহ্য কৰিব নোৱৰা ইংৰাজ সৈন্যসকলৰ বাবে এটুকুৰা স্বাস্থ্যকৰ আবাস ৰূপেও নিৰ্বাচন কৰিলে। ব্ৰিটিছ চৰকাৰে নৰমান ট্ৰুপৰ চাহখেতিবোৰ নিজৰ অধীনলৈ আনিলে। কিছুমান ইংৰাজ ইঞ্জিনীয়াৰৰ দক্ষতাত এখন 'মিনি

ইংলেণ্ড' গঢ়লৈ উঠিল। শেষত ১৮৬৯ চনত মিলিটেৰী কেণ্টনমেণ্টটো চোৱা-চিতা কৰিবলৈ এখন কেণ্টনমেণ্ট ব'ৰ্ড গঠন কৰা হয় আৰু আজি পৰ্যন্ত সেই কেণ্টনমেণ্টটো এইখন ব'ৰ্ডেই চলাই আছে। বৰ্তমান ৰাণীখেত কুমাও ৰেজিমেণ্টৰ বাসভূমি। ইয়াতে ১ নৱেম্বৰ, ১৯৭০ চনত Lt. Col. R. N. Mahajan, VSM-ৰ অধীনত ১নং নাগা ৰেজিমেণ্ট গঠিত হৈছিল।

সি যি নহওক, ডিঅ'জলি আংগামীয়ে ৰাণীখেতৰ কঠিন সামৰিক ট্ৰেইনিংটোত সফলতাৰে উত্তীৰ্ণ হ'ল। অৱশ্যে ৰাণীখেতত থকা কালত ডিঅ'ই সৰহভাগ সময় খেলৰ মাজতে কটাইছিল যিহেতু তেওঁ নিৰ্বাচিত হৈছিল 'স্পৰ্টছ্ কোটাত। ডিঅ'ৰপৰা এটা কথা গম পালোঁ যে ভাৰতীয় সেনা-বাহিনীত খেলৰ কোটাত নিযুক্তি পোৱাসকলে প্ৰমোশ্যন আনতকৈ খৰকৈ পায়।

ডিঅ'ই ৰাণীখেতৰ সেই দুৰূহ সামৰিক ট্ৰেইনিঙৰ কথা সুঁৱৰি একপ্ৰকাৰ ভাবগধুৰ হৈ পৰিছিল। কৈছিল তেওঁ, কিদৰে পকেটত নিয়া দুহাজাৰ টকা ট্ৰেইনিং কৰি থকা কালত শেষ হৈছিল। ঘৰলৈ ঘূৰি আহিবলৈ ট্ৰেইনৰ টিকট কটাৰো সামৰ্থ্য নাছিল। ৰাণীখেতৰ সামৰিক ট্ৰেইনিঙত অনুত্তীৰ্ণ হোৱা মানে চাকৰিৰ আশা বাদ দি ঘৰমুখী হোৱা। মাথোঁ ডিঅ'ই নহয় নাগালেণ্ডৰ অন্যান্য অনুত্তীৰ্ণ প্ৰাৰ্থীৰ টকাৰ ভাণ্ডাৰ ডিঅ'ৰ আগতেই শেষ হৈ গৈছিল। সেই অনুত্তীৰ্ণসকলক ৰাণীখেতত থকা নাগা ৰেজিমেণ্টৰ সৈনিকসকলে টকা-পইছা তুলিহে পুনৰ ঘৰলৈ ঘূৰাই পঠাইছিল।

ডিঅ'ই ১নং নাগা ৰেজিমেণ্টত নিযুক্তিপত্ৰ লাভ কৰিলে। সেয়া আছিল ১৯৯৭ চন মানৰ কথা। ডিঅ'ৰ বয়স তেতিয়া ২২ বছৰ। ডিঅ'ই প্ৰথম সন্মুখীন হোৱা সমস্যাটো আছিল হিন্দী নজনাটো। কিন্তু তেওঁৰ বাবে ওপৰজনাই লিখি থৈছিল— এখন যুদ্ধ, এটা জীৱনৰ প্ৰত্যাহ্বান।

কাৰগিলৰ যুদ্ধ ঃ এক নতুন প্ৰত্যাহ্বান

প্ৰায় এবছৰ দিন ধৰি ৰাণীখেতত কটোৱাৰ অন্তত ডিঅ'জলি ধাৱমান হ'ল বিশ্বৰ সৰ্বোচ্চ উচ্চতাত থকা ভাৰত-পাক যুদ্ধক্ষেত্ৰ ছিয়াচিন অঞ্চললৈ। ভৌগলিকভাৱে ছিয়াচিন গ্লেচিয়াৰৰ স্থান হৈছে হিমালয় পৰ্বতৰ পূব কাৰাকৰামৰ 35.5^{0}N আৰু 77.0^0 E-ত আৰু ভাৰত-পাকৰ নিয়ন্ত্ৰণ ৰেখাৰ পূবত। কাৰাকৰামৰ ভিতৰত আটাইতকৈ দীঘল প্ৰায় ৭০ কি.মি. জোৰা ছিয়াচিন গ্লেচিয়াৰৰ উচ্চতা ইয়াৰ উৎস ইন্দিৰা ক'লত সমুদ্ৰপৃষ্ঠৰপৰা প্ৰায় ১৮,৮৭৫ ফুট আৰু মোহনা অঞ্চলত ১১,৮৭৫ ফুট।

ভাৰত আৰু পাকিস্তান উভয়ৰে ২০,০০০ ফুট উচ্চতাত উক্ত ছিয়াচিন গ্লেচিয়াৰ অঞ্চলত সেনা-ছাউনী আছে। ইয়াৰ প্ৰতিকূল বতৰৰ কাৰণে তথা প্ৰাকৃতিক দুৰ্যোগবশতঃ দুহাজাৰৰো অধিক লোকে ইয়াত প্ৰাণ বিসৰ্জন দিছে। উল্লেখযোগ্য যে ১৩ এপ্ৰিল, ১৯৮৪ চনত ভাৰতে বিখ্যাত কুমাও ৰেজিমেণ্ট তথা ভাৰতীয় বায়ুসেনাবাহিনীৰ সহায়ত ছিয়াচিন অঞ্চলত পাতনি মেলিছিল 'অপাৰেশ্যন মেঘদূত'ৰ। তেতিয়াৰেপৰা ২০০৩ চনলৈকে ভাৰত-পাক দুয়োখন দেশে ছিয়াচিন গ্লেচিয়াৰক লৈ যুদ্ধত লিপ্ত হৈছে আৰু উভয়ে এটা হিচাপ মতে ৫০০ মিলিয়ন ডলাৰ খৰচ কৰিছে প্ৰায় ১৫০টা 'Manned Outpost'-ত।

ছিয়াচিনৰ ইতিহাস বৰ দীঘলীয়া। তথাপি ইয়াকে ক'ব পাৰি যে ১৯৭২ চনৰ চিমলা-চুক্তিত ছিয়াচিন গ্লেচিয়াৰ কাৰ নিয়ন্ত্ৰণত— ভাৰত নে পাকিস্তানৰ সেই বিষয়ে কোনো স্পষ্ট নিৰ্দেশনা

নাছিল আৰু United Nation-ৰ বিষয়াই হয়তো এবাৰো ভবা নাছিল যে অবাসোপযোগী জনশূন্য এই ছিয়াচিনক লৈ ভাৰত-পাকৰ মাজত এদিন তিক্ততাই দেখা দিব। পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মুছাৰফে নিজৰ সোঁৱৰণীত এইদৰে অভিযোগ কৰিছে যে ভাৰতে ছিয়াচিনৰ প্ৰায় ৯০০ বৰ্গ মাইল অধিকাৰ কৰি ৰাখিছে।

তদুপৰি ১৯৯৯-ৰ ৰক্তাক্ত কাৰগিল যুদ্ধৰ অন্যতম কাৰণ আছিল হেনো এই ছিয়াচিন গ্লেচিয়াৰ। খেনোৰ মতে পাকিস্তানৰ মুখ্য উদ্দেশ্য আছিল কাৰগিল অধিকাৰ কৰি কাৰগিলৰ বিনিময়ত ছিয়াচিন অঞ্চলৰ হস্তান্তৰকৰণ। ১৯৯৯ চনৰ তদানীন্তন ভাৰতীয় সেনাবাহিনীৰ মুৰব্বী বেদপ্ৰকাশ মালিকৰ মতে পাকিস্তানৰ লক্ষ্য আছিল টুৰটুকৰ উপৰি কাৰগিল-টুৰটুক ছেক্টৰৰ ভাৰতৰ ভিতৰৰ প্ৰায় ৭০০ বৰ্গ কি.মি ৰ এটা অঞ্চল দখল কৰি ছিয়াচিন গ্লেচিয়াৰৰ দক্ষিণ আৰু কেন্দ্ৰীয় অংশ নিজৰ হাতলৈ নিয়াৰ, লগতে শ্ৰীনগৰ-কাৰগিলৰ পথটোত হেঙাৰ সৃষ্টি কৰাটো। উল্লেখনীয় National Highway ID-য়ে দ্ৰাছৰ মাজেৰে গৈ শ্ৰীনগৰ আৰু লেহক সংযোগ কৰিছে। এই পথটোৰ সৈতে সংযুক্ত হৈ আছে বহুচৰ্চিত টাইগাৰ আৰু টললিং (Tololing) অঞ্চল।

গতিকে ছিয়াচিন অঞ্চলৰ সৈতে কাৰগিলৰ যুদ্ধৰ এক সুসম্পৰ্ক আছে। বোধকৰোঁ ছিয়াচিন গ্লেচিয়াৰৰপৰা ভাৰতীয় সেনাক একপ্ৰকাৰ আঁতৰি আহিবলৈ বাধ্য কৰি কাশ্মীৰৰ সমস্যা সমাধানৰ হকে ভাৰতক হেঁচা প্ৰয়োগ কৰাটোও পাকিস্তানৰ অন্যতম উদ্দেশ্য আছিল। সেয়েহে, পাকিস্তানে তেওঁলোকৰ সেনা আৰু কাশ্মীৰৰ উগ্ৰপন্থীৰ সহায়ত ভাৰতৰ ফালৰ নিয়ন্ত্ৰণ ৰেখা(Line of Control)-ৰ অন্তৰ্ভাগলৈ সোমাই আহি সূচনা কৰিলে তেজৰ নৈ বোওৱা কাৰগিল যুদ্ধৰ। পাকিস্তানৰ উক্ত অবৈধ অনুপ্ৰৱেশক পাকে নাম দিছিল 'Operation Badr'।

ডিঅ'ই ছিয়াচিনৰ তীব্ৰ ভয়াবহতাখিনিৰ কথা আমাক বিস্তৃতভাৱে কৈ গ'ল। কৈ গ'ল তেওঁ কেনেকৈ হঠাৎ কাৰগিলৰ যুদ্ধত অৱতীৰ্ণ হ'ল।

ডিঅ'ই ছিয়াচিনলৈ যাত্ৰা কৰি থকা অৱস্থাতে হঠাৎ খবৰ পালে যে দ্ৰাছ অঞ্চলৰ কোনো পাহাৰীয়া এলেকাত উগ্ৰপন্থীৰ প্ৰৱেশ ঘটিছে। গতিকে তেওঁলোক ততালিকে যাব লাগে। কাশ্মীৰৰ উগ্ৰপন্থীক প্ৰতিহত কৰাত যিহেতু নাগা ৰেজিমেন্টৰ ৰেকৰ্ড আনতকৈ যথেষ্ট ভাল, সেয়েহে ডিঅ'ইঁতৰ ১নং নাগা ৰেজিমেন্টক শীঘ্ৰে দ্ৰাছ ছেক্টৰৰ অবৈধ 'উগ্ৰপন্থী'(বা অবৈধ অনুপ্ৰৱেশকাৰী)ক আঁতৰ কৰিবলৈ জৰুৰী নিৰ্দেশ দিয়া হ'ল। কিন্তু তেতিয়ালৈ এয়া যে পাকিস্তানৰ সেনা আৰু উগ্ৰপন্থীৰ এক সুবৃহৎ সুপৰিকল্পিত আঁচনি সেই সম্পৰ্কে ভাৰতীয় সেনা-বাহিনীৰ হাতত নিৰ্দিষ্ট তথ্য নাছিল। ৬ মে' ১৯৯৯-ত বাটালিক ছেক্টৰৰ পূৱলৈ ৯-১০জন মান পাক অনুপ্ৰৱেশকাৰীক ভাৰতীয় সেনাই চিনাক্ত কৰাৰ পাছত দ্ৰাছ, কাকছাৰ আৰু মাছকহ ভেলীৰ উত্তৰে একেটা বছৰৰে মে'ৰ ১০-১৪ তাৰিখৰ ভিতৰত এইচাম জেহাদীক পুনৰ দেখা গ'ল। অবৈধ এইচাম অনুপ্ৰৱেশকাৰী মৰ্টাৰ, এন্টি এয়াৰক্ৰাফট গান, গ্ৰেনেড লাঞ্চাৰ, মাইনছ আদি অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত আছিল। লাহে-লাহে পাকিস্তানৰ এই বৃহৎ ষড়যন্ত্ৰৰ কথা ফাদিল হোৱাত ভাৰতেও 'Operation Badr'ৰ বিপৰীতে আৰম্ভ কৰিলে 'Operation Vijay'ৰ। এইদৰেই ডিঅ'ই 'অপাৰেশ্যন বিজয়'ত হঠাৎ জড়িত হৈ পৰিল। লগতে তেওঁৰ ১নং নাগা ৰেজিমেন্টটোও। স্থান আছিল দ্ৰাছ ছেক্টৰ, তাৰিখ ১১ মে', ১৯৯৯।



অপাৰেশ্যন বিজয়ৰ সময়ছোৱাত এই নাগা বেটেলিয়নটোৱে অধিকাৰ কৰিলে Black Rock, Thumps Up, Pyramid (Point 5140-ৰ সকলো অংশ), Pimple Hill (এতিয়া Naga Hill) আৰু Point 5060।

ড্ৰাছ ছেক্টৰত ডিঅ' আছিল এসপ্তাহ। ডিঅ' আৰু এক জটিল অভিযানৰ বাবে সাজু হ'ল। ডিঅ'হঁতলৈ ঘটীৰপৰা নিৰ্গত পোহৰো বন্ধ কৰাৰ কাৰণে নিৰ্দেশ আহিল। ৰাতিৰ অন্ধকাৰত ঘন বৰফ ফালি সাহসী ডিঅ' আগবাঢ়িবলৈ ধৰিলে খুপি খুপি, অত্যন্ত সাৱধানৰে। শত্ৰুহঁত এতিয়া সুবিধাজনক ঠাইত। টাইগাৰ হিলছৰপৰা আক্ৰমণ চলিছে পাকিস্তানৰ। ১৬,৫০০ ফুট উচ্চতাৰ টাইগাৰ হিলছ ভাৰতে দখল নকৰিলে অপাৰেছন বিজয় হ'ব অসফল।

টাইগাৰ হিলছৰ নামনিত শিলৰ ফাঁকে-ফাঁকে অত্যন্ত অসুবিধাজনক স্থানত শত্ৰুৰ সৈতে যুদ্ধৰত ভাৰতৰ ১৮ গ্ৰেনেডিয়াৰ্ছ (Eighteen Granadiers)। তেওঁলোকে কেইবাদিনো নোখোৱা-নোবোৱাকৈয়ে পাকৰ বিৰুদ্ধে অন্তহীনভাৱে যুঁজিছে। কিন্তু সফল হ'ব পৰা নাই। তেওঁলোকক

ৰছদ-পাতি দিবলৈকে আগবাঢ়ি গৈছে ডিঅ'হঁত। প্ৰথম ড্ৰাছলৈ যাওঁতে ডিঅ'হঁতক দিয়া হৈছিল মাত্ৰ তিনিদিনৰ শুকান ৰেচন। সমগ্ৰ নিশাটো ডিঅ'হঁত গৈ থাকিল। অক্সিজেনৰ মাত্ৰা অতি কম হোৱাৰ হেতু প্ৰতিটো খোজেই একোটাইঁত প্ৰত্যাহ্বান হৈ পৰিল। ক্ৰমশঃ যুদ্ধখন ভয়াৱহৰপৰা ভাবিব নোৱৰা ধৰণে ভয়াৱহতৰ হৈ পৰিল। ইয়াৰ পাছত ডিঅ' আকৌ এবাৰ তললৈ নামি আহিল। আৰু প্ৰথমবাৰৰ কাৰণে দেখিলে শাৰী-শাৰী বফৰ্ছ টোপ, যাৰ মাৰণ ক্ষমতা প্ৰায় ৩৫ কি.মি আৰু এটা টোপৰ ওজন প্ৰায় ৪০ কে.জি. (ডিঅ'ই জনোৱা মতে)। ভাৰতে ১৯৯৯ চনৰ কাৰগিল যুদ্ধত ব্যাপক ৰূপত ব্যৱহাৰ কৰা এই FH77 বফৰ্ছ গানবোৰ পাকিস্তানে এই ৰণত ব্যৱহাৰ কৰা মধ্যমীয়া 'Artillary Gun'তকৈ যথেষ্ট উন্নত আছিল আৰু প্ৰতি ১২ ছেকেণ্ডত ৩ ৰাউণ্ডকৈ ফায়াৰ কৰিছিল।

ভাৰতে ব্যৱহাৰ কৰা বফৰ্ছ টোপে এতিয়া অতি সহজে পাক-অধিকৃত কাশ্মীৰৰ 'Skardu'ৰ দৰে টাউনো লক্ষ্য ৰূপে ল'ব পাৰে। যিবোৰ বফৰ্ছ টোপ বৰ্তমান ১০,০০০-১৩,০০০ ফুট উচ্চতাত স্থাপন কৰা হৈছে।

ডিঅ'ৰ ঘড়ীত তেতিয়া প্ৰায় পুৰা দহ বাজিছে। তাৰিখ ২৫ মে', ২০০৯, যিটো দিন ডিঅ'ই জীৱনত মনত পেলাই যাব আমৰণ। হাতত LNG2-ৰ গধুৰ গুলিবোৰ। এহাতে এজন মনিপুৰী সৈনিক আৰু লগত আন এজন। ডিঅ' মাজত। ডিঅ'ই আমাক বাৰে-বাৰে কৈছিল, বন্দুকৰ গুলিলৈ মোৰ ভয় নালাগে, লাগে বফৰ্ছৰ দৰে টোপৰ গোলালৈ, যি অতি ভয়ংকৰ, তাৰ বিস্ফোৰণত মাটি কঁপি যায় আৰু প্ৰহাৰ ক্ষমতা সাংঘাতিক। এনেকুৱা গোলাবোৰ আহি ক'ত পৰিব তাৰ কোনো নিশ্চযতা নাই আৰু যদি গাৰপৰা অলপ আঁতৰতো পৰে তেতিয়াও হয়তো ৰক্ষা নাই। ডিঅ'ই নিবিচৰাটোৱেই হ'ল। এটা পাকিস্তানী গোলাই ডিঅ'ৰ সৈতে যুঁজি থকা দুয়োজন ভাৰতীয় সৈনিকক উৰুৱাই নিয়াৰ লগতে ডিঅ'ৰো দুয়োখন হাতত প্ৰচণ্ড আঘাত হানিলে। এই গোলাৰ ভিতৰত থকা স্প্লিন্টাৰ(splinter)-এ ডিঅ'ৰ মুখ আৰু ভৰিৰ য'তে-ত'তে ঘাইল কৰিলে। ডিঅ' মূৰ্ছা গ'ল। তেওঁক ততাতৈয়াকৈ গুৰুতৰ অৱস্থাত সামৰিক চিকিৎসালয়লৈ অনা হ'ল।

দুসপ্তাহৰ অন্তত ডিঅ'ৰ দুয়োখন হাত 'এম্পুটেশ্যন' কৰিবলগীয়া হ'ল। এনেদৰেই আৰম্ভ হ'ল এটা অবাঞ্ছিত অধ্যায়, এক অনিশ্চিত ভৱিষ্যৎ। এয়াই হ'ল যুদ্ধ, য'ত আইন বোলা বস্তুটো নাথাকে —যিটো উক্তি দি গৈছে Cicero-য়ে (Marcus Tullius Cicero —এগৰাকী ৰোমান দাৰ্শনিক, ভাষাবিদ, অনুবাদক। জীৱনকাল ঃ ৩ জানুৱাৰী, ১০৬ খ্ৰীষ্টপূৰ্ব-৬ ডিচেম্বৰ, ৪৩ খ্ৰীষ্টপূৰ্বলৈ)। আন এগৰাকী ঘোৰ যুদ্ধ-বিৰোধী দাৰ্শনিক বাৰ্ট্ৰেণ্ড ৰাছেলে হয়তো ঠিকেই উপলব্ধি কৰিছিল যে যুদ্ধই কোন শুদ্ধ সেইটো বিচাৰ নকৰে, কিন্তু কোন থাকি যায় তাক নিৰ্ণয় কৰে। যুদ্ধৰ পাছৰ পঙ্গু জীৱনবোৰ, কপালৰ সেন্দুৰ মচ খোৱা বিধবাসকলৰ কৰুণ কাহিনীবোৰত আমি বাৰু কিমান গুৰুত্ব দিওঁ?

এইখিনিতে ক'ব পাৰি কাৰগিলৰ যুদ্ধই ৫০০-ৰো অধিক ভাৰতীয় সেনাৰ প্ৰাণ ল'লে। US Department of State-ৰ মতে পাক সেনাৰ নিহতৰ সংখ্যা ৭০০-ৰ ওচৰা-উচৰি। আকৌ পাকিস্তান মুছলিম লীগৰ (নৱাজ শ্বৰীফ গোট) হিচাপ মতে ৩,০০০-ৰো অধিক। বেছিখিনি মুজাহিদীন আৰু অন্যান্য পাক বিষয়া আৰু সেনাৰ মৃত্যু হয় এই ৰক্তাক্ত কাৰগিল যুদ্ধত।

ভাৰত আৰু পাকিস্তানৰ উভয়ৰে এটা নিয়ম আছিল এয়ে যে শীতকালি অসহ্যকৰ ঠাণ্ডা আৰু

প্ৰতিকূল বতৰৰ কাৰণে এল-অ'-চিৰ ওচৰে-পাজৰে থকা আউট পষ্ট কিছুমান এৰি দিয়ে আৰু যিটোৰ সুবিধা লৈ পাক-অনুপ্ৰবেশকাৰীসকলে সৃষ্টি কৰিলে কাৰগিলত এখন ৰক্তৰ খেলা। গতিকে ছিয়াচিনৰ পাছত লাডাখৰ এখন জিলা কাৰগিল এতিয়া ভাৰতবৰ্ষৰ বাবে এক নতুন প্ৰত্যাহ্বান, য'ত গ্ৰীষ্মৰ ৰাতিতো চলে শীতৰ প্ৰবলতা আৰু শীতকালি তাপমান নামে— ৪০° পৰ্যন্ত!

আকৌ নতুন প্ৰভাত হ'ব ঃ

ডিঅ'জলি আংগামীয়ে পাকিস্তানৰ বিৰুদ্ধে দিয়া সাহসী যুদ্ধখন অথলে নগ'ল। পাক আক্ৰমণক মষিমূৰ কৰিবলৈ ভাৰতীয় সেনাই প্ৰথম অগ্ৰাধিকাৰ দিছিল ৰাষ্ট্ৰীয় ঘাইপথ NH ID-ৰ দাঁতি কাষৰীয়া পাহাৰবোৰ, বিশেষকৈ টাইগাৰ হিল আৰু ড্ৰাছৰ টললিং অঞ্চলক। NH IDৰ একেবাৰে ওচৰত আছিল পইণ্ট ৪৫৯০, য'ৰপৰা শত্ৰুপক্ষ পাকিস্তানে NH IDৰ ওপৰত শেনচকু ৰাখিব পাৰে। ১৪ জুন, ১৯৯৯-ত এই ৪৫৯০ পইন্টটো ভাৰতৰ হাতলৈ আহিল। টাইগাৰ হিল ভাৰতৰ হাতলৈ আহিল ১৯৯৯-ৰ জুলাইৰ ৪ তাৰিখে পুৱা ৬ ৫০ বজাত। ১৮ গ্ৰেনেডিয়াৰ্ছ, ২নং নাগা আৰু ৮ শিখ ৰেজিমেন্টৰ ১২-ৰপৰা ১৮জন দুঃসাহসী সৈনিকে প্ৰায় ১,০০০ ফুট এটা চূড়া বগাই পাকিস্তানী সৈন্যক হঠাৎ আক্ৰমণ কৰি সফলতা লাভ কৰিলে। টাইগাৰ হিল বিজয়ৰ সমগ্ৰ অপাৰেশ্যনটো আৰম্ভ হৈছিল ১৯৯৯-ৰ ৩ জুলাইত গধূলি পাঁচ বাজি পোন্ধৰ মিনিটত। ইয়াত ১০ জন পাক-সেনা আৰু ৫ জন ভাৰতীয় সেনা নিহত হয় (জুলাই ৩, ১৯৯৯)। মুঠতে অপাৰেশ্যন বিজয় সফল হ'ল।

প্ৰণিধানযোগ্য যে জুলাই ৪, ১৯৯৯-ত তেতিয়াৰ পাক প্ৰধান মন্ত্ৰী নৱাজ শ্বৰীফে পাকিস্তানী সেনাক কাৰগিল যুদ্ধক্ষেত্ৰৰপৰা উঠাই আনিবলৈ সন্মত হ'ল। অথচ United Jihad Council শীৰ্ষক উগ্ৰপন্থী সংগঠনটোৱে পাকিস্তানে যুদ্ধ নকৰাৰ সিদ্ধান্তক প্ৰত্যাখ্যান কৰি ৰণত নামি যাবলৈকে ঠিক কৰিলে। ১৯৯৯-ৰ জুলাইৰ শেষৰ সপ্তাহটোত ভাৰতবৰ্ষ অন্তিম পৰ্যায়ৰ ৰণাত লিপ্ত হ'ল। ইতিমধ্যে পাকিস্তানী সেনাই ড্ৰাছ ছেক্টৰ এৰি যোৱাৰ লগে-লগে ২৬ জুলাই, ১৯৯৯ চনত ৰক্তাক্ত কাৰগিল যুদ্ধৰ যৱনিকা পৰিল।

আমাৰ আলোচনাৰ নায়ক ডিঅ'জলি আংগামীৰ জীৱনলৈও অকল্পনীয় পৰিৱৰ্তন আহিল। প্ৰথম, তেওঁ দুয়োখন হাত নাইকিয়া পঙ্গু জীৱনটোৰ সৈতে শাৰীৰিক আৰু মানসিকভাৱে সংগ্ৰাম কৰিবলগীয়া হ'ল। তেওঁ ক্ৰমাৎ সুস্থ হৈ আহিল, হাতত ৰবাৰ বেণ্ড মাৰি তাত চামুচ লগাই খোৱা বস্তু গ্ৰহণ কৰিবলৈ ল'লে। এতিয়া চাইকেল চলাবলৈও শিকিছে। পানীৰ বটলৰ ঢাকনি খোলা আদি কামো এতিয়া পটুটাৰে তেওঁ কৰিব পাৰে।

দ্বিতীয়টো গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটিল তেওঁৰ সংস্থানৰ ক্ষেত্ৰত। ২০০০ চনত ভাৰতৰ অগ্ৰণী প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ নিগমে ১৯৯৯ চনৰ কাৰগিল যুদ্ধত শ্বহীদ হোৱা সৈনিকৰ পৰিয়ালবৰ্গ আৰু ৰণত শাৰীৰিকভাৱে অক্ষম হোৱা জনক সন্মান জনাই ৫০টা পদত নিযুক্তি দিয়াৰ এখন আঁচনি ঘোষণা কৰিছিল আৰু উক্ত আঁচনি মতে O.N.G.C. Ltd-ৰ পূৰ্বোত্তৰৰ বাণিজ্যিক ক্ষেত্ৰ(E R B C)ৰ মুখ্য কাৰ্যালয়ত (শিৱসাগৰ জিলাৰ নাজিৰাত) যোগদান কৰিলে ডিঅ'জলি আংগামী আৰু আন দুগৰাকী শ্বহীদৰ বিধবা পত্নী যথাক্ৰমে শ্ৰীমতি প্ৰণতি ডেকা (মৰিগাঁও) আৰু

শ্ৰীমতী কিৰণবালা ৰায়ে (গোৱালপাৰা)।

কাৰগিলৰ যুদ্ধত ভাৰতীয় সেনাসকলে দিয়া অমৰ ত্যাগৰ তুলনাত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ এই নিযুক্তি যদিওবা অতি তুচ্ছ, তথাপি আমি ক'বই লাগিব উক্ত সংস্থাপনে কাল অমানিশাৰ মায়াজাল আঁতৰাই পুনঃ সূৰ্যোদয় ঘটালে।

তদুপৰি CARE TODAY-ৰ ফালৰপৰাও ডিঅ'জলিয়ে আৰ্থিক সাহাৰ্য লাভ কৰিছে। ডিঅ'জলিয়ে ৬লাখ টকীয়া ইংৰাজ চিকিৎসকে নিৰ্মাণ কৰে জাৰ্মান হাতো লাভ কৰিছে। কিন্তু গধুৰ কাৰণে নিপিন্ধে। এই দুয়োখন হাত লাভ কৰিছে ভাৰত চৰকাৰৰ সৌজন্যত। তেওঁৰ জীৱনত নৱতম প্ৰাণৰ সঞ্চাৰ ঘটালে তেওঁৰ ২০০২ চনত হোৱা বিবাহ-প্ৰাৰ্থী সৰুকালৰ খেলৰ লগৰী Ale Angami-য়ে। বেছ আমোদজনকভাৱেহে Ale-য়ে ডিঅ'জলি জীয়াই যে আছে খবৰটো পাইছিল। এখন টেবুলৰ ওপৰত পৰি থকা অদৰকাৰী খবৰকাগজত হঠাৎতে চকু পৰিছিল কাৰগিল যুদ্ধত জখম হোৱা এগৰাকী সেনানীৰ ওপৰত। Ale-য়ে খুউব ভালদৰে খবৰকাগজখন পিটিকি-মোহাৰি চোৱাতহে উৰহী গছৰ ওৰ ওলাইছিল যে তেওঁৰ প্ৰণয়প্ৰাৰ্থী ডিঅ'জলি জীয়াই আছে। Ale-য়ে ডিঅ'জলিৰ বায়েকৰপৰা ডিঅ' কাৰ্গিল যুদ্ধত আহত হৈছে বুলি খবৰ এটা পাইছিল, কিন্তু নিশ্চিত নাছিল ডিঅ' সঁচাকৈয়ে জীয়াই আছেনে নাই? দুটি সন্তান, সুপত্নীৰে সৈতে ডিঅ' আজি সুখী। তেল আৰু প্ৰাকৃতিক গেছ আয়োগে দিয়া কৰ্মসংস্থানৰ বাবে কৃতজ্ঞ তেওঁলোক।

শেষত এইটোকে আশা কৰোঁ দেশৰ প্ৰতিটো ধূলিকণাত শান্তিৰ বাতাৱৰণ থাকক। যুদ্ধ নাথাকক। যুদ্ধ, ৰণাংগন আদি শব্দবোৰ অতীত হওক, Eve Merriam-ৰ ভাষাৰে— "I dream of giving birth to a child who will ask mother, what was war?"

প্ৰবন্ধটো লিখোঁতে ব্যৱহাৰ কৰা তথ্যসমূহ ঃ

১. www. en.wikipedia.org.

২. www globalsecurity.org

৩. **Siachen, Conflict without End**, Lt General V R. Raghavan

৪. **India Today**, January 19, 2009, 'Overhauling the Police', page-3.

৫. 'Why the Army loves the Bofors Gun', July 8, 2009, PTI, NDTV-ৰ সৌজন্যত।

৬. www.quotegarden.com.

৭. Ranikhet the Home of Kumaon Regiment, http:11indianarmy.nic.in

বিশেষ টোকা ঃ

নাগা ৰেজিমেণ্ট ঃ ভাৰতীয় সেনাবাহিনীৰ নবীনতম গোট। ১৯৭০ চনত ৰাণীখেতত ১নং নাগা ৰেজিমেণ্টৰ প্ৰতিষ্ঠা। বৰ্তমানলৈ নাগা ৰেজিমেণ্টে লাভ কৰিছে এটা মহাবীৰ চক্ৰ, ৪টা বীৰ চক্ৰ, ১টা যুদ্ধ সেৱা আৰু ১০টা সেনা মেডেল। নাগা ৰেজিমেণ্টৰ তিনিটা বেটেলিয়ন আছে। ২নং নাগা বেটেলিয়নে কাৰগিলত দেখুওৱা বীৰত্বৰ বাবে এক উপাধি লাভ কৰে— 'Head Hunters'.



বীৰেন বৰকটকী

তোমালোক আকৌ আহিবা

একা বেঁকা পাহাৰী বাটত
এতিয়া বৰফ নাই
পাহাৰৰ টিঙৰপৰা
নামি অহা শুকুলা হাতীৰ পাল
শীতৰ শেষৰ পিনে
ফাগুনৰ এচেৰেঙা ৰ'দালিতে
ঘামি-জামি হাবিত সোমাল।
শাৰী শাৰী সৰলৰ
সুৰুঙাৰে জুমি চাই
সূৰুযে মুকুতা সিঁচে
নতুন যৌৱন পাই
ভৈয়ামলৈ নামিব খোজা
নামহীন কতানা যে জুৰিৰ পানীত।
পলাশ, মদাৰ ফুলি
আকাশ ৰাঙলী হ'ল
তোমালোকৰ তাত চাগৈ
জুই ৰঙা ফুলবোৰে
পাহাৰৰ টিঙে-টিঙে জুইহে জ্বলালে।
আপেলৰ ৰংবোৰে
চুমাৰ বোলেৰে আঁকি নিমজ গালত
নীৰৱ ভাষাৰে কথা ক'লে।
ঋতুৰে-ঋতুৰে অহা জীৱনৰ আদিম তৃষাৰ।
ভৈয়ামৰ নামনিত পলৰীয়া মেঘৰ ভিৰ

দূৰণিৰপৰা অহা পছোৱা এজাকে
বাট ভেটি কৰোঁতে আমনি
শেষ কৰি জাৰৰ ধেমালি
ব'হাগৰ কথা ক'লে আকাশী পথতে।
পাৰ হ'লোঁ জীৱনৰ বহুত ব'হাগ
বহুত ফাগুন গ'ল
খেলি-মেলি মনৰ মাজেদি
তথাপিও বতাহত
আকাশত চিলা উৰা দেখি
বাটে-পথে ভনীটিহঁতৰে
ফাগুনে চুপতি কৰি
চাদৰৰ আগ টনা দেখি
মনটোত এনে ভাব হয়
মন আঁহতৰ ফেৰেঙনিত
কিজানিবা ফুলিব কপৌফুল
ব'হাগৰ স্মৃতিৰে বোলাই।
ফাগুন যোৱাৰ বাটে
চ'ত গ'ই ব'হাগ আহিব
পাহাৰৰ বাটবোৰে
ভৈয়ামক আঁকোৱালি ল'ব
তাহানিৰপৰা সেই চিনাকি বাটেদি
বিহুল'ই তোমালোক আহিবা এবাৰ
একালত ৰঙতে ৰাঙলী হোৱা ৰংঘৰ পথাৰত
সকলোৱে মিলিজুলি বিহুটি পাতিম।
'আলি আই লিগাঙ'ত
নাচি-নাচি ভাগৰ নলগা
মিচিং গাভৰু ল'ই দিচাংমুখৰপৰা
কত জন ইয়েন আহিব
ঢোলৰ ছেৱত 'গোমৰাগ' আকৌ বাজিব
ওজাৰ বিবিধ ছেৱে
পেঁপাৰ টিহিটি মাতে
তোমালোকক ওলগ জনাব।
ভূগোলৰ সীমাৰেখা পাৰ হ'ই
তোমালোক আকৌ আহিবা

অতীতৰ এনাজৰী নিছিঙিবা দেই
তোমালোকে 'মপিন' পাতিবা
'আৰণ'ত 'লোচেৰ'ত
বিধে-বিধে ন-সাজ পিন্ধি
ৰংঘৰৰ পথাৰত ঢোল, পেঁপা, গগনা বজাই
অসমৰ ডেকা-গাভৰুৰ স'তে আকৌ নাচিবা
ৰংঘৰ মুখৰিত হ'ব
বুৰঞ্জীয়ে সঁহাৰি জনাব
মৈদামত হাঁহি বিৰিঙিব।
তোমালোক অহাৰ বাতৰি পালে
ক'ই থম ৰুকমীক
হাঁহিত পদুম ফুলা চেনিমাই সেউতীক
চিৰা-পিঠা সান্দহৰ যোগাৰ কৰিব।
একা-বেঁকা পাহাৰী বাটেদি
লুইতৰ পাৰে-পাৰে
এবুকু মৰম ল'ই
তোমালোক বিহুত আহিবা
ভৈয়ামৰ শিপিনীয়ে দিব
ছ আঙুল ফুল দিয়া ফুলাম গামোচা
তোমালোকে ল'ই অহা নানা বৰণীয়া
খোপাত কপৌফুলকে গুঁজি
আৰু দিব ভৈয়ামৰ
গোন্ধতে আমোলমোল
চেনেহৰ কেতেকী এপাহ
এই স্মৃতি হ'ব যুগমীয়া।
ইয়াৰ স্মৃতিকে ল'ই
সংস্কৃতিৰ বৰ নাওখনি
লুইতত পাৰি দিব
পাৰি দিব মহাভাৰতৰ
নানাভাৱে উদ্ভাসিত হোৱা জনসমুদ্ৰত।

ৰঞ্জিত বৰপূজাৰী

মাথোন ওঠৰ বছৰ বয়সতে নিৰ্বাপিত হৈছিল এই জীৱন। কৈশোৰৰ ডেওনাখন পাৰ হ'বলৈ যো-জা কৰা প্ৰাণচঞ্চল সময়বোৰতে এদিন দুজন সহপাঠীৰে সৈতে গৈ যোৰহাটৰ কোনোবা এটা ষ্টুডিঅ'ত ফটো তোলাৰ কথা ঘৰত মৌখিকভাৱে কৈছিল। কটন কলেজত পঢ়িবলৈ যোৱাৰ পাছত আকস্মিকভাৱে মৃত্যুবৰণ কৰা ৰঞ্জিত বৰপূজাৰীৰ জ্যেষ্ঠ ককায়েক শ্ৰীযুত অজিত বৰপূজাৰীয়ে (চৰকাৰী অধিবক্তা) ভ্ৰাতৃৰ স্মৃতিৰ পম খেদি গৈ এই ফটোকপি উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছিল।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

ভগা লাওখোলাটি

(ৰঞ্জিৎ বৰপূজাৰীৰ স্মৃতিত)

ফুলনিত পৰি আছে ভগা লাওখোলাটি
দুপৰৰ ৰ'দে আৰু নেহাঁহিব কিজানি
মানুহৰ আস্ফালন ভেটিবলে' বৈতৰণী
'আকৌ এবাৰ মাতা বঞ্জিত সোণটি।
পৰি আছে তলমুৱা সেই ডেকা ল'ৰাটি
গালত জিলিকি আছে সুমথিৰা সোণালী
যোৱাৰ আগতে ক'লে বেজবৰুৱাৰ কথাটি
'সিংহ দুৱাৰ খোলা', কত আশা কৰি দোঁহি
দুপৰীয়া ক'লা হ'ল চকুলোৰ কুঁৱলিত
তথাপিতো সময়ৰ নহ'ল সম্বিত।

১৯৬০ চন ঃ অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ স্বীকৃতি দিয়াৰ দাবীত গঢ়ি উঠা ভাষা আন্দোলনত জুলাই মাহৰ ৪ তাৰিখে কটন কলেজৰ ২নং ছাত্ৰাবাসৰ আবাসী, শিৱসাগৰৰ ৰঞ্জিত বৰপূজাৰী পুলিচৰ হাতত নিহত হোৱাৰ সেই অশ্ৰু আৰু যাতনাৰে সিক্ত স্মৃতি।

বীৰেন বৰকটকী

বৰজহা গাঁৱলৈ কিমান দূৰ

বৰজহা গাঁৱলৈ কিমান দূৰ ?
কোনেনো সুধিলে জানো
সময়ৰ বুলনিয়ে মনটিক খেলি মেলি কৰিলে যদিও
তথাপিও বৰজহা গাঁৱৰ স্মৃতিয়ে
কেতিয়াবা মনটিক টানি লৈ যায়।
মেচটি ঘূৰিলে পাবা
দিখৌৰ পাৰতে সেযা
চেনেহৰ বৰজহা গাঁও
ফাগুনৰ পৰশত ফুলিল কিমান তাত
জুই যেন ৰঙা হৈ শাৰী-শাৰী পলাশ, মদাৰ।
হাজাৰ গাঁৱলৈ গ'ই দিবল'ই বিহুৰ বাতৰি
গাঁৱৰ মূৰত থকা ওখ সেই কদমজোপাত
বিহুৱতী পৰিল চাগৈ বিহু বিহু মাতি।
চোমনিৰ ওপৰেদি সেইখন আকাশত উৰি
কেতেকীজনীয়ে চাগৈ কিমান মাতিলে
মাজ নিশা কেতেকীৰ মাতটি শুনাৰেপৰা
সুমলাৰ মন্থৰাত আঁৰ চাগৈ কিমান লাগিল।

বৰজহা গাঁৱলৈ কিমান দূৰ ?
পালেহি খৰালি চ'ত
ঘৰে-ঘৰে আগচোতালত
মূৰত ওৰণি টানি
আঘোণ বা ফাগুনত ৰভাৰ তলত বহা
কত জনী ন বোৱাৰীয়ে
ঘৰৰ জীয়ৰী স'তে
তাঁত-বাটি কৰিলে এতিয়া

ৰঙা আচুৰ পাৰি দি ৰং যেন
পদুলিমূৰত থকা শিমলুফুলীয়া।
খৰিৰ বোজাটি লই
বৰজনা সেইপিনে অহা-যোৱা কৰে
ঘনে-ঘনে ওৰণি টানোতে
বোৱাৰীৰ ভুল লাগি যায
পাৰি জানো কেইযোৰা দিলে?
মেটেকাৰ চিনাকি ডেকাটি
সমুখৰ বাটেদি যাওঁতে
জীয়ৰীৰ মনৰ উঘাটি ঘূৰে
নুঘূৰিল কোনেমতে হাতৰ উঘাটি।
অতপৰে কেঁচা খৰি ফুৱাই-ফুৱাই
যদিওবা চকুৰ তলত জুই
কোনো মতে দিব পৰা নাই
তামোলৰ ৰাঙলী মুখেৰে
শাহু আয়ে বকি-জকি ভাঙিলেহি
গামোচাৰ তাঁত-বাটিৰ শালিকী যুটীয়া।
দূৰণিৰ গাঁৱৰপৰা ঘৰৰ মনটি লই
মাজে-মাজে কেশৰাম আহিছিল এই গাঁৱল'ই
তাঁতৰ পাটতে পাই উমলিক কৈ থলে
ব'হাগৰ প্ৰথম দিনত
তুমি দিবা বাবৰি ফুলীয়া মোক ফুলাম গামোচা
মই বাৰু আনি দিম কেতেকী এপাহ।
বৰজহা গাঁৱলৈ কিমান দূৰ?
এতিয়া চাগৈ বুঢ়া-মেথা গাঁৱৰ ধৰণী
নামঘৰৰ বকুলতলত বহি
গুণ লয় বিহুৰ পঘাৰ
গুণৰ প্ৰতিটো পাকে কিমান মেৰালে
সোঁৱৰণী জীৱনৰ ফাগুন দিনৰ।
বৰজহা গাঁৱলৈ নাই আৰু বহুদূৰ বাট
পাবা গ'ই পানী অনা ঘাট

শুনিবা দূৰৰপৰা পেঁপাৰ টিহিটি মাত
ম'হৰ পিঠিত উঠি ঘাটেদি নি পাৰ হোৱা
চিনাকি-চিনাকি লগা কোনোবা ডেকাৰ।
কিমান পিছল খায় কমলা বিমলা
পানীৰ কলহ লই এইটো বাটত।
ৰৈ ৰৈ বাজি থাকে ঢোলৰ ছেওটি,
গগনাই সঁহাৰি জনায়
কোনোবাই ক'ৰবাত বনগীত গাই
প্ৰতিটো ঢেঁকীৰ মাতে
বিহু অহা বাতৰি শুনায়।
বৰজহা গাঁৱলৈ নাই বহুদূৰ
সেইখন বৰজহা পাওঁ।

জগত চেতিয়া

নতুন মানুহ

আগতে মই পুৰণি মানুহ আছিলোঁ
আজি মই এক নতুন মানুহ
আযে কোৱা কথা
অকণো মনত নাই
প্ৰগতিত ভৰি দিযাৰ বাবেই
পুৰণিৰ কথাবোৰ
একেবাৰে পাহৰি গৈছোঁ
ক'ত কি কৰিছিলোঁ
কাক কি ক'লোঁ
তাকো নজনা হ'লোঁ
এনেকৈয়ে দিনবোৰ পাৰ হৈ গ'ল
নতুন দিনত মগ্ন হৈ
মই কিয় সোমাই গ'লোঁ
কোনে দিলে মোক
এই অফুৰন্ত সাহস।
আইৰ ৰক্ত হৃদয়ৰপৰা
মই আজি বহুত দূৰত
মই ক'ত যাম ক'ত থাকিম
আজি একোকে নাজানো
মোৰ বুকুৰ কামিহাড়কেইডাল
কোনো এক প্ৰখৰ ৰ'দৰ তাপত
শুকাই যোৱাৰ দৰে
গতিহীন মোৰ ভ্ৰান্ত ধাৰণা।

শশীকান্ত গগৈ

প্ৰকৃতি

কোন তুমি, কিবা তুমি, তোমাৰ কেনে ৰূপ?
স্বৰ্গৰাজ্য তোমাৰ ঠাই, — নতু অন্ধকূপ?
মৰ্ত্ত্য-ৰাজ্যত তোমাৰ খেলা
নিজে ৰূপ-হীনা,
দৃষ্টি আঁৰত থাকা সদায়
তেও বিশ্ব জিনা।
মূৰ্তিমান, ৰূপৱান তোমাৰ ৰচনা।
তেনে তুমি মাথোঁ জানো কবিৰ কল্পনা?
ফুল ফুলে ফুলনিত জোনলৈকে চাই,
তিৰিবিৰি সোঁত লই জুৰি বই যায়;
স্পৰ্শ তোমাৰ মধু-মঙ্গল
শীতল বা, পানী,
শ্যাম ধাননি জিলিকি উঠে
তোমাৰ কথা মানি।
তেনে তুমি মধুময়ী মানৱৰ প্ৰিয়া,
আশিসেৰে ধৰাখনি পূৰ কৰি দিয়া

অগনিয়ে গাঁও-ভূঁই কৰি দিয়ে ছাই,
বাৰিষাৰ পানী খাই কত উটি যায়!
দেখি তোমাৰ সেইটি ৰূপ
প্ৰাণত লাগে ভয়;
বিকট হাঁহি হাঁহিয়ে তুমি
গোৱা তোমাৰ জয়

বজ্র-কুঠাৰ লই,
প্ৰলয় সৃষ্টি কৰিম আমি
ৰুদ্ৰ মহাকাল হই।
আমি যুগৰ নবীন অৰুণ,
আমি ছাত্ৰ, আমি তৰুণ।
বাণীৰ বনত বহি আমি শুভ্ৰ কমল লই,
জ্ঞানৰ পূজা কৰোঁ সবে বাণীৰ সেৱক হই,
কণ্ঠ খুলি গাঁও আমি গীত সুমধুৰ,
বিশ্ব-ভুবন পূৰ।
আমি ছাত্ৰ, আমি তৰুণ
আমি যুগৰ নবীন অৰুণ।
শঙ্কৰ মাধৱ অগ্ৰজ আমাৰ
লাচিত তেজত আছে;
দেশৰ বাবে প্ৰাণ বলি দিম
কটা মূৰে নাচে।
মাতি আনো ভাগ্য-সূৰ্য
বজাওঁ আমি মিলন তূৰ্য
গাঁও সবে
উচ্চ ৰবে,
দেশৰ বিজয় গান,
আমাৰ মহান প্ৰাণ।
আমি ছাত্ৰ, আমি তৰুণ,
আমি যুগৰ নবীন অৰুণ।

ঈশান দত্ত

এখন মুখৰ সন্ধানত

মন্দিৰ, মছজিদ, গীৰ্জাৰ ওপৰলৈ
চালেই আকাশ।
এখন দুৱাৰ প্ৰবুদ্ধ হোৱাৰ।

ৰাজপথলৈ দৌৰি আহোঁ
এখন মুখৰ সন্ধানত।
শিশুৰ দৰে। প্ৰেমিকৰ দৰে।
বুদ্ধৰ দৰে। মহম্মদ, যীশুৰ
দৰে।

ক'তা!
সকলো মুখত দাগ। ছাইৰ দাগ।
সকলো চকুত লুব্ধ কামনা।
পতিতা-গলিৰ মুখত
এন্ধাৰলৈ বাট চাই সকলো
মানুহ।

সকলো মুখেই অধোমুখ।
কুমাৰী আকাশ। পিপাসাৰ জল।
ৰৌদ্ৰোজ্জ্বল। তথাপি প্ৰোষিতা।

ঈশান দত্ত

অৰুণোদয়ৰ চোতালত গধূলি ককাৰ লগত

(নাতি ৰিম আৰু তাইৰ লগৰীয়াহঁতৰ হাতত)

সউ তাহানিতে
আমাৰ দেশৰ বেলিমাৰৰ হতাশা-সেমেকা বেলাতে
বেলি ওলোৱাৰ সাধুকথা কোনে-কোনে বাৰু শুনিবা?
সাধু শুনি টোপনি নহয়, সাৰ পাই কোন উঠিবা?
সউ তাহানিতে
সাত সাগৰ তেৰ নদী পাৰ হৈ কোন আহিছিলে?
মিছনাৰীগণ আহিছিলে, ব্ৰাউন, ব্ৰন্সন আহিছিলে,
ডৰথীজনীও আহিছিলে, উভতি যাব নোৱাৰিলে।
আমাৰ দেশৰ মৌ-মাতে মাতাল কৰিছিলে।
আৰু সউখিনিতে, সউ 'বীণাপাণি গান'ৰ কাষতে
ছপাকল পাতি 'অৰুণোদই' কাকত ছাপিলে।
এতিয়াও বাখৰ যেন কাঠৰ আখৰ
হঠাৎ ওলায় কলঙ্কুপৰীয়া পলস খান্দিলে।
তোমালোকে এতিয়াও গৈ চাব পাৰা।

সউখিনিতে এতিয়াও আছে মাইকেল কেচল্ৰ
ঘৰৰ কাষতে নিধিৰামৰ কবৰ।
নিধিৰাম কেনেকৈ নিধিলেবাই ফাৰবেল হ'ল
কেনেকৈ হাতত কলম ল'লে
নেজানিব পাৰা, নুবুজিব পাৰা, কবৰটো চিনি থ'বা।
পাৰা যদি পেলাবা অসহায় এটোপ চকুলো
সেমেকি উঠিব 'অৰুণোদই'ৰ এখিলা নিমাত পাত।
ওচৰত বেলফুটটো নাই। কাৰোবাক সুধি চাবা,
কোন চাহাবৰ সপোন-হ্ৰদত পূৰ্ণিমা নিশাত

জিলিকি ওলোৱা সোণৰ নাৱৰ কথা।
সউ তাহানিতে
আমাৰ দেশৰ বেলিমাৰ তামস বেলাতে
সূৰুয-বোধনৰ দেউধনি কথা কোনে শুনিবা?
সেইটি বেলাতে এইখিনিতে
ইজোপা দুৰ্জয় উৰিয়ামৰ তলতে
বৰ ভাণ্ডাৰ বৰুৱা দেৱান মণিৰাম বীৰ পুৰুষে
স্বাধীনতাৰ লেকাট ধেৱাৰ আখৰাখন পাতিলে
অৰ্জুনগুৰিৰ মেলাতেতো তেওঁ
নতুন সপোন সিঁচিলে।
তাৰো আগতে জেঙনিকটীয়াৰ আলিমূৰতেই
বৰৈ দুৱলীয়া পানীফুকনে অমৰ কীৰ্তি আৰ্জিলে।
সউ তাহানিতে
সউঁটি বাটেদি কত শতবাৰ
অহা-যোৱা কোনে কৰিলে
কমাৰফদীয়া কোঁৱৰপুৰৰ ডিম্বে-মহেশ্বৰ
ইন্দিবৰো আহিলে
আহিয়েই আছে আজিও কতনা
জ্যোতি ভাস্কৰজ্যোতি লীলা নিৰুপমা

নতুন তেজৰ অংকুৰণহঁতো
তাৰ সাধু কিমান শুনিবা?

তাৰো আগতে সউ তাহানিয়ে
এই বাটেদিয়ে ধাইমাজনীও আহিছিলে।
একৈৰীয়া অমৃত আপোনতনৰ
স্বৰ্গদেৱে সৰগ হাততে পোৱা।
বৰগড় যেন বৰ আলিয়েই
এপাক টহলি আহিবা। ধাই আইজনীৰ
'বুৰঞ্জীৰ পাদুকা'ৰ খটপ-খটপ শুনিবা।
জানা মাজনী, এই বাটেদিয়ে শত-শতবাৰ
আজান চাহেবো আহিছিলে। তুমি দীঘলকৈ
উশাহ এটা লোৱা, উশাহত পাবা উম
মৰমৰ, মিলনৰ, মহাকাশ, মহাসাগৰৰ।

আৰু মাজনী, ময়িদুল ইছলামে 'বৰগডিযা' গাঁৱতে
অ-আ ক-খ শিকিছিলে। আৰু জানানে নাই
কথাৰ ৰজা মালিক চৈয়দো দৰা হৈ আহিছিলে।
কি? দৰবাৰ ফিল্ডত দৌৰিবা? আন নাম পল্টন খোলা।
ফিল্ড তো নহয, বুৰঞ্জী। কৈ যাব পাৰোঁ মই চকু মুদি,
ৰাজদৰবাৰ, মিত্ৰ পক্ষৰ হেজাৰ সেনাৰ ছাউনি, ছাযা
বোমা, কাল আন্ধাৰৰ দিন। আমানুল্লা হামিদ প্ৰফুল্ল
তৈযবুন এই ফিল্ডৰে চিন।
ওচৰতে পকাঘাট। ঘাটটো নাই দিখৌৱে নিলে, স্মৃতি
আছে চৈদুদ্দিনৰ কবিতাত, আমি নেথাকিলেও থাকিব
সিপাৰৰে মহেন্দ্ৰ বৰাৰ অমৰ গ্ৰন্থত।

আমি জ্বলাইছোঁ, জ্ঞানৰ মন্দিৰ, ক্ৰীড়াৰ প্ৰাঙ্গন, শিল্পবিজ্ঞান,
নতুন সপোন থাপিছোঁ। ধুমুহা আহক, আন্ধাৰ আহক, সংঘাত,
তথাপি মানুহ আছে। তথাপি মানুহ থাকে। সেই মানুহৰে হাতে
হাত ধৰি নতুন সাধু জানো ৰচিবা?
ৰচিবানে 'মিছন'ৰ নতুন 'কম্পাউণ্ড'?

নাহেন্দ্ৰ পাদুন

হীৰাৰ দৰে কঠিন

মোৰ আজুককাক চাউদাঙে কাটিলে
দোষ তাৰ হাতৰ মুঠিতে শিলটো ভাঙিলে
এনুৱা দিন
সাতজনী নিগনি খীৰাই খাই আছিলে

চিৰি লুইতত মণিব নোৱৰা চৈ
বগুহৰ দেউ উজাই কি ভটিয়ায়
সাণিব নোৱাৰি

পানী উঁৰিযলিত কাণ পাতি নৰ'বা
কাণে কাণ কাটিব

লেকাই চেতিয়াৰ বংশধৰ
বা দিলেই উৰি যোৱা উত্তৰীয়ৰ ঢাক
নাও পালে সিপাৰ নাপালে ইপাৰ

যাত্ৰাৰ নাৱৰ টিঙৰপৰা
সময়ৰ লগিডাল পেলাই চোৱাচোন
নেঘেৰিটিঙলৈ যোৱা বাটটো
পি-পুৰ বংশধৰে বান্ধিলে নে ?

আহ ! সময় হীৰাৰ দৰে কঠিন।

অসমীয়া গ্ৰন্থ

উনবিংশ শতিকাৰ আৰম্ভণিতে শ্ৰীৰামপুৰৰপৰা বাইবেলৰ অসমীয়া অনুবাদ প্ৰকাশ পোৱাৰেপৰা একবিংশ শতিকাৰ প্ৰথমটো দশকলৈকে অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থৰ সুদীৰ্ঘ ইতিহাসৰ এক বিজ্ঞানসন্মত, তথ্যনিষ্ঠ আৰু বৰ্ণাঢ্য আলেখ্য।

সহস্ৰাধিক পৃষ্ঠাৰ এই গ্ৰন্থখনত থাকিব ——

- পোন্ধৰ হাজাৰতকৈয়ো অধিক গ্ৰন্থৰ বিজ্ঞানসন্মত পদ্ধতিৰে প্ৰস্তুত কৰা এখন বৰ্ণানুক্ৰমিক পঞ্জী।
- দুহেজাৰখন নিৰ্বাচিত গ্ৰন্থৰ বস্তুনিষ্ঠ আলোচনা-সমালোচনা।
- এহেজাৰজন গ্ৰন্থকাৰৰ লেখক-জীৱনৰ পৰিচয়।
- গ্ৰন্থপঞ্জী আৰু অসমীয়া গ্ৰন্থপঞ্জী বিষয়ক বিশেষ প্ৰবন্ধ।
- অসমীয়া গ্ৰন্থৰ বৰ্ণাঢ্য জগতখনক আলোকিত কৰিবপৰা বহুকেইটা তথ্যসমৃদ্ধ প্ৰবন্ধ।
- অসমীয়া গ্ৰন্থৰ জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তি আৰু অনুষ্ঠানসমূহৰ পৰিচয়।
- বহুচৰ্চিত আৰু বহুবন্দিত গ্ৰন্থৰ সুকীয়া আলেখ্য।
- অসমীয়া গ্ৰন্থকাৰে ইংৰাজী ভাষাত লিখা গ্ৰন্থৰ তালিকা আৰু পৰিচয়।
- বিভিন্ন ভাৰতীয় ভাষালৈ অনূদিত অসমীয়া ভাষাৰ গ্ৰন্থৰ খতিয়ান।
- দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰচ্ছদ, নামপৃষ্ঠা আৰু লেখকৰ ফটোকে ধৰি গ্ৰন্থ সম্পৰ্কীয় অসংখ্য ফটোগ্ৰাফ।

আপোনাৰ হাতত থকা মূল্যবান তথ্য তথা দিহা-পৰামৰ্শ আগবঢ়াই আপুনিও হ'ব পাৰে আমাৰ এই যাত্ৰাৰ এগৰাকী সুহৃদ সহযোগী

first edition of this book is exclusively for the members of KATHA READERS' FORUM

কথা

Contact: Office 'Katha', Comfort Market,
Jasowanta Road, Panbazar, Guwahati-1, Assam
Email asomiyagrantha@gmail com
Tel 0361-2733263, 98540-01064

forthcoming from katha

◆ **যমুনা বৰগোহাঁইৰ বৰ্ণাঢ্য সৃষ্টিসম্ভাৰ** ◆

১. **পষ্টমৰ্টেম** (নাটক)
প্ৰভাতী পখীৰ গীত (নাটক)
পদুমপাতৰ পানী (নাটক)
ছিন্নমূল (নাটক)
ঘৰ (নাটক)
পূবেৰুণ (নাটক)
২. **শুকুলা পখীৰ গীত** (শিশু-উপন্যাস)
৩ **মোৰ জীৱন ৰাগভৈৰৱ** (আত্মজীৱনী)
৪ **বিয়ানাম আৰু ঐতিহ্যৰ পৰম্পৰা**
৫ **ৰ'দালি এ ৰ'দ দে** (কবিতা-সংকলন)
৬ **ভেকুলীৰ সাধু** (শিশু-সাহিত্য)
৭ **এটি ৰূপৰ মঞ্জুসা আৰু এথুপি তৰা**
(এখুদি দুৱৰাৰ সৈতে যুটীয়াভাৱে গল্প-সংকলন)
৮ **সূৰুযমুখীৰ স্বপ্ন** (কাব্যনাট)

যোগাযোগ — ০৩৭৭২-২২৩৩৮৫

ভাষা-সাহিত্যৰ বেদীত শ্ৰদ্ধাৰ্ঘ্য

◆ **ধীৰেন্দ্ৰনাথ ভূঞাৰ গ্ৰন্থ** ◆

'সুৱদি সুৰীয়া আইৰ মুখৰ মাত'

যোগাযোগ — ৯৪০১০-০৬৮১৪

বিজ্ঞাপন / ১



◆ গীতা উপাধ্যায়ৰ ৰচনাৰাজি ◆

১ এন ফ্ৰাংকৰ ডায়েৰী (অনুবাদ)

২. ভানুভক্তৰ ৰামায়ণ

৩. ক'লা সূৰুয (ভৰত জঙ্গমৰ নেপালী উপন্যাসৰ অনুবাদ)

৪. মুন্না মদন (লক্ষ্মীপ্ৰসাদ দেৱকোটাৰ কাব্যৰ অনুবাদ)

৫. মা মই ফাৰ্ষ্ট হ'লোঁ (শিশু-উপন্যাস)

৬. নেপাল দেশৰ লোকসাধু (শিশু-সাহিত্য)

৭. সুবাসিত বতাহ (গল্প-সংকলন)

৮. অনাদি গোপাল (মাৰাঠী উপন্যাসৰ অনুবাদ)

৯. নিজ অভিব্যক্তিৰ দাপোণত ধনবাহাদুৰ সোণাৰ

যোগাযোগ — ৯৪৩৫০-৮৩২৯৮

বিজ্ঞাপন / ২

◆ **দীপ্তিময়ী গগৈৰ গ্ৰন্থসম্ভাৰ** ◆

১. **হৃদয় মোৰ তেজ ৰঙা ৰাঙলী গোলাপ** (কাব্য-সংকলন)
২. **জোনাকৰ ফুল** (শিশু-গল্পসংগ্ৰহ)
৩ **এধাৰি বকুলৰ মালা** (শিশু-কাব্যসংকলন)
৪. **নদী মাথোঁ বয়** (গল্প-সংকলন)
৫. **অকণিৰ ডিম্বেশ্বৰ নেওগ** (শিশু-জীৱনী)
যোগাযোগ — ৯৯৫৭২৬১৬৭১

আস্না চেতিয়াৰ বহুচৰ্চিত ফুলনিখনৰ ক্ৰিচেনথিমাম্

ড° আস্না চেতিয়াৰ গ্ৰন্থ
পদ্মনাথ গোহাঞি বৰুৱা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন।
যোগাযোগ — ৯৪৩৫৩-৫৫৫০১

বিজ্ঞাপন / ৩

◆ ড° নিৰুপমা মহন্তৰ গ্ৰন্থৰাজি ◆

১ **সত্ৰ সংস্কৃতিৰ ৰূপছায়া** (আলোচনামূলক)

২ **জোনাকৰ দেশত মৌ** (শিশু-সাহিত্য)

৩ **সৰ্বগুণকাৰ** (শঙ্কৰদেৱৰ জীৱনভিত্তিক উপন্যাস)

৪ **বনভোজ** (শিশু-সাহিত্য)

৫ **ৰসিক সুজান** (উপন্যাসৰ ৰূপত মাধৱদেৱৰ জীৱন-সংহিতা)

৬ **কনকলতা** (মধ্যযুগৰ দুঃসাহসিক নাৰীৰ জীৱন-সংহিতা)

যোগাযোগ — **৯৪৩৫০-৮৩২৯৮**

◆ গিৰিজাপ্ৰসাদ বৰুৱাৰ গ্ৰন্থ ◆

ৰংপুৰৰ কেইটামান বিশিষ্ট পৰিয়াল (আলোচনামূলক)

◆ ইৰা বৰুৱাৰ গ্ৰন্থ ◆

হেৰুৱা বেদনা (কাব্য-সংকলন)

বিজ্ঞাপন / ৪

◆ তেজপুৰ মানসিক চিকিৎসালয়ৰ
অৱসৰপ্ৰাপ্ত অধীক্ষক তথা বিশিষ্ট চিকিৎসক
ডাঃ বিজয়প্ৰসাদ বৰাৰ জীৱনজোৰা সাধনাৰ ফচল—
তথা সুখপাঠ্য আৰু তথ্যসমৃদ্ধ গ্ৰন্থসমূহ ◆

১. **মানসিক সমস্যা** (১৯৭৮)
২ **মানসিক স্বাস্থ্য আৰু সমস্যা**, প্ৰথম আৰু দ্বিতীয় খণ্ড, ১৯৯১
৩ **তেজপুৰ মানসিক চিকিৎসালয়ৰ অকথিত কাহিনী**, ২০০৮
৪ **প্ৰাচীন ভাৰতীয় চিন্তাধাৰাত মানসিক স্বাস্থ্যৰ আভাস** (প্ৰকাশৰ পথত)

যোগাযোগ — ৯৪৩৫৫২৬১৪৩ / ৯৪৩৫৩৫৫৯৯৩

◆ উদীয়মান কবি, গল্পকাৰ
স্বপ্নাৰেখা পাঠকৰ ————

কবিতাপুথি
কুসুম কানন, চিকাৰী ঘাটত সন্ধ্যা নামিছে
গল্প-সংকলন
দুঃসময়ৰ ডায়েৰী
যোগাযোগ — ৯৪৩৫৭-১৭০২

বিজ্ঞাপন / ৫

◆ ড° মায়াশ্ৰী গোস্বামীৰ মৌলিক
আৰু সম্পাদিত সাহিত্য-কৃতি ◆

১ চৰ্যাগীতিকোষ (সম্পাদনা)
২ পৰম্পৰা আৰু সাধনাৰ সুৰভি (সম্পাদনা)
৩. ভাষা-সাহিত্যৰ কৰণি (মৌলিক)
৪ এনাজৰী (সম্পাদনা)
৫ SIBCOLTEJO (সম্পাদনা)
৬. সজল প্ৰভাত (সম্পাদনা)
৭ সৃজনী (সম্পাদনা)
যোগাযোগ — ৯৪৩৫৩ ৫৫৮৯৭

◆ সুৰেশ শইকীয়াৰ গ্ৰন্থ ◆

বিশ্ববিশ্ৰুত চিত্ৰশিল্পী ক্ৰমে পল গঁগা আৰু ভেন গঘৰ
জীৱনভিত্তিক দুখন উপন্যাস—
১. সোণালী দেহা
২. জীৱন তৃষা
যোগাযোগ ঃ ৯৪৩৫০-৫৬৯৬৯

◆ মেঘালী হাজৰিকাৰ অনবদ্য গল্প-সংকলন ◆

হৃদয়ৰ নীলা সৰোবৰ
যোগাযোগ ঃ ৯৪৩৫৪ ৮৭৪৮৭

বিজ্ঞাপন / ৬

◆ গৱেষক-সমালোচক ড° কৃষ্ণকুমাৰ মিশ্ৰৰ গ্ৰন্থসমূহ ◆

১. **বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস** (গৱেষণামূলক)
২. **প্ৰসংগ ঃ উপন্যাস** (আলোচনা)
৩. **অনুষ্টুপ** (প্ৰবন্ধ-সংকলন)
৪ **ইমৰান শ্বাহৰ নিৰ্বাচিত গল্প** (সম্পাদিত)

যোগাযোগ — ৯৪৩৫৮-৩৪৭৫১

◆ হিৰণময়ী দত্তৰ গ্ৰন্থসম্ভাৰ ◆

১. **আবেলিৰ ৰং** (গল্প-সংকলন)
২. **বিয়লিৰ বলুকাত জোনায়ে হাঁহে** (গল্প-সংকলন)
৩ **প্ৰাণে গীতৰ সুবাস** (গীতি কবিতা)
৪ **শিশু-নাটিকা** (শিশু-একাংকিকাৰ সংকলন)
৫. **অকণিৰ নাট** (শিশু-একাংকিকাৰ সংকলন)
৬. **অকণিৰ ৰামায়ণ** (শিশু-সাহিত্য)
৭. **কীৰ্তনৰ সাধু** (শিশু-সাহিত্য)
৮ **অকণিৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ** (শিশু-জীৱনী)

যোগাযোগ — ৯৯৫৪৪-৩৩৬৪৭

বিজ্ঞাপন / ৭

ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন, ২০০৫

কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনাৰদ্বাৰা ২০০৮ চনৰ পহিলা এপ্ৰিলৰপৰা শিৱসাগৰ জিলাখনকো উক্ত আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। আঁচনিখন সফল হ'বলৈ হ'লে ৰাইজে এই সম্বন্ধে কিছু কথা অৱগত হোৱাটো প্ৰয়োজন।

আইনৰ বৈশিষ্ট্যসমূহ ঃ

- অনা-কুশলী শ্ৰম কৰিবলৈ আগবাঢ়ি অহা প্ৰতিটো পৰিয়ালক বছৰত ১০০ (এশ) দিনৰ নিশ্চিত নিয়োগ প্ৰদান কৰা।
- নিয়োগ দাবী কৰিবলৈ এখন কৰ্মপত্ৰ(Job Card)ৰ প্ৰয়োজন।
- কৰ্মপত্ৰৰ বাবে গাঁও পঞ্চায়তত লিখিত আবেদন কৰি পঞ্জীয়নভুক্ত হ'লে ১৫ (পোন্ধৰ) দিনৰ ভিতৰত প্ৰয়োজনীয় পৰীক্ষা সম্পূৰ্ণ কৰি কৰ্মপত্ৰ প্ৰদান কৰিব।
- আবেদনকাৰী পৰিয়াল গাঁও পঞ্চায়ত এলেকাৰ বাসিন্দা হ'ব লাগিব। পৰিয়ালৰ ১৮ বছৰ বয়সৰ ওপৰৰ ইচ্ছুক ব্যক্তিৰ বাবে প্ৰযোজ্য হ'ব।
- কৰ্মপত্ৰত পৰিয়ালৰ ইচ্ছুক সদস্যসকলৰ (১৮ বছৰ বয়সৰ ওপৰৰ) ফটো সংলগ্ন থাকিব লাগিব। কৰ্মপত্ৰৰ ফটো আৰু পঞ্জীয়ন ব্যয় আঁচনিভুক্ত পৰিয়ালে বহন কৰিব নালাগে।
- লিখিত আবেদনৰ ভিত্তিত ১৫ দিনৰ ভিতৰত অনা-কুশলী শ্ৰমিক হিচাপে নিয়োগ নিশ্চিত কৰা হ'ব।
- মজুৰিৰ নিৰিখ চৰকাৰে ঘোষণা কৰা ন্যূনতম হাৰত প্ৰদান কৰা হ'ব।
- শ্ৰমৰ বিনিময়তহে মজুৰি আদায় দিয়া হ'ব।
- এক তৃতীয়াংশ কাম মহিলাৰ বাবে সংৰক্ষিত হ'ব। শাৰীৰিকভাৱে অক্ষম আৰু নৱজাতকৰ মাতৃৰ বাবেও বিশেষ সুবিধা থাকিব।

সংশ্লিষ্ট গাঁও পঞ্চায়ত আৰু প্ৰগ্ৰেম বিষয়াৰ (খণ্ড উন্নয়ন বিষয়া) লগত যোগাযোগ ৰাখক। ৰাইজৰ সক্ৰিয় সহযোগিতা আঁচনিৰ সফলতাৰ মূল চাবিকাঠি।

শিৱসাগৰ জিলাৰ প্ৰকল্প সমন্বয়কৰদ্বাৰা অনুমোদিত আৰু
শিৱসাগৰ জিলা গ্ৰাম্য অভিকৰণৰদ্বাৰা প্ৰচাৰিত

ASSAM - EXPERIENCE ITS UNIQUENESS

Please avail the facilities offered by
Assam Tourism Development Corporation Limited and
Directorate of Tourism, Government of Assam
for a comfortable stay in the following lodges :

- Prashaanti Tourist Lodges, Station Road, Guwahati, Ph: 0361-2544475
- Prashaanti Tourist Lodges, M G Road, Jorhat, Ph: 0376-2321579
- Prashaanti Tourist Lodges, Park Road, Silchar, Ph. 03842-232376
- Prashaanti Tourist Lodges, Jenkins Road, Tezpur, Ph: 03712-221016
- Aranya Tourist Lodges, Kohara, Kaziranga National Park. Ph 03776-262429
- Tourist Lodges, Sibsagar, Ph: 03772-222394
- Tourist Lodges, Nagaon, Ph: 03672-236446
- Tourist Lodges, Barpeta Road, Ph: 03666-260749
- Chandubi Picnic Cottage, Chandubi, Kamrup
- Bonani, Bonashree, Kunjabon Tourist Lodges, Kaziranga, Ph: 03776-262423
- Tourist Lodges, Diphu, Ph· 03671-272694
- Tourist Lodges, Bhalukpung, Ph. 03782-234037

Avail facilities at the **Lodges/Restaurants/Wayside Amenities/ Parks** provided by Assam Tourism Development Corporation Limited are run of Management Contract basis

- Prashaanti Tourist Lodges, Golaghat,
  Ph 03774-280611/280730,91-9864286200
- Downtown Holiday Resort, Samaguri, Nagaon,
  Ph: 03722-29007/0361-2331003
- Agaratoli Tourist Resort, Kaziranga National Park, Ph: 91-9954808776
- Jupuri Ghar, Kaziranga National Park, 91-9435196377/03776-294214
- Prashaanti Tourist Lodges, Nalbari, Ph: 03624-220973/222821
- Prashaanti Yatri Niwas and Restaurant, Navagraha, Guwahati
  Ph: 91-9464083579
- Sukreswar Ghat Udyan, Guwahati, Ph: 91-9835100580
- Bir Lachit Udyan, Jalukbari, Guwahati, Ph: 91-9957837894
- Shanti Udyan and Restaurant, Dighalipukhuri, Guwahati,
  Ph: 91-9954078265
- Yatri Niwas and Restaurant, Hajo
- Yatri Niwas, Madan Kamdev, Kamrup

- Sati Radhika Shanti Udyan, Uzanbazar, Guwahati, Ph: 91-9854139488
- Wayside Amenities Centre and Cottages, Jakhalabandha, Ph: 91-9859522320/9864081750
- Samaguri Tourism Project, Samaguri, Ph: 91-9864017412/0367-2229007
- Prashaanti Tourist Lodges, Pobita, Ph. 91-9864023413/9854612196
- Rhinorica Wayside Amenities Centre, Kaziranga, Ph: 91-9864046332
- Prashaanti Tourist Cottages, Bhalukpung
- Chapanala Picnic Spot, Nagaon, Ph:91-9401442866
- "Triptire Ekhaj", Wayside Amenities Centre, Amoni, Ph 91-9435060228
- Tourism Projects, Bhalukpung, Ph 03782-234896/91-9436256310
- Prashaanti Tourist Lodges, Orang Rajiv Gandhi National Park, Ph. 91-9954023413/9864023413
- Prashaanti Yatri Niwas, Barpeta, Ph. 91-9854200686
- PrashaantiWayside Amenities Centre, Moran, Ph. 91-9854842093/9854066351
- PrashaantiWayside Amenities Centre, Sibsagar
- PrashaantiWayside Amenities Centre, Digboi, Ph 91-9435142063
- Prashaanti Tourist Lodges, Sadiya, Ph. 91-9957003572
- Prashaanti Wayside Amenities Centre, Kalain, Silchar, Ph 91-9435374021
- Prashaanti Tourist Lodges, Kamakhya, Guwahati, Ph: 91-9435042063
- Prashaanti Cottages, Kaziranga, Ph: 91-9435020786
- Prashaanti Tourist Lodges, Dhubri, Ph: 03662-230961, 91-9435029720
- Swagatam Guest House, New Delhi, Ph 011-26165846

Also enjoy the conducted tours organized by Assam Tourism on every Saturday and Sunday to Shillong and around Guwahati city and on Wednesdays, Fridays and Sundays during season (November-April) to Kaziranga National Park. Avail also the opportunity to enjoy the River Cruise on the mighty river Brahmaputra everyday onboard "Jolpree" from Sukreswar Ghat, Guwahati.

For booking and details please contact

Assam Tourism Development Corporation Limited

Asom Paryatan Bhawan, A.K. Azad Road,
Paltan Bazar, Guwahati 781008

Ph: 0361-2633654 / 2738620
Website : www.assamtourism.org,
www. assamtourismmonline.com
Email: mdatcguw1@dataone.in

Directorate of Tourism
Government of Assam
Railway Station Road,
Guwahati-781001
Ph: 0361-2547102 / 2542748

শিল্প শিৱসাগৰৰ

সৈতে জড়িত ব্যক্তিসকল

সোণাৰাম বৰুৱা



ড° কৃষ্ণকুমাৰ মিশ্ৰ

দীপালী ভট্টাচাৰ্য বৰুৱা



অপূৰ্ব ভূঞা

যোগেশ বৰুৱা

শিৰীষকুমাৰ ভট্টাচাৰ্য


ড° প্ৰকাশ কটকী

ড° নিৰুপমা মহন্ত

মণিকা শইকীয়া

প্ৰেম গগৈ